# অনাম্নী নাগিনী

কৈলাস শৰ্মা

কলিকতা : গুৱাহাটী

**ANAMI NAGINI :** An Assamese Novel, based on the Naga Hills written by Shri Kailash Sarma. Printed and Published by Shri Kusha Dutta, Progressive Publishers, Calcutta-11. Price Rs. 5·00

৷৷ প্ৰকাশ ৷৷
শ্ৰীকুশ দত্ত
প্ৰ'গ্ৰেছিভ্ পাব্লিচাৰ্চ
পি, ২৮৪ চি. আই. টি. ৰ'ড
কলিকতা—১১

৷৷ ৰচনা কাল ৷৷
১৯৫৮

৷৷ প্ৰথম প্ৰকাশ ৷৷
১৯৬৩

৷৷ মূল্য ৷৷
পাঁচ টকা

## 'মোৰ ক'বলগীয়া

নগা পাহাৰত থকা সময়ত নগা ৰাইজ আৰু তেওঁলোকৰ সমাজৰ বিষয়ে যিকণ আধৰুৱা অভিজ্ঞতা সঞ্চয় কৰিছিলো, তাৰে ওপৰত অনামী নাগিনীৰ কাহিনীটো গঢ়ি তুলিছো। সামাজিক দিশটো বহলোৱাত জে, এইচ, হাটন্ : ইণ্ডিয়ান চিভিল চাৰ্ভিছৰ 'দি আংগামী নাগাজ'খনে বিশেষভাৱে সহায় কৰিছে। প্ৰগতিৰ পথত দেশ আগ বঢ়াৰ লগে লগে নগা ৰাইজৰো পৰিবৰ্তন হৈছে, স্বীকাৰ কৰিব লাগিব। তথাপি তেওঁলোকৰ সামাজিক দিশটোৰ অপৰিবৰ্তনীয় অবস্থাটো সহজে নহলেও অলপ গমি চালেই গম পোৱা যায়।

কিতাপখনত উল্লেখ কৰা আটাইকেইটা চৰিত্ৰ মোৰ মনে গঢ়া। কাহিনীৰ অসম্পূৰ্ণতা নাইবা আবশ্যকীয় গুণৰ হীনতা আন একো নহয়,—মোৰ অযোগ্যতা মাথোন। অনামী নাগিনীৰ দেখনিয়াৰ ৰূপ দিবলৈ কৰা সকলোখিনি যত্ন আৰু শ্ৰম মোৰ বন্ধু শ্ৰীকুশ দত্তৰ।

কলিকতা-১১
২৬.১২.৬২

কৈলাস শৰ্মা

মৰমেৰে মুম্বলৈ

কৈলাস

# অনামী নাগিনী

## ( ১ )

অ' হৈ-অ'-হৈ অ'-হৈ ঐ-ঐ-ই-ই- ।

মতা, তিৰোতা, ডেকা আৰু গাভৰু। নগা বনুৱাৰ দল। দিন-হাজিৰা কৰা বনুৱাৰ দল সিহঁত। বহাগ মহীয়া ৰ'দৰ তাপ মূৰত লৈ কাম কৰিছে সিহঁতে। নতুন মাটিৰ চপৰাবপৰা কেঁচা মাটিৰ গোন্ধ ওলাই সিহঁতৰ নাকত লাগে। শুকান মাটিত কেজ্জুৰ চাপ লাগি উৰি যোৱা ধূলিকণাবোৰ ৰ'দৰ ৰশ্মিত মিহলি হৈ উৰে। খুটিৰ চিনে চিনে সিহঁতে মাটি কাটে। মতা আৰু ডেকাবোৰে কেজ্জু মাৰি ওখ পাহাৰৰ টিলা হুৰ্ হুৰ্কৈ খহাই পেলায়। এহাত দীঘল নালৰ নগা কোৰত খামোচ মাৰি ধৰি সিহঁতে কোৰ মাৰোতে পিঠিৰ সবল মাংসপেশীবোৰ ৰ'দ পৰি স্পষ্ট হৈ জিলিকি উঠে। কেজ্জুৰ তীখাৰ আঘাতত মাটিত পোত খাই থকা শিলৰ গাত জুইৰ ফিৰিঙতি ছিটিকে। ঝুৰ ঝুৰকৈ সৰু পাহাৰবোৰ খহি আহি ফিৰিঙতিবোৰ ঢাকি দিয়ে।

অ'—হৈ-ছ্— ।

এটা মৰাশৰ ওপৰত এজাক শগুণ পৰি টনা-টনি লগোৱাদি প্ৰকাণ্ড শিলবোৰৰ চাৰিওকাষে সিহঁতে খামুচি ধৰি মাটিৰ বুকুৰ পৰা উলিয়াই আনিবলৈ প্ৰাণপণে চেষ্টা কৰি, বুক ভৰা নিশ্বাস এৰে। ধ্বংসৰ মাজেদি সিহঁতে গঢ় দিছে সৃষ্টিক। ধ্বংসৰ উন্মত্ততা আৰু সৃষ্টিৰ আনন্দৰ সংমিশ্ৰণত আপোন-পাহৰা হৈ পৰে। মজুৰীৰ কাৰেঙ্কী নোটে সিহঁতৰ আগত যেন লুকা-ভাকু খেলে। নিমিষতে বহুতো কাম কৰি, বহুতো কাৰেঙ্কী নোট ঠিকাদাৰৰ জেপৰপৰা খপিয়াই আনিবলৈ যেন সিহঁত উন্মাদ হৈ পৰে।

আপইতো বাঁহৰ সক সককৈ সজোৱা পাচিত পোৱা আৰু সক শিলবোৰ কঢ়িয়াই নি চাপৰ ঠাইবোৰত মাইকী বন্থুৱাবোৰে জাপি দিয়ে। সেই কৰ্ম ব্যস্ততাৰ মাজতে সিহঁতে একোবাৰ হাতৰ পিঠিৰে কপালৰ ঘামবোৰ মচি পেলায়। কঁকালত হাত দি এখন্তেক থিয় দি বৈ কেঁচা মাটিৰ গোন্ধটো অনুভৱ কৰে।

মাইকী বন্থুৱাবোৰৰ পাচি ভৰাই দিয়া গাভৰু দলে গুণ্ গুণ্ কৈ গান গায়। ভোণ্ ভোণাই সিটোৰে-ইটোক কিবা কথা কয়। কিবা সংকেত। কোনেও বুজি নাপায়। সিহঁতে চকুৱে চকুৱে চাই হাঁহে। লগৰে আন এজনীয়ে সিঁয়াৰে। অসুবিধাৰ মাজতো সিহঁতে গাভৰু মনৰ চঞ্চলতাবোৰ লুকাই ৰাখিব নোৱাৰে। চৰ্দাৰ আৰু ঠিকাদাৰৰ মহৰীয়ে সিহঁতক ধমকিয়ায় কথা পাতিলে। সেয়ে সিহঁতে থিয় দি কথা পাতিব নোৱাৰে। মহৰীয়ে হাজিৰা কটাৰ কথা কৈ হুমকি দিয়ে। ফিচিং ফিচাং কৰিলে পেন্দোৰাকৈ চায়। এই বুঢ়া মহৰী ডাল! বুঢ়া মহৰীৰ শাসনৰ বিৰুদ্ধে সিহঁতে মনতে ভাবে। চুলি পকিল আৰু দাঁত সৰিল; বুঢ়া হৈ গ'ল। কি বুজিব ফূৰ্তিৰ মোল! বাক্সসে চোৱাদি একেবাৰে পেন্দোৰাকৈ চায়;—যেন গিলিহে পেলাব মৰা বুঢ়াটোৱে!

বুঢ়ীৰ দলটোও কম নহয়। যেনিবা গাভৰু নাচিলেই কোনোদিনে! কিমান যে খেচ্ খেচাব পাৰে। কাকো গাভৰুহঁতে মুখ খুলি প্ৰতিবাদ কৰিব নোৱাৰে।

বুঢ়ী কেইজনীয়ে সিহঁতক খেচ্ খেচায়,—কামৰ সময়ত পাতলীয়া কথা পতা চেলেপু মনৰ বাবে। লোকৰ পইচা লৈ কাম কৰিলে বোলে কথা পতা, হাঁহি-ধেমালি কৰা নিয়ম নহয়। পানীৰ ঘাটত, পানী-খেতিৰ পথাৰত, নিজৰ কামত যিমান মন যায় হাঁহিবি! য'তে ত'তে কমোৱা তুলা উৰা দিবৰ কি আৱশ্যক!

গাভৰুহঁত সেই বাবেই সচেতন। লোকক দেখুৱাই সিহঁতে নাহাঁহে। কিন্তু নাহাঁহি, কথা নাপাতি ওঁঠ দুটা জপাই বন্ধ কৰি ৰাখিবলৈ নোৱাৰে সিহঁতে। মনে নামানে। পাচিবোৰ ভৰাই

থাকোতেই ইটোৰে-সিটোক খুন্দিয়ায়। হুটালি কৰে। খিল্ খিল্কৈ ওলাই অহা খোলা হাঁহিটো ওঁঠৰ বাহিৰ নকৰিবলৈ চেপা মাৰি ধৰি লুকাই ৰখাৰ অপচেষ্টাত মুখ-কাণ ৰঙা পৰে। বসন্ত কালৰ ছুপৰীয়াৰ ৰ'দে তাতে ৰং চৰায়।

কোহিমা নগৰ উন্নয়ণ আৰু সম্প্ৰসাৰণ আঁচনি মতে হ'ব ধৰা সেই বাটটোতে কাম কৰিছে বনুৱা দলে। ইঞ্জিনিয়াৰে নিজে জৰীপ কৰি গৈছে। মহৰীয়ে চূণ সনা খুটি পুতি বাটটো কোনপিনে ঘূৰি ক'ত ওলাব তাৰে চিন দি ৰাখিছে। নতুন এটা আলিবাটৰ প্ৰস্তুতি। পথ সম্প্ৰসাৰণ আচনিৰ অন্যতম পথ।

তাৰেই কামৰ তদাৰক কৰিবলৈ আহিছে কমল বৰুৱা। পি-ডব্লিউ-ডিৰ ৰোড-চেক্সনৰ ভাৰপ্ৰাপ্ত অ'ভাৰচিয়াৰ কমল বৰুৱা। সেই ন-আলিটোৰ ভাৰ তাৰ ওপৰত। আলিবাটৰ বিষয়া কমল বৰুৱা একে ডিপাৰ্টমেণ্টৰে মটৰ-ট্ৰাক ড্ৰাইভাৰ দেবেন গগৈৰ ভাষাত চিয়াৰ বাবু। কাম কৰি থকা বনুৱা দলটোৰ ওচৰৰপৰা আঁতৰি আহিল সি। বহাগ মহীয়া কুমলীয়া পাতৰ নাচপতি গছজোপাৰ ছাঁত সি থিয় দি মূৰৰপৰা ফেল্ট্ হেট্টো সোলোকাই সৰু ডাল এটাৰ মূৰত ওলোমাই থৈ চকুৰপৰা চান্-গ্লাছজোৰা নমাই আনি ৰুমালখনেৰে মুখ আৰু চকু ছুটা মোহাৰি অনতিদূৰৰ নগা বজাৰখনৰ পিনে চালে।

কোহিমা নগৰৰ উপকণ্ঠৰ নগা বজাৰ। ক'লা ক'লা ছালৰ জুপুৰি ঘৰবোৰ। মৰাঘুলিৰ বুকুত মৰি গৈও জীয়াই থকা পানী মেটেকাৰ জোপোহাবোৰৰ নিচিনা সেই জুপুৰিবোৰত নিম্নবিত্ত নগা পৰিয়াল কিছুমান থাকে। ঘৰবোৰৰ কোনোটোৰ ছুৱাৰ মেলা। নাইবা কাণি-হুৱৰীকৈ জপোৱা। বাহিৰত মানুহ আছে। ভিতৰতো হয়তো। চোতালত আৰু ঘৰৰ আগৰ সৰু, ঠেক বাটটোৰ আশে-পাশে ল'ৰা-ছোৱালীবোৰে দৌৰাদৌৰি কৰি খেলি ফুৰিছে। কোনোটো ঘৰৰ সন্মুখত বঢ়াই দিয়া চালিৰ তলত ছোৱালীইঁতে কাপোৰ বৈছে। ফুলৰ কাঢ়ি গণাত সিহঁত ব্যস্ত।

বাহিৰত মানুহ নথকা অথচ দুৱাৰ বন্ধ অবস্থাৰ ঘৰবোৰতো যে মানুহ থাকে, দেখিলেই বুজিব পাৰি। চিনো পায় মানুহ থকাৰ। ঘৰবোৰৰ চাৰিওপিনে বাঁহৰ চকোৰা আছে। লহ্-পহ্কৈ বাঢ়ি অহা নাৰ্জী ফুলৰ গছবোৰ বিশৃংখলভাবে ইপিনে-সিপিনে পৰি থকা নাই। বেৰৰ ওচৰত খুটি পুতি সেই গছবোৰ থান্থিত লগাই ৰাখিছে। ৰ'দত শুকাবলৈ দিয়া কাপোৰবোৰ চকোৰাত নাইবা ঘৰৰ চালত ওলমি আছে। বৰছা বন আৰু ঘাঁহবোৰে সিহঁতৰ চোতালত মূৰ তুলিব পৰা নাই।

কমলে স্তাৰ ওচৰৰ ঘৰটোলৈ চালে এবাৰ। দুৱাৰ বন্ধ আৰু মানুহ থকাৰ চিন নথকা ঘৰটোলৈ আকৌ চালে সি। স্পষ্ট চিন,—তাত মানুহ নাথাকে। বহুদিন হ'ল তাত কোনো নোহোৱা। ঘৰটোৰ চাল দুখনৰ এখনে মাৰলিৰ লগত সম্বন্ধ ছেদ কৰি মজিয়াৰ পিনে এহাত মান নামি আহিছে। বেৰৰ গুৰিবোৰো বৰষুণত পচি-জহি নামি গৈছে ভেটিটোৰপৰা আৰু সেই পচা বেৰৰ কাষে কাষে গজি অহা হাড়-কটা বনবোৰ মজিয়াৰ ভিতৰৰ পিনে সোমাই পোহৰৰ অভাৱত শেতা পৰি গৈছে। ঘৰটোৰ খুটাবোৰ হয়তো কিবা জীয়া গছৰ আছিল। কুঁহি মেলা গছ। তাৰে গজালিবোৰ চাল ফুটাই আকাশৰ পিনে উধাই গৈছে।

চোতালখনৰ বৰছা বন আৰু ঘাঁহবোৰ আঠুমূৰীয়া হৈ গজি আহিছে। চোতালখনৰ দাঁতিৰ নাৰ্জী ফুলবোৰ ইয়াতো গজিছে। আশ্ৰয় নোপোৱা সেই ফুলৰ গছবোৰ বিশৃংখলভাবে দীঘল হৈ বৰছা বনবোৰৰ ওপৰত হালি-জালি পৰি আছে।

আশ্ৰয়!

নাৰ্জী ফুলবোৰৰ অনাশ্ৰয়ৰ কথাটো মনত খেলালত কমলৰ হাঁহি উঠিল। ভ্ৰূকুটিৰ হাঁহি। কোনে কাক আশ্ৰয় দিব পাৰে! লভাই বিচাৰে গা-গছৰ আশ্ৰয়।

আশ্ৰয়, আশ্ৰয় কৰি পৃথিবীখনক চিনি পাবৰ দিনাখনরে

পৰা এটা জীৱনে যদি হাবাথুৰি খাই বাৰে বাৰে আশ্ৰয়ৰ নামত —আপইতা বাঁহৰ বৰঘুণত পচি যোৱা অথচ মাটিত বাগৰি নপৰাকৈ ক্ষীণ শক্তিৰে মাটিৰ ওপৰত থিয় দি থকা গোজৰ স্থিতিক বিশ্বাস কৰি শেষত প্ৰতাৰিত হৈ ঠেকছিঙা অৱস্থা পোৱা লতাৰ দৰে জীয়াই থকাৰ উৎস বিচাৰি জীৱনজোৰা ব্যৰ্থতা আৰু লাঞ্ছনাকে মূৰ পাতি ল'বলগীয়া হয়, তেন্তে সেই লাঞ্ছিত জনৰপৰা কোনে কি আশ্ৰয় আশা কৰিব পাৰে ?

আজিও হয়তো তাই নিজেই অনাশ্ৰিতা। তাই এসময়ত থকা আৰু আজিৰ পৰিত্যক্ত এই ঘৰটোৰ চোতালত ছেদেলি-ভেদেলি হৈ পৰি থকা নাৰ্জী ফুলৰ গছবোৰৰ দৰে। যতন লওঁতাৰ অভাৱত দিনে দিনে জৰাজীৰ্ণ হৈ অহা ঘৰটোৰ দৰে তাইৰো জীৱনৰ দিনবোৰ বাগৰি গৈছে অভাৱ, অনাটন আৰু সংঘাতৰ মাজেৰে—সোঁতৰ বুকুত উটি যোৱা পানী মেটেকাৰ জাঁজীৰ দৰে। অ'ত ঠেকা খাইছে, ত'ত খুন্দা মাৰিছে। নাৰৰীয়াই অৱজ্ঞাৰে মেটেকাৰ জাঁজীবোৰ বঠাৰে কোবাই নাৱৰ ওচৰৰপৰা ঠেলি দূৰলৈ পঠিয়াই দিয়া দি সমাজৰ কাণ্ডাৰী আৰু ভদ্ৰতাৰ মুখা পিন্ধা কিছুমানৰ নিৰ্মম অত্যাচাৰেও তাইক ঠেলি পঠিয়াইছিল অন্ধকাৰৰ মাজলৈ। য'ত পোহৰ নাই। য'ত জীৱন নাই।—

সোণৰ চেকুৰা বুটলি ল'বলৈ উতলা আবেগেৰে দৌৰি আহিও তাই নিৰাশ হ'ল। সোণৰ টুকুৰা তাই ধৰি ৰাখিব নোৱাৰিলে। হাত মেলি পাতি থাকোতেও আঙুলিৰ সুৰুঙাইদি সৰকি গ'ল। বিমুখ হৈ দুখ আৰু হতাশৰ হুমুনিয়াহ কাঢ়ি চকুপানীবোৰ মচোতে মচোতেই সন্মুখত উজলি পিতলীয়া সেই সোণৰ উজলতাবোৰে তাইৰ দিক্‌ভ্ৰান্তি ঘটালে। তথাপি তাই চেষ্টা কৰিছিল—কৃত্ৰিম উজলতাৰ মাজেৰে খাটি সোণকণ বিচাৰি উলিয়াবলৈ।

এই জুপুৰি ঘৰটো—

এই উৰলি যোৱা জুপুৰি ঘৰটো যেন কোনোবা অনামী প্ৰেমিকৰ ব্যৰ্থ প্ৰেমৰ বধিৰ সমাধি। পংকিল তাৰ স্মৃতি। কক্ষচ্যুত

ধূমকেতুৰ পোহৰবোৰ সৌৰজগতৰ এচুকত কেইটামান দিন উজলি থাকি পুনৰ মহাকাশত বিলুপ্ত হৈ যোৱাদি তাইৰ জীৱনৰো অনাগত ভবিষ্যত বিশাল অন্ধকাৰৰ মাজত লুকাই পৰিল। সেউজসনা কল্পনাৰ মাধুৰীমাবোৰ টুকুৰা-টুকুৰ হৈ পৰি আছে মৰহা অতীতৰ বুকুত।

অ'ভাৰচিয়াৰ কমল বৰুৱাৰ মনত পৰিল…

এই ঘৰটোতে তাইক লগ পাইছিল সি। এবাৰেই প্ৰথম আৰু শেষ নহয়। প্ৰথম দিনা এটা সন্ধিয়া সি আহিছিল এই ঘৰটোলৈ। সংগী আছিল দেবেন গগৈ। নগা বজাৰত নগা মদ বেচি সন্তীয়া জীৱন যাপন কৰা ছোৱালী এজনীক সি প্ৰথম বাৰৰ বাবে ওচৰত দেখিলে। দেবেনে তাতে বহি মদ খাইছিল। তাই মদ বেচিছিল। আহিবৰ সময়ত কেইখন মান নোট সি তাইৰ হাতত তুলি দিছিল। মদৰ দাম। সহজভাবে তাই গ্ৰহণ কৰিছিল। দেবেনে মদ খোৱা সময়খিনি পীৰা এখনৰ ওপৰত সি চুপ্‌চাপ্ বহি আছিল। পেটে পেটে তাৰ বেয়া লাগিছিল পৰিবেশটো। মদৰ বতলৰপৰা মদ বকাৰ খল্ খল্ শব্দ আৰু টুকুৰা-টুকুৰ কথা-বতৰা। নিজৰ সন্মানখিনি তেনেদৰে এজনী সাধাৰণ ছোৱালীৰ ঘৰলৈ আহি মদৰ পোহাৰত হেৰাই যোৱা যেন লাগিছিল তাৰ মনত। সি সংকল্প কৰিছিল আৰু কেতিয়াও সেইবোৰলৈ নাহিবলৈ বুলি।

দ্বিতীয় বাৰৰ বাবেও সি আহিবলৈ বাধ্য হ'ল—নিজৰ আকৰ্ষণতে। তেতিয়া তাই তাৰ চিনাকি বন্ধু। বিপদৰ বন্ধু তাইৰ! লালমাটিৰ পাহাৰ খহনীয়ালৈ তায়ো গৈছিল দিন-হাজিৰা কৰিবলৈ আৰু সি গৈছিল সিহঁতৰ কামৰ তদাৰক কৰিবলৈ।……

বহুত দিনৰ পিছত সি এই ঘৰটোলৈ পুনৰ আহিছিল এটা সন্ধিয়া। অকলে অকলে। সেই নিশাটোতে সি শুনিছিল তাইৰ গোপন বেদনাবোৰ, নিৰ্জনতাত টোকা চকুৰ পানী আৰু বুকুৰ হুমুনিয়াৰে সঞ্চিত কৰা কাহিনী! কিমান অসহায়, কিমান

দুৰ্ভগীয়া হ'ব পাৰে মানুহ ! কিমান কষ্ট, কিমান ধৈৰ্যৰ মাজেদি আৰু আগবাঢ়িব মানুহ ! তথাপি সৌভাগ্যৰ সোঁত ঘূৰি নাহে ! সভ্যতা সভ্যতা বুলি জাহিৰ কৰি ফুৰা এচাম তথাকথিত সভ্যতাৰ পলসত বাঢ়ি অহা লোকৰ ভব্য সমাজৰ অন্তৰালত কিমান প্ৰবঞ্চনা লুকাই থাকিব পাৰে তাৰেই আলেখ্য শুনিবলৈ পাইছিল সি।

জীবিকাৰ পথ মদৰ ব্যৱসায়ৰ মাজত বিচাৰি পোৱা ছোৱালী জনীৰ প্ৰতি প্ৰথম দিনা সি যিটো ভাব, ঘৃণা আৰু অশ্ৰদ্ধা মনলৈ আনিছিল, দ্বিতীয় বাৰ তাইক লগ পাই জীৱন যুদ্ধত থকা-সৰকা হৈও মানৱতাক অপমানৰ হাতৰপৰা বচাই ৰাখিবলৈ কৰা চেষ্টাৰ বাস্তৱ কাহিনী শুনিবলৈ পালে। সি তাইক শ্ৰদ্ধা কৰিলে, আন্তৰিক সহানুভূতি জনালে। ৰক্ষণশীল সমাজৰ বিৰুদ্ধে নিৰ্ভীক প্ৰতিবাদ জনোৱা সেই ছোৱালীজনীলৈ কমল বৰুৱাৰ মনত পৰিল।......

( ২ )

কোহিমাৰ আশে-পাশে থকা নগা বস্তীবোৰলৈ যোৱাৰ আৰু নগা-নাগিনীবোৰৰ জীৱন যাপনৰ প্ৰাণালীবোৰ চোৱাৰ আগ্ৰহ এটা আছিল কমলৰ মনত। তাৰ কিন্তু কোনো দিনে নগৰৰ সোঁৱে বাৱে মদৰ বতল আগত লৈ দুপৰ ৰাতিলৈ জীৱিকাৰ বাবে বহি থকা ছোৱালীবোৰৰ বিষয়ে জানিবলৈ নাইবা সিহঁতৰ ওচৰলৈ যাবলৈ সমূলি মন নাছিল। নগা সমাজ বুলিলে যেন সেই সস্তীয়া জীৱন যাপন কৰা সেই ছোৱালীবোৰ সমাজখনৰ ভিতৰত নপৰে। এটা বিশেষ গণ্ডীৰ মাজত সিহঁত আছে।

'চিয়াৰ বাবু, আপুনি মধু খাই পাইছে ? নগা মদ ?' দেবেনে এদিন কমলক সুধিছিল। কমল তাৰ দুমাহমানৰ আগতে কোহিমালৈ আহিছে !

'ন্নাই খোৱা। মনো কৰা নাই সেইবোৰলৈ।' কমলে কথাটোৰ সিমানতে সামৰণি মাৰিব খুজিছিল।

'খোলাখুলিকৈ চিয়াৰবাবু, মই হলে নিতৌ সক্কিয়া অলপ নাটানিলে নোৱাৰো। চাওকচোন বাৰু, সেই উপজি পুৱাবেপৰা লৰীখনৰ ষ্টিয়েৰিং ধৰি যেই এবাৰ বহিলো, ৰক্ষা নাই আৰু। অ'ত যোৱা, ত'ত যোৱা। অমুক নে তমুক নে। পাহাৰে-পৰ্বতে ঘটং ঘটংকৈ দিনটো ঘূৰি ঘূৰি ৰাতি একেবাৰে ভৰিৰ আঙুলিৰ-পৰা মূৰৰ চুলিলৈকে ঝিমঝিমাই যায়গৈ। অলপ মধু খালে যেনিবা পিছ দিনালৈ ফ্রেচ্ ফ্রেচ্ লাগে।'

কমল কোহিমালৈ আহিবৰ দিনাখনৰপৰাই দেবেনৰ চিনাকি। লাহে লাহে দুয়ো বন্ধু হৈ পৰিল। দেবেনে পি-ডব্লিউ-ডিৰ লৰী চলায়।

'ভাল পাইছা খোৱা। মোৰ আবশ্যক নাই ভাই।'

'নোখোৱাটোৱেই ভাল চিয়াৰ বাবু। আপুনি বাৰু মধু বেচা নাগিনীৰ ঘৰলৈ গৈ পাইছে নে? এই, ধৰক চাবলৈ।'

'যোৱাৰ আবশ্যক বিবেচনা কৰা নাই আৰু কেতিয়াবা গলে তুমি গম পালাইহেঁতেন নহয়।' অমনোযোগীতাৰেই কমলে ক'লে।

'হয় অৱশ্যে।'—দেবেনে শলাগিলে।

গুৱাহাটীৰ ইঞ্জিনিয়াৰিং স্কুলৰপৰা অ'ভাৰচিয়াৰি পাছ কৰিয়েই কমল বৰুৱাই প্ৰথম চাকৰি পালে কোহিমাত। পি-ডব্লিউ-ডিৰ অ'ভাৰচিয়াৰৰ চাকৰি। কোহিমালৈ আহিবৰ তাৰ দুমাহ হ'ল, তথাপি তাৰ প্ৰথম দিনাৰ সেই কথাবোৰ স্পষ্ট মনত আছে। যিদিনা সি ডিমাপুৰৰপৰা কোহিমালৈ আহিছিল—মণিপুৰ ৰোড্ ৰেল ষ্টেচনত ৰেলৰপৰা নামিয়েই সি বাচ বিচাৰিছিল। মেইল-ট্ৰেইণ দুঘণ্টা পলমকৈ অহাৰ বাবে কোহিমা-ইম্ফলৰ মটৰবোৰ গুচি গ'ল। আছিল মাত্ৰ এখন লৰী। পি-ডব্লিউ-ডিৰ লৰীখন। কমল ওচৰ চাপি গ'ল ড্ৰাইভাৰৰ ওচৰলৈ। ফ্ৰণ্ট চিটত তাৰ বয়সৰে ডেকা এজন বিড়ি টানি উদাসীন মনে বহি আছিল।

'আপুনিয়েই ড্ৰাইভাৰ নেকি ? কোহিমালৈ যাব কেতিয়া ?'

'হয় কোহিমা যাম। ময়ে ড্ৰাইভাৰ। কওকচোন ?'

'ময়ো কোহিমালৈ যাম। নতুন চাকৰিত আহিছো, আপুনি লৈ গ'লে'—

'অ' কোহিমালৈ। বলক, বলক মোৰ লগতে।'

'আহক চাহ খাই আহো।'

'নাই নাই আপুনি খাওক বুজিছেনে, মই এই মাত্ৰ তিনি চিঙ্গোল অকলে গিলিলো।'

কোহিমালৈ যোৱা বাটত সিহঁত দুজনৰ মাজত বিশেষ কথা-বতৰা একো হোৱা নাছিল। দুয়ো মনে মনে আছিল, ওচৰা-ওচৰিকৈ বহিও।

কোহিমা গেটত আহি ড্ৰাইভাৰে লৰী ৰাখিলে—'আপুনি ক'ত নামিব ? কোহিমা পালোহি।' ড্ৰাইভাৰৰ মাতত সি চক্‌খাই উঠিল। গোটেই ৰাতি টোপনি খতি কৰি মটৰত তাৰ চকু দুটালৈ বাৰে বাৰে টোপনি নামি আহিছিল।

'পি-ডব্লিউ-ডি কোনপিনে বাৰু ?'

'পি-ডব্লিউ-ডি ? কাৰ ঘৰলৈ ?'

'কাৰো ঘৰলৈ নহয়।' কমলে হাঁহিছিল। নতুন ঠাইত নতুন চাকৰি লৈ আহিছো। অ'ভাৰচিয়াৰ।'

'হৰিকৃষ্ণ ! নমস্কাৰ চাৰ ! মই আপোনাক একোকে সোধাই নাই ইমান সময়ে। ৰাম ৰাম আমাৰে মানুহ। অ'ভাৰচিয়াৰ। অ' হয় সঞ্জয় শৰ্মা প্ৰমোচনত গ'ল। ঠিক আছে চাৰ, মই আপোনাক একেবাৰে আপোনাৰ নামত থকা কোৱাৰ্টাৰৰ দুৱাৰ মুখত নমাই দিমগৈ।'

'বুজিছে চাৰ', অলপ সময় মনে মনে গৈ থকাৰ পিছত ড্ৰাইভাৰে ক'লে—'বহুত মানুহক, নতুন মানুহক ডিমাপুৰৰ-পৰা কোহিমালৈ আনিছো, কোহিমাত পিছে-পৰে লগ পালে নামাতেতো নামাতেই, মটৰৰ ফ্ৰণ্ট চিটটোত বহিবলৈ পালে—

মই উপযাচি নামাত্তিলে তেখেতসকলে আগধৰি মাতিবলৈকে বেয়া পায়। এৰা আমি হলো ড্ৰাইভাৰ মানুহ! সেই কাৰণে ময়ো আজি কালি আগধৰি কাকো নামাতো। ডিমাপুৰত ঠেকাত পৰা দেখিলে, মটৰত তুলি আনো—সিমানেই।'

অলপ পিছতে কাম চাই থকা মহৰীজন কমলৰ ওচৰলৈ আহিল।

'নমস্কাৰ।'

'নমস্কাৰ, মই কমল বৰুৱা। নতুনকৈ অ'ভাৰচিয়াৰ হৈ আহিছো।' কমলে ক'লে।

'ভালেই হ'ল। আমিও আছো আৰু কোনো ৰকম। এই-টোৱেই আপোনাৰ নামত থকা কোৱাৰ্টাৰ। শৰ্মা অ'ভাৰচিয়াৰে চাহাবক চাৰ্জ দি গৈছে। আপুনি ৰোড চেক্সন পাব হ'বলা!'

'কিমান দিন হ'ল আপোনাৰ ইয়াত?'

'আঠ বছৰেই হ'ল। ইয়াৰ আগতে ডিমাপুৰত থাকিলো পাঁচ বছৰ।'

'ইয়াতে ..'

কমলৰ মুখৰ কথা কাঢ়ি নি মহৰীয়ে ক'লে—'অঁ অঁ ফেমিলি লৈয়ে আছো। কোৱাৰ্টাৰ পাইছো যেতিয়া! আপোনাৰ একো অসুবিধা নহয় ইয়াত। চাকৰি কৰিবলৈ আহিছে যেতিয়া দুই-এদিন কষ্টে-মষ্টে থাকিবই লাগিব। আমি পোনতে আহি কম কষ্ট পালোনে? আপুনি ভাবিবই নোৱাৰিব। আজিকালিহে প্ৰায় জনমৃৰি কোৱাৰ্টাৰ হৈছে। বাৰু, বাৰু মই আহোঁ। সেই ঘৰটোত চিমেণ্টৰ কাম চলিছে। বৰ চোৰ ঠিকাদাৰবোৰ! অলপ ইস্কাল-সিকাল কৰিবই নোৱাৰি। লাহে লাহে বুজি পাব আপুনি নিজেই, হেঃ হেঃ হেঃ।' তামোলৰ মোকোৰা মুখত লৈ ঢেক্‌ঢেকাই হাঁহি দিয়াত কেই টুকুৰামান তামোল ছিটিকি পৰিল। কোৱাৰীৰ কাৰেদি বৈ অহা পিক্‌বোৰ কোটটোৰ হাতেৰে মচি বৰ ব্যস্ততাৰে মহৰীজন আঁতৰিল।

'আপোনাৰ সকলো বয়-বস্তু পাইছে নে চাৰ ?' মুৰৰপৰা চাইনিজ্ কেপটো বাওঁহাতেৰে টান মাৰি সোলোকাই সোঁ-হাতেৰে শুকান চুলিবোৰ পিচপিনে বগৰাই দি কোবাকুৰিকৈ দেবেন ড্ৰাইভাৰ বাৰাণ্ডাত উঠিলহি।

'কিবা হেৰাল নেকি চাৰ ?' কমলে প্ৰথম প্ৰশ্নটোৰ উত্তৰ নিদিয়া দেখি দেবেনে পুনৰ সুধিলে। কমলে মহৰীজনৰ গা এৰা দি কোৱা কথাবোৰকে ভাবিছিল।

'নাই, সকলো ঠিক আছে ভাই! বহুত ধন্যবাদ।' কমলে সহজভাবে হাঁহিলে।

'আপোনাৰ বঙলাটোৰ ভিতৰখন চাওঁ ৰ'ব।' টুপীটো আকৌ মূৰত দলি মাৰি পিন্ধি সি ভিতৰ সোমাই গ'ল। পেন্টৰ জেপত দুয়োখন হাত ভৰাই গাটোত ধেমুভিৰীয়া ভাজ এটা দি দেবেনৰ ভিতৰ সোমাই যোৱা ভংগীটো দেখি কমলৰ হাঁহি উঠিল। দেবেনে ভিতৰ সোমাই ইখন খিড়ীকি খুলি, সিখন দুৱাৰ খুলি হুলস্থুল লগাই দি আকৌ কমলৰ ওচৰত থিয় দিলেহি।

'আগৰ অ'ভাৰচিয়াৰজন বৰ লেতেৰা আছিল চাৰ। তেওঁৰ এটা ল'ৰা আছিল—বৰ অঘাইতং। চাওকচোন দুৱাৰ-খিড়ীকিবোৰত চক্ মাটিৰে কিবোৰ আঁকিছে। বেৰত গজালৰ ফুটা। দুনিয়াৰ আজে-বাজে ছবিবোৰ আঁৰিছিল। ল'ৰাক কি দুষিব,—বাপেক আছিল অগাইধ তামূলী। বেৰত পিক্ পেলাই চূণৰ বগা ৰঙকে পখৰা কৰি দিছে।'

কমলৰ ক'বলৈ বিশেষ একো নাছিল। সি শুনি আছিল।

'এ চাৰ আপোনাৰ বান্ধনী ল'ৰা নাই হ'বলা নহয় ?' অলপ সময় বৈ দেবেনে আকৌ আৰম্ভ কৰিলে। 'এৰা, কথাটো মই টং কৰাই নাছিলো।'

'মই ভাবিছিলো পোনতে কেই দিনমান হোটেলতে থাম আৰু পিছত যি হয় বন্দোবস্ত কিবা এটা কৰি ল'ম।'

'আপুনিও কৈছে আৰু! থাকিব পি-ডব্লিউ-ডিত। খাব

সৌ টাউনৰ হোটেলত। ভাত খাই মেলি থুবি আহি ঘৰ পাওঁতে আকৌ ভোক লাগিবই! ঠিক আছে, আপুনি অলপ জিৰাওক, সন্তহতে একাপ চাহৰ ব্যৱস্থা কৰোগৈ। হোটেলত খোৱা, ক'ৰ কি সেই সাত খলপীয়া কথাবোৰ বাদ দিয়ক। ভাতবো হ'ব কিবা এটা।'

'নালাগে মিছা-মিছি কষ্ট কৰিবলৈ। চাহ এতিয়া নহলেও হ'ব। খোৱাৰ ব্যৱস্থাও কৰিম লাহে লাহে। নতুনতে কষ্ট অলপ হ'বই। কি কথা আছে তাৰ বাবে!'

'কি ব্যৱস্থানো কৰিব? বাচন-বৰ্তন সোপাই কোনোবা দোকানতে আছে। বুজিছে চাৰ, ইয়াত কোনো আগবাঢ়ি নাহে, আপোনাৰ অসুবিধাৰ খবৰ ল'বলৈ। বহুত দেখিলো চাৰ, বাইজৰ নাড়ী-নক্ষত্ৰ বেচ জনা আছে। সেই মহৰীজন আহিছিল নহয়? চোঁঃ সি কয় কি জানে? ৰোড্ চেক্সনৰ অ'ভাৰচিয়াৰৰ লগত কিহৰনো খাটিবডাল? আমি বিল্ডিং চেক্সনৰ মানুহ। থাকক য'তে থাকে ত'তে! ৰোড-চেক্সনৰ মানুহবোৰ যেনিবা মানুহেই নহয়। এক নম্বৰ চয়তান বুজিছে! চাহাবৰ আগত মাটিতে মিলি যাব, ঠিকাদাৰক দিব তেল!'

'ইয়ালৈ অহা আটাইবোৰবে তুমিয়েই ব্যৱস্থা কৰি দিয়া নেকি?'

'মোকনো লাগিছে কেলেই? আটাইবোৰৰেই ইয়াত কাৰোবাৰ মোমায়েক, পেহীয়েকৰ পুতেক, বাইদেৱেকৰ দেওৰেক, জেঠৈৰীয়েক এটা নহয় এটা সম্বন্ধীয় মানুহ ওলাবই! আহিয়েই মুৰ গুজি ল'ব পাৰিলেই হ'ল আৰু!'

'এৰা মোৰহে কোনো নাই।'

'নালাগে চাৰ! মই আছো! মই থাকোতে কিহৰ চিন্তা আপোনাৰ।'

'কষ্ট দিম তেনেহলে কেইদিনমান।'

'বাৰু আপুনি হাত-মুখ ধুই জিৰাওক, বিছনাখন পাতি দিওঁ।'

দেবেন গগৈ ড্ৰাইভাৰ আৰু অ'ভাৰচিয়াৰ কমল বৰুৱা দুয়ো বন্ধু হৈ পৰিল। কমলৰ ভাল লাগিল সমান বয়সৰে অস্থিৰ মনৰ যদিও মানুহৰ সুখ-দুখ বুজিবলৈ চেষ্টা কৰা আৰু সদায় নিশ্চিন্তমনে হাঁহি-ধেমালিৰ মাজেৰে দিন কটাই দিয়া দেবেনক। তাৰ মনটো যে চঞ্চল! একে ঠাইতে ধৈৰ্য ধৰি বহি থাকিব নোৱাৰে। তথাপি সি ভদ্ৰ। কাৰ সৈতে কেনেকুৱা ব্যৱহাৰ কৰিব লাগে সি জানে। 'বুজিছে চাৰ, মোৰ পঢ়া-শুনাৰ সীমা আপোনালোকৰ তুলনাত নায়েই। আপোনালোকে স্কুল পাচ কৰি, কলেজ পাচ কৰি ইঞ্জিনিয়াৰিং পাচ কৰিছে। মই ক্লাচ চেভেনলৈকেহে পঢ়িছিলো। আপোনালোকৰ মান-সন্মানেই আলাদা। বিদ্যা-বুদ্ধি আছে, যশস্যা-খিতাপ আছে। মই আৰু লুতুৰা চিকাহে। আপোনাক চিয়াৰ বাবু বুলি মাতিম দেই।' এদিন দেবেনে কমলক ক'লে।

'নপঢ়িলানো কিয় ?'

'মোৰ সেইখন হিষ্টৰী আপোনাক কোৱাই নাই হ'বলা! বহুত কথা চিয়াৰ বাবু। এই যে মই মদ খাওঁ, এইটোও আজিৰ নহয়। স্বভাৱৰ দোষ—'

'মানে ?'

দেবেনে এদিন সন্ধিয়া তাৰ জীবনৰ 'সেইখন হিষ্টৰী' কৈছিল, বহি বহি—

আলিবাটৰ মহৰীৰ পুতেক দেবেন। চাৰি বছৰ যেতিয়া তাৰ বয়স, তেতিয়াই মাক ঢুকাল। প্ৰাইমাৰী স্কুলত পঢ়িছিল সি। দাইটিয়েকে ঘৰৰ ওচৰৰ চকটোত সৰুকৈ দোকান এখন দিছিল। পান-তামোলৰ দোকান। মটৰ-বাচ ৰোৱা ঠাই বাবে দুই-চাৰি পইচা বিক্ৰী হয়। দাইটিয়েকৰ বোলে সৰুতে ঔখুলিয়া আই ওলাই এবাৰ যোৱা-খোৱা হৈছিল। বাচিল যদিও বাওঁ ভৰিখনত খুঁত বৈ গ'ল। খোৰা হ'ল। হাল-পথাৰে কাম কৰিব নোৱাৰে।

সৰুৰেপৰা বাঘৰ আগতেল খোৱা বিধৰ ল'ৰা আছিল সি। স্কুলৰপৰা পলাই ফুৰে। পঢ়াতকৈ সি ভাল পাইছিল হাবি-বননিয়ে

ঘূৰি ঘূৰি ভাটৌৰ পোৱালী বিচাৰিবলৈ। কাৰণ কোলাত লৈ ভাণ্ডৰ কৰা দাইটিয়েকে তাক এদিন কৈছিল—ভাটৌ চৰায়ে সাইলাখ মানুহৰ নিচিনাকৈ কথা ক'ব পাৰে। বৰ মিঠা মাত। বাৰিষা বিৰাট অৰণ্যৰ ওখ গছৰ খোৰোঙত ভাটৌৱে পোৱালী দিয়ে···

দেবেনৰ ভাটৌ পোৱালী এটাৰ চিন্তা সদায়। বাৰিষা সি প্ৰায়ে স্কুললৈ নাযায়। ৰাতি পুৱাৰেপৰা হাবিয়ে হাবিয়ে ভাটৌ চৰাই বিচাৰি ফুৰে। দাইটিয়েকে তাক আৰু মৰম কৰিব যদি এটা ভাটৌ পোৱালী আনি দিয়ে। ইপিনে ন-পানীৰ উজান উঠা মাছ ধৰিবলৈও তাৰ বৰ চখ্। কাজে কাজে স্কুললৈ সময় মতে যোৱাটো হৈ নুঠে।

প্ৰাইমাৰী স্কুলৰ পণ্ডিতে বাপেকক লগাই দিয়ে পুতেক স্কুললৈ প্ৰায়ে নাযোৱাৰ কথা। গাঁৱত সৰ্বেশ্বৰ মহৰীৰ এটা সন্মান আছে। ছাত্ৰবৃত্তি পাচ, চৰকাৰী চাকৰিয়াল। এক পণ্ডিত ছাত্ৰ বৃত্তি পাচ। তাৰ পিছতে সৰ্বেই মহৰী। দেবেনৰ বাপেক।

সন্ধিয়া বাপেকে আলিবাটৰ কাম চাই ঢেকীশালত ভঙা চাইকেলখন সোমাই থৈ চোতালত থিয় দি তাকেই মাতে—'পোনা—অ' পোনা!' বাটতে মহৰীয়ে সকলোবোৰ শুনি আহে সহপাঠী কৃপাল পণ্ডিতৰ মুখত। দুখে-ভাগৰে জুমুৰি দি ধৰা মহৰীয়ে জলি-পকি পুতেকক মাতে। বাপেকৰ আগে আগে সি ঘৰ সোমায়হি। সুদা হাতে নহয়। পথাৰত এবালি দি থোৱা গাইজনী আগত লৈ। শান্ত-শিষ্ট পুতেকক বাপেকে একোতে সন্দেহ কৰিবৰ সুকণ্ডা নাথাকে যে সি স্কুললৈ যোৱাত অনিয়মীয়া।

চোতালতে পুতেকৰ হাতখনত থাপ্ মাৰি ধৰি যিহেৰে পায় তাৰেই মৰিয়ায়। পিৰালিত বহি থকা দাইটিয়েকে ককায়েকক বধ-শপত দিয়ে—'নামাৰিবি তাক, এই কাল-সন্ধিয়াখন কিনো অশান্তিখনৰ সৃষ্টি কৰ অই ককাইদেউ! সি কালিৰেপৰা সদায় স্কুললৈ যাব। মই কলে সি মানিব!'

কেলেই নামাৰিম। ইয়াৰ মই তেজ খাম! কুকুৰৰ পোৱালী!' বাপেকে গৰজে আৰু সি চিঞৰে হায়ৌ-বিয়ৌ কৰি।

মাৰক বাঘৰ তেল খোৱাক। মই কিমান কওঁ তাক, সি নামানে। বিত্তি পৰীক্ষালৈ কেইটা দিন আছে! লোকৰ ল'ৰাই দিন নাই, ৰাতি নাই ঠন্ ঠনাই পঢ়ে, আমাৰ ডোখৰে চিকাৰ কৰে।' মাকে খঙতে বকি-ঙকি চাউল ধুবলৈ বাৰীৰ থাল পায়গৈ।

বৃত্তি নাপালে যদিও দেবেনক গাওঁৰপৰা তিনি মাইল দূৰৰ হাইস্কুলত নাম লগাই দিলে। গাওঁৰপৰা কেবাজনো ল'ৰা স্কুললৈ খোজকাঢ়ি গৈ পঢ়ে। ব'ৰ্ডিং আছে বুলিও গাওঁৰ ল'ৰা, কষ্ট কৰিব পাৰে। মাক-বাপেকেও ভাবে স্কুললৈ অহা-যোৱা কৰিলেই সিহঁত পণ্ডিত একোটা হৈ স্কুল পাচ কৰি আহিব।

'একদম শান্ত-শিষ্ট হৈ গলো চিয়াৰ বাবু। দাইটিৰ কথা আৰু বুজনিবোৰ শুনি শুনি প্ৰাইমাৰী স্কুলৰ সেই ভাটৌ পোৱালী বিচাৰি স্কুললৈ নোযোৱা অভ্যাস এৰি দিলো।' দেবেনে তাৰ শৈশবৰ কাহিনীবোৰ হাঁহি হাঁহি কৈ যায়।

এম-ই স্কুলৰ পৰীক্ষা দিবলৈ সি যোৰহাটলৈ গৈ। বাপেকে লৈ গৈছিল। এসপ্তাহ থাকি পৰীক্ষা দি আহি তাৰ মনত খুব ভাল লাগিল। পাছ কৰিলে আৰু পঢ়িবৰ মন গ'ল।

'মোতকৈ দাইটিৰহে আনন্দ বেছি হ'ল, যিদিনা খবৰ পালো যে মই এম-ই পাচ কৰিছো।'

চেভেনত নাম লগাই দিয়াৰ কথা ওলোৱাৰ লগে লগে দাইটিয়েকে পৰামৰ্শ দিলে বোলে সি ব'ৰ্ডিঙত থাকি পঢ়িব লাগে। ঘৰৰপৰা অহা-যোৱা কৰি পঢ়িলে কষ্ট হয় বৰ। ৰাতি ভাগৰত পঢ়িবলৈকে মন নাযায়।

'পোনা তই ব'ৰ্ডিঙত থাকি পঢ় অ'। শনিবাৰে শনিবাৰে আহি চাউল-পাত যি লাগে লৈ যাবিহি। তাত মাষ্টৰো থাকে।

পঢ়া-শুনা কৰা ল'বাই আন চিন্তা কৰিলে কেনেকৈ হয়! ঘৰত থাকিলে কাম-বনৰ ইটো-সিটো পাচি থাকিবহে।' দাইটিয়েকে কলে।

পোনা ব'ৰ্ডিঙলৈ যাবৰ দিনা ঘৰখনত উখল-মাখল। মাকে গোঁসাই পাতিছে। সৰস্বতী পূজাত সৰস্বতী আইলৈ দিব বুলি কল এঠোকা আগ বঢ়াইছে। পোনাৰ মূৰত মিঠা তেল সৰহকৈ সানি দি নিজে মূৰটো ফণিয়াই দিছে।

বাপেকে ভঙা চাইকেলখনৰ কেৰিয়াৰত তাৰ সৰু বিছনাখন বান্ধি হেণ্ডেলত পুৰণি চুট্‌কেচটো মৰাপাটৰ ৰচি এডালেৰে বান্ধি ললে। বাকচটোত দুটা কামিজ আৰু ধুতি দুখন, গামোচা এখন আৰু বহী-কিতাপবোৰ। পোনাই চাইকেলখন ঠেলি নিব। বাপেকে চাউলৰ মোনাটো হাতত লৈ যাব।

'তই তাত কাৰো লগত হাই-কাজিয়া নকৰিবি অ' পোনা। শণিবাৰে শণিবাৰে চাউল-পাত থাকিলেও আহি থাকিবি। নহলে মোৰ মনটোত বেয়া লাগি থাকিব। 'মটৰতে উঠি আহিবি।' মাকে যাবৰ সময়ত কলে।

'ভালকৈ পঢ়িবি অই পোনা। কলেজতো পঢ়িব লাগিব। বৰ গোঁসাইৰ পুতেকক দেখা নাই। কলেজত পঢ়িহে হাকিম হ'ব পাৰিছে। যা আহি থাকিবি অ'।' দাইটিয়েকে মূৰত হাত বুলাই ক'লে।

'মোৰ লাজ লাজ লাগিছিল চিয়াৰ বাবু।' সি লাজটো যেন এইমাত্ৰ অনুভৱ কৰিছে, এনেকুৱা এটা হাঁহি মাৰিলে। গাৱঁৰ বহুতো মানুহ সিহঁতৰ ঘৰলৈ আহিছিল। পোনা ব'ৰ্ডিঙত থাকি পঢ়িবলৈ ওলোৱা চাবলৈ।

এইডেড্‌ হাইস্কুল। মাষ্টৰ আহে আৰু যায়। দুই তিনি মাহৰ মূৰে মূৰে এইদৰে মাষ্টৰ অহা-যোৱা কৰি আছিল এজন বি-এ পাচ কৰা মাষ্টৰ। চেঙেলীয়া ডেকা ল'ৰা। প্ৰবীণ চৌধুৰী মাষ্টৰ। ল'ৰা-ছোৱালীবোৰে চৌধুৰী মাষ্টৰ বোলে।

'চৌধুৰী মাষ্টৰৰ চকু দুটা আজিও মোৰ মনত আছে চিন্নাৰ বাবু। বৰ তেজাল চকু দুটা। কথা-বতৰাবোৰ পাতনি নলবকা। যিহকে সোধে তাৰে তপৰাই উত্তৰ দিব। ইমান ধুনীয়াকৈ যে কয় শুনি থাকিবৰ মন যায়! আমি অতি অলপ দিনৰ ভিতৰতে চৌধুৰী মাষ্টৰৰ ভক্ত হৈ পৰিলো। তেখেতো ব'ৰ্ডিঙতে থাকে। আমাৰ চুপাৰিণ্টেণ্ডেণ্ট।

ব'ৰ্ডিঙত চৌধুৰী মাষ্টৰে কেতিয়াবা ৰাতি ভাত-পানী খাই উঠি আমাক গোটাই লৈ দেশ-বিদেশৰ বাতৰি কয়। বিশেষকৈ খেতিয়ক ৰাইজৰ দুৰ্দশাবোৰৰ কথা যেতিয়া তেখেতে ক'বলৈ আৰম্ভ কৰে, ধনীবোৰৰ প্ৰতি হিংসা আৰু বিদ্বেষত চকু দুটা জুইৰ ফিৰিঙতিৰ দৰে জ্বলি উঠে। আমাৰো শুনি ভাল লাগে।

'তোমালোকে পঢ়ি শুনি হাকিম-চাহাব হ'বলৈ ধাউতি নকৰিবা। আমাৰ দেশৰ খেতিয়ক গাঁৱলীয়া ৰাইজৰ দুৰ্দশাৰ অৱস্থা ভাবিবলৈ সেই দুৰাবস্থাৰ কেৰোণবোৰ উচ্ছেদ কৰিবলৈ তোমালোক আগবাঢ়ি আহিব লাগিব। মাছৰ তেলেৰে মাছ ভাজিবলৈ মন নেমেলিবা। আমি আটায়ে মানুহ। ধনী আৰু বিত্তবান এটা শ্ৰেণীয়ে আমাক গৰীবৰোৰক অৱজ্ঞা কৰে, মানুহ বুলি ভাবিবকে নিবিচাৰে। সেই বৈষম্যৰ ওৰ পেলাবলৈ তোমালোকে সংকল্প কৰিব লাগিব।' চৌধুৰী মাষ্টৰে আমাক অনৰ্গল কৈ যায়।'

আমাৰ ব'ৰ্ডিঙৰপৰা এমাইল মান নিলগত এটা ঘৰ আছিল। এজন জমিদাৰৰ ৰাজহ তোলা কেম্প। মাজে মাজে জমিদাৰ তালৈ আহি নিজৰ মাটি-বাৰীবোৰৰ ৰাজহ তোলে। সেই অঞ্চলত বহুতো মাটি আছিল সেই জমিদাৰজনৰ। ৰায়তক টকাও ধাৰে দিয়ে জমিদাৰে। মুঠতে টকা-পইচা বিষয়ক সকলো কাম সেই ঘৰটোত বহি জমিদাৰে কৰি যায়হি।

এদিন ৰাতি চৌধুৰী মাষ্টৰে সিংহঁতৰ কেইজনমান অলপ ডাঙৰ ল'ৰাক মাতি আনি পৰামৰ্শ দিলে যে, জমিদাৰৰ সেই ঘৰটো

বাতিয়ে জ্বলাই দিব লাগে। জমিদাৰৰ বায়তে দখল কৰা মাটিৰ ওপৰত স্বত্ব নাই। বাজহ বায়তে দিব লাগে, জমিদাৰক নহয় —চৰকাৰক দিব ট্ৰেজাৰীত। মাটিৰ মালিক চহা খেতিয়ক। তোমালোকৰ বুকুৰ তেজ পানী কৰি সঞ্চয় কৰা ধানবোৰ জমিদাৰে বাজহৰ নামত লৈ গৈ তোমালোকক জুকলা কৰা স্বত্বেও তোমালোকে দেখিও নেদেখা হৈ কিমান দিন থাকিবা? মোৰা আজি বাতিয়েই সেই ঘৰটো পুৰি পেলোৱাগৈ। সামন্তবাদৰ প্ৰতীক সেই ঘৰটো নিশ্চিহ্ন হৈ যাওক। পিছৰ ব্যৱস্থাৰ বাবে মই আছো।'

চৌধুৰী মাষ্টৰৰ কথাত সিহঁতৰ গা গৰম হৈ আহিল। বাতিৰ আন্ধাৰত সেই খেৰৰ সৰু অথচ ধুনীয়া ঘৰটোত জুই জ্বলাই দিলে দেবেন আৰু সাতজন ল'ৰা গৈ। বাতিয়ে একো নজনাৰ ভাও জুৰি সিহঁত শুই থাকিলহি ব'ডিঙত।

পিছ দিনা কিন্তু দাৰোগা-পুলিচ আহি উপস্থিত হ'ল আৰু বাতিয়ে চৌধুৰী মাষ্টৰ কেনিবা পলাল। চৌধুৰী মাষ্টৰৰ আচল নামো হেনো প্ৰবীণ চৌধুৰী নহয়। পুলিচে গ্ৰেপ্তাৰ কৰিবলৈ বিচাৰি ফুৰা তৰুণ শৰ্মা নামৰ ৰাজনৈতিক কৰ্মী এজনে প্ৰবীণ চৌধুৰী ছদ্মনাম লৈ শিক্ষকতা কৰি আছিলহি।

'দাৰোগাৰ দাবি-ধমকিত আমাৰ থৰ-কাচুটি হেৰোৱাৰ উপক্ৰম চিয়াৰ বাবু। তথাপি আমি কোনেও সৈ কঢ়া নাই। নাজানো বোলাৰ বাহিৰে একো নাই।'

দাৰোগাই মিঠা সুৰত ক'লে—'ভালেই হৈছে, জমিদাৰে ঘৰটো ইমান সুন্দৰকৈ কিয় সাজিব লাগিছিল, গাৱঁৰ মাজত! আটাইবোৰেই গাৱঁলীয়া মানুহৰ ঘৰ।'

তৎক্ষণাৎ এজন ল'ৰাই গম্ভীৰ হৈ ক'লে—'ধনী-দুখীয়াৰ মাজৰ ব্যৱধান আমি সহ্য নকৰো।'

দাৰোগাই মিচিকিয়াই হাঁহিলে আৰু আমাক গোটেই জাককে গ্ৰেপ্তাৰ কৰি থানালৈ লৈ গ'ল।

এদিন থানাৰ লক্ আপত থোৱাৰ পিছত কম বয়সীয়া বুলি সিহঁতে খালাচ পালে। ইপিনে স্কুলৰ মেনেজিং কমিটিয়ে গ্ৰেপ্তাৰ হোৱা আকক স্কুলৰপৰা চাচ্ পেণ্ড্ কৰিলে।

'মহা সমস্যাত পৰিলো চিয়াৰ বাবু! ঘৰলৈ যাবলৈকো সাহস নহ'ল। চৌধুৰী মাষ্টৰে আমাক এইবোৰ বিপদৰ মাজত পেলাই থৈ পলাল। দাইটি আৰু চৌধুৰী মাষ্টৰৰ কথাবোৰৰ মাজত হলে বহুতো মিল আছিল চিয়াৰ বাবু। দাইটি যদিও পঢ়িব-শুনিব নোৱাৰা হোজা মানুহ আছিল, তথাপি মানুহজন বৰ সৰল চিতীয়া আৰু মৰমীয়াল আছিল। দাইটিয়ে কৈছিল,— 'বুইছ পোনা, যিমান শিক্ষিত বা বিদ্বান হলেও গৰ্ব নকৰিবি। সদায় সৰুটো হৈ চলিবি। কোনো মানুহকে নীচ বুলি নাভাবিবি, অবজ্ঞা নকৰিবি, সকলোৱে একে মানুহ। ধনীও মানুহ, গৰীবো মানুহ। সততাৰে সকলোৰে প্ৰিয়পাত্ৰ হবি·········ইত্যাদি। ভয়তে ঘৰলৈ যোৱাৰ আশা এৰি দিলো। দাইটিয়ে খঙত বকিব ; কিন্তু দেউতাই ? পিঠিৰ ছাল নাৰাখে।'

'বুজিছে চিয়াৰ বাবু, বহুতো পঢ়িবলৈ মন আছিল। চৌধুৰী মাষ্টৰে কিন্তু মনত লগা কথাবোৰকে কৈছিল। পেটে পেটে ভাবিছিলো কলেজত পঢ়ি উকীল হ'ম। গাঁৱৰ মানুহবোৰৰ হক কথা ডাঙৰ ডাঙৰ মানুহবোৰক মুখামুখিকৈ ক'বলৈ তেতিয়া বুদ্ধি ওলাব। উকীলৰ নাক মোহাৰিলেই বোলে বুদ্ধি ওলায়।

তাৰ পিছতেই ভাগ্যই টানি আনিলে—তিনিচুকীয়ালৈ। মূৰ গুজিবলৈ ঠাই অকণো পালো—এজন বঙালী লোকৰ ঘৰত। সেই অকলশৰীয়া লোকজনৰ মই হলো ঘৰ বখীয়া। অৱশ্যে তেখেতৰ চেষ্টাতে মোৰ চাকৰিও হৈ গ'ল—এখন মাৰোৱাৰী ফাৰ্মত। চাকৰি হ'ল ড্ৰাইভাৰৰ হেল্পাৰৰ। পিছলৈ উন্নতি হ'ব—অন্ততঃ ড্ৰাইভাৰ হ'ব পাৰিম এই আশাত মন আনন্দৰে নধৰা হ'ল।

মথুৰা সিঙ ড্ৰাইভাৰেও মোক তেওঁৰ শিষ্যত্ব দিলে। ওস্তাদ মানি ল'লো মথুৰা সিঙক। পৃথিৱীত কেও কিছু নোহোৱা

বে-পকৰা মথুৰা সিঙক তাৰ ভাল লাগি গৈছিল ; মনে-চিত্তে মিলি পৰিছিল এই মানুহটোৰ লগত। ভালৰ লগতে মথুৰা সিঙৰ বেয়া গুণবিলাকৰো সি লাহে লাহে অধিকাৰী হ'বলৈ ধৰিলে।

'হোঁ অলপ খা।' মথুৰাই ক'লে।

'নাই।'—দেবেনে আপত্তি কৰিলে।

'আৰে তোৰ বয়সৰপৰা মই মদ খাইছো। দেখ-কুছ বিমাৰ নাই মোৰ শৰীৰত। খাও, চুপ চাপ শো যাও—বচ্।'

ড্ৰাইভাৰে তাক কথা দিছে যে, বেছি দিন সি জুগালি কৰিব নালাগে। সোনকালে সি তাক মটৰ চলাবলৈ শিকাই দিব। একদম ওস্তাদ কৰি দিব সি দেবেনক। সেইবাবেই দেবেনে মথুৰা সিং ড্ৰাইভাৰক শ্ৰদ্ধা কৰে। ড্ৰাইভাৰ হ'ব পাৰিলে আৰু কি ভয়! দেবেনে মদ নাখালে মথুৰা সিঙ বেয়া পাব। মটৰৰ ষ্টিয়েৰিং দুইদিন মান ধৰিছেও। গিয়াৰ আৰু ব্ৰেক্ যেনিবা ড্ৰাইভাৰে কণ্ট্ৰ'ল কৰে। কালিলৈ খঙতে যদি দেবেনক সি আগৰ চিটত বহিবলৈ নিদিয়ে? দেবেনে বহুত কথা ভাবি শেষত মথুৰা সিঙৰ সন্তুষ্টিৰ বাবেই এগিলাচ মদ খালে।

'সেইদিনা গান গাবলৈ খুব মন গৈছিল চিয়াৰ বাবু। মই যেনিবা মাটিত খোজ নেপেলোৱাকৈয়ে ঘৰলৈ আহি আছো। এ মইনা চেনাই ঐ বুলি আধা ওলোৱা, আধা নোলোৱা মাতেৰে গানৰ সুৰ টানি টানি নঙলা মুখ পাওঁতেই পালো সেই গিৰিহঁতক। কাৰো কথা মনত নাই তেতিয়া। ময়েই অকলে তিনিচুকীয়া-খনত আছো।

'কোন অ'! দেবেন নেকি?' তেখেতে মাত লগালে।

'মই নমতাকৈ ভিতৰ সোমাই গৈ বাৰাণ্ডাৰ খুটা এটাত আউজি বহি পৰিলো। অলপ অলপ হুচ্ আহিল, মই ক'ত কি কৰি আছিছো! তথাপি ধৰণী নাই। বাৰে বাৰে মূৰটো মাটিৰ পিনে হাউলি যায়। হাত দুখনে যেন মটৰৰ ষ্টিয়েৰিঙত ধৰি আছে।

মানুহজন মোৰ ওচৰতে থিয় হৈ চাই আছিল। এবাৰ তেখেতৰ পিনে চালো। চকু মেলিবই নোৱাৰি। মানুহজনে খুব বকি আছে। সম্ভৱতঃ মোকে। মই তেতিয়া হুলহুলাই সোপাকে বমি কৰিছো। মূৰত চেচা পানী ঢালি দি মানুহজনে বিছনাত শুৱাই দিলে।

'লাজ-চৰম নথকাৰ জাত ক'ৰবাৰ! হেণ্ডিমেনতে মদ নহলে নচলে আৰু ইঞ্জিনিয়াৰ হ'বলৈ আছেই! জোতাৰে কোবাই কালিলৈ ইয়াক উলিয়াই দিম।' মানুহজনৰ বকনিবোৰৰ অলপ তাৰ মনত ৰ'ল। অবশ হৈ সি পৰি ৰ'ল।

খুব পুৱাতে টোপনিৰপৰা সাৰ পালে' সি। ৰাতিৰ গোটেই ঘটনাটো মনত পৰিল। তাক আশ্রয় দিয়া মানুহজনৰ আগত ওলাবলৈ সি আৰু নোৱাৰে। হয়তো তেওঁ তাক ক্ষমা নকৰিব। নামাৰিলেও গালি-শপনি পাৰি উলিযাই দিব। লগে লগে চাকৰিবো শেষ।

'চাহ বাগানবোৰো একোখন ৰাজ্য চিয়াৰ বাবু! আপুনি বোধহয় বেছি দিন থাকি পোৱা নাই কোনো বাগানতে। তিনি চুকীয়াৰপৰা সেইদিনা ৰাতিপুৱাতে পলাই গৈ ওলালো— এখন চাহ বাগানত। সোণাৰীৰ ওচৰত। দুদিন লাগিল অ'ত ত'ত ঘূৰি সেইখিনি পাওঁতে।'

'কোনোবা চিনাকি মানুহ আছিল নেকি?'

'নাই, ক'ত চিনাকি মানুহ থাকিব, নাই! নহয়, আছে অঙহী-বঙহী; কিন্তু যাবলৈ সাহস নাই। উদভীয়া গৰু ঘূৰাদি সেয়ে ঘূৰি ফুৰিবলৈ আৰম্ভ কৰিলো।'

'সেই বাগানখনত চাকৰি এটা পালো। বাগানৰ চাকৰি নহয়। বাগানত চাকৰি কৰা মানুহ এজনৰ বান্ধনীৰ চাকৰি।'

'বাগানত বুজিছে, মানুহবোৰৰ মনবোৰ বৰ কিবা। আপোনাৰ, সেই বাবুজন আৰু প্রায় ভাল মানুহেই ৰাতি হুপৰলৈ আড্ডা মাৰে। ভাটীখানাৰ কম দামী মদ আৰু জুৱা।

হুমাহ থাকিলো, এটা বাতিও বাৰ বজাৰ আগতে শুই নাপালো। তেওঁৰ ঘৰতে বহে মদৰ মেল। আৰু কথা যে ওলায় চিয়াৰ বাবু! মানে, আচল ভদ্ৰলোকবোৰে তেনেকুৱা কথাটো নকয়েই শুনিও থাকিব নোৱাৰে। বাগানৰ লাইনৰ ছোৱালীৰপৰা আড্ডাত উপস্থিত নথকা নাইবা আশে-পাশে থকা বাগানৰ বাবুৰ গাভৰু ছোৱালীৰ সৌন্দৰ্যৰ কথায়েই নহয় লোকৰ বিবাহিতা তিৰোতাক কেন্দ্ৰ কৰিও যি জঘণ্য কথাবোৰ উলিয়ায়, উস্ ৰাম্ নক'ব আৰু! আটাইতকৈ মোৰ অসহ্য লাগে, আমাৰ দেউতাৰ বয়সীয়া কিছুমান মানুহে ঘৰত ল'ৰা-তিৰোতা এৰি থৈ তেনেদৰে কু-কথাৰ আলোচনাৰে মদৰ নিচাত ঢলং পলংকৈ দুপৰ নিশা ঘৰলৈ যোৱা দেখিলে!'

'আকৌ দৰ্মহা দিয়াৰ সময়ত কি কৰে জানে? পঁশিচ টকা মাহেকীয়া দৰ্মহাৰ বন্দোবস্ত আছিল। পোন্ধৰ টকা দি ক'ব, 'বাকীখিনি সিটো মাহৰ পোন্ধৰ তাৰিখে দিয়া হ'ব। তই পলাই গলে লোকচান হ'ব।'

পলাই গ'ল সি। সেই বাগানলৈ এদিন চাহৰ গুটি নে কিবা নিবলৈ অহা লৰা এখনত সি উঠি গ'ল।

'কি নপলাম চিয়াৰ বাবু! টকা দিবলৈ অবিশ্বাস কৰে পলাই যাওঁ বুলি, কিন্তু মদপীবাবুবেইনো কিটো বিশ্বাস?' দেবেনে হাঁহিলে। যেন বাগানৰ সেই বাবুবোৰৰ অবিশ্বাসক ঘিণ কৰি সি প্ৰতিশোধ ল'ব পাৰি খুব আনন্দিত।

বাগানলৈ আহিয়েই সি অহা লৰীখনৰ বন্ধুৱা ড্ৰাইভাৰজনক বাগানতে থকা মাৰোৱাৰী হোটেলখনলৈ মাতি নি এগিলাচ চাহ আৰু দুই অনাৰ ভুজিয়া খুৱালে। যেন সি সেই বাগানখনলৈ আগতেও অনেক বাৰ আহিছে এনেকুৱা দেখুৱালে।

'ড্ৰাইভাৰ চাহাব, ইয়াতে লৰী-চৰীত খালি কাম নাই নে?'

'মই আপোনাক কোনোবা বাবু ঘৰলৈ অহা বুলিহে ভাবিছে।' ড্ৰাইভাৰে ক'লে।

'নাই ড্ৰাইভাৰ চাহাব, মোৰ কোনো মানুহ নাই। মা-বাবাও নাই। নবীৰ কাম জানো।

'হামাৰ ইষ্টাত এটা নতুন লৰী আহিছে। চাহাব-মেনেজাৰ লগত মুলাকাত কৰ, হুনে চেষ্টা।'

'হাঁ হাঁ। তবভী চাহাব খুব আচ্ছা চাহাব আছে। হিন্দী জান্তা হায়, অছমীয়াভী জান্তা হায়। কাল ফজীৰ মে ভেট কৰ'। মিলা যায়গা।'

'আগৰ বাগানখনত বিলাতী চাহাব ছমাহ দেখিছো। ভয় বৰ বিশেষ নাছিল চিয়াৰ বাবু। পিছদিনা ৰাতি পুৰা অফিচৰ ওচৰত থিয় দিলোগৈ।'

বিলাতী চাহাবক সাক্ষাৎ কৰাৰ গৰ্ব্ব ভাবটো দেবেনৰ মুখত ফুটি ওলাল। দুয়ো মিচিকিয়াই হাঁহিলে।

দেবেনৰ লগত সেই ড্ৰাইভাৰজানো থিয় দি আছিল। হাফ-চাৰ্ট আৰু হাফ-পেণ্ট পিন্ধি বিলাতী চাহাবে চাইকেল চলাই অফিচলৈ সোমাই আহিল।

'ভিতৰ সোমোৱাৰ আগতে লম্বা চেলাম মাৰিলো বুজিছে?'

'চেলাম চাৰ—চা-হা-ব।'

'ক্যা মাংটা?' চাহাব থমকি ৰ'ল।

ড্ৰাইভাৰে চাহাবক দেবেনৰ হৈ ঘটনাটো কলে।

'নোক্‌ৰি মাংটা হায়?'

'ইয়েচ চাৰ!' ফিট্ ফাট্ হৈ সি থিয় দি ৰ'ল।

'হোৱাটচ্ নে'ম?'

'মাই নে'ম ইজ্ শ্ৰীদেবেম গগৈ চাৰ। ক্লাচ চেভেন টু বিডিং।'

সৰ্ সৰ্কৈ কৈ দিলো চিয়াৰ বাবু! হিন্দীটো নিচেইকে নাজানো। অসমীয়াও ভঙা ভঙা কৈ ক'ব নাজানো। খাটি অসমীয়া চাহাবে বুজে কত? ইপিনে মোৰো চতুৰালি দেখুৱালেহে যদি কিবা হয়গৈ!

'প'ইলা কত কাম কৰি আছিলে ?' চাহাবে হাঁহিলে।

'মাৰোৱাৰী ফাৰ্ম ৱৰ্কিং ইন্ ডি তিনিচুকীয়া চাৰ, বাট নট্ গুড চাৰ। একদম বেড।' দেবেনে চকু-মুখ চেপি মুখত যি ওলাই আহে তাকে কৈ যোগ্যতা দেখুৱাবলৈ যত্ন কৰিলে চাহাবক !

'হেণ্ডিমেন ?'

'ইয়েচ চাৰ। ড্ৰাইভিং জানো লিট্‌ল্ লিট্‌ল্।'

'জানো' শব্দটোৰ ইংৰাজী নাজানো চিয়াৰ বাবু। ভালেমান সময় ভাবিলো, ওঁহো নোৱাৰিলো। কলো—অসমীয়াকে।

'ইংলিচ জান্‌তা হায় ?' চাহাবে তাৰ পিনে ওচৰ চাপি আহি কান্ধত থপৰিয়ালে।

চাকৰি হৈ গ'ল চিয়াৰ বাবু! চাহাবে খুচীচে হেণ্ডিমেনৰ চাকৰিটো দি দিলে। ড্ৰাইভাৰে চব সহায় কৰিলে চাৰ! তাৰ লগতে কাম আৰম্ভ কৰি দিলো। নিজাকৈ ঘৰো পালো এটা।

'কৈছো নহয় ঃাৰ বাগানবোৰৰ বাবুবোৰ তেনেই আলাদা। কোনোবা বাবু ছুটীত যাব—ৰাতি তিনি বজাৰ ৰেলত, ডাক পৰিব দেবেনৰ। ষ্টেচনত পৌচাই দিয়াৰ। ৰাতি এক বজাত আহি নওলা মুখত ৰথখন ৰাখি বোন্দাপৰ দিয়াৰ এঘণ্টামানৰ পিছতহে বোপাদেউ-আইদেউহঁতে এণ্ডামূৰি দি দি গাড়ীত বহিবহি। তেওঁলোকে চাহ খাব, কিন্তু ড্ৰাইভাৰৰ প্ৰতি সাধাৰণ মৰম অকমান দেখুৱাটো মহা পাপ।

তাৰ পিছতে আজি বোলে অমুকত ফুটবল খেলা, বাবু টীমক লৈ যাব লাগে, কাইলৈ তমুকত কিবা মিটিং, বৰ বাবু তাৰে প্ৰতিনিধি। যাবই লাগে। ফেক্টৰী বাবুৰ কলেজত পঢ়া জীয়েক বন্ধত বাগানলৈ আহিব। আনিবলৈ যা। এইবোৰ হ'ল প্ৰাইভেট ফৰ্মাছ চিয়াৰ বাবু! দেখাত বাগানৰে কাম—তাতে কিন্তু!'

'তাতেই চাৰ।'—দেবেনে এটা বিশেষ ভংগীত আৰম্ভ কৰিলে।

'কি হ'ল ?'

'ছুটা কথাৰ নতুন অভিজ্ঞতা। বৰ জবৰৰ কথা আৰু কাম

আছিল চিয়াৰ বাবু!' দেবেনে যেন সেই দুটা বিশেষ কথাৰ গুৰুত্ব বা অভিজ্ঞতাৰ হুবহু বৰ্ণনা দিবলৈ 'কায়দা' বিচাৰিছে।

'ছয়মাহ হেণ্ডিমেন কাম কৰাৰ পিছতে ড্ৰাইভাৰ হলো। পক্কা ড্ৰাইভাৰ। বাগানৰ কয়লা আনিব লাগে ষ্টেচনৰপৰা আৰু চাহৰ বাকচ নিব লাগে ষ্টেচনলৈ। সেই অহা-যোৱাত ফাল্টু পইচা প্ৰায়েই পাওঁ। মোৰ ওস্তাদ সেই লক্ষ্মণ ড্ৰাইভাৰ! সি গাৰ বিষ কাটিবলৈ ৰাতি ৰাতি ঘৰতে একোটুপি মদ খাই শুই থাকে। বহুত দিন সি মোক কলে, 'তই কম বয়সীয়া চোক্ৰা, অলপ অলপ যদি ৰাতি ৰাতি মদ খাব—বদন আচ্ছা থাকিব। মনত ফুৰ্ত্তি আহিব।' 'এদেও দুদেও লোটা নিয়া চেণ্ড'—কৰি তাৰ লগতে ভালকৈ শিকিলো সিবিধ।

গুৰুৰ আদেশ অমান্য নকৰিলো। পিছত অভ্যাস হৈ গ'ল।

'এক ৰকম আৰামতেই আছিলো চিয়াৰ বাবু! পিছৰটো কথাৰ বাবে বাগানৰ চাকৰি 'নট' কৰি গুচি আহিলো।

বাগানৰে মাইকী মহৰী কমলা শইকীয়াৰ গাভৰু জীয়েক-জনীয়ে ৰাতিপুৱা-গধূলি সদায় সি অহা-যোৱা কৰা বাটটোত থিয় দি থাকে। সিইঁতৰ নঙলা মুখেদিয়েই দেবেন অহা-যোৱা কৰে। ছোৱালীজনীয়ে কাটা গছৰ গুৰিত থিয় দি সদায় তাক চাই থকা দেখি সিও কিবা এটা ভাবি পেলালে।

'ভাল ভাল চাৰ্ট-পেণ্ট পিন্ধি ঘূৰিবলৈ আৰম্ভ কৰি দিলো চাৰ। মোকেই চোৱা বুলি মনটোত ভালো লাগিল।'

'এদিন মোৰ চকুৰে-চকুৰে পৰাত তাই লাজকুৰিয়াকৈ যেই হাঁহি মাৰিলে চিয়াৰ বাবু, মোৰ গাৰ নোম সোপাই জাকি মাৰি উঠিল। গাটোও গৰম গৰম লাগি গ'ল। বুকুখনে ঢিপ্ ঢিপালে। মই হাঁহিবলৈ চেষ্টা কৰি পাৰ হৈ আহি বিছনাত শুই বহুতো কথা ভাবি পেলালো চিয়াৰ বাবু!'

মাইকী মহৰীৰ জীয়েকজনী মাধোন। ঘৈনীয়েকৰ কিবা বাত-বিষ। বিছনাতে পৰি থাকে অনবৰত। তায়েই ঘৰখনৰ

সকলোখোৰ কাম কৰিব লাগে। বাপেক ৰাতি পুৱাতে কামলৈ ওলাই যায়। ভাইৰ কামো নাই বিশেষ।

'সদায় ভাবো চিয়াৰ বাবু, আজি গুণেশ্বৰীক মাতিমেই।'—কিন্তু ওচৰ পালে ভিভিটো শুকাই যায়। অকাৰণে লোকৰ একনী ছোৱালীক মাতিবৰ কি হক আছে? কোনোবা মানুহে দেখিলে কি ভাবিব? অথচ ওচৰত কাৰো ঘৰ নাই চাৰ!

'পিছত এদিন পালো সুবিধা এটা। ঘৰলৈ গৈছো মই দুপৰীয়া ভাত খাবলৈ। মই কেই দিনমানৰ আগতে তাইহঁতৰ ঘৰৰ পানীৰ কলটোৰ কাষেদি চমু বাট এটা আবিষ্কাৰ কৰি লৈছো। সেই দিনাও সেই বাটটোৰেদি যাওঁতে দেখিলো—তাই ধুই মেলি দিয়া ব্লাউজ এটা বতাহে উৰাই নি মই যোৱা বাটটোত পেলাই থৈছে। গুণেশ্বৰীয়ে ভাত খাই উঠি কলৰ পাৰত সাজ-বাচন ধুই আছিল।

'হেৰা, এইটো তোমাৰ ব্লাউজ হ'বলা।' তুলি লৈ বেৰখনৰ সিপাৰৰপৰা দেবেনে গুণেশ্বৰীক সুধিলে।

ছাই লাগি থকা হাত দুখন তুলি লোৱা বাল্টিটোৰ পানী এক আচলুৰে ধুই লৰালৰিকৈ তাই বেৰখনৰ ওচৰলৈ আহি ক'লে—'এৰা, হয় ককাইদেউ!'

'নিয়া'।

'ইস্ কোনোবা আনে পোৱা হলে'—ব্লাউজটো হাতত লৈ তাই মিচিকিয়া হাঁহি এটা মাৰিলে।

'ক'ৰপৰা আহিলে ককাইদেউ?' তাই তাৰ পিনে চাই কলে।

'কয়লা আনিবলৈ গৈছিলো। ভাত খোৱাই নাই।'

'আয়ে দেহি, ভাত খোৱাই নাই! কলঘৰত দুটাৰ হুইছেল দিলে নহয়?'

'দুটাহেনে, বহুতো হুইছেল দিব। চাকৰি কৰিলে ইমান আৰাম ক'ত পাবা? তোমালোকেই আছা মহা সুখত।'

'ইস্ হয় হয়! আমিহে ধুনীয়া ধুনীয়া কাপোৰ পিন্ধিছো চাকৰিৰ টকাৰে—'

'তুয়োটাই একেলগে হাঁহিলো চিয়াৰ বাবু। তাই মৰতীজনী দেখাত বৰ ধুনীয়া নহলেও হাঁহিলে আপোনাক কৈছো মুখখন বৰ ধুনীয়াকৈ জিলিকি পৰে। বৰণটো অলপ ক'লা হলে কি হ'ব! তাতে কাম-কাজ গৃহস্থীখন তাইৰ মূৰতেই।

'সিদিনাৰেপৰা আমাৰ কথা-বতৰা ঘন হৈ আহিল। ফাণ্টু পইচাৰ খৰচ সজ কামত কৰিবলৈ আৰম্ভ কৰিলো। কোনোবা দিনা ব্লাউজৰ কাপোৰ, এম্পৰিয়ামৰ চাদৰ, কেতিয়াবা ইটো-সিটো বস্তু আনি দিওঁ তাইক। পোনতে নলয় চিয়াৰ বাবু'—

'ইস্ নালাগে—দেউতাই গালি পাৰিব ক'ব পাৰিলে। লৈ যোৱা ককাইদেউ, মোক নালাগে। বহুতো আছে।'

'আচলেতে নাই চিয়াৰ বাবু। বাপেক বৰ হাতটান মানুহ। কিবা খুজিলেই দপ্ দপাই উঠে।'

তাৰ পিছত যেই ল'বলৈ আৰম্ভ কৰিলে, পিছত নিজেই কয়— 'ককাইদেউ বৰ-কেৰানীৰ কলেজত পঢ়া জীয়েকে যে গুৱাহাটীৰ পৰা কেচাপাত বুলীয়া আৰু বাহুত সোণালী ৰঙৰ ফুল তোলা ব্লাউজ এটা আনিছে, ৰংটো খুব ধুনীয়া লাগে। আমি দেহি··· ।'

'তাৰ মানে তোমাকো এটা লাগে?'

'ইস্ আমাকনো কোনে চায়!' গুণেশ্বৰীয়ে অভিমান কৰে।

'মই নাচাওঁ হ'বলা!' দেবেনে হাঁহে।

'হৈছে দিয়া!'

'ওফোন্দ পতা ছোৱালীবোৰক এনেয়ে বেছি মৰম-নালাগে নে চাৰ? মোৰ হলে বৰ মৰম লাগি ভাল লাগি যায়।'

'গুণেশ্বৰীৰ বাপেকৰ চাইকেলখন যে আৰু! বেল বজাবই নালাগে চাৰ! গোটেই চাইকেলখনেই ঝন্ঝন্কৈ বাজে।

শিলগুটিত যদি আগৰ চকাই খুন্দা মাৰে হৈছে—বাটৰ গৰুও আঁতৰে।

এদিন আবেলি সেই চাইকলখনৰ শব্দও আমি মুগুনিলো। 'মানুহ মৰিবলৈ হলে এই দৰেই মৰে' বুলি এটা সকাতে গান শুনিছিলো। সঁচাকৈ হয়। আমি দুজনে গুণেশ্বৰীৰ শোৱনী কোঠাত ভোণভোণীয়া মেলত ব্যস্ত। মানে, কিবা কথাত গুণেশ্বৰীয়ে ফোন্দ পাতিছিল। মই কলীয়া কৃষ্ণটি হৈ অভিমান ভাঙোতে বুঢ়া হুদুটো ঘৰলৈ কেতিয়া আহিল ক'বই নোৱাৰিলো। বুঢ়াৰ আকৌ চাইকেল আঁওজাই থ'বলৈ আওচলীয়াত খুটি এটা পোতা আছে। তাতে চাইকেলখন থৈ দিয়াৰ শব্দ হলহে আমাৰ হুচ্ আহিল।'

'আইকন'—বিড়িৰ টুকুৰাটো চোতাললৈ দলি মাৰি দি বুঢ়াই জীয়েকক মাতিয়েই কুঁহুৰ কুঁহুৰ কাঁহিলে অলপ সময়।

আইকনে চালে মোৰ মুখলৈ। উপায়? মাইকী মহৰী বাগানৰ ঘড়ীত ছয় বাজিলেহে আহে। আজি ইমান সোনকালে কিয়?

'কি দেউতা?' কাপোৰ-কানিবোৰ ঠিক্-ঠাক্ কৰি লৈ পিছ পিনৰ গোঠা বেণীডাল লৰালৰিকৈ খুলি পেলাই এনে এটা অবস্থাৰে আইকন বাহিৰলৈ ওলাই আহিল যেন তাই মূৰ ফণিয়াই উঠি বেণী গুঠিছিল। কপালত আধা আৰু গালত আধাসনা পাউডাৰবোৰ। বাহিৰলৈ ওলাই আহি তাই বেণী গুঠিবলৈ ধৰিলে—বৰ সহজভাবে।

'কোন আহিছে অ'?' বুঢ়াই আকৌ বিড়ি জ্বলালে।

'ক'তা?' জীয়েক যেন আকশৰপৰা খহি পৰিল।

সেইবাৰেই দেউতা ঘৰলৈ গুচি আহিল নেকি? ৰাম ৰাম। 'অ' সেয়া দেবেন ককাইদেউ!' জীয়েকে বৰ সাবধানে কৈ গ'ল। মই জুপুকা মাৰি শুনি আছো। বাগানৰ বাবু মানে চাকৰি যাবে তাৰে বাবে নহয় চিয়াৰ বাবু! ঠেকি শিকিছো মই। সিহঁত এটা

ইস্পিচিয়েল জাত। ড্ৰাইভাৰ-হেণ্ডিমেন, বহুৱা মতা-তিৰোতাবোৰক মানুহ বুলি ভাবিব নোৱাৰে। বহতীয়া গোলাম, মানে একেবাৰে ইতৰ আৰু সিহঁতৰ পদ-ধূলাৰ দ্বাৰা এই শ্ৰেণীটো যেন অনুগৃহীত হৈ জীয়াই আছে! ট্ৰেড-ইউনিয়নে ক'ব কি? এইবোৰ ভুৱা চাৰ! অ' তাৰ পিছত কওঁ—

'দেবেন ককাইদেউ বোলে কাইলৈ গুৱাহাটীলৈ যাব, তাকে শুনি ময়ে মাতি আনিলো বোলো এটা ব্লাউজৰ কাপোৰ কিনিবলৈ দিওঁ।'

'মোক ক'লে মই আনি দিব নোৱাৰো হ'বলা? এই ড্ৰাইভাৰ-হেণ্ডিমেনবোৰক একেবাৰে বুকুৰ কুটুম বুলি ভবা ছোট্লোকী মন কেলেই? কলৈ গ'ল সি?'

বুঢ়াৰ ফাঁই উঠিলেই। তথাপি দেবেন বহি ৰ'ল ভিতৰতে।

'মোৰ ঘৰত আছে। চ'ৰা ঘৰটো দেখোন আজি লেপিবলৈ শুকুৰবীক পঠোৱাৰ কথা আছিল। অথনিয়েই মই চেয়াৰ-মেজ সোপাকে আঁতৰাই খালি কৰি থৈছো।'

'সেই কাৰণেই একেবাৰে ভিতৰ মজিয়াত বহুৱাই ললিগৈ। ছোট্লোকৰ জাতেহে এইবোৰ চিনি পায়।'

'কিনো দোষটো কৰিলো। হেণ্ডিমেন বুলি অশুদ্ধ হ'ল একেবাৰে—'

'ইয়াক কলম-কটাৰীৰে দুছেও কৰিম আজি! বুঢ়া মোক বিচাৰি কোঠাটোলৈ ঢাপলি মেলিলে চিয়াৰ বাবু! ময়ো সাজু আছিলো। ডুৱাৰখনৰ একেবাৰে দাঁতিতে থিয় দি আছো। তেৰা সোমালেই মই ওলাই দৌৰ দিম। কৰিলোও তাকে। ক'ত আৰু ধৰিব পাৰে মোক।'

বুঢ়াই খঙত বকিবলৈ ধৰিলে—'মই চেহাবক কমপ্লেইন্ চাব্-মিট্ কৰিম। ননচেন্স, মোৰ হাউছত গুণ্ডামি কৰিবলৈ আহিছে।'

'ময়ো কম—মই মাতি অনা বুলি!' গুণেশ্বৰীয়েও দপ্দপাই উঠিল।

'চাহাবৰ আগত বুকত কুঠাৰ মাৰিলেও ইংৰাজী এবাৰ ওলাই নহা মাইকী মহৰীৰ মুখেদি সৰ্সৰ্কৈ ইংৰাজী গালি আৰু হুমকি ওলাই আহিবলৈ ধৰিলে। লগে লগে জীয়েকৰ কান্দোন!

ঘৰত আহি ভাবিলো কি কৰা উচিত! পুলিচত দিলেও মিছাকৈয়ে বহুতে মোৰ বিৰুদ্ধে সাক্ষী দিব। কাৰণ এই বাবুবোৰৰ গু যদি মূৰৰ চুলিৰেও পেলাওঁ, তথাপি শলাগ নাই। বাবুৱে বাবুৱে এটা দল। যদিও বৰ-কেৰাণীৰ ঘৈণীয়েকে মতা-মহৰীৰ ল'ৰা-ছোৱালীবোৰক সাধাৰণ মতা-মহৰীৰ ল'ৰা-ছোৱালী বুলি অবজ্ঞা কৰে, নাইবা পৰাপক্ষত অহা-যোৱা নকৰি নওলা মুখৰ পৰাই মাতষাৰ দি ফেক্টৰী বাবুৰ ঘৰত 'চাহ খাবলৈ' মতা বুলি ব্লাফ্ দি আৰি যায়—এনেকুৱা ক্ষেত্ৰত সকলোৱে আগবাঢ়ি আহি পৰামৰ্শ আগ বঢ়াব। যাতে আমি সৰু-সুৰা কৰ্মচাৰী দলটো সেও হৈ থাকো। বাতিটো চিন্তাত টোপনি নাহিল চিয়াৰ বাবু! গুণেশ্বৰীক যদি বাপেকে মাৰ-ধৰ কৰে, বৰ দুখ লাগিব মনত! ইপিনে মোৰো ব্যৱস্থা একো নাই হাতত। খুওতে হয়তো বাপেকে পুলিচত কেচটো মেনেজাৰৰ হতুৱাই দিম বুলি ভাবিছে; কিন্তু নিজৰ জীয়েকৰ মান-সন্মানৰ মূৰ খাই তেনেকুৱা নকৰিব বুলিও ভাবিলো।

'গুণেশ্বৰীয়ে কিন্তু সঁচাকৈয়ে মোক ভাল পাইছিল চাৰ!' দেবেনে হঠাত মনটো গধুৰ কৰি দুখেৰে ক'লে।

'ককাইদেউ আপুনি পলাই যাওকগৈ—আজি ৰাতিয়ে।' গুণেশ্বৰী ৰাতি দেবেনৰ ঘৰ ওলালগৈ।

'তুমি কেনেকৈ আহিলা?' দেবেন পেট পেলাই পৰি আছিল। ধপৰাই উঠি বহিল।

'নাই, মই পলাই যাবলৈ অহা নাই।' বিপদৰ মাজতো হুয়ো হাঁহিলে।

'দেউতা গৈছে বৰ-কেৰাণীৰ ঘৰলৈ। পৰামৰ্শ বিচাৰি। সেই গুণ্ডাটোৰ এদিন মাৰ অসুখৰ খবৰ লোৱাৰ ছলেৰে আহি মোৰ

হাতত ধৰিছিল। মই কামোৰ মাৰি দিলো। গতিকে সেইটো চাট্‌সি পাহৰা নাই। দেউতাক বুধি দিব—পুলিচত দিবলৈ। পুলিচ আহিলে মোকো ইটো-সিটো সুধি লটি-ঘটিখন কৰিব। সি ধেমালি চাব। গতিকে আপুনি পলাই যাওক। যেতিয়া টকা পইচা হয়, আকৌ আহিব। মই আপোনালৈকেই অপেক্ষা কৰিম।'

'তাই মোৰ বুকুত মূৰটো দি অলপ সময় কান্দিলে চাব! মোৰ মনটো শোকত ভাঙি গ'ল। তাই গুচি গ'ল।

কি কৰো, কি নকৰোকৈ দেবেন ওলাই গ'ল বাগানৰ পিনে। ৰাতিৰ আন্ধাৰ হৈ আহিছে। বাটতে হ'ল দেখা-দেখি গোবিন্দৰ লগত। বৰ কেৰাণীৰ ৰান্ধনি ল'ৰা গোবিন্দ।

'দেবেন কাইটি নে?'

'গোবিন্দ?'

'তোকেই লগ পাবলৈ আহিছিলো অ'! গোবিন্দই ফুচ্‌ফুচাই কোৱাদি ক'লে।

'কি কাৰণত? ক।' দেবেনৰ মন অস্থিৰ। তথাপি সি নিৰ্বিকাৰ ভাও জুৰি আছে।

'বুইছ এই, মাইকী মহৰী আমাৰ ঘৰত বহি তেখেতৰ লগত ফুচ্‌ফুচীয়া মেল পাতিছে। তই বোলে আইকনৰ লগত কিবা লেন্‌-দেন্ কৰিছ। কলঘৰীয়া বাবুৰ ঘৈণীয়েকে দুদিন মান বোলে তোক আৰু তাইক কলৰ কাষত ফিচিঙি-ফিচিঙি কৰা দেখিছে। জানই নহয়—যোৱাবাৰ কলঘৰীয়া বাবুৰ জীয়েকৰ ফিতাৰ বাবুৰ খুলশালিয়েকৰ লগত হোৱা বদনামখন। মাইকী বাবুৱে পাইছে সুবিধা। সিয়ে অ'ত ত'ত তইঁতৰ কথা লগাই ফুৰিছে। আজি তই সিহঁতৰ তালৈ অহাটোও কলঘৰীয়া বাবুৱে মাইকী বাবুক লগাই দিছে যাতে কথাটো কেউপিনে বিয়পি পৰে। এতিয়া বৰ কেৰাণীয়ে মাইকী বাবুক উচতাইছে—মেনেজাৰক ৰিপ'ৰ্ট কৰিবলৈ!'

'কি বুলি ?'

'কি বুলি আৰু ? বৰ-কেৰাণীয়ে বুধি দিছে বোলে দিন-দুপৰতে সি ঘৰৰ ভিতৰ সোমাই আইকনৰ হাতত অসৎ উদ্দেশ্যেৰে ধৰি টনা-আজোৰা লগাইছে। আইকনে চিঞৰি দিয়াত ওচৰত মানুহে খেদি আহিল। পিছত সি আইকনৰ ডিঙিৰ সোণৰ হাৰডাল লৈ দৌৰ মাৰি পলাল। বৰ-কেৰাণীয়ে নিজে হেনো দেখা বুলি সাক্ষী দিব। গতিকে তই আজি পলাই যাগৈ। মিছাতে পুলিচ আহি তোক ধৰি নিব আৰু পুলিচ-দাৰোগাই এদিন সন্ধিয়া বৰ-কেৰাণীৰ ঘৰত 'সেইটো' ধৰিবলৈ পালে তোক কোবাই-কিলাই ঘুগুলা কৰিব। নিজে সাক্ষী দিয়াৰ কথা যে তেখেতে কৈছে—নিজৰ ভাল। সেই পিনেদি আইকনৰ ওচৰ চপাৰ সুবিধা পাব। সোতা-বাঢ়নীৰ কোব খালেহে লাজ হ'ব! মুঠতে বুইছ—তই আজিয়ে গুচি যা। তই পলালে হয়তো পুলিচতো ৰিপৰ্ট নকৰিব আৰু আইকনেও সেইবোৰ হাৰা শাস্তিৰপৰা ৰক্ষা পাব! পেটৰ দায়ত পৰি এই লাপি-লুপা চাকৰিত আমি মূৰ গুজিলো— ইহঁতৰ হাতত আমাৰ ভিতৰৰ মানুহবোৰ মৰি গ'ল অ'! এজন ডেকা ল'ৰাই এজনী গাভৰুৰ ওচৰলৈ যোৱাটো ইহঁত বাবুবোৰে সহ্য কৰিব নোৱাৰে আৰু ঘৰত বিয়া দিবলগীয়া জীয়েকবোৰ ৰাখি আনৰ ছোৱালীলৈ —,

খং আৰু অভিযোগৰ মুকু অভিমানত গোবিন্দই কথা শেষ কৰিব নোৱাৰিলে।

গোবিন্দ ঘৰলৈ গ'ল। দেবেন গ'ল তাৰ ওস্তাদ আৰু পৰম বন্ধু শত্ৰুঘ্ণ ড্ৰাইভাৰৰ গুৰিলৈ। ঘৰতে বহি সি মদ খাই আছিল।

'হেই যোৱান ডাইভাৰ! তই আজিকালি হামাকে একদম ভুলি গলি কেন্সেই ?' তাৰ অলপ মদৰ নিচা লাগিছিল।

'ল—অলপ খাই দিবি।'

'বৰ ডাঙৰ কথা হ'ল মিনিৰ বাপ, দাদা ?'

'হোঁ ? তোৰ ডাঙৰ বিপদ ? মোক নকলে কাৰ লগত কৰি

তই ? মই তোৰ ওস্তাদ না ?' মদৰ বাটিটো সি খেকেচা মাৰি থলে।

'কওঁ বহচোন দাদা !—

'অলপো ভুলুকাই ওস্তাদক কলো চিয়াৰ বাবু! আদিৰপৰা অন্তলৈকে কৈ দিলো চাৰ !'

ইমান সময় যেন দেবেনে উশাহ নোলোৱাকৈ কথাবোৰ কৈ থাকি উশাহ ললে এই মাত্র।

শত্রুঘ্ণ ড্রাইভাবে দেবেনক পৰামর্শ দিলে—আইকনক পলুৱাই নিবলৈ।

'মন মিলিছে যেতিয়া কি আছে হ' ? পলাই যা ছুয়োটা।'

দেবেন কিন্তু সম্মত নহ'ল। পলুৱাই নিয়াত আৰু বিপদ। পাছত তাইক বিয়া কৰোৱাৰ চিন্তা কৰা হ'ব। সম্ভহতে সি পলাই যাব লাগে।

'কিন্তু বৰ ভুল কৰিলো চাৰ! মহা ভুল কৰিলো চিয়াৰ বাবু! ভাবিলে আজিও দুখ লাগি বুকুখন ফাটি যোৱা যেন লাগে!' হঠাৎ দেবেন বিমর্ষ হৈ পৰিল।

'কি কৰিলা বাৰু ?'

'মই পলাব নালাগিছিল। তাতেই থাকি পিছদিনা চাহাবক দিয়া বিপ'টৰ বিৰুদ্ধে মযো ক'ব লাগিছিল—সকলোবোৰ। লগত সহায় হ'লহেঁতেন গুণেশ্বৰীও। সেই সময়ত সেই কথাষাৰকে মোক বুজাই দিওঁতা কোনো নোলাল। গুণেশ্বৰীকে আদি কৰি আটায়ে পৰামর্শ দিলে—পলাই যাবলৈ। আহোঁতে যদি তাইকো লৈ আহিলোহেঁতেন—সিটোও ভাল আছিল। হেনেও বদনাম, তেনেও বদনাম। কিন্তু বৰ অন্যায় কৰিলো। শত্রুঘ্ণে বাগানৰ মটৰ গেৰেজৰপৰা চুৰ কৰি উলিয়াই আনি মোক বাতিয়ে বেল ষ্টেচনত থৈ গ'লহি। মযো একো নভবাকৈ বেলত উঠি অনির্দিষ্টভাবে আহি ডিমাপুৰ পালোহি। তাৰ পিছতে নগা পাহাৰ, কোহিমা।

বহুতো বহুৰৰ পুৰণি কথাবোৰ চিয়াৰ বাবু! বোধহয় নিজৰ

জীৱনৰ তিক্ত অভিজ্ঞতা বুলিয়ে অলপো নাপাহৰাকৈ মনত আছে। পিছে, বাগানৰ মানুহবোৰক নাইবা বাগানৰ সমাজখনক বৰ ঠেক মনৰ বুলি ভবাত বিশেষ যুক্তি মই আজিকালি বিচাৰি নাপাওঁ। সেই দোষবোৰ যিবোৰ মানুহে খুচৰি ফুৰে—তেওঁলোক কিন্তু দোষমুক্ত নহয়। বিচাৰিলে সমাস্তৰাল দোষ কিছুমান ওলাব। এতিয়া ইয়াত থকা ৰাইজৰ কথাকে কওঁ। নাই চিয়াৰ বাবু, আপুনি শিক্ষিত মানুহ। ইয়াৰ মানুহৰ দোষ-গুণ আপুনিয়ে বিচাৰি উলিয়াব। মোৰ চকুত হয়তো দোষবোৰেই ধৰা পৰে।

বিদ্যা-বুদ্ধি নথকা মানুহ যদিও আমাক শিক্ষিত মানুহবোৰে এনেকুৱা অভদ্র আৰু অশ্লীল নীতি প্ৰদৰ্শন কৰিলে দুখ লাগে চিয়াৰ বাবু। তেতিয়াই মানুহবোৰৰ ওপৰত শ্ৰদ্ধা হেৰুৱাওঁ।

এইবোৰ কিনো ক'ব মোৰ কথা! শুনিলেই নহয়'—

কথাখিনি শেষ কৰি দেবেনে হাঁহিলে। খোলা হাঁহি। পুৰণি কথাত তাৰ মনত দুখ লাগিলেও সি যেন সেইবোৰক আজিকালি বিশেষ গুৰুত্ব নিদিয়ে। গুণেশ্বৰীৰ কথা সুধিব খুজিছিল কমলে। নুসুধিলে। হয়তো সি বেয়া পাব!

'মোৰ শপত চিয়াৰ বাবু। আপোনাক মধু বেচা নগিনীৰ ঘৰলৈ ফুৰিবলৈ লৈ যোৱাৰ অৰ্থ নাইবা মোৰ মনৰ গোপন উদ্দেশ্য এয়ে কেতিয়াও নহয় যে মই নিজে মদ খাই, মোৰ সংগীক বেয়া কৰিবলৈ বিচাৰিছো। আপোনাক মই কেতিয়াও নকওঁ—মদ খাবলৈ চিয়াৰ বাবু! আপুনি মাথোন দুই বা এদিন গৈ ঘূৰি আহিলে মোৰপৰা সুধি সিহঁতৰ বিষয়ে জানিব খোজা কথাবোৰ নিজে দেখি আহিব। মইনো কিটো জানো।'

হয়, সিহঁত মদ বেচি জীৱিকা নিৰ্বাহ কৰা নাগিনীবোৰো আমাৰ সমাজৰে অংশ। কমলে ভাবিলে, সি ভাবিছিল পোনতে —বস্তী বা নগৰৰ আশে-পাশে থকা নগা-চহা নাইবা চাকৰিয়াল মানুহবোৰেই নগা সমাজৰ গণ্ডীত। বাকীবোৰ সমাজৰ গণ্ডীৰ বাহিৰত।

'যাবলৈ দেখোন ভাল নালাগে।' কমলে কিবা এটা ভাবি ক'লে।

'ভাল নলগাৰ কাৰণ মই বুজি পাইছো আপোনাৰ। আন মানুহে দেখিলে আপোনাক বেয়া বুলিব আৰু আপুনি লাজ পাব। এয়ে নহয় জানো? পিছে, এটা কথা চিয়াৰ বাবু—আমাৰ মনৰ বাঘেহে আমাক খাই মাৰে। আপুনি যদি সাহসত থাকে, তেন্তে কোনোবাই কিবা কোৱাটোলৈ ইমান ভাবিছে কিয়? ভাবিবলৈ বা ক'বলৈ দিয়ক। তাৰোপৰি আপোনাক কওঁ—ইয়াত ৰাতিৰ অন্ধকাৰটো বৰ দামী বস্তু চিয়াৰ বাবু! তাহানিৰ কীচক আৰু আমাৰ ইয়াৰ কিছুমান ভদ্রলোক একে গোষ্ঠীৰে,—এই অন্ধকাৰৰ সুযোগ লোৱাত। মোক বিশ্বাস কৰিলৈ টান পাইছে? বলক মই দেখুৱাই দিমগৈ। যিবোৰ মানুহে আপোনাৰ-মোৰ আগত সততে চৰিত্ৰ, মৰেলিটি আদিৰ কথা কয় সিহঁতৰ বেছি ভাগকে মই দেখুৱাই দিম—মদৰ বতল আগত লৈ কোনোবা নাগিনী ছোৱালীৰ গাতে গা-লগাই ৰাতি দুপৰলৈ কটাই দিয়া অবস্থাত। অথচ সিবিলাকেই ক'ব—মদ খোৱা আৰু সেই তথাকথিত অশুচি ঠাইবোৰলৈ যোৱা মানেই চৰিত্ৰহীনতাৰ পৰিচয় বুলি।' দেবেনে কথাই কথাই উত্তেজিত হৈ পৰিছিল সেই দিনা।

'যাম বাৰু এদিন।' কমলে হাঁহিছিল।

'নাই চিয়াৰ বাবু, লাজ বা অপমানৰ ভয় বেছি যদি নালাগে যাবলৈ। পিছত মইহে বদনাম পাম। যোৱা নোযোৱাটো আপোনাৰ ওপৰত। মই কৈছোহে কথাটো।'

দেবেন অলপ দমি গৈছিল। বোধহয় বেয়াও লাগিছিল মনে মনে। সি উদাসীনভাবে ক'লে।

'নাই, নাই ঠিক আছে।'

'নিজক ভয় কৰা আৰু ভদ্রতাৰ ভণ্ডামিক ভয় কৰা দুটা বেলেগ কথা চিয়াৰ বাবু।' দেবেনে বহাৰপৰা উঠি অস্থিৰভাবে মজিয়াত অহলিছিল।

'তোমাৰ কথা কিন্তু ঠিকেই। পিছে, এইবোৰত সোমাই নোপোৱা কথা বাবে কিবা-কিবি কথাবোৰ ভাবো।' কমলে কৈছিল।

সেইদিনাৰ প্ৰথম সন্ধিয়াটো—

কমলে ভাবে। ভাবে মানে, তাৰ মনত পৰে তাৰ সেই প্ৰথম সন্ধিয়া মদ বেচা নাগিনীৰ ঘৰলৈ 'ফুৰিবলৈ' যোৱাৰ অভিজ্ঞতাৰ কথাবোৰ।

'ভদ্ৰতাৰ ভণ্ডামি আৰু নিজৰ সত্বাক ভয় কৰা বেলেগ কথা'। দেবেন কমলৰ ওচৰে ওচৰে আছি আছিল। কমলৰ মনত পৰিছিল সেই কথাষাৰ। এৰা, নিজে ঠিক থাকিলে চকু চৰহা মানুহৰ কুৎসাই কি কৰিব পাৰে! মদ খালেই মানুহ চৰিত্ৰহীন হৈ পৰিব পাৰে নে? বহুত মানুহৰ কথাই তাৰ মনত পৰিল। সেই মানুহবোৰে চৰিত্ৰৰ সূত্ৰ কি বুলি' দিয়ে? নাইবা আনৰ চৰিত্ৰৰ সমালোচনা কৰা মানুহবোৰ নিজৰ চৰিত্ৰ সম্পৰ্কে কিমান সচেতন?··

'এইপিনেই যাওঁ বলক চিয়াৰ বাবু।'

পুলিচ থানাৰ ভাজটোৰ ওচৰত থিয় দি দেবেনে ক'লে।

'কোন পিনে?'

'যি পিনে খুচী যাব পাৰি। বলকচোন বাৰু এটা ঘৰলৈ যাওঁ। আলিৰ ওচৰতে, উঠা-নমাত বিশেষ কষ্ট নহয়।'

'নিৰ্দিষ্ট কেইঘৰ মানতহে নহয় জানো?' কমল আচৰিত হৈছিল।

'এ নহয় চিয়াৰ বাবু। আশে-পাশে থকা সৰহভাগ মানুহৰ ঘৰতে আপুনি জিনিচ্ পাব। নগাৰ ঘৰহে নালাগে, আপুনি যদি জমাব পাৰে তেন্তে গোৰ্খালী ঘৰতো পাব মাত্ৰ সিহঁতে চাৰ্জ কৰে বেছি। পিছে, আমাৰ নিচিনা সকবোৰৰ বাবে নাগিনীৰ ঘৰেই ভাল।'

'কেনেকৈ?'

ধৰক আপুনি এখন গোৰ্খালী মানুহৰ লগত ঘনিষ্ঠতা পাতিলে। অৱশ্যে সকলোবোৰৰে কথা কোৱা নাই দেই। সেই তেনেকুৱা উপকৰা ব্যৱসায়ত পোৱা টকালৈ মোহ থকা ঘৰ এটাত প্ৰথমতে সিহঁতৰ ঘৰত আপুনি চাহহে পাব। লুচি, কণীৰ অম্‌লেট বা চিৰা ভজা। আপোনাবোতো ভদ্ৰতা আছে, দিনদিয়েক সিহঁতৰ তালৈ যোৱাৰ পিছত ধৰক আপুনি এদিন ছুটকাৰ কেক্ লৈ গ'ল। লগতে লজেঞ্চ কেইটামান। হ'ল আৰু আপোনাৰ। তাৰ পিছত আইদউইঁতেই ফৰ্মাছ দিয়াৰ আপোনাৰ মাৰফত—অমুকটো আনিব, তমুকটো আনিব বুলি। তাৰ পিছত কথাৰ লাচতে এদিন ক'ব সিবিধ খোৱাৰ কথা। এনে ষ্টাইলত ক'ব যেন আপোনাকহে বিশেষকৈ কথাটো কৈছে! আন কাকো বিশ্বাস নকৰেহে যেন। ধৰক আপুনি সিবিধ ধৰিবলৈ মান্তি হ'ল। তেতিয়া আপুনি কুকুৰা এটাৰ দাম' দিয়ক—তিনি বা চাৰি টকা, সিবিধত দিয়ক পাঁচটকা। তাৰ পিছত সিহঁতৰ শলাগ লৈ ছুটকা বক্‌চিচ্ দিয়ক। কমেও কিমান গ'ল ভাবি চাওক। পিছত আপোনাৰ এনেকুৱা অৱস্থা হ'বগৈ, সদায় আপোনাকে টেকা মাৰি খাব সিহঁতে। কেনেকৈ চণ্ডালিম আমি? তেনেকুৱা আছে কেইঘৰ মান ডকাইত-বংশী! আমাৰ নমস্কাৰহে দেও।

ইয়াত বুজিছে চিয়াৰ বাবু, নগা মানুহৰ মধু মানে সিহঁতৰ তৈয়াৰী মদেই প্ৰাণ। ভাতৰ সমানে মদ নহলে সিহঁত জীয়াই থাকিব নোৱাৰে। সাতামপুৰুষীয়া অভ্যাস এৰে কেনেকৈ? প্ৰত্যেকেই ঘৰে ঘৰে মদ বনায়। পিছে সেই মদৰপৰা পোৱা পইচালৈ যেই কেই জনমানৰ মোহ উপজিল মদৰ ব্যৱসায় তেতিয়াই আৰম্ভ হ'ল। সেই ব্যৱসায়ৰ ওপৰত সম্ভীয়া জীৱন যাপন কৰা বঘুমলা এশ্ৰেণীৰ সৃষ্টি হ'ল।

'সিহঁত ছয়ো গৈ মাবোৰাৰী মন্দিৰটো পাৰ হৈ আকৌ অলপ সময় থিয় দিলে। সন্ধিয়াৰ পাতল আন্ধাৰ তেতিয়া লাহে লাহে ডাঠ হৈ আহিছে। ওচৰৰ পানীৰ উঁহটোৰ ওচৰত কেইজনীমান

হোৱালীয়ে কলহ পাতি থৈ ভোগ্‌ভোগাই কথা পাতি হাঁহিছে। ফাগুন মহীয়া শুকান বতৰ। উহটোৰেদি বাৰ মাহে পানী ওলায় থাকে। পাহাৰৰ টীপৰ নিচিনা সেই ঠাইখিনিৰ ক'লা মাটি আৰু টুকুৰা-টুকুৰ ক'লা পাথৰৰ চেপেটা টুকুৰাবোৰৰ মাজেদি পানী ওলাই থাকে বাৰ মাহে। তাতে বাঁহ এপাবৰ এটা মূৰ সমান্তৰাল-ভাবে পুতি দিয়াত ইটো মূৰেদি পানীবোৰ ধাৰ ধৰি ওলাই থাকে। ওচৰত মানুহবোৰে সেই ক্ষীণ সোঁতৰ পানীৰ বাবে গুৰে দিনটো খাপ পাতিব লাগে।

উহটো পাৰ হৈ কেইখোজমান গৈয়েই বান্দৰ যোৱাদি সৌহাতৰ সৰু বাট এটাইদি দেবেন সৰ্ সৰ্‌কৈ উঠি গ'ল। আলিৰ দাঁতিতে কমলে থিয় দিলে।

'লাহে লাহে আহিব দেই। ক্রেপ্ চুলবোৰ বৰ পিছলে। খাপে খাপে ভৰি দি আহক।' ওপৰৰপৰা সি কলে। আন্ধাৰৰ মাজটো খট্‌খটিৰ খাপবোৰ চিনি পায়,—খোজ পৰি পৰি বগা হৈ গৈছে।

অলপ দূৰ গৈয়েই পোৱা ঘৰটোৰ বন্ধ দুৱাৰ মুখত দেবেনে তভক্ মাৰি থিয় দিলে। কোনোবা থকাৰ সন্দেহত যেন সি কাণ উনাই শুনিছে ভিতৰৰ কথাবোৰ। ঘৰটোৰ ভিতৰৰ পোহৰবোৰ বেৰৰ সুৰুঙাইদি বাহিৰলৈ ওলাই আহিছে।

'হৈ—' দেবেনে কাকো সম্বোধন নকৰাকৈ শব্দ কৰি দুৱাৰ খন ঠেলি দিলে।

'কোন ?' ভিতৰৰপৰা তিৰোতা এজনীৰ প্ৰশ্ন।

প্ৰশ্নৰ উত্তৰ নিদিয়াকৈ সি দুৱাৰখন খুলি সোমাই গ'ল।

'আহিছে ?' একেজনীৰে প্ৰশ্ন।

'অঁ আহিছো।' আহক চিয়াৰ বাবু!' সি দুৱাৰ মুখত চাপৰি বাহিৰলৈ মুখখন উলিয়াই মাতিলে। ভিতৰ সোমাবলৈ ভীষণ লাজ লাগিল কমলৰ। তথাপি আহিছে যেতিয়া যাবই লাগিব। লাহে লাহে সিও সোমাল।

'আমাৰ নতুন বাবু এজন আহিছে ফুৰিবলৈ। আমাৰ চাহাব হয়।' মাজ মজিয়াত জুই একুৰা অলাই মুখামুখিকৈ বুঢ়া-বুঢ়ী এহাল বহি আছে। জুই কুৰাৰ পোহৰৰ বাহিৰে লেম বা চাকি একো নাই।

অ' হয় নেকি? বুঢ়াই দেবেনৰ পিনে এবাৰ, কমলৰ পিনে এবাৰ চালে।

'আহিবি বাবু, বহিবি!' বুঢ়ীয়ে ছুচলা খৰিৰ নিচিনা চেপেটা পীৰা ছুখন জুইৰ গুৰিত পাতি দিলে।

'ভালে আছে?' কমলে বুঢ়াক সুধিলে।

'ভালে আছে দেই। আজিহে বস্তীতপৰা আহিছে না।' বুঢ়াই হাঁহিলে।

'আমি ফুৰিবলৈ আহিলে। মই ইয়াতে নতুন মানুহ আছে।'

'ফুৰিব লাগেতো, ঠিক আছে।' বুঢ়ীয়ে ক'লে।

'কি অ' গোলাপী কি কৰিছ তাতে?' দেবেনে ডিঙিটো মেলি ছোৱালী এজনীৰ পিনে চাই সুধিলে।

মজিয়াখনৰ ভিতৰৰ পিনে মজিয়াৰ মাটিতে এখন বহল বিছনা পতা। কিছুমান কাপোৰ বিছনাখনত বিশৃংখলভাবে পৰি আছে। বেৰৰ কোণৰ ডাৰ এডালত কেইটামান চিক্কৰ ব্লাউজ, ছুখন মান চাফা নগা চাদৰ আৰু এখন ভয়েলৰ চাদৰ ভাঁজ কৰি আঁৰি থোৱা আছে। বিছনাখনৰ এমূৰে পোহৰৰ সমানে ধোঁৱা ওলাই থকা চাকি এটাৰ পোহৰত ছোৱালী এজনীয়ে কিবা জুপি জুপি চাইছে। ভালকৈ চালে কমলে। বেজী-সূতাৰ কাম কৰিছে তাই।

'কাম কৰিছে!' মূৰৰপৰা ওলমি পৰা চুলিসোপা হাতেদি পিছ পিনে ঠেলি দি কুঁজা হৈ থকাৰপৰা পোন হৈ বহি তাই সিহঁতৰ পিনে চাই হাঁহি ক'লে।

ভালেখিনি সময়ৰ নীৰবতা। কোনেও একো কথা পতা নাই। অসহ্য লাগিছিল কমলৰ। এনেদৰে বহি থকাৰ আৱশ্যকতা একো নাই।

বুঢ়াই নগা কথাষে বুঢ়ীক কিবা এটা কলে।

জুহালৰ কাষত ৰাখি থোৱা ভাতখিনি বুঢ়ীয়ে এখন কুফীত কাঠৰ চামুচ এখনেৰে উলিয়াবলৈ আৰম্ভ কৰি কলে—'আমাৰ ভাত খাবলৈ হৈছে দেই!'

'অ খাবি না!' দেবেনে তৎক্ষণাৎ উত্তৰ দিলে।

কুফীখনৰ ভাতৰ ওপৰতে এসোপা সিজোৱা শাক তুলি দি বুঢ়ীয়ে বুঢ়ালৈ আগবঢ়ালে। বেৰৰ কামিত খুচি থোৱা কাঠৰ সৰু চামুচ এখন উলিয়াই আনি হাতেৰে মোহাৰি লৈ ভাত খাবলৈ লৈ কলে—'বেয়া নাপাবি দেই!'

কমলে মূৰ দুপিয়ালে।

কাঠৰ চামুচেৰে একো গৰাহ ভাত খাই, এনামেলৰ বাটি এটাৰ পৰা সিজোৱা শামুক চুহি চুহি খাই বুঢ়াই পেলাই দিছে। বুঢ়ীয়ে লাহে লাহে পোৱা কাঠৰ অঙঠাবোৰ ভাঙি দি খৰিবোৰ জুইত আগবঢ়াই দিলে। জুইকুৰা জ্বলি উঠিল।

অলপ মান ভাত খায়েই বুঢ়াই ভাত সোপাৰে কুফীখন বুঢ়ীৰ পিনে আগবঢ়াই দি কমলৰ পিনে চাই কলে—'একদম খাব মুৱাৰে ভাতটু!'

'কেলেই?'

বেৰত আঁওজাই থোৱা মধুৰ লাওটো হাতত লৈ বুঢ়াই মুখত ঢালি দিলে। ওঁঠত লাগি থকা ভাত আৰু পিঠা-মুধৰ ফেনসোপা হাতৰ পিঠিৰে মচি দি ক'লে—'নাই, গলাৰ ভিতৰতে বিষ কৰি থাকে। খাবভী নোৱাৰে।'

বুঢ়ীয়ে আৰু অলপ ভাত সেই কুফীখনতে লৈ একাগ্ৰমনে খোৱাত লাগিল।

'আপুনি অলপ বহিবচোন দেই' কমলৰপৰা কিবা শুনাৰ আগতে দেবেন বাহিৰলৈ ওলাই গ'ল।

'কিমান দিন হৈছে?'

'ছয় হপ্তা এনেকাহে হৈছে। কি জানি কি হৈ থাকিছে!'

আঙুলি মূৰত হেঁচাপ কৰি বুঢ়াই জুই কুৰাব পিনে চাই উদাসীন মনে ক'লে।

'দাৱাই খোৱা নাই ?'

'নাই, ক'ত খাব !'

বুঢ়ীয়ে বোধহয় দৰবৰ কথা কোৱাত হাঁহিব খুজিছিল। মুখত লৈ থকা ভাতবোৰৰ বাবে হাঁহিব নোৱাৰিলে। এবাৰ কাঁহিলে।

জুইৰ ধোঁৱা আৰু পাতলবতাহত জুহালৰ ওপৰত আঁৰি থোৱা মাকৈৰ দমটোৰ শুকান পাতবোৰ কপি কপি লৰি আছে।

বাহিৰত কোনোবাই সক সৰুকৈ কথা পতাৰ শব্দ কমলৰ কাণত পৰিল। তাবে এজন দেবেন নিশ্চয়।

'বাৰু, যাম দেই।' কমল থিয় দিলে।

'আচ্ছা। দোচোৰা দিনতে আহিবি দেই বাবু !' বুঢ়ীয়ে কলে। বুঢ়াই বেৰখনত আঁওজিলে।

'দেবেন !' বাহিৰৰ শিল চটাত ভৰি দি কমলে মাতিলে।

'আহক চাৰ যাওঁগৈ।' দেবেনে ব্যস্তভাবে ক'লে আন্ধাৰৰ মাজৰপৰা। কমল গৈ দেবেনৰ ওচৰত থিয় দিলে।

'আজি বাবুজী নতুন নতুন আহিছিলে। আমাৰ চাহাব আছে না !' দেবেনে সেই ছোৱালীজনীৰ লগত কথা পাতিছে।

'কিন্তু না, বাবাটু আজি বস্তীৰপৰা আহি থাকিছে। মনতে একদমভী বেয়া নাপাবি দেই—একো খোৱাৰ পৰা নাই নিমিত্তে। অন্য দিনতে আহিবি দেই চাহাব !' তাই কমলক উদ্দেশ্য কৰি ক'লে।

'বাৰু। যাওঁ দেই।'

'আচ্ছা আচ্ছা, গুড নাইট্—'

ওপৰলৈ উঠা বাটটোৰেদি পুনৰ নামি আহি সিহঁত ৰাজবাট পালেহি।

'এই বুঢ়াবোৰৰ কাৰণে একো নহ'ল আৰু।' নিজকে কোৱাদি দেবেনে ভোৰভোৰালে। কমলে নামাতিলে।

'বুজিছে চিয়াৰ বাবু, সেই যে বুঢ়াজন, সি বস্তীত থাকে। এই খন যেনিবা পামৰহে ঘৰ'। সি ঘাই ঘৰৰপৰা আহি মৰিছে আজি। সিহঁত আহিলে ইহঁতৰ বজাৰ মন্দা। কাৰণ বস্তীত আপুনি মধু খাবলৈ পাব ; কিন্তু কিনিব নালাগে। ইয়াতহে সেই দোকানৰ ব্যৱস্থা। বুঢ়াবোৰে জানে যদিও জীয়েকহঁতে বাপেকবোৰক সমীহ কৰি শান্ত-শিষ্ট হৈ ৰহি থাকে। নেদেখিলে তাই বৰ ভদ্ৰ-ভাবে বহি থকা! নহলে দেখিলেহেঁতেন—হৰেক ৰকমৰ মানুহৰ আড্ডাত ডালৰ বান্দৰী ঘূৰাদি দেওপাৰি ঘূৰি ফুৰা! আজি গ্ৰাহকো কোনো যোৱা নাই! এই হুতচিৰি হোৱাপাতনো আজিহে আহিব পায় নে!'

'আৰু ক'ৰবালৈ যাবা নেকি এতিয়া?' কমলে সুধিলে। লেম্প-পোষ্ট নথকা বাটটো আন্ধাৰত চিনিবকে নোৱাৰি। আকাশত জোন নাই। ক'লা আকাশৰ বুকুত ওলমি অসংখ্য তৰাই আন্ধাৰ পৃথিবীৰ পিনে জুমি চাই আছে। ওচৰৰ ঘৰবোৰৰ কথা-বতৰাবোৰ অস্পষ্ট শুনি। অলপ দূৰৈৰ পাহাৰৰ কুৰুও এটাত এটা শিয়ালে হোৱা দিলে। পুলিচ থানাৰ ওচৰৰ নেপালী ঘৰ-কেইটা মানৰপৰা কেবাটাও কুকুৰে শিয়ালৰ হোৱাৰ প্ৰতিবাদ জনাই একেলগে ভুকিবলৈ ধৰিলে। পাহাৰৰ পহ্ এটাইদি শিয়ালটো খচ্‌খচাই দৌৰ মাৰিলে।

'আহককচোন বাৰু। নগা বজাৰলৈকেই যোৱা যাওক। ওচৰৰ বোৰত এতিয়া মানুহ ভৰ্তি। তাতে এজনী চিনাকি ছোৱালী আছে। তালৈকেই যাওঁ।'

ওখ-চাপৰ পাথৰ কিছুমানৰ ওপৰেদি খেপিয়াই খেপিয়াই দুয়ো নগা বজাৰৰ বাটটোৰেদি নামি গ'ল। কৃষ্ণপক্ষৰ জোনটোৰ মৃদু পোহৰ তেতিয়া লাহে লাহে নগা বজাৰৰ বাটটোত পৰিব ধৰিছে।

'লাহে লাহে আহিব দেই চিয়াৰ বাবু। মাটিত পোত খাই মূৰ তুলি থকা শিলৰ টুকুৰাত উজুটি খাব পাৰে।' দেবেন আগে আগে

গৈছিল। ঠেক বাটটোৰ দুয়ো কাষে ঘৰ। এপিনে ওখ, আন পিনে চাপৰ। সমানে দুজনে বাট বুলিব নোৱাৰি। ওচৰৰ ঘৰ বোৰৰপৰা নানা তৰহৰ কথাৰ মৃদু গুঞ্জন বাটটোৰপৰা শুনি। কাণ নাপাতিলে বুজি নাপায়।

অলপ দূৰ গৈ দেবেন থিয় দিলে।

'কি হ'ল ?' কমলে সুধিলে।

'আপুনি চাওঁ বুলিলে মই ইয়াৰ কেইটামান ঘৰতে কেইজন মান সক-বৰ বিষয়াক বহি থকা দেখুৱাই দিব পাৰো।' ফুচ্ ফুচাই কোৱাদি সি ক'লে।

'নালাগে ব'লা। যেয়ে যতে থাকে থাকক। আৰু কিমান দূৰ যাব লাগিব তোমাৰ ছোৱালীটিৰ ঘৰলৈ ?' কমলৰ বিৰক্তি লাগিছিল মনত। খং নকৰাৰ দৰে শান্ত মনেৰেই সি উত্তৰ দিলে।

'নাই আৰু। অলপ দূৰ যাব লাগিব। দিগ্‌দাৰী লাগিছে আপোনাৰ ? আহক আহক চিয়াৰ বাবু, যাওঁতে ভাল বাট এটাইদি যাম বাৰু। খঙ নকৰিব গোঁসাই, এদিনহে কষ্ট পাইছে আপুনি। সদায়তো নাহে। এৰা সুখত ডাঙৰ হোৱা মানুহ আপোনালোক।' অপৰাধীৰ সুৰত কোৱাদি কলে দেবেনে।

জুপৰিৰ ঘৰ এটাৰ ওচৰত থিয় দি দেবেনে টানকৈ মাতিলে— 'হেৰা পটেছৰী!' ঘৰটোৰ ভিতৰখন নীৰৱ। কোনোবা থাকিলেও হয়তো কিবা কামত যেন ব্যস্ত। দেবেনে টিনৰ দুৱাৰ খন ঠেলা মাৰি ভিতৰ সোমাই বাহিৰৰ পিনে ঘূৰি কমলৰ পিনে চাই ক'লে—'আহক চিয়াৰ বাবু।'

'চাচোন চা আমাৰ নতুন চাহাবকো লৈ আহিছো! বৰ ভাল মানুহ বুজিছ পটেছৰী ? একেবাৰে দেখোন বিৰহিনী ৰাধা বহা দি আছ অ' ?'

দেবেনে ভিতৰত সোমায়েই ভাওনাৰ বচন মুখস্থ মতা দি তাইক চাই মাতে। পেণ্টৰ জেপত হাত দুখন সোমাই আঁৰিকুজাকৈ হাউলি কমলো ঘৰটোৰ ভিতৰ সোমাই মজিয়াত থিয় দিলেগৈ।

এজনী গাভৰু ছোৱালী মাজৰ বেৰখনৰ খুটা এটাত আঁউজি থিয় দি আছিল। তাইৰ ওলমি থকা সোঁ হাতখনত কেবা পাতো বেলেগ বেলেগ ৰঙৰ প্লাষ্টিকৰ ব্ৰেচলেট। আনখন হাত গোলাপী ৰঙৰ ওলোমাই লোৱা জৰ্জেটৰ চাদৰখনৰ ভিতৰত লুকাই আছে। কমল সোমাই যোৱাৰ লগে লগে তাই বেৰৰ দাঁতিৰপৰা পীৰা দুখন আনি মজিয়াত পাৰি দি ক'লে—'বহক।'

দেবেনে এখন পীৰা ভৰিৰে ঠেলি বেৰৰে দাঁতিত পাতি লৈ ক'লে —'আঁউজি নবহিলে জুতি নালাগে। আহক চিয়াৰ বাবু! বেছি সময় নকৰো।' দেবেনে ইখন পীৰা হাতেৰে টানি নি তাৰ ওচৰতে পাৰি দিলে।

ছোৱালীজনীয়ে পুনৰ আগৰ অবস্থাত গৈ থিয় দিলে—বাওঁ কান্ধখন খুটাত আঁওজাই, সোঁহাতখনেৰে কঁকালত ধৰি। বাওঁ ভৰিখনৰ ওপৰত গোটেই দেহটোৰ ভৰ থৈ সোঁ ভৰিখন আয়াসতে আঠুত ভাজ দি ৰাখিছে। তাই চুলিখিনিৰ খোপা বন্ধা নাই, সিচৰতি কৰিও থোৱা নাই। গলধনৰ নামনিত ৰঙা ফিটা এডালেৰে থুপতে গাঠি এটা দি থৈছে। ফিটাৰ দুয়োটা মূৰ ওলমি চুলিকোচাৰ আগৰ সমান হৈ ওলমি আছে। ছোৱালী জনীয়ে সিহঁতৰ পিনে চোৱা নাই। বাহিৰৰ মজিয়াখনৰ দক্ষিণৰ পিনৰ বেৰখনৰ ওচৰত থকা চৌকাটোৰ ওপৰত বগলীময় হৈ থকা ফুট্ ছাইবোৰৰ পিনে তাই চাই চাই কিবা ভাবিছে। লক্ষ্যহীন, উদাসীন দৃষ্টি।

কোনোবা শিল্পীৰ মডেলৰ প'জ লৈ তেনেকৈ থিয় দি থাকিলে ইহঁতৰ কি ব্যবসায়ত লাভ হ'ব? মধুৰ গ্ৰাহকৰ প্ৰতি তাইৰ আনমনা ভাব। ইহঁত বোলে ব্যবসায়ী! ক'তা একো লক্ষণেই চোন মোৰ চকুত পৰা নাই। কমলে পেটে পেটে ভাবিলে। নগা-বজাৰৰ ব্যবসায়ী অঞ্চলটোৰ বেহ-ৰূপ চাবলৈ আহি সন্মুখীন হোৱা গধুৰ পৰিবেশটো তাৰ বৰ ভাল লগা নাছিল।

হেৰা দিয়া কিবা-কিবি। অহল্যা হৈ থাকিলা যে?' দেবেনে

তাইৰ পিনে চাই কৈ বিড়ি এটা জলালে। হোৱালীজনীয়ে লাজ লাজকৈ হাঁহিছিল। হাঁহি উঠিছিল কমলবো। সিনো নাটকৰ বচন মাতিবলৈ ইয়াতেহে পালে!

চৌকাটোৰ ওচৰৰ কাঠৰ বাকচ এটাৰ বগা কপোৰৰ ঢাকনিখন গুচাই অলপ কুঁজা হৈ তাই বতল এটা আৰু দুটা গিলাচ উলিয়াই আনি সিহঁতৰ সমুখৰ পীৰা এখনৰ ওপৰত থলে।

'গিলাচ এটা হলেই হ'ব।' দেবেনে বিড়িটো ভৰিৰে মোহাৰি মুমাই ক'লে।

'কেলেই?' তাই শুকান কলপাতৰ সোপাটো সন্মুখলৈ হাউলি গুচাই বতলটোৰ মুখত ওপন্ডি থকা কিবা গুচাবলৈ বুলি বতলৰ মুখখন অলপ কাটি কৰি আচাৰ মাৰি কমলৰ পিনে মুৰ তুলি চালে। আধা গলা চাউল দুটা বতলটোৰপৰা ছিটিকি মজিয়াত পৰিল। নগা মধুৰ গোন্ধটো মজিয়াখনত বিয়পি পৰি সিহঁতৰ নাকত লাগিল। কমলে চিগাৰেট এটা জলালে।

'আমাৰ চাহাবটু ফুৰিবলৈহে আহিছে। তোমালোকক চাবলৈ। মধু নাখায়। তুমি খাবা নেকি?'

'নালাগে, মই নাখাব ইছ্ আৰু দিবলৈ একুভী নাইনা! চৰম পাইছে মই হলে।' তাই নম্রভাবে ক'লে।

'মোক একো নালাগে। চৰম পাবলৈ একো কথা কথা নাই।' কমলে ক'লে।

'হলেভী! নতুন মানুহ আহিছে!' তাই আকৌ ক'লে।

'তুমিনো নোখোৱা কেলেই?' কমলে সুধিলে।

'পিছত কম বাক চিয়াৰ বাবু। তাই নাখায়েই।' দেবেনে ক'লে।

দেবেনে অকলে অকলে মধু খাবলৈ আৰম্ভ কৰিলে। পিন্ধি থকা চাদৰৰ মিচিনা ছুয়োমুখ খোলা কাপোৰখনৰ ছুয়োটা মূৰ হাতখনেৰে চেপা মাৰি ধৰি সিহঁতৰপৰা অলপ দূৰৰ সুদা মাজিত্তে তাই ৰহিল। ঘৰটোৰ মৌণতা ভাঙিবলৈ কমলে কথা পিতাৰিলে।

দেবেনে একো মতা নাই, তায়ো আঠুব ওপৰত থুতবিটো থৈ মনে মনে বহি আছে। বহুত সময়ৰ মৌনতা।

'তোমালোকে মধু কেলেই বিক্রী কৰা বাৰু?' কমলে তাইৰ পিনে চাই সুধিলে। সহজ প্রশ্ন। সি ভাবিছিল তাই হাঁহি হাঁহি কিবা এটা উত্তৰ দি তাক জব্দ কৰিব। দেবেনে মুখেৰে পাতলকৈ উশাহ এৰি দি পুনৰ গিলাচটো ভৰাই লৈ বেৰৰ খুটাত মূৰটো আওঁজাই বহি আছে।

ছোৱালীজনীয়ে মধু নাখায়। আলহীক একো দিবলৈ নোৱাৰি লাজত বঙা পৰিছিল। কমলৰ প্রশ্নটোৰ লগে লগে তাইৰ মুখৰ সেই নম্রতা আৰু স্বাভাবিক লাজকুৰিয়া ভাবটো আঁতৰি গ'ল। তাইৰ চকু দুটাত জ্বলি উঠিল আক্রোশ আৰু অভিযোগৰ দুকুৰা জুই। খণ্ডত যেন শৰীৰৰ গোটেইখিনি তেজ গৈ মুখমণ্ডলত গোট মাৰি স্থিৰ হৈ ৰ'ল।

'কেলেই লাগিছে? খুচি আছে কৰিছে আৰু। আমাৰ ভোক লাগিবলে' পেট নাই নেকি?'

বহি থকাৰপৰা গিৰিসাই তাই থিয় দিলে। আচৰিত হৈ গ'ল কমল। সি একো নামাতিলে।

অলপ সময়ৰ পিছত তাই আগৰ খং আৰু বিদ্রূপৰ সুৰতেই ক'লে—'আমি এনেকই নাথাকিলে ভদ্রলোকবিলাক ৰাতি আহি ক'ত গুণ্ডামি কৰিব? পকেটত বহুত টকা বুলি কোনে গম পাব? হু স—'

কমলৰো খং উঠিল। নিজৰ ওপৰত। দেবেনৰ ওপৰত। সিনো কেলেই মৰিবহি লাগিছিল ইয়াত। ছোৱালীজনীৰ প্রথমতে প্রকাশ পোৱা নম্রতা আৰু ভদ্রতাখিনিক শেষৰখিনি কথাৰ ঠাঁচৰ বাবে সি স্বীকাৰ কৰিব নোৱাৰিলে। ঘৰটোৰপৰা গুচি আহিবলৈ সি উচ্‌পিচালে। দেবেনৰ পিনে চালে। মদৰ বটলটো শেষ কৰি সি বিড়ি হুপিছে।

'নোযোৱা নেকি?' কমলে তাক মাতিলে। খং আৰু

ৰিৰক্তিৰ ভাৰত মাতটো ছুটা হৈ ওলাল। কি দৰ্কাৰ আছিল তাৰ এনেদৰে অপমানিত হ'বলৈ! নিজৰ সন্মান মুবুজা ছোৱালীৰ আকৌ সন্মান। আনৰ মৰ্যাদাৰ কথা কি বুজি পায় ইহঁতে।

বহাৰপৰা খঙেৰে থিয় দিলে কমল। কাৰো মুখত কথা নাই। মিট্ মিট্কৈ জ্বলি আছে কেৰাচিনৰ চাকিটো। দেবেনৰ পীৰাখনত সুদা বতল আৰু সুদা গিলাচটো। তাই গহীন হৈ থিয় দি আছে আগৰ ঠাইত। তাইৰ পিনে কমলে নাচালে।

'যাওঁ ব'লা।' কৰ্তৃত্বৰ সুৰত কোৱাদি ক'লে কমলে। দেবেন বহাৰপৰা উঠিল। ভৰিৰে সি পীৰাখন ঠেলি দিয়াৰ শব্দ এটা হ'ল। আকৌ নীৰৱতা। কমল ওলাই যাবলৈ দুৱাৰ মুখ পালেগৈ।

'এই গাভৰু টকা ল।' দেবেনে জেপৰপৰা নোট এখন উলিয়াই তাইৰ হাতত দি আকৌ কলে,—'তই মানুন চিনি খেং খেং কৰিবি অ'ই ছোৱালী। আমাৰ চিয়াৰ বাবুক তেনেদৰে কোৱাত মই বেয়া পাইছো তোক। চব মানুহ একে নহয় না। আৰু'—

'আহঁা হে কি আজে-বাজে কথাবোৰ বকি থাকা।' কমলে বাহিৰৰ দুৱাৰ মুখত থিয় দি ধমকি দিয়া দি ক'লে।

'বলক চাৰ—বলক। অই যাওঁ দেই।' দেবেন ওলাই আহিল।

বাহিৰত ভাল জোনাক পৰি পোহৰ হৈছে। অগা-পিছাকৈ কমল আৰু দেবেন চোতালখনৰপৰা সক বাটটো উঠিলহি।

'বা—বু!' ছোৱালীজনী ওলাই আহি চোতালত থিয় দিলে।

'কি হ'ল অ'?' দেবেন থিয় দিলে। কমলে এবাৰ ঘূৰি চাই আকৌ মুখ ঘূৰালে।

'বাবু!' তাই কমলক উদ্দেশ্য কৰি মাতিছিল। দৌৰি অহা দি তাই আহি সিহঁত দুজনৰ ওচৰত থিয় দিলেহি।

'চিয়াৰ বাবু খং কৰিছে না?' তাই কমলৰ দৃষ্টি আকৰ্ষণ

কৰিবলৈ দেবেনক উদ্দেশ্য কৰি ক'লে। কমলে নামাতি টীনা-কেপটোৰ ছাইখিনি টুকুৰিয়াই গুচালে।

'চিয়াৰ বাবু!' তাই মাতিলে।

'কেলেই আহিলা তুমি?'

'আপুনি মোকে খং কৰিছে।' তাই কল্পনামুৰা হ'ল।

'একো নহয়!' কমলে নিৰ্বিকাৰ মনে ক'লে।

'কেতিয়াবা আহিবি দেই!' তাইৰ মাতত করুণতা।

'আমি ভদ্ৰলোকো নহয়, জেপত টকাৰো জোৰ নাই, বিবিলাকৰ আছে—সিহঁত আপুনি আহিব।' কমলে তাইক আঘাত দিবলৈ মন কৰিয়েই তাই কোৱা কথাষাৰ তাইৰ গালৈ মাৰিলে।

'চিয়াৰ বাবু!' তাই উচুপি কান্দিলে। জোনৰ পোহৰত কমলে তাইলৈ ঘূৰি চালে। হাত দুখনৰ মাজত মুখখন গুজি দি তাই কান্দিছে। নিৰ্বাক দেবেন।

'চিয়াৰ বাবু বুলি মোক দেবেনেহে মাতে!' কমলৰ রুক্ষতা মুগুছিল।

'সি মোৰ বন্ধু!'

'দৰ্শনৰ সিদ্ধান্ত আমি শিল ভঙা অ'ভাৰচিয়াৰে বুজি নাপাওঁ।

দেবেনকো নামাতি সিদিনা নগা বজাৰৰ সক বাটটোৰেদি হন্ হন্‌কৈ অ'ভাৰচিয়াৰ কমল বৰুৱা গুচি গৈছিল। এজনী সাধাৰণ ছোৱালীৰ এধাৰ কথাত তাৰ মন ঘৃণা আৰু বিৰক্তিৰে ভৰি পৰিছিল। সি এবাৰো ভাবি নাচালে—ছোৱালীজনীয়ে কিয় সেইষাৰ কথা ক'লে! দেবেনেও তাৰ পিছে পিছে খোজ ললে। নগা বজাৰৰ দুয়োকাষৰ ঘৰবোৰৰ ভিতৰৰ অশ্লীল আলাপ-আলোচনাবোৰ কাৰো কাণত নোসোমাল, সিহঁত দুজনৰ।

'মোক আৰু অভিজ্ঞতা নালাগে দেবেন! এয়েই প্ৰথম এয়েই শেষ!' অলপ দূৰ গৈ কমলে কলে।

সেই ছোৱালীজনী চিয়াৰ বা'বু—

'মদ আৰু দেহ বিক্ৰী কৰি পেটৰ ভোক গুচোৱা ছোৱালী।'

'নহয় চাৰ! তাই অলপ এক ধৰণৰ। কেতিয়াবা বৰ ভদ্ৰ— একেবাৰে মাটিতে পৰি যোৱা।

'সেয়া দেখিলো নহয় আজি'।

'তাইৰ মনত কিবা গভীৰ দুখ থাকিবই লাগিব চিয়াৰ বাবু! সেই কথাবোৰ মনত পৰিলেই অগ্নিমূৰ্তি ধৰি থাকে। কেতিয়াবা আহি আপুনি এটোপা মধুও নাপাব। দুৱাৰ বন্ধ কৰি আবেলিতে শুই থাকে।

'তুমিও আৰু ছোৱালী বিচাৰি নাপালা।'

'নহয় চিয়াৰ বাবু! এই ছোৱালীজনীক মোৰ হলে বৰ মৰম লাগে। শ্ৰদ্ধা কৰিবৰ মন যায়। কিয় ক'ব নোৱাৰো। এদিন কি হৈছিল জানে?—সেই দিনাৰেপৰা তাইৰ লগত মোৰ দোস্তী। মই এঘৰ মানুহৰ তাত মধু খাই বহি আছো। ৰাতি আঠ মান বাজিছে ওলাই যাওঁতে। এনেতে শুনিলো এইজনীয়ে খুব আৰ্তনাদ কৰি চিঞৰি উঠিছে। মই ঘূৰি আহিছো ঘৰটোৰ পিনে।

'এই কি হৈছে?' মই গহীনাই মাতিলো।

দুৱাৰখন খুলি তাই ওলাই আহিল।

'আহিবাচোন'—তাই মোক মাতিলে। সোমাই গলো। 'ভিতৰত এজন মণিপুৰীয়া ভদ্ৰলোক। ইয়াৰে বেপাৰী। লগত এজন হিন্দুস্তানী ডেকা। সি কামত আহিছিল কোহিমালৈ। দুয়ো মদ খাই টং হৈ আছিছে।

'কি হ'ল?' দেবেনে প্ৰশ্ন কৰিলে।

'মধু পিনে মাংটা হায়।' মণিপুৰীয়াই উত্তৰ দিলে।

'মই কইছে, মধু নাই মোৰ ঘৰতে। তেতিয়া কইছে আন মানুহতপৰা কিনি আনি দিব নিমিত্তে। মই নোৱাৰে কইছে। খাবলৈ মন থাকিলে থাকা মানু ঘৰতে গলেহে হয়। তেতিয়া ইটো মানুহে মোকে হাত ধৰি টানি নিবলে চাইছে—সেই পিনে।'

'খং উঠি গ'ল চিয়াৰ বাবু। সিহঁতে থিয় দি থাকিব নোৱাৰে আৰু বদমাইচি কৰে। দিলো খোচা লগাই দুয়োকো।

হিন্দুস্তানীৰ বাচ্ছাই কিন্তু কুস্তী জানে। সি আহিল টলং ভটংকৈ মোক ধৰিবলৈ। তাই খৰি এডালেৰে দিলে পিঠিত ভালকৈ। পিছত দুয়ো ওস্তাদ মাৰ-ধৰ খাই ওলাই গ'ল।

আপুনি যিয়েই নকওক, তাই আন ছোৱালীবোৰৰ নিচিনা কিন্তু নহয়। বহুত দিন দেখিছো—তাই কোনো মানুহৰ লগত মধু নাখায়। হাঁহি-ধেমালি নকৰে। আঁতৰি থাকে।'

'হৈছে দিয়া। আৰু কিবা সেইজনীৰ গুণাৱলী আছে নেকি ? তুমি আজিৰেপৰা মোক লগ নধৰিবা। মোৰ ইহঁতৰ বিষয়ে গবেষণা কৰিবলৈ চাকৰি নহয়।'

( ৪ )

তিনি দিন হ'ল—এমাহ জুৰি দিয়া বৰষুণ এৰিবৰ। ভাদ মহীয়া বদে পৰহিবেপৰা পাহাৰ জিলিকাইছে।

'বৰষুণ বোধহয় কেই দিনমান নিদিব।' বাৰাণ্ডাত ওলাই কমলে আকাশলৈ চালে। আবেলিৰ শান্ত নীলা আকাশ নিৰ্মল। যোৱা মাহ জুৰি দিয়া বৰষুণ শাম কটা মানে যেন আকাশৰ মেঘবোৰ শেষ হৈ যোৱা। গৰমৰ দিন বুলিও গৰম নলগা উজ্জ্বল দিনটোৰ প্ৰশান্ত আবেলিটোত কমলে ভাবিলে—সেই ছোৱালী-জনীৰ ঘৰলৈ যাব নে নাই! প্ৰথম দিনাৰ অপমানসূচক ঘটনাটো মনত পৰাৰ লগে লগে লালমাটিত সি সহায় কৰা সেই একেজনী ছোৱালীৰে করুণ আৰু অপ্ৰকাশ বেদনাত শেতা পৰা মুখখন তাৰ মনত পৰিল। প্ৰথম দিনৰ সেই উদ্ধতালি নাইবা গৰ্বালি ভাবৰ কোনোটিৰে অকণিও ছাঁ যেন নাই সেই কাতৰ দৃষ্টিত।

'যেনে-তেনে আপুনি মোৰ ঘৰতে আহিব দেই! নগা বজাৰতে মোৰ ঘৰ আছে না!' লালমাটিৰ বোকা লাগি

থকা হাত ছুখন মোহাবি মোহাবি তাই কমলক কৈছিল। বিপদৰ বন্ধু কমলক তাই মিনতি কৰি কৈছিল নগা বজাৰৰ সেই ঘৰটোলৈ যাবলৈ, য'ত সি এদিন দেখা পাইছিল তাইক—সন্তীয়া জীবন যাপনৰ বাবে নিঃসংগভাবে থাকিবলৈ লোৱা। এৰা, সি সেই ঘৰটো, তাইৰ ঘৰটো চিনি পায়। সি তাইৰ কৰ্কশ ব্যবহাৰ, অভদ্ৰ আচৰণৰ বাবে খং কৰি ওলাই অহা ঘৰটোৰ চিন পাহৰা নাই!

তাইলৈ আজি কমলৰ বেথা লাগিল। তাইৰ ঔদ্ধত্যই তাৰ পৌৰুষত্বলৈ আনি দিয়া অপমানৰ ক্ষত সি পাহৰি পেলাবলৈ বেয়া নাপালে। মানুহৰ গুণ আৰু দোষ থাকেই!

কিবা কথাবোৰ ভাবি ভাবি ঘৰটোৰপৰা কমল ওলাই আহিল। বহুদিনৰ পিছত পোৱা ফৰকাল বতৰটো তাৰ ভাল লাগিল। আটাইবোৰ মানুহ হয়তো ওলাই গলেই। বহুদিনৰ পিছৰ মুকলি বতৰত আজি আটায়ে নিশ্চয় ক্লাব পাবগৈ। সি কাকো লগ নাপালে। আবেলিটো লাহে লাহে ধূসৰ হৈ আহিল। আলিবাটৰ ছয়ো কাষৰ বৰষুণত তিতি থকা গছ-বনবোৰ, ৰ'দ নোহোৱা পোহৰখিনি বৰ ধুনীয়া লাগিল কমলৰ। নামনিৰ পাহাৰৰ মাজত কিবা কেইজোপামান ওখ গছৰ মূৰত ফুলা বগা বগা ফুলবোৰ সেউজীয়া পাতবোৰৰ ওপৰত সুন্দৰকৈ জিলিকি আছে। বাওঁহাতৰ ওখ পাহাৰটোৰপৰা কিছুমান মাটি বৰষুণত টিলা হৈ খহি আহি নৰ্দমাত পৰিছে। নৰ্দমাৰ পানীবোৰ ৰঙা মাটিৰ বোল লাগি ইটা ৰঙী হৈছে। কেঁচা মাটিৰপৰা ফুৰ্ফুৰীয়া গোন্ধ এটা ওলাইছিল। মৰা ইকৰা এডালত সৰু চৰাই এটা পৰিবলৈ খুজি আকৌ উৰা মাৰিলে।

পুলিচ পইণ্টটোৰ ওচৰলৈ আহি কমলে চিগাৰেট এটা জ্বলাই আলিৰ দাঁতিত অলপ সময় থিয় দিলে। দুই এজন মানুহ ইপিনে-সিপিনে অহা-যোৱা কৰি আছে। চিনাকি মানুহ কোনো নাই। এখোজ-ছুখোজকৈ ক্লাবৰ পিনে সি খোজ পেলালে। বাওঁহাতৰ পিনৰ পাৰ্কখনৰপৰা ফুল কেইজোপাৰ ফুলা গোন্ধ গোটেই

পাৰ্কখনত বিয়পি পৰিছে। আলিবাটৰ ওচৰতে ফুলবোৰ নিকা হৈ ফুলি আছে। প্ৰাণ উতলা কৰা ফুলবোৰৰ পিনে চালে সি। পাৰ্কত সক-বৰ অলেখ ফুল ফুলিছে। বেছি ভাগেই চিজন ফ্লাৱাৰ। গোন্ধ নাই। মাজৰ পানী টেপটোৰপৰা নামি আহি কেইজনীমান ছোৱালী থিয় দি আছে।

সেই ছোৱালীজনীৰ ঘৰলৈকো যাবলৈ বিশেষ ইচ্ছা যোৱা নাই। তাই মাতিছে সঁচা; গৈয়েইনো কি কৰিব তাত সি! সন্ধিয়াৰ আগ জাননীৰ পাতল আন্ধাৰবোৰ কোহিমাত তেতিয়া বিয়পি পৰিছে।

পানী খেতিৰ পথাৰত দিন গুটীয়া কাম কৰি এজাক ডেকা-গাভৰুৱে গান গাই স্ফূৰ্তি কৰি বাটটো জুৰি আহি আছে। লগত কেইজনীমান বয়সীয়াল তিৰোতা।

'ববজুমে' ? বিপৰীত পিনৰপৰা অহা নগা এজনে সিহঁতলৈ চাই প্ৰশ্ন কৰে। সিহঁতৰ হাঁহি খন্তেকৰ বাবে বন্ধ হৈ গুণ্ গুণ্ নি এটাৰ ৰূপ লয়।

'উঁ—' এজনী তিৰোতাই সহাঁৰি জনায়। আহি আছে দেই!' এজনী গাভৰুৱে অসমীয়াতে কৈ খুব হাঁহি দিয়ে। সেই ৰগৰৰ হাঁহি আকৌ জাক মানুহবে মুখত জিলিকি উঠে।

কমলৰ কাষেদি সিহঁত পাৰ হৈ যায়। হাঁহি আৰু গীতৰ তানত সিহঁত ছিটিকি ফুৰিছে। পিঠিত ওলোমাই লোৱা হোৰাত একোখন কেজ্জু, খাবলৈ ভাত ভৰাই নিয়া পুৰি ক'লা হোৱা ডেগ একোটা আৰু পিঠা মধুৰ সুদা লাওটো ভৰাই লৈ মনৰ আনন্দেৰে হৈ-চৈ কৰি সিহঁত সন্ধিয়া ঘৰমুৱা হৈছে।

'বে মে' ?' ফুৰিছা নেকি ? এজন ল'ৰাই বিপৰীত পিনৰপৰা এজন নগা ডেকাক চিঞৰি সোধে।

'বেট'জ্জ।' অঁ ফুৰিছো। সি উত্তৰ দিয়ে।

'অ' চিৰ।' বাৰু। গোটেই জাকেই অফুৰন্ত হাঁহিৰে তাৰ কথা শলাগে। সিহঁত আগবাঢ়ে।

মদৰ নিচাত একো ক'ব নোৱাৰা হৈ এজন নেপালী মানুহে অনৰ্গল কিবা বকি বকি আছিছে। তাৰ কাষে কাষে এজনী বয়সীয়াল তিবোতা। হাতত এটা কিবা-কিবিৰ মোণা। মানুহ-জনীয়ে তাক ধৰিব খোজে। সি এচাৰ মাৰি হাত এৰাই হিন্দী, ইংৰাজী, অসমীয়া, গোৰ্খালী যি মুখত আহে তাৰেই বকা-বকি আৰম্ভ কৰে, যদিও এটা শব্দও তাৰ আড়ষ্ট জিভাৰে ফুটি ওলোৱা নাই। ঢলং পলংকৈ সি বাটৰ কাষেৰে আগবাঢ়ে।

'বাম্ৰ মাঞ্চে হৈ না তিমিলাই ছাল্লা!' তুমি ভাল মানুহ নোহোৱা, ছাল্লা! তিবোতাজনীৰ ভোৰ্‌ভোৰণি কমলৰ কাণত পৰে। সি আঁতৰি আগবাঢ়ে।

পাতল আন্ধাৰবোৰ ডাঠ হৈ আহে। ওচৰৰ মানুহকে ভালদৰে নিচিনি। খিড়ীকিৰ পাতল পৰ্দাৰ আঁৰেদি ওচৰৰ ঘৰবোৰৰ পোহৰবোৰ স্পষ্টকৈ দেখি। নামনিৰ ঘৰবোৰৰ সুৰুঙাইদি ওলাই অহা পোহৰৰ কণাবোৰ এজাক জোনাকী পৰুৱা আন্ধাৰৰ মাজত ওপঙি থকা যেন লাগে।

'ক্লাবত সোমালে হ'ব হ'বলা! কালি গালি খাইছো ঘৰত!'

'বলক না, কিমান দেৰিনো বহিম?'

'সন্দিকৈৰহে ফেমিলি আছে, আনৰ যেনিবা নাইহে!'

'টি-এ বিলখন মোৰ ঘূৰি আহিল অ'!'

'এ বৰ দিগদাৰী এই সোপা!'

'আমাক সুধিব লাগিছিলে।'

এদল অফিচত কাম কৰা মানুহ খৰ খোজেৰে কমলৰ কাষেদি গুচি গ'ল। সেই দলটোৰ কথাবোৰ অস্পষ্টকৈ তাৰ কাণত পৰে। সিও খোজ চলায়।

'ক'বই নোৱাৰো বুইছে, সেইজনীয়ে আজিকালি চকুলৈ চালেও মুখলৈ নাচায়।' কমলৰ নিচেই ওচৰতে কথাবাৰ ক'লে। বিপৰীত পিনৰপৰা আহি থকা দুজন ভদ্ৰলোকে।

'হয় নেকি ?' আনজনে হাঁহিলে।

'এবা নাগিনী ছোৱালীবো অভিমান আকৌ।'

মাততে বুজি পালে কমলে। ডাক্তৰ বৰুৱা আৰু বৰঠাকুৰ হাকিম। ছুয়োৰো যুটীয়া হাঁহি আৰু জোতাৰ খট্ খট্ শব্দবোৰ ভালেমান দূৰলৈকে কমলৰ কাণত পৰিল।

পান দোকান এখনত সোমাই কমলে চিগাৰেট এক পেকেট আৰু দুখন পান কিনিলে। গাতে লাগি থকা ফটা বস্তাত চুণ সানি সজোৱা কেবিন এটাত বহি কেইজনমান মণিপুৰী ড্ৰাইভাৰে 'এক চিংগোল চাহৰ' আড্ডা দিছে। সিহঁতৰ কথা-বতৰাতেই হোটেলখন ৰজন্‌জনাই গৈছে। ওচৰৰ কেবিনটোত দুজন দৰ্জি। খুব সৰু সৰুকৈ কিবা গোপন কথা পাতিছে।

পুলিচ পইণ্টৰ ওচৰৰ ভাঁজটোৰেদি ঘূৰোতে কমলে উভতি চালে। পিছ পিনে কুকুৰা এটাই কক্ ককাই উঠিছিল।

বেগাবেগিকৈ আগবাঢ়িছে সেই ছোৱালীজনী। দোকানখনৰ ভিতৰত জ্বলি থকা লাইটৰ পোহৰত সি চিনি পালে—পোন প্ৰথমে দেবেনৰ লগত যোৱা সেই 'বস্তীৰপৰা বাপেক অহা বাবে চুপ মাৰি বহি থকা' ছোৱালীজনী। সোঁ হাতেৰে ঠেঙত ধৰি ওলোমাই লৈ যোৱা মতা-কুকুৰাটোৱে মুকলি হৈ যাবলৈ ধৰ্ফৰাই আছে। বাওঁ হাতখনত এটা মোণা। জোৰ কৰি ঘূৰি আহিছে তাই। সম্ভবতঃ কোনোবা 'আলহী'ৰ। তাইৰ প্ৰতিটো বেগী খোজতে বগা কলাফুলত ক'লা মেখেলাখন ঘহনি খাই গৈছে। গাৰপৰা বৈ পৰা কম দামী আঁতৰৰ গোন্ধটো ভালেখিনি সময় কমলৰ নাকত লাগি ৰ'ল। নগৰৰ দোকানবোৰ বন্ধ হৈ গৈছে। দুই এখন মাত্ৰ খোলা আছে। অলপ পিছতে বন্ধ হ'ব। কেইটামান গৰাকীয়ে নিবিচৰা গৰু আলিৰ ওপৰৰপৰা বন্ধ দুৱাৰৰ দোকান ঘৰৰ বাৰাণ্ডালৈ গজেন্দ্ৰ গমনে খোজ পেলাইছে।

পুলিচ থানাৰ ভাজটো পাৰ হৈ শেষত কমলে সিদ্ধান্ত কৰি পেলালে—সেই ছোৱালীজনীৰ ভালৈকে সি যাব। ইমান

সময়ে মন্থৰ গতিত যাওঁ নাযাওঁকৈ খোজ পেলাই আগবাঢ়ি অহাৰ পিছত নগা বজাৰৰ উপ-পথটোৰ ওচৰত আহি যেই সি থিক কৰি পেলালে ঘোৰাটো, তাৰ খোজৰ বেগ বাঢ়িল। কোনো পিনে নোচোৱাকৈ হন্ হন্‌কৈ সি আন্ধাৰে-মুন্ধাৰে শিল আৰু আধা শুকুৱা বোকাৰ ওপৰেদি সাবধানে খোজ পেলাই আগবাঢ়িল।

সেই ঘৰটো পাবলৈ কেই খোজমান থাকোতেই সি থমকি ৰ'ল। চিগাৰেট এটা উলিয়াই দিয়াছলাইটো হাতত লৈ ভাবিলে— যদি তাত আন কোনোবা মানুহ আছে! তাই লাজ নাপাব পাৰে, সি লাজ পাব। কোনোবা চিনাকি মানুহ থাকিলে আৰু বিষম কথা! নাই—মই যামেই। সেই খেঙ্‌খেঙিয়া ছোৱালীজনী দেবেনৰ বন্ধু হ'ব পাৰে। সি সহ্য কৰিলেও আন কোনো ভদ্ৰলোকে সেই ব্যবহাৰ সহ্য নকৰে নিশ্চয়। গতিকে তাত কোনো নাই। ভাবি উলিয়ালে কমলে। নাচপতি গছজোপাৰ ওচৰত কিছুমান জোনাকী পৰুৱা জিলিকিছে। চিকা এটা তাৰ ভৰিৰ কাষেদি চিক্ চিক্ কৰি দৌৰ মাৰি বাটটোৰ কাষ সলালে।

( ৫ )

'কোন আছে ঘৰত?' বন্ধ দুৱাৰখনৰ ওচৰত থিয় দি বাহিৰৰপৰা কমলে লাহেকৈ মাতিলে। অলপ সময়ৰ নীৰৱতা। কমলৰ নিজৰে হাঁহি উঠিল। বহুতো পৰিয়াল থকা ঘৰ এটালৈহে যেন সি আহি দুৱাৰ মুখত কাকো নাপাই, তাৰ উপস্থিতিৰ সঁহাৰি জনাইছে। ঘৰটোত থাকে একেজনী ছোৱালী। ক'ৰবালৈ ওলাই গৈছে যদি ছাল-বেৰে ক'ত মাতিব? ভিতৰৰপৰা ছোৱালীজনীয়ে কেই মুহূৰ্তমানৰ পিছতে কলে—'হু!' কমলে দুৱাৰখনত টুকৰিয়াই দিলে। মামৰে খোৱা টিনত তাৰ আঙুলিৰ টোকৰ লাগি টিং টিংকৈ শব্দ কৰিলে।

'কোন?' দুৱাৰখনৰ সিপাৰৰপৰা ছোৱালীজনীয়ে প্ৰশ্ন

কৰি অলপ সময় মনে মনে ৰ'ল। কমলেও একো নামাতিলে। ছুৰাৰৰ গাৰ ফুটাইদি ভিতৰৰ অলপ পোহৰৰ কণা তাৰ গাত পৰিল।

ছুৱাৰখনৰ তল পিনৰ এটা মূৰ মজিয়াৰ মাটিত পোত খাই থকা বাবে অলপ জোৰকৈ ছোৱালীজনীয়ে মেলিবলৈ চেষ্টা কৰোতে লোৰ তাঁৰৰ গাঠি কেৰ্কেৰাই উঠিল। কাণি দুৱৰীকৈ খোলা ছুৱাৰখনৰ ফাকেদি কঁকাললৈকে বাহিৰ উলিয়াই লেমটো ওপৰলৈ দাঙি চালে তাই।

'কি কৰিছা ?' কমলে সুধিলে।

'আৰে চিয়াৰ বাবু। আহক। নাই এনেই আছো।' বৰ ব্যস্ত হৈ পৰিল তাই। ছুৱাৰখন বহলকৈ মেলি দি এখোজ সোমাই গৈ কমলৰ পিনে লেমটো দেখুৱালে। চাপৰ ঘৰটোত সোমাবলৈ কুজা হ'বলগীয়া হ'ল তাৰ।

'ঘৰটো একদম সৰু!' তাই যেন আজিহে গম পালে যে ঘৰটো সৰু আৰু চাপৰ। কমলে পাতলকৈ সহজভাবে হাঁহি মজিয়াত থিয় দিলে। তায়ো হাঁহিবলৈ চেষ্টা কৰিলে।

'আজি আপুনি আহিব বুলি সচ্চা মই ভাবিছিলে।' তাই ক'লে।

'বৰষুণৰ বাবেই আহিবলৈ মন কৰিও পৰা নাই।' সিহঁত ছুয়ো মুখামুখিকৈ থিয় দি আছে।

'পাহাৰতে বৰখুণ গিৰিলে এনেকুৱাহে! বৰ বেয়া' তাই বৰষুণ জাকলৈ বিৰক্তি দেখুৱালে।

সিহঁত থিয় দি থকা কোঠালিটোৰ দক্ষিণৰ বেৰৰ দাঁতিত চৌকা এটা। সেইপিনে তাইৰ ছাঁটো বিয়পি পৰিছে। সোঁপিনৰ সৰু কাঠৰ বাকচটোৰ তলত কেই টুকুৰামান কাঠ পাতি ওখকৈ থৈ দিয়া। ভিতৰত বোধহয় কিবা-কিবি। সেইপিনে চাই কমল থিয় দি ৰ'ল।

'আহক।' লিটো কোঠালীৰ পিনে এখোজ আগবাঢ়ি

অলপ সময়ৰ মৌণতাৰ পিছত কিবা এটা ভাবি পোৱাদি তাই কমলৰ পিনে চাই ক'লে। লেমটো লবাৰ বাবে সিহঁতৰ ছাঁ দুটাবো স্থানচ্যুতি ঘটিল।

কমলেও তাইৰ পিছৰ পিনে এখোজ আগ বঢ়ালে। একো নামাতিলে সি। কিবা এটা ৰহস্যৰ মাজত সোমাই পৰা যেন লাগিল তাৰ।

মাজৰ বেৰখনৰ দুৱাৰ মুখত সি ইপাৰে থিয় দিলে। মেডেলুৱাৰ ঠাবি জোৰা লগাই দিয়া মাজৰ বেৰৰ দুৱাৰখন বাঁহ, কাঠ নাইবা টিনৰো নহয়। ৰচি এডালেৰে ওলোমাই বান্ধি থোৱা এখন ত্রিপাল। লেউ-সেউ হৈ পুৰণি হোৱা ত্রিপালখনৰ মাজৰখিনি হোলা পৰা। তাই সিপিনৰপৰা ত্রিপালখন লেমটো মাটিত থৈ দাঙি ধৰিলে। বেৰৰ কামিত ইংৰাজী আলোচনীৰ পাতৰ ফটা ছবি দুটামান বাঁহৰ শলা মাৰি আঁৰি থোৱা আছে। কঁকালত এটা ভাঁজ লগাই টেবুলত কিলাকুটি পুতি থিয় দি থকা অর্ধনগ্ন ইংৰাজ গাভৰু দুজনীৰ ছবি দুখনৰ পিনে এবাৰ চাই সি ভাবিলে— নগা বজাৰৰ বৈশিষ্ট্যৰ প্রতীক নেকি ? কমল সোমাই গ'ল।

খুব পৰিষ্কাৰ নহলেও বাহিৰৰটোতকৈ ভিতৰৰ কোঠালীটোত একো আবর্জনা নথকা যেন লাগিল কমলৰ। তাই যেন অলপ বিমোৰত পৰিছে। বেৰৰ কাষৰ বিছনাখনৰ ওচৰলৈ গৈ তাই সোত-মোত খাই থকা কাপোৰখিনি ভালকৈ পাৰিলে। সৰু গাৰুটোৰ দুয়োমূৰ চেপি মাজৰ পিনে অলপ ফুলাই পাতি থলে। বিছনাখনৰ ওচৰতে থকা মজলীয়া ধৰণৰ পেকিং বাকচটোৰ ওপৰ খনত হাত বুলাই মোহাৰি পেলালে। তক্তাখনৰ ওপৰত পাৰি দিয়া বাতৰি কাগজখনৰ ভাজত ধূলি পৰি ক'লা হৈছে। লেমৰ ধোঁৱা লাগি কাগজখনত পাণ্ডুৰ ৰং ধৰিছে। কামখিনি কৰি তাই থিয় দিলে। কি কৰিব যেন ভাবি পোৱা নাই।

'ক'ত বহিবলৈ' দিব—গভীৰভাবে চিন্তা কৰি যেন তাই ক'লে।

'বিছনাত বহিবলৈ দিয়া'—কমলে ক'লে।

'একটা চিয়াৰভী নাই—গৰীব মানুহ'—তাই কমলৰ মুখৰ কথা কাঢ়ি নি লাজ লাজকৈ ক'লে।

'বেয়া নোপোৱা যদি বিছনাতে বহিম বাৰু।'

'আচ্ছা—বাৰু বাৰু—!' তাই যেন বৰ ৰক্ষা পৰিল।

লেমটো ওচৰ চপাই তাই থিয় দি ৰ'ল। কমলৰ বিপৰীত পিনে বহি এডালত ডুখন নগা চাদৰ আৰু ডুটা সাধাৰণ কাপোৰৰ ব্লাউজ ওলমি আছে;—দূৰৈৰপৰা এলাহতে দলি মাৰি থলে কোনো ৰকমে ওলমি থকা দি।

'না, চিয়াৰ বাবু আপুনি মৰম কৰি অলপ বহিব?' তাই সোঁহাতৰ বুঢ়া আঙুলিটো কামুৰি কামুৰি তাৰ মুখৰ পিনে নোচোৱাকৈয়ে ক'লে।

'তুমি ক'ত যাবা?'

'আপুনাকে দিবলে একু নাই। সুদা চাহ আছে। বিস্কুট অলপ আনিম।'

'নাই নালাগে'।

'হলেভী! আপুনি কিমান দিন মূৰতে আহিছে। সিদিনা লালমাটিতে আপুনি নাথাকিলে মই মৰিবলৈ আছিলে চিয়াৰ বাবু!' তাই বৰ নম্রভাবে কথাষাৰ ক'লে। কমলৰ প্রতি শ্রদ্ধাত যে তাই কি কথা কৈ নাইবা কিহেৰে তুষ্ট কৰিব ভাবি পোৱা নাই।

'সেইবিলাক বাদ দিয়াচোন। কথাকে পাতো। তুমি নবহা নেকি?' কথাৰ মূৰ ঘূৰাবলৈ কমলে ক'লে।

'উ—হু—'! তাইৰ অসামৰ্থ্যতাৰ বাবে তাই যেন বৰ লাজ পাইছে। বেৰৰ ওচৰত থোৱা বাকচটোত তাই লাহেকৈ বহিল। লেমটো সিহঁতৰ ওচৰলৈ চপাই আনিলে।

লেমটোৰ পোহৰত মূৰৰ শিতানৰ পিনৰ বেৰত প্লাষ্টিকৰ ফ্রেমত সোমাই থোৱা তাইৰ ফটোখন স্পষ্ট হৈ উঠিল। সি এখন হাতেৰে বিছনাত ভৰ দি ফটোখনৰ পিনে চালে।

'কি দেখিছে ?' তাই বহাৰপৰাই সুধিলে।

দূৰণিৰ পাহাৰ এটাৰ আগপিনে বহি আছে তাই, দূৰৰ্হি বনৰ ওপৰত। ভৰি দুখন সমুখৰ পিনে মেলি দি আঠুত হাত দুখনেৰে পাতল বান্ধ এটা দি কঁকালৰপৰা ওপৰৰখিনিত এটা ভাজ দি ধুনীয়াকৈ হাঁহি ডিঙিত এটা ভাজ দি তোলা ফটোখনৰ-পৰা চকু ঘূৰাই আনি তাইৰ পিনে চাই সি ক'লে—'ধুনীয়া ফটো হৈছে।'

'বহুত দিন আগতে তোলা আছিলে।' তাই পাতলকৈ হাঁহিছিল।

'এতিয়াও ধুনীয়া হৈয়ে আছা!' কমলে হাঁহি কলে। ফটো খনৰ লগত সি তাইক তুলনা কৰি চালে। তাই এতিয়া বহুতো খীণাইছে। চকু দুটাৰ নামনিত ডাঠ ক'লা ৰেখা। শেতা পৰা ওঁঠ। গাল দুখনো ভাঙি সোমাইছে। শাৰীৰিক কষ্ট অনুপাতে তাই যেন খাবলৈ পোৱা নাই।

তাই একো নকৈ দীঘলকৈ লাহে লাহে উশাহটো এৰি দিলে। পিন্ধি থকা চাদৰৰ মূৰ দুটা আঁঠুৰ চেপাত সোমাই লৈ কোচ খুৱাই আঠু দুটাৰ ওপৰত থুতৰিটো পুতি স্থিৰ দৃষ্টিৰে তাই কমলৰ জোতাৰ আগলৈ চাই ৰ'ল। আগলৈ হাউলি দিয়াত কপালৰ ওপৰৰ একোচা চুলি চকুৰ কাষেদি গালৰ ওপৰলৈ ওলমি পৰিল।

অলপ সময় দুয়োৰে মাজৰ নীৰৱতা। তাই স্থিৰ হৈ বহি থকা দি কমলো বহি ৰ'ল। বিছনাখনৰ ওপৰৰপৰা মুখখন তুলি তাৰ পিনে চাই সুধিলে।

'তুমিয়ে কোৱাচোন। শুনিবলৈহে আহিছো।' এখন ভৰিৰ ওপৰত আনখন ভৰি তুলি কিলাকুটিৰ ভিতৰত গাৰ ভাৰটো এৰি দি সন্মুখলৈ হাউলি কমলে ক'লে।

'কি কম বাৰু ?' তাই তপৰাই সুধিলে।

'তোমাৰ নিজৰ কথা!' তোমাৰ নিজৰ মানুহ কোনো নাই নেকি ?' কমলৰ প্ৰশ্নটো শুনাৰ লগে লগে তাইৰ চকু দুটাৰ দৃষ্টি

স্থিৰ হৈ গ'ল। পাতল নোমৰ চুটি ভুৰু দুটা ঈষৎ কোচ খালে। অলি থকা লেমটোৰ পিনে এবাৰ তাই যেতিয়া চালে—কমলে দেখিলে তাইৰ চকুহালৰ চল্‌চলীয়া অবস্থা। একো নোকোৱাকৈ তাই গভীৰভাবে কিবা এটা পুৰণি আৰু পাহৰা কথা ভাবি উলিয়াবলৈ চেষ্টা কৰা দি তলৰ শুকান ওঁঠটো দাঁত দুটাৰে চেপা মাৰি ধৰিলে।

'তাই বোধহয় দুখ পালে!' নিজে নিজে ভাবিলে কমলে। এনে ঘপ্‌ কৰে তেনে এটা প্ৰশ্ন নকৰিলেই ভাল আছিল।

'গোটেইবোৰ কথা কবলে হলে বহুত বহুত কথা চিয়াৰ বাবু! আপোনাক কব নিমিত্তে মন আছে; কিন্তু আপুনি সুশুনিব হবলা!' —তাই অলপ সময় মনে মনে থাকি যেন নিজৰ মনটো চম্ভালি লৈছিল। উদাস দৃষ্টিৰে তাই কমলৰ পিনে চালে।

'তুমি ক'বলৈ বেয়া নাপালে মোৰ শুনিবৰ মন আছে।' বৰ সহজ আৰু মৰম লগাকৈ কমলে তাইৰ পিনে চাই ক'লে। তাইৰ জীবনত গভীৰ দুখ আৰু নোপোৱাৰ কিবা এটা বেদনা আছে আৰু সময়ে সময়ে তাৰে সোঁৱৰণীয়ে তাইক অস্থিৰ কৰি তোলে—তেনেকুৱা ভাব এটা কমলে তাইক দেখিয়ে অনুমান কৰিব পাৰিছে। সেয়ে সি কথা কোৱাত যিমান পাৰে সাৱধান হ'ল। সিদিনা লালমাটিত অসহায় অবস্থাত লগ পোৱা সেই মুখৰ প্ৰতিচ্ছবি কমলে এই মুহূৰ্তটো দেখা পালে। কোনেও নজনা, কোনেও নুশুনা কিমান বেদনাৰ গভীৰ ৰহস্য হয়তো তাই জীবন জুৰি বুকুতে সাঁচি ৰাখিবলৈ বাধ্য হৈছে।

'চিচেমা বস্তী জানি আছে হবলা? ইয়াতপৰা নাইণ্টিন্ মাইল আগে?'

কমলে তাইৰ পিনে চায়ে ৰ'ল। তায়ো অলপ সময় মনে মনে থাকিল।

কোহিমাৰপৰা উনৈশ মাইল নিলগৰ চিচেমা বস্তী। তাইৰ নিজৰ বস্তীখনলৈ চাগৈ বহুত দিনৰ মূৰত মনত পৰিছে। উত্তৰ-

আংগামী অঞ্চলত চিচেমা বস্তী এখন বিবাট গাওঁ। দক্ষিণৰ টিলাটো জুৰি চিচেমা বস্তীত খৃষ্টিয়ান নগাবোৰৰ ঘৰ। প্ৰকাণ্ড পাহাৰখনৰ দাঁতিৰ গছ-বননিবোৰৰ সুৰুঙাইদি সেই বস্তীখনৰ ঘৰ-বাৰীবোৰ ইথন পাহাৰৰপৰা দেখা যায়। পূব পিনৰ ওখ টিলাটোত সজোৱা টিন পাতৰ গীৰ্জাটোৰ বগা গম্বুজটো জোনাক নিশা অকলে জিলিকি থাকে। বাৰীখনৰ গায়েদি নামি আহিছে সৰু আলিবাট এটা। কোহিমাৰপৰা ওখালৈ যোৱা বাটটো।

সেই খৃষ্টিয়ান বস্তীখনৰপৰা আধা মাইল নিলগৰ পাহাৰ-খনত সিহঁতৰ বস্তী—অ-খৃষ্টিয়ান নগা মানুহৰ। বাটটো অকোৱা-পকোৱাকৈ উঠা-নমা কৰি নামনিয়েদি গৈছে ওখালৈ আৰু তাৰে কাষে কাষে সৰু বাট এটা ফাটি আহিছে চিচেমাৰ ইখন বস্তীলৈ। বিবাট বস্তীখনৰ ওচৰত ডাঙৰ গছ-গছনি নাই। ডাঙৰ ডাঙৰ ঘৰবোৰ শাৰী শাৰীকৈ থিয় দি আছে। দুপৰীয়াৰ ৰ'দ আৰু ৰাতিৰ নিঃশব্দ জোনাকত দূৰৰপৰা সেই ঘৰৰ শাৰীবোৰ একোটা পাহাৰৰ গুহা যেন লাগে।

দুয়োখন বস্তীৰ মাজৰ সমান পথাৰখন। তাৰে এপিনে শিমলু গছৰ তলত সৰু শ্মশানখন। খৃষ্টিয়ান মানুহৰ মৃতকৰ সমাধিৰ থল। পৃথিৱীৰ মোহ এৰি চিৰদিনলৈ বিদায় লোৱা সেই মৃতকৰ চিহ্ন আছে কেইটামান পাথৰৰ ওপৰত কাঠৰ ক্ৰছ একোডালত। বয়সে পুৰণি কৰি শুকাই পেলোৱা সেই ক্ৰছৰ ওপৰত কেতিয়াবা সৰু সৰু চৰাইবোৰ পৰেহি। বাটৰপৰা বুটলি লোৱা ভঙা শিলগুটি কেটেপাত লৈ সৰু ল'ৰাবোৰে সেই চৰাইবোৰক মাৰিবলৈ শিমলু গছৰ গাত আঁৰ লৈ নিচান কৰে।

পথাৰখনৰ বৰছা বন আৰু কেঞা বনৰ আগ চিকুটি কিছুমান গৰু দিনৰ দিনটো তাতেই থাকে। ৰবাৰ টেঙাৰ বল খেলি আবেলি সময়খিনি চেমনীয়াবোৰে গোটেই পথাৰখনত কোলাহলৰ সৃষ্টি কৰি সন্ধিয়াৰ লগে লগে আকৌ ঘৰমুৱা হয়।

স্বভাব চঞ্চল চিচেমাৰ ছোৱালীবোৰে নামনিৰ নৈখনৰ পানী

ভৰাই হোৰাটো পিঠিত তুলি লানি পাতি ঘৰমুৱা হয় সন্ধিয়াৰ আগে আগে। সিহঁতৰ আনন্দমুখৰ গীতৰ ধ্বনি সুৰৰ তালে তালে পাহাৰৰ ইমূৰ-সিমূৰ বিয়পি পৰি কোনোবা ডেকাৰ বুকুত ঠেকা খায়। হাবিৰপৰা খৰিৰ বোজা কান্ধত লৈ ঘৰমুৱা হোৱা কোনোবা ডেকাই শ্ৰান্তি পাহৰি সেই গীতৰ ৰিণি ৰিণি সুৰ শুনিবলৈ কাণ পাতি থিয় দিয়ে। পথাৰৰ দাঁতিত, বাটৰ কাষত ধেনু ভিৰীয়াকৈ থিয় দি থকা টকলা বাঁহজোপাৰ মাটি চুব খোজা আগটো সিহঁতৰ হাঁহিৰ খলকনি লাগি কঁপি উঠে। সন্ধিয়াৰ পাতল ৰতাহত গাভৰুজাকৰ হাঁহি আৰু গানৰ প্ৰতিধ্বনি ভাহি আহে অদূৰৰ পাহাৰৰ বুকুৰপৰা। আপোন পাহৰা, আনন্দ উন্মনা ছোৱালীহঁতৰ অস্থিৰ খোজবোৰত ৰৰছা বনৰ আগবোৰ ছিঙি যাব খোজে। চিচেমা বস্তীৰ দিনান্তৰ সন্ধিয়া ব্যস্ত হৈ উঠে। চিঞৰ-বাখৰ, হাঁহি-গান, খং-অভিমান, শ্ৰম-জিৰণি। চিচেমাৰ অবিচ্ছেদ্য জীৱন-গতি।

'তাতে আমাৰ ঘৰ আছিল। আমা, বাবা, মই আৰু বইনী একটা আৰু সৰু ভাই দুইটা আছিল আমাৰ ঘৰত। খেতি কৰি বস্তীতে থাকি থকা মানু' আমি।' তাই জোৰকৈ হাঁহিবলৈ চেষ্টা কৰিছিল আৰু সেই হাঁহিত আছিল নিষ্প্ৰাণ ঔজ্জ্বল্য। তাইৰ মনটো উৰা মাৰে চিচেমা বস্তীৰ মানুহৰ খেতিৰ পথাৰলৈ।

মাঘ-ফাগুন মাহৰ শুকান পথাৰত সিহঁতে খেতি কৰে। শুকান খেতি। বাৰিষাৰ পানী খেতিৰ শুকান নৰা জুই লগাই পথাৰ চাফা কৰিবলৈ আৰু পাহাৰৰ সৰু সৰু লতাবোৰৰ আগ কাটি শুকান খেতিৰ মাটি উলিয়াবলৈ ডেকা-গাভৰুৰ দল পথাৰ ঢাকি পৰে। শুকান নৰাৰ জ্বলা জুই আৰু ৰতাহত পাক খাই উৰি যোৱা ধোঁৱাবোৰৰ পিনে চাই সিহঁতে উৰুলি দিয়ে। পথাৰ ৰজনজনাই যোৱা সেই হাই-উৰুমিৰ মাজেদি সিহঁতে পথাৰ চাফা কৰি শুকান খেতিৰ বাবে সাজু হয়।

কেইদিনমানৰ বিৰতিৰ পিছত শুকান মাটিত সিহঁতে কেজু

মাৰে। সক কোৰৰ চাব শুকান মাটিত খচ্ খচ্ কৈ বহে। সেই চঁপৰা সিহঁতৰ গচকত ভাঙি ধূলি হৈ উৰে। চ'ত মহীয়া ৰ'দত ঘামি পৰা কপালত ধূলিকণাবোৰ উৰি উৰি পৰে। চাহ কৰা শুকান মাটিত বাম খেতিৰ ধান সিঁচি সিহঁতে কিছু দিনৰ বাবে জিৰণি লয়। বাৰিষাৰ পানীত পানী খেতি কৰিব লাগে। পানী খেতিৰ প্ৰতি ছোৱালীহঁতৰ মোহ বেছি। কাম কৰি ভাল লাগে। শুকান মাটিত কোৰ মাৰিলেও সিহঁতৰ মন নবহে। সিহঁতৰ ৰসাল মনবোৰো যেন শুকান খেতিৰ মাটিয়ে শুকাই পেলাব খোজে।

পানী খেতিৰ সময়লৈ মাজতে পোৱা এক বা ডেৰ মাহৰ সময়খিনিত সিহঁতৰ প্ৰতিযোগিতা—কাপোৰ বোৱাৰ। ঘৰৰ চোতালে চোতালে সিহঁতে কাপোৰ ব'বলৈ লাগি যায়। চাদৰৰ আচলত ফুল বাচিবলৈ সিহঁতে ঘণ্টাৰ পিছত ঘণ্টাকৈ মূৰ তললৈ কৰি অশেষ ধৈৰ্যেৰে বহি থাকে।

আকু' মা—মা ঐ—। কোনোবাই নিজৰ অলক্ষিতেই চিঞৰি দিয়ে। ওচৰতে বহি সকৈে লগাই লোৱা কাপোৰ ব'ব নোৱাৰি সেমেনা-সেমেনি কৰি কিবা ভাবি থকা সক ভনীয়েকে মূৰ তুলি চায়।

সিখন চোতালৰপৰা সিঁয়াৰে—'কিটিপ'? 'কি হ'ল অ'?

ফুল বাচোতে কেনা লগাত চিঞৰি দিয়াৰ ইচ্ছা নাছিল। অথচ নিজে ক'ব নোৱাৰাকৈ মাঐ বুলি উঠাত ওচৰৰ চোতালৰ শিপিনীয়ে মূৰ তুলি চোৱা দেখি ইজনীয়ে হাঁহি দিয়ে। বুজি নোপোৱা হাঁহি এটা সিপিনৰপৰাও আহে।

ঘৰত ছোৱালী নাইবা তিৰোতাবোৰৰ বাহিৰে কোনো নাই। বাৰিষাৰ বাবে খৰি আনিবলৈ হাবিলৈ যায়। বাৰিষাৰ খৰি বৰষুণৰ আগে আগে জমা কৰি যাবলৈ আটায়ে-চেষ্টা কৰে। বৰষুণ পৰাৰ লগে লগে পানী খেতি আৰম্ভ কৰিবই লাগিব।

ইজনীয়ে সিজনীয়ে ধেমালিতে কাজিয়া কৰে। কাপোৰ ব'বলৈ এৰি যিহকে পায় তাকে কৈ গালি পাৰে। হাঁহি হাঁহি

পেটত হাত দি থমকি বৈ আকৌ কামত মন দিয়ে। ছুপৰীয়া চিচেমা বস্তীৰ ঘৰবোৰ খন্তেকৰ বাবে চঞ্চল হৈ পৰে। পথাৰ খনত সৰু সৰু ল'ৰা-ছোৱালীবোৰে হাই-উৰুমিৰে খেলি থাকে।

নগা পাহাৰলৈ বাৰিষা নামে। টিপ্ টিপ্ কৈ পৰা ৰৰষুণৰ জীপ্ পাই শুকান পাহাৰৰ টকলা ৰূপ আৰু পাণ্ডুৰ বৰণৰ গছ-গছনিবোৰে ৰং সলাই সেউজীয়া হৈ পৰে। শুকান মাটিলৈ ৰস আনে বৰষুণে। শুকান নিজৰাবোৰে বুকু ভৰাই লয় জীৱন-উচ্ছ্বাস। পানী খেতিৰ বাবে দিন গণি থকা নগা চহাবোৰে ছৰবেৰে খোজ পেলায় পথাৰলৈ।

'চিচেমা এম, ই, স্কুলতে ক্লাছ্ ছিক্সতে পঢ়িছিলে মই। বস্তীৰ বহুত ল'ৰা-ছোৱালীবিলাক তাতে পঢ়ে। কাম ভী কৰে, স্কুলভী যায়। নহইলে মানে ঘৰতে কাম কৰিবলে মানু নাই নহয়।'

ঘৰখনত ডাঙৰ বুলিবলৈ আছিল তায়েই। মাকৰ কাম কৰিব পৰা বয়স আছে; কিন্তু বাত বিষ এটাৰ বাবে সততে জঠৰ হৈ পৰিব থাকিবলগীয়া অবস্থা। ইপিনে ৰাতি চকুৰে একো নেদেখে। এবাৰ চকুত কিবা অসুখ হোৱাৰ পিছৰেপৰা বুঢ়ীয়ে ৰাতি নেদেখে। পথাৰলৈ গা ভালে থাকিলে যায়। মন সামৰি বহি থাকিব নোৱাৰে। কামৰ মাজত উপজি, হাতৰ কাম হাততে লৈ মৰি যোৱা অভ্যাস নগা মানুহৰ। সৰু ভনীয়েকজনীও বৰ বেছি কাম কৰিব পৰা বয়সৰ নহয়। তায়ো যায় পথাৰলৈ। ভায়েক ছজন তেনেই সৰু। কাম কৰিব নোৱাৰে।

পানী খেতিৰ সময়ত নগা পাহাৰৰ স্কুল বন্ধ হয়। গৰমৰ বাবে নহয়। পানী খেতিৰ সময়ৰ কামৰ হেঁচা পাতলাবলৈ, গৰু ৰাখিবলৈ। স্কুলমুৱা ল'ৰা-ছোৱালীবোৰে বাট সলাই পথাৰমুৱা হয়। বাৰিষাৰ কিন্‌কিনিয়া বৰষুণৰ মাজেদি উপজি পুৱাতে ঘৰ খালি কৰি পথাৰলৈ বুঢ়া-বুঢ়ী, ডেকা-গাভৰুৰ দলে খোজ পেলায়। দিনটো সিহঁত পথাৰতে থাকিব। ঘৰৰ ওচৰৰে বহল পথাৰ নে কিবা? বস্তীৰপৰা বাৰও লাগে এখন দেশ। বৰষুণৰ

জাকবোৰ মূৰত লৈ এটাৰ পিছত এটাকৈ মূৰত হোৰা লৈ সিহঁত জুগুং গুজুংকৈ গৈ থাকে। হোৰাটোত ভৰাই লয় দিনটোৰ খোৱা-মেলা বস্তুখিনি। পিঠা-মধুৰ লাওটোৰ মুখেদি বৈ আছি লাওটোৰ গাত বৈ পৰে মধুৰ ফেনবোৰ। পোৱা ডেগটোত নগা চাউলৰ ভাত এসোপা। জুইত সেকি নফটাকৈ লোৱা কলপাতৰ টোপোলাত শুকান মাছ, পোৱা মঙহ আৰু শুকান জলকীয়া কিছুমান। এজেবা নিমখ। মাটি চহাবলৈ কেজ্জুখন আৰু সৰু কাপোৰ এটুকুৰা। তুপৰীয়া সেইখিনিকে খায় পথাৰৰ মাজৰ জিৰণি ঘৰটোত। আৱশ্যক মতে জুই জ্বলাবলৈ তাত শুকান খৰিও আছে। বহিবলৈ ফলা কাঠৰ তক্তা আছে। সেই জিৰণি ঘৰতে তুপৰীয়া জিৰায়, ভাত-মধু খায়। সেমেকা বাৰিষাৰ শান্ত পৰিবেশত নীৰৱ পথাৰ মুখৰ কৰি তোলে ছোৱালী-হঁতে। পাঁচ ছয় মাইল বাট মূৰত বৰষুণ আৰু ভৰিত বোকা-পানী লৈ গৈও জিৰাবলৈ সিহঁতৰ সময় নাই। আহোঁতে এবেলা, যাওঁতে এবেলা বাটতে যায়। বাহি সময়খিনি জিৰাই বহি কটালে কেনেকৈ হ'ব! হঠাতে যদি বৰষুণ দিবলৈ এৰে? হৈছে আৰু। আকৌ পাঁচ দিন ধৰি পূজা পাতিব লাগিব। ইপিনে আবতৰীয়া খেতিৰ ধানৰ গোটতকৈ পতান পৰিব বেছি।

ততাতৈয়াকৈ ঘৰটোৰ মাৰলিত আঁৰি নাইবা বৰষুণৰ এচাৰকণি নপৰাকৈ খুঁটাত হোৰাবোৰ আঁউজাই থৈ পথাৰত নামিবলৈ প্ৰস্তুত হৈ পৰে গাভৰুহঁত। হোৰাৰপৰা সৰু কাপোৰ টুকুৰা উলিয়াই মূৰত বান্ধি লৈ কঁকালৰ মেখেলাৰ গাঠিটো ৰচিডালেৰে টানকৈ বান্ধি কেজ্জুখন হাতত লৈ নামি যায় সিহঁত।

পানী খেতিৰ পথাৰ। খলপা-খলপ পথাৰ। পাহাৰৰ এটলীয়াত মৌচাকৰ নিচিনা ঠেক আৰু দীঘল পথাৰবোৰ। পাহাৰৰ পানী ধাৰ ধৰি আহি যাতে সহজে বৈ নামনিলৈ যাব নোৱাৰে তাৰ বাবে শুকান বতৰতে আৰু কোনোবা যুগতে

পাহাৰৰ মানুহবোৰৰ মগজুত খেলাইছিল পানীবোৰ জব্দ কৰি ৰখাৰ বুদ্ধি। এখনৰ পিছত এখনকৈ কাটি উলিওৱা শিল আৰু পচা জাবৰৰ আলি বান্ধি বৰষুণৰ পানীবোৰ নামি যাব নোৱাৰাকৈ সজোৱা পথাৰবোৰ পানী খেতিৰ বাবে। বৰষুণৰ পানীবোৰ সেই পথাৰ ভৰি থাকিলে দূৰৈৰপৰা বৰ ধুনীয়া দেখি। পাতল বতাহে সৃষ্টি কৰা তৰংগমালাত মুকলি বতৰত ৰ'দ পৰি তিৰ্ বিৰণি তোলে।

বুঢ়া-বুঢ়ীহঁত পথাৰ নমাৰ আগতে সিহঁতে কেজ্জু মাৰিবলৈ আৰম্ভ কৰে। কোনেও কৰোপিনে নোচোৱাকৈ ছোৱালীহঁতে পথাৰৰ পানীৰ তলৰ মাটি চহায়—অকমান কেজ্জুখনেৰে। কঁকালৰপৰা ওপৰৰ দেহৰ অংশ আঠুৰ সমানলৈ দাঙি কাবোপিনে কোনেও নোচোৱাকৈ খচ্ খচ্কৈ কেজ্জুখন মাৰি আগবাঢ়ে। দীঘলে দীঘলে এবাৰ, পথালি পথালিকৈ এবাৰ। পেটে পেটে সিহঁতৰ প্ৰতিযোগিতা। কোনে কিমান মাটি চহাব পাৰে। অলপ দূৰৈত ডেকাহঁতে অ' হৈ, অ' হৈ কৰি মাটি চহায়। মাজে মাজে ইজাক গাভৰুলৈ সিহঁতে চাই পঠিয়ায়। ইহঁতৰ চাবৰ অৱকাশ নাই! অলপ নিলগত বুঢ়া-বুঢ়ী জাকে লাহে লাহে পথাৰৰ কাম কৰে।

কিণ কিণ দি থাকি এবা বৰষুণ জাকৰ পিছত চেৰেপা পোকবোৰ পথাৰ ঢাকি পৰে। কটং কটংকৈ সিহঁতে সুবিধা পালেই কামোৰ মাৰে। সিহঁতক খেদিবলৈ বুঢ়া এজনে বতাহ অহা পিনৰ আলি এটাত একুৰা জুই জ্বলায়—পচা খেৰ, কেচা গছ পাত দি। সেই ধোঁৱাবোৰ সিঁচৰতি হৈ পৰে গোটেই পথাৰখনতে।

মুখেৰে নামাতিলেও ছোৱালীহঁতৰ মুখবোৰ ৰঙা পৰি উঠে। তথাপি দমাই ৰাখে। সিহঁতৰ মনৰ জিদ্‌টো দমাই নিজে নিজে হাঁহি দিব খোজে। পেটৰপৰা ওলাই অহা হাঁহিটোৱে সিহঁতৰ

গালে-মুখে সেন্দুৰ গুৰি সানি দিয়ে। হাঁহো নাহাহোঁকৈ সিহঁতে অশেষ কষ্টৰে হাঁহিবোৰ দমাই ৰাখি কাম কৰি যায়। অলপ নিলগৰপৰা ডেকাহঁতে সিহঁতক লক্ষ্য কৰি শুনা নুশুনাকৈ কিবা এটা গীত গায়। সিহঁতৰ ভিতৰতে গুণ্ গুণ্‌কৈ হাঁহে। মূৰ তুলি চায়।

থুকু—কোনোবা এজনীৰ ওঁঠ ফালি অবাধ্য হাঁহিটো তলকিবলৈ নোপাওঁতেই ওলাই আহি গোটেই জাকৰে ওঁঠ চুই যায়। গোটেই জাকে খিল্‌খিল্‌কৈ হাঁহি দিয়ে। নোৱাৰি আৰু নহহাঁকৈ। মৰা মানুহ নে কিবা, নাহাঁহি-নামাতি ইমান সময় থাকিবলৈ? নাহাঁহিলে ভালেই নালাগে। বৰ কিবা কিবা লাগে দেখোন। খন্তেকতে সিহঁতৰ হাত অচল হৈ পৰে। হাঁহিৰ কোবত সিহঁত অস্থিৰ হৈ পৰে। দূৰৈৰপৰা ডেকাহঁতে সিঁয়াৰে! হাতৰ কেঞ্জুবোৰৰ নাল পানীত নপৰিবলৈ ভৰিৰে গচক মাৰি ধৰি সিহঁতে পাৰেমানে হাঁহে আৰু তাৰ পিছতে হয় তৰ্ক-বিতৰ্ক। কোনে আগে হাঁহিলে? তাৰ পৰিণতি আৰু বেছি হাঁহি। হাহোঁতে হাহোঁতে সিহঁতৰ ৰঙচুৱা মুখ মণ্ডল দিগন্তত বুৰ মাৰি লুকাই পৰিব খোজা বেলিটোৰ দৰে হৈ পৰে। হাঁহি আৰু অসংলগ্ন কথাৰ টুকুৰাবোৰে বুঢ়ীহঁতৰ কাণৰ পৰ্দাত কঁপনি তোলে।

'ঐ কি হৈ থাকিছে তহঁতৰ?' হাঁহি হাঁহি কোনোবা এজনী বুঢ়ীয়ে সিহঁতৰ পিনে চাই কয়। বুঢ়ী দলটোৱেও মুখ টিপি হাঁহে। গাভৰু জাকৰ হাঁহিৰ উচ্ছাসৰ কোমল কঁপনিবোৰ তৰংগিত হয়গৈ বুঢ়ীহঁতৰ অন্তৰত। কালে পুৰণি কৰা আৰু স্মৃতিৰ পৰ্দাত চিৰ-নতুন সেই যৌবনৰ এৰি অহা দিনবোৰলৈ সিহঁতবো মনবোৰ পিছুৱাই যায়। বুঢ়ীহঁতে নিজৰ ভিতৰতে 'তাহানিখন'ৰ দিনবোৰৰ কথা উলিয়ায়।

অলপ সময়ৰ বাবে দেখা দিয়া বেলিটো ব'দখিনি সামৰি লৈ আকৌ বহল ক'লা মেঘৰ ভিতৰলৈ সোমাই যায়গৈ। বতাহৰ

কোবে কোবে পশ্চিমবপৰা ক'লা মেঘৰ টুকুৰাবোৰ নীলা আকাশৰ মাজলৈ উৰি উৰি আহে।

···চহি মজ—চন—চহি মজ চন—দিয়লে চহি মজ—অ' হৈ ঐ···গোটেই পথাৰ জুৰি গীতৰ সুৰ ওপঙি যায়। বৰষুণৰ আগৰ কোবাল বতাহ জাকে বহু দূৰলৈ উৰাই নিয়ে সেই বেশ। সমবেত গীতৰ সুৰে সুৰে বুঢ়া-বুঢ়ী, ডেকা-গাভৰু আটাইবোৰে কামত মন দিয়ে। সময়ৰ সৈতে সিহঁতৰ প্ৰতিযোগিতা। জীয়াই থকাৰ সংস্থান নহয়। সম্বলৰ বাবে সিহঁতে সময়ৰ লগত ফেৰ মাৰি পানী খেতিৰ পথাৰত কেজ্জু মাৰে। শ্ৰমৰ অবসাদৰ বাবে হাঁহে, উথনা-উথনি লাগে! গীত গায়। ইটোৱে-সিটোক সিঁয়াৰে। শৰীৰলৈ কৰ্মশক্তি চপাই আনে। চহোৱা পথাৰ গচকি আগবাঢ়ে। সিহঁতৰ পিছ পৰি ৰয় বোকা-পানীবোৰ। ডাৱৰীয়া বতৰৰ দৰেই লেতেৰা প্ৰাণ-দায়ক সেই উৰ্বৰ বোকা-মাটিৰ বুকত সিহঁতে জীয়াই থকাৰ সমল পাব।

কোনোবা পাহাৰত বজ্ৰপাত পৰে। দপ্‌দপীয়া বৰষুণৰ মাজেদি অহা বিজুলীৰ ছাটিয়ে সিহঁতৰ চকুত ছাত মাৰি ধৰে। ঘৰটোৰ ভিতৰত বহি সিহঁতে খাবলৈ লয়। দুপৰীয়াৰ ভাত আৰু মধুখিনি খাই ল'বলৈ সিহঁতে লৰালৰিকৈ পথাৰৰপৰা উঠি আহে ঘৰটোৰ তললৈ। বুঢ়া-বুঢ়ীৰ দলটোৱে পিঠা-মধুৰ লাওটো সততে লগতে ৰাখে। হয় আধা শুকুৱা আলিত গোজা মাৰি বহুৱাই থ'ব, নহলে পিঠিৰ পিনে আঁৰি লোৱা মোণাটোতে সুমুৱাই থ'ব।

বজ্ৰপাতৰ শব্দ অহা দিশলৈ চাই বয়সীয়া বুঢ়ী এজনীয়ে সাধু কথা কোৱাদি কেনেফ্‌ফু গোঁসানীৰ কথা কয়। অবাধ্য ছোৱালীজাকে নিতাল মাৰি শুনে সাধু কথাটো। কেনেফ্‌ফু এজনী গোঁসানী। আকাশত থাকে। কেতিয়াও কোনো কাৰণতে এইজনা গোঁসানীয়ে মানুহৰ অপকাৰ নকৰে নাইবা অহিত নিচিন্তে। বৰং মানুহ জাতিটোৰ কেনেকৈ উন্নতি হয়;

আটাইবোৰ মানুহ সুখে-স্বচ্ছন্দে থাকিব পাৰে, তাৰেহে চিন্তা কৰে। বহু-ত দিনৰ আগৰ কথা।

পৃথিবীৰ মানুহবোৰে তেতিয়াও অস্ত্ৰ আদিৰ ব্যবহাৰ শিকা নাই। খেতি কৰিবলৈ বা ঘৰ বান্ধিবলৈ শিকা দূৰৰ কথা। মানুহবোৰ অগাধ অৰণ্যত ঘূৰি ফুৰে—হাতত নাই এবিধো অস্ত্ৰ। পিছে কেনেফ্ৰু গোসাঁনীয়ে সেনো মানুহ জাতিটোক এখন কুঠাৰ দিলে—যাতে অগাধ অৰণ্যৰ মাজত সিহঁতে কিবা এটা সুবিধা কৰি ল'ব পাৰে। পিছে, দুৰ্বোধ মানুহে সেই কুঠাৰখনৰ ব্যবহাৰ নাজানিলে। মানুহৰ মূৰ্খামি দেখি কেনেফ্ৰু গোঁসানীয়ে বিৰক্তিৰে দিয়া দান তেওঁৰ কুঠাৰখন আকৌ লৈ গুচি গ'ল।

আজিকালি বজ্ৰপাতত সেই শিলৰ কুঠাৰখনকে কেনেফ্ৰু গোঁসানীয়ে পৃথিবীলৈ মাৰি পঠিয়ায়। যদি আবশ্যক আছে—মানুহে এতিয়াও লওক; কিন্তু দেৱতাৰ দান সেই কুঠাৰখন মাটিলৈ নামি অহাৰ পিনে মানুহে চাবই নোৱাৰে, তীব্ৰ পোহৰৰ বাবে। সেয়েই পুনৰ কুঠাৰখন আকাশলৈ গুচি যায়;—পৰা ঠাইখিনিত এটুকুৰা শিল এৰি থৈ।

বাৰিষাৰ শেষৰ পিনে আকৌ বস্তীৰ স্কুল খুলে। খেতিৰ কাম শেষ নহলেও ল'ৰা-ছোৱালীবোৰ স্কুললৈ যায়। নগলেও কোনো কথা নাই। পঢ়ি-শুনি স্কুল পাচ কৰাৰ পিছৰ ভবিষ্যতৰ প্ৰতি নগা মানুহ যিমান সচেতন, বতৰৰ খেতি কৰি তাৰে উৎপাদন ঘৰত সঞ্চয় কৰি বৰ্তমানৰ দিনবোৰ নিশ্চিন্ত মনে কটাই দিয়াৰ প্ৰতি তাতোকৈ বেছি মনোযোগী। সেয়ে স্কুললৈ নগৈ পথাৰত গৰু ৰখা চেমনীয়া ল'ৰা-ছোৱালী নাইবা পথাৰত কাম কৰিব পৰা জীয়েক-পুতেকহঁতৰ কাম-কাজৰ ওপৰত সিহঁতে হস্তক্ষেপ নকৰে। বস্তীৰ মানুহ। খেতি-বাতিত মন নিদিলে আন্ধাৰ ভবিষ্যত। পঢ়া-শুনা কৰি বস্তীৰ মানুহ বস্তীতে থাকি কি লাভটো হ'ব ?

সৰু সৰু ল'ৰাবোৰে স্কুললৈ যোৱা বাটত যুঁজ-বাগৰ কৰে।

হাতেৰে খামোচ মাৰি ধৰি লৈ যোৱা ফলি আৰু কলমাৰি ডাল বনৰ ওপৰতে পেলাই থৈ কিবা এটা সাধাৰণ কথাৰ বাবেই মন নিমিলাত হতা-হতি লাগে। সিহঁতবে কিছুমানে যুঁজাৰু দলক হাততালি আৰু চিঞৰেৰে উৎসাহ দিয়ে। ভাগৰি নপৰালৈকে যুঁজি-বাগৰি হঠাতে যুঁজ বন্ধ কৰি স্কুলকি পৰিব খোজা কাচুটি নাইবা পেণ্টটো এখন হাতেৰে কঁকাললৈ উজাই ধৰি, আনখন হাতৰ পিঠিয়েদি নাকৰপৰা ওলাই আহি ওপৰ ওঁঠত ওলমি থকা শেঙুণবোৰ মোহাৰি সদলবলে স্কুললৈ আগবাঢ়ে।

সৰু ছোৱালীবোৰে আগতে স্কুল পায়গৈ। স্কুলৰ চোতালত নাইবা বাৰাণ্ডাত সিহঁতে ঘিলা খেলে। নহলে সৰু গছৰ ডালত ঘোৰা উঠি তাকে নচুৱায়।

অলপ বয়সীয়া ল'ৰাবোৰে টেঙাৰ বলবোৰ মাষ্টৰ নাহে মানে হাই-উৰুমিৰে লং চুট মাৰি খেলি খেলি পথাৰৰ বনৰ আগ ছিঙে।

সেইখন স্কুললৈ তায়ো যায়। সমনীয়া ছোৱালীবোৰৰ লগত স্কুললৈ গৈ সিহঁতে নেখেলে। হাই-উৰুমি কৰি তোলপাৰো নলগায়। খিৰিকিৰ ওচৰত জাক সমনীয়া ছোৱালীয়েই থিয় দি, সিহঁতৰ ভিতৰতে কিবা কথা পাতে আৰু ইটোৱে-সিটোক জোকাই হাঁহে। মাষ্টৰ নাহে মানে সিহঁতে মাথোন কথাকে পাতে। সেই গল্পৰ যেন শেষ নাই। এজনীয়ে শেষ কৰিলে আন এজনীয়ে হাঁহি হাঁহি আৰম্ভ কৰে।

আজৰি সময়ত ঘৰত কাপোৰ বয়, আবেলি নৈৰপৰা পানী আনে, পানী খেতিৰ বতৰত পথাৰত কাম কৰে আৰু স্কুললৈও যায়। সমনীয়া ছোৱালীৰ লগত হাঁহি-ধেমালি কৰি গীত গায়।

'হলে ভী মই কিবা এক নমুনা আছিলে দেই!' তাই কয়।

'কি নিচিনা আছিলা?' কমলে প্ৰশ্ন কৰিলে। তাই জোৰ কৰি হাঁহিৰ খোজা বাবেই কমলেও হাঁহিছিল। তাই অলপ সময়

জ্বলি থকা লেমটোৰ উজ্বল শিখাটোৰ পিনে চালে। বাহিৰত বোধহয় গাঢ় আন্ধাৰ। ভিতৰৰ পোহৰটো সেয়ে উজ্বল হৈ জ্বলিছে। কমলে তাইৰপৰা উত্তৰ পাবলৈ অপেক্ষা কৰিলে। অহা দিনবোৰৰ মাজত সোমাবলৈ গৈ তাই যেন ভাগৰি পৰিব খুজিছে।

যাৱতীয় আটাইবোৰ কাম কৰিলেও তাইৰ 'নমুনাটো' সঁচাকৈয়ে বেলেগ ধৰণৰেই আছিল। স্কুল ছুটীৰ পিছত ঘৰলৈ আহি আনবোৰ ছোৱালীয়ে যেতিয়া ঘৰত কিবা-কিবি কাম কৰে, তাইৰ ভনীয়েকেও কাম কৰে। তাই কিন্তু বিছনাখনত বহি বহি ভাবে। ওচৰতে পেলাই থোৱা স্কুলীয়া কিতাপ-পত্ৰ সোপা লিৰিকি-বিদাৰি কিবা যেন বিচাৰি উলিয়াব খোজে। কি ভাবে তাই নিজেই ক'ব নোৱাৰে। কি লাগে তাই নিজেই অনুভব কৰিও ভাগৰি পৰে; কিন্তু সেই ভাবনাৰ শেষ নাই। কোনে ক'ব পাৰে তাইক কি লাগে? কোনে জনাই দিব পাৰে তাইৰ তপস্যাৰ হেতু কি?

গোমোঠা মাৰি বহি থকা কোনো নগা ল'ৰা-ছোৱালীৰ অভ্যাস নহয়। স্ফূৰ্ত্তি কৰ। স্ফূৰ্ত্তিৰ মাজেদি হাঁহি-ধেমালিৰ মাজেদি কাম কৰ। কামেই জীৱন। বৰ্তমানেই জীৱন। আমাৰ জীৱনৰ মাজত অতীতৰ স্থান নাই। ভৱিষ্যত বহু দূৰৈত। ভৱিষ্যতৰ কথাৰ ভাবনাৰে অনৰ্থক মানসিক ক্লান্তি অনাৰ কি আৱশ্যক! আমাৰ জীৱনৰ বাবে বাস্তৱৰ ৰূপেই সত্য। বৰ্তমানেই বাস্তৱ। কামৰ মাজেদি জীয়াই থাকা। ভাবনাৰ কি আছে?

ডাঙৰ জীয়েকৰ গহীন হৈ থকা ভাবটো মাকৰ চকুত পৰে। মাকে মনে মনে ভাবে। গহীন হৈ নাইবা মন মাৰি থাকিবৰ কি আছে? কাম কৰিব লাগে, থাকিব লাগে। বিয়া? বিয়াৰ বাবে মন গলেও এনেকৈ সময়ে-অসময়ে মন মাৰি থাকিবৰ কথা নাই নগা সমাজত। আলেঙে আলেঙে মাকে জীয়েকৰ ভাব-গতি লক্ষ্য কৰে। কাকো একো নকয়। তাইকো একো নোসোধে।

মাকে অবশ্যে কেতিয়াবা তাইক নবকা নহয়। অকলে অকলে বুঢ়ীয়ে ভোৰ্ ভোৰায়। আৰু 'দুই তিনি বছৰৰ পিছতে' তাইক বিয়া দি উলিয়াই দিব লাগিব। যদি তাই তাৰো আগতে কাৰবাক পছন্দ কৰিছে—খোলাখুলিকৈ কৈ দিলেই হ'ল। কাম-কাজত মনোযোগ নিদি কিবা আকাশ-পাতাল ভাবি থাকিলে তাই কিটো শিকিব! বস্তীৰ ছোৱালী তাই। বস্তীৰে কোনোবা এজনৰ হাতত ধৰি ( তাইৰ নিজৰ পছন্দ হলেই বা কি ? ) গুলাই যাব লাগিব। এখন সংসাৰৰ সকলো কাম-কাজ নিয়াৰিকৈ চলাই সুখে-সন্তোষে দিন কটাব লাগিব। এতিয়াৰপৰা কাম-কাজৰ প্ৰতি অমনোযোগিতা দেখুৱালে বয়সত কি কৰিব ?

'সেইকিবা এক নমুনা বাবেই জীৱনটোতে একো নহ'ল চিয়াৰ বাবু! একো নহ'ল।' তাই বৰ গভীৰ দুখেৰে হুমুনিয়াহ এটা কাঢ়িলে। এৰি অহা চিচেমা বস্তীৰ সমনীয়া ছোৱালীবোৰৰ কাল্পনিক নিশ্চিন্ত মনৰ সুখৰ সংসাৰৰ সৈতে নিজৰ গ্লানিময় জীৱনটো তুলনা কৰি তাই কান্দো কান্দো হৈ ক'লে। চল্‌চলীয়া চকু দুটা লেমটোৰ পোহৰত তিৰ্ বিৰাই থকা কমলৰ চকুত পৰিল।

তাই ভাবি উলিয়ালে—চিচেমা বস্তীৰ স্কুলৰপৰা কোহিমালৈ আহি পঢ়াৰ কথা। একমাত্ৰ তায়েই হয়তো চিচেমা বস্তীৰ সন্তান—যি এটা বিৰাট কল্পনা কৰিলে প্ৰথমবাৰৰ বাবে। আজিলৈকে সেইখন বস্তীৰ ছোৱালীহে নালাগে এজন ল'ৰায়ো কোহিমাৰ স্কুল দেখা নাই। বুঢ়া-বুঢ়ীৰ যুগত চিচেমাৰ এম, ই স্কুলখনো নাছিল। পঢ়া-শুনা কি আৰু তাৰ শুভা-শুভ ফল কি সেই বিষয়ে বস্তীৰ বুঢ়া-বুঢ়ী নাইবা আদহীয়া অধিবাসীবোৰ অজ্ঞ। তথাপি তাই মনৰপৰা সেই বিৰাট সপোনটো আঁতৰাব নোৱাৰিলে। কোহিমাৰ স্কুললৈ গৈ বহুতো ডাঙৰ ডাঙৰ কিতাপ পঢ়ি বহুতো কথা শিকাৰ হেপাহ এটাই তাইৰ বুকুৰ এটা অংশত বাঁহ বান্ধিলে। তাকেই তাই সময়ে সময়ে গভীৰভাৱে চিন্তা কৰি আনমনা হৈ পৰে। কোহিমাৰ স্কুললৈ গৈ পঢ়াৰ মনটো তাই

পাইছিল। নিজৰ মনে গঢ়া নহয়। মেৰীক এদিন তাই লগ পাইছিল। তায়েই তাইক সুধিছিল পঢ়া-শুনাৰ কথা।

চিচেমাৰ খৃষ্টিয়ান বস্তীৰ কেবাজনো ল'ৰা-ছোৱালী কোহিমাত পঢ়ে। মেৰী তাইৰে সমনীয়া। সকতে তায়ো চিচেমাতে পঢ়িছিল। আজিকালি কোহিমাত পঢ়ে। কিবা এটা বন্ধত ঘৰলৈ অহাত তাই লগ পাই কথা-বতৰা হৈছিল।

'কোহিমাত পঢ়িবা নেকি ?' মেৰীয়ে সুধিছিল। অলপ সময়ৰ বাবে কোহিমা নেদেখা তাই মোহাচ্ছন্নৰ দৰে থিয় দি মেৰীৰ মুখলৈ চাই আছিল। কিবা এটা মন্ত্ৰৰহে বাণী যেন তাই শুনিলে মেৰীৰ মুখৰপৰা। তাই সহজে একো উত্তৰ দিব পৰা নাছিল। মনলৈ আহিছিল বহুতো কল্পনা। কোহিমা নগৰ, কোহিমা হাইস্কুল— আৰু বহুত। পঢ়া সম্পৰ্কীয় কিবা-কিবি কথা কিছুমান সুধিছিল তাই। মেৰীয়ে বুজাই দিছিল। তাই সিদিনা গধুৰ মনেৰে ঘৰলৈ আহিল।

ৰাতি শোওঁতে মেৰীয়ে তাইক কোৱা কথাবোৰ মনত পৰে—

বুজিছ জাচমী, কোহিমা তইতো দেখা নাই ? ধুনীয়া ঠাই। স্কুললৈ বহুত ল'ৰা-ছোৱালী যায়। বেলেগ বেলেগ বস্তীৰ ল'ৰা-ছোৱালী তাত ঘৰ কৰি থাকে। মন কৰিলে ব'ৰ্ডিঙতো থাকিব পাৰ।

ব'ৰ্ডিং বস্তুটো কি নুবুজি তাই তাইৰ পিনে লাজকৈ চাইছিল। ৰাতি অকলে অকলে মনত পৰাত তাইৰ লাজ লাগিল। একেলগে পঢ়া ছোৱালী মেৰী। তাই আজিকালি কিমান কথা জানে, কিমান ডাঙৰ ডাঙৰ কিতাপ পঢ়িব পাৰে!

কোহিমা নগৰত দোকান আছে। বজাৰ আছে। পইচা দিলে যিহকে মন যায় তাকেই কিনিব পাৰি।

তাইৰ ভাবিবলৈ মন নাযায়। ভৰা মাত্ৰেই মনটোলৈ বিৰক্তি নামি আহে—ঘৰখনৰ প্ৰতি, বস্তীখনৰ প্ৰতি। সামৰ্থ

থাকিলে তাই এই মুহূৰ্ত্ততেই চিচেমাৰপৰা কোহিমালৈ গুচি গ'লহেঁতেন। তাই ভাবি ভাবি টোপনি যায়।

বাৰিষাৰ আগে আগে বস্তীৰ নগা মানুহবোৰ কোহিমালৈ নিমখ কিনিবলৈ যায়। নিমখৰ উপৰিও অত্যন্ত প্ৰয়োজনীয় দুই এটা বস্তু কিনি আনিবলৈ। লাগ বুলিলেই ইমান দূৰৰ ঠাইলৈ কোনো যাব নোৱাৰে। নিমখখিনিৰ এবাৰ নোৱাৰা প্ৰয়োজন। বাৰিষা হাতৰ কাম পেলাই যাবলৈ অসুবিধাও আছে। নিমখ কিনিবলৈ তাইৰ বাপেকো গৈছিল কোহিমালৈ। লগতে আহিছিল সৰু ভনীয়েকজনী। বস্তীৰ চেমনীয়া ল'ৰা-ছোৱালীবোৰৰ নগৰ চোৱাৰ হেপাহ পলুৱাবলৈ বাপেকহঁতে নগৰলৈ আহিলে লৈ আহে।

তাইৰ ভনীয়েকেও কোহিমাৰপৰা ঘূৰি গৈ বায়েকৰ ওচৰত শুই শুই বহুতো ৰাতিলৈ আচৰিত নগৰ কোহিমাখনৰ বৰ্ণনা দিছিল। বাপেকে কিনি দিয়া ৰঙা ব্লাউজটোৰ নিচিনা লেখি শেষ কৰিব নোৱাৰা ব্লাউজ আৰু ৰঙ্ চঙীয়া কাপোৰ থকা দোকানবোৰ আলিবাটৰ দুয়োকাষে শাৰী শাৰীকৈ সজোৱা। বাটবোৰ কিবা চিচেমাৰ ধূলিময় বাটবোৰৰ নিচিনানে? অলপো ধূলি নাই। ক'লা ক'লা বাটবোৰ বৰ মিহি। খোজ কাঢ়ি থাকিবৰহে মন যায়। আৰু মানুহ জানো দুজন এজনহে? অহা আহিছে—যোৱা গৈছে। দোকানত ইটো সিটো কিনিছে, হাঁহিছে মাতিছে। চামে চামে মানুহ। স্কুললৈ অহা-যোৱা ছোৱালীবোৰ যে? ধুনীয়া ধুনীয়া কাপোৰ পিন্ধি, জোতা পিন্ধি শাৰী পাতি পাতি আলিবাটেদি যায়গৈ। আকৌ মটৰ গাড়ীবোৰ? তাৰ ভিতৰত মানুহ বহি হাঁহি হাঁহি কথা পাতি সাউৎ কৰে গুচি যায়।

'ই-ছ কোহিমাতহে থাকিবৰ মন যায়।' সৰু ভনীয়েকজনীয়ে কোহিমাৰ কথা বৰ্ণাবলৈ ভাষা বিচাৰি নাপায়। তাই ৰ লাগি শুনে। কথা কৈ কৈ ভনীয়েক টোপনি যায়। তাই আন্ধাৰৰ মাজতে চকু মেলি কোহিমাৰ কল্পনা কৰে। সেই কল্পনাৰ মাজেদি তাই সিদ্ধান্ত কৰে—মই কোহিমালৈ যামেই।

অস্থিৰ মনেৰে তাই বিছনাখনত বাগৰ সলায়। টোপনি আঁতৰি গৈছে। টোপনিত লালকাল সৰু ভনীয়েকক তাই সাবটি ধৰি টোপনি যাবলৈ চেষ্টা কৰে।

ডিজ্‌জু, মানে জানুৱাৰী মাহত নগা পাহাৰত প্ৰায় বৰষুণ নহয়েই। দিনটোৰ আগ ভাগত মিঠা ৰ'দ। শেষৰ পিনে ডাৱৰীয়া আৰু পাতল বতাহ। ৰাতি বেচ জাৰ। পুৱতি নিশাৰ কুঁৱলী-বোৰৰ কিছুমান বন আৰু গছ-গছনিত টোপাল বান্ধি ওলমি থাকে। ৰাতিপুৱাৰ ডাঠ কুঁৱলীবোৰ দুবৰিৰ গছ-গছনিবোৰৰ গাত আঁউজি বন্দী হৈ ৰয়। ৰাতিপুৱাৰ পৰিবেশটো বৰ শান্ত আৰু স্নিগ্ধ। ৰ'দ উঠি অহাৰ লগে লগে সেউজীয়া পাতৰ সুমথিৰা গছ-বোৰৰ পাতৰপৰা নিযৰৰ কণিকাবোৰ টুপুৰ্ টুপুৰকৈ কুকুৰাবোৰে খুচৰি খুচৰি বন নোহোৱা কৰি পেলোৱা ক'লা মাটিবোৰৰ বুকুলৈ সৰি পৰে। গজিবলৈ ধৰা কোমল পাখিৰ কুকুৰাৰ পোৱালী-বোৰৰ গাত নিয়ৰৰ টোপাল পৰিলে উচপ্ খাই জাকি মাৰি কেউপিনে দৌৰ ধৰে আৰু মাকে ডেউকা জোকাৰি জোকাৰি নিৰ্ভয় দেখুৱাই অশেষ যত্নেৰে সিহঁতক সাবটি ধৰে। একে ঠাইতে খাপ লৈ থাকিব নোৱাৰা গাহৰিৰ অশিষ্ট পোৱালীবোৰ কুঁৱলীৰ মাজে মাজে ইপিনে সিপিনে দৌৰি ফুৰে। ঠাণ্ডাৰ মাজত মিঠা ৰ'দৰ অপেক্ষাত তল মূৰ কৰি চকু মুদি গৰুবোৰে থিয় দি ঘাঁহ পাগুলে।

ওলাই অহা ৰাতিপুৱাৰ ৰ'দ জাকক কেতিয়াবা বতাহে হিংসা কৰে। বগা মেঘৰ টুকুৰাবোৰ আকাশৰ মাজলৈ টানি আনি চাৰিওপিনে সিঁচৰতি কৰি ৰ'দৰ তেজ ম্লান কৰি বং চায়। বগা মেঘবোৰে অস্থিৰ মনেৰে ইপিনে সিপিনে ঘূৰি ঘূৰি বেলিটোক লুকাই ৰাখি ধেমালি কৰে।

বস্তীৰ মানুহবোৰ হাবিলৈ যায় খৰি বিচাৰি। জাৰ কালিৰ জাৰ-বতাহ আৰু ৰাৰিষাৰ বৰষুণক সংকোচ কৰি থাকিবলৈ কোনো দিনে নিশিকা বস্তীৰ মানুহবোৰ কুঁৱলীৰ মাজেদি হাবিৰ মাজত

সোমাই গছত কুঠাৰ মাৰে। তিৰোতাবাৰে মূৰত হোৱাটো লৈ শুকান গছৰ মূঢ়া আৰু গছৰপৰা সৰি পৰা শুকান ডালবোৰ বুটলি লয়গৈ। বাতি জুইৰ গুৰিত বহিবলৈ তেতিয়াহে পাৰিব।

তেনেকুৱা জানুৱাৰী মাহৰে এটা সন্ধিয়া। তাই ঠিক কৰি ললে—আজিয়ে তাই মাক-বাপেকৰ কাণত পেলাব তাইৰ মনৰ কথাবোৰ। মানে, কোহিমাৰ স্কুললৈ পঢ়িবলৈ যোৱাৰ ইচ্ছাৰ কথা।

'মোতপৰা মোৰ সৰু বইনীটো আছিল বেছি চালাক, বুজিছে? তাইৰ কথাতহে মা আৰু বাবাটুৱে মোকে কোহিমাতে আহি কেনে স্কুল পঢ়িবলে দিছিলে।'

তাইৰ মুখখন যেন অলপ ৰঙা পৰিল। তাইতকৈ সৰু ভনীয়েক জনীৰ বাক্-নিপুণতাৰ কথা ক'বলৈ গৈয়েই হয়তো তাই নিজৰ অজ্ঞতাৰ বাবে লাজ কৰিছে।

'সৰু হলেও তেনেকুৱা থাকে কিছুমান ল'ৰা-ছোৱালী। কথাৰ পাকত বয়সীয়ালবোৰো জব্দ হয়।' তাইৰ মনৰ ভাবটো বুজিব পৰাদি কমলে লাহেকৈ ক'লে যাতে তাই তাইৰ কথাবোৰ প্ৰকাশ কৰাত উজুটি নাখায়।

'কিন্তু দুখ লাগে চিয়াৰ বাবু, তায়ে মোক কোহিমা আহি কেনে পঢ়িবলে জোৰ দিলে আৰু তাই নিমিত্তেই ভী নোৱাৰিলো। খৰ খৰকৈ উশাহ টানি টানি তাই কথাখিনি খুব সহজ হ'বলৈ চেষ্টা কৰি কৈছিল। শেষ কৰি তাই এবাৰ কমলৰ মুখৰ পিনে চাই তাৰ ভৰিৰ পিনে চাই ৰ'ল।

'কেনেকৈ ?' কমল আচৰিত হৈ গ'ল। সি অলপ টানকৈ প্ৰশ্ন কৰিলে। নিজেই ৰ্কিব নোৱাৰিলে তাৰ উত্তেজনা। অথচ ছোৱালীজনী যথেষ্ট শান্ত।

'মোৰ নচিবৰ বাবেহে হবলা!' তাই হাঁহিলে—ম্লান হাঁহি। সেই হাঁহিয়ে বৈ আনিছিল তাইৰ বুকুৰ গভীৰ দুখ-বেদনাৰ বাতৰি। দুমুনিয়াহৰ পৰিবৰ্তে মাৰিব খোজা হাঁহিটোৰ বাবে তাই যে নিজকে যথেষ্ট সংযত কৰি ৰাখিবলগীয়া হৈছে কমলে বুজি পালে।

সিদিনা সন্ধিয়াও সিহঁতৰ ঘৰৰ মজিয়াত অলা জুই কুৰাৰ চাৰিওপিনে আটাইবোৰ বহি আছিল। অলপ আগতে ৰান্ধি শেষ কৰা ভাত আৰু কিবা-কিবি শাকৰ পাতেৰে সিজোৰা আঞ্জাৰ কেৰাহিটো তাইৰ মাকে ওচৰতে লৈ কুফিবোৰত ভাত সজাইছিল। সন্ধিয়াৰ লগে লগে জুইৰ পোহৰত বহি বহি ৰাতিৰ সাজ ভাত খাই লয় নগা ৰাইজে। তাৰ পিছত হয়তো ভালেমান ৰাতিলৈ জুইৰ দাঁতিত বহি বহি নানান ৰকমৰ কথা-বতৰাৰ মৰণা মাৰি বহি থাকে। কথাৰ মাজতে তিৰোতাবোৰে কপাহৰ জোলাৰপৰা টাকুৰীত সূতা কাটে। মাজে মাজে মধু পিয়ে।

ভাত খাই উঠাৰ পিছত গাওঁ বুঢ়াৰ ঘৰত কেতিয়াবা কেতিয়াবা আদহীয়া বয়সৰ মতাবোৰে আড্ডা জমায়। গাওঁ বুঢ়াৰ চ'ৰা ঘৰৰ নিচিনা আহল-বহল ঘৰ একোটা থাকে। তাৰে মাজতে এটা জুই ধৰা গাঁত। জুয়ে পোৰা ৰঙা মাটিৰ অলপ দূৰত দাৰে চাঁচি ওপৰ-খনত বহিব পৰাকৈ সমান কৰা দীঘল দীঘল কাঠৰ টুকুৰা বেঞ্চৰ নিচিনাকৈ পতা আৰু কেইটামান সৰু গছৰ মূঢ়া। ধুনীয়াকৈ বহিব পৰাকৈ কাটি নিমজ কৰি ৰখা। গাওঁবুঢ়াৰ ঘৰতেই সাধাৰণতে একেলগে বহুতো মানুহ বহিব পৰা এনেকুৱা চ'ৰা ঘৰ আৰু কাঠৰ বেঞ্চ। কাৰণ বস্তীৰ কিবা মেল-সমাজ বহিব লাগিলে গাওঁ বুঢ়াৰ এই ঘৰটোৱেই একমাত্ৰ নিৰ্বাচিত স্থান। গাঁৱৰ মানুহে সমূহীয়া ভাবে সহায় কৰে এই ঘৰটো সজাৰ সময়ত। মেৰামতিৰ সময়তো বিনা দ্বিধাই গাঁৱৰ ডেকাদল আগবাঢ়ি আহে।

ভলুকা বাঁহৰ আটৈ সেৰো চুঙাবোৰ হ'ল বস্তীৰ মানুহৰ মধু খোৱা পাত্ৰ। বাহঁৰ পাবৰোৰ কাটি ওপৰ খনৰপৰা ভালকৈ পিঠিবোৰ তুলি মিহিকৈ চিকুণাই পাতল কৰি লোৱা টেঁহিৰ তলৰ গাঠিৰ পিনে এটা আৰু মূৰৰ পিনে এটা সৰু বিন্ধা কৰি বেতৰ ৰচি এডাল ধুনীয়াকৈ লগাই দিয়া। ৰচিত ধৰি একেলগে কেবাটাও টেঁহি ইপিনে সিপিনে নিয়াত নাইবা যেৰৰ খুটাত আঁওজাই থ'বৰ বাবে সুবিধা। গাওঁ বুঢ়াই ৰাতি ফুৰিবলৈ

অহা বন্ধু-বান্ধৱ দলক তাতে একো টৈছি পিঠামধু দি আলহী সোধে। কাঠৰ তিনি ঠেঙীয়া কুফি এথনত সমূহীয়াকৈ দিয়া এসোপা চাট্‌নি। মধুৰ প্ৰিয় সংগী। নগা দালি, পিঁয়াজ, নহৰু, নগা ধনীয়াৰ পাত, নিমখ আৰু সৰহীয়াকৈ জলকীয়া বাতি কৰা চাটনিখন নগা মানুহৰ বৰ প্ৰিয়। অলপমান চাট্‌নি পালে ভাতকেইটা সুদাই সুদাই খোৱাতো বাধা নাই। মধুৰ লগত এনেকুৱা চাট্‌নি থাকিলে খাওঁতে বেচ জমে।

জুই কুৰা মাজত লৈ লানি নিছিগা কথাৰ গল্প-গুজবৰ মাজেদি তেওঁলোক বহুতো ৰাতিলৈ তাতে বহি থাকে। সুখৰ-দুখৰ কথা আৰু ডেকা কালৰ সোঁৱৰণী ভৰা অতীতৰ দিনবিলাকৰ মাজৰ-পৰা বীৰত্ব পূৰ্ণ আৰু ৰোমাঞ্চ সনা কথাবোৰ ঠাণ্ডা দিনৰ জুইৰ উম আৰু মধুৰ পাতল আমেজত .পোনা-আপুনি ওলাই আহে একোজনৰ মুখৰপৰা। হাঁহিৰ গিৰ্জনিত গাওঁ বুঢ়াৰ ঘৰ খাতিৰ নীৰৱতাৰ মাজত সজীৱ হৈ পৰে।

ৰাতি হৈ অহাৰ লগে লগে জুইৰ তাপ, মধুৰ গোলাপী নিচা আৰু দিনটোৰ হাড় ভগা শ্ৰমৰ ক্লান্তিয়ে সিবিলাকৰ চকুলৈ ক্লান্তি নমাই আনে। বহি থকা ঠাইত চকুবোৰ টোপনিয়ে টানে।

তাইৰ বাপেকে ভাতৰ কুফিখন বাওঁহাতেৰে দাঙি ধৰি লাহে লাহে খাবলৈ আৰম্ভ কৰিছিল। সৰু সৰু ল'ৰা দুজনে একান্ত মনে ভাত খোৱাত লাগিছিল। তাই বহি আছিল গম্ভীৰ হৈ খুটা এটাত আঁউজি। কোনেও বিশেষ কথা-বতৰা একো পতা নাছিল।

'সেই দিনা ৰাতিতে মই মা-বাবাকে কোৱা কথাৰ নমুনাটু মোৰ ইতিয়াভো মনত আছে।' তাই ক'লে। তাইৰ মনত পৰে সিদিনা সন্ধিয়াৰ সেই ভাগ্য-অনুসন্ধানৰ বাবে বস্তীৰ মানুহক চমক খুৱাই কৰা প্ৰস্তাবৰ প্ৰতিক্ৰিয়াৰ কথাবোৰ।

মই অহা মাহত কোহিমা স্কুলত গৈ নাম লগাম। ইয়াত পঢ়িবলৈ মন নাই।

তাই কাৰো পিনে নাচাই জুই কুৰাৰ পিনে চাই অথচ

মাক-বাপেক দুয়োৰে শুনাকৈ ক'লে। ভনীয়েক তেতিয়াও বাহিৰতে। ভনীয়েক নথকাত তাই ভালেই পাইছিল, কাৰণ বায়েক যোৱা শুনি যদি ভনীয়েকো যাবলৈ ওলায় ?

আগ্ৰহেৰে ভাত চোবাই চোবাই খাই থকাৰ মাজতে দাঁতৰ চেপাত শিলগুটি সোমালে আগ্ৰহত বাধা জন্মা দি কথাষাৰ শুনি তাইৰ মাকৰো চকু থিয় হ'ল। মুখৰ ওপৰত ধৰি থকা কুকিখন থেকেচা মাৰি মাটিত থৈ জীয়েকৰ পিনে চালে। বাপেকেও একো সুবুদ্ধি মুজুৰা লগা চকু দুটাৰে তাইৰ পিনে চালে। তাই নিশ্চলভাবে বহি থাকিল। ভায়েক দুজনৰ একোৰে খবৰ নাই। বুঢ়াই পুৰি পুৰি মুৰত অওঠা বন্ধা ডাঙৰ খৰি ডালৰপৰা ধোঁৱা ওলোৱা দেখি অওঠাকেইটা গোজা মাৰি ভাঙি কাঠডাল জুইলৈ বঢ়াই দিলে। বগা ছাই কিছুমান ধোঁৱাৰ লগত পাক খাই খাই ওপৰলৈ উৰি গ'ল। জুহালৰ ওপৰত ধোঁৱা লাগি টান হ'বলৈ আঁৰি থোৱা নতুন হোৰাকেইটা পাতল বতাহত মৃদু মৃদু লৰিছে। অলপ সময় কাৰো মুখত কথা নাই।

আমাৰ বস্তীৰপৰা কোনো ল'ৰা-ছোৱালী বাহিৰলৈ গৈ পঢ়া নাই। বাপেকে ক'লে। সিখন বস্তীৰ মেৰীহঁত বহুতো আছে। তাই তপৰাই ক'লে।

সিহঁত আটাইবোৰ খৃষ্টান। মাকে খঙেৰে ক'লে।

মানুহ নহয় নেকি ? তাইৰ প্ৰশ্ন।

অলপ সময় বাপেকে নামাতি জুই কুৰাৰ পিনে চালে। তাই জানে—বাপেকক তাই সৈমান কৰাব পাৰিব। অৱশ্যে বাপেক আৰু মাকৰ কোনো এজনেই বুজি নাপায়। কোহিমাত গৈ তাই কি শিকিব, কি পঢ়িব অনুমান কৰিব নোৱাৰে। মাকৰ কথাত তাইৰ খং উঠিল। এক ৰকম খঙেৰেই উত্তৰ নিদি প্ৰশ্ন কৰিলে। তাই মনতে কল্পনা কৰিছিল—যিদিনা তাই তাইৰ মাক-বাপেকৰ কাণত কোহিমালৈ যোৱাৰ কথাটো পেলাব, সিদিনাই ঘৰখনৰ পৰিবেশটো শ্ৰীহীন হৈ পৰিব। ঠিক সেয়ে হ'ল।

পঢ়ি কি হ'ব, আমি বস্তীৰ মানুহ ? বস্তীৰ মানুহ বস্তীতে দিন কটাব লাগিব। তোৰ মগজে কি বিচাৰি পায় ক'ব নোৱাৰো। খৃষ্টিয়ান বস্তীৰ সেই কেইজনীৰ পালত পৰিছ হ'বলা। মাকে গহীন হৈ খং আৰু বিৰক্তিৰে বকনিৰ সুৰত ক'লে। তাই মাকৰ মুখৰ পিনে চালে। বাপেকে ভাতৰ কুঁহীখন মজিয়াত থৈ ভাবি উলিয়াব নোৱাৰা কথা এটা যেন গভীৰ মনে চিন্তা কৰিছে। মাকে পট পটকৈ প্ৰতিবাদ কৰাতকৈ বাপেকে তাইক নোসোধে কিয়— কি সুধিবৰ মন ? বুঢ়াই কোহিমা একাধিকবাৰ দেখিছেও। মাকে কিটো দেখিছে ?

মাকৰ জীৱনটো চিচেমা বস্তীৰ চাৰি সীমা আৰু খেতিৰ পথাৰৰ মাজতেই গ'ল। আৰুনো কেইটা দিন ? জীৱনৰ এটা দিনো বস্তীখনৰ বাহিৰ ওলাই নাপালে। বাহিৰৰ পৃথিবীখনৰ ভূ নাপায়। পঢ়া-শুনাৰ পিছত কি হ'ব পাৰি, কি কৰিব পাৰি কল্পনা কৰিব নোৱাৰে। কিন্তু তায়ো সিহঁতৰ পন্থাকে অবলম্বন কৰিব লাগে নেকি ? বস্তীত উপজি বস্তীতে মৰি যাব লাগে নেকি ? তাই মনতে ভাবিলে।

মই যেনে তেনে যাম কোহিমালৈ। তাতে পঢ়িমগৈ। তাই দৃঢ়ভাবে বাপেকৰ পিনে চালে।

টকা লাগিব নহয়। চিন্তিত মনে বাপেকে কলে। ক'ৰবাৰ পৰা দৌৰি দৌৰি সৰু ভনীয়েকজনী আহি চোতালত থুথুৰাই মুখখন হাতেৰে মচি মচি সোমাল। একে কোবে তাই বায়েকৰ গাত ধৰি ওচৰতে বহিল। আনদিনা বাহিৰত ঘূৰি ফুৰি ৰাতিকৈ সোমালে মাকে নাইবা বায়েকে মৰম মিহলি ধমকিৰে সোধে ইমান ৰাতিলৈকে কতনো ঘূৰি ফুৰ অ'ই ? সেই দিনা কোনেও তাইক নামাতিলে। বহিয়েই তাই আটাইৰে মুখলৈ চালে।

'ভাত চিলেটামে ?' ভাত খালি নেকি ? বায়েকক সুধিলে।

মা—। নাই খোৱা। মুখ এচাৰ মাৰি বায়েকে ক'লে। তাই

আচৰিত হৈ গ'ল। আন দিনা ভাত খোৱাৰ সময়ত জুহাল গুৰিত কথাৰ অন্ত নাই। সৰু ভায়েক দুজনো চুপ্‌চাপ্‌ বহি আছে শান্ত-শিষ্ট হৈ।

টকা বেছি নালাগে। ঘৰৰপৰা চাউল নিলে হ'ব। তাৰ উপৰি পোন্ধৰ টকা মান হলেই চলিব পৰা যাব। তাই যেন বৰ সকাহ পালে বাপেকৰ কথাত।

মেৰীয়েতো যেনেকৈহে কৈছে! সিহঁতেও ঘৰৰপৰা চাউল নিয়ে। নিজে ভাত ৰান্ধি খায়। টকা খুব বেছি পোন্ধৰটা হলেই চলিব পাৰি। সিহঁত চলেও।

কিহৰ অ'? সৰু ভনীয়কে বায়েকৰ মুখৰ পিনে চালে।

সেই ডাঙৰ জানো আলুই ধৰেনে কচুৰে ক'ব নোৱাৰো। কোহিমাত গৈ পঢ়ে নে মৰে গৈয়েই! ইমান বছৰ বস্তীত থাকিলো, কোনো ল'ৰা-ছোৱালীকে নেদেখিলো কোহিমাত পঢ়াৰ বাবে মন মেলা। তোৰ বায়েৰে বস্তীৰ খেতিৰ কাম নকৰি যাবলৈ ওলাইছে কোহিমালৈ। নোহোৱা নোপজা কথা মাথোন! টকাই বুকুত কামুৰিছে নে উকহে খাইছে অ'? মাকে আকৌ বকিবলৈ আৰম্ভ কৰিলে।

তই কোহিমাত পঢ়িবি বাইদেউ? কিমান ভাল হ'ব তেতিয়া? তই তাত থাকিলে ময়ো মাজে মাজে যাব পাৰিম। তোক মই চাউল, কণী আৰু নতুনকৈ জগোৱা কুকুৰা পোৱালীবোৰ ডাঙৰ হলে দি আহিমগৈ। কেতিয়া যাবি বাইদেউ? সৰু ভনীয়েকৰ উলাহত তত নোহোৱা হ'ল। ঘৰখনৰ গোমোঠা পৰিবেশটো তাইৰ সৰ সৰীয়া কথাবোৰত যেন অলপ পাতল হ'ল।

তাই ভনীয়েকৰ পিনে নীৰৱে চাই ৰ'ল। বাপেকে কি কয় সেইটোহে প্ৰধান। বাপেকে ওঁ বুলিলে মাকৰ মুখ এনেয়ে বন্ধ হ'ব। হয়তো পিছত বকিব। বকক। তাতেনো কি আহে যায়!

এইজনীৰ অন্তপালিখন চোৱা! সোদৰৰ ভনীয়েকক ৰোৰোচাত লৈ যেন উৰাকে মাৰিব। ইপিনে ঘৰৰ অৱস্থা

ঠন্ ঠন্। গাওঁ বুঢ়াহঁতে বা কি কয়! মাকে এইবাৰ সৰু জীয়েকক বকিবলৈ আৰম্ভ কৰিলে। আৰু কিবা ক'ব খোজোতেই সৰু ভনীয়েকে মাকৰ মুখৰ কথা কাঢ়ি নি ক'লে—

ঘৰৰ ঠন্ ঠনীয়া অৱস্থাৰ বাবেনো কোনে কেইসাজ লঘোণে আছে? খেতিৰ চাউলেৰে ভাত খাইছো, আলহী সুধিছো, মধু কৰি নিজে খাইছো, আলহী সুধিছো, ঘৰত পোহা কুকুৰা আৰু গাহৰীকে মাৰি চেক্ৰেনী পূজা কৰিছো। ঘৰখনতনো কিটো নাই? মাকৰ কথাতকৈও তাই বেছি চৰাকৈ ক'বলৈ আৰম্ভ কৰিলে।

তাইৰ পেটে পেটে ভনীয়েকলৈ বৰ মৰম লাগিল। তাই প্ৰায়েই সৰুজনীক খঙকে কৰিছে ইমান দিনে। তাই কিবা ভাবি মনে মনে বহি থাকিলেও সৰু ভনীয়েকে টাকুৰি ঘূৰাদি ইটো সিটো কামত ঘূৰি ফুৰে। গান গাই চিঞৰি-বাখৰি হুলস্থূল লগায়। অকমানি ছোৱালীজনীৰ নিচিনাকৈ সৰু ভায়েক দুজনৰ লগত ধূলি-বালিত খেলে, আকৌ সিহঁতৰে লগত কাজিয়া কৰি চৰ মাৰি কন্দুৱাই তোৰাত কলহটো লৈ পানী আনিবলৈ হাঁহি দৌৰ মাৰে। সৰুজনী ছোৱালীৰ লগত তাইক তুলনা কৰি মাকে তাইক গালি পাৰে। তাইৰ বেছিকৈ খং উঠে ভনীয়েকৰ ওপৰত। পেটে পেটে খুব বেয়া পায় ভনীয়েকক। কিন্তু সেইদিনা তাইক কোচত লৈ মৰম কৰি চুমা এটা এটা খাবলৈ মন গ'ল তাইৰ। ভনীয়েকৰ চাদৰখনৰ দহিবোৰ তাই পিটিকি পিটিকি জুইকুৰাৰ পিনে চালে।

তই জানো বায়েৰ গলে পথাৰত কাম কৰিব পাৰিবি আনি? বাপেকে সুধিলে। কেলেই নোৱাৰিম? সদায় সৰু হৈয়ে থাকিম নেকি? আনি, মানে সৰু ভনীয়েকে তপৰাই ক'লে। মেৰীয়ে কৈছে, তাতো বোলে পানী খেতিৰ সময়ত স্কুল বন্ধ দিয়ে। তেতিয়া মই ঘৰলৈ আহি কাম কৰিব পাৰিম। তায়ো সঁহাৰি জনালে।

কৰ যি মন যায় তাকে। বয়স হৈ আহিছে—দুটা বা এটা বছৰ পিছতে হেনেও উলিয়াই দিব লাগিব কাৰোবাৰ ঘৰলৈ। ঘৰজা-

কাম-বন শিকক চাবি এতিয়া ওলাই যাবলৈ ওলাইছে বস্তীৰ চাৰি সীমাৰপৰা। এইবাৰ মাকৰ কথাত বিৰক্তি নাইবা খং একো নাই। কল্পনাৰ সীমাৰ বাহিৰৰ কিবা এটা কাৰণত বুকুৰ মৰম দি বস্তীৰ বেৰৰ মাজতে ডাঙৰ-দীঘল কৰা ডাঙৰ জীয়েকক যেন চিৰদিনলৈ বিদায় দিবলগীয়া হৈছে মাতৃ স্নেহৰপৰা—লোকৰ ঘৰ এখনলৈ; এখন নতুন সংসাৰৰ ভাৰ দি নহয়, সুখ আৰু আশাৰ মাজলৈ নহয়, অজানিত কিবা এটাৰ মাজলৈ। সেই কিবা এটাৰ স্থিতিৰূপ বুঢ়ীয়ে কল্পনা কৰি ল'ব নোৱাৰে। সেয়ে মাকৰ কথাত কৰুণতা।

কৈছো নহয় আই, বন্ধবোৰত মই ঘূৰি আহিম। খেতি কৰিম। স্কুল নোখোলালৈকে ঘৰত থাকি যাম। মই যোৱা দেখিলে আমাৰ বস্তীৰপৰা আকৌ—

'হলেভী!' তাই মাকৰ কথাবোৰ শুনি শান্ত মনেৰে মাকক বুজাইছিল। মাকে তাইৰ মুখৰপৰা কথা কাঢ়ি আনি হুমুনিয়াহ এটা পেলাই খুটাটোত আঁউজি ভৰি দুখন অবশ মনেৰে সন্মুখলৈ মেলি দি মনে মনে ৰ'ল।

অকল তাইৰ মাকেই নহয়, বাপেকৰো মনত চিন্তা নোসোমোৱা নহয়। কম কথা কোৱা স্বভাবৰ বাবেই হয়তো বাপেক মনে মনে বহি আছে। ভবিষ্যত ভাবিব নোৱাৰা নগা চহা পৰিয়ালটোত তাইৰ ব্যতিক্ৰম কথাবোৰে ভবিষ্যত ভাবিবলৈ বাধ্য কৰালে। হৈ যোৱা অতীত আৰু আহিব ধৰা অনাগত ভবিষ্যতৰ কথা ভাবি মূৰ নঘমোৱাকৈ দিন কটাব পৰাটোৱেই এওঁলোকৰ সৰল জীবনৰ বৈশিষ্ট্য। যিটো হৈ গ'ল গ'ল আৰু যি হ'বলগীয়া আছে হ'বই। তাক ভাবি লাভ কি? বৰ্তমানৰ বুকুত মূৰ গুজি কামৰ মাজেদি দিনৰ পিছত দিন কটাব পাৰে বাবেই নগা চহাৰ অন্তৰত অফুৰন্ত উৎসাহৰ ভৰাল। সতি-সন্ততিৰ ভবিষ্যত? চৰাই পোৱালীয়েও সৰুতে উৰিবলৈ শিকাৰ সময়ত অ'ত পৰি, ত'ত পৰি উৰিবলৈ শিকে। মাক-বাপেকে বোকোচা বান্ধি উৰুৱাই নৈ নুফুৰে।

ঈশ্বৰে কাম কৰি খাবলৈ হাত-ভৰি দিছে। মাক-বাপেৰক অনুকৰণ কৰিবলৈ বুদ্ধি দিছে। তেন্তে ?

সংসাৰধৰ্মৰ চাবি চুকৰ এচুক নেদেখাৱৈয়ে মাক বুঢ়ী হ'ল। অকল মাকেই কিয় বস্তীৰ সৰহখিনি মতা-তিৰোতায়েই। চামে চামে বাঢ়ি অহা ল'ৰা-ছোৱালীবোৰো হয়তো এনেকৈয়ে বুঢ়া হ'ব এদিন। ইহঁতে মাথোন জীৱনটোৰ সত্যতা বুজিলে—কামৰ মাজেদি জীয়াই থকা। ঘৰ এখন আছে, ঘৰত আছে কেইটামান ল'ৰা-ছোৱালী, এগৰাল কুকুৰা, এপাল গাহৰী আৰু কেইটামান ঘৰ নচপা গৰু। পথাৰখনত কৰা খেতিৰ ধান। পথাৰ আৰু ঘৰ। ঘৰ আৰু পথাৰ। দুয়োটাৰ মাজৰ নিৰবচ্ছিন্ন সম্পৰ্কটো এৰি এটা এটাকৈ এটাকো কোনেও ভাবিব নোৱাৰে। নোৱাৰিও। চিচেমা বস্তীৰ পাহাৰবোৰ পাৰ হৈ ঢুকি পোৱা বিশাল পৃথিবীখনৰ কথা চিন্তা কৰিবলৈ নিশিকিলে কোনেও। কেতিয়াবা চৰকাৰী কামত বস্তীৰ গাওঁ বুঢ়া কোহিমালৈ যায়। বস্তীৰ মানুহখিনিৰ মাজত গাওঁ বুঢ়াৰ এখন ওখ আসন আছে। সামাজিক আচাৰ-বিচাৰ, পূজা-পাতলৰ ব্যৱস্থাদাতা কেমোভাৰ আছে সন্মান। গাওঁ বুঢ়া কোহিমালৈ যায় আৰু যায় খৰালি কালৰ কোনো এটা মাহৰ কোনো এটা দিনত বস্তীৰ ঘৰমূৰি একোজন মানুহ—নিমখ কিনিবলৈ। তাৰ বাহিৰে সিহঁতৰ আন কামৰ পিনৰপৰা নগৰ বা হাট-বজাৰৰ লগত সম্বন্ধ নাই। কোহিমাত গৈ পঢ়ি, বৰ চাহাব থকা ঠাইত বস্তীৰ ছোৱালী এজনী থাকি (টকা-পইচাই নহয় কুলালেই বা গৈ থাকিবলৈ!) কি শিকিব, শিকি কি হ'ব বুঢ়ীয়ে ভাবি নাপায়। বেছিকৈ পঢ়া-শুনা কৰি হোৱা ডাঙৰ মানুহ সিহঁতে কোনেও দেখা নাই। কোহিমাত বৰ চাহাব থাকে আৰু বহুত ছোট চাহাব থাকে। কোহিমাৰপৰা নিমখ কিনি ঘূৰি অহা বস্তীৰ মানুহে গল্প কৰা শুনিছে; কিন্তু সিবিলাক চিচেমালৈ অহা নাই। গতিকে দেখা নাই। খৃষ্টিয়ান বস্তীৰ ল'ৰা-ছোৱালীবোৰৰ কোহিমাত গৈ পঢ়ি-শুনি দুটা

ভবিবপৰা যদি আৰু দুটা গজি ওলাইছে, বুঢ়ীয়ে ওচৰৰপৰা দেখা নাই; আবশ্যকো নাই চোৱাৰ। সেইবাবেই জীয়েকৰ কথাবোৰ পানীত কোবোৱা সাঁচ নবহা কথা যেন লাগে মাকৰ। শেষত মাক মনে মনে থাকিল। চকুৰ পানী ওলাল। অপত্য স্নেহৰ মাজত সুখে-দুখে চকুৰ আগতে বখা জীয়েকৰ মুখেৰে ওলোৱা কথাৰ জটিল চিন্তাৰ মেৰপাকত পৰি বুঢ়ীয়ে কান্দি পেলালে। পঢ়িব পৰা জীয়েকৰ কথাবোৰ সাত পুৰুষৰ পন্থা অনুসৰণ কৰি বস্তীতে বুঢ়ী হোৱা মাকে নুবুজে।

যি হয় হ'ব বাৰু। মই গাওঁ বুঢ়াৰ পৰামৰ্শ ল'ম। ওঁ বোলে যদি তই কোহিমালৈ যাবিগৈ।

তাই আশা আৰু নিৰাশাৰ মাজতে ৰ'ল। মাকৰ পিনে চালে তাই। জুইৰ ৰঙা অওঠাৰ পোহৰত মাকৰ চকুৰ পানীবোৰ চকুৰ কোণত জিলিকি আছে।

মই জানো নাকান্দিম আই? মোৰ জীৱনৰ এইটো এটা যে অভিযান!

তাই মাকৰ মুখৰ পিনে চাই ভাবিলে।

চিক্রেনী পূজাৰ আগতে নগা পাহাৰত সাধাৰণতে বৰষুণ হয়েই। সিবাৰো হৈছিল। অৱশ্যে হিচাবতকৈ দুদিন আগতে বৰষুণ এৰিছিল। এক শণিবাৰে বৰষুণ দিবলৈ আৰম্ভ কৰিলে ঘূৰি শণিবাৰৰ ৰাতিলৈ বৰষুণ এৰে বুলি ধাৰণা কৰা হয়। সিবাৰ ঠিক তেনেকুৱা নহ'ল। প্ৰথম তিনদিন বেচ বেছি বৰষুণ হৈ শেষত দুদিন সেৰেঙা বৰষুণ হৈ জাৰ নমালে বেছি। আংগামী বস্তীত চিক্রেমী পূজাৰ সময় এই তিনিটা মাহৰ ভিতৰতে ঠিক কৰি লয়। বহুদিন আগতে যেতিয়া আংগামী নগাৰ বসতি অঞ্চলটোৰ ভিতৰত খনোমা বস্তীৰ প্ৰতিপত্তি বেছি আছিল, তেতিয়া খনোমা বস্তীৰ মানুহে চিক্রেনী পূজা কৰি উঠিলেহে আন আন বস্তীবোৰে চিক্রেনী পাতিছিল। পিছলৈ সেই ব্যৱস্থাৰ ৰূপান্তৰ ঘটিল।

বস্তীৰ মানুহৰ সা-সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি গেনা বুঢ়াই চিক্ৰেনীৰ দিন ঠিক কৰি ঘোষণা কৰে।

ৰিডি, ডজজু, কিনো—জানুৱাৰী, ফ্ৰেব্ৰুৱাৰী আৰু মাৰ্চ—এই তিনিটা মাহৰ ভিতৰতে চিক্ৰেনী পূজা পাতি শেষ কৰা সাধাৰণ নিয়ম। তাৰ পিছত শুকান খেতি আৰু তাৰ পিছতেই পানী খেতিৰ দিন আহি পায়। এই মাহ কেইটাত বস্তীৰ মানুহবোৰে কাম-কাজৰপৰা আজৰি পায়।

কেনো মাহ। বৰষুণৰ পিছত পাতল ৰ'দ কেমেভোৰ চোতাল ঢাকি পৰিলে। বৰষুণৰ পিছত মৰহি মুগা বৰণীয়া হোৱা বনৰ কাষে কাষে কুমলীয়া সেউজীয়া পাতবোৰ লাহে লাহে বাঢ়ি আহিছে। বৰষুণে বালি আৰু ধূলিবোৰ ধুৱাই নিয়াৰ পিছত সুমথিৰা টেঙাৰ পাতবোৰ ৰাতিপুৱাৰ ৰ'দত জিলিকি উঠিছে। নাচপতি গছৰ পাতবোৰ ৰিডি মাহৰ শেষৰ পিনে সৰি কিমো মাহৰ বৰষুণৰ অপেক্ষা কৰি টকলা হৈ থিয় দি থাকে। বৰষুণ পৰাৰ লগে লগে সৰু সৰু ডালৰ কাষে কাষে পাণ্ডুৰ ৰঙৰ সৰু সৰু পাতবোৰে কুঁহি মেলে। থোৰবোৰ মেল খোৱাৰ কেই দিনমানৰ পিছতে ফুলিব। ফুলৰ কাষে কাষে মৌ-মাখিবোৰ গুণ্ গুণাই ঘূৰি ফুৰিব। হাবিৰ মাজৰ বনৰীয়া ফুলবোৰ লাহে লাহে ফুলি কিমো মাহৰ শেষৰ পিনৰ পাতল বতাহত বস্তীৰ পিনলৈ সুগন্ধি সুবাস উৰাই আনি ডেকা-গাভৰুক কিৰা কৰি তুলিব।

খৃষ্টিয়ান ধৰ্মত দীক্ষা নোলোৱা আংগামী বস্তীৰ সমাজৰ আচাৰ-ব্যবহাৰ নিৰ্দেশ দিয়া কেমেভোৰ সন্মান আৰু সামাজিক নিৰ্দেশ বস্তীৰ কোনোৱে উলাই কৰিব নোৱাৰে। আংগামী নগা সমাজৰ সকলোবোৰ নীতি-নিয়ম মুখস্থ কণ্ঠস্থ কেমেভোৰ।

পানী খেতিৰ বতৰ। পথাৰ শুকান, আকাশত জ্বলি থকা সূৰ্যৰ গাৰপৰা গলি গলি পৰা উত্তাপবোৰৰ বাহিৰে আকাশৰ বুকুত এচপৰাও মেঘ নাই,—বস্তীৰ মানুহ গৈ উপস্থিত হ'ব কেমেভোৰ ওচৰত। সেই গেনা বুঢ়াই হিচাব কৰি চাই বৰষুণ দিবৰ বাবে

পূজা মানে গেনা কৰাৰ দিন ঠিক কৰি দিব। আকৌ খেতি চপাই শেষ কৰি ন-ধানৰ ভাত আৰু মধু খোৱাৰ দিন ঠিক কৰিব লাগে। —গেনা বুঢ়াই দিব নিৰ্দেশ—টেৰ হিনে গেনাৰ। পথাৰত খেতি উদং নৰাৰ জুই দি শুকান খেতিৰ বাবে মাটি চহাব লাগে। বস্তীৰ মানুহে অপেক্ষা কৰিব গেনা বুঢ়াৰ সংকেত। গেনা বুঢ়াৰ মুখৰপৰা দিন নিৰ্দিষ্ট নোহোৱাকৈ বাম খেতিৰ মাটি চহোৱা দূৰৰ কথা, নৰানিত জুই দিয়াটোৱেই দোষণীয়। এই সমূহীয়া কামবোৰ গেনা বুঢ়াৰ হুকুমৰ বাহিৰত গৈ কৰিব নোৱাৰে কোনেও —মানে নিষেধ।

আকৌ পেন্নিয়া—কাৰবাৰ ঘৰত কোনোবা মৰিল। বয়স অনুপাতে পালিবলগীয়া নিয়ম নাইবা কৰিবলগীয়া কামৰ নিৰ্দেশ আৰু ব্যবস্থাত থাকিব গেনা বুঢ়া। ব্যক্তিগত এই কাম-কাজ-বোৰক সেয়ে পেন্নিয়া বুলি আংগামী সমাজে নামাকৰণ কৰিলে।

গেনা বুঢ়াৰ চোতালত চিচেমা বস্তীৰ জাক মানুহেই গোট খাইছেহি—চিক্ৰেনী পূজাৰ দিন ধাৰ্য কৰিবলৈ।

ৰ'দত বহিয়ে ভাল লাগিছে। চোতালত পৰি থকা গছৰ মূঢ়া এটাত এজন বহিল।

ৰৰযুণৰ পিছৰ ৰ'দজাক বৰ ভাল লাগে।

সঁচাকৈয়ে ভাই!

এইবাৰ হলে ৰৰযুণ আগতীয়াকৈ দিছে দেই। পানী খেতি আগতেই আৰম্ভ কৰিব লাগিব।

কান্ধত ওলোমাই লোৱা অতি পুৰণি টেমাৰপৰা সিহঁতে ধপাতৰ শুকান পাত টুকুৰা টুকুৰি কৰি কাটি ভৰাই লোৱা টেমাটো উলিয়াই 'চিকিৰি' পকাবলৈ আৰম্ভ কৰে। মাকৈৰ শুকান পাতত সেই ধপাতৰ পাতৰ টুকুৰা মেৰাই লৈ সিহঁতে চিকিৰি খায়।

গেনা বুঢ়াৰো এটা প্ৰকাণ্ড মাৰল ঘৰ থাকে। ৰাজহুৱা গেনা আৰু ঘৰুৱা পেন্নিয়াৰ দিন ধাৰ্য কৰিবলৈ বস্তীৰ মানুহ গোট খাই

ধাবে গেনা বুঢ়াৰ সেই ঘৰটোও বস্তীৰ মানুহেই সাজি দিয়া। ভিতৰত মাজ মজিয়াত এখন জুহাল। আৱশ্যক অনুযায়ী জুই ধৰিবলৈ হলে সেই গাঁতটোতে ধৰিব লাগে। তাত চাৰিওপিনে দাবে চাঁচি-চিকুণাই গা-গছ একো ডালক তক্তাৰ নিচিনা চেপেটা কৰি দুই মূৰে গছৰ ফেৰেঙনি পুতি তাৰ ওপৰত বেঞ্চৰ নিচিনাকৈ পাতি বহা আসনৰ ব্যৱস্থা। বয়সীয়াল মানুহবোৰে জুইৰ ওচৰ চাপি বহিব পৰাবো ব্যৱস্থা আছে। গছৰ মূঢ়া ভালদৰে চিকুণাই বহিব পৰাকৈ মূৰৰ পিনে সমান কৰি পাতি দিয়া। ছালৰ মাৰলিৰ সমান্তৰালকৈ দুই পিনে দুডাল বাঁহ। তাতে আঁৰি থোৱা অসংখ্য বনৰীয়া জন্তুৰ শিঙেৰে সৈতে মূৰ। হৰিণ, শৰ, মেথোন, বনৰীয়া ম'হ আদিৰ মূৰবোৰ যেন অনাদি কালৰেপৰা তাতে ওলমি আছে। জুইৰ ধোঁৱা লাগি মাৰলি ডাল ক'লা পৰাৰ লগে লগে আঁৰি থোৱা শিঙবোৰো মাৰলিত কামোৰ খাই ধৰি ধোঁৱাৰ বৰ্ণ লোৱা। সেই শিঙবোৰ অটব্য অৰণ্যত সাহসেৰে কৰা চিকাৰৰ গৌৰৱময় সোঁৱৰণী। প্ৰত্যেকটো ঘৰৰে মূধৰ পিনৰ বেৰত নাইবা দুৱাৰ মুখৰ পিনৰ বেৰত নিজৰ নিজৰ হাতেৰে চিকাৰ কৰা বনৰীয়া জন্তুৰ শিঙ আৰু মূৰবোৰ সযত্নে সংৰক্ষিত কৰা থাকে। বস্তীৰ মুখীয়ালবোৰক দুই এজনে হয়তো সন্মানৰ চিন স্বৰূপে চিকাৰ কৰি অনা জন্তুৰ মূৰ উপহাৰ দিয়ে।

গেনা বুঢ়া তেতিয়াও বাহিৰ ওলোৱা নাই। ঘৰৰ ভিতৰতে আছে। সম্ভৱতঃ ভাত খাইছে। ওলাব লাহে ধীৰে। ইতিমধ্যে বস্তীৰ মানুহবোৰো জমা হওকহি।

বাহিৰত গোট খোৱা মানুহকেইজনে নিজৰ ভিতৰতে খেতি-বাতিৰ কথা আলোচনা কৰে।

পিঠা মধুৰ টেঁহেটো হাতত লৈ গেনা বুঢ়া বাহিৰলৈ ওলাই আহিল। আঠুৰ ওপৰত টানি পিন্ধা ক'লা কাপোৰ টুকুৰা ঢাকি ৰাখিছে—গাত লোৱা মলা কম্বলখনেৰে। অনবৰত গাত লৈ থকা কম্বলখনে জুইৰ ধোঁৱা আৰু ধুলি মাৰটি লৈ নিজৰ বং হেৰুৱাই

পেলাইছে। ঠবঙা আৰু চুটিকৈ কটা চুলিবোৰ সমানে ছয়োটা খণ্ডে অধিকাৰ কৰিছে। মিত্‌মিতিয়া চকুত সৰল হাঁহি। থুতৰি আৰু গলৰ অ'ত ত'ত দুই চাৰিডাল দীঘল দাড়ি। নাকৰ তল-খিনিত অলপ ঘন গোঁফ; কিন্তু ঠবঙা। দুই এডাল বগা পৰিছে। ডেকা কালত কুহিলা কাটি দুয়ো মূৰে চুণ সানি কাণত পিন্ধিছিল। তাতে আঁৰি লৈছিল বনৰীয়া ফুল দুই এপাহ। আজিকালি নিপিন্ধে যদিও কাণৰ ফুটা দুটা এতিয়াও বহল হৈ আছে। টিকণি ডাল ফোচোকা পাক এটা দি বান্ধি থোৱা।

—ব'দতে বহিলেহে ভাল হ'ব। গেনা বুঢ়াই চোতালত পাতি দিয়া মূঢ়া এটাত বহিল।

—ভাত খাই উঠিলে ঠাণ্ডাটো বেছি লাগে। এজনে ক'লে। গেনা বুঢ়াই একো নামাতি খৰিকা এডালেৰে দাঁতত লাগি থকা ভাত খৰকিয়ালে।

—চিক্রেনীৰ দিন আহিছে হ'বলা। কিবা এটা ভাবি গেনা বুঢ়াই ক'লে।

—হয়। এই মাহতে হ'ব। কেনো মাহ খতম হৈছে। ইটু পকিলে—

'ইটু পকা' মানে জোনটো পূৰা হোৱা। পূৰ্ণিমা।

আঙুলি মূৰত গেনা বুঢ়াই হিচাপ কৰিলে দিনৰ। তেতিয়া হলে ইপিনে চাৰি দিন আৰু সিপিনে খুইদিন—ছদিনৰ পিছতে দিন পৰে। নহয় নে ?

—হয়, হয় তেনেকুৱাই।

চোতালত বহি থকা মানুহবোৰৰ ভিতৰত গুণ্‌গুণ্‌নি উঠিল। পূৰ্ণিমাৰ আগৰ আৰু তাৰ পিছৰকেইটা দিন মুঠ কৰিলে কেইটা দিন হয়—তাৰেই আলোচনা আৰু আঙুলিৰ মূৰত লেখ।

আচ্ছা, আৰু ছদিন পিছত চিক্রেনী পূজা আৰম্ভ হ'ব। পূৰ্ণিমালৈকে আৰু চাৰিদিন আছে। পূৰ্ণিমাৰ দুদিন পিছত-মুঠতে ছদিন। গেনা বুঢ়াই বহাৰপৰা হিচাপটো ঠিক কৰি থিয়

দি বাইজৰ পিনে চাই—কথাটো পৰিকাৰ কৰি বুজাই দিবলৈ সোঁহাতৰ এটা আঙুলিত এদিনকৈ ধৰি চাৰিটা দিন দেখুৱাই বুঢ়া আঙুলিটো হাতৰ তলুৱাৰ পিনে দাপ্তি থলে। বুঢ়া আঙুলিৰে গন্তি কৰা দস্তুৰ নাই। বাকী দুটা দিনৰ বাবে বাওঁহাতৰ আঙুলি দুটা থিয়কৈ সোঁহাতৰ আঙুলিৰ ওচৰত ৰাখি বাকী তিনিটা তলুৱাৰ পিনে দাপ্তি ক'লে—এই প', কেনিয়া, খে্‌দি, প'ঙু, ছু'ৰ। এক, দুই, তিনি, চাৰি, পাঁচ, ছয়। ইমান দিনৰ পিছতে চিক্ৰেনী পূজা আৰম্ভ হ'ব। নিজৰ নিজৰ আঙুলিৰে তেনেকুৱা কৰি গুণি-গাথি বাইজে ধাৰ্য দিনটো বুজি ল'বলৈ অলপ সময় লাগিল।

গেনা বুঢ়াই আকৌ ঘোষণা কৰিলে—চিক্ৰেনী আৰম্ভ হোৱাৰ দিনৰপৰা শেষ নোহোৱালৈকে বস্তীৰ কোনো হাবিলৈ গৈ নিজৰ নিমিত্তে কাঠ কাটিব নোৱাৰে। খেতিৰ পথাৰৰ কাম কৰিব নোৱাৰে। কিবা বস্তু মানে বগা বস্তু বস্তীৰপৰা আন মানুহে কিনিব নোৱাৰে, বিক্ৰী কৰিবও নোৱাৰে। তেনে নিয়মৰ বাহিৰে এই দিনৰ ভিতৰত কোনোবাই কিবা কৰিলে জৰিমনা ভৰিব লাগিব। সিখন বস্তীৰ মানুহেও এই নিয়ম মানিব লাগে।

সিখন বস্তী মানে খৃষ্টিয়ান বস্তী।

কেজ্‌জি মাহৰ পূৰ্ণিমা। চিচেমা বস্তীত চিক্ৰেনী পূজাৰ ব্যস্ততা। মাঘ মাহৰ জোনাকবোৰ ফটফটীয়া হৈ নগা পাহাৰ জিলিকাই তোলে। দুই এচপৰা পাতল ক'লা মেঘ উৰি আহি জোনটো ঢাকি ধৰে। জোনাকত বুঢ়া পাত সৰি কুঁহি পাতৰ অপেক্ষাত বৈ থকা লঠৰা গছবোৰৰ শান্ত ৰূপটো জিলিকি উঠে। সেউজীয়া পাহাৰৰ শাৰীবোৰে চিক্ৰেনী পূজাৰ উলহ-মালহত যোগ দিবলৈ যেন সাজি-কাচি দিন গণিছে। কুমলীয়া পাতবোৰত জোনাকে জিলিমিলি কৰে। হাবিৰ মাজৰপৰা দুই এটা জিলিয়ে চিঞৰে আৰু কৰুণ সুৰ তোলে—দুই এটা পাহাৰী চৰায়ে। ৰাতিৰ অভিসাৰ যেন সিহঁতৰ ব্যৰ্থ হৈ গৈছে। আৰু দুদিন পিছত চিক্ৰেনী পূজা।

চিক্রেনী পূজাৰ প্ৰস্তুতিত ব্যস্ত হৈ পৰে চিচেমাৰ ল'ৰা-ছোৱালী ডেকা-গাভৰুৰ জাক। নতুন বছৰটোত বস্তীৰ মানুহখিনিৰ যাতে একো অপায়-অমংগল নহয়, অপমৃত্যুৰ আবিৰ্ভাৱ হৈ বস্তীৰ কোনো মাক-বাপেকৰ বুকুত আঘাত নিদিয়ে তাৰেই সমূহীয়া পূজা দিব বস্তীৰ মানুহে—পাঁচদিন জুৰি। বস্তীৰ সমূহীয়া মংগলৰ বাবে ব্যক্তিগত কাম-কাজ বাদ দিব নগা ৰাইজে। তাৰেই উলহমালহত বৰষুণৰ পিছৰ ৰ'দখিনিৰ নিচিনা সজীৱ হৈ উঠে চিচেমা বস্তী।

ভিকে—মু—অ'ই ভিকে—মু—মু—। তাই হোৰাত এহোৰা কাপোৰ ভৰাই নৈলৈ যাবলৈ ওলাই ওচৰৰ ঘৰৰ ভিকেমুক চিঞৰে। লগত সৰু ভনীয়েক। তায়ো গৈছে কাপোৰ ধুবলৈ। লগত সৰু ভায়েক দুজন। সিহঁতে গা ধুব।

অ'—ই—। ভিকেমুই ভিতৰৰপৰা সিঁয়াৰে।

নাযাব নেকি ?

যাব লাগিছো ৰ'বি।

কাপোৰ কম আছে নেকি ধুবলৈ ?

পিঠিত কাপোৰৰ হোৰাটো লৈ ভিকেমু ওলাই আহিল।

কোনো ওলোৱা নাই এতিয়ালৈকে ? তাই সুধিলে।

তই নামাতিলে কোন আহিব ? আটায়ে তোকে ৰখি আছে।

মই মাতিলেহে আহিব পাৰে নেকি ?

নহয় নেকি ?

ইস্—হয়!

বস্তীৰ জাক ছোৱালীয়ে শাৰী পাতি নৈলৈ আগবাঢ়ে। লগে সৰু ল'ৰা-ছোৱালীবোৰ। পাহাৰৰ মাজৰ সৰু বাটটোৰেদি সিহঁতে গুণ্ গুণাই কথা পাতি, হাঁহি-মাতি আগবাঢ়ে। চিক্রেনীৰ সময়ত আন গান গাব নাপায়। গালেও চিক্রেনীৰ গানৰ আখৰা দিব পাৰে। প্ৰেমৰ গীত নাইবা জোকাই জোকাই ইটোৱে-সিটোৱে গীতৰ বেশ তুলিব নোৱাৰে। নিষেধ।

অ'-হু-ই অ-হু-ই-ই। পাহাৰ গছ-বিৰিখত সিহঁতে গাৰ ভাগৰ পলাবলৈ উশাহ এৰি দিয়াৰ লগে লগে কৰা অ-হৈ শব্দৰ ধ্বনিৰ প্ৰতিধ্বনি কঁপি কঁপি বহুতো সময় বৈ থাকে।

খবালি মাহৰ নৈ। পাহাৰৰ মাজেদি বৈ গৈছে। বুকুত অসংখ্য পাথৰ আৰু শিলগুটি লৈ। বাৰিষা শেষ হৈ অহাৰ লগে লগে নৈৰ সোঁত কমি আহে।

চিক্ৰেনীৰ সময়ত নৈলৈ পানী বেছিকৈ আহে। গাভৰুহঁতে পূজাৰ আগতে কাপোৰ ধুবগৈ লাগে। ডেকাহঁতে যাঠীৰপৰা মামৰ গুচাবলৈ পানী লাগে। সেয়ে আয়েপসী গোঁসানীয়ে মৰম কৰি পানী বেছিকৈ পঠিয়াই দিয়ে—যাতে বস্তীৰ মানুহবোৰৰ অসুবিধা নহয়।

আয়েপ্সী গোঁসানী বৰ মৰমিয়াল। নগা মানুহৰ প্ৰতি তেওঁৰ মৰম অপাৰ। বৰ দৰদী। আয়েপসী গোঁসানীক যেয়ে সেয়ে দেখা নাপায়। মানুহৰ ঘৰতে থাকে পিছে। কাৰ ঘৰত থাকে ক'ব নোৱাৰি। ধানৰ ডুলিত থাকে হেনো। কপাল ফুলা মানুহে দেখা পায়;—চকা মকাকৈহে। বেছি সময় দেখা নিদিয়ে কিন্তু। যাৰ ঘৰৰ অবস্থা টনকিয়াল হ'বৰ দিন পৰিছে, সেই ঘৰৰে মূৰি মানুহজনে তেওঁক দেখা পায়। সেই মানুহ ঘৰৰ চোতালৰ ধূলি আৰু ডুলিত থকা ধানৰ ওপৰত সৰু ছোৱালীৰ ভৰিৰ চাপৰ নিচিনা খোজ পৰি থাকে। সকলোৱে কিন্তু নেদেখে। নগা মানুহে অসীম শ্ৰদ্ধা কৰে আয়েপ্সী গোঁসানীক। কট্জেহটোহে বৰ বেয়া। সেইটোৱে পাবলৈ হলে মৰিবই কোনোবা এটা নহয় এটা।

দ পানী চাই চাই কিছু সময় ধেমালি কৰি সিহঁতে বহল পাথৰৰ ওপৰত পীৰাবোৰ পাৰি লৈ শাৰী হৈ কাপোৰ ধোৱাত লাগে। ওপৰত কুমলীয়া ৰ'দ আৰু পাৰৰ গছ-গছনিত লাগি অহা পাতল বতাহৰ কোমল পৰশ। ল'ৰাবোৰে পাৰৰ বালিত লুতুৰি-পুতুৰি হৈ বালিঘৰ সাজে। সৰু ছোৱালীবোৰে বায়েকহঁতৰ কাপোৰবোৰ

আওদালি বনৰ ওপৰত মেলি দিয়েগৈ। নিৰ্জন পাহাৰৰ মাজৰ নৈ খনৰ পাৰ চিক্ৰেনী পূজাৰ আগ মুহূৰ্তত চঞ্চল হৈ পৰে। কাপোৰৰ আচাৰ খাই পীৰাবোৰৰপৰা হোৱা থচ্ থচ্ শব্দবোৰ হাবিৰ মাজে মাজে যেন ঘূৰি ফুৰে।

কোনেও কাৰো পিনে নোচোৱাকৈ সিহঁতে কাপোৰ ধোৱে। পেটে পেটে তীব্ৰ প্ৰতিযোগিতা। কাৰ আগতে ধোৱা শেষ হ'ব। অবিৰাম কাম কৰোতে কৰোতে সিহঁতৰ নাকৰ আগত ঘাম বিবিঙে। কুমৰ ওপৰেদি ওলমি পৰা চুটি চুলিবোৰ ঘামত লিপিত খাই ধৰে। পকা মধুৰি আমৰ ৰঙৰ গাল-মুখবোৰ ৰঙা গোলাপৰ পাহিৰ নিচিনা ৰঙলৈ ৰূপান্তৰিত হয়। তেজ-ৰঙা ওঁঠ দুটা শৰীৰৰ ক্লান্তিৰ মাজেদিয়ে বেছি ৰঙা পৰে। পানীত তিতি থকা হাত আৰু ভৰিৰ আঙুলিৰ মূৰত সেন্দুৰীয়া তেজে দগমগায়। মেখেলাৰ বান্ধত সোমাই লোৱা ব্লাউজৰ তলখিনি কাপোৰ আচাৰোতে হোৱা সঞ্চালনত খুলি গৈ কঁকালৰ ওপৰখিনি ওলাই পৰি পাত সোণ জিলিকা দিয়ে। দীঘল উশাহৰ প্ৰতি চেৱে চেৱে ফিন্দ খোৱা গাভৰু বুকুখনে বাৰে বাৰে উঠা-নমা কৰি মৃদু মৃদু কঁপি উঠে। আৱৰণৰ মাজৰপৰা যৌৱনবোৰে ওলাই আহিবলৈ যেন বাৰে বাৰে চেষ্টা চলায়। গলধনৰ কাষেদি নামি বুকুৰ সুৰুঙাইদি সৰকি যোৱা ঘামৰ টোপালে উঠন্ বুকুৰ মাজৰ ফাকটোত কুট্‌কুটাই দিয়ে। নিজে নিজে হাঁহিবলৈ খুজি হাতখন মচি ব্লাউজৰ বুতামটো খুলি ঘামৰ টোপালবোৰ মচি দিয়ে আৰু চকুৰে ইটোৱে সিটোৱে চাওঁতে চকুৰে চকুৰে পৰি হাঁহি হাঁহি সোধে—

বিদেমে? হৈ গ'ল?

ওঁ। তাই পীৰাখনত বহি পানীৰ তলৰপৰা শিলগুটি এটা আনি পানীৰ মাজলৈ দলিয়াই দিছিল।

ইমান জলদি? আন এজনে থমকি ক'ল।

এই জাচমীৰ কাপোৰ ধোৱা হৈ গ'ল অ'ই।

সিহঁতে কাপোৰ ধোৱা শেষ নকৰি কথাত লাগে।

জলদি শেষ কৰ। তাই সিহঁতক যেন হুকুম দিলে।

তই বহিছ কিয়—ভিকেমুই প্ৰতিবাদ কৰিলে। মোৰ শেষ হ'ল বাবেহে বহিছো। তাই হাঁহিলে। নাই, ইমান জলদি হলে নহ'ব। তোৰ কাপোৰত এতিয়াই বোকা সানি দিম। ভিকেমুক আটায়ে সমৰ্থন কৰি হাঁহিলে।

ধেৎ তেনেকুৱা নকৰিবি। মই তহঁতৰ প্ৰত্যেকৰে এটা এটা কাপোৰ ধুই দিম। তাই ক'লে।

ইস্—আমি যোৱান ছোৱালী নহয় নেকি? নালাগে তই আমাক সহায় কৰিবলৈ। তোৰ কাপোৰ ময়লা কৰিহে এৰিম। ভিকেমু পাৰলৈ উঠিল।

হেই— ভিকে-মু, আৰে কথা নুশুন? সঁচা? ৰহ্ কিমান সাহ তোৰ দেখিম। তাই ভিকেমুক ধৰিবলৈ মেখেলাখন ওপৰলৈ কোচাই লৈ পাৰলৈ দৌৰে। কাপোৰ ধুবলৈ এৰি গোটেই জাকে সিহঁতক হাততালি দি হাঁহে। পাৰত গৈ দুয়োৰো জোটা-পোটা লাগে। হাঁহি হাঁহি তাই ভিকেমুক পানীলৈ টানি আনে। হাঁহিৰ কোব চৰি যায়। নিৰ্জন পাহাৰৰ মাজত হাঁহিৰ খলকনি উঠে।

এতিয়া? আৰু তেনেকুৱা কৰিবি নে? হাঁহি হাঁহি সিহঁতে পানীত বাগৰি পৰিল।

নাই নাই—আৰু নকৰো। মৰতীজনীৰ ইমান বল হৈছে অ'ই। তই বৰ হাতী যেন চাই এজনক পছন্দ কৰিবি! সিহঁতৰ আকৌ বিৰতিহীন হাঁহি।

সোনকালে গা ধুই উঠিম দেই। ঘৰত কাম বহুতো আছে।

তাই গা ধুবলৈ নামি ক'লে।

ইস্—আমি ইয়াত থাকিবলৈহে আহিছো। ভিকেমুই কলে।

এই জাচমী! এজনীয়ে তাইক কিবা এটি সুধিবলৈ খুজিলে।

ওঁ। তাই তাইৰ পিনে চালে।

যোৱা বাৰ মই থেকাকীত বহা নাই।

ময়ো বহা নাই।

এইবাৰ বাহবি ?

তই বহিবিনে নাই ?

মোৰ ঠিক নাই।

অ' তইঁতে শুনিছ নে নাই অ', জাচমী চিক্রেনীৰ পিছতে কোহিমাৰ স্কুলত গৈ পঢ়িবগৈ।

এই সঁচাকৈয়ে যাবি নেকি ?

তই আৰু নাহ ?

সিহঁতে হাঁহি-ধেমালি এৰি তাইৰ মুখৰপৰা কোহিমালৈ যোৱা কথাটো শুনিবলৈ তাইক বেৰি ধৰিলেহি। সৰু ভনীয়েকজনী অলপ আঁতৰত থিয় দি ৰ'ল। বায়েকক সমনীয়া ছোৱালীবোৰে বেৰি বেৰি স্কুললৈ গৈ পঢ়াৰ কথা সোধাত তায়ো যেন গৰ্বিত।

চিক্রেনীৰ পিছতে যাম বুলি ঠিক কৰিছো অ'। কামে-কাজে ব্যস্ত থকাৰ বাবে তইঁতৰ আগত উলিওৱাই নাছিলো কথাটো।

ইস্—আৰু কেইটামান দিনৰ পিছতে তই যাবিয়েগৈ জাচমী ?

তোৰ অকলে অকলে তাত বেয়া নালাগিবনে বাৰু ? মোৰ হলে বৰ দুখ লাগিছে মনত।

তই গ'লে সঁচাকৈয়ে বেয়া লাগিব অ'ই।

কেলেই ?

ইস্—পানী আনিবলৈ নদীলৈ আহোঁতে ধেমালি কৰি কৰি গান গাবলৈ, গা ধোওঁতে যুঁজ কৰিবলৈ, পথাৰলৈ গৈ গান গাবলৈ—

তই চিচেমালৈ আৰু নাহ ?

আৰে, কেলেই নাহিম অ'ই ? স্কুল বন্ধ হলেই মই গুচি আহিম। তইঁতৰ লগত পানী আনিবলৈ যাম, খেতিৰ পথাৰলৈ যাম, আটাইবোৰে লগ হৈ কেৰিটৈৰ—কেৰি পিজেট—গান গাই হাঁহিম, কিমান ধেমালি কৰিম—আমি আটাইবোৰ মিলি-জুলি।

হলেও তই তালৈ গৈ কিমান বন্ধু পাবি। নতুন ঠাইত বেছি দিন থাকি ঘৰলৈ আহিলেও আগৰ নিচিনা নহ'বি আৰু!

মঙা মমে? লাজ নালাগে? তাই কৃত্রিম খঙৰে সিহঁতক ধমকিয়াই কয়। আচ্ছা, মই তেনেকুৱা কৰিলে তইঁতে আটায়ে মিলি মোক খুব মাৰি-পিটি যি হয় কৰিবি।

ছোৱালী জাকে তাইৰ কথা আৰু কোৱাৰ ভংগী দেখি হাঁহে; কিন্তু মুকলি হাঁহি নহয়। একেলগে ডাঙৰ হোৱা বস্তীখনৰপৰা জাচমী আঁতৰি গৈ সিহঁতক আবৰি থোৱা চেনেহৰ সুতাডাল ছিঙি পেলোৱাৰ শংকাত সিহঁতৰ সবল মন কঁপি উঠে। আশংকা জাগে বাৰে বাৰে—যদি সিহঁতৰ সৰবৰহী দৰদী বান্ধবীজনী আৰু ঘূৰি নাহে! "চিক্রেনীৰ আয়োজনৰ উলহ-মালহৰ মাজতে সিহঁতৰ মনবোৰ বিদায়ৰ পূর্ব ক্ষণৰ অনুভূতিৰ কল্পনাই গধুৰ কৰি দিয়ে।

যাওঁহক ব'ল।

অহা বাটেদি আধা শুকোৱা কাপোৰবোৰ হাতত লৈ হোবাত পানীৰ লফুফু ভৰাই সিহঁত ঘৰমুৱা হয়। ভৰা কলহৰ পানীৰ দৰে সর্বাংগ পুষ্ট যৌবনে প্রতিটো খোজতে সিহঁতক আত্ম-সচেতন কৰি তোলে।

'কান্দিছা কিয়?' কমলে সুধিলে। তাইৰ চকুয়েদি পানী বাগৰি গালৰ ওপৰেদি বৈ আহিছে।

'বহুত দিন পিছতে মোৰ বস্তী আৰু তাতে এৰি অহা সাথী-বিলাক নিমিত্তে মনত পৰি বেয়া লাগিছে চিয়াৰবাবু।' তাই কমলৰ পিনে উদাসীন ভাবে চালে। চকুৰ পিৰিকতিত লাগি থকা চকুৰ পানীবোৰে নোমবোৰ তিয়াই দিছে। তিতা নোমৰ তলত জিলিকি থকা সজল চকু দুটাৰ দৃষ্টিৰে তাইৰ মনটো যেন চিচেমা বস্তীৰ বাটে বাটে, ঘৰে ঘৰে ঘূৰি ফুৰিছে।

কমলৰ পিনে চাই থাকি তাই চকু দুটা তললৈ নমাই হাতৰ পিঠিৰে মচি ললে। তাইৰ হয়তো মনত পথাৰৰপৰা ঘূৰি

আহোঁতে গোৱা সক গীত ফাকিৰ-লেমীয়া সুৰটি—

কেম্বিটৈৰ—কেম্বিটৈৰ—অ’ কেম্বি পিকেট—

বিয়া কৰিবলৈ মন আছে যদি অযথা পলম কিয় ? সিহঁতে হাঁহি হাঁহি গাইছিল সেই গীতটো। বিয়াৰ কথা ওলালেই সিহঁতে পাৰেমানে মুকলি মনেৰে আলোচনা কৰি সমনীয়াবোৰৰ লগত হাঁহে।

‘থাকক নালাগে ক’বলৈ।’ কমলে লাহেকৈ ক’লে।

‘কিয় ?’ তাইৰ মাতটো কঁপিছিল।

‘তোমাৰ মনত দুখহে লাগিব।’

‘দুখনো কোন দিনত শুছিল চিয়াৰ বাবু। মোৰ কবলে আপত্তি নায়। দুখ হলেও, কান্দিলেভী চবটু মনতহে। নহলে নহয় না।’ নিজকে নিজে প্ৰত্যয় নিয়াবলৈ, মনক বুজনি দিবলৈহে তাই যেন আত্ম-প্ৰত্যয়ৰ সুৰত কমলক ক’লে।

‘চিক্ৰেনী গেনাৰ কেম্বা দিনতে আমি ডাঙৰবিলাক অলপ মনতে দুখ পাইছিলে। কাৰণ সিদিনাখনতে আমাৰ ঘৰত ভাল-বেয়া চোৱা সময়তে বেয়া চিন একটা আমি দেখিছিলে। সঁচ্ছাকে বেয়াহে হল।’

লাহে লাহে তাই পুনৰ ক’বলৈ আৰম্ভ কৰিলে। গালত শুকাৰ ধৰা চকুলোৰ লোৰটোলৈ আকৌ এধাৰ পানী বৈ আহিল— ভনীয়েকৰ কথা মনত পৰি।

পথাৰৰ খেতি চপোৱাৰ পিছৰ টৈৰহেমি গেনাৰ পিছত নতুন বছৰটোৰ আৰম্ভনিতে আংগামী বস্তীয়ে বস্তীয়ে পাতে চিক্ৰেনী গেনা। গোটেই বছৰটোত যাতে প্ৰত্যেক ঘৰ মানুহৰে ঘৰত এক্যো অপায়-অমংগল নহয়, বস্তীত মাৰি-মৰক নোহোৱাকৈ বছৰটো পাৰ হৈ যায় তাৰ বাবেই ঘৰে ঘৰে কুকুৰা মাৰি মঙল চায়। সমূহীয়াভাৱে খেকাকীত পূজা কৰি পাঁচ দিন, পাঁচ ৰাতি গৰু-গাহৰী কাটি মঙহ আৰু চাউলৰ মধু দেৱতালৈ আগ বঢ়ায়।

সমূহীয়া পূজাৰ আগদিনা—কেম্বা। প্ৰত্যেক ঘৰ মানুহেই মংগল চোৱাত ব্যস্ত। মৰা কুকুৰাই সূচাই যাব ব্যক্তিগত পৰিয়ালৰ মংগলামংগল।

তাইৰ মাকে বাড়িপুৱাতে চোতালখন ভালকৈ সাৰি পৰিস্কাৰ কৰিলে। বাপেকে দুটা বেমাৰ-আজাৰ নোহোৱা কুকুৰা বচি এডালেৰে বান্ধি থৈ দিলে। এটা কুকুৰাৰে মংগল চোৱা হৈ যায়। যদি ভাল চিন ফুটি নোলায় ? সেয়ে দুটা কুকুৰাৰ ব্যৱস্থা। চিচেমা বস্তীত গম্ভীৰ পৰিবেশ। ঘৰখনৰ মংগল-অমংগলৰ নীৰৱ বাতৰি পাবলৈ আটাইৰে মন উগুল-থুগুল। এৰা ভাল হলেই ভাল।

সৰু-ভায়েক দুজনৰ ডাঙৰজনে কুকুৰা মাৰিব। তাৰ দুবছৰৰ ওপৰ হৈছে। সকলোজন এই বাৰলৈ থাকক। বাপেকে তাক দেখুৱাই দিব—কেনেকৈ কি কৰিব লাগে। মতা মানুহে তিৰোতা মানুহক আজি চুব নাপায়। তিৰোতা মানুহে অনা পানীও খাব নাপায়। বাপেক অলপ আঁতৰত বহি থাকিল।

ভায়েকে বান্ধি থোৱাৰপৰা লাহেকৈ কুকুৰা এটা খুলি আনিলে। জাকলৈ গৈ চৰি ফুৰিব নোপোৱা কুকুৰা হালে কক্-ককাই উঠিল। ওচৰতে বন-খুচৰি থকা জাকক কুকুৰাই মূৰ তুলি চালে।

এই আচুৰি দিব, দেখিবি। বাপেকে বহাৰপৰা উঠি নিলগৰপৰাই ক'লে।

বাপেকে তাক বুজাই দিলে—কুকুৰাটো ডিঙি চেপি মাৰিব লাগিব। মাটিত হেঁচা মাৰি ধৰি নহয়। মাটিত নলগাকৈ আলাসতে নমৰালৈকে ধৰি থাকিব লাগিব।

ভালেখিনি সময়ৰ পিছত কুকুৰাটো অৱশ হৈ লাহে লাহে মৰণ মুখী হ'লত বাপেকৰ কথামতে সি চোতালত লাহেকৈ চিত্ কৰি এৰি দিলে। সকলোৰে চকু মুৰ্মুৰ্ কুকুৰাটোৰ ওপৰত। মাটিত এৰি দিয়া, কুকুৰাটোৱে বহুতো সময় পাখি দুখনেৰে ধপ্ ধপাই

থাকি লাহে লাহে অবশ হৈ আছিল। মূৰটো ভাঙি মাটিত পৰিল। পাখী দুখন আধা জাপ খাই ব'ল।

তথাপি কুকুৰাটো মৰা নাই। সিহঁত আৰু কাষ চাপি আহিল। এই মৰে এই মৰে কুকুৰাটোৰপৰা সিহঁতে কোনেও এক মুহূৰ্তৰ বাবেও চকু আঁতৰোৱা নাই। এয়া, ঠেং দুখন কোঁচ খুৱাই আনিছে। কি চিন দেখুৱাব, কি চিন? হোঁ? ঠেং দুখন লগ নলগাকৈয়ে মৰিল নেকি? সিহঁতে মনে মনে ভাবে।

অবশেষত ঠেং দুখন কটাকটিকৈ বাখি কুকুৰাটো মৰি থাকিল।

ভাল চিন ওলাল অ'ই। মাকে যেন বহুত সময় উশাহ-নিশাহ বন্ধ কৰিহে আছিল।

সকলোৰে ভাল হ'ব। সোঁ ঠেংখন বাওঁ ঠেংখনৰ ওপৰেদি পাক কৰি মৰিছে চাইক। বাপেকে ইহঁতক বুজালে।

হাগিছে নে নাই চাচোন।

অলপ হাগিছে—পাখীত লাগি আছে।

সেইটোও ভাল চিন। অলপ হাগিবও লাগে। বেছি হগাও অমংগল।

বাপেক আৰু মাকে সন্তোষৰ হাঁহি মাৰিলে; কিন্তু এইবোৰেই নহয়। আৰু মংগল চাবলৈ আছেই। বাপেকে পুতেকক ক'লে।

এতিয়াৰপৰাই শিকি ল অ'ই। মাকে কলে।

ভিতৰৰ জুহালত জ্বলি থকা আঙঠাৰে কাঠ এডাল লৈ সেই ভায়েকজন চোতাললৈ ওলাই আহিল। দুপৰীয়াৰ ৰ'দ আৰু পাতল বতাহত ধোঁৱাবোৰ উৰিবলৈ ধৰিলে। ইয়ো এটা পৰীক্ষা। সি আঙঠাটো ফুৱাই ফুৱাই তাৰপৰা জুই জ্বলাব লাগিব। সেই জুইত খেৰ দি ডাঙৰকৈ জুই একুৰা ধৰিব লাগিব। সি পাৰেমানে ধোঁৱাই থকা আঙঠাটোত ফুৱাবলৈ ধৰিলে। বতাহ লাগি ধোঁৱাবোৰ বাৰে বাৰে তাৰ চকুলৈ আহি নাকৰ পানী চকুৰ পানী সমান কৰি দিব খোজে। সি ভাগৰি নপৰে। হতাশ নহয়। সি জুই জ্বলাবই। সেই জুইত সি কুকুৰা বাৰি অকলে

অকলে থাই পেলাব লাগে। ইপিনে জুই জলাতো মংগল-অমংগলৰ চিন সুস্পষ্ট। সোঁ-হাতেৰে থামুচি ধৰি বাওঁহাতৰ পিঠিৰে নাক আৰু চকুৰ পানীবোৰ মচি সি একান্তমনে ফুৰায়। বাওঁপিনে জুই জলিলে তিৰোতা মানুহৰ কাৰণে ভাল। এই জলি উঠিল। সোঁপিনেছে। বাওঁপিনে নজলিল। বাওঁপিনে ধোঁৱাই থাকিল। তিৰোতা মানুহৰ বাবে অশুভ চিন। সি আকৌ ফুৰালে; কিন্তু একো নহ'ল। সমানে ফু দিও বাওঁপিনে জুই জলাব নোৱাৰা দেখি বুঢ়া-বুঢ়ীয়ে ইটোৱে-সিটোৰ পিনে চালে।

ঘৰৰ ভিতৰ সোমাবলৈ গৈ দুৱাৰ মুখৰপৰা শংকিত মনে মাকে জীয়েকহঁতলৈ চালে। একো নহয়, মনৰ দুৰ্বলতাৰ বাবেইতো পূজা। কাৰো একো নহয়। হে ঈশ্বৰ! ছোৱালী দুজনীক কুশলে ৰাখা। বুঢ়ী হৈ আহিলো। সংসাৰতনো আৰু কেইটা দিন। চকু দুটা মুদাৰ আগতে বুকুত যেন জলা জুই একুৰা জলিবলৈ নিদিয়া!

চিন্তা কৰি মাক ভিতৰ সোমায়। তাইৰো মনটো কেনেৰা লাগে। কি হ'ব বাৰু?

নাই—একো নহয়। তাই নিজেকে নিজে বুজনি দিয়ে।

## ( ৭ )

ভোমোৰাৰ গুণ্‌ গুণণিৰ নিচিনা চিক্ৰেনী গেনাৰ থেকাকীৰপৰা অহা সমূহীয়া গীতৰ অস্পষ্ট সুৰ চিচেমা বস্তীৰ বহুত দূৰৈৰপৰা শুনি। সুৰৰ অস্পষ্ট গুঞ্জনহে শুনি। বুজি নাপায়। আবেলিৰ বতাহত সেই গীতৰ সুৰ কঁপি কঁপি তাইৰ কাণত পৰেহি।

সমূহীয়া মাংগলিক পূজা আৰু প্ৰাৰ্থনাৰ বাবে জিলাশ্চেৰ ঘৰ এইবাৰ বাইজে বাচি লৈছে। আহল-বহল আৰু নতুন ঘৰ। পূজাৰ ঘৰ থেকাকী।

বস্তীৰ ভেকাইঁতে ৰোৱাকালিৰ ভিতৰত হাবিৰপৰা ধৰি কাটি

আনি দ'ম কৰি পেলাইছে। যথেষ্ট খৰিৰ আৱশ্যক হ'ব—পাঁচোটা দিনত। ভোজ বান্ধিবলৈ লাগিব, থেকাকীত অনির্বাণ একুৰা প্রকাণ্ড জুই জ্বলি থাকিবই লাগিব। জিলাশ্চেৰ ঘৰৰ থেকাকীৰ সমুখত পুতি দিছে দীঘল বাঁহ এডাল। সেই বাঁহডালৰ আগত বান্ধি দিছে লেম এটা। লেমটোৰ চাৰিওকাষ মেৰি দিছে ৰঙা আৰু সেউজীয়া ৰঙৰ কাগজেৰে। এবাৰ কোহিমাত কোনোবা এজনে ৰঙা, নীলা কাগজ দেখি চখতে কিনি আনিছিল, তাকে লেমটোৰ কাষত সজাই দিছে। ৰাতি আন্ধাৰত লেমটোৰ পোহৰ দূৰৈপৰাই জিলিকি থাকিব—ৰঙা আৰু সেউজীয়া পোহৰ বিলায়। চিক্রেমী পূজাৰ উদ্দেশ্য সফল কৰিবলৈ যেন আন্ধাৰ ৰাতি সাক্ষী হ'ব লেমটোৰ পোহৰ; অপায়-অমংগল আঁতৰি যোৱা চাবলৈ। পুৱতি নিশাৰ বতাহত বাঁহডাল লাহে লাহে লৰিব। কঁপি উঠিব লেমটোৰ পোহৰখিনি;—চঞ্চল ডেকা-গাভৰুৰ মনটোৰ দৰে। ৰাতিপুৱাৰ ৰ'দৰ লগে লগে নুমাই যোৱা লেমটো ৰচি সোলোকাই নমাই আনিব দিনটোলৈ। চিক্রেনী ভঙাৰ পিছতো থিয় কৰি ৰাখিব বাঁহডাল। উঘালি পেলাব নাপায়। বহুদিনলৈ সোঁৱৰণী এটা বৈ যাব চিচেমা বস্তীৰ মানুহৰ মাজত। এটা চিন। এটা স্মৃতি। শৰীৰৰ অদম্য উৎসাহ, মনৰ আশা-আকাংক্ষা আৰু সাহস আৰু ধৈৰ্যেৰে অবিশ্বাসৰ দ্বাৰা আপ্লুত হৈ কৰা এটা সোঁৱৰণী। অস্থায়ী প্ৰতীক।

তাই থেকাকীতে নৰহিল। কাম কৰিবলৈ গৈছিল। থেকাকীটো সজাই আহিছে আটায়ে মিলি-জুলি। ঘৰটোৰ বেৰৰ চাৰিওকাষে থেকাকীত বহিবলগীয়া ডেকা-গাভৰুবোৰৰ বাবে কাঠৰ বেঞ্চ বান্ধি দিছে ডেকাবোৰে। বেৰত জাতিৰ গৌৰৱৰ প্ৰতীক নগা যাঠীবোৰ। চিক্রেনীৰ আগদিনা নদীলৈ নি যাঠীবোৰ বালি আৰু শিলত ঘঁহি ৰ'দত জিক্‌মিকোৱা কৰি ধাৰ তুলি আনিছে সিহঁতে। যাঠীৰ কাষে কাষে চূণ আৰু এঙাৰেৰে আঁকা কিছুমান ছবি।

বস্তীৰ মানুহবোৰৰ ঘৰত কোনো নাই। আটায়ে চাকি ধৰিছেগৈ খেকাকী। ভিতৰ সোমাব পৰাবোৰে ভিতৰত সোমাই ঠাই নোপোৱাবোৰে বাহিৰৰ বেৰাৰ সুৰুঙাইদি জুমি জুমি ভিতৰলৈ চাইছে। মুখামুখিকৈ ডেকা আৰু গাভৰু জাকে গীত গাইছে। ছোৱালীহঁতৰ চকুৰ দৃষ্টি স্থিৰ—মজিয়াৰ মাটিৰ পিনে। সন্মুখত বহা নাইবা আশে-পাশে থকা মানুহবোৰৰ পিনে চাব নাপায়। মনৰ পবিত্ৰতা থেকাকীত অক্ষুণ্ণ ৰাখিব লাগে।

ভিকেনুহঁত খেকাকীত বহিছে। সৰু ভনীয়েকো। ভিকেনুহঁতে তাইক জোৰ কৰিছিল বহিবলৈ। তাই নামানিলে। তাই বাহিৰত আবশ্যকীয় কামবোৰ কৰি থাকিবলৈ প্ৰতিশ্ৰুতি দি সিহঁতক সৈমান কৰালে। থেকাকীত ন-কাপোৰ পিন্ধি বহা ছোৱালীহঁতৰ গাৰ কাপোৰবোৰ ঠিক কৰি দি তাই ওলাই আহিল। থেকাকীৰপৰা ভাহি অহা মধুৰ সুৰৰ গীতটোৰ সুৰে সুৰে তাইৰ মনটো লাহে লাহে উৰা মাৰে কোহিমালৈ। কোনো নথকা ঘৰটোৰ পদূলি মুখত থিয় দি তাই ভাবে কোহিমালৈ যোৱাৰ কথা—

চিক্ৰেনী পূজা শেষ হোৱাৰ দুদিন পিছত তাই কোহিমালৈ যাব। পূজাৰ পিছদিনা জিৰণি। লগত যাব বাপেক আৰু সৰু ভনীয়েক তাইক থৈ আহিবলৈ। নতুন ঠাই এখনৰ নতুন পৰিবেশত তাইৰ পোনতে কেইদিন মান আচহুৱা আচহুৱা লাগিব। চিনাকি বুলিবৰ খৃষ্টিয়ান বস্তীৰ মেৰী কেথেনুহঁতহে। সদায় একলগে ঘূৰি ফুৰা বস্তীৰ ছোৱালী জাকলৈ তাইৰ সততে মনত পৰিব। ঘৰখনৰ কথা মনত পৰিলে তাই হয়তো অলপ সময়ৰ বাবে আনমনা হৈ পৰিব। ইমান দিনে কল্পনা কৰি থাকি আজি ঘৰখন কিছুদিনৰ বাবে এৰিবলগীয়া হোৱা কথাটো মনত পৰি তাইৰ বেয়া লাগিল। দিনে দিনে তাইৰ সমনীয়া হৈ আহিব ধৰা সৰু ভনীয়েকজনীৰ কথা তাইৰ শুবৰ সময়ত ৰবকৈ মনত পৰিব। ইমান দিনে সিহঁত দুয়ো একেলগে শুইছিল। সৰু ভায়েক

হুজনলৈ তাই বন্ধুত্ত আছিলে ভাল চাই কিবা বস্তু কিনি আনিব। তাকে লৈ বস্তীৰ সিহঁতৰ সমনীয়া ল'ৰাবোৰৰ আগত সিহঁতে 'বাইদেৱে আনি দিছে' বুলি কৈ গৰ্ব কৰিব। কিমান আনন্দ পাব সিহঁতে! বস্তীৰপৰা কোহিমালৈ যোৱা কোনোবা মানুহক লগ পালেই তাই পিট্ পিট্কৈ সুধিব বস্তীৰ সক-ডাঙৰ আটাইৰে খবৰ-বাতৰি। সাতবন পিছ পেলায়ো সিহঁতৰ লগত অলপ ঘূৰিব। নগৰৰ চিনাকি ল'ৰা-ছোৱালীবোৰে তাইক মাতিব। হাঁহি হাঁহি কথা পাতিব। বস্তীৰ মানুহ কেইজনক তাই বুজাই দিব—'তাইৰ লগত পঢ়া বন্ধু' বুলি। বস্তীৰ মানুহ-বোৰৰ মুখবোৰ হয়তো আনন্দত উজ্বল হৈ উঠিব।

কোহিমাত গৈ ইস্ কেনেকৈনো তাই বন্ধু পাতিব সমনীয়া ছোৱালীবোৰৰ লগত! সমনীয়া ছোৱালীবোৰক মাতো মাতো বুলি মনটোৱে উচ্পিচালেও হয়তো মুখামুখি হলে লাজ লাজ লাগিব প্ৰথমতে আৰু হয়তো তাই মাতো মাতো কৰি থাকোতেই সিহঁতৰ এজনীয়েই আগ ধৰি মাতি পেলাব তাইক। প্ৰথম চিনাকিৰ সকলোখিনি সৌহাৰ্দৰে তাই কথা পাতিব সিহঁতৰ লগত। তাইৰ ঘৰৰ কথা, সৰু ভনীয়েকৰ কথা ক'ব। সেই ন-চিনাকি বন্ধুত্বখিনিয়েই ৰূপ ল'ব স্থায়িত্বলৈ। সিহঁতৰ মাজৰ ন-চিনাকিৰ সংকোচ আৰু আঁসজা ভাবটো কেনিবা পলাব। কোনো দিনে নেদেখা ঠাইখনৰ কল্পনা কৰি সমনীয়া ছোৱালী-বোৰৰ সতে কোহিমাৰ পকা আলিবাটত কল্পনাতে জাচমীয়ে খোজ কাঢ়ে।

একেবাহে কেবাটাও গীতৰ শেষত আবৃত্তিৰ বিৰতি পৰে থেকাকীত। ডেকা দলটোৱে কুকলিয়ায়। গোটেই বস্তীখন ভেদ কৰি সেই ধ্বনি বিয়পি পৰে দূৰ-দিগন্তত। আসন্ন সন্ধিয়াত নীৰৱ চিচেমা বস্তী ধ্বনিত হৈ উঠে থেকাকীৰপৰা ভাহি অহা সেই কুকলিৰ শব্দৰে। অলপ পিছতে বেলিটো লুকাই পৰিব পাহাৰৰ সিপাৰে। লাহে লাহে টিঙটোৰ পিনে বেলিটো

আগ্ৰ কাঢ়িছে,। ৰ'দ নোহোৱা ম্লান পোহৰখিনি সিঁচৰতি হৈ আছে চিজেমাৰ ইমুন-সিমুৰ জুৰি। দূৰৰ পাহাৰ এখনত ভেতিয়াও শেতা ৰ'দে বিদায় লোৱা নাই। বিদায়ী বেলিটোৰ পিনে এবাৰ চাই তাই এখোজ দুখোজকৈ চোতালখন পাৰ হৈ ঘৰৰ বাৰাণ্ডাত পাৰি থোৱা কাঠ ডালৰ ওপৰত বহে। তাই যেন কি কৰিব, কি নকৰিব তাকে ভাবি পোৱা নাই। ওচৰতে পৰি থকা এণ্ডাৰ এটুকুৰা বুটলি ললে তাই। অলপ সময় এণ্ডাৰটোলৈ চাই ৰ'ল। তাৰ পিছত বহি থকা কাঠডালৰ পিঠিত বৰ অমনোযোগেৰে যিহকে মন যায় তাকে আঁকিবলৈ ললে তাই। অলপ সময় একা-বেঁকাকৈ কেইটামান আঁক মাৰি হাতৰ এণ্ডাৰটো টিলিকি মাৰি পেলাই দিলে। পিছত এবাৰ চাই আঁক কেইডাল এডাল এডালকৈ মচি পেলালে। এণ্ডাৰৰ গুৰিবোৰ চপাই আনি লগ কৰিলে। তাৰ পিছতে কৰঙণত কিলাকুটি এটাৰে ভৰ দি গুৰিখিনি ফুৰাই পেলাই দিলে।

মেৰীক লগ ধৰি আহিলে ভাল আছিল নেকি! তাই আকৌ বহাৰপৰা থিয় দি খুটা এটাত আঁউজি খৃষ্টিয়ান বস্তীৰ পিনে চাই চাই ভাবিলে। কিনো সুধিমগৈ তাইক? সিদিনা লগ পাইছোৱেই। সকলোবোৰ কথা বুজাই কৈছে তাই। তায়ো বুজি আহিছে। আকৌ আজি গলে তাই চাগে আঁকৰা বুলি ভাবিব!

মেৰীজনী দেহি! ইমান ভাল লাগে তাইক! বৰ শান্ত আৰু মৰমিয়াল। যিহকে সুধিলেও ইমান ধুনীয়াকৈ কৈ দিয়ে তাই। কোহিমাৰ কথাকে পেঘেনিয়াই পেঘেনিয়াই কম সুধিলেনে! নগৰখনৰ কথা, স্কুলৰ কথা, স্কুললৈ যোৱা ল'ৰা-ছোৱালীবোৰৰ কথা, পিন্ধা কাপোৰৰ কথা। উস্ তথাপি তাই খং নকৰিলে, আমনি নাপালে। তায়ো গৈ সকতে চিজেমাৰ স্কুলত পঢ়িছিল। পিছতহে কোহিমালৈ গ'ল। সেইদিনা মেৰীয়ে কি এটা গান গাই শুনাইছিল—! ইস্—বাঃ মনতে নৰ'ল মৰিবলৈ! ইংৰাজী গান।

সিহঁতে প্ৰত্যেক দেওবাৰে গীৰ্জালৈ যায় আৰু গান শিকে হেনো। তাকো মেৰীৰ লগত গৈ গান শিকিব—ইংৰাজী গান। মেৰী ভাল ছোৱালী। তাই শিকাবও।

তাই গান গাব। বয়সত বিয়াৰ পিছত কাৰবাৰ বুকুৰ মাজত নিজকে বিলীন কৰাব। ইচ্ছাৰ প্ৰকাশ কৰি গীত গাব।

নতুন গান গাচোন। তাইৰ পুৰণি গানটোৰ প্ৰতিবাদ কৰিব লগৰ এজনীয়ে।

কিয় ?

তোৰ বিয়া হ'বৰ মন গৈছে নেকি অ' ?

কোহিমাত মন মিলালি নেকি অ' জাচমী ?

ধেৎ—নাই।

কেৰিটৰ গানটো তই বৰকৈ গায় দেখোন।

নতুন গান শিকিছো। গান ?

কেলেই নাগাবি অ' ?

তাই সিহঁতক নতুন গান গাই শুনাব, সিহঁতে মন্ত্ৰমুগ্ধা হৈ তাইৰ মুখৰ পিনে চাই শুনি থাকিব। বন্ধৰ দিনকেইটাৰ আজৰি সময়ত তাই ৰং-ধেমালি কৰি কোহিমাৰ বিচিত্ৰ কাহিনী কৈ কটাই দি এদিন আকৌ কোহিমালৈ গুচি যাব।

চোতাললৈ ওলাই আহিল জাচমী। বেলি বুৰি গ'ল। আসন্ন সন্ধিয়াৰ পাতল আন্ধাৰবোৰ নামি আহিছে ইতিমধ্যে। তাই মনেই কৰা নাছিল। থেকাকীৰ বাঁহডাল চকুত পৰিল তাইৰ। বহুতো ওপৰত লেমটো জ্বলি আছে। অলপ অলপ কঁপিছে প্ৰোহৰখিনি। বতাহত লাহে লাহে পোহৰটো স্পষ্ট হৈ আহিছে। সেউজীয়া পোহৰ। আকাশী তৰা এটা যেন সৰগৰপৰা নামি আহিছে চিক্ৰেনী পূজা চাবলৈ। অকলে জ্বলি থকা পোহৰ-খিনিলৈ একেথৰে চাই ৰ'ল জাচমীয়ে। মন্ত্ৰমুগ্ধাৰ দৰে ভালেখিনি সময় চাই চাই অলপো আমনি নালাগিল তাইৰ। বুকুৰ আশা-আকাংক্ষাখিনিও যেন অকলশৰীয়া পোহৰখিনিৰ দৰেই

অকলশৰীয়া। নিৰ্মল। উজ্জল। সন্ধিয়াৰ বতাহ এচেৰেঙাই তাইক চুই যায়। বতাহে সিৰ্ সিৰণি তুলি দিয়া বুকুখনৰ ওপৰত হাত দুখনেৰে হেঁচা মাৰি ধৰি থিয় দি থাকে। বতাহ বেছিকৈ দিয়ে। লেমটো অলপ বেছিকৈ লৰে। নুমাই যাব নেকি ? ইমান বতাহ দিছে ! তাই তন্ময়ভাৱে লেমটোৰ পিনে চাই থাকে।

ঘৰৰ ভিতৰত কিবা এটা পৰাৰ শব্দ শুনি তাই চক্ খাই উঠিল। ঘৰৰ ভিতৰত আন্ধাৰ দেখি লুতুৰা গাহৰীটো সোমাইছেগৈ হ'বলা। খং উঠি যায় জাচমীৰ। 'হাইচ্—' বুলি তাই খেদা মাৰি যায়, ঘৰ খোজেৰে। সন্ধিয়াৰ ভোটা'তৰাটো উজ্জল হৈ উঠিছে ভেভিয়া। তৰাটোৰ পিনে উৰি যোৱা এচপৰা ক'লা মেঘ তাইৰ চকুত পৰিল।

খৰালিৰ পিছত কেইজাকমান মৌচেৰেপা বৰষুণ পৰিল নগা পাহাৰত। শুকান মাটিত জীপ পাই উঠিল মৰামুৱা হৈ জীয়াই থকাৰ সম্ভাৱনা বিচৰা গছ-লতাবোৰে। লঠৰা হৈ শীতত ঠেৰেঙা লগা গছবোৰৰ ডাল ভৰি অহা মুগা বৰণীয়া কুঁহি পাত আৰু শুকাই চেপেটা লগা লতাবোৰত সেউজীয়া পাতে ঠণ ধৰি হাঁহি জীয়াই তোলে। আকৌ দিনে দিনে নগা পাহাৰৰ প্ৰকৃতিয়ে মনোমোহা ৰূপ লয়।

সেই শুকান পথাৰ ঢাকি ধৰা কুমলীয়া ধানবোৰৰ মাজলৈ কৰ্ম ব্যস্ত নাগিনী গাভৰুহঁত নামি আহে। সিহঁতৰ শুকান পথাৰৰ ধানৰ মাজত গজি অহা বনবোৰ নিৰাই দিবলৈ অকলে আহিছিল জাচমী। এদিন দুদিনকৈ চিক্ৰেনী পূজা শেষ হৈ যোৱা তিনি মাহ হ'ল। শুকান খেতিৰ ধান গজিল। লাহে লাহে আগ বাঢ়ি আহিছে পানী খেতিৰ বতৰ। সেই বাঁহডাল— চিক্ৰেনী পূজাৰ বাবে জিলেশ্চৰ খেকাকীৰ আগত পুতি দিয়া বাঁহডাল আজিও আছে। ধানৰ মাজৰপৰা বনবোৰ উঘালি থাকোতে জাচমীৰ চকুত পৰে বাঁহডাল। অন্যমনস্কভাৱে তাই তলমূৰ কৰি কামত মন দিবলৈ চেষ্টা কৰে।

পাহাৰৰ প্ৰকৃতিৰ মাজত তাণ্ডৱ হোৱা নাগিনী গাভৰু জাচমী। যুগৰ পিছত যুগ অতিবাহিত হৈছে—তাইৰ সাত পুৰুষ এই নগা পাহাৰতে। কিমান দিন অকলে অকলে হাবিৰ মাজৰপৰা খৰি কাটি আনিছে, সন্ধিয়া নৈৰপৰা পানীৰ হোৰাটো পিঠিত তুলি হাবিৰ মাজৰ বাটটোৰেদি অকলে আহিছে—ক'তা কাকোতো তাই ভয় কৰাৰ কথা মনত পৰা নাই। কিহৰ ভয়? কালৈ ভয়? বাঘ-ভালুক? সাপ-বেং? হয়তো পাহাৰত সকলো আছে; কিন্তু তাইৰ মনত নপৰে এদিনো সিহঁতৰ এটাকো ভয় কৰি এবাৰৰ বাবেও উচপ খোৱা।

চিক্ৰেনীৰ বাঁহডাল চকুত পৰাত উচপ খাই উঠিল কিয় তাই? বাওঁহাতত এডাল দুডালকৈ উঘালি জমা কৰা বৰছা বনবোৰ অন্যমনস্কভাৱেই দূৰলৈ দলি মাৰি দিলে জাচমীয়ে। হাতেৰে খামোচ মাৰি ধৰি থকা সৰু দাখন যেন বৰ গধুৰ আৰু তাইৰ যেন ধৰি থাকিবলৈ হাতখনত বল নোহোৱা হৈ আহিল। হাতৰ মুঠিটো ঢিলা হোৱাৰ লগে লগে দাখন সৰি পৰিল।

'আনি অ'!' কোনে যেন তাইৰ কাষতে বহুত দূৰৈৰপৰা দৌৰি আহি জপংকৈ বহি মাতিলে। মাতটো তাইৰ কাণত বাজি উঠিল—তাইৰ সৰু ভনীয়েকৰ। পিছপিনে ঘূৰি চালে তাই। অৰ্থহীন দৃষ্টি। মানসিক দুৰ্বলতাখিনিৰ বাবেই তাই মনটো দমাই ৰাখিব নোৱাৰিলে। সেই চোৱাৰ কোনো অৰ্থ নাই। গোটেই জীৱনটো যদি তাই তাইক বিচাৰিও ফুৰে—ক'ত পাব? তথাপি তাই চালে—সঁচাকৈয়ে, অলপো ভুল নাই, ঠিকেই শুনিছে জাচমীয়ে—সৰু ভনীয়েকে তাইক মাতিছে। বায়েকক যেন তাই বহুতো সময় অ'ত বিচাৰি, ত'ত বিচাৰি হাৰাবাণ হৈ বহুত দূৰৈৰপৰাই অকস্মাৎ দেখি দৌৰি আহি গাতে-গা লগাই বহি মাতিলেহি। পিছপিনে জিলিকি আছে খলপা পথাৰবোৰ কোলাত লৈ বিৰাট বিৰাট পাহাৰকেইখন। সেউজীয়া ধানবোৰ। গছ-গছনিবোৰ। আৰুতো একো নাই। আৰুতো

কোনো মানুহ নাই। একাক কপৌ শূন্যেদি উৰি পশ্চিমৰ পিনে আগবাঢ়ি গৈছে। উদাস দৃষ্টিৰে তাই মুখখন ঘূৰাই আনিলে। আকৌ চকু পৰিল বাঁহ ডালত। বিচ্ছেদৰ শোক, ব্যৰ্থতা আৰু জুকলা মনটোৰে জাচমীয়ে চাই ৰ'ল বাঁহডালৰ পিনে। চকুৰ পানী নমা অবিৰাম ধাৰাবোৰে সেই দৃষ্টিক অস্পষ্ট কৰি দিলে। টপ্ টপ্কৈ তাইৰ চকুৰ পানীবোৰ সৰি ধান গছৰ গুৰিত পৰিল। দুহাতেৰে চকু দুটা ঢাকি ধৰি আঁঠুত মুখখন গুজি দি বহুতো সময় উচুপি উচুপি কান্দিলে জাচমীয়ে। সৰু ভনীয়েকজনীৰ কথা তাই পাহৰিব পৰা নাই। পাহৰিব পৰা নাই কোনো এজনে। তাই আৰু উভতি নাহে। গোটেই পৰিয়ালটোৱে, গোটেই চিচেমা বস্তীখনে অনত বাখিলেও এই জীৱনৰ বাবে তাই পাহৰি পেলাইছে, আঁতৰি গৈছে। তাই মৰিল।

চিক্রেনী পূজা শেষ হোৱাৰ দুদিন পিছৰ দিনা জাচমী যাবৰ কথা কোহিমা হাইস্কুললৈ পঢ়িবলৈ। মেৰীক লগ ধৰি জাচমীয়ে কৈ থৈছিল একেলগে সিহঁত যাব বুলি। মেৰীয়েও জাচমী যাব বুলি শুনি ৰং পাইছিল। সিহঁতৰ ঘৰত অবশেষত আটায়ে সন্মতি জনাইছিল তাই কোহিমালৈ যোৱাটোক। আটায়ে মানে মাকে সন্মতি দিয়া নাছিল। চিক্রেনীৰ পিছতে কাপোৰ-কানিবোৰ বান্ধি তাই ঠিক-ভাগ লগাই থৈছিল। বাপেকে অ'ত ত'ত সাঁচি থোৱা পইচাবোৰ লগ কৰি টকা ডেৰকুৰি উলিয়াইছিল। প্ৰস্তুতিৰ বাকী নাই একো; কিন্তু সেই প্ৰস্তুতি কোনো কামত নাহিল। আগদিনাখন সন্ধিয়াতে সৰু ভনীয়েকজনীৰ উঠিল তীব্ৰ কপে জ্বৰ। সেৰেঙা জ্বৰো নহয়। একে কোবে গোটেই গাটোত আথৈ ফুটা গৰম উঠিল। জ্বৰৰ লগে লগে বেহুঁচ। ঘৰখন ব্যস্ত হৈ পৰিল। ৰাতিয়ে খবৰ পাই ওচৰৰ দুই চাৰিজন মানুহ আহি খবৰ কৰিলে। দুদিন আগতে থেকাকীত বহি-গীত গাই, নেজাৰ শেষতো সুস্থ শৰীৰে হাঁহি-ধেমালি কৰি বায়েকক কোহিমাত থৈ আহিবলৈ ওলোৱা ছোৱালীজনীৰ কোনেও তৰ্কিব নৌ পাওঁতেই এনেকুৱা

অৱস্থা দেখি সকলোৰে মুখৰ মাত হেৰাল। তাই জ্বৰৰ মাজতে প্ৰলাপ-বকে, হাঁহে, গাৰ কাপোৰ-কানিবোৰ টানি-আজুৰি দলিয়াই পেলায়। হঠাৎ শোৱাৰপৰা উঠি বহে, বহাৰপৰা দৌৰ মাৰিব খোজে। একেবাৰে অশান্ত অৱস্থা।

মাকে ৰাতি ভালকৈ নমনে। টিমিক-টামাককৈ জ্বলি থকা চাকিটোৰ পোহৰৰ পিনে চাই চাই খেপিয়াই খেপিয়াই বুঢ়ী জীয়েকৰ ওচৰলৈ গৈ গালে-মুখে হাত বুলাই দি মাতিলে। জীয়েকৰ হুঁচ্ নাই। মাকৰ মুখলৈ অচেতনভাৱেই থুৱাই দিয়ে। ৰাতি গভীৰ হৈ অহাৰ লগে লগে ওচৰ চুবুৰীয়া মানুহকেইজন গুচি গ'ল। বাহিৰত ৰৰষুণ দিয়াৰ আগজাননী। মাজে মাজে মেঘে গাজিছে। বেমাৰী ভনীয়েকৰ ওচৰতে বহি জাচমী। অলপ দূৰত কান্দি কান্দি বহি আছে মাক। কিং কৰ্তব্য বিমূঢ় বাপেক মজিযাখনত ঘূৰি ফুৰিছে উপায় বিচাৰি। অলপ সময় বিছনাৰ ওচৰত থিয় দি থাকি টোপনিত লালকাল দিয়া ল'ৰা দুজনক বাপেকে বিছনাত শুৱাই দি আহিল।

উপায়হীন অৱস্থাৰে দীঘল ৰাতিটোৰ বুকুত বেমাৰী ছোৱালী-জনী আগত লৈ বাপেক আৰু জাচমী বহি থাকে। চিকিৎসাৰ ব্যৱস্থা ৰাতিপুৱালে হয়তো কৰাব পাৰি। বিজ্ঞানৰ আবিষ্কাৰ—কেক্টৰীৰ ঔষধেৰে চিকিৎসা কৰিবলৈ চিচেমা বস্তীত ডাক্তৰ নাই। ওচৰৰ ডাক্তৰখানালৈ এক কম কুৰি মাইল ;—কোহিমাত। অসুখ-বিসুখ হলে ডাক্তৰী চিকিৎসা কৰাব লগাৰ কথা চিচেমাৰ মানুহে ভাবিব নোৱাৰে। ভাবিব পাৰে কিবা গছৰ পাত থেতেলাই তাৰে ৰস খুৱাবলৈ, গেনা পাতি পূজা কৰিবলৈ—গভীৰ বিশ্বাসেৰে গাহৰী কাটি তাৰ মঙহেৰে অপদেৱতাক পূজা কৰি নৰ-মাংসৰ লোভৰপৰা বিৰত থাকিবলৈ প্ৰাৰ্থনা কৰিবলৈ। যদি সংসাৰত আয়ুস আছে, খাবলৈ চাউল আছে, তেন্তে বেমাৰী ভাল হ'ব। কিন্তু আটাইবোৰ বেমাৰীৰে' ভাল হোৱাত কোনো যুক্তি নাই। অমৰ হৈ থকাৰ কল্পনা নগা পাহাৰতো কোনেও নকৰে।

তথাপি বিদায় দিবলৈ, চিৰ জীৱনলৈ ৰব অগা-পিছাকৈ এবা এবি হ'বলৈ মনে নামানে যে! সেয়ে একলগে থাকিবলৈ, এবা এবি নহ'বলৈ সকলোৱে চেষ্টা কৰে।

গোটেই ৰাতিটো চকুত টিপ্ নমৰাকৈ বেমাৰী জীয়েকৰ ওচৰত বহি থাকি ৰাতিপুৱা ব'দ ওলাওঁতে নৌ ওলাওঁতেই বাপেকে কলপাত এখনত কেচা চাউল কিছুমান আৰু হাতত কুকুৰা কণী দুটা লৈ ঘৰৰপৰা ওলাই গ'ল। ৰাতিৰ বৰষুণৰ পিছত ডাৱৰে ঢাকি ৰখা পুৱতি নিশাৰ আকাশখনৰ দৰে বুঢ়াৰ গধুৰ মন। বস্তীৰপৰা অলপ দূৰতে পোৱা তিনিবাটৰ মূৰত পূব মুৱাকৈ থিয় দি কলপাতৰ চাউলখিনি মুঠি মুঠিকৈ ছটিয়াই দি, বাটৰ ওপৰত কণী দুটা আচাৰ মাৰি ভাঙি হাবিৰ পিনে চাই ক'লে—মোৰ ছোৱালীৰ গাত লম্ভা হে অপদেৱতা, তুমি এইখিনি পূজাকে লৈ সন্তুষ্ট হোৱা। তাইৰ আৰোগ্যৰ পিছত মই সামৰ্থ্য অনুযায়ী তোমাক পূজা কৰিম। তাৰ পিছত সেই পিনে ঘূৰি নোচোৱাকৈ বাপেক ঘৰমুৱা হ'ল।

ৰাতিপুৱাৰ লগে লগে বস্তীৰ মানুহবোৰ আহিল বিচাৰ ল'বলৈ। চিক্ৰেনীৰ থেকাকীত পৰহি দিনালৈ বহি থকা সৰবৰহী ছোৱালী-জনীৰ আকস্মিক অসুখত সকলোৱে দুখ পালে।

কেন্না দিনাখনেই মোৰ মনটো চেৰাইছিল—কিবা এটা হ'ব বুলি। মাক বহি আছিল অলপ দূৰত। বেমাৰীৰ বিচাৰ ল'বলৈ অহা কেইজনীমান তিৰোতা মানুহক মাকে ক'লে।

কিনো হৈছিল? এজনীয়ে সুধিলে।

মংগল চোৱা জুইকুৰা দুৱাৰ জ্বলিছিল কাঠডালৰ সোঁ-পিনে। বাওঁপিনে এবাৰো নজ্বলি ধোঁৱাই থাকিল। মাকে যোৱা ৰাতিটো একো কৰা নাই। টোপনিও যোৱা নাই। মাথোন আঠু দুটাৰ মাজত মূৰটো গুজি কান্দিছিল। কথাষাৰ কঁপা কঁপা মাতেৰে কোনোমতে শেষ কৰিলে। মৰণৰ বিভীষিকাই যেন বুঢ়ীৰ মানস চকুত নৃত্য কৰিছে।

গেলা বুঢ়া আছি মৰিয়া চালে। এদিনৰ বাবে বস্তীত গেলা ঘোষণা কৰিলে—কোনো মানুহ এদিনৰ বাবে পথাৰলৈ বা হাবিলৈ গৈ কাম কৰিব নোৱাৰিব।

গাওঁবুঢ়া আছি চোতালত থিয় দি সকলোৰে শুনাকৈ ঘোষণা কৰিলে যদি বেমাৰীৰ শৰীৰৰপৰা দুষ্ট অপদেৱতা ভালে ভালে আঁতৰি যায়, তেন্তে তেওঁ নিজৰ ঘৰৰপৰা এটা গৰু মাৰি, এই ঘৰখনৰ মংগলৰ বাবে কলিজাটো সেই দেৱতাৰ নামত অৰ্পণ কৰি কেমোভোকে আদি কৰি বস্তীৰ মানুহৰ মাজত মঙহখিনি বিলাই দিব।

সমূহীয়া মংগলৰ কাৰণে গাওঁবুঢ়াৰ আজি এই স্বাৰ্থ ত্যাগ। ভনীয়েকৰ ওচৰত বহি বহি জাচমীয়ে ভাবিলে গাওঁবুঢ়াৰ মহান ত্যাগৰ কথা। এখন ঘৰত অশান্তি মানেই বস্তীখনৰ অশান্তি। সিহঁতৰ ঘৰৰ বিপন্নতা দেখিয়েই গাওঁবুঢ়াই গৰু এটা আগবঢ়াইছে। দিন-কাল ভাল হলে তাইৰ বাপেকেও হয়তো আন কাৰোবাৰ বিপন্ন অবস্থাত তেনেকৈ আপোন ইচ্ছাতে ত্যাগ কৰিব। বস্তীৰ মানুহবোৰৰ এইখিনি সম্প্ৰীতিৰ অভাব কোনো দিনেই হয়তো নহ'ব।

তথাপি ভনীয়েকৰ জ্বৰৰ উপশমৰ কোনো লক্ষণেই দেখা নিদিলে। বৰং দ্বিতীয় দিনা অবস্থা শোচনীয় হৈ আহিল। মুখৰ মাত নোলায়। কিবা বিৰ্ বিৰ্কৈ কলেও বুজি নাপায়। ইচাট্-বিচাট্ কৰি থাকে। জাচমী নিশ্চলভাবে বহি আছে ভনীয়েকৰ ওচৰত। অলপো ক্লান্তি নাই, অবসাদ নাই। যিমান পাৰে শুশ্ৰূষা কৰিছে তাই।

দিনটো পাৰ হৈ গৈ সন্ধিয়া নামিল। আনদিনাৰ দৰে পাহাৰৰ টিংটোৰ সিপাৰে বঙা বেলি মাৰ গ'ল। মাৰ যোৱা বেলিটোৰ গোলাপী আভা লাহে লাহে নীলাভ আকাশৰ বুকুত মাৰ যোৱাৰ অলপ পিছতে সন্ধিয়াৰ নীলিমাৰ বুকুত, পূবালিত জিম্‌জিমালৈ অকলশৰীয়া তৰা এটাই। বহুতো তৰা তেতিয়াও

জিলিকি উঠা নাই। মৃদু বতাহ এজাক বৰ লাহে লাহে বৈ গ'ল চিচেমা বস্তীৰ ওপৰেদি।

সেই সময়খিনিতে জাচমীয়ে লক্ষ্য কৰিলে—ভনীয়েকে লাহে লাহে কাপোৰৰ তলৰপৰা হাত দুখন বাহিৰ কৰিবলৈ যেন খচ্ মচাইছে। ওঁঠ দুটা অলপ কঁপিছে। লাহেকৈ তাই ভনীয়েকৰ হাত দুখনত হাত বুলাই দিলে। তাই হয়তো কিবা ক'ব তাৰে অপেক্ষাত তাইৰ পিনে সন্দিগ্ধ মনে চাই ৰ'ল।

সকলো শ্ৰমৰ সাৰ্থকতা আনি তাই এদিন ভাল হৈ উঠিব। দুৰ্বল হাঁহিৰে তাই ইটো সিটো কথা ক্ষীণকৈ সুধিব। এদিন দুদিনকৈ তাই ভাল হৈ উঠি পুনৰ হাঁহিৰ খলকনিৰে ঘৰখন মুখৰিত কৰি তুলিব। বস্তীৰ গাওঁবুঢ়াৰ নিস্বাৰ্থ ত্যাগত দেৱতা নিশ্চয় সন্তুষ্ট হ'ব। ভনীয়েকৰপৰা অপেক্ষা কৰা কিবা কথাৰ বাবে নিশ্চলভাবে কাণ পাতি বৈ ঈষৎ কঁপা ওঁঠ দুটাৰ পিনে তাই চাই থাকে। মূৰ শিতানৰ পিনে জ্বলি থকা ক্ষীণ পোহৰত জাচমীৰ আশাভৰা হাঁহিটোৱে চিকিমিকি কৰে।

ৰাতি হৈ অহাৰ লগে লগে অসম্ভৱ গহীন লাগে ঘৰখন। গধুৰ লাগে জাচমীৰ মনটো। সিহঁত কোনেও আজি দুদিন ভাত-পানী খোৱা নাই। মাকে ভৰিৰ পিনে বহি বেৰত আঁউজি উদাস মনে চাকিটোৰ পিনে চাই থাকে। সম্ভৱপৰ কি উপায় আছে—যিহেৰে ছোৱালীজনীক বচাই তুলিব পাৰি তাৰে দুৰ্ভাৱনাত ভাহি পৰে বাপেক।

ৰাতি চাগে ৰৰষুণ দিব। বাহিৰত বতাহৰ সোঁ-সোঁৱনি। আকাশত সঞ্চালিত মেঘৰ দ্ৰুতগতি। গম্ভীৰ গাজনিৰ চঞ্চল বিজুলী। প্ৰত্যেকেই যেন গঢ়ি তুলিছে অনাকাংক্ষিত মৃত্যুৰ চৰম বিভীষিকা। এই হাড়ীহেন ৰাতিটোৰ যেন শেষ নাই। শেষ নাই পাহাৰী বতাহৰ। বেৰৰ সুৰঙাইদি সোমাই অহা বতাহে কেৰাচিনৰ চাকিটোৰ ৰঙচুৱা শিখাটো বাৰে বাৰে কঁপাই তোলে। উৰায়ে লৈ যাব যেন—ঘৰখনক গভীৰ আন্ধাৰৰ কোপত পেলায়।

একোবাৰ তীব্ৰ বতাহত গোটেই ঘৰটো মটমটাই উঠে। জুহালৰ জুইকুৰাৰ খৰিবোৰত জমা হোৱা বগা ছাইবোৰ সিঁচৰতি হৈ পৰে গোটেই মজিয়াখনত আৰু সৰি পৰে কিছুমান আঙাৰ।

তাই কিবা এটা ক'ব খুজিছিল। জাচমীয়ে ওঁঠ দুটা তাইৰ গালত মৰম লগাকৈ ঘঁহি দি সুধিলে—কি ?

তাই একো নামাতিলে। ওঁঠ দুটা আকৌ লৰিল, খুব ক্ষীণ কিবা এটা কথা কৈছিল ; কিন্তু কাণ পাতিও একো নুবুজিলে। চকু দুটা মেলি জাচমীৰ পিনে চাই থাকিল মাথোন। ভিতৰত ৰুদ্ধ হৈ থকা উশাহবোৰে যেন তাইক অস্থিৰ কৰি তুলিছে। বাহিৰত দুই এটোপালকৈ বৰষুণ পৰাৰ টপ্ টপ্ শব্দ।

বাপেকে হাত এখনৰ পিঠিফালটো তাইৰ নাকৰ ওচৰত অলপ সময়ৰ বাবে ধৰিলে। অধৈৰ্য হৈ পৰিছে জাচমী। ভনীয়েকৰ মৰণ আনিলে নেকি তাই ? কিয় সিহঁত হঠাতে সন্দিহান হৈ পৰিল তাই জীয়াই থকাত ? সন্দিহান হ'ল বুলিয়েইতো তাই বাপেকক ক'লে 'চাচোন' বুলি ! কিয় ক'লে ? কিয় চাবলগীয়া হ'ল তাইৰ শ্বাস-প্ৰশ্বাসৰ গতি ? বাপেকৰ মুখলৈ এবাৰ, হাতখনলৈ এবাৰ পলকতে চাই জাচমীয়ে ভনীয়েকৰ মুখলৈ চাই ৰ'ল। লাহে লাহে তাইৰ চকুপানী দুটোপা কঁপা কঁপা হাতেৰে মচি দিলে। হিম-শীতল মুখ-মণ্ডলৰ ওপৰৰ চকুৰ পানীখিনিত হাতৰ তলুৱা লাগি তাইৰ গাটো সিৰ্সিৰাই গ'ল।

উস্ বুলি বাপেক বিছনাখনতে বহি পৰিল। চাকিটোৰ পোহৰবোৰ যেন কঁপি কঁপি নোহোৱা হৈ গৈছে। হাতেৰে খেপিয়াই মাক আহি অলৰ হৈ পৰি থকা জীয়েকক সাবট মাৰি ধৰিলে।

দপ্দপীয়া বৰষুণৰ মাজতে আকৌ এবাৰ ক'ৰবাত বজ্ৰপাত হ'ল। এচমকা বিজুলীয়ে যেন সিহঁতক ভুমুকিয়াই চাই গ'ল।

গোটেই বস্তীখনৰে মানুহবোৰ ৰাতিপুৱাতে সিহঁতৰ ঘৰ

পালেহি। যোৱা ৰাতিবেপৰা মাক উবুৰি হৈ পৰি আছে মৰাশটোৰ ওপৰতে। একোবাৰ চিঞৰি চিঞৰি মাতে মৰা জীয়েকৰ নাম কাঢ়ি, একোবাৰ মিনতি কৰে তাইক—কথা ক'বলৈ কৈ, একোবাৰ মুখতে মুখখন গুজি দি পাগলী হৈ ইনাই-বিনাই কান্দে।

মাকৰ বয়সীয়া তিৰোতাবোৰে মুখত মুখখন গুজি দি ৰাউচি জুৰি কান্দিলে। সমনীয়া ছোৱালীবোৰে কেঁকুৰি কান্দিলে, মতা মানুহবোৰে চকুৰ পানী নুটুকিলেও গভীৰ দুখ প্ৰকাশ কৰিলে। বেৰৰ খুটাত আঁউজি জাচমী বহি আছে। তাইৰ চাৰিওপিনে—ভনীয়েকক আগুৰি ধৰি কান্দিছে আৰু ইছ্-ইছ্-আইছ্ কৰি অন্তৰৰ গভীৰ শোক প্ৰকাশ কৰিছে। তিৰোতা আৰু ছোৱালী-বোৰৰ সেই শোকাৰ্ত ইছ্-আইছ্‌বোৰ যেন অন্তৰৰপৰা ওলাই অহা একোটা সাপ—ৰুদ্ৰ মূৰ্তিৰে অপদেৱতাক বিচাৰি গৈছে। তাই একো নামাতি আঠুৰ ওপৰত কিলাকুটি পুতি বহি ৰ'ল।

আবেলিৰ লগে লগে থিক্ৰ' খন্দা কাম শেষ কৰিবলৈ লাগিছে কেইজনমান মানুহ। থিক্ৰ'ৰ স্থান বাপেকেই ঠিক কৰি দিছে—চোতালৰ পূব মূৰত। সিহঁতবো কাৰো মুখত কথা নাই। মাজে মাজে সিহঁতে হুমুনিয়াহ কাঢ়ে। দুখৰ আৰু সহানুভূতিৰ ভাব লৈ অহা হুমুনিয়াহ। শান্তনা দিবলৈ সিহঁতৰ ভাষা নাই।

মেৰী আৰু এজনী খৃষ্টিয়ান বস্তীৰ ছোৱালী সোমাই আহিল। তলমূৰ কৰি বহি থকা জাচমীৰ ওচৰত থিয় দি মেৰীয়ে মাতিলে—জাচমী!

তাই মূৰ তুলি চালে। দুয়োৰো চকুৰে চকুৰে পৰিল। ফুলি ঔ-ফুলীয়া হোৱা ৰঙা পৰা চকু দুটাৰে আকৌ নামি আহিল অজস্ৰ চকুলো। বহাৰপৰা তাই থিয় দিলে মেৰীৰ ওচৰত। ধৈৰ্যৰ বান্ধ তাইৰ যেন হেৰাই গ'ল। খামোচ মাৰি তাই মেৰীৰ হাত এখনত ধৰি বৰ অসহায়ভাবে মাতিলে—'মেৰী!' কি কৰিব

জাচমীয়ে যেন ভাবি পোৱা নাই। মেৰীয়ে তাইৰ হাত দুখন নিজৰ হাতৰ মাজত ৰাখি বুজনিৰ সুৰত ক'লে,—দুখ নকৰিবি জাচমী। শোক কৰাও অৰ্থহীন। আমি আটায়ে মৰিম—অগা পিছাকৈ। সকলো প্ৰভুৰ ইচ্ছা। প্ৰভুই তাইৰ আত্মাক শান্তি দিয়ক। মেৰীয়ে এখন্তেক চকু দুটা মুদি কিবা প্ৰাৰ্থনা কৰিলে। হাত দুখন দি বুকৰ ওপৰত ক্ৰচ এডাল সাজিলে।

ভনীয়েকৰ নাম মেৰীৰ মুখত শুনি জাচমীয়ে উচুপি কান্দিলে। ভালেখিনি সময় মেৰীয়ে তাইৰ পিঠিত হাত বুলাই দিলে। বাহিৰত বৰষুণত তিতা মাটিত কেঞ্জু মৰাৰ খচ্ খচ্ শব্দ। একোবাৰ মাটিত পোত খাই থকা পাথৰত ঠেকা খাই কেঞ্জুবোৰে বিকৃত শব্দ কৰে।

উত্তাপহীন ৰ'দখিনিৰে আবেলি এবাৰ ভুমুকি মাৰিলে শেতা বেলিটোৱে। আকাশত সিঁচৰতি হৈ পৰি আছে কিছুমান ডাৱৰ। দুখন পাহাৰৰ মাজে মাজে থৰ লাগি আছে পাতল মেঘ কেইশাৰীমান। সেই সময়তেই শটোৰ কবৰ দিয়া হ'ল চোতালৰ পূব মূৰত।

ভিলাছেৰ সমনীয়া আৰু মন মিলা লগৰীয়া ইমালে নিজে ৰন্ধা ভাত, কুকুৰাৰ মঙহ আৰু কিছুমান শাক-পাচলি ভৰাই অনা কুফিখন শটোৰ কাষতে থৈ কঁকালৰ খোচনাৰপৰা গড্‌বেশ গছৰ গুটি কেইটামান মৃতকৰ দাঁতৰ কাষত গুজি দি ভঙা ভঙা মাতেৰে ক'লে—'মোৰ মৰমী বন্ধু ভিলাছেৰ দেহটো মাটিয়ে খাওক। মাটিৰপৰা ওলোৱা পোকবোৰে যাতে খাব নোৱাৰে, মুখত মুখ লগাব নোৱাৰে। তাৰ বাবেই এই গড্‌বেশ গছৰ তিতা গুটিকেইটা দিলো।' তাই আৰু একো ক'ব নোৱাৰিলে। কান্দি কান্দি মুখ ঘূৰালে। শটোৰ ওপৰত পাতল শিল এছটা দি ঢাকি দিয়াৰ লগে লগে গোটেই জাক মানুহৰ কান্দোনৰ বোলত আবেলিৰ বেলিটো লাহেকৈ লুকাই পৰিল।

জাচমীয়ে নিজ হাতে ঘৰৰপৰা উলিয়াই আনিলে ভনীয়েকে

জীয়াই থকা কালত পিন্ধা কাপোৰ আৰু মণি-মালাবোৰ। ইমালেই উলিয়াই আনিলে ভিলাছেৰ হোৰাটো। সেই হোৰাটোত তাইৰ পথাৰত কাম কৰা কেন্জু, ভাত খোৱা কাঁহিকে আদি কৰি একো বস্তু বাদ নপৰাকৈ ভৰালে। কবৰৰ মূৰৰ পিনে পোতা খুটি এটাত হোৰাটো আঁৰি দিলে তাই। কাপোৰ-কানিবোৰ খুটিত আঁৰি দিলে জাচমীয়ে। অচেতন হৈ থকা মাকে নোৱাৰা বাবে হাতেকটা সূতাবোৰ চেৰেকি এটাত মেৰাই লৈ ৰঙা, বগা আৰু ক'লা ৰঙৰ সূতাবে ওপৰত আঁৰি থলে। অকালতে বিদায় লোৱা কুমাৰী কন্যাৰ সমাধিৰ সামৰণি মাৰিলে জাচমীয়ে। ধাৰ ধৰি নামি আহিল আকাশৰ চকুলো।

দুই এটোপাল বৰষুণ কণিয়াইছিল। ভনীয়েকৰ কথা ভাবি, পথাৰৰ মাজত কান্দি কান্দি বহি থকা জাচমী বহাৰপৰা উঠিল। ডাৱৰে ঢাকি ধৰা আকাশখনৰ পিনে চালে এবাৰ। ক'লা ডাৱৰ-বোৰ মহৰ গতিৰে সঞ্চালিত হৈছে আকাশী পথত।

দা খন হাতত লৈ ঘৰমুৱা হয় জাচমী। থেকাকীৰ বাঁহ ডাল তাইৰ চকুৰ দৃষ্টিৰপৰা আঁতৰি যোৱা নাই।

জাচমীয়ে হেৰুৱাই পেলালে প্ৰাণৰ উছাহ, জীবনৰ প্ৰথম উদ্দাম-আকাংক্ষা, ভবিষ্যতৰ ৰঙীন কল্পনা। আগ বাঢ়ি যাবলৈ কল্পনাতে সৃষ্টি কৰা নতুন পথত কাঁইটীয়া বন গজিল। অচিনাকি হৈ পৰি থাকিল সেই পথ—তাই খোজ পেলাবকে নাপালে।

বৰষা কালৰ কোনো এটা দিনত জাচমীৰ যৌবন উপচি পৰা বুকুখনলৈ নামি আহিল এটা মাদকতা। এটা অপ্ৰকাশ্য, অভাবনীয় অনুভূতিৰ প্ৰাণময় আবেশ! সোণৰ গুৰি অনা সুৱদী কল্পনা কিছুমানে তাইৰ মনলৈ আনি দিলে চঞ্চলতা—জীবনক লগালে থৌকি বাথৌ। ভৰা পুখুৰীৰ পানীত গা এৰা দি থকা ভেট ফুলৰ পাহি জোনাক নিশাৰ পাতল ৰভাহত সৰু ঢৌত নাচি উঠাৰ দৰে তাইৰ বুকুখনেও আনন্দৰ বিপুল সমাবেশ, উত্তেজনাৰ আতিশয্যত

নাচি উঠিল চঞ্চলা ভংগীৰে। নতুন কিছুমান আশা-আকাংক্ষা তাইৰ চকুৰ আগলৈ নামি আহি তাইক উন্মনা কৰি তুলিলে।

এদিন আবেলি নৈৰপৰা পানী লৈ হাবিতলীয়া বাটটোৰেদি ঘৰমুৱা হৈছিল জাচমী। আবেলিৰ সোণ-চেকুৰা ৰ'দবোৰে কেইচপৰা বগামেঘৰ গাত সোণালী ৰং সানি দি লুকা-ভাকু খেলি আছিল। পাতল বতাহ এজাকে মেঘবোৰৰ শতুৰালি কৰি ৰ'দখিনিক সুবিধা দিছিল বাহিৰ ওলাবলৈ আৰু জাচমীৰ গাত মৰমী হাত বুলাই দিছিল বতাহজাকে। মৰমতে বতাহে লৈ আহিছিল এটা বনৰীয়া ফুলৰ সুগন্ধি সুবাস। জাচমী উপযুক্তা গৰাকী সেই সুবাসৰ। জাচমী! পিছপিনৰপৰা জোচেফে মাত দিলে।

অমনোযোগিতাৰে খোজৰ পিছত খোজ পেলাই এঢলীয়াৰ-পৰা ওপৰ উঠি অহা জাচমীয়ে উচপ নাখালেও থমকি ৰ'ল। খোজ পৰিব লগীয়া ঠাইখিনিত পৰি থকা কিবা এটা যেন হঠাতে দেখা পালে তাই। হোৰাটো দুয়োহাতে খামোচ মাৰি ধৰি লাহেকৈ মূৰটো ঘূৰাই পিছপিনে চালে তাই—

'অ'ই—!' জোচেফক সঁহাৰি জনাই থিয় দিলে তাই।

পানী আনিবলৈ গৈছিলি নেকি? জোচেফ আহি তাইৰ পিছত থিয় দিলে। তাই পিঠি মুখীয়াকৈ ঘূৰি তাৰ পিনে চাই লাহেকৈ কলে—

অ। ক'ৰবানো ঘূৰি ফুৰিছ অ'ই!

চিকাৰ কৰিবলৈ গৈছিলো। এয়া চা দুটা চৰাই মাৰি আনিলো।

তাই তাৰ পিনে চালে। বন্দুকটো তাৰ গাত আওজাই লৈ সি কান্ধৰ মোনাখনৰপৰা দুটা মৰা চৰাই টান মাৰি উলিয়াই আনি তাইৰ মুখৰ আগত ওলোমাই ধৰিলে। মৰা চৰাই দুটাৰ পাখীকেইখন আধা মেলা হৈ আছে।

আয়াঃ, ইমান খুন ওলাইছে? মৰমে লাগে অ'! বন্দুকৰ

গুণীয়ে উলিয়াই অনা তেজবোৰ চৰাই হালৰ পাখীৰ ওপৰেদি বৈ ৰভাহন্ত গোট মাৰি চেকুৰা বান্ধি আছে! চৰাই হুটাৰ পিনে চাই চকু হুটা ওপৰলৈ তুলি আনোতে জোচেফৰ চুকৰে চকুৰে পৰিল। সি তাইৰ মুখৰ পিনে ৰ' লাগি চাই পাতলকৈ হাঁহিছে। জাচমীৰ গায়েদি বৈ গ'ল এটা অদ্ভুত শিহৰণ। ইমান তীব্ৰ জোচেফৰ চকুহাল। সি যেন সেই দৃষ্টিৰে জাচমীৰ বুকুৰ ভিতৰৰপৰা কিবা এটা গোপন ৰহস্যৰ সন্ধান বিচাৰি উলিয়াবলৈ তাইৰ পিনে চাই আছে। কি ক'ব, কি কৰিব খন্তেকৰ বাবে ভাবি নাপালে তাই। এনেয়ে এবাৰ হোৰাটো পিঠিত ঠিক কৰি ললে। হাত হুখন খালি হৈ থকাত অসহ্য লাগিল তাইৰ! কাপোৰ নোলোৱা বুকুৰ ওপৰৰ সুদা ব্লাউজটোৰ বুতামকেইটা এনেয়ে লাহে লাহে পিটিকি চালে তাই। বুতামকেইটা যেন ঠিক ঠাইত নাই। তাৰ পিছত আৰু কি কৰিব তাই?

চিকাৰ ভাল নালাগে তোৰ? জোচেফে সুধিলে। সি জেপৰপৰা চিগাৰেট এটা জলাই জ্বলি থকা দিয়াছেলাইৰ কাঠিটো অলপ সময় ধৰি থাকি লাহেকৈ মাটিত এৰি দিলে। অলপ সময় ধোঁৱাই থাকি কাঠিটো নুমাই থাকিল।

খৃষ্টান বস্তীৰ ডেকা ঠিকাদাৰ জোচেফ। সকবেপৰা চিনাকি। হুয়োখন বস্তীৰ মাজত সদ্ভাব থাকিলেও বৰ বেছি আহ-যাহ নাই বাবেই নতুন চিনাকি যেন লাগে। চিচেমাৰ এম, ই স্কুলত যেতিয়া জাচমীয়ে ক্লাছ থ্ৰিত নাম লগায়, তেতিয়া জোচেফে সেইখন স্কুল পাচ কৰি কোহিমালৈ গৈছিল। কিমান পঢ়িলে তাই ক'ব নোৱাৰে। আজিকালি সি ঠিকাদাৰ। নিজৰ জীপ আছে। প্ৰায় কোহিমাতে থাকে। কেতিয়াবাহে বস্তীৰ ঘৰলৈ আহে সি।

তই কেতিয়া আহিছ কোহিমাপৰা? বহুত সময় নীৰৱে থকাৰ পিছত এটা ডাঙৰ প্ৰশ্ন বিচাৰি পোৱাদি পালে জাচমীয়ে। চাওঁ নাচাওঁকৈ তাই তাৰ পিনে চালে। চকুৰে চকুৰে পৰাত

তাইৰ বুকখন ঢপ্ ঢপাই উঠিল। অথচ তাৰ মুখখনলৈ চাই থাকিবৰ প্ৰবল ইচ্ছা জাচমীৰ মনত। চকুৰে চকুৰে চাবলৈও তাই বিচাৰে, তাৰ চকুত তাই বিচাৰি পাব খোজে বহুতো বক্তব্য। কি এটা সংকোচৰ বাবে তাই নিজেই ক'ব নোৱাৰে, মনটো দুৰু দুৰু কৰি কঁপি উঠে।

পৰহি আহিছো। সি হাঁহিলে।

কেতিয়া যাবি? তাই টপৰাই সুধিলে।

কেলেই? থাকিলে বেয়া পাবি হ'বলা? হোঁ?

সি খোলা হাঁহি মাৰি তাইৰ পিনে চাই ৰ'ল! তাৰ প্ৰাণভৰা হাঁহিটোৰ বিনিময়ত তায়ো হাঁহিলে। সিমান মুকলি হাঁহি নহয়। কিন্তু ভাল লাগিল। গোটেই হাঁহিটোৱে তাইৰ অন্তৰত স্পন্দন জগাই তুলিলে। তোমাৰ প্ৰতিটো হাঁহিৰ তৰংগ মোৰ বুকুত চিৰদিনলৈ তৰংগিত নকৰা কিয়? তাই মনতে ভাবিলে।

ইয়া কেলেইনো বেয়া পাম? ভালেই পাওঁ তই আহিলে। তায়ো হাঁহি হাঁহি কলে। তাই অনুমান কৰিলে—তাইৰ মুখখন যেন ৰঙা পৰি উঠিছে। চকুহাল সম্ভবতঃ ডাঙৰকৈ মেল খাই গৈছে।

হয় নেকি। বাৰু, আৰু খবৰ বাতৰি কি কচোন। সি তাইৰ পিনে এখোজ আগ বাঢ়ি আহিল।

খবৰ আৰু এনেকুৱাইয়ে। তাই সৰুকৈ ক'লে।

তৰল অন্ধকাৰবোৰ নগা পাহাৰলৈ আগবঢ়াই দি বেলিটো লুকাই পৰিল। পছিমৰ আকাশৰ দিগ্ বলয়ত তেতিয়াও সেন্দুৰীয়া ৰংখিনি লাগি আছে। এচিকটাও দাগ নোহোৱা আকাশখন সুন্দৰ।

বন্দুকটো কান্ধত ওলোমাই মাটিত পেলাই থোৱা নিষ্প্ৰাণ চৰাই দুটা হাতত লৈ জোচেফে কলে—বাৰু. যাগৈ দেই! মই যাওঁ।

যাব? তাই বৰ দৰদেৰে সুধিলে। অলপ কাষৰীয়াকৈ

জোচেফক বাট এৰি দিলে তাই। চঞ্চল চকু দুটা নিবদ্ধ হৈ ৰ'ল জোচেফৰ সুন্দৰ নিটোল মুখ মণ্ডলত। মনটোৱে যেন বাৰে বাৰে ক'বলৈ বিচাৰিছে—আৰু অলপ নাথাকনো কিয় ?

পাতল আন্ধাৰৰ মাজেদি তাই চাই থাকিল জোচেফক। লাহে লাহে সি সুহুৰিয়াই সুহুৰিয়াই পাহাৰৰ ভাঁজত আঁৰ হৈ গ'ল।

অজান অনুভূতিবোৰে জাচমীৰ শৰীৰলৈ আনি দিলে এটা মৃদু শিহৰণ। বিয়পি পৰিল এটা প্ৰশান্ত হাঁহি। বুকু জুৰি বৈ গ'ল উচ্ছ্বাস আকাংক্ষাৰ ফল্গুধাৰা। আন্ধাৰৰ মাজতো ভালেখিনি সময় মোহমুগ্ধা জাচমী থৰ লাগি থিয় দি ৰ'ল।

জোচেফে কি যাদু জানে ?

( ৯ )

ঘৰখনত অলপো শান্তি নাই। নাই খোৱাত, নাই শোৱাত, নাই মনে মনে বহি থকাত। শান্তিহীন পৰিবেশৰ মাজত অশান্তিৰে ভৰা মনটোৱে চাটিফুটি কৰে জাচমীৰ। কি কৰিলে ভাল হ'ব—তাকে ভাবে অকলে অকলে। ভাবি ভাবি ওৰ নাপাই একোকে কৰিব পৰা ব্যৱস্থাৰ পথ নেদেখি মনটোৱে হাঁহাকাৰ কৰি মৰে। আন্ধাৰ ৰাতিৰ হুমুনিয়াহবোৰ আন্ধাৰত ঠেকা খাই তাইৰ অন্তৰৰ বেদনাবোৰক গধুৰ কৰি তোলে।

ভনীয়েকজনী মৰাৰ পিছৰপৰা ঘৰখনত কি হ'ল তাই ভাবি নাপায়। মাকৰ চকুপানী তিনিমাহ ধৰিও শেষ নহল আৰু সেই শোকতে মাক হ'ল বলীয়া। ভাত নাখায়, কাকো নামাতে। কেতিয়াবা দুৱাৰমুখৰ বাৰাণ্ডাতে আঁঠু দুটাৰ মাজত মূৰটো সুমুৱাই উচুপি উচুপি কান্দে। কেতিয়াবা জাচমীয়ে জোৰ কৰি ভাতৰ কুফিখন আগলৈ আনি দিলে ভাতসোপাৰ পিনে চাই থাকে। সৰ্ সৰ্‌কৈ ওলাই থাকে চকু পানী। কেতিয়াবা শূন্য আকাশলৈ চাই থাকে উদাসীন মনে। শূন্যতাৰ মাজত কি যেন বিচাৰি ফুৰে ক্ষীণ

দৃষ্টিৰ কোটৰগত দুটা চকুৰে। বহি বহি থাকি কেতিয়াবা দৌৰ মাৰি গৈ চোতালৰ এচুকৰ জীয়েকৰ সমাধিটোৰ ওচৰত আঁৰি দিয়া কাপোৰ-কানিসোপা সাবটি ধৰি হুকহুকাই কান্দে। বিছনাৰপৰা কেৰাদিনো আন্ধাৰৰ মাজেদিয়াই খেপিয়াই বাহিৰ ওলাই গৈ জীয়েকক সমাধিৰপৰা উলিয়াই আনিবলৈ মাটিবোৰ দুহাতেৰে খামুচি খামুচি গাঁত খান্দিবলৈ চেষ্টা কৰে। মুখেৰে বিৰ বিৰ কৈ কিবা-কিবিবোৰ বকে। গালি পাৰে জাচমীক। তথাপি জাচমীয়ে মাকক ঘৰলৈ আনিবলৈ টনা-আজোৰা লগায়গৈ। হতভম্ব হৈ হাতত চাকিটো লৈ থিয় দি থাকে বাপেক। মাকৰ মুখৰ গালিবোৰ দুপৰ ৰাতিৰ আন্ধাৰত বহুতো সময় বাপেক আৰু জীয়েকে শুনে। গভীৰ হুমুনিয়াহ কাঢ়ে বাপেকে। নিৰুপায় বাপেকো।

শুবলৈ বুলি আন্ধাৰৰ মাজতে জাচমীয়ে যেতিয়া বিছনাখনত দীঘল দিয়ে, টোপনিবোৰ লাহে লাহে আঁতৰি যায়। টোপনিয়েও যেন তাইক ভয় কৰে। লগ দিবলৈ নিবিচাৰে। অস্বস্তিৰ মাজেদি মাকৰ গালিবোৰে থকা-সৰকা কৰি তোলে তাইক। উচুপি উচুপি কান্দি পেলায় তাই।

কোনেও নভবা চিচেমা বস্তীত কোনেও নভবা কাম এটা কৰিবলৈ কি দুৰ্মতি হৈছিল তাইৰ? মাকৰ বদ্ধমূল ধাৰণা এয়ে যে, তাই কোহিমাত গৈ পঢ়াৰ কথা উলিওৱা বাবেই এনেকুৱা হ'বলৈ পালে। ভনীয়েকে বায়েকক উৎসাহ দিছিল, চাউল-পাত কঢ়িয়াই নি দি আহিবলৈ ওলাইছিল। সেয়ে অমংগল হ'ল এনেকৈ। বস্তীৰ ইমানজাক ল'ৰা-ছোৱালীয়ে নাভাবিলে—দুৰ্মতি হ'ল জাচমীৰ। মাকৰ বুকুত জুই জ্বলাই ভনীয়েকৰ মূৰ খালে। তাই কোহিমাত পঢ়ে, ডাঙৰ মানুহ হয়! খৃষ্টান বস্তীৰ ছোৱালীবোৰক কোহিমাত পঢ়া দেখি গা উঠিছিল তাইৰ। তাই গৈ কোহিমাত পঢ়িব, ভিলাছেই চাউল দি আহিব! মনৰ সুখত তাই তাতে থাকে! বস্তীত থাকিলে ভাত পেটত নোসোমায়!

যতে মৰ ভতে মৰগৈ। তই নমৰিলি কিয় ? ভিলাছেক কিয় সাঙুৰিছিলি তই ? তাইৰ কোমল মঙহৰ, কেঁচা তেজৰ সোৱাদ ললি তই ! নাযায় কেলেই কোহিমাত পঢ়িবলৈ, চিৎ পখিলীজনী হৈ নাচি ফুৰিবলৈ ? তাইৰ মূৰ খাই শান্তি পালি এতিয়া ?...

মাকৰ গালিবোৰ মনত পৰি গাটো গৰম হৈ আহে জাচমীৰ। ক'লা আন্ধাৰবোৰৰ মাজত এটা হালধীয়া পোহৰ, বহুতো সৰু সৰু বস্তুৰ সমাহাৰত ওলাই অহা এটা হালধীয়া পোহৰে তাইৰ চুচকুৰ দৃষ্টি কাঢ়ি নিব খোজে। পৰি থকাৰপৰা তৎক্ষণাৎ উঠি বহে তাই। আহত বুকুখন দুয়ো হাতেৰে চেপা মাৰি ধৰি থৰ লাগি ৰয়।

মাক শত্ৰু ?

জাচমী এই ঘৰখনৰ কোনো নহয় ? ভিলাছেৰ যিজনী মাক, যিজন বাপেক তাইৰ জানো নহয় ? অকল ভিলাছেহে সিহঁতৰ সন্তান ! তাই নহয় ? যদি নহয় আগতে কিয় কোৱা নাছিল ? তাইৰ কোনো নাই নেকি সংসাৰত ? যদি জাচমীৰ মাকেই ভিলাছেৰো মাক হয়, তেন্তে মাকে এজনী জীয়েকৰ মৰণৰ বাবে আনজনীক দোষী বুলি অহৰ্নিশে গালি-শপনি পাৰে কিয় ? বস্তীৰ যেমাৰ-আজাৰত মৰা ল'ৰা-ছোৱালীবোৰৰ বাবেও সিহঁতৰ বায়েক-ভায়েকবোৰ দোষী নেকি ? সিহঁতে কি অমংগলীয়া কথা ভাবিছিল ? ভিলাছে অকলে মৰা নাই, বহুতো মৰিছে। অৱশ্যে অগা-পিছাকৈ। এদিন মাকো মৰিব, বাপেকো মৰিব। জাচমী-জনীও নমৰাকৈ নাথাকে। এই সাধাৰণ কথাটোতে মাক মৰিব। মেৰীয়ে বুজি নাপায় কিয় ? তাইক গালি-শপনি পাৰি থাকিলে জানো সৰু জীয়েক ওলাই আহিব ? নাহে। যদি নাহে ? মাকৰ চিত। মাকৰ অন্তৰ ? মাতৃৰ অপত্য স্নেহত কৃপণালি কিয় ? ভিলাছে, জাচমী, সৰু ল'ৰা দুজন—একেজনী মাকৰে। তেন্তে ? তাই কোহিমাত পঢ়াৰ ইচ্ছা প্ৰকাশ কৰাতেই যদি এনেকুৱা অমংগল হয়, মেৰীহঁতৰ ঘৰৰ আটাইবোৰ মৰি শেষ হোৱা নাই কিয় ?

শত্রু !

এই বুঢ়ীজনী তেন্তে মোৰ কোনো নহয় ? শত্রু ! কথাটো ভাবি চক্‌ খাই উঠিল জাচমী। চকুৰ আগৰ আন্ধাৰবোৰ যেন ছুফাল হৈ আঁতৰি গ'ল ছুয়োপিনে। তাৰ মাজেদি ওলাই অহা পোহৰত জিলিকি উঠিল মাকৰ বীভৎস মূৰ্তি। মাতৃৰ অন্তৰৰ অপত্য স্নেহৰ লেশমানো নথকা জাচমীৰ মাকে তাইৰ পিনে উগ্ৰ আৰু ভয়াল দৃষ্টিৰে চাই আছে। হাতত লৈ অহা দা খনেৰে মাকে তাইক কাটিবলৈ খুজিছে।

শত্রু ! মাক শত্রু ! ঘৰখন শত্রু ! ঘৰখনৰ প্ৰতিটো ধূলিকণা শত্রু ! কোনো আপোন নহয় ? কিয় ? কিহৰ অপৰাধ ?

মোৰ অপৰাধ কি ? চিঞৰি দিব খোজে তাই। উত্তেজনাত ছুয়োখন হাতেৰে মূৰৰ চুলিবোৰ খামুচি ধৰে। অভিমান, ব্যৰ্থতা, আক্ৰোশ আৰু বিক্ষোভত তাই অৱশ হৈ গাৰুটোত মুখখন গুজি অসহায়ভাৱে পৰি থাকে।

কিন্তু কিমান কান্দিম আৰু ?

## ( ১০ )

বালিৰ বুকুত বালিচন্দা জিলিকে। নৈৰ সোঁতত পকনীয়া। ৰ'দালিৰ পিছে পিছে ঘূৰিছে। এযাৰি সাদৰি মাতৰ পিছে পিছে ঘূৰে এটা আকলুৱা মন। গাভৰুৰ উজ্বল যৌবনক হাত বাউলি দি সঁহাৰি জনায় চফল ডেকাৰ ব্যাকুল মনে। ব্যৰ্থ-প্ৰেমৰ তৰ্পত হুমুনিয়াহৰ আৰত্তাবে হাঁহে সময়ে।

ফাঁকি দি থাকিব খুজিছিল জাচমীয়ে। ধৰা পৰি গ'ল। জব্দ হোৱাৰ মাজত ৰঙা পৰা মুখখনলৈ চাই জোচেফে মৰম লগাকৈ হাঁহিলে। জাচমীয়ে এবাৰ দূৰৰ পাহাৰখনৰ পিনে চাই এবাৰ চালে গছডালৰ বুঢ়া শিপাবোৰৰ পিনে। আঁহত গছৰ পকা গুটি খাবলৈ অহা এজাক হাইঠা জাকি মাৰি উৰি গ'ল। কেইটামান

পকা গুটি মাটিলৈ সৰি পৰিল। আবেলিৰ ৰ'দবোৰ গাত সানি দিগন্তৰ পিনে উৰি যোৱা চৰাই জাকলৈ জাচমীয়ে চালে। চালে জোচেফেও।

মিছা কথা এটা কোৱাতকৈ সঁচা কথাটো কলেই ভাল আছিল। সাহ নহ'ল তাকে কৰিবলৈ। খৃষ্টান বস্তীলৈ গৈছিল জাচমী অকলশৰে। খৃষ্টিয়ান বস্তী নৌ পাওঁতেই বাটতে আঁহত গছ-জোপাৰ তলতে লগ পালে জোচেফক।

ক'লৈ যাব জাচমী? জোচেফেই আগতে মাতিলে।

মেৰীৰ ঘৰলৈ। তাই ক'লে।

মেৰী কোহিমালৈ গৈছে। সদায় তাই চিচেমালৈ আহে নেকি?

নাহে।

ধৰা পৰিল তাইৰ জীয়া ফাঁকিটো। মুখখন ৰঙা পৰি গ'ল। ওঁঠ দুটা সহজ হ'বলৈ কৰা চেষ্টাত ঈষৎ কঁপি উঠিল। সোঁহাতৰ তৰ্জনী আঙুলিটো আগ দাঁতেৰে চেপা মাৰি ধৰি থিয় দি ৰ'ল তাই নিৰ্বাক হৈ; কিন্তু বুকুখনতো নিৰ্বাক নহয়। নিৰ্বাক জানো চকুৰ দৃষ্টি? অলেখ বাতৰি ল'বলৈ চকুৰ দৃষ্টি ব্যগ্ৰ। উথল-মাথল লগাই আছে বুকুখনৰ বহুতো কথাই; কিন্তু মই যে হাজাৰবাৰ চেষ্টা কৰিও প্ৰকাশ কৰিব পৰা নাই।

সেইটো যে এটা অজুহাতহে জোচেফ! মেৰী বস্তীত নথকা বুলি ময়ো জানো—তথাপি এই পথে আহিছো তোমাকে লগ পাম বুলি। তোমাৰ উজ্জল চকুত ফুটি অহা দৰদী দৃষ্টিৰ মাজত মোক বিচাৰি চাবলৈ মই আহিছো। তোমাৰ হাতৰ অকণ পৰশ— এবাৰৰ বাবে হলেও তোমাৰ বুকুৰ নিবিড় সান্নিধ্য বিচাৰি খৃষ্টিয়ান বস্তীৰ বাটে বাটে দৌৰি আহিছে তোমাৰ মৰম আকলুৱা জাচমী। মই যে বোবা হৈ যাওঁ জোচেফ! তোমাৰ দৃষ্টিৰ সন্মুখত থিয় দিবলৈ উন্মুখ হৈ ঢাপলি মেলিও মনৰ গোপন বেদনা কি প্ৰাণখুলি ভাষা দি জনাব নোৱাৰো। মোৰ প্ৰাণে, প্ৰাণৰ কথা-

বোবে ভাষা হেৰুৱাই বোবা হৈ বুকুতে গুঞ্জৰি গুমৰি উঠে। প্ৰাণ পাবলৈ, তোমাৰ ওচৰত মূৰ্তিমান হৈ উঠি, তোমাৰ দৰদী বুকুত খলকনি তুলিব খোজে। জীয়া ফাঁকি দিলো। তুমি জানো বুজি পোৱা নাই মোৰ অন্তৰৰ সঁচাবোৰ? বুজি পোৱা নাই মোৰ মনৰ লিপিহীন চিঠিখনৰ ভাষা?

অস্থিৰ মনেৰে ভাবে জাচমীয়ে। উগুল-থুগুল লাগে মনটো।

কিছুমান উঁইপোক সিহঁতৰ চকুত আগত উৰি ফুৰিছিল। জোচেফে এটা পোক হাতেৰে ঠেলি দি সুধিলে—

তই খীণাইছ কিয় জাচমী?

জোচেফ, তুমি ইমান মৰমী সুৰে, ইমান দৰদী কণ্ঠেৰে কিয় মোৰ বাতৰি ল'লা? মোৰ খবৰ ল'বলৈ তোমাৰ কণ্ঠ ইমান সুৰদী সুৰীয়া হ'ল কিয়? ইমান আবেগ মই যে সহিব নোৱাৰো! মোৰ বুকুখন ফাটি যায়।

জাচমীৰ দুচকুৰেদি নামি আহিল চকুলো। চিকাৰীৰ লাইটৰ পোহৰত ভেবা লাগি চাই থকা হৰিণীজনীৰ নিচিনাকৈ জোচেফৰ মুখৰ পিনে তাই চাই ৰ'ল।

কি হ'ল অ'? কথা নকৱ নেকি?

একো হোৱা নাই! সংযত হ'বলৈ চেষ্টা কৰিলে তাই। বুকুৰ কঁপনিত ঠেকা খাই কথাবোৰ কঁপি কঁপি যেন ওলাই আহিল। বৰ সাবধানে কথাষাৰ কিয় ক'লে তাই! ওঁহো! মূৰটো এনেয়ে জোকাৰি তাই যেন নিজকে বহুতো সহজ আৰু সংযত কৰি ল'লে।

নকওঁ। তাই আকৌ ভাবিলে। কিয় ক'ব তাইক বিকাৰগ্ৰস্ত মগজুৰে মাকে দিনে-ৰাতিয়ে গালি-শপনি পাৰি অশান্তি দিয়া বুলি। কিয় ক'ব তাই—সেই পৰিবেশত নিজৰ ঘৰতে তাই কান্দে বুলি, চকুলোবোৰ গাৰুৰ বুকুত গোট মাৰি আছে বুলি।

তুচ্ছ—

সেই অনাদৰ, অবহেলা সকলোবোৰ তুচ্ছ। নিকৃষ্ট।

জোচেফৰ দৰদী হিয়াৰ মৰমৰ তুলনাত সেইবোৰ অতিকে তুচ্ছ। মৰমৰ সাগৰত সেই অশান্তি মেটেকাৰ জাজীৰ দৰে গুচি যাব।

জাচমী!

কি?

পছিমৰ আকাশত জিৰণি লোৱা মেঘবোৰৰ ওপৰেদি আসন্ন সন্ধিয়াৰ ৰঙা পোহৰবোৰ ছটা ছটা হৈ নীলা আকাশলৈ আগবাঢ়ি গৈছে। জীবনৰ মহাযাত্ৰাৰ সংকল্পকালীন জোচেফ আৰু জাচমীক বনৰীয়া ফুলৰ উটি অহা সুবাসে স্বাগতম জনালে। প্ৰাণ পালে জাচমীৰ তৃষ্ণাতুৰ গাভৰু যৌবনে। হাজাৰ যুগৰ কামনাৰ কলিৰ পাহি মেল খালে। ৰৰ ওচৰৰপৰা জোচেফৰ নিবিড় সান্নিধ্যত থিয় দি নিজকে জাচমীয়ে বিচাৰি চালে—জোচেফৰ বুকুৰ স্পন্দনত। পুৱালিৰ তৰাটো ইমান দুষ্ট!

মই যাওঁ দেই। ৰৰ সুৰলাকৈ, মৰমী সুৰত জোচেফৰ নিচিনাকৈ ক'ব খুজিছিল তাই; কিন্তু নোৱাৰিলে। লাজ আৰু আবেগে উথল-মাথল লগাই থকা কণ্ঠস্বৰটো নিজৰে ভাল নালাগিল। কিবা হুটা হুটা যেন লাগিল। ঘৰলৈ ঘূৰি আহিবলৈ ভৰি দুখন লৰাব খুজিলে তাই।—কিন্তু যাওঁ কেনেকৈ? জোচেফেতো একো কোৱা নাই।

এটা বস্তু লবি? জোচেফে সুধিলে।

কি? ৰহস্যাবৃত মনৰ প্ৰশ্ন তাইৰ।

হয়। পেণ্টৰ জেপৰপৰা সি সৰু নীলা ৰঙৰ কিতাপ এখন উলিয়াই দিলে। এখোজ আগবাঢ়ি তাই হাত পাতিলে।

বাইবেল। জোচেফে ক'লে।

বা-ই-বে-ল? তাই আচৰিত হৈ গ'ল। প্ৰশ্নটো যেন তাই নিজেই ক'ব নোৱাৰাকৈ স্যাউৎ কৈ ওলাই আহিল।

মইতো বুজি নাপাওঁ। তাই শান্তভাবে অক্ষমতা স্বীকাৰ

কৰিলেও সংকল্প কৰিলে বুজি পাবলৈ। জোচেফৰ কাৰণে তাই খৃষ্টান যেতিয়া হ'বই—

নুবুজিবলৈ একো নাই। মন দিলে বুজিবি। নে নপঢ় ? জোচেফে যেন তাইক পৰীক্ষা কৰিছে। জোচেফে অলপ আগতে বিয়া কৰাবলৈ প্ৰস্তাব কৰিও এতিয়া যেন পুনৰ পৰীক্ষা চলাইছে।

পঢ়িম আকৌ! তাই ধুনীয়াকৈ হাঁহিলে।

তাইৰ হাঁহিৰ মাধুৰিমাখিনি কাঢ়ি নিলে আকাশত হাঁহি থকা জোনবাইটোয়ে।

( ১১ )

শুই শুই জাচমীয়ে কল্পনা কৰে বহুতো কথাৰ।

বহুতো কল্পনাৰ ৰূপ দিবলৈ বহুতো ৰাতিলৈ সাৰে থাকে তাই। নিস্তব্ধ চিচেমা বস্তীত সাৰে থাকি জোচেফৰ কথা ভাবে। সিহঁতৰ নব-জীৱনত প্ৰথম পদক্ষেপৰ মহা লগ্নটোৰ কথা ভাবি জীবনৰ সকলো দুখ-বেদনাকে সহ্য কৰিবলৈ অন্তৰত শক্তি পায় তাই।

আৰু কিমান দিন ?

বেছি দিন নাই। আৰু বেছি দিন শান্তিহীন হৈ চিচেমা বস্তীৰ জুপুৰিটোত ৰুদ্ধশ্বাসে চকুৰ পানীৰ মাজেদি জীয়াই থাকিব নালাগে। তাই নিজেই আঁতৰি যাব। এৰি যাব চিচেমাৰ স্মৃতি।

জোচেফক তাই কথা দিছে। তাই খৃষ্টান হ'ব আৰু একেদিনাই সিহঁতৰ হ'ব শুভ পৰিণয়। তাইৰ নাৰী জীৱনৰ সফলতা আনি দিব সেই শুভ ক্ষণটোৱে। তাইৰ ঐকান্তিকতাৰ মাজত প্ৰাণ পাব জোচেফৰ মৰম সনা ঘৰখনে। নব-বিবাহিতা ডেকা-গাভৰু হালৰ প্ৰাণখোলা হাঁহিটোৰ নিচিনাকৈ জিলিকি উঠিব সিহঁতৰ সংসাৰখন।

ইমানদিনে অকলে অকলে ভাবি থকা কথাটোৰ, প্ৰশ্নটোৰ আজি তাই উত্তৰ পালে। খৃষ্টান বস্তীৰ আঁহত জোপাৰ তলত তাই জীবনৰ সপোনৰ ৰূপ দেখা পালে। অন্তৰৰ সমগ্ৰ বেদনা নাশ কৰি জিলিকি ৰ'ল সেই মহান জ্যোতি। প্ৰেমৰ মূৰতি।

কেলেই আহিছ বাৰু? জোচেফে হাঁহে।

তোকে চাবলৈ। তাই কওঁ নকওঁকৈ কৈ পেলায়।

মিছা কথা হবলা!

বেলে ম মে জোচেফ? বিশ্বাস নকৰ জোচেফ?

কন্দনামুৱা হৈ পৰিল তাই। কৰুণভাবে জাচমীয়ে জোচেফৰ পিনে চালে।

কান্দিছ কেলেই জাচমী?

তই কেলেই অবিশ্বাস কৰ?

ধেমালি কৰিবকো নোৱাৰি নেকি? অকণমানি ছোৱালীজনী!

জো-চে-ফ্—!

কি?

তই এদিনো মোক এটা কথা কোৱা নাই। তোৰ মুখৰপৰা শুনিবলৈ যে মই উদগ্ৰীব হৈ আছো।

কি কথা কোৱা নাই?

আ, ঙ, খে্ৰ্য়া—মই তোক ভাল পাওঁ বুলি এদিনো কোৱা নাই কিয়? তোৰ মুখৰপৰা শুনিবলৈ ই-মা-ন মন যায় মোৰ!

জোচেফৰ নাকৰ তপত নিশ্বাসবোৰ জাচমীৰ সুদা বুকুখনত লাগি পুলকৰ শিহৰণ জগায় তোলে।

জাচমী, সঁচাকৈয়ে মই তোক ভাল পাওঁ, বৰ ভাল পাওঁ। তোক মোৰ বিয়া কৰিবলৈকে মন আছিল; কিন্তু—

কিন্তু কি জোচেফ? চক্ খাই জোচেফৰ হাতৰ মাজৰপৰা এখোজ আঁতৰি যাবলৈ চেষ্টা কৰি জোচেফলৈ চাই অদ্ভুতভাবে ৰয় তাই। খেলি-মেলি লাগে মনটোত। কৈ দে, কৈ দে জোচেফ,—কিহৰ কিন্তু···

মই খৃষ্টিয়ান। তই জানো খৃষ্টিয়ান হবি ?

হ'ম। অলপো নাভাবিলে তাই। বহুত আগতেই যেন সেই প্রশ্নটোৰ উত্তৰ মুখস্থ কৰি থৈছে তাই।

তোৰ বস্তীৰ মানুহ, মাৰ-বাপেৰে জানো মত দিব ?

মোৰ মন থাকিলে কোনে বাধা দিব পাৰে ? পাহাৰী গাভৰু জাচমীৰ মন বিদ্রোহী হৈ উঠিল বস্তীৰ মানুহবোৰৰ প্ৰতি।

সচ্ছা ? জোচেফে পুনৰ সুধিলে।

তোৰে শপত, মই খৃষ্টিয়ান হ'ম। আন কাকো বিয়া নকৰো। আমাৰ বিয়াত স্বাধীনতা আছে। কোনেও জোৰ কৰি কাৰো লগত বিয়া দিয়াব নোৱাৰে। স্পষ্ট কণ্ঠ জাচমীৰ। ধৰ্মান্তৰ ?

মই নিজে আঁতৰি যাম। সিহঁতে যি ইচ্ছা তাকে শাস্তি স্বৰূপে ঘোষণা কৰক। মোক লগ পালেহে !

অহা বৰদিনৰ দিনা তোক মই বিয়া কৰিম।

জোচেফ ! জো-চে-ফ !

তন্দ্ৰালস জাচমীয়ে আবেলি জোচেফৰ সতে পাতি অহা কথা-বোৰকে সপোনতো দেখে। দুয়ো কথা পাতে। সোণালী সপোনত তাই সাঁতোৰে।

নিশা শেষৰ সঁহাৰি দিয়ে কাৰোবাৰ ঘৰৰ কুকুৰা এটাই।

আশাৰ মৃত্যু নাই। আশাৰ হাত-বাউলিৰ সন্মোহিনী যাদুত বাধা-বিঘিণিৰ কাঁইটীয়া বনক নেওচা দি মৰীচিকাৰ পিছে পিছে ঘূৰিছে মানুহ। সেই বিঘিণি, জীৱনৰ আঘাত আত্ম প্ৰতিষ্ঠাত সকলোকে তুচ্ছজ্ঞান কৰি বুকুৰ আশাবোৰক ৰূপ দিবলৈ হেজাৰ যুগ ধৰি চলি আহিছে অদম্য প্ৰচেষ্টা; কিন্তু আশাৰ মৰুদ্যান জীৱনৰ মৰুভূমিত সহজে নাপায়। নাপালে জাচমীয়েও। সোণালী কল্পনাৰ গতি-পথৰ স্খলনি হ'ল। জীৱনৰ অযুত সপোন ভাঙি গ'ল পুৱতি নিশাতে।

কাতি মাহৰ ধূসৰ সন্ধিয়া এটা। সেমেকা শীতৰ দিন পাহাৰলৈ নামি আহিছে আমেজ সানি। পাতল বতাহ আৰু কোমল ৰ'দৰ মাজেদি নামি অহা পাতলীয়া জাৰখিনিয়ে অস্থিৰ নকৰে। মনলৈ

আনি দিয়ে মাদকতা। ৰাতিৰ স্নিগ্ধ জোনাকৰ ৰূপালী পোহৰখিনি নিয়ৰত সেমেকি থকা শৰতৰ গছ-গছনিৰ পাতবোৰত বিচ্ছুৰিত হৈ জিলিকি থাকে ওৰে ৰাতি।

পানীখেতিৰ ধানবোৰৰ গুৰিত পানী থকিলেও আগতীয়া ধানবোৰ পকিব ধৰিছে। সেউজীয়া ধানবোৰ ৰঙচুৱা পৰি সোণালী ধানৰ শিহবোৰ আগবঢ়াইছে খেতিয়কলৈ। শ্ৰমৰ মৰ্য্যাদা, জীয়াই থকাৰ সম্বল। পৃথিবী কৃপণ নহয়। মানুহৰ, খেতিয়কৰ প্ৰাণৰ প্ৰাৰ্থনা, হিয়া ভৰা মিনতি কাণ পাতি শুনে বসুমতীয়ে। মনলৈ আকুলতা আনি দিব পৰা পকা ধানৰ মলমলীয়া গোন্ধ পথাৰ বিয়পি পৰে। উন্মনা হৈ পৰে চহা-খেতিয়ক।

আগতীয়াকৈ পকা ধান অলপ কাটি পথাৰৰ জিৰণি ঘৰতে মাৰি হোৰাটোত ভৰাই পিঠিত তুলি ঘৰলৈ ঘূৰি আহিছিল জাচমী। ৰাতিপুৱাতে পথাৰলৈ গৈছিল। দিনটো তাতে কাম কৰি সন্ধিয়াৰ লগে লগে ঘৰলৈ আহিছিল তাই। ৰান্ধনি ৰ'দ থাকোতেই পথাৰ এৰিছিল যদিও আদ বাটতে পাতল আন্ধাৰবোৰ লগৰীয়া হ'ল। ভৰিৰ খোজকেইটালৈ চাই চাই কিবা এটা ভাবি ভাবি লাহে লাহে তাই আহি আছিল।

খৃষ্টিয়ান বস্তীৰ গাওঁবুঢ়াই তাইক দেখি খন্তেক থিয় দিলে। থিয় দিলে তায়ো। অলপ সময়ৰ পিছতে দুয়ো দুপিনে গুচি আহিল। চিন্তাত জাচমীৰ ব্যাঘাত জন্মিল। গাওঁবুঢ়াই কোৱা বাতৰিটো চিন্তা নহয়; দুশ্চিন্তা। ভয়াবহ বাতৰি। সপোনত কল্পনা কৰিব নোৱাৰা, জীবনত কোনো ৰকমে পতিয়ন যাব নোৱাৰা বাতৰি! চকুৰ আগৰ পৃথিবীখন যেন এক মুহূৰ্ত্ততে ঘূৰি গ'ল। সন্মুখৰ ঈষৎ আন্ধাৰখিনি নিমিষতে যেন পৰিণত হ'ল কাল-আন্ধাৰত। ভৰি দুটা অচল হৈ পৰিল।

গাওঁবুঢ়াৰ মুখলৈ ৰ' লাগি চাইছিল তাই। গাওঁবুঢ়ায়ো দুখেৰে দিছিল বাতৰিটো। হয়তো সংসাৰৰ বহুতো অভিজ্ঞতাৰ মাজেদি প্ৰৌঢ়ত্ব পোৱা গাওঁবুঢ়াৰ চকুত ধৰা পৰিছিল—গাভৰু জাচমীৰ মুখৰ

ৰঙবোৰ তিলকতে সলনি হৈ যোৱা, কিবা এটা সোধোতে মাতটো বৰ বেছিকৈ শঙ্কাত কঁপি উঠা, অধৈৰ্য্য আৰু অসহায়ভাৱে আৰ্ত্তনাদ কৰা।

জাচমীয়ে কোনোমতে বিশ্বাস কৰিব নোখোজে কথাটো। মিছা কথা এটা গাওঁবুঢ়াই কিয় ক'লে তেন্তে? সঁচাই হ'ব নিশ্চয়। যিমানে তাই দকৈ কথাটো ভাবিবলৈ চেষ্টা কৰে, তিমানেই জোচেফৰ হাঁহি ভৰা সবল মুখখন তাইৰ চকুত ভাহি উঠে। সৌটো জোচেফ-নৈৰ পাৰত বহি হাঁহি হাঁহি কথা পাতিছে। সেই সিদিনা মাথোন জোচেফক মই চিকাৰৰপৰা আহোঁতে বাটত লগ পাইছো। কেই দিননো হ'ল আহত জোপাৰ তলত সি মোক চুমা খাই আও খে্ৰয়া বুলি ক'বলৈ? পৰহি দিনা তাক বিদায় দিছো—সি জীপখনত উঠি কোহিমালৈ যোৱাৰ সময়ত। সেয়া, সি হাঁহি হাঁহি হাত জোকাৰি মটৰ চলাই গুচি গৈছে। সি খাই উকৰাই দিয়া চিগাৰেটৰ ধোঁৱাবোৰ মোৰ নাকত লাগিছেহি। ওঁহো, মিছা কথা গাওঁবুঢ়াই মন জুখি চাইছে। বুঢ়াই হয়তো কেনেবাকৈ জানিবলৈ পাইছে—জোচেফ আৰু মোৰ বিয়া হ'ব বুলি। সেয়ে আজি কোহিমাত জোচেফক লগ পাই আহি তাল মাৰি চাইছে—মই কি কৰো চাবলৈ।

সন্ধিয়াৰ পাতল আন্ধাৰবোৰ লাহে লাহে ডাঠ ক'লা কৰি ৰাতি নামি আহিল। দূৰণিৰ পাহাৰবোৰ আৰু গছ-গছনিবোৰ একোকে নমনি। বাটৰ কাষৰ বনবোৰ তাইৰ ভৰিত লাগে। বৰ হাবি এখনৰ মাজেদি যেন তাই ক'ৰবালৈ আগবাঢ়িছে। সৰুৰেপৰা সদায় চকু মুদি অহা-যোৱা কৰা বাটটোত থিয় দিও তাই অনুভব কৰিলে—তাই যেন বাট হেৰুৱাই পেলাইছে। অচিনাকি বাটটোত বাৰে বাৰে তাই কঁপি উঠিছে খোজ পেলাবলৈ।

গাওঁবুঢ়াই বাৰু মন জুখিবলৈ আন কথা নকলে কিয়! জোচেফে আন এজনী ছোৱালীক বিয়া কৰাবলৈ বন্দোবস্ত কৰিছে বুলি কলেওতো তাই মৰ্মাহত হ'লহেঁতেন! হতভম্ব হৈ তাৰপিনে চাই ৰ'লহেঁতেন।

নৈখনৰ পিনৰপৰা এহাল ডাউক-ডাউকীৰ সমবেত কোলাহল তাইৰ কাণত পৰিল। অলপ সময়ৰ পিছত ক্লান্তিৰে যেন সিহঁত

নিস্তব্ধ হৈ গ'ল। বস্তীৰ ঘৰবোৰৰ ভিতৰত জ্বলা দুই একোটা চাকিৰ পোহৰ আন্ধাৰৰ মাজেদি তাইৰ চকুত পৰিল। একোটা যেন সেন্দুৰৰ কৌটা। বস্তীৰ মাজৰ খেল পথাৰখনৰ মাজত কেইটামান গৰুৱে ঘাঁহ পাগুলিয়াই থিয় দি আছে। সিহঁত সদায়ে তাতে থাকে। বাওঁহাতে কবৰখানাখন। তাৰে ওচৰৰ শিমলু গছজোপাৰ শুকান ডাল এটা মটক্‌কৈ ভাঙি মাটিলৈ সৰি পৰিল। তলৰ জাৰ্মানী লতাৰ তলত ৰাতিটোৰ বাবে আশ্ৰয় লোৱা কিবা জন্তুকেইটামান সৰ্‌ সৰ্‌কৈ দৌৰি পলাল। গছ ডালৰপৰা চৰাই এটাই জোৰেৰে আৰু খৰকৈ পাখীৰে চাটি মাৰি অলপ দূৰলৈ উৰি গৈ আকৌ গছজোপাৰ ডাল এটাত আশ্ৰয় ললেহি। শুকান ডালটোৱে তাক হয়তো আশ্ৰয় দিব নোৱাৰিলে।

তাই পিছপিনে ঘূৰি চালে। খৃষ্টিয়ান বস্তা, ওখ চূড়াৰে সেই গীৰ্জাটো একোকে মণিব নোৱাৰিলে তাই। সেই গোটেই পাহাৰখন যেন এটা বিৰাট সুপ্ত জন্তু। বিৰাট বপুৰ আঁহত গছজোপাৰ মূৰৰ-পৰা শিপাবোৰকে ক'লা কাপোৰ এখন যেন আন্ধাৰ ৰাতিটোৱে পিন্ধাই দিছে। গছজোপা আন্ধাৰত লুকাই পৰিছে। আকাশী তৰাৰ জাক জিলিকি উঠিছে। পূবালিৰ সিদিনাৰ সেই তৰাটোৰ দুষ্টালি সনা দৃষ্টিত আজি বেদনা কিহৰ ?

গাওঁবুঢ়াৰ ওচৰলৈ ঘূৰি যাওঁ নেকি ?

গৈ কি কৰিবি ?

কথাটো হয় নে নহয় সুধিম।

সি মিছা কথা কৈ ধেমালি নকৰে।

কথাটো তেন্তে সঁচা ?

ওঁ।

বিশ্বাস কৰিবলৈ টান লাগে আৰু সঁচা সঁচাও যেন লাগে। আয়স্—।

অস্থিৰ মনটোক অসংখ্য প্ৰশ্নই জুমুৰি দি ধৰে। আপোনা-আপুনি নিজৰ মনতে প্ৰশ্নবোৰৰ উত্তৰ ওলায়। খোপনি হেৰোৱা মনটো

কোনো ৰকমে উদ্বেগহীন কৰি তুলিব নোৱাৰে তাই। ভাবে—কেৱল ভাবে। চকুৰ পানীবোৰ গালেদি বাগৰি সৰি পৰে।

চকুৰ পানী ধাৰাষাৰে বৈ থাকে। পাহাৰী নিজৰাটোৰ দৰে বৈ থাকে অবিৰামভাবে। জীবনৰ চৰম সত্য চকুৰ পানী।

চু পোগা? কোন?

বিপৰীত ফালৰপৰা কোনোবা এজনে প্ৰশ্ন কৰিলে।

আ লেই—। মই। ভঙা ভঙা মাতেৰে জাচমীয়ে উত্তৰ দিলে। আন্ধাৰৰ মাজেদি আহি থকা মানুহজন অনুমানতে জাচমীৰ মুখামুখিকৈ থিয় দিলে।

জাচমী মে? জাচমী নেকি?

সিহঁতৰ বস্তীৰ গাওঁবুঢ়া। কোহিমাৰপৰা আহি ঘৰ পোৱাৰ আগতে ক'ৰবাত সোমাই ঘৰলৈ এতিয়া গৈ আছে।

সেই একেটা দুঃসংবাদকেই বহন কৰি আনিছে সিহঁতৰ বস্তীৰ গাওঁবুঢ়াই। হৈছে—আৰু সন্দেহ নাই, বিশ্বাস-অবিশ্বাসৰ প্ৰশ্ন নুঠে। মহা সত্য। দুয়ো নিজ চকুৰে দেখি আহিছে বোলে।

অশেষ ধৈৰ্য্যেৰে তাই কোনোমতে বাৰাণ্ডাৰ চাঙত হোৰাটো তুলি থলে।

উ—স্—। খুটাটোত আঁউজি এখন হাতেৰে খামোচ মাৰি ধৰিলে খুটোটোকে! মূৰটো ঘূৰিছে জাচমীৰ। অস্থিৰ পৃথিবী। একো নাই—। কোনো নাই—। সকলো শেষ।

আনি—। ভিতৰৰপৰা বাপেকে মাতিলে। তাই নিস্তব্ধ হৈ বাহিৰতে থিয় দি ৰ'ল। মাতিব নোৱাৰিলে। শৰীৰৰ সমস্ত শক্তিয়েই যেন তাইৰ লুপ্ত হৈ গৈছে।

আনি—! বাপেকে পুনৰ মাতিলে।

হোঁ! তাই বৰ অবশভাৱে কোনোমতে উত্তৰ দিলে।

ভিতৰলৈ নাহ কেলেই? ইমান ৰাতিলে পথাৰতে থাকিবলৈ দৰ্কাৰ কি? বাপেকে শাসনৰ সুৰত কলে।

তন্দ্ৰালস হৈ একোৰে খবৰ ৰাখিব নোৱাৰা মানুহৰ নিচিনাকৈ টলং পলংকৈ তাই ভিতৰ সোমাই আহিল। জুইকুৰাৰ পোহৰ

তাইৰ অসহ্য লাগিল। আন্ধৰবোৰেই ভাল আছিল। জুইকুৰাৰ গোটেইখিনি তাপ যেন তাইৰ গাত কিহবাই সানি দিছে আনি।

তোৰ পলম হোৱা দেখি আমি ভাত খালোঁৱেই। তয়ো খা। মাকে কলে। বুঢ়ী কিছু শান্ত। আজি মনে মনে খুটাটোত আঁউজি চকু দুটা মুদি বহি আছে। সৰু ল'ৰা দুজনে পোৰা আলু এটাৰ বাবে জুইৰ কাষত টনা-আঁজোৰা লগাইছে।

এই ভাত খা ঐ—। বাপেকে কলে।

তাই পীৰা এখনত বহি থাকিল। একো নামাতিলে। কথা কোৱাৰ ভাষাবোৰ তাই যেন পাহৰি গৈছে। অচিনাকি হৈ পৰিছে সম্মুখত বহি থকা মাক-বাপেক আৰু ভায়েক দুজন। চিন পাহৰি পেলাইছে চিচেমা বস্তীখনৰ। একোৱেই মনত নাই। মনত আছে মাথোন এটা দুঃসংবাদৰ প্ৰতিটো শব্দ—।

আঁঠু দুটাৰ মাজত মুৰটো সোমাই হুকহুকাই কান্দিবলৈ ধৰিলে জাচমীয়ে—বহুতো সময়। শেষ নাই সেই কান্দোনৰ। কঁপি কঁপি ফুলি উঠিছে তাইৰ ডিঙিৰ শিৰ দুডাল। ৰঙা পৰি গৈছে গাল-মুখ। তথাপি শেষ নাই। গহীন হৈ থকা ঘৰখন আৰু গহীন হৈ পৰিল। জোটা পুটি লাগি থকা ভায়েক দুজনেও বায়েকৰ আকস্মিক কান্দোনত থত্‌মত্‌ খাই ভেবা লাগি ৰ'ল। পুৰি আওঠা বন্ধা খৰিবোৰ কোনেও জুইলৈ বঢ়াই দিয়া নাই। পোৰা কাঠ এডালৰ ফুটাইদি কিছুমান ধোঁৱা উৰি আছিছে। খুটাটোৰ বান্ধি থোৱা বাঁহৰ গাঁঠিটোৰ ওপৰত জ্বলি থকা চাকিটোৰ পোহৰত সিহঁতৰ বাক্‌হীন ছাঁয়াবোৰ প্ৰকাণ্ড একোটা হৈ থম্‌থম্‌কৈ বেৰত জিলিকি ৰ'ল।

আয়াঃ, তোৰ নো কি হ'ল অ' ?

জীয়েকৰ আকস্মিক কান্দোনত বাপেক আচৰিত হোৱাই নহয় চঞ্চলো হৈ পৰিছিল। এটা শোকেই ঘৰখনৰপৰা আঁতৰা নাই। স্নেহাদ্ৰি কণ্ঠে বাপেকে তাইলৈ চাই সুধিলে।

মাকে তাইৰফালে চাই ৰ'ল। দুৰ্বল দৃষ্টি শক্তিৰে মাকে চাকৰ ক্ষীণ পোহৰত জীয়েকৰ মুখখন হয়তো মণিব নোৱাৰিলে।

তাই একো নামাতিলে। আগৰ অৱস্থাতে উচুপি উচুপি কান্দি থাকিল। কপালৰ ওপৰেদি চুলি একোচা ওলমি পৰিল। সোঁ সোঁ শব্দ কৰি কেইটামান বাদুলি উৰি গ'ল। ভিতৰত কুকুৰাজনীয়ে পোৱালীকেইটাক ঠোঁটেৰে খেপিয়াই চাই নিশ্চিন্ত মনে পাখী মাৰিলে। আকৌ নিস্তব্ধতা। তাইৰ উচুপনি।

আনি অ'! বাপেকে তাইৰ পিঠিত হাত বুলাই দিলেহি।

তোৰ কি হৈছে নো? বাপেক অধৈৰ্য্য। সক ল'ৰাহাল স্থবিৰ। মাক নীৰৱ।

কোহিমাৰপৰা বস্তীলৈ আহোঁতে জোচেফৰ মটৰ ৰাস্তাৰপৰা নৰ্দমাত বাগৰি পৰি তাৰ খুব জখম হৈছে। মুৰ ফাটি গৈছে। এতিয়া বোলে ডাক্তৰখানাত আছে। তাই কোনো ৰকমে কথাখিনি কৈ আকৌ ফেঁকুৰিলে।

খৃষ্টিয়ান বস্তীৰ জোচেফ? মাকে সুধিলে।

অঁ, গাওঁবুঢ়াৰ মুখে ময়ো শুনিছো। কান্দি নো কি হ'ব তোৰ? বাপেকে ক'লে।

ইস্—আমাৰ বস্তীৰো নহয়। মৰিলে কি হ'ব আৰু! নিজৰ খেলৰ মানুহ হলেও এটা কথা। মাকে বিৰ্‌বিৰালে।

মৰিলে কি হ'ব আৰু! নিজৰ খেলৰ মানুহ!! খৃষ্টিয়ান বস্তীৰ জোচেফ! মাকৰ মুখৰ কথাবোৰে থকা-সৰকা কৰিলে তাইৰ মন।

আই তই ইমান নিৰ্দয় হ'ব কেনেকৈ পাৰিলি? তই কেনেকৈ বুজিবি—জোচেফ খৃষ্টিয়ান বস্তীৰ হলেও মোৰ সতে সম্পৰ্ক কিহৰ? তই ইমান হৃদয়হীনা? সক জীয়েৰ মৰাৰ এবছৰ পিছলৈকো চকুৰ পানীৰে বাট নেদেখা হৈ থাকিও মোৰ চকুৰ পানীৰ মূল্য নুবুজিলি! ভয়ো মোৰ শত্ৰু! শত্ৰু! ৰাতি টোপনিৰপৰা সাৰ পায়ো যিয়ে মৃত জীয়েকৰ শোকত ইনাই-বিনাই কান্দিব পাৰে, যিয়ে নিজৰ জীয়েকৰ বুকুৰ বেদনাখিনি যদি তিলমানো উপলব্ধি কৰিব নোৱাৰে, তেন্তে শত্ৰু নহয় যদি কি? জোচেফৰ কাৰণে মই কিয় কান্দিছো আয়ে এবাৰো নুসুধিলে কিয়? কিয় নুসুধিলে?

ভিলাহেলৈ তাইৰ মনত পৰিল। বয়সত সৰু যদিও বহুতো কথা বুজিছিল তাই ;—মাক-বাপেকতকৈ মৰমিয়াল আছিল। সহানুভূতি ভৰা আছিল অন্তৰখন। তাই হয়তো আজি এই কান্দোনৰ অৰ্থ বিচাৰি পালেহেঁতেন। জোচেফৰ লগত জাচমীৰ কি অদৃশ্য সম্পৰ্ক তাকো বুজিলেহেঁতেন।

উঠ অ'ই আনি। ভাত খা। কি পৰৰ মানুহৰ বাবে কান্দি-কাটি ঘৰখনত অশান্তি কৰ। বাপেকে আকৌ ক'লে। সৌভাগ্য—মাক আজি তন্দ্ৰালস। মুখত একো কথা নাই। যেন বৰ অবশ।

পৰৰ মানুহ? হোঁ জোচেফ পৰৰ মানুহ! নিষ্ঠুৰ জন্মদাতা পিতৃৰ কিয় পৰৰ কাৰণে কান্দিছো ভাবিবলৈ সত নগ'ল কিয়? বুকুখন ফালি দেখুৱাব পৰিলে বুজিলেহেঁতেন—জোচেফ মোৰ কোন?

জীয়াই থকাৰ অৰ্থ কি যদি হিয়া ভৰা আশাবোৰে জীৱনজোৰা নিৰাশাকে আনি দিয়ে। মইতো সৰগলৈ গৈ নন্দন-কাননত বিচৰণ কৰিব খোজা নাছিলো। আকাশী তৰাবোৰ ছিঙি আনি মালা গাঁঠিবলৈ অভিলাষ কৰা নাছিলো। মোৰ বুকুখনে বিচাৰিছিল দৰদী বুকু এখনৰ মাজত—নীলিমাৰ বুকুত ডাৱৰ মিলি যোৱাদি নিঃশেষ হ'বলৈ, মৰমৰ মাধুৰীমাৰ মাজত জীয়াই থাকিবলৈ। সেয়া জানো দুৰ্মতি? মোৰ দুৰাকাংক্ষা? এটাও নহয় নিশ্চয়। জোচেফক কেন্দ্ৰ কৰি আকাশচুম্বী কল্পনাৰ সোণালী সৌধ ৰচনা কৰিছিলো। সেই জোচেফ 'পৰ' আৰু এযাৰি সহানুভূতি দেখুৱাব নোৱাৰা জন্মদাতা আই-বোপাই? তহঁত আপোন, কিয়নো তহঁতে মোক ভাত খাই জীয়াই থাকিবলৈ দিছ।

অলসভাৱে আন্ধাৰ গচকি জাচমী মজিয়াখনৰপৰাই আহি বিছনাত বাগৰি পৰিল।

ৰাতিৰ আকাশ লাহে লাহে হৈ আহিল ফটিক বুলীয়া। তৰাবোৰ লাহে লাহে ম্লান হৈ আহিল। পূব দিগন্তত শুভ্ৰ পোহৰবোৰে ভুমুকি মাৰিলে। পুৱতি ভোটাটো তেতিয়াও একুৰা জুইৰ নিচিনাকৈ তিৰ্-বিৰাই জ্বলি আছে অকলে অকলে। কাতিমহীয়া নিয়ৰৰ টোপালবোৰ

টুপুৰ্ টুপুৰ্কৈ সৰি পৰিছে মাটিৰ বুকুত। সেমেকা, শীতল সেৰেঙা অনুভূতি। দূৰণিত ৰাও কড়া কুকুৰা এটাক সঁহাৰি জনালে আন এটাই। নিশা হৈ অহাৰ আগ-জাননী। পাতল কুঁৱলিবোৰ ডাঠ হৈ নামি আহি গছ-বনৰ মাজেদি মন্থৰ গতিৰে চলাচল কৰিছে। ঘৰৰ ভিতৰবোৰ তেতিয়াও আন্ধাৰ। বাহিৰত কাহিলি পোহৰ।

পুৱতি নিশাৰ পাতল ঠাণ্ডা বতাহৰ পৰশত ক্লান্তিময়ী জাচমীৰ ওৰে ৰাতি কান্দোনে শ্ৰান্ত কৰা, দুশ্চিন্তাই অস্থিৰ কৰা চকুলৈ নামি আনিছিল তন্দ্ৰা। ঘৰৰ ভিতৰৰ কুকুৰটোৰ ৰাৱত চক্ মক্কৈ সাৰ পালে তাই। গিৰিসাই উঠি বহিল। দীঘল ৰাতিটোৰ শেষ হ'ল তেন্তে? ইমান দীঘল হ'ব পাৰে ৰাতিবোৰ! প্ৰত্যেকটো মুহূৰ্তই তাইক যেন ৰাতিটোৰ সঁহাৰি দি গৈছে। তথাপি কাল-ৰাতিৰ শেষ নহয়। কান্দি কান্দি ভাগৰি পৰা জাচমী উঠি বহিয়েই চকু দুটা মোহাৰি ললে। ঘৰৰ কোনোৱে সাৰ পোৱা নাই। নীৰব বস্তীখনৰ বহুতৰে হয়তো টোপনি ভাগিছে। অলপ সময়ৰ পিছতে চিচেমা বস্তী সজাগ হৈ উঠিব। পানীখেতিৰ পকা ধানৰ পথাৰৰ বাট, হাবিতলিৰ সৰু বাট আটাইবোৰেদি বস্তীৰ মানুহ দিনটোৰ কামত ব্যস্তভাৱে আগবাঢ়িব—ৰাতি পুৱাতে। সিহঁতৰ কথা-বতৰাত মুখৰিত হৈ উঠিব ইমুৰ-সিমুৰ। সোণ বৰণীয়া পকা ধানৰ পথাৰত দাৱনীহঁতৰ পকা থেকেৰা ৰঙৰ মুখৰ প্ৰাণ খোলা হাঁহিৰ অস্থিৰ কঁপনিত মধুৰ পাতল নিচাই উন্মনা কৰা ডেকাহঁতক চঞ্চল কৰি তুলিব। সিহঁতে সিঁয়াৰি দি কুকলিয়াব। কঁপি উঠিব পাহাৰৰ টিঙ্। ৰাতিটোৰ জিৰণিৰ পিছত জাকি মাৰি উৰি যাব অসংখ্য চৰাইৰ জাক। সিহঁতৰ প্ৰভাতী কুজন লাগি চিচেমা বস্তীৰ বায়ু মণ্ডল হৈ পৰিব সঙ্গীতমুখৰ।

"সময় নাই! আৰু অপেক্ষা কৰি সময়ৰ অপব্যয় কৰি লাভ কি? জাচমী বহাৰপৰা উঠিল। গাৰুটোৰ কাষত থৈ দিয়া বাইবেলখন হাতত ললে। আৰু কেইটামান মাহ অপেক্ষা কৰাৰ পিছত তাইৰ সপোনবোৰে ৰূপ পালেহেঁতেন। জীৱনৰ প্ৰেম সাৰ্থকতাৰ উপলব্ধিত তাই আত্মহাৰা হৈ গ'লহেঁতেন। সৃষ্টি-কৰ্তাৰ জয়-গাথা বাইবেলখন

হাতত লৈ তাইৰ মনত পৰিল বহুতো কথা—। মেৰী, এলিজাবেথ, ভিক্টোৰীয়া, নীনা···বহুতো। খৃষ্টিয়ান নামৰ কিবা এটা নাম গীর্জাত ফাদাৰে দিলেহেঁতেন তাইকো।

হে ঈশ্বৰ, তুমি জোচেফক কুশলে ৰাখা। মই খৃষ্টিয়ান নহলেও— মোৰ আত্মা তোমাৰ চৰণৰ সেৱিকা! মোৰ মিনতি শুনা যীশু! মোৰ নয়ন-জ্যোতি কিয় নাশ কৰি দিবলৈ খুজিছা! জোচেফৰ অবিহনে মই অন্ধ, প্ৰভু।

বৰ আবেগেৰে তাই প্ৰাৰ্থনা কৰিলে ঈশ্বৰৰ। আবেগৰ অনুভূতিত তাইৰ দুচকুৱেদি বৈ আহিল দুধাৰি চকুৰ পানী।

বাইবেলখন তাইৰ মোনাটোত সুমুৱাই লৈ গাৰুৰ তলত সিচঁৰতি হৈ থকা কেইঅনামান পইচা উমানতে বুটলি আনিলে। মোনাটোত পইচা কেই অনা ভৰাইছিল। খুচৰা পইচাকেইটা মোনাৰ চুকত পৰি থাকিল। সিচঁৰতি হৈ পৰি থকা মুৰৰ চুলিবোৰ দুয়ো হাতেদি পিচপিনে হেঁচা মাৰি ঠেলি দি দাৱৰপৰা গাত লোৱা চাদৰখন টান মাৰি লৈ হাতৰ মোনাখন কান্ধত ওলোমাই ঈষৎ পোহৰ পৰা ঘৰটোৰপৰা লাহে লাহে জাচমী ওলাই আহিল। ভিতৰৰপৰা লাহেকৈ মেলা দুৱাৰখনৰ ফাঁকেদি একাঁজলি ৰগা পোহৰ মজিয়াখনত বিয়পি পৰিল।

চোতালৰপৰা সন্মুখলৈ চালে তাই। উদয়াচলত হিৰণ কণিকা। মৌণ প্ৰভাতৰ নিঠৰ বস্তীখনৰ ঘৰবোৰ যেন একোটা যুগৰ সমাধি। নীৰব। ভয়ানক।

প্ৰতিটো খোজতে দুৱৰি বনৰ নিয়ৰৰ কণিকাবোৰ ছিটিকি পৰিল। লাহে লাহে তাই সৰু বাটটো এৰি আহি ডাঙৰ পথত ভৰি দিলে। চিচেমা বস্তীৰ নাগিনী গাভৰুৱে জীৱনত প্ৰথম বাৰৰ বাবে খোজ পেলালে—বিশালৰ বুকুলৈ। মহতী প্ৰেমৰ সাৰ্থক আশাৰ অযুত প্ৰেমৰ টোপোলা সাবতি।

চিচেমা বস্তীৰ দুৱৰি বনত পৰি ৰ'ল অখ্যাত একনী গাভৰুৰ কেইটামান অস্পষ্ট ভৰিৰ চাপ—।

কোহিমা—

কোহিমা আৰু কিমান দূৰ ?

চিচেমা-কোহিমাৰ ব্যৱধানৰ ওৰ পৰে। পশ্চিমৰ পিনে ভাটি দিয়া বেলিটাৰ পিনে মুখ কৰি জাচমী পাৰহৈ আহিল কোহিমা নগৰ। জীৱনৰ কোনো এটা ক্ষণত তাইৰ মনলৈ আহিছিল অলেখ কল্পনা। একুৰি মাইল নিলগৰ এখন ভিতৰুৱা বস্তীৰপৰা তাই সপোনাপুৰীৰ ৰূপ দিছিল কোহিমাৰ। ভনীয়েকক কোহিমাৰপৰা উভতি গৈ ওচৰত শুই শুই বহুতো ৰাতিলৈকে শুনাব খুজিছিল কোহিমা নগৰৰ বৰ্ণনা। পাতালপুৰীৰ কাহিনীৰ নিচিনাকৈ থৰ লাগি শুনিছিল ভনীয়েকে বায়েকৰ মুখৰ কথাবোৰ আৰু ঈৰ্ষাত ধমকিয়াওক কেতিয়াবা! চিক্ৰেনী গেণাৰ পিছত কোহিমালৈ আহি কোহিমাৰ স্কুলত বহুতো কিতাপ পঢ়াৰ সপোন ৰচিছিল তাই আৰু শেষত জোচেফে টানি আনিলে জাচমীক কোহিমাৰ বুকুলৈ। নব-বিবাহিতা গৃহিণীৰ লাজুকি হাঁহিৰে তাই কোহিমাৰ আলিবাটত খোজ পেলাবলৈ নাপাওঁতেই বাধ্য হ'ল আউলি-বাউলি হৈ থৰক্-বৰক্কৈ খোজ পেলাই কোহিমা নগৰ পাৰহৈ হস্পিটেলৰ পথ ধৰিবলৈ। কোহিমা— জীৱনৰ সাৰ্থকতা কামনা কৰিছিল কোহিমাৰ বুকুত আৰু সেই কোহিমাৰ ব্যস্ত জনপথ, ৰূপ-সজ্জাৰ অযুত সম্ভাৰে সজ্জিত সংখ্যাহীন দোকান, মটৰ-লৰি, চামে চামে মানুহ, হাঁহি-খিকিন্দালি— একোৱেই তাইৰ মন আকৰ্ষণ কৰিব নোৱাৰিলে। জীৱনত প্ৰথম বাৰৰ বাবে অলেখ অচিনাকি মানুহৰ সমাগমলৈ আহিও তাই বিচাৰি নাচালে সিহঁতৰ জীৱনৰ ৰহস্য। তাইলৈকো কোনেও নাচালে। তায়ো নাচালে কাৰো মুখলৈ। চাব কাক ? কোন আছে চিনাকি মানুহ !

শেষ হৈ যোৱা যাত্ৰাৰ মুৰতে আকৌ আৰম্ভ হয় নতুন যাত্ৰাৰ। জীৱন জিজ্ঞাসাৰ প্ৰবল বাসনা ভৰা মহাযাত্ৰাৰ অন্তহীন পথত নহয়—নিজৰ সত্তাক প্ৰাণ দি জগাই ৰখাৰ বাসনাৰে থিয় দিলে জাচমী চাৰি আলিৰ মুৰত। মোৰ এই পথৰ গতি কোন পিনে ? কোহিমা হস্পিটেলৰ বাট চিনি নাপাই বিমোৰত পৰে তাই। জন-বহুল নগৰ-

খন পাবহি আহি এমুৰীয়া চাবি আলিব মাজত বাট-কেনা লাগে আচমীব। চাৰিটা বাট পৰি আছে চাৰিপিনে। মাজতে সক এটাত ওখ ভেঁটিবে পুলিচ পইণ্টটো। আলিব ওচৰত কাৰো ঘৰ নাই। বহুতো মানুহৰ মাজেদি খোজ কাঢ়ি আহি অচল হৈ পৰিল তাই। নামনিৰ অনতিদূৰৰ ঘৰবোৰৰ পিনে চালে। সৰু-বৰ ঘৰ কিছুমান গছ-গছনিৰ মাজে মাজে। অচিনাকি ঠাই। অচিনাকি ঘৰ। চিনাকি নথকা মানুহ। বাটৰ একাষে সৰু ল'ৰা কিছুমানে ৰবৰৰ বল খেলি কোলাহল কৰি আছে। সিহঁতৰ বস্তীতো ভেনে বয়সীয়া ল'ৰাবোৰ খেলাত মগ্ন হৈ থাকে প্ৰতিটো আবেলিতে। সংসাৰৰ খবৰ নাৰাখে সিহঁতে। এজন মানুহে পিঠিত তুলি এসোপা ঘাঁহ লৈ আহিছে। ঘাঁহবোৰে তাক ঢাকি ধৰিছে, মানুহ বুলি চিনিকে নাপায়। ওচৰেদি পাৰহৈ যোৱা মানুহ কেইজন-মানক সোধো বুলিও হস্পিটেলৰ বাটটোৰ কথা সুধিব নোৱাৰিলে। বহল শিল এচটাৰ বুকত বগা ক্ৰছ এডাল দেখি বুকুখন ঢপ্ ঢপাই উঠিল তাইৰ। কোনোবা ডাঙৰ মানুহৰ সমাধি স্থল চাগে। বাটকৰা মানুহৰ মনত তাৰে সোঁৱৰণী জগাই ৰাখিবলৈ সকলোৰে দেখাকৈ সমাধিস্থ কৰিছে। কিছুমান ভিন্ ভিন্ ৰঙৰ ফুল ক্ৰছ্ ডালৰ তলত ফুলি আছে। মানুহ মৰিলে কবৰ দি তাৰে ওপৰত ক্ৰছ্ দি থয়— কথাটো ভাবি অস্থিৰ হৈ পৰিল তাইৰ মনটো। জোচেফৰ যদি ··। তাইৰ আগবাঢ়িবলৈ মন গ'ল। এৰি অহা বাটটোৰ পিনে উভতি চালে। বহল বাটটো মৰা সাপ এটাৰ দৰে পৰি আছে। সমুখৰ বাটটো দূৰলৈ নেদেখি। পাহাৰবোৰৰ ভাঁজে ভাঁজে বাট লুকাই আছে।

পুলিচ পইণ্ট্‌টোলৈ গেৰেপ্ গেৰেপ্ বুটজোতাৰ খোজ পেলাই, এজন পুলিচ দূৰৰ দোকানখনৰপৰা গজেন্দ্ৰ গমনে আহিল। তাৰ পিছে পিছে এটা ল'ৰা। সি পুলিচটোক কিবা কৈছে। বোধহয় পইচাৰ কথা। পুলিচটোৱে তামোল চোবাই হাতত লৈ থকা চিগাৰেটটো জ্বলালে। যা যা—। পুলিচটোৰ ধমক খাই দোকানী ল'ৰাটো

সেমেনা-সেমেনি কৰি আঁতৰিল। সি জ্বলোৱা চিগাৰেটটো পইণ্টৰ খুটাটোত আঁউজি বৰ আৰামেৰে হুপিবলৈ ধৰিলে।

হেই ক'ত যাবি? পুলিচটোৱে হঠাত তাইক দেখি সুধি বুটৰ গেৰোৱা দুটা লগ লগাই খটপ্ কৈ বৰ গম্ভীৰভাৱে শব্দ এটা কৰিলে। তাই উচপ্ খাই উঠিল। ভাগৰত অবশ হৈ পৰিছিল তাই। সি ওখ ভেটি-টোৰপৰা নামি আহি তাইৰ ওচৰত থিয় দিলেহি। তাইৰ ভয় লাগিল।

দাৰু কিন্তু কেৰেপ? হস্পিটেল কোন পিনে? তাই যথেষ্ট সাহসেৰে সুধিলে।

যাবি? সি সুধি হাঁহিলে। তামোল আৰু বিৰিয়ে চেকা বন্ধা দাঁতকেইটা উলিয়াই সি তামোল চোবাই থাকিল।

আদাৰুকিন্তু চিম—। হস্পিটেল কোনপিনে মই চিনি নাপাওঁ। তাই কন্দনামুৱা হৈ কলে। বহুতো সময় যেন তাইৰ অপব্যয় হৈ গ'ল। উচ্পিচাবলৈ ধৰিলে তাই। ফিট্ ফাট্ পোছাক পিন্ধি ৰঙা পাগুৰি মুৰত লৈ, হাতত মোটা আৰু চুটি টোকোন এডাল লৈ থকা মানুহজনৰ ওচৰত থিয় দি থাকিবলৈ অস্বস্তিও লাগিছিল তাইৰ।

ঢেক্ ঢেকাই পুলিচটোৱে হাঁহি দিলে। আৰু যে লাগিল তাইৰ। মোৰ বিপদবোৰ মানুহে নুবুজে কিয়? তাৰ মুখৰপৰা দৃষ্টি নমাই ভৰিৰ তলৰ শিলবোৰলৈ চাই ৰ'ল তাই।

এই হুনিবি—। সি এথোপা পিক্ পেলালে পকি বাটটোৰ ওপৰত। বাওঁহাতৰ অনামিকা আঙুলিটোৰ মুৰৰপৰা চূণখিনি দাঁতত লগাই তামোলখন অলপ চোবাই ঢোক এটা গিলি তাইক হস্পিটেললৈ যোৱা বাটটো আঙুলিয়াই দেখুৱালে। পুলিচটোৰ মুখৰ পিক পকি বাটত সিৰ্চৰিত হৈ ছিটিকি পৰিছিল, কেইটোপমান তাইৰ ধূলিয়ে ঢাকি ধৰা ভৰিৰ পতাত। তাই লাহে লাহে পশ্চিমৰ বাটটোৱেদি হস্পিটেললৈ আগবাঢ়িল।

বাটৰ কাষত জিৰ্ জিৰ্কৈ পানী ওলাই থকা উহটো দেখি তাইৰ ভাব হ'ল—পিয়াহ লাগিছে। পানী কেই আঁজলি মান খাই ললে কেনে হয়! থমকি তাই ভাবিলে। নাই, এনেয়ে বহুত

সময় গ'ল। আগেয়ে জোচেফৰ ওচৰ পাওঁগৈ—তাৰ পিছত মোৰ ক্লান্তি অবসানৰ ব্যবস্থা হ'ব। সিও চাগে একো নোখোৱাকৈ সিদিনাৰেপৰা পৰি আছে। তেন্তে? পানীখিনিৰ ফালে পুনৰ নোচোৱাকৈ খৰকৈ খোজ পেলালে তাই।

যিমানে হস্পিটেলৰ ওচৰ পাইছে, তিমানেই জাচমীৰ মনৰ উগুল-থুগুল ভাবটো বেছি হৈ আহিছে। কিমান যে সীমা সংখ্যাহীন ভাবনাবোৰ আহিছে—গৈছে, গৈছে—আহিছে। সুস্থিৰে তাই একো এটাকে ভাবি উলিয়াব পৰা নাই। মাথোন খোজ চলাইছে সেই উদ্বেগৰ মাজেদি।

কোহিমা চিভিল হস্পিটেলঃ ওখ টিলাৰ ওপৰত প্ৰকাণ্ড ঘৰবোৰ। আকাৰে-প্ৰকাৰে সৰহ ভাগ ঘৰেই বিৰাট আৰু বিশাল। এটা দুটাতো ঘৰ নহয়। অসংখ্য সৰু-ডাঙৰ ঘৰেই ঘৰময় গোটেই টিলাটো জুৰি। চকুত চাট্ মাৰি ধৰা বগা বগা বেৰ আৰু দুৱাৰ-খিৰিকিৰ আয়নাবোৰ। ক'লা ৰঙ সনা কাঠৰ বাতামবোৰ, ফু-মাৰি ভাত খাব পৰা পকি মজিয়াবোৰ অপূৰ্ব। চিচেমা বস্তীৰপৰা লক্ষ্য কৰি অহা কোহিমা চিভিল হস্পিটেলৰ দুৱাৰ মুখত গৈ থমকি থিয় দিলে জাচমী। প্ৰথম বাৰৰ দৃষ্টি পেলালে তাই চাৰিওপিনে। কোন পিনে যাব? বাটটো অসংখ্য পৰি আছে। বুকু পাতি থকা আহল-বহল খট্‌খটিবোৰত সংকুচিত মনেৰে সন্তৰ্পণে খোজ পেলাই মেল খাই থকা দুৱাৰ মুখেদি চুচুক্-চামাক্‌কৈ ভিতৰ সোমাল। বাওঁহাতৰ এটা কোঠালীত চকুত চচ্‌মা লগাই গহীন হৈ কিবা লিখি আছে এজনে। বাট কেনি, জোচেফ কোনটো ঘৰত? মানুহজনক সুধিব নেকি! ইপিনেও ঘৰ, সিপিনেও। দুয়োটা ঘৰৰ মাজেদি ঠেক বাট, উৱাদিহেই নাপায়। কি ভাষাত সুধিম? দাৰুবাবু হবলা! যদি ধমকি দিয়ে? কি ঠিকানা? বহুতো প্ৰশ্নৰ মাজত সোমাই আৰু অলপ সোমাই গ'ল তাই। অচিনাকি কিবা-কিবি লগা গোন্ধবোৰ তাইৰ নাকত লাগিল। জোচেফে কেনেকৈ সহ্য কৰিছে চাগে এই গোন্ধবোৰ!

খট্ খট্ জোতাৰ শব্দ এটা তাইৰ কাণত পৰিল। কোন নেদেখিলে। অলপ সময়ৰ পিছতে ছোৱালী এজনী বাহিৰৰ পিনে খট্ খট্ কৈ জোতাৰ খোজ পেলাই আহি থকা দেখিলে। চুণ দিয়া বেৰৰ নিচিনা খুব বগা পোছাক। কিলাকুটিৰপৰা তললৈ হাত দুখন আৰু মুখখনহে ওলাই আছে। মূৰতো বগা কাপোৰ এখন মাৰি লোৱা! প্ৰতিটো খোজতে মূৰৰ কাপোৰখনৰ ঘন চিৰিকা চৰাইৰ ফিচাৰ নিচিনাকৈ লৰি উঠে ওলমি থকা ভাগটো। চিচেমা বস্তীৰ বিয়াৰ বয়সীয়া ছোৱালী-বোৰৰ নিচিনা চঞ্চল চকু দুটাৰ চাৱনি। কপালৰ ওপৰত সৰু একোচা চুলি কেঁকোৰা হৈ ওলমি ৰৈছে। বাওঁহাতৰ মণিবন্ধত এটা অকমানি ঘড়ী। ধুনীয়া বগা জোতাৰ খট্ খট্ শব্দটা জাচমীৰ ওচৰত বন্ধ হৈ গ'ল। সেই ছোৱালীজনী জাচমীৰ ওচৰত থিয় দিলে।

কাক বিচাৰিছা? ছোৱালীজনীয়ে নগা কথাতে সুধিলে।

জাচমীয়ে সকাহ পালে মনটোত। সাহসো হ'ল—নতুন ঠাইৰ ছোৱালী এজনীয়ে উপযাচি মতাত।

জোচেফ আঙ্গামী। ঘটনাটো চমুকৈ বৰ্ণাই তাই ক'লে।

চিচেমাৰ ঠিকাদাৰ?

ওঁ।

অঁ জো-চেফ—। নাৰ্চজনীয়ে কিবা এটা ভবা দি জোচেফৰ নামটো নিজেই এবাৰ আওঁৰালে।

চক্ খাই উঠিল জাচমী। নাৰ্চজনীয়ে কিয় তেনেকুৱা কৰে? লৈ নাযায় কিয় মোক জোচেফ থকা ঠাইখনলৈ।

মোক্ লৈ যোৱা জোচেফৰ ওচৰলৈ। জাচমীৰ কণ্ঠত প্ৰাণভৰা মিনতি। অস্থিৰ হৈ পৰিল আকৌ।

সিহঁতৰ মূৰৰ ওপৰৰ টবটোৰপৰা অৰ্কিড্ ডালৰ শুকান পাত এটা সৰি দুয়োৰো মাজতে পৰিল।

আহাঁ। শুকান পাতটো জোতাৰে গচকি নাৰ্চজনীয়ে গম্ভীৰ-ভাৱে জাচমীক ক'লে।

বিৰাট ঘৰ এটাৰ মজিয়াত খোজ পেলাই জাচমী আগবাঢ়ে জোচেফক বিচাৰি। ইমান সময় দুশ্চিন্তাৰ মাজত থাকি হস্পিটেললৈ সোমাই মনটো পাতল লাগিল জাচমীৰ।

ইমান বিৰাট ঘৰবোৰত কিমান ৰকমৰ মানুহ যে আছে! ডাক্তৰে ডাক্তৰ। দাৰু-বাবু, দাৰু-বাবুনা, নাৰ্চ, কম্পাউণ্ডাৰ আটাইবোৰ আছে। কিমান ৰকমৰ দৰবৰ বটলবোৰ যে টেবুল ভৰি আছে! বেমাৰী মানুহক যেন কোনোমতেই মৰি যাবলৈ দিব নোখোজে দাৰু-কিমুৰ বাবুবোৰে। চিচেমা বস্তীৰ নৰিয়াত পৰা মানুহ ঘৰতে মৰিব পাৰে, কিন্তু কোহিমা নগৰৰ হস্পিটেলত হয়তো মৰা মানুহক জীয়াই তোলাৰ ঔষধ আছে।

শাৰী পতা বিছনাবোৰত ল'ৰা-ডেকা, বুঢ়া-বুঢ়ী কিমান বিধৰ যে বেমাৰীবোৰ শুই আছে—ৰঙা কম্বলবোৰৰ ভিতৰত! সৌ বেমাৰীটোৱে হাঁহিছে। সি হয়তো হস্পিটেলৰ ডাক্তৰ-নাৰ্চবোৰৰ প্ৰতি কৃতজ্ঞ, কিয়নো সি টান নৰিয়াৰপৰা এওঁবিলাকৰ মহান যত্নতে আৰোগ্য হৈ উঠিছে।

চিচেমাতো যদি এনেকুৱা এখন হস্পিটেল থাকিলেহেঁতেন! ভিলাছেজনী দুদিনৰ নৰিয়াতে মৰিবলৈ নাপালেহেঁতেন! ইয়াৰ মানুহবোৰৰ, কাম কৰা ছোৱালীবোৰৰ কিমান মৰম ভৰা অন্তৰবোৰ! সৌ ছোৱালীজাক বগা পখিলাৰ জাক উৰি ফুৰা দি লৰা-ধপৰাকৈ কাম কৰি ফুৰিছে। সৌ ডাক্তৰজনে হাঁহি বেমাৰীৰ লগত কথা পাতিছে।

জোচেফৰ মটৰ দুৰ্ঘটনাৰ খবৰ শুনাৰ পিছত দুশ্চিন্তাই ভৰাই তোলা মনটোলৈ সাহস আহে জাচমীৰ। ইমান সু-ব্যৱস্থাৰ মাজত জোচেফৰ যেনেকুৱা জখমেই হওক, ভাল হ'বই! ভাল হলেই ভাল! জোচেফে চাগে মোক তাৰ ওচৰতে এই আচহুৱা ঠাইখনত হঠাতে দেখা পাই আচৰিত হৈ যাব। কিমান ভাল লাগিব চাগে জোচেফৰ! কোহিমাতটো সি অকলেহে থাকে।

আৰু নো কেইখোজ বাকী? ইটো ঘৰৰ পিছত সিটো কোঠালী, সিটো কোঠালীৰপৰা এটা কৰিডৰ কৰি আগবাঢ়ি গৈও জাচমী

জোচেফৰ কাষ চাপিব পৰা নাই কিয়? নাৰ্চজনীয়ে জোচেফক চিনি নাপায় নেকি? শুই থকা বেমাৰীবোৰৰ শুকান মুখবোৰৰ পিনে জাচমীয়ে পাৰ হৈ যাওঁতে চাই যায়। জোচেফ যদি ভুলতে পাৰ হৈ যায়! কোটৰগত চকুৰ অস্থি চৰ্মসাৰ বহুতো বেমাৰীৰ চকুৱে চকুৱে পৰে তাইৰ। কাকো চিনি নাপায়। সিহঁতক তথাপি সহানুভূতি দেখুৱাবৰ মন যায় তাইৰ। কিমান অসহায় সিহঁত! হস্পিটেল-খনকে আপোন ঘৰ বুলি, ডাক্তৰ-নাৰ্চবোৰকে নিজৰ পৰিয়ালৰ বুলি পৰি আছেহি দেহি!

চাৰ্জিকেল ৱাৰ্ডত সোমোৱাৰ লগে লগে নাৰ্চজনীৰ খোজ পাতলিল। কোঠালীটো গহীন। ইমান নীৰৱ! কাৰো মুখত কাঁহ এটাও নাই। পাৰ হৈ অহা বেমাৰীবোৰতকৈ ইহঁতৰ মুখবোৰ বেছি শেতা পৰা অথচ নিৰ্বাক আৰু গম্ভীৰ। বিছনাবোৰ আৰু তাৰ আশে-পাশে থকা কিবা-কিবি যন্ত্ৰবোৰো আগৰ ঘৰবোৰত নথকা বিধৰ। সাৱধানে খোজ পেলালে নাৰ্চে;—অলপো শব্দ নোহোৱাকৈ। তথাপি কেইজনমান বেমাৰীয়ে মুখবোৰ ঘূৰালে সিহঁতৰ পিনে। এজন ডাক্তৰে এখন টেবুলত থিয়ৈ থিয়ৈ কিবা লিখি আছিল হালধীয়া কাগজ এখনত। তেওঁৰ ওচৰতে সিহঁত দুয়ো থিয় দিলেগৈ। থিয় দি জাচমীৰ মনটো আকৌ দুশ্চিন্তাবোৰে ভৰি পৰিল। উচ্‌পিচাবলৈ ধৰিলে তাই।

ডাক্তৰ—!

ডাক্তৰে মুৰ তুলি সিহঁতৰ পিনে চালে।

কালি মটৰ এক্সিডেণ্ট্ হৈ অহা পেচেণ্টটো চাবলৈ এওঁ আহিছে। নাৰ্চজনীয়ে সৰু সৰুকৈ কথাবোৰ কৈ জাচমীৰ পিনে ঘূৰি চালে। শুই থকা বেমাৰীবোৰৰ মাজত জোচেফ কোনজন হ'ব পাৰে তাকে বিচাৰি উলিয়াবলৈ ঘূৰি ঘূৰি চাইছিল জাচমীয়ে।

মানুহজন তোমাৰ কি হয়? ডাক্তৰে পেনটো বন্ধ কৰি জেপত ভৰাই তাইৰ পিনে চালে। নাৰ্চজনীয়ে আংগামী কথাত ডাক্তৰৰ প্ৰশ্নটোকে সুধিলে। তাই ডাক্তৰৰ মুখৰ পিনে চাই ৰ'ল। একো

নামাভিলে। অমংগলীয়া চিন্তা এটাত তাইৰ বুকু ভাঙি চকুপানীবোৰ ওলাই আহিবলৈ ধৰিলে। ডাক্তৰে বেৰৰ এচুকৰ বিছনাখনৰ পিনে আগবাঢ়িল। লগে লগে নাৰ্চজনী। পিছে পিছে তাই। অসহ্য গহীন গম্ভীৰ চাৰ্জিকেল ৱাৰ্ডটোৰ বেমাৰীবোৰ যেন ডাক্তৰৰ কথা আৰু জাচমীৰ উপস্থিতিত মূৰ তুলি তুলি জাচমীৰ পিনে চাই আছে।

ফ'ল্ডিং স্ক্ৰিণ এখনেৰে ঢাকি থোৱা বিছনা এখনৰ দাঁতিত গৈ ডাক্তৰ ৰ'ল। জাচমীয়ে টেবুলখনৰ গুৰিৰপৰা সেই বিছনাখন মনকে কৰা নাছিল। স্ক্ৰিণখনৰ কাপোৰবোৰ বেৰবোৰৰ দৰেই বগা।

গোটেই বিছনাখনৰ ওপৰত এখন বগা কাপোৰ ঢাকি থোৱা আছে। ডাক্তৰে অলপ সময়, কেইটামান মুহূৰ্ত জাচমীৰ পিনে চাই বৈ গহীনাই পাতল পাতলকৈ ক'লে—জোচেফ নামৰ সেই মানুহজন আধা ঘণ্টাৰ আগতে মৰিছে।

মূৰৰ পিনৰপৰা বগা ঢাকনি কাপোৰখন আৰু ৰঙা কম্বলখন জোচেফৰ নিশ্চল দেহটাৰ ওপৰৰপৰা গুচাই দিলে।....

ম-ৰি-ছে। নাৰ্চজনীয়ে তাইক হাত এখনত ধৰি কলে। বেণ্ডেজৰ ভাঠ আবৰণৰ তলত জোচেফৰ শুকান মুখখন নিঃসাৰ। বেণ্ডেজটো বিৰিঙি উঠা তেজবোৰ শুকাই গৈছে। বিছনাৰ তলৰ ডিচ্‌খনত কিছুমান তেজ লগা তুলা।

জো-চে-ফ—! চিঞৰি উঠিল জাচমী। নাৰ্চজনীৰ হাতৰপৰা হাতখন আচাৰ মাৰি এৰুৱাই নি কঁপি কঁপি তাই জোচেফৰ পিনে দৌৰি যোৱাদি গৈ আলফুলকৈ মূৰটো হাতৰ মাজত সুমুৱাই লৈ টোপনি গৈ থকা মানুহক সাৰ পোৱাবলৈ মতা দি মূৰটো জোকাৰি দি মাতিলে—জো-চে-ফ! আধা ঘণ্টাৰ আগতে মৰণক সাবতি লোৱা জোচেফৰ আধা মুদ খাই যোৱা চকু দুটাৰ পিনে খন্তেক চালে জাচমীয়ে। হুক্‌-হুকাই কান্দি পেলালে তাই। জোচেফৰ পাণ্ডুৰ মুখখনত মুখ গুজি ফেঁকুৰি ফেঁকুৰি কান্দিবলৈ ধৰা জাচমীৰ কান্দোনৰ যেন শেষ নাই। চাৰ্জিকেল ৱাৰ্ডৰ স্তব্ধ বায়ুমণ্ডল জাচমীৰ কান্দোনত চঞ্চল হৈ উঠিল। লৰচৰ কৰিব নোৱাৰা ৰোগীকেইজনে বিছনাতে অসহায় ছোৱালীজনীৰ

কান্দোন দেখি ইবাগৰ-সিবাগৰ কৰিবলৈ ধৰিলে। ডাক্তৰে নাৰ্চজনীক কিবা এষাৰ কৈ লাহে লাহে ওলাই গ'ল। নামি অহা সন্ধিয়াৰ আন্ধাৰবোৰ আঁতৰাবলৈ নাৰ্চে লাইটৰ চুইচ্‌টো টিপি দি ৱাৰ্ডৰ মজিয়া আৰু বাৰণ্ডাত ঘূৰিবলৈ ধৰিলে। জাচমীৰ কান্দোনে যেন জোচেফৰ নিৰ্বাক শ্বাসহীন মুখলৈ নমাই আনিব কথা, প্ৰশ্বাস! তাইৰ চকুৰ পানীবোৰ বগা কাপোৰখনৰ ভিতৰেদি সৰকি মিলি গ'ল ৰঙা কম্বলখনৰ নোমবোৰৰ বুকত; কিন্তু নিঠৰ জোচেফৰ দেহ। প্ৰাণহীন দেহ। কিছুমান তেজৰ চেকুৰা। ওচৰৰ বেমাৰী এজনে তাৰ অসহ্য যন্ত্ৰণাত বিৰতিহীন কেঁকনি আৰম্ভ কৰিছে। ৰাতি হৈ অহাৰ লগে লগে নিৰ্জন হৈ অহা হস্পিটেলখন যেন এখন বিৰাট মৰিশালী।

এ-ই! নাৰ্চজনীয়ে তাইৰ পিছপিনে থিয় দি কান্ধত হেঁচুকি মাতিলে। তাই মুৰ নুতুলিলে। অচিনাকি ঠাই এখনত কোন আগবাঢ়ি আহিব তাইৰ দুখত সহানুভূতি জনাবলৈ? বুকুৰ দৰদ সানি কোনে তাইক সান্ত্বনা দিব!

এ-ই—শুনা! নাৰ্চজনীয়ে তাইৰ কান্ধৰ পিনে হালি গৈ মুৰটো দাঙি দি মাতিলে। জাচমীয়ে মুৰ তুলি তাইৰ পিনে চালে। মুৰৰ সিঁচৰতি চুলিবোৰ নাৰ্চজনীয়ে ঠিক কৰি দিলে। কান্দি কান্দি জবাফুলৰ নিচিনা ৰঙা পৰা চকু দুটাৰে নাৰ্চজনীৰ বগা কাপোৰৰ পোছাকটো তাই হালধীয়া দেখিলে।

বৈ থকা চকুৰ পানীৰ চকু দুটাৰে অসহায়ভাৱে তাই চাই ৰ'ল।

আহাঁ—যাও গৈ। নাৰ্চজনীয়ে সিঁহত সোমাই অহা বাটটোৰ পিনে চালে।

ক-লৈ—? তাই ভঙা ভঙা মাতেৰে সুধিলে। বাৰাণ্ডাইদি চুটি চুটিকৈ খোজ পেলাই দুজন ডাক্তৰ পাৰ হৈ গ'ল। অলপ পিছতে কেইজনীমান নাৰ্চ। কথা পাতি পাতি ছুটীৰ পিছত গুচি গৈছে হোষ্টেললৈ।

মই নাযাওঁ—ইয়াতে থাকিম। জাচমীয়ে ক'লে। কৈয়েই জোচেফৰ বুকুত মুৰটো গুজি দি আকৌ উচুপিবলৈ ধৰিলে।

শুনাচোন—। নাৰ্চজনীয়ে তাইক হাতত ধৰি তুলি চকুৰ পানী মুহাভেদি মচি দি কলে। তাই নীৰবে থিয় দি মজিয়াৰ পিনে চাই ৰ'ল।

ঘিটো হৈ গ'ল তাকে ভাবি থাকিলে একো লাভ নাই। কান্দিলে জানো জোচেফ তোমাৰ ওচৰলৈ ঘূৰি আহিব? কান্দিবলৈ নাপায় নহয়। মৃতকৰ আত্মাৰ অশান্তি নানিবা। মানুহৰ সৃষ্টি হৰবেপৰা মৰণো ঘটি আছে। কোনেও বাধা দিব পৰা নাই মৰণৰ অপ্ৰতিহত গতিক আৰু শক্তিক। নাৰ্চজনীয়ে তাইক সাবত মাৰি ধৰি কৈ গ'ল।

হস্পিটেল খোলাৰ আবশ্যক কি মানুহ মৰিলে?

বিক্ষোভ আৰু বেদনাহত মনেৰে খঙেৰে জাচমীয়ে প্ৰশ্ন কৰি পেলালে। বহুতো কথা শুনাই দিবৰ মন গৈছিল নাৰ্চজনীক। মানুহৰ মৰণক কোনেও বাধা দিব নোৱাৰে সঁচা কথা। চিচেমাৰ নিচিনা বস্তীত ভিলাছেৰ নিচিনা যুবতীৰ মৰণক স্বীকাৰ কৰিব পাৰি; কিন্তু ইমান বিশাল হস্পিটেলখনৰ বিধে বিধে দৰব, পালে পালে ডাক্তৰ— নাই, সিহঁতৰ কাম মানুহ মৰাহে নেকি?

জোচেফৰ মটৰ দুৰ্ঘটনাৰ সংবাদ শুনি জাচমীৰ মাকে কৈছিল— 'নিজৰ খেলৰ মানুভী নহয়, বস্তীৰভী নহয়—।' মাকে যেতিয়া জোচেফক নিজৰ বুলি আপোন জ্ঞান কৰিব নোৱাৰিলে হস্পিটেলৰ ডাক্তৰ আৰু নাৰ্চবোৰে কেনেকৈ আপোন জ্ঞান কৰিব পৰ এজনক? কোনে কাৰ মৰম বুজে?

বহুতো কথা কৈ দিবলৈ চেষ্টা কৰিছিল জাচমীয়ে; কিন্তু নোৱাৰিলে। বুকুত গুজৰি-গুমৰি থকা কথাবোৰ মুখ ফালি ওলাই আহিবলৈ নাপালে। তাৰ আগতে ওলাই আহিল চকুৰ পানীৰ ঢল।

ইয়াত থাকি তুমি কি কৰিবা? মৰণক বাধা দিবলৈ বুকুৰ কান্দোন যুগে যুগে হৈ আহিছে অক্ষম। আহাঁ তুমি—

নাৰ্চজনীয়ে তাইক টানি নিবলৈ চেষ্টা কৰিলে। তাই এখোজো নলৰাকৈ নাৰ্চজনীৰ মুখৰপিনে ৰ' লাগি চাই ৰ'ল। বহুতো প্ৰশ্নৰ যেন উত্তৰ নাপাই তাইৰ চাৱনী নাৰ্চজনীৰ চকুত ঠেকা খাই ঘূৰি আহিল।

ইয়াৰপৰা ওলাই যাওঁ আঁহা, তোমাক বহুতো কথা বুজাই কম। নার্চজনীয় জোৰ কৰি জাচমীক ৱার্ডটোৰপৰা টানি উলিয়াই নিবলৈ চেষ্টা কৰিলে।

জাচমীও এখোজ আগুৱালে। মাটিত পৰি থকা চাদৰৰ আগটো নার্চজনীয়ে তুলি দিলে জাচমীৰ কান্ধত। হঠাতে ফিৰি চালে জোচেফৰ বিছনাখনলৈ। জাচমী আগবাঢ়িব নোৱাৰিলে। পিছলৈ দুটা খোজ পিছুৱাই আহি জোচেফক সাবত মাৰি ধৰি হুৰাহুৰে কান্দিবলৈ ধৰিলে।

নগা বজাৰৰ সৰু ঘৰটোৰ ভিতৰত মুখামুখিকৈ বহি আছে কমল বৰুৱা আৰু জাচমী। অলপ দূৰত জ্বলি আছে লেমটো। পোহৰ-খিনিত তাইৰ মুখখন ৰঙচুৱা দেখা গ'ল। নিজৰ জীৱনৰ দুৰাকাংক্ষা নাইবা যৌৱনৰ প্ৰথম অনুভূতিবোৰ নতুন চিনাকি মানুহ এজনক ক'বলৈ তাই সংকোচ বোধ নকৰিলেও জোচেফৰ প্ৰতি থকা অনুৰাগৰ সোঁৱৰণীখিনিয়ে হয়তো তাইৰ মুখলৈ লাজৰ কণিকাবোৰ আজিও ছটিয়াই দিয়ে। উচ্ছল যৌৱনৰ মহা পয়োভৰৰ মাজত প্ৰাণৰ নিবিড় প্ৰশান্তি বিচাৰি সঞ্চয় কৰি থোৱা ব্যৰ্থ-প্ৰেমৰ মৰহা স্মৃতিবোৰে বাৰে বাৰে তাইক আনমনা কৰি তোলে। জীৱনৰ প্ৰথম উচ্ছ্বাসৰ মহান আৰম্ভনিক অকাল ব্যৰ্থতাই যেতিয়া মোহাৰি-সামৰি ভঙা বুকু এখন এৰি যোৱাৰ কৰুণ আলেখ্যটো ক'বলৈ লৈছিল—তাই চেষ্টা কৰিছিল অলপো খোকোজা নলগাকৈ প্ৰকাশ কৰিবলৈ আৰু সেয়ে বাৰে বাৰে চেষ্টা কৰিছিল সহজ হ'বলৈ। বাৰে বাৰে তাইৰ কণ্ঠৰোধ হৈ আঁহিব খুজিছিল আৰু মাতটো অস্বাভাবিক হিচাপে কঁপি ওলাই আহিছিল। কিবা এটা ভৱাৰ নিচিনা কৰি আনমনা হৈ সহজ হ'বলৈ কৰা চেষ্টাত ওঁঠ দুটা কঁপি উঠিছিল। উৰণীয়া দৃষ্টিৰে চাই থকা চকু দুটাৰ কোণত জমা হোৱা চকু পানীৰ টোপালবোৰ লেমটোৰ পোহৰত জিলমিলাই উঠিছিল। মনটো হয়তো উৰি গৈছিল জোচেফৰ সোঁৱৰণীবোৰ আনিবলৈ।

সিহঁত দুয়ো অলপ সময় নীৰৱে ৰ'ল। স্বপ্নি ৰ'ল লেমটো। কমল এনেয়ো নীৰৱ। তায়ো জোচেফক চিৰজীৱনৰ বাবে বিদায় দিয়াৰ বাতৰিটো কৈ গহীন হৈ মনে মনে ৰ'ল। তাইৰ বুকৰ দুখৰ হুমুনিয়াহৰ গৰম নিশ্বাসটো কমলৰ হাতৰ পিঠিত লাগিল। কমলৰ মৌণতাৰ বাহিৰে কৰিবলগীয়া একো নাছিল। তাইৰ অন্তৰৰ বেদনাবোৰক পুনৰ মন্থন কৰা হয় বুলি সি সুধিব খুজিও কিবা এটা কথা সুসুধিলে। সহানুভূতি জন্মিছিল ব্যৰ্থ প্ৰেমিকা এই দুৰাকাংক্ষী গাভৰু-জনীলৈ। তাইৰ চকুৰ পানী আৰু হুমুনিয়াহটোৱে চঞ্চল কৰি তুলিলে কমলৰ মন। পৃথিবীয়ে বাগৰ সলাইছে—দিনৰ পিছত দিন গৈছে। তাই সঞ্চয় কৰিছে জীৱনৰ কিমান ঘাত-প্ৰতিঘাত তথাপি তাইৰ ভাললাগাবোৰ স্মৃতিৰ মণিকোঠত চিৰ নতুন আৰু শাশ্বত সুন্দৰ কৰি সঞ্চয় কৰি ৰাখিছে যেন! কিন্তু তাইৰ জীৱনৰ কাহিনীৰ শেষ ইমানতেই জানো? জীৱনৰ জটিল পথ এটাত খোজ পেলাই দৈনন্দিন জীৱন যাত্ৰাৰ পাথেয় সংগ্ৰহ কৰাৰ একো ৰহস্য জানো নাই? কি সেই ৰহস্য? প্ৰথম যৌৱনৰ প্ৰেমৰ মুকুতি হিয়াৰ বেদাৰপৰা আঁতৰাই দিব নোৱাৰা গাভৰুজনীয়ে কিয় সাৱটি ললে মধু বেচা ছোৱালীৰ সস্তীয়া জীৱন? অচিনাকি বহুতো পুৰুষৰ সংস্পৰ্শলৈ আহিবলৈ কিয় কুণ্ঠাবোধ নকৰিলে তাই? উদয় হোৱা প্ৰশ্নবোৰ নিজৰ মনতে ৰাখিলে কমলে। সেই প্ৰশ্নবোৰ কৰিলে সি হয়তো সন্তোষজনক উত্তৰকেই পাব; কিন্তু হয়তো তাই পাব অন্তৰত গভীৰ আঘাত। সোঁৱৰণীৰ আঘাতে দিয়া বেদনাৰ সমান মৰ্মন্তুদ বেদনা আৰু কি হ'ব পাৰে?

নাৰ্চ-হোষ্টেলত সিদিনা ৰাতিটো শুব নোৱাৰিলো চিয়াৰ বাবু।' মৌণতা ভঙ্গ কৰিলে তায়েই। কমলৰ মুখৰ পিনে চাই কলে তাই। তাইৰ ওঁঠ দুটা যেন বৰ বেছি শুকান লাগিল কমলৰ চকুত।

'জাচমী।' বাহিৰৰপৰা কোনোবাই তাইক মাতিলে। নাৰী কণ্ঠ। থমকি ৰ'ল তাই। তাই মুখখন ঘূৰাই বেৰৰ পিনে কৰি মাতিলে—অ'ই—!

বাহিৰৰপৰা বন্ধ দুৱাৰখন মেলিবলৈ ঠেলা দিয়াত মাটিত ঘঁহনি খাই টিনৰ দুৱাৰখন ঝন্ ঝনাই উঠিল।

আধাপোৰা বেটেৰীৰ অনুজ্জ্বল পোহৰৰ কণা সিটো কোঠালীৰপৰা মাজৰ বেৰখনৰ সুৰুঙাইদি সৰকি আহিল ইটো কোঠালীলৈ। হাতেৰে চকু দুটা মোহাৰি লৈ তাই বহাৰপৰা থিয় দি মেখেলাখনৰ গাঠিটো টানকৈ বান্ধি দুৱাৰমুখৰ পিনে ওলাই গ'ল। সেই ছোৱালীজনী দুয়ো কোঠালীৰ মাজৰ দুৱাৰৰ ফটা ত্ৰিপালখন দাঙি সোমাব খুজিয়েই 'ইস্ মানু' আছে' বুলি পিছুৱাই গ'ল।

হাঁহিবলৈ চেষ্টা কৰি তাই আগবাঢ়ি গৈ কলে—'আহিবি একু নহয়।' ছোৱালীজনী কিন্তু সোমাই নাহিল।

শুনিবিচোন—। ছোৱালীজনীয়ে সিটো কোঠালীপৰা কলে। জাচমী পাৰহে গ'ল। ইটো কোঠালী নীৰব হৈ পৰিল। কমলৰ হাত ঘড়ীটোৰ টিক্ টিক্ শব্দ স্পষ্ট হৈ উঠিল। চাওঁ বুলিও ঘড়ীটো নাচালে সি!

কহি দুই বতল দিব পাৰিবি? টকা ইভিয়াই দিব। মোৰ লাগা বিলাকটু খতম হৈ গ'ল। মানু আহিছে—। ছোৱালীজনীয়ে ব্যস্তভাৱে কোৱা কথাৰ মাজতে টৰ্চটো মজিয়াৰ পিনে মুখ মুখ কৰি :এবাৰ নুমাই এবাৰ জ্বলাই আছিল।

মধু মোৰ লগতে একদম নাই দেই। আজি পাচদিন নিচিনা হৈছে—খতম হবলে।

নাই? আচৰিত হোৱাদি ছোৱালীজনীয়ে সুধিলে।

থাকিলে মানে দিবলৈ কি? জাচমীয়ে ক্ষমা খোজাদি ক'লে।

তোঁৰ মানুকে কি খিলাবি? ছোৱালীজনীয়ে ৰহস্যৰ মাজত যেন হাঁহিবলৈ চেষ্টা কৰিছে।

ইটু বাবু মধু নাখায় না। আমি কিবা ষ্টৰি কথাহে পাতি বহি থাকিছে। জাচমীয়ে যেন লাজ পাইছিল। ছোৱালীজনীয়ে খিল খিলকৈ হাঁহি পেলালে আৰু পিছত ক'লে—মধু বনাবলৈ কষ্টহে আছে। মধু নাথাকিলে ভিতু ৰতাতে মানু ভৰ্ত্তি থাকিবই।

লাকহে আছে অ'ই তোৰ—।' ছোৱালীজনীয়ে আকৌ হাঁহিলে। নীৰবে থিয় দি ৰ'ল জাচমী। কমলৰ ছোৱালীজনীৰ হাঁহি আৰু ইংগিতসূচক কথাবোৰ বৰ বিসদৃশ লাগিল। তাৰ দুৰ্বলতাখিনিত যেন তাইৰ কথাবোৰে আঘাত কৰিলে।

যাম দেই—। লাইটটো জ্বলাই ছোৱালীজনী হাঁহি হাঁহিয়েই ওলাই গ'ল। পুৰণি ক্ৰেপচুলৰ জোতাৰ থপচ্ থপচ্ শব্দবোৰ আৰু কিবা এটা হিন্দী গানৰ সুৰৰ গুণগুণনি কমলৰ কাণত পৰিল। সি অলপ লৰচৰ কৰি বহিল। জাচমী সোমাই আহি আগৰ ঠাইতে বহিলহি। ছোৱালীজনী নাইবা সিহঁতৰ কথা-বতৰাৰ বিষয়ে একো সুসুধিলে কমলে।

অলপ সময়ৰ নীৰবতা—।

কি ভাবিছা বাৰু? কমলে আমনি লগা মৌণতাখিনি ভাঙি দিবলৈ প্ৰশ্ন কৰিলে। তাই হয়তো অলপ আগতে কহি মধু বিচাৰি অহা ছোৱালীজনীৰ কথাকে ক'ব কমলক। তাইৰ নিজৰ কথাখিনিৰ হয়তো সংগতি হেৰাই গৈছে। কমলে অন্ততঃ তেনেকৈয়ে ভাবিলে।

একু নাই। কি কব আপুনি? তাইৰ উদাসীন উত্তৰ আৰু প্ৰশ্ন।

তুমি নাৰ্চ নোসোমালা কিয়? কমলে সুধিলে। তাই যেন অন্যমনস্ক। তাৰ কথা যেন তাইৰ কাণত সোমালেও সিমান মনোযোগ দিয়া নাই।

কি-য়? তাই উত্তৰ নিদি পুনৰ প্ৰশ্ন কৰিলে। সহজভাৱে নহয়, আচৰিতভাৱে। কমলৰ প্ৰশ্নটোৰ বাবে জাচমী যেন উচপ্ খাই উঠিল।

সমস্যাত পৰিলেও সহজভাৱেই কমলে মিহিকৈ কলে—নাই নাৰ্চ হলে মানে হয়তো এতিয়া পোৱাৰ নিচিনা কষ্ট পাবলৈ নাছিলে। কাম কৰি দৰ্মহাৰ টকা পালাহেঁতেন। আৰু···

কমলৰ মুখৰ কথা কাঢ়ি নি উদ্ধভাৱে জাচমীয়ে কলে—টকা-

পইচাই জানো চব চিয়াৰ বাবু ? মনতে যদি একদম জুই জ্বলি থাকে, টকা-পইচাৰ লগতে জানো সুমাই পেলাব পাৰি ?

আগতে কৈ অহা তাইৰ নিজৰ জীবনৰ কাহিনীৰ কথাবোৰত থকা বুকুৰ অনুভূতি আৰু সংবেদনশীল মনটো তাই যেন অকস্মাতে হেৰুৱাই পেলালে। তাইৰ কথাবোৰে যেন যুক্তি আৰু তৰ্ক বিচাৰে উদগ্ৰীৱ-ভাৱে। তাইৰ খঙো উঠিছে। নাৰ্চ কামক অবহেলা নকৰি এনেদৰে জুপুৰি ঘৰ এটাত. অকলে থাকি মধু বেচা পইচাৰে জীবিকা অৰ্জন কৰি দুপৰ নিশালৈকে মাতালৰ দেহৰ ক্ষুধাক নিষ্কাশন কৰি তুমি জানো তোমাৰ বুকৰ জুইৰ নিষ্কৃতি দিব পাৰিছা ? তুমি ক'ব খোজা যে এজনী মধু বেচা নাগিনী গাভৰুৰ সামাজিক মৰ্য্যাদা আৰ্তজনক সহায়-শুশ্ৰূষা কৰা এজনী নাৰ্চতকৈ বহুতো ওপৰত নহলেও তলত ?

তাইৰ উদ্ধতালিপূৰ্ণ কথাখিনিয়ে কমলৰ মনত জগাই তুলিছিল বিৰক্তি। মনলৈ আনিছিল বহুতো আক্ৰমণমূলক প্ৰশ্ন। তথাপি সি শান্ত হৈয়ে ক'ল। লালমাটিৰ সেই অসহায় ছোৱালীজনীৰ শেতা মুখখনিকে সি বিচাৰি চালে—তাৰ সমুখত বহি থকা ছোৱালীজনীৰ মুখত।

অন্ততঃ জীয়াই থাকিবলৈ টকা লাগে। আৰু টকাৰ বিনিময়ত জানো তুমি তোমাৰ শাৰীৰিক শ্ৰমদান কৰা নাছিলা—লালমাটিৰ পাহাৰ খহনিয়াত ? সেই বাবেই কৈছো—

কমলে কথাবাৰ শেষ কি বুলি কৰিব ভাবি থমকি ৰ'ল। হঠাত অশান্তি এটাৰ স্থষ্টি হ'ব পাৰে বুলি সাবধান হৈ পৰিল ; কিন্তু তাইৰ উদ্ধতালি ভৰা মনটো হঠাতে শান্ত হৈ গ'ল।

লালমাটিত আপুনি কৰা সহায় মই নাপাহৰে চিয়াৰ বাবু। নিজৰ মানু' বুলিবলৈ মোৰ কোনো নাই—।

কমলৰ হাত এখনত তাই খামোচ মাৰি ধৰি কান্দি পেলালে। চকুৰ পানীসনা দৃষ্টিৰে অসহায় জাচমীয়ে ক্ষমা খোজা আৰু কৃতজ্ঞতা জনোৱাৰ ভংগীৰে চাই ৰ'ল তাৰ মুখলৈ।

খেলি-মেলি লাগি যোৱা কথাবোৰ তাই যেন জুকিয়াই কলে—

জোচেফক কোহিমা চিভিল হস্পিটেলৰ চার্জিকেল ৱাৰ্ডত চিৰ বিদায় দিয়া শোকগ্রস্তা জাচমীক সেই নার্চজনীয়ে লৈ গ'ল নার্চ-হোষ্টেললৈ। হস্পিটেলৰ চৌহদৰ ইলেকট্রিক লাইটৰ পোহৰ-বোৰতো সিদিনা তাই নেদেখিলে পোহৰ। পিচ্ দিয়া সমান আলিবাটতো তাই সমানে খোজ পেলাব নোৱাৰিলে। থৰক বৰককৈ খোজ পেলাই গৈ তাই নার্চজনীৰ কোঠালীত কোনোমতে চেয়াৰ এখনত অলসভাৱে বহি পৰিল। কোঠালীটোৰ বেৰত আঁৰি থোৱা ইংৰাজী আলোচনীৰ নানা ৰঙৰ বহুতো ছবি, সমুহীয়া ফটো আৰু দাঁবুৰ কাপোৰ-কানি একোৱেই তাইৰ মন আকৃষ্ট কৰিব নোৱাৰিলে। খিড়িকিৰ আয়নাৰে উদাসীনভাৱে চাই ৰ'ল বাহিৰৰ পিনে। একো মণিব নোপোৱা ৰাতিৰ ক'লা পাহাৰবোৰ যেন একোখন বিৰাট প্রাচীৰ। তাইৰ জীৱনৰ গতি-পথত সিহঁত থিয় দি আছে বিদ্রূপৰ ভংগীৰে। অবৰুদ্ধ তাইৰ জীৱনৰ গতি-পথ; ৰুদ্ধ তাইৰ গতি। তাইৰ মানস পটত ভাহি উঠিছে চার্জিকেল ৱাৰ্ডত এৰি অহা সেই ছবি—তেজ বিৰিঙি থকা জোচেফৰ মুখৰ বেণ্ডেজ, পাণ্ডুৰ মুখ-মণ্ডল, বিছনাৰ তলত থকা তেজ আৰু তুলাৰ ডিচখন—বগা কাপোৰে ঢাকি ৰখা জোচেফৰ প্রাণহীন দেহ...।

বাহিৰৰ লাইট্ প'ষ্ট্ এটাৰ তলৰ এডাল কাঠত বহি তেতিয়া নার্চ হোষ্টেলৰ সৰহভাগ ছোৱালীয়ে ইংৰাজী গানৰ সুৰত গীটাৰ বজাই হুলস্থুল কৰি আছিল সহযোগী কেইজনমান ডেকাৰ লগত। সিহঁতৰ বিকৃত সুৰীয়া গান ( জাচমীৰ কাণত বিকৃত যেনেই লাগিল ), হাঁহি-খিকিন্দালি, গীটাৰৰ তাঁৰৰ কঁপনি আৰু ডেকাদলৰ বিসদৃশ কথা-বতৰাবোৰে ৰাতিৰ নীৰৱতাখিনি অস্থিৰ কৰি তুলিছিল।

নার্চজনীয়ে জোৰ কৰি ওচৰতে বহুৱাই ললে তাইক্। যেতিয়া নার্চজনী টোপনিত অচেতন তেতিয়াও টোপনিৰ সতে সম্বন্ধ নঘটিল জাচমীৰ। সংগতিহীন বহুতো চিন্তাই তাইক উত্তেজিত কৰি তুলিলে। শোৱাৰপৰা উঠি বহিল তাই। মনৰ ভাবনাবোৰ

বেছি হৈ আহিল ক্রমে ক্রমেঃ চিচেমা—খৃষ্টিয়ান বস্তী—নৈৰ পাৰ, আঁহত গছৰ তল—বাইবেল—মটৰ এক্সিডেণ্ট্—চিভিল হস্পিটেল—চিৰ নিদ্ৰাত নিদ্ৰিত জোচেফ—। চকুৰ পানীবোৰ বাধা নামানি বৈ আহিল। ওচৰতে শুই থকা অচিনাকি নাৰ্চজনীলৈ চালে তাই; আন্ধাৰত নেদেখিলে। গভীৰ টোপনিত পাতল পাতলকৈ লোৱা উশাহ-নিশাহৰ শব্দ মাথোন তাইৰ কাণত পৰিল।

লাহে লাহে তাই বাহিৰলৈ ওলাই আহিল। গাটোত যেন জুই জ্বলিছে। উশাহ-নিশাহ বন্ধ হৈ আহিব খুজিছে তাইৰ। ভিতৰত আৰু থাকিব নোৱাৰি।

বাৰাণ্ডাত থিয় দি বাহিৰৰ পিনে চালে জাচমীয়ে। লাইট পোষ্টবোৰ শান্তভাৱে থিয় দি আছে। নীৰব নাৰ্চ-হোষ্টেল। মৌণ অদূৰৰ পাহাৰৰ শাৰী। বাৰাণ্ডাৰপৰা এখোজ দুখোজকৈ নামি গ'ল জাচমী। অলপ আগতে জোনটি বুৰিল। আকাশৰ তৰাবোৰ আৰু উজ্বল হৈ উঠিল। দিগন্তৰ অকলশৰীয়া তৰাটোৱে যেন ৰ' লগি চাই আছে তাইৰ পিনে। কাতিমহীয়া মাজনিশাৰ হিমবোৰে দুবৰি বনৰ ওপৰলৈ নিয়ৰৰ কণিকা ছটিয়াই দিছে। বনৰ ওপৰত শুদা ভৰিৰে খোজ কাঢ়ি শীত লাগিল জাচমীৰ। দুবৰি বনৰ ওপৰৰ নিয়ৰখিনিত মুখখন ঘঁহি দিবৰ মন গ'ল তাইৰ। লাইটৰ পোহৰত নিয়ৰৰ সৰু সৰু টোপালবোৰ জিলিকি উঠিছে। হঠাত সোঁহাতে এটা স্পষ্ট শব্দ শুনিলে। তাই থমকি ৰ'ল। মধুৰিয়ামজোপাৰ আন্ধাৰৰ তলৰপৰা এজনী ছোৱালী বগুৱা বাই বাৰাণ্ডাত উঠি লাহেকৈ এটা কোঠালীত সোমাল আৰু গছজোপাৰ আঁৰ লৈ এজন ডেকা ল'ৰা ওপৰৰপৰা তললৈ নামি যোৱা বাটটোৱেদি সাৱধানে নামি গ'ল। ওচৰৰ ক'ৰবাত এটা কুকুৰে অতিপাত শব্দ কৰি অবিৰাম ভুকিবলৈ আৰম্ভ কৰিলে। নিঃশব্দতাৰ মাজত সেই ভুকনিৰ শব্দবোৰ জাচমীৰ বুকুত যেন ঠেকা খালেহি। মাজনিশাৰ তৰা কিছুমানে তেতিয়া ঠাই সলাইছিল। সপ্তৰ্ষি মণ্ডলৰ সাতোটা তৰায়েই হৈ উঠিছিল অতি উজ্বল। বহুতো পোহৰ লৈ সিহঁত প্ৰত্যেকটোৱেই যেন নামি আহিব খুজিছে আন্ধাৰ পৃথিবীলৈ—পোহৰ

দিবলৈ।—পৃথিবীখন আন্ধাৰেই থাকক। এই আন্ধাৰৰ শেষ নপৰক! —উজ্জ্বল অলেখ তৰা ভৰা আকাশখনৰ পিনে চাই জাচমীয়ে ভাবিলে। জোচেফেওতো কাকো দেখা নাই! তাৰ চকুৰ দৃষ্টি নাই। অসাৰ দেহ। তেনেহলে পোহৰৰ আবশ্যক কি? প্ৰেমৰ মৰ্য্যাদা দিব নোৱাৰা বুকুৰ বেদনা বুজি নোপোৱা পৃথিবীখন অন্ধকাৰৰ বুকুতে চিৰকাল থাকিলে বাৰু কি লোকচান হ'ব? দিনৰ পোহৰতো যদি জীবনৰ কক্ষপথত বাৰে বাৰে উজুটিকে মাৰিব লাগে, তেন্তে—পৃথিবীলৈ পোহৰ নানামিলেই বা?

ডিউটিলৈ যোৱাৰ আগতে ৰাতিপুৱা নাৰ্চজনীয়ে জোৰ কৰি তাইক এমগ চাহ্ আৰু দুটুকুৰা ৰুটি খুৱালে। ৰাতি তাই ডাইনিং হলত ভাত খাবলৈ বহি ভাতৰ কাঁহীখন আগত লৈ ভাতবোৰ পিটিকি পিটিকি এটাও মুখত নিদিয়াকৈ উঠি অহা নাৰ্চজনীৰ চকুত পৰিছিল। দুদিন নাখালেও জাচমীৰ খাবলৈ মন নাছিল। তথাপি জোৰ কৰি গিলি পেলোৱাদি তাই চাহখিনি খালে।

তুমি ইয়াতে শুই জিৰণি লোৱা। মই কামলৈ যাওঁ। ৰাতিও শোৱা নাই, তুমি—। হাতত ঘড়াটো বান্ধি নাৰ্চজনীয়ে কলে। এটা ৰাতি—এটা বিনিদ্ৰ ৰজনী নাৰ্চ-হোষ্টেলৰ আগৰ দুবৰি বনবোৰ গচকি মনৰ অশান্তিৰে ইফাল-সিফাল কৰি কটাই দিছে জাচমীয়ে। জিৰণি—জিৰণিৰ আবশ্যক কিহৰ বাবে? তাইৰচোন ভাগৰ লগা নাই, ভোক লগা নাই। কি হৈছে? কি হৈছে তাই ক'বই নোৱাৰে। তাই একো নামাতিলে।

বুজিছা? নাৰ্চজনীয়ে তাইৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ আকৌ মাতিলে। জোতাৰ ফিটা বান্ধি তাই কঁকালৰ পেটিডাল ঢিলাই লৈ এপ্ৰণটোৰ ভাজবোৰ ঠিক কৰি ললে।

ইয়াত থাকি কি কৰিম্? জাচমীয়ে বহি থকা মাতটোৰে ক'লে। কৰিবলৈ তাইৰ আছে কিটো?

বস্তীলৈ গলেও অলপ জিৰাই লৈ গলেহে ভাল হ'ব। কালি খোজ কাঢ়ি আহিছা, ৰাতি একো খোৱা নাই। সিপিনে চিচেমাৰপৰা যদি

মানুহ আছে, মই খবৰ কৰি তোমাকো একেলগে সিহঁতৰ লগতে পঠাই দিম। কি কোৱা? পাউদাৰখিনি সমানে মিলি যাবলৈ গালত পাফ্‌টো বুলাই বুলাই নাৰ্চজনীয়ে চালে।

চিচেমাৰ মানুহ? চিচেমাৰ খ্ৰীষ্টিয়ান বস্তীৰ মানুহ আহিব জোচেফৰ মৰাশ লৈ যাবলৈ। চিচেমাৰ সমাধি স্থলত সিহঁতে জোচেফক শুৱাই থৈ দিব চিৰ দিনলৈ আৰু তাই ভঙা হিয়াৰ ওপৰত সমাধি এটাৰ ওজন লৈ এটা জীৱন কটাই দিব চিচেমাৰ বস্তীত!

একো নামাতি জাচমী মনে মনে বহি থাকিল। ভাবিবলৈ চেষ্টা কৰিলে চিচেমা বস্তীখনৰ কথা। এটা দিনতে চিচেমাৰ স্মৃতি তাইৰ তাইৰ মনৰপৰা যেন মচ খাই গৈছে। এভিয়া তাইৰ মনত পৰিল। মনত পৰিল যোৱা কালিৰ ৰাতিপুৱাটোৰ কথা। বস্তীৰ কোনো শুই সুঠোতেই তাই নিঃশব্দে ঘৰৰপৰা ওলাই আহিবলৈ দুৱাৰখন কাণি দুৱৰীকৈ মেলোতে এফালি প্ৰভাতী পোহৰ মজিয়া ঢাকি পৰিছিলহি, দুৱাৰ মুখত থিয় দি মজিয়াখনৰ পিনে তাই এবাৰ ঘূৰি চাইছিল। মজিয়াৰ একাষৰ বিছনা এখনত শুই আছে বেৰৰ পিনে মুখ কৰি বাপেক। ৰাতিপুৱাৰ আগৰ গভীৰ টোপনিত তন্দ্ৰালস বুঢ়া বাপেকৰ ভাঙি সোমোৱা গালখন উশাহ-নিশাহৰ লগে লগে উঠা-নমা কৰি আছে। দীঘল কুট্‌কুৰিয়া চুলিখিনি মুখে-কপালে সিঁচৰতি হৈ পৰি আছে। এখন হাত মুৰটোৰ তলত দি আনখন হাত কঁকালৰ নামনিত পেলাই থোৱা। সোমাই যোৱা চকু দুটাত লুকাই আছে আকস্মিক বিষাদৰ বেদনা। পুৱতি নিশাৰ ঠাণ্ডাখিনিৰপৰা ৰক্ষা পাবলৈ টোপনিৰ মাজতে সৰু ভায়েক দুজনে পিঠিয়া-পিঠিকৈ শুই আছে। গাত লোৱা কাপোৰ নাই। হাত দুখন কৰঙনৰ মাজত সোমাই আঠু দুটা ভাঁজ কৰি কুজা হৈ শুই আছে দুটা ল'ৰা। উশাহৰ চেৱে চেৱে ফুলি উঠিছে সিহঁতৰ বুকুৰ হাড়। সিটো কোঠালীত মাক'। সিহঁতক তাই এৰি আহিছে। ৰাতিপুৱা তাইক বিছনাত নেদেখি ঘৰখনে হয়তো হাঁহাকাৰ কৰি বিচাৰি ফুৰিছে। বস্তীলৈ তাই যায় কেনেকৈ?

মগজুৰ বিকৃতিৰে মাকে আৰু গালি-শপনি যেছিকৈ পাৰিব। মতা বিচাৰি ঘৰ এৰি পলাই গৈ আকৌ কিয় ঘূৰি আহিল বুলি চুপৰ বাতিলৈকে জ্বলাই মাৰিব। বস্তীৰ আক মানুহেই তাইক বিদ্রুপ কৰিব, ইতিকিং কৰিব। কোনেও তাইক আগৰ সৰলতাৰে নামাতিব। তাই পলৰীয়া। কিন্তু কি কৰিব তাই ?

বস্তী যাৰলৈ মোৰ মন নাই—। জাচমীয়ে তলমূৰ কৰি কলে।

তেন্তে ? নাৰ্চজনীয়ে সুধিলে।

তেন্তে ? তেন্তে ?

চিচেমা বস্তীৰ পকা ধানৰ থোকাত, পাহাৰৰ লুঙ্‌লুঙীয়া বাটটোৰ গছ-বনৰ পতিত, নিজৰাখনৰ সোঁতত সেই একেটা প্ৰশ্নই যেন জুমুৰি দি আছে। তাঁইৰ সমনীয়া ছোৱালীবোৰে জোচেফৰ মটৰ দুৰ্ঘটনা আৰু জাচমীৰ নিৰুদ্দেশৰ বাতৰি দুয়োটাকে একে লগ কৰি তাইৰ বিষয়ে বহুতো কথা উলিয়াইছে আৰু চিচেমা বস্তীৰ বাটতে সেই ছোৱালী জাকে যেন কোহিমাৰপৰা বিতাড়িত জীৱনৰ মন্দভাগ্য লৈ উভতি যোৱা জাচমীক লগ পাই তাচ্ছিল্যৰ সুৰে সুধিছে—কলৈ গৈছিলি ? কিয় গৈছিলি ? পলৰী ? জোচেফ ক'ত ? মৰিল ? ওঁ। তেন্তে ? তেন্তে ? তেন্তে ? সেই তেন্তে প্ৰশ্নটোৱে যেন তাইক বেৰি ধৰিছে। তাই একো উত্তৰ দিব নোৱাৰি নিৰ্বাক হৈ থিয় দি আছে চিচেমাৰ বাহিৰত।

ঘৰৰ মাক-বাপেক, বস্তীৰ গাওঁবুঢ়া, গেনা বুঢ়া, বুঢ়া-বুঢ়ী, ডেকা-গাভৰু আটাইবোৰেই জাঙুল খাই উঠিব। তাইৰ আকস্মিক পলায়ন আৰু আকস্মিক আবিৰ্ভাবত বস্তীৰ মানুহবোৰৰ মুখে মুখে হৈ পৰিব একেটা কথা। একেটা প্ৰশ্ন—।

বিয়া সোমাবলৈ মন গৈছে—তই বিয়া নহৱ কেলেই ? নিজৰ পছন্দৰ ডেকা বিচাৰি লোৱাত তোৰ স্বাধীনতা আছে। দোষণীয় নহয় —তই তোৰ নিজৰ মানুহক প্ৰেম নিবেদন কৰাটো ; কিন্তু বিজতৰীয়া ডেকা এজনৰ প্ৰতি এই অহেতুক প্ৰেমৰ স্বীকৃতি চিচেমা বস্তীত উপৰি পুৰুষৰ যুগৰপৰা চলি অহা সমাজ ব্যৱস্থাই দিব নোৱাৰে। তই গুচি গৈছিলি—বিজাতীয় ডেকাৰ প্ৰতি অন্তৰত জন্মা মোহক অবদমিত কৰিব

নোৱাৰি ঢাপলি মেলিছিলি কোহিমালৈ। এতিয়া শান্ত-শিষ্ট আজলা ছোৱালীজনী হৈ থুবি আহিলেই জানো সমাজে তোক বুকুত সাবটি ল'ব ?

ব্যক্তিৰ সমাজ ৰচনাত অৰিহণা থাকিব পাৰে; কিন্তু ব্যক্তিৰ স্বতন্ত্ৰ স্বাচ্ছন্দ্যতাৰ প্ৰতি সমাজে চকু মেলি কোনোদিনে নাচায়। সমাজৰ চাৰিবেৰৰ এবেৰত ব্যক্তিয়ে ফুটা উলিয়াব খুজিলেই সমাজত বিলাতি মাটিৰ কৰাল লাগি ধৰে। সমাজৰ বেৰ ফালি ওলাই যাব খোজা ব্যক্তি বিকল হৈ পৰে, চট্‌ফটাই মৰে সামাজিক আবেষ্টনীত।

ধূলিয়ণ ধানৰ মাজৰ বৰছা বনবোৰ উঘালি উঘালি বহুতো কথা ভাবিছিল জাচমীয়ে—চিচেমাৰ শুকান-খেতি পথাৰত; কিন্তু কল্পনা কল্পনাতে ৰ'ল। সেউজীয়া ধাননিৰ মাজত মূৰ তুলি থকা বৰছা বনবোৰ উঘালি পেলাওঁতে তাৰ সামাঞ্জস্যহীন অৱস্থাটোক বিদূৰ কৰিবলৈ খোজাৰ সাদৃশ্যহে বিচাৰি পালে, প্ৰতিবাদ কৰিবলৈ নাপালে। সেয়ে তাই চিচেমা বস্তীৰ গাওঁবুঢ়াৰ চোতালত অপৰাধী স্বৰূপে থিয় দিব লাগিব। লগত থাকিব বাপেক। অপত্য স্নেহাপ্লুত বাপেকে জীয়েকৰ শাস্তি মূৰ পাতি ল'বলৈ নীৰবে বহি থাকিব। অপৰিবৰ্তনীয় সেই সমাজ-ব্যৱস্থা। প্ৰগতিৰ সোঁতত চিচেমাৰ ডেকা চিকাৰীৰ কান্ধত বন্দুক আৰু হাতত টৰ্চ লাইট চিকাৰৰ আধুনিক সৰঞ্জাম হ'ব পাৰে। নগা যাঠী,—উপৰিপুৰুষে দুৰ্জয় সাহসেৰে বনত চিকাৰ কৰিবলৈ নিয়া অস্ত্ৰ আজিকালিৰ ডেকাই চিত্ৰেণী গেনাৰ সময়ত আয়েপ্‌সী গোঁসানীয়ে মৰম কৰি পঠোৱা পানীৰ সোঁতত বহি বালি আৰু শিল ঘঁহি চিক্‌চিকিয়া কৰি থেকাকী সজাবলৈ ব্যৱহাৰ কৰে। উপৰিপুৰুষৰ গৌৰবময় কাহিনী সুঁৱৰি সিহঁতেও গৌৰব কৰে। সেই নগা যাঠীৰ সলনি বন্দুক লোৱা বাবে সমাজে কিয় প্ৰশ্নটো কৰাৰ আৱশ্যকতা নাই বুলি ভাবিলে। নাভাবক—আপত্তি নাই; কিন্তু সমাজৰ বিচাৰ নিৰ্ভেজাল নহ'ল কিয়? বন্দুক লোৱা চিকাৰী দলক প্ৰগতিৰ পথত আগুৱাই যোৱা বুলি স্বাগতম জনোৱাতকৈ পুৰুষত্বহীন বুলি লাজ নিদিলে কিয়? স্বাগতমকেই জনাওক—

জাচমীয়ে তাৰ বাবে একো নাভাবে যদি তাইক নিজৰ পথত খোজ পেলাই অন্য বাটটোৰেদি আগবাঢ়ি যাব খোজা চেষ্টাৰ গৰিহণা নিদি স্বীকৃতি দিলেহেঁতেন।

চিচেমালৈ উভতি যোৱাৰ কথাটো তাইৰ কাণত পৰাৰ লগে লগে বহুতো কথাই খেলিমেলি লগাই দিলে জাচমীৰ মনটো।

বাতিপুৱাৰ ৰঙা ৰ'দত জিলিঙনি পৰি চুবৰি বনৰ পাতত ওপঙি থকা নিয়ৰৰ টোপালবোৰ জিলিকি উঠিছে। পাহাৰৰ নামনিৰ গছৰ শাৰীবোৰৰ তলছোৱাত আন্ধাৰ মিহলি পোহৰ। গছৰ আগত ৰ'দ। গোটেই পাহাৰবোৰে যেন গা ধুই উঠি পৰম শান্তিৰে শাৰী পাতি বহিছে। তাৰে দুই এটা টিঙ ঢাকি ধৰিছে ৰ'দবোৰে। প্ৰশান্ত নীৰৱতা। জাচমী কোঠালীটোৰপৰা ওলাই আহি হোষ্টেলৰ বাৰাণ্ডাত থিয় দি বাহিৰৰ পিনে চাই খুটা এটাত আঁউজি ৰ'ল। দীঘল হোষ্টেলটোৰ খোলা বাৰাণ্ডাৰ ইটো মুৰৰপৰা সিটো মুৰলৈ এবাৰ তাই চালে। আটাইবোৰ ঘৰৰে দুৱাৰ বন্ধ। তলা একোটা ওলমি আছে। বাৰাণ্ডাৰ খুটাত বন্ধা তাঁৰত ওলমি আছে দুই এখন টাৱেল আৰু কেইটামান ধুই দিয়া এপ্ৰণ।

নাৰ্চ-ক্লাছত ভৰ্তি হবলৈ মন আছে নেকি? নাৰ্চজনীয়ে সুধিছিল তাইক। (বস্তীলৈ নোযোৱাকৈ কোহিমাত থকাৰ বিকল্প উপায়!) থাউকতে একো উত্তৰ নাপাই নাৰ্চজনী কামলৈ ওলাই গ'ল। জাচমীক কৈ গ'ল শুই থাকিবলৈ। বাহিৰত থিয় দি জাচমীৰ সেই প্ৰশ্নটো মনত পৰিল।

গোটেই গাটো গৰম লাগি আহিল তাইৰ। মুখখন ৰঙা পৰি গ'ল। চকু দুটা বহলকৈ মেল খালে। চকুৰ ভুৰু দুটা কপালৰ ওপৰলৈ কোচাই ক্ৰুদ্ধ দৃষ্টিৰে তাই শূন্যলৈ চালে, যেন সেই শূন্যতাৰ মাজত থিয় দি তাইৰ পিনে চাই হাঁহিবলৈ চেষ্টা কৰি বগা এপ্ৰণ পিন্ধা সেই নাৰ্চজনীয়ে এই মাত্ৰ সুধিলে।

ওৰে ৰাতি ভাবি থকা সেই একে কথাবোৰেই তাইৰ মনলৈ আহিবলৈ ধৰিলে আৰু তাইক এনে সময়ত সহায় কৰি নিজৰ বিছনাত

তথাপি লোৱা সেই নাৰ্চজনীৰ প্ৰতি উপজিল এটা অশ্ৰদ্ধা আৰু ঘিণৰ ভাৱ। ইমান কুৎসিৎ মনোবৃত্তি, ইমান নিষ্ঠুৰ অন্তৰৰ কেনেকৈ হ'বলৈ পাৰে এই নাৰ্চজনী ?

নাৰ্চ—নাৰ্চ—হুঃ চিভিল হস্পিটেলৰ নাৰ্চ হ'ব লাগে তাই! যিখন হস্পিটেলত তাইৰ জীৱনৰ ধমনী জোচেফৰ মৃত্যু ঘটিছে, সেইখন হস্পিটেলত নাৰ্চ সোমাই জাচমীয়ে সদায় চকুপানীৰে বাট নেদেখা হৈ থাকক আৰু তাকে চাই সিহঁত নাৰ্চ আৰু ডাক্তৰবোৰে শান্তি পাওক! বুকুৰ জুইকুৰা সিহঁতে কিয় অনুভৱ কৰিব নোৱাৰে! কোনো কাৰো আপোন নহয়। সেই বাবেই জোচেফ অযত্নত মৰি থাকিল। হস্পিটেলৰ নাৰ্চ আৰু ডাক্তৰবোৰৰ প্ৰতি এটা বিৰাট হীন শ্ৰদ্ধাৰ ভাৱত তাইৰ মনটো গুজৰি-গুমৰি উঠিল। মেল খাই থকা দুৱাৰেদি কোঠালীটোলৈ চালে। তাই আকৌ ভাবিলে নাৰ্চজনীৰ কথা— বিপদত সহায় কৰিলেও, হাঁহি ভৰা মুখেৰে সদুপদেশ দিলেও নাৰ্চজনীৰ অন্তৰত ভৰি আছে স্বাৰ্থপৰতা। সেই হাঁহিত নাই ৰাতিৰ আকাশৰ নিচিনা উদাৰতা। নাই মহানুভৱতা। কুটীলতা ভৰা তাইৰ কথা। নাৰ্চ—নাৰ্চ তাই নহয়।

জাচমীৰ দুয়ো কুমৰ শিৰ দুডাল ফুলি উঠিল। মুখখন আৰু ৰঙা পৰি ঘৃণাৰ অভিব্যক্তিত কি কৰিব ভাবি নাপাই থন্তেক থিয় দি ৰ'ল তাই। চকুৰ পানীবোৰ টোপাল টোপালকৈ বাগৰি পৰিল বুকুৰ ওপৰত।

হঠাতে গাৰ জোৰে ঠেলা মাৰি দিয়া দুৱাৰখনৰ ফাকেদি বাহিৰৰ উজ্জ্বল পোহৰ কিছুমান কোঠালীটোত বিয়পি পৰিল, তায়ো সোমাই গ'ল ভিতৰলৈ। একো নভবাকৈ ডাঁৱৰপৰা তাইৰ ওলোমাই থোৱা য়োনাখন কান্ধত লৈ চাদৰখন গাত মেৰাই তাই ওলাই আহিল। সৰু টেবুলখনৰ ওপৰৰ ফ্ৰেমত বন্ধাই থোৱা ফটো-খনে যেন তাইক বিদ্ৰূপ কৰি উপহাসৰ সুৰত কলে—তুমি মূৰ্খ! পৃথিবীখন বৰ সৰল বুলি ভাবিছা! কাণ্ডজ্ঞানহীনা তুমি!

দুৱাৰখন জপাই থৈ তাই ওলাই আহিল বাহিৰৰ বাটটোৰেদি। জগতৰ জীৱন-মৰণৰ বহুতেই তাইৰ মনত তেতিয়াও ৰেখাপাত কৰিব

পৰা নাই। হস্পিটেলত মানুহ মৰিলেও সেই মৰণৰ বাবে কাৰ দোষ, সুখ-দুখক জয় কৰিব পৰা দুঃসাহ একোটিকে তাই তেতিয়া উপলব্ধি কৰিব পৰা অৱস্থাত নাই। জোচেফৰ স্মৃতি জুৰি থকা মনটোৱে তাই তাৰ মৰণৰ বেদনাখিনিৰ বাহিৰে একোকে ভাবিব নোৱাৰে।

নতুন দিনৰ পোহৰবোৰ গচকি আগবাঢ়িল তাই। সেই পোহৰৰ বুকুত তাইৰ নিজস্ব গতিপথ ঘিটমিটিয়া আন্ধাৰ। মনটোৱে বিচাৰি ফুৰিছে পোহৰ। কায়িক দেহটোৱে শিল আৰু আলকাতৰাৰ বাটটোত খোজ পেলাই অনিৰ্দিষ্ট পথেদি তাইক মাথোন আগবঢ়াই নিছে! শেষ ক'ত তাৰ? পৰিণতি কি? তাই ভাবিও বিচাৰি উলিয়াব নোৱাৰিলে। তিমিৰাচ্ছন্ন পথটোত আগবাঢ়িব নোৱাৰি বাৰে বাৰে মনটো ঘূৰি আহে। সম্ভাবনাহীন অদৃশ্য পথত মনৰ গতি অচল হৈ পৰে। আগলি ৰ'দত উজ্জ্বল হৈ জিলিকি থকা এডোখৰ বগা মেঘ তাইৰ চকুৰ আগত আকাশৰ বুকত মিলি গ'ল। তাইৰ জীৱনলৈ নামি আহিল ভবিষ্যতৰ অদৃশ্য পথ। তাই আগ বাঢ়িছে সম্মুখৰ আলিবাটত। পিছুৱাই খোজ কাঢ়িব যে নোৱাৰি! চিচেমা বস্তীৰ খেতিৰ পথাৰত কেঞ্জু মাৰি জীপ দিয়া দুৰাকাংক্ষী মন এটাক—কোহিমা নগৰৰ নাগৰিক স্বাচ্ছন্দ্যতাৰ মাজত, সুখ উপভোগৰ মাজত পৰম প্ৰশান্তিৰে উটুৱাই দিব খোজা এটা মনক—যোৱা 'কালিৰ আবেলিৰ বেলিৰ শেষ পোহৰ চেৰেঙাৰ লগতে বিদায় দিছে চিৰ দিনলৈ। সকলো আকাংক্ষাৰ মৃত্যু ঘটিছে তাই। আৰু নাই কল্পনা, নাই আকাংক্ষা। নাই বুকু ভৰা উছাহ। সকলো শেষ; ৰিক্ত তাই, শূন্যমনা জাচমী। তথাপি তাই আগবাঢ়ে। তাইৰ ছাঁটোৱেই যেন বাৰে বাৰে তাইক বিদ্ৰূপ কৰিছে, ইতিকিং কৰিছে!

সেইদিনাৰ সেই অৱস্থাত মোৰ মনটো কেনেকুৱা হব পাৰে ভাবি চাৰচোন চিন্নাৰ বাবু! মই নাৰ্চ কামত কেনেকৈ সোমাম?

জাচমীয়ে গভীৰ উৎকণ্ঠাৰে কথাবোৰ কৈ শেষত ৰব মৰম লগাকৈ কমলবৰণীয়া সহানুভূতি বিচৰা সুৰত কলে।

মই বুজি পাইছো। এখনি তেনেকৈ সোধা প্ৰশ্নটোৰ বাবে তুমি

বেয়া নাপাবা দেই। শোকাগ্ৰস্তা জাচমীৰ সেই সময়ৰ দুৰ্বল মনেৰে হস্পিটেলৰ ডাক্তৰ আৰু নাৰ্চবোৰক শ্ৰদ্ধা কৰিব নোৱাৰা কথাটো জাচমীয়ে পুনৰ সুধুথিলেও বুজিছিল কমলে।

বেয়া পাবলে' একো নাই, আপুনি হক কথাকে সুধিছিলে। কিন্তু মই মনৰ ভিতৰৰপৰা সিহঁতক ভাল পাবলৈ নোৱাৰে।

জাচমীৰ কণ্ঠত যেন মিনতি; ডাক্তৰ-নাৰ্চবোৰক শ্ৰদ্ধা কৰিব নোৱাৰাৰ অপৰাধৰ ক্ষমা। তাই নোৱাৰিলে সিহঁতক আপোন বুলি ল'বলৈ।

তাৰ পিছত কমলে কিবা এটা ক'বলৈ খুজিছিল; কিন্তু জাচমীৰ মনটো যেন ঘূৰি গৈছে এৰি অহা দিনবোৰৰ মাজলৈ। উদাসীনভাৱে তাই মজিয়াৰ পিনে চাই কিবা ভাবি আছে।

কৈ যাওঁ বাৰু দেই—। জাচমীয়ে একেদৰে বহি থকাৰপৰাই ক'লে।

বেয়া পোৱা যদি ক'ব নালাগে।

আপোনাকে খং কৰিবলৈ একো কাৰণ নাই চিয়াৰ বাবু। নিজৰে ওপৰত কেতিয়াবা খং উঠি যায়। কিয় তেনেকা হয় কবই নোৱাৰে মই। আপুনি গোটেই ষ্টৰিটো শুনিলে কিজানি মোকে বুজি পাব'।

হস্পিটেলৰ নাৰ্চ হোষ্টেলৰপৰা বহুদূৰ নামি আহিল জাচমী। শুকান বালি আৰু শিলগুটিৰ মাজত জীয়াই থাকিবলৈ কৰা চেষ্টাত কঁকাল ভাঙি শুকাই হালধীয়া পৰা আলিবাটৰ কাষৰ দুবৰি বনবোৰৰ ওপৰত আলিবাটৰ একাষে থিয় দিলে অলপ সময়ৰ বাবে জাচমী। শুকান হাড় এডাল আগ ঠেং দুটাৰ মাজত সুমুৱাই লৈ কৰ কৰকৈ চোবাই পেটৰ ভোক পলুৱাবলৈ চেষ্টা কৰা কুকুৰ এটাই তাইক ওচৰতে থিয় দিয়াত খন্তেকৰ বাবে কেৰাহিকৈ এবাৰ চালে। জাচমীয়ে থিয় দি অনুভব কৰিলে তাইৰ শাৰীৰিক ক্লান্তি আৰু অবসাদৰ কথা। এটা দিন খোজ কাঢ়ি চিচেমাৰপৰা কোহিমালৈ আহি, দুটা ৰাতি চকুত টোপনি নহাকৈ কান্দি কান্দি অনাহাৰে কটাই দিও তাইৰ বিয়াম অৱশ লগা নাছিল, ক্লান্তি নামি অহা নাছিল—আজি

মাত্ৰ এইখিনি বাট খোজ কাঢ়িয়েই কিয় তাইৰ শৰীৰ বাৰে বাৰে ভাঙি ধৰি খোজে। কুকুৰটোৱে হয়তো বুজিছিল তাইৰ অস্থিৰ মনৰ স্থিতিহীন অৱস্থা। যাৰ ভৰিত সাহসেৰে থিয় দিবৰ শক্তি নাই, সি আনৰ অপকাৰ কৰাৰ কথা হয়তো কুকুৰটোৱে ভাবিব নোৱাৰিলে। অন্যায় কৰা দূৰৰ কথা বুকু ফুলাই ধমকি দিয়াৰ সাহসৰেই অভাৱ। শংকা কিহৰ হ'ব? তাই কুকুৰটোৰ পিনে চালে। দুয়ো চকুৱে চকুৱে পৰিল। ক্লান্ত মনৰ শ্ৰান্ত শৰীৰটোক জোৰ কৰি কঢ়িয়াই লৈ ফুৰা ছোৱালীজনীৰ অৱস্থাটো দেখি কুকুৰটো যেন সিদ্ধান্তলৈ আহিল—সিহঁত দুয়োটা একে পৰ্যায়ৰে। জাচমীয়েও যেন বুজি পালে কুকুৰটোৰ মনৰ ভাৱ। তাই খোজ সলোৱাৰ আগতে সি নিজৰ কামত মন দিলে।

আৰু কেইখোজমান বাট আগবাঢ়ি তাই শিল এচটাত বহি পৰিল। শৰীৰটো যেন বৰ অৱশ লাগিছে। চাৰি সাজ ভাতৰ লঘোণ তাই এই মাত্ৰ অনুভৱ কৰিবলৈ ধৰিলে। একুৰি মাইল খোজ কঢ়াৰ অৱসাদবোৰে এই সুযোগতে তাইক হেঁচা মাৰি ধৰিলে। কান্দোনে অৱশ কৰা বুকুৰ পাজৰবোৰে যেন তাইক চেপা মাৰি ধৰিবলৈ বিচাৰিছে। বন-লতা কিছুমানে ছাঁ পেলোৱা শিল চটাত বহি জোৰ কৰিয়েই তাই তাইৰ সকলো দুখ-কষ্ট পাহৰি যাবলৈ চেষ্টা কৰিলে। কি মনত পেলাবলৈ চেষ্টা কৰিলে তাই নিজেই নাজানে। মনটোক নিজৰ ভাবনাৰপৰা আঁতৰাই ৰাখিবলৈ তাই চেষ্টা কৰিলে। কোনোদিনে নেদেখা মানুহৰ মনৰ ঔৎসুক্য আৰু একাগ্ৰতাৰে তাই সন্মুখৰ পাহাৰত লাগি থকা এচলীয়া পথাৰৰ শাৰীবোৰৰ পিনে চালে। ধান কাটি নিয়া পথাৰত থিয় দি থকা নওঠা নৰাবোৰে তাইৰ মনোযোগ ধৰি ৰাখিব নোৱাৰিলে। কেই দিনমান পিছতে নৰাবোৰ হালি পৰিব মাটিৰ বুকুলৈ। সিহঁতৰ আয়ুস শেষ হৈ আহিছে। লাহে লাহে তাই গছ-গছনিবোৰৰ পিনে চালে। বৰ একাগ্ৰতাৰে তাই যেন সংকল্প কৰি পেলালে—দৃষ্টিয়ে চুকি পোৱা অঞ্চলৰ গছ-গছনিবোৰ তাই বহা ঠাইৰে-পৰা লেখি শেষ কৰিব। এডাল……দুডাল……তিনিডাল…… তাইৰ দৃষ্টিত খেলিমেলি লাগে। গছৰ ডালৰ সেউজীয়া পাতবোৰ যেন

লাহে লাহে কঁপি কঁপি তললৈ নামি আহি গা গছবোৰ নুকুৱাই পেলায়। অথচ নিষ্ক্রিয় শিপাবোৰে মাটিৰ বুকৰপৰা ৰস টানি সেউজীয়া কৰিব নোৱাৰা আৰু গা-গছৰ আৱৰণ ডাঠ বাকলিবোৰ শুকাই চট্টা চটাকৈ এৰি নওঠা কৰি ক'লা পেলোৱা গছ এডালনৈ অলপ সময় চাই ৰ'ল তাই।

মৰিছে! নিজকে নিজে ক'লে তাই আৰু নিজে নিজেই উচপ্ খাই উঠিল—মৰিছে! মানে মাটিৰ বুকুত থিয় দি থকাৰ অৱস্থা সেই গছ ডালৰ আৰু নাই? গছো মৰে; মানুহো মৰে। জোচেফ মৰিছে—বহুতো মানুহ থকা স্বত্বেও অসংখ্য গছৰ মাজত থাকিও সেই গছডালো মৰিল।

জোচেফলৈ তাইৰ আকৌ মনত পৰিল। হস্পিটেলৰ সেই ঠাইখন তাইৰ চকুৰ আগত জিলিকি উঠিল। গছ-গছনিবোৰ যেন তাইৰ দৃষ্টিৰপৰা ম্লান হৈ গৈছে।

পথাৰৰ মাজৰ অকলশৰীয়া নিম গছৰ ডাল এটাৰপৰা উচপ্ খাই উঠাদি চাট কৰে কাউৰী এজনী উৰা মাৰিলে। তাইৰ চকুত আকৌ গছ-গছনিবোৰ জিলিকি পৰিল।

সমুখৰ গছ-গছনি, উদং পথাৰ একোৱে তাইৰ মনোযোগ আনিব নোৱাৰিলে। শিল চটাত বহাৰপৰা তাই পিছ পিনৰ আগলৈ বাঢ়ি অহা মাটিখিনিত অৱশভাৱে আঁউজি দিলে। মাটিৰ বুকুৰ চেঁচা পৰশত তাইৰ চকুলৈ তন্দ্রা নামি আহিল। টোপনি গ'ল জ্যাচমী আলিবাটৰ নামনিৰ শিলচটাত বহি। অলপ সময়ৰ বাবে আজৰি পালে জীয়াই থকাৰ দুৰ্ভাবনাৰপৰা, পাহৰি থাকিল অদৃশ্য পথটোৰ ওপৰেদি খোজ পেলোৱাৰ চিন্তা। জিলিকি ৰ'ল আকাশৰ জ্যোতিৰ্মান বেলি।

চিলমিলিয়া টোপনিৰপৰা সাৰ পাই সমুখলৈ চালে তাই। অলপ আগতে দেখা পৰ্বত-পাহাৰ আৰু গছ-বননিৰ জোপোহাবোৰ একেই আছে। নিজৰ কথা একোকে ভবা নাই তাই। আচৰিত হৈ গ'ল তাই—কিয় ভবা নাই! নিজৰ কথা কি ভাবিব তাই! জীয়াই থকাৰ কথা? তাই জীয়াই থাকিব লাগিব। কেনেকৈ? উপায়

টানি নিশাহ এৰিয়ে পৃথিৱীত জীয়াই থাকিব পাৰে নেকি মানুহ! উশাহ ল'বলৈ যিখিনি শাৰীৰিক শক্তিৰ প্ৰয়োজন, সেই শক্তিখিনিৰে উৎস ক'ত জাচমীৰ? আজি এই মুকলি আলিবাটটোৰ দাঁতিৰ শিলচটাত বহি আছে তাই। সন্মুখত বিশাল পাহাৰ। অটব্য হাবি-বন। তাকেই চাই চাই এইদৰে বহি থাকি জীয়াই থকাৰ কল্পনা জানো কোনোবাই কৰিব পাৰে? মনৰ কল্পনাবোৰ মৰি গৈছে স'চা; কিন্তু জীয়াই থকাৰ মোহটো মৰি যোৱা নাই। কমা নাই অলপো। মৰি যোৱাৰ কথা তাই ভৱা নাই। কিয় জীয়াই থাকিবলৈ বিচাৰিছে? উত্তৰ আছে—এনেয়ে। পাহাৰৰ সেউজীয়া গছবোৰৰ দৰেই তাই জীয়াই থাকিবলৈ বিচাৰে। জীয়াই থকাৰ কিবা এটা উৎস বিচাৰি উলিয়াব লাগিবই। সামৰ্থ্যেৰে জীয়াই থকাৰ সম্বল গোটাব আৰু যিদিনাৰেপৰা সেই উৎস গোটাবলৈ শৰীৰ অক্ষম হ'ব শক্তিয়ে বিদায় ল'ব, সেই দিনাই অন্তৰৰপৰা জীয়াই থকাৰ মোহে বিদায় ল'ব। সেউজীয়া পৃথিৱীখনৰ ৰূপহী সুষমা চকুৰ অক্ষম দৃষ্টিয়ে মৃত্যুৰ পাণ্ডুৰ বৰণৰ স্বীকৃতি দিব। চকুৰ আগৰ সেই দৃষ্টিত জিলিকি থকা মৰা গছজোপা—অসংখ্য গছ-গছনিৰ মাজৰপৰা মৰি যোৱা গছজোপাৰ দৰে—অসংখ্য মানুহৰ মাজৰপৰা তাই নীৰৱে বিদায় ল'ব। পৃথিৱীক কৃতজ্ঞতা জনাই আঁতৰি পৰিব মৰমী পৃথিৱীখনৰ বুকুৰপৰা—চিৰ বিদায় লৈ।

বহাৰপৰা উঠি লাহে লাহে তাই নগৰমুৱা হ'ল।

আলিবাটত লগ পোৱা কোনো এজনেও তাইক নামাতিলে। আটাইবোৰেই অচিনাকি। চামে চামে মানুহ আহিছে, গৈছে। নিজৰ নিজৰ ভিতৰতে সিহঁতে কথা পাতিছে। দূৰৈৰপৰা জাচমীৰ মনত মানুহবোৰ চিনাকি চিনাকি লাগে। প্ৰত্যেকজন মানুহেই যেন তাইৰ চিনাকি; কিন্তু ওচৰ পালেই হৈ পৰে প্ৰত্যেকজন অচিনাকি। কোনোদিনে চিনি নোপোৱা মুখবোৰ। কোনেও কেৰাহিকৈয়ো নাচায়।

তাইৰপৰা কেইখোজমান আগে আগে তাইৰে বয়সীয়া ছোৱালী দুজনী কথা পাতি পাতি স্কুললৈ আহিছে। বাওঁহাতত কিতাপ আৰু

বহীৰ জাপ। পৰিষ্কাৰ-পৰিচ্ছন্ন কাপোৰ সিহঁতে পিন্ধিছে। ভৰিৰ জোতাত সূৰ্যৰ ৰশ্মি প্ৰতিফলিত হৈ উঠিব খোজে। গলধনৰ নামনিলৈ বৈ পৰা ৰব কাটৰ চুলিখিনি হেন্নাৰ পিনেৰে দুভাগ কৰি ৰখা। চেম্পু কৰা চুটি চুলিবোৰ অলপ বতাহতে নাচি উঠিছে। ওঁঠৰ পাতল ৰংখিনি গাভৰু গালৰ ৰঙাখিনিৰ লগত প্ৰতিটো খোজৰ তালতে মিলি যাব খোজে।

সিহঁতে পাতি যোৱা নগা কথাবোৰ জাচমীয়ে বুজি পালে। কোনোবা ডেকা ল'ৰা এজনৰ কথা পাতি গৈছে দুয়ো। প্ৰেম পত্ৰৰ আদান-প্ৰদান আৰু কোনোবা এটা নিৰ্দিষ্ট ঠাইত সাক্ষাৎ হোৱা ইত্যাদি কথা। কথাৰ মাজতে যৌবনৰ উপভোগবোৰ পোৱাৰ তৃপ্তিত সিহঁতে প্ৰাণ খুলি হাঁহিছে। জাচমীৰ বুকুৰ ভিতৰখন ধৰফৰাবলৈ ধৰিলে।

বিস্বাদ শবদে মটৰ ট্ৰাক এখন পিছ পিনৰপৰা গুচি গ'ল। পিছ-পিনে বহি যোৱা কুলিবোৰে আলিবাটৰ ছোৱালী দেখি সিঁয়াৰিলে। এজনে হাত চাপৰি মাৰিলে। পাহাৰৰ ভাঁজত মটৰখন লুকাই পৰিল। আলিবাটৰ ধূলি আৰু মৰা বনৰ পাতবোৰ উৰিবলৈ ধৰিলে।

সোঁ পিনৰ বাটটোৱেদি কেইজনমান স্কুলীয়া ল'ৰা দীঘল দীঘল খোজ পেলাই আহিছে। কান্ধত আঁৰি লোৱা বেগৰ মুখেদি দীঘল বহীৰ মুৰ ওলাই আছে। মুখত যি আছে তাকে কৈ সিহঁতে বাটটো মুখৰ কৰি তুলিছে। সোঁহাত আৰু বাওঁহাতৰ বাটটো মিল হোৱা ঠাইত অগা-পিছা হ'ল সিহঁত। আটাইতকৈ শেষত জাচমী। পিছ পৰি ৰ'ল তাই। স্কুলীয়া ল'ৰা-ছোৱালী আগ বাঢ়িবই। যতে-ত'ত্তে সিহঁতৰ অগ্ৰগতি। নগৰমুৱা, স্কুলমুৱা আলিবাট প্ৰগতিৰ। সিহঁত আগবাঢ়িছে প্ৰগতিৰ পথত। সিহঁতে উশাহ লৈ জীয়াই থাকিবলৈ হলেও পেটত শক্তিৰ উৎস আছে। সিহঁত আগ নাবাঢ়িলে জাচমী আগবাঢ়িব কেনেকৈ? চিচেমা বস্তীৰ মাজৰ লুতুৰি-পুতুৰি বোকা আৰু পানীয়ে বাৰমাহ পোত খাই থকা বাটটো প্ৰগতিৰ নহয়। সেই বোকা-পানীৰ মাজতে ৰচনা কৰা আকাশ চুম্বী কল্পনাৰ হেণ্ডুলি ৰঙবোৰ সেই বাবেই হয়তো বোকা-পানীৰ মাজতে জাহ গ'ল। তথাপি

গাৰি আগবাঢ়ি আহিল। প্ৰকৃতিৰ পথত খোজ পেলোৱাৰ মহা আকাংক্ষা নৈ বহলেও মনৰ অবদমিত ভাৱনাবোৰক বুকুত সাৱটি—কল্পনাক জীয়াই ৰখাৰ আকাংক্ষা লৈ। তাইৰ পথ—চিচেমাৰটোৱেই প্ৰাকৃতিক। সেন্দুৰীয়া ৰাজপথ নাপালে।

সেই ছোৱালী দুজনীৰ কথা শেষ হোৱা নাই। হয়তো বহুতো দিন জুৰি চলিব সেই কথা। সেই ৰঙীন কল্পনা। ফুলনৈ খোজ পেলোৱা সময়খিনি যথেষ্ট নহয় সেই আলোচনাৰ। সিহঁতৰ বুকুলৈ যৌৱনৰ জোৱাৰ নামিছে। অতৃপ্ত আত্মাই তৃপ্তিৰ হাঁহি মাৰিছে। শেষ নাই সেই তৃপ্তিৰ। ৰঙীন সপোনত মতলীয়া সিহঁত। সিহঁত বিভোৰ।

পাৰ্কৰ মেল খাই থকা দুৱাৰখনৰ ওচৰত থিয় দি জাচমীৰ আৰু আগবাঢ়িবলৈ মন নগ'ল। মন নগ'ল ছোৱালী দুজনীৰ প্ৰেমৰ সুষমা সনা কথাৰ টুকুৰাবোৰ বুক ভৰাই ল'বলৈ। লোৰ শলাৰে সজোৱা দুৱাৰখনৰ ফাঁকেদি তাই পাৰ্কৰ ভিতৰলৈ সোমাই গ'ল। দুৱাৰত ওলমি থকা বিৰাট তলাটো দেখি এনেয়ে তাইৰ হাঁহি উঠিল। বন্ধ দুৱাৰখনক অবিশ্বাস কৰিয়েই চকিদাৰে সন্ধিয়া চাগে দুৱাৰৰ মুখত তলা লগায়। পাৰ্কৰ সুৰক্ষিত ফুল আৰু ফুলৰ গছবোৰৰ সংৰক্ষণৰ সুচিন্তাৰে। কিন্তু দিনতে যদি ফুলবোৰ কোনোবাই ভাঙি পেলায়? তেন্তে ৰাতি তলা লগোৱাৰ সাৰ্থকতা ক'ত? নিজৰ কল্পনাবোৰকো আমি এনেকৈ তলা লগাই ৰখাৰ কথাকে ভাবো!

পাৰ্কৰ ভিতৰৰ কোঁৱাৰাটোৰ ওলাই থকা পানীখিনিত জাচমীয়ে হাত আৰু ভৰি ডুবাই ৰাখিলে অলপ সময়। শাৰীৰিক ক্লান্তি আৰু অবসাদবোধ যদি তেনেকৈয়ে আঁতৰে! ভয়ো লাগিছিল—কোনোবাই যদি তাইক তেনেকুৱা কৰাৰ বাবে ধমকি দিয়ে! মুখ-হাত ধুই তাই গছ এডালৰ তলৰ ছাঁত ৰহিল। বহুদূৰ ভ্ৰমণৰ অন্তত ঘৰমুৱা হোৱা পৰিব্ৰাজকৰ অন্তৰৰ উদ্বিগ্নতা তাইৰ মনত নাই। নিজৰ কথা জাচমীয়ে এবাৰো ভৱা নাই। মনটো ক'ৰ উৰি ফুৰিলে ইমান সময়ে, তাই ধৰিবকে নোৱাৰিলে। গছ ডালৰ তলত বহাৰ লগে

লাগে তাইৰ মনত মনত পৰিল—সেই কুলায়া ছোৱালী যুৱতীৰ কথা। তাই এতিয়া আছিছে—একুৰি মাইল নিজগৰ বহীত ইইঁতৰ ঘৰে ফুলনৈ যোৱা তাইৰ সমনীয়া ভিটাটুছে, ভিকেন্নু, জাচণ্ডীক। তাইৰে বান্ধৱী। সিইঁতৰ বুকুলৈকো যৌৱনৰ সোঁতে কামনা-বাসনাবোৰৰ পুলস পেলাই দি গৈছে! সেই পলসত বাঢ়ি আছিছে লহপহকৈ আশাৰ পাহি আৰু আকাংক্ষাৰ পাপৰিৰে কামনাৰ নীলা পদুম। সিহঁতেও পানী ঘাটলৈ যাওঁতে, খেতিৰ পথাৰৰ-পৰা উভতি আহোঁতে আলোচনা কৰে কোনোবা যৌৱন পুষ্ট ডুহাত বহল বুকুৰ জেলিচ', কেলিন'ৰ কথা। ইজনে সিজনৰ দুৰ্বলতাৰ সুযোগ লৈ জোকায়, হাঁহে, ধেমালি কৰে। কেৰি টৈৰ'—কেৰি পিজেট'—বুলি গান গায়। বহুতো কল্পনা কৰে।

তাইক বিয়া কৰাবলৈ মন থকা বুলি জাচণ্ডীৰ বুঢ়ীমাকৰ যোগেদি নিলাছাৰ বাপেক-মাকে জাচমীৰ ঘৰলৈ নিলাছাৰ বাবে প্ৰস্তাৱ পঠাইছিল। সমাজৰ নিয়ম মানি, হাতত দুই টেহে মধু লৈ বুঢ়ী এদিন ৰাতিপুৱা উপস্থিত হৈছিলহি জাচমীৰ মাক-বাপেকৰ ওচৰত। সমাজৰ নিয়ম। নিয়ম আৰু সমাজ। চিচেমা বস্তীৰ প্ৰগতি চিনি নোপোৱা সমাজখনকো অক্ষয়-অব্যয় নিয়মৰ ৰচিডালে বান্ধি ৰাখিছে লৰচৰ কৰিব নোৱাৰাকৈ। বুঢ়ীয়ে নিলাছাৰ ঘৰৰ সৎ ইচ্ছাৰ বাতৰি দিছিলহি জাচমীৰ ঘৰত। ছোৱালী গাভৰু হলে উলিয়াই দিব লাগে। সৃষ্টিৰ নিয়মেই এইটো। চোতালত মেলি দিয়া ধানবোৰ লৰাই দি জাচমীয়ে শুনি আছিল কথা-বতৰাবোৰ।

বুঢ়ীৰ একাষাৰ কথাতে জাচমীৰ বাপেকে সন্মতি দিলে। বিজন বাপেকে জীয়েক চিচেমা বস্তীৰ মাজৰপৰা ওলাই গৈ কোহিমাত পঢ়িবলৈ খোজা শুনি তভক মাৰি বহুতো সময় জুহালত জ্বলি থকা জুইৰ অঙঠাবোৰৰ পিনে থৰ লাগি চাই চাই ভাবিছিল—গাওঁবুঢ়াক সুধিছে কিবা এটা কৰলৈ বুলি সেই বাপেকে একেটা সংকেততে বুজি পালে সৃষ্টিৰ দায়িত্ব। জীয়েক কোহিমাত পঢ়ি শুনি কোনোবা চাহাবৰ মেম হোৱাৰ কল্পনা কৰিব নোৱাৰিলেও সমাজৰ

আবেষ্টনীৰ মাজতে জীয়েকে কোনোবা ডেকাৰ শূন্য সংসাৰৰ দায়িত্ব লৈ ঘৰ এখন শান্তি স্বস্তিৰ দায়িত্ব ৰক্ষা কৰি মাক হোৱাৰ কল্পনা সহজে কৰিব পাৰিলে।

সকলোবোৰ শুনিও একো নামাতিলে জাচমীয়ে। সময় আহিব। তেতিয়া তাই মনে মনে নাথাকে। তাই খোলাখুলিকৈ কৈ দিব—জোচেফৰ বাহিৰে তাইৰ বুকুত আন পুৰুষৰ স্থান নাই।

মই ধৰ্মান্তৰ হবলৈ প্ৰস্তুত। অলপো সন্মত নহওঁ—অন্য পুৰুষৰ বুকুত নিজকে মিলাই দি বিশ্বাসঘাতকতা কৰিবলৈ। তাই ধানবোৰ লবাই লবাই ভাবিলে।

জাচমীৰ আইতাক আৰু তাইৰ বাপেক-মাক শেষ সিদ্ধান্তলৈ আহিল। বুঢ়ী আকৌ এদিন আহিব দিন-বাৰ চাই-মেলি। সেই দিনা বুঢ়ীয়ে জাচমীক বুজাই দিব কথাটো—সেই বিশেষ দিনটোৰ ৰাতি ল'ৰা আৰু ছোৱালীয়ে নিজৰ নিজৰ বিছনাত শুই সপোন দেখিব আৰু সেই সপোনৰ বিৱৰণী ল'বলৈ পিছদিনা ৰাতিপুৱাতে বুঢ়ী আহি ৰহিব পোনতে নিলাছাৰ ঘৰত। ল'ৰাৰ সপোন ব্যক্ত কৰাৰ পিছত সকলো শুনি ছোৱালীৰ সপোন শুনিবহি বুঢ়ীয়ে। নিলাছাই নিশ্চয় ভাল সপোন দেখিব। তাৰ মনত বহুতো আশা-আকাংক্ষা। জাচমীক তাৰ সংসাৰত অতি আৱশ্যক, তাৰ নিঃসংগ জীৱনৰ অনুভূতিবোৰৰ ৰূপ জাচমী নহলে কোনে দিব পাৰে? সেয়ে সি সপোন দেখিব—সি হয়তো অকলে অকলে হাবিলৈ গৈছে। তাৰ আগেদি এটা বাঘ ওলাই গজেন্দ্ৰ গমনে আগবাঢ়ি তাৰ পিনে এবাৰ চাই আকৌ হাবিত সোমাল। সিও হয়তো বাঘটো মাৰিবলৈ আগবাঢ়িছে। নাইবা সি সপোন দেখিব—কোনোবা সমনীয়া ডেকাৰ লগত সি আনন্দ মনে কথা পাতিছে, হাঁহিছে। সকলোবোৰ মংগলজনক চিন। যদি সপোনতে সি কান্দে, মন মাৰি থাকে, নাইবা আবিৰৈ কোনো গাভৰুৰ লগত সি মুখৰ মালিহা মৰা কথা পাতে—সন্তোষজনক সপোন নহ'ব। সি হয়তো ভাল সপোনকে দেখিব। সি তাইক বিচাৰে। খেতিৰ পথাৰত নাইবা পানী অনা ঘাটত আলেঙে আলেঙে

সি তাইক মনৰ ভাবনা জনোৱা নাই স'চা, তথাপি সি অনুভৱ কৰি আছিছে এজনী গাভৰুৰ। আৰু সি—তাৰ মনটোৱে বিচাৰি পাইছে জাচমীক। তাৰ অভাৱ পূৰণৰ বাবে তায়েই উপযুক্তা।

নিলাছাই বাৰু ভাল সপোনকে দেখিলে! জাচমীয়ে অকলে অকলে বহি বহি ভাবে। তাই বদি সপোন নেদেখে? ৰাতি যদি টোপনিকে নাহে? সপোন বাৰু দেখিলেই—যদি সপোনতে তাই উচুপি উচুপি কান্দে? নাইবা অমংগলীয়া কিবা চিন দেখে ভেতিয়া? তাতো আছে বৈকল্পিক ব্যৱস্থা। কুকুৰা মাৰি চোৱা মংগলৰ চিনেই শেষত হ'বগৈ চূড়ান্ত সিদ্ধান্ত।

কথা দি কথা ৰাখিবলৈ নগা মানুহে জীবন পণ কৰিব পাৰে। এখন সংসাৰৰ মংগল সূচনা কৰি কুকুৰা চৰাই এটা মৰি থাকিব ডিঙিত মোচৰ খায়। মৰণৰ তাড়নাই চেপি অনা যন্ত্ৰণাত কুকুৰাটো অবশ হৈ মাটিত পৰি যাব! তাৰেই মাজেদি প্ৰকাশ পাব মংগলামংগল। বাওঁ ঠেংটোৰ ওপৰেদি যদি সোঁ ঠেং পাৰ কৰি কুকুৰাটো মৰি থাকে তেন্তে নিলাছাৰ উত্তমক বাধা দিব কোনে? তাইৰ মাক-বাপেকেও মুখৰ কথা নেপেলায়। মুখেৰে দিয়া কথাৰ আন ঠাইত মূল্য বিয়ে নহওক নগা বস্তীত আছে। কথা দি কথা পেলোৱা পাপ। নিলাছাৰ ঘৰ এখন আছে। মাটি-বাৰী আছে। স্বাস্থ্যবান কৰ্মঠ যুবক সি। বিয়াৰ পিছতে সি বাপেকৰপৰা বেলেগ হৈ নিজা ঘৰ এখন সজাই ল'ব। জীয়েক-জোঁৱায়েকৰ নতুন সংসাৰখন কিমান সুন্দৰ হ'ব! বাপেকে ভাবে।

কিন্তু জাচমীয়েওতো জোচেফক কথা দিছে। সেই প্ৰতিজ্ঞা তাই লংঘণ কৰে কেনেকৈ? কথা দিয়াই নহয়—ঢালি দিছে বুকুৰ মৰম, প্ৰাণৰ আবেগ। জোচেফে তাইৰ প্ৰেমক আন্তৰিক স্বীকৃতি দিছে; কিন্তু সেইবোৰ নাভাবে জাচমীৰ বাপেক-মাকে। বিজাতীয় ডেকা এজনৰ প্ৰতি অহেতুক আসক্তিক স্বীকৃতি নিদিয়ে চিচেমা বস্তীৰ সমাজে; গাওঁবুঢ়াই, বাপেক-মাকে।

সামাজিক নিয়ম—।

সামাজিক প্ৰথামতে সিঁহতৰ বিয়াৰ পকা বন্দোবস্ত কৰিবলৈ এটা শুভক্ষণত নিলাছা ওলাবহি সিঁহতৰ ঘৰ। কিবা এটা অভূতপূৰ্ব আনন্দ আৰু উত্তেজনাত সৰল-সুঠাম দেহৰ নিলাছাৰ মুখখন বাৰে বাৰে জাচমীহঁতৰ ঘৰৰ চোতালত ৰহি ৰঙা পৰি অপ্ৰকাশিত আনন্দৰ আতিশয্যত মুখলৈ দাণ্ডি নিয়া মধুৰ টেহেটোত আৰু হাতৰ কঁপনি লাগি টেহেটোৰ মুখলৈ ভৰি থকা মধুখিনিত উঠিব এটা সৰু ঢৌ। সন্মানৰ প্ৰতীক স্বৰূপে সি লগত লৈ অহা দীঘল বাঠীডাল তাই বাপেকৰ পিনে আগেবেগে আগবঢ়াই দিব। বাপেকে তাইক নিৰ্দেশ দিব মধু আনি দিবলৈ। মধু দিবলৈ অহা জাচমীক সি চুৰ কৰি চাব—এবাৰ, ডুবাৰকৈ কেৱাবাৰো। সদায় বস্তীত দেখি অহা ছোৱালীজনীক সি প্ৰথমবাৰৰ বাবে দেখা দি চাব—লাজ আৰু আবেগ ভৰা দৃষ্টিৰে। আঁপইতা বাঁহৰ টঙাল ডুলাই টোম সাজি ভৰাই অনা গাহৰি পোৱালি দুটাই বাহিৰ ওলাবলৈ সুবিধা বিচাৰি টোম দুটাৰ ভিতৰতে চিঞৰিব। পোৱালি দুটাৰ চেহেৰা চোৱাৰ ছলেৰে বাপেকে এবাৰ চকু তুলি চাব—কিমান ডাঙৰ, কিমান নোদোকা গাহৰি পোৱালি দুটা। লিটা হলে ঘূৰাই দিব। কুকুৰা পোন্ধৰটা নিশ্চয় গা-গাৰি থকা নোদোকায়েই হ'ব!

গাহৰি পোৱালিকেইটাৰ চিঞৰ শুনিয়েই বস্তীৰ মানুহে গম পাব——নিলাছা বিয়াৰ বন্দোবস্তৰ বাবে অহা বুলি। দুই এজনকৈ বস্তীৰ মানুহবোৰ আহি সিহঁতৰ চোতাল ভৰিবহি। জাচমীৰ বিয়া। —নিলাছা আৰু জাচমীৰ বিয়া। গেনা বুঢ়াই সিহঁতৰ দিন থিক কৰি দিব।....বিয়া কৰিবলৈ মন থাকিলে সোনকালেই কৰা…বয়স জানো ৰৈ থাকে? তাইৰ সমনীয়া ছোৱালীবোৰে তাইক জোকাই গান গাব আৰু এদিন সিহঁতৰ ঘৰত বিয়াৰ উখল-মাখল লাগি পৰিব। ল'ৰা-ছোৱালীৰ আনন্দমুখৰ হাঁহি-ধেমালি, সমনীয়া ছোৱালীৰ গান আৰু অৰ্থহীন কথা, বুঢ়া-বুঢ়ীবোৰৰ গহীন মুখৰ টুকুৰা কথা—উজ্জ্বল পৰিবেশৰ মাজেৰে জাচমী ওলাই যাব—বিয়াহে। ইমান দিনীয়া মুকলিমুৰীয়া, চঞ্চলচিতীয়া জাচমীয়ে সমনীয়া ছোৱালীবোৰৰ মাজৰপৰা নিলাছাৰ গৃহিণী হৈ ফালৰি কাটি ওলাই যাব। তাৰ পিছত তাই মাক হ'ব।

জাচমী—মাক।

নিলাছা—বাপেক।

মাক-বাপেক—এগাল ল’বা-ছোৱালী।

এখন সংসাৰ।

জাচমীয়ে ঠিক কৰিলে—তাই মুখ খুলি প্ৰতিবাদ কৰিব। তাই নিলাছাক বিয়া কৰিব নোৱাৰে। গতিকে সপোন-চপোন দেখা-দেখি তাইৰবাবা নহ’ব। বিয়াৰ আলোচনা বন্ধ কৰি দিবলৈ তাই মাক-বাপেকক কৈ দিব। যিদিনা বুঢ়ী আহি সপোন দেখিবলৈ ক’বহি সেইদিনাই তায়ো সকলোবোৰ খুলি ক’ব। মাক-বাপেকে নামানিলেও, গাওঁবুঢ়া বস্তীৰ মানুহে নামানিলেও তাইৰ মতৰ সলনি নহ’ব। তাই বস্তীৰপৰা ওলাই যাব। সিহঁতৰ সমাজত ছোৱালীয়ে বিয়াৰ আগতে ডেকা ল’ৰা পছন্দ কৰি ল’ব পাৰে। সমাজে সেই পছন্দৰ স্বীকৃতি দিব। সিহঁতৰ মিলন হ’ব বৈধ। সেই নিয়মত উল্লেখ নাই যে, অ-খৃষ্টিয়ান ছোৱালীয়ে খৃষ্টিয়ান ডেকাক বুকুৰ মৰম বিলাব নোৱাৰিব। হয়তো সমাজে স্বীকাৰ কৰিব নোৱাৰা এনেকুৱা কামেই বস্তীৰ কোনোৱে কৰা নাছিল। আজিকালি বহুতো সলনি হ’ল। উপৰি পুৰুষৰ প্ৰধান অস্ত্ৰ নগাখাঠী কাৰুৰপৰা ধেঁাৱা চাঙত উঠিল। বন্দুক নহলে সক চৰাই এটাও চিকাৰ কৰিব নোৱাৰে আজিকালিৰ ডেকাই। তাহানিৰ মাটিৰে সজোৱা লক্‌ফু—আজিকালি কেইজনে লয়? এলুমুনিয়ামৰ কলহে নাগিনী গাভৰুৰ পানী অনা হোৰা শুৱনি কৰিলে। কোহিমা নগৰৰ নিলামী বুটজোতা পিন্ধি কোনোদিন জোতা পিন্ধি নোপোৱা গাওঁবুঢ়া দোভাষীয়ে ধপহ ধপহকৈ খোজ পেলাই আন্তৰিক সন্তুষ্টি পায়; কিন্তু এইবোৰৰ প্ৰতি সমাজ সচেতন নহ’ল। সমাজে গণ্ডীৰ ভিতৰলৈ ব্যভিচাৰ সোমাবলৈ নিদিয়ে। খৃষ্টিয়ান ডেকাক বিয়া কৰোৱাটো ব্যভিচাৰ? সমাজে স্বীকৃতি দিয়া সেই কামবোৰক যদি প্ৰগতিৰ পৰিচায়ক বোলা হয়, এজনী গাভৰুৰ প্ৰেম এজন তথাকথিত বিজাতীলৈ বিলাই দিয়াত ক্ষতি কি? কাৰ ইমান শক্তি

যে সেই বান্ধোনৰ ৰচিডাল ছিঙি ওলাই যায়। তাই সিদ্ধান্ত কৰিলে।

সমাজ সংস্কাৰৰ চিন্তা কৰিবলৈ চিচেমা বস্তীৰ গাভৰু এজনীয়ে নোৱাৰিলেও নিজৰ স্বাৰ্থৰ খাটিৰত কথাবোৰ ভাবি অন্তৰত সাহস সঞ্চয় কৰিব পাৰিলে। সুখ-শান্তিৰ দাপোণত নিজৰ জীৱনৰ প্ৰতিফলন চাবলৈ তাইৰ অন্তৰত দুৰ্বাৰ হেপাহ।

বস্তীৰ মানুহক তাই ঘিণ নকৰে। তাই ফালৰি কাটি অন্য সমাজ এখনৰ মাজলৈ গলেও চিচেমা বস্তীৰ সেই মানুহখিনিৰ প্ৰতি তাইৰ শ্ৰদ্ধা অটুট ৰ'ব। মাথোন সমাজে মানি লওক, যাবলৈ দিয়ক।

তাইৰ মনোভাৱ শুনি হয়তো বস্তীৰ আটায়ে বু-বু বা-বা কৰিব—লুজুফুৰ জীয়েক জাচমীয়ে খৃষ্টিয়ান হৈ খৃষ্টিয়ান মানুহ বিয়া কৰিব বোলে। অন্যায়। সমাজৰ মাজত ব্যভিচাৰ! সমাজ সেকৰা বস্তীৰ মানুহে মেলা পাতি শেষ বাৰলৈ তাইক হুমকি দিব। বুজনি দিব। আৰু শেষত বাপেক লুজুফুক ক'ব—জীয়েকক ঘৰৰপৰা উলিয়াই দিবলৈ। তাইৰ মুখেদি যেই ব্যভিচাৰী কথা ওলাইছে—তেতিয়াই তাই সমাজৰ বান্ধোনৰপৰা ওলাই গৈছে। যদি তথাপি বাপেকে জীয়েকক বস্তীত ৰাখে, তেন্তে সিহঁত গোটেই ঘৰখনেই হৈ পৰিব সমাজচ্যুত। সমাজ পাবলৈ গেনা কৰিব লাগিব। সমাজক ডঁৰ দিব লাগিব। সমাজে কঠোৰ হাত নলগালে পিতৃ-পুৰুষৰ দিনৰেপৰা চলি অহা আৰু নিষ্ঠাৰে পালন কৰা সামাজিক নিয়মৰ গাঁঠিত ঘূণে ধৰিব, মতানৈক্যই দেখা দিব নিজৰ খেলতে।

সপোন দেখিবলগীয়া ৰাতিটোত টোপনি নাহিল জাচমীৰ। আগবেলাৰেপৰা ধাননি পথাৰত ধান কাটি কাটি বহুতো কথা ভাবি পেলাইছিল তাই। সমাজক উপেক্ষা কৰাৰ সংকল্প কৰি তাই সন্ধিয়া ঘৰমুৱা হৈছিল।

ঘৰ নোপাওঁতেই খৃষ্টিয়ান বস্তীৰ গাওঁবুঢ়া আৰু সিহঁতৰ নিজৰ গাওঁবুঢ়া এজনক বাটতে লগ পালে। দুয়োজনেই দিলে কোহিমাৰ বতৰা। জোচেফৰ দুৰ্বহ বতৰা।—

গোটেই বাতিটো তাই মোশোৱাকৈয়ে কটাই সপোন শুনিবলৈ আহা আচগুৰ আইতাকতকৈও আগতে বাহিৰৰ ডুবৰিৰ মিয়ৰ পচকিলে।

কোহিমাৰ টানত তাই এৰি দিলে চিচেমাৰ বান্ধ। খুলি পেলালে সমাজৰ বান্ধোন ডাল। সমাজক উপেক্ষা কৰিবলৈ, গাওঁবুঢ়াৰ মেলত বহিবলৈ তাইৰ সুযোগ নহ'ল। তাৰ আগতে আহি পালে দুৰ্যোগ।

সেই দুৰ্যোগে চিচেমা-কোহিমাৰ ব্যবধান চপাই আনিলে। আহি পালে তাই কোহিমা। অনাগত দিনৰ দুৰ্যোগবোৰৰ তাই হাত সাৰে কেনেকৈ ?

হস্পিটেলৰপৰা অহ: বাটটোৱেদিয়েই আচমী পাৰ্কখনৰপৰা ওলাই ঘূৰি গ'ল। কোহিমা নগৰে তাইৰ মন আজি আকৰ্ষণ কৰিব নোৱাৰিলে। আবেলিৰ ৰঙা সূৰুযটো চকুৰ আগত লৈ খোজ কাঢ়িবলৈ তাই অক্ষম হৈ পৰিল। গোটেই গাটো ঝিম্ ঝিমাই গৈছে। মূৰটো অসম্ভৱ কামুৰিছে আৰু থিয় দি থকা বসুমতী যেন থিতিহীন হৈ অনবৰত অবিৰাম ঘূৰিব লাগিছে। ভৰি দুখনত ইমান পোৰণি উঠিছে যে, মাটিত পাতি খোজ কাঢ়িব নোৱাৰি। চকুত চোকা ৰ'দ লাগি চকুৰ পানী উলিয়াই আনিলে। গোটেই শৰীৰটোৰ বাহিৰে-ভিতৰে যেন তেনেই শুকাই গৈছে। শুকাই যোৱা জিভাখনেৰে ওঁঠ-দুটা চেলেকিলে তাই। জিভাখনত কিছুমান ধূলিকণা লাগিল। মুখৰ শুকান চুলিবোৰ বাৰে বাৰে সিঁচৰতি হৈ পৰিছে কপালৰ ওপৰেদি।

কি ? বুঢ়ীজনীয়ে তাইৰ পিনে চাই দোকানীয়ে গ্ৰাহকক সোধাদি প্ৰশ্ন কৰিলে। পাৰ্কৰ ভিতৰৰ গছৰ ছাঁত বহি বহি আবেলি তাই সেই ঠাই এৰি এখোজ দুখোজকৈ আগবাঢ়ি গৈ পুলিচ গেটৰ ওচৰৰ সৰল গছডালৰ তলত থিয় দিছিলগৈ। গছডালৰ তলত কেইজনীমান নাগিনী বুঢ়ী দোকান পাতি বহি আছিল। মধুৰিয়াম আৰু আধা পকা সুমথিৰা কটা কাপোৰ একোখনৰ ওপৰত ভাগ পাতি

দোকান সজাই বুঢ়ীকেইজনীয়ে আলিবাটত দিবলৈ অনা শিলগুটিবোৰৰ দমত বহি কঁথা পাৰি আছিল। সিহঁতৰ অলপ দূৰত থিয় দি থকা জাচমীক এজনী বুঢ়ীয়ে সুধিলে। কিয় যে তাই বোৱা বাঁটোদি ঘূৰি আহি গেটৰ ওচৰত ৰ'লহি ভাবিয়ে নাপালে! তাই ভাবি দুখনৰ ওপৰত সমানে ভৰ দি থিয় দিলে আৰু মধুৰিয়ামকেইটাৰ পিনে চাই ৰ'ল। আবেলিৰ সোণবৰণীয়া ৰ'দত মধুৰিয়ামকেইটা জিলিকি উঠিছিল। সেই বুঢ়ীজনীয়ে হাতত লৈ থকা খুচুৰা পইচাকেইটা-মান কঁকাল-বান্ধনি ডালৰ মাজত সুমুৱাই পুনৰ কঁকালত বান্ধি লৈ থিয় দি জাচমীৰ ওচৰলৈ দুখোজ আগবাঢ়ি আহি সুধিলে—কি ?

ভবিৰ তলুৱাত লাগি থকা শিলগুটিবপৰা চকু দুটা তুলি তাই বুঢ়ীৰ পিনে চালে। বুঢ়ীয়ে তাইক ভৰিৰপৰা মূৰলৈ বৰ সাৱধানে যেন এবাৰ নিৰীক্ষণ কৰি গ'ল আৰু তাৰ পিছত সুধিলে কত যাবি? মধুৰি কিনিব? মধুৰিটো ভাল আছে দেই। চাৰি আনাতে পাচটা দিছে। বেপাৰীৰ সুৰত দিনান্তৰ আগ মুহূৰ্ত্তত কেই অনামান পইচা পাবলৈ বুলি হাতৰ মুদ্ৰা আৰু মূৰ জোকাৰি বুঢ়ীয়ে তাইক মধুৰিয়ামৰ কথা বুজালে।

মধুৰিয়াম আকৌ কিনি খাব লাগে নেকি? উৱা, কি আচৰিত! অ, হয় কোহিমা নগৰ! ইয়াত জেণ্টলমেন থাকে। টকা-পইচাৰ অভাৱ নোহোৱা মানুহে মধুৰি কিনি খায়। তাইৰ ভোকৰ কোবত মধুৰিয়াম খাবলৈ মন গলেও পইচাৰ কথা শুনি সেমেকিলে মনটো। সম্বল আছে হয় অনা। থাকক—। তাই লৰচৰ নকৰাকৈ থিয় দিয়েই থাকিল।

কত যবি তই? বুঢ়ীয়ে পুনৰ সুধিলে।

ইয়াতে আহিছিলে। সেপ ঢুকি কথাটো কলে তাই। এটা নিজৰ মৌনতা ভাঙিলে এই মাত্ৰ।

ৰাতি জেনেহলে কতে থাকিবি? মৰমৰ সুৰত বুঢ়ীয়ে সুধিলে।

থাকিবলৈ আনা মানুহ নাই, জেগাটো নাই। মই নতুন আহিছে বা। আয়াস খুব কষ্ট আছে মোৰ। জাচমীয়ে বুঢ়ীৰ মৰম লগা মাতত

নিজৰ অসুবিধাৰ কথাখিনি প্ৰকাশ কৰিবলৈ সাহ পালে। পেটৰ পোৰণিটোও যেন বেছি হৈ আহিল। বুঢ়ীজনীয়ে যদি ৰাতি থকাৰ কথা কয় তেন্তে তাই আনন্দেৰে সন্মতি দিব। তাই মনে মনে ভাবিলে।

থাকিবলৈ জানা মানু নাই যদি মোৰ তাতে থাকিবলে পাৰিবি। মই অকলেহে থাকে।

জাচমীয়ে বুঢ়ীৰ মুখলৈ চালে। চকু দুটাই হাঁহিব খুজিছিল। নগৰত থকা মানুহবোৰ মৰমিয়াল। বাৰীৰ মধুৰিয়াম বিলাই দিব নোৱাৰিলেও আশ্ৰয়হীনক আশ্ৰয় দিবলৈ অন্তৰত উদাৰতা আছে। নিজৰ মানুহতো নহয়েই ; খেলবো নহয়। এইমাত্ৰ চিনাকি হৈছে। চেমা মানুহ হবলা ! আয়ৈ দেহি ! কথাবোৰ ইমান মৰম লগাকৈ সুধিছে। নিজে নোকোৱাকৈ উপযাচি মৰম কৰি ৰাতি থাকিবলৈ মাতিছে।

তই একু খোৱা নাই না ? বুঢ়ীয়ে আৰু এখোজ আহি তাইৰ কান্ধত ধৰি সুধিলে।

তাই বুঢ়ীৰ মুখলৈ চাই শেঁতা হাঁহিৰে কৃতজ্ঞতা জনাবলৈ খুজিছিল। নোৱাৰিলে।

নাই—জাচমীয়ে মাথোন কলে।

দিনতে একু নাই খোৱা ?

নাই।

ৰাতিতে ?

দুই দিন একু খোৱা নাই। তাইৰ আব্দাৰ কৰিবৰ মন গ'ল।

মন গ'ল মৰমিয়াল মাকৰ ওচৰলৈ স্কুলৰপৰা ৰাতিপুৱা যাওঁতে ভাত খাই নোযোৱা ছোৱালী এজনীয়ে আবেলি ঘূৰি আহি আব্দাৰ কৰি কোৱাদি কৰবলৈ। কিন্তু নোৱাৰিলে। তাইৰ চকু দুটা চল্‌চলীয়া হ'ল। কথা নোলাল মুখেদি। মাথোন ওঁঠ দুটা কঁপি কঁপি থাকিল।

তোমাৰ মৰমক মই কি বুলি কৃতজ্ঞতা জনাম! মাৰপৰাও এনেকুৱা মৰমৰ মাত বহুত দিন, বহুতো বছৰ শুনা নাছিলোঁ।

হে ই—কি নিমিত্তে কান্দিছে? বুঢ়ীয়ে তাইৰ বাউসীত ধৰি জোকাৰি দিলে। মই কান্দিছো! তাই যেন সম্বিত ফিৰাই পাই ভাবি চালে। হয়, চকুৰ পানী দুটোপাল গালৰ ওপৰেদি পিৰ্‌পিৰাই বৈ আহিছে। কাতৰ দৃষ্টিৰে তাই বুঢ়ীৰ পিনে চালে।

তই ইয়াতে বহিবি অলপ। মই এতিয়াই আহিব। বুঢ়ীয়ে তাইক হাত এখনত ধৰি টানি নিয়াদি নি শিলগুটিৰ দমটোৰ ওপৰত পাৰি লোৱা ফটাকানি এডোখৰৰ ওপৰত বহুৱাই দিলে। যন্ত্ৰৰ দৰে নির্বিকাৰভাৱে তাই বহি পৰিল। তাইৰ সোঁহাতৰ দোকান কেই-খনলৈ চাবলৈ খুজিও নোৱাৰিলে। লাজ লাগিল। চাৰি আলিৰ মূৰৰ সেই সৰু ঘৰটোৰ ওখ ভেটিত উঠি সিদিনা থকা দি ৰঙা পাগুৰি মৰা পুলিচ এজন আজিও আছে। সিদিনাৰ এই চাৰি আলিৰ মূৰৰ আটাইবোৰ বস্তুৰে একো পৰিবর্তন হোৱা নাই। সিদিনা,—যোৱা কালিহে। মাত্ৰ এদিনৰ ব্যবধান।

এদিন;—এদিনতেই বহুতো সলনি হ'ল তাইৰ জীৱন-পথৰ। কোহিমা নগৰৰ পুলিচ গেটৰ ওচৰৰ বস্তুবোৰৰ একো সলনি নহ'ব পাৰে; কিন্তু তাইৰ হ'ল। কোহিমা নগৰৰ এটা সুসজ্জিত কোঠালীত—এটা সুন্দৰ ঘৰত তাইৰ জীৱন কটোৱাৰ সোণালী কল্পনাৰ কাৰেঙৰ ভগ্নাৱশেষত, কিছুমান ভগ্নস্তুপৰ ওপৰত থিয় দি তাই আজি ভিক্ষা কৰিছে—এখানি আশ্ৰয়, এধাৰি সহানুভূতি! পেটৰ ভোক—দুদিন একো খোৱা নাই বুলি এজনী অপৰিচিতা তিৰোতাৰ ওচৰত কাতৰভাৱে স্বীকাৰ কৰিবলগীয়া হৈছে। পেটৰ পোৰণি গুচাবলৈ চাই থাকিবলগীয়া হৈছে কেইটামান মধুৰিয়ামৰ পিনে। কেইটামান শিলগুটি তাইৰ ভৰিৰ হেচাত দমটোৰপৰা খহি হুৰ্‌হুৰকৈ নামি গ'ল। ঠাইখন ইমান নীৰৱ যেন লাগিছে! কিন্তু নীৰৱ নহয়

কোহিমাৰ ৰাজপথ ;—ৰাজপথ জনমুখৰ। জনতাৰ উচুলি-মুচুলি। জীয়াই থকাৰ সম্ভাবনা বিচাৰি বহুতেই আলিবাটত উঠে। সৌভাগ্যই লগ দিয়া কোনোবা ঘৰমুৱা হয় সঞ্চিত ধনৰ টোপোলা বুকত বান্ধি নিখৰ্ব গৰ্বৰে। কোনোবা জীৱন জুৰি বলিয়া কুকুৰৰ দৰে ঘূৰি ফুৰে ভাগ্য-বিপৰ্য্যয়ৰ ঠেকছিঙা অৱস্থাৰ অখণ্ডনীয় প্ৰতিলিপি চাই চাই। কোনোবা আগবাঢ়ে আশাৰ মাণিকৰ জিলিমিলি দেখি বুটলি ল'বলৈ আৰু কাৰোবাৰ প্ৰতিটো খোজ পিছুৱাই আহে—হতাশা আৰু ব্যৰ্থতাৰ অনাকাংক্ষিত দুৰূহ বোজাটোৰ ভৰত। আহিছে—গৈছে। জীৱনৰ ভিন্ন ভিন্ন কক্ষপথত বিভিন্ন পদক্ষেপ।

কোহিমাৰ ৰাজপথ আৰু চিচেমা বস্তীৰ লুঙ্‌লুঙীয়া বাটৰ প্ৰভেদ বিৰাট। দুয়োটাৰ সংযোগ স্থলত মোহনা নাই। চিচেমা-মৰাসুতিৰ জ'াজী কাটি আহিল কোহিমাৰ সোঁতলৈ। মোহনাৰ মুখত নহলেও বালিচৰত বন্দী হৈ থিতাপি ল'ব খোজে, পলসৰ বুকত বাঢ়ি সেউজীয়া ৰূপ ল'ব খোজে জ'াজীৰ বুকৰ শিপা-ছিঙা জোপোহাই। বালিচৰৰ ৰূপৰ সৌন্দৰ্য্য বঢ়াই তুলিব খোজে। জাচমীও অসহায়। জ'াজীৰ বুকুৰ এডাল শিপাহীন লতা। কোহিমা নগৰৰ বুকুত তাইৰ স্থিতি ক'ত?

হোঁ—খা। বুঢ়ীজনীয়ে এগিলাচ চাহ তাইৰ হাতত তুলি দি আনখন হাতৰে এটা ডাঙৰ বিস্কুট আগবঢ়ালে।

চাহৰ গিলাচটো হাত পাতি লৈ জাচমীৰ হাত দুখনৰ স্নায়ুবোৰ অবৰ্ণনীয় অনুভূতিত বাৰে বাৰে কঁপি উঠিল। ইমান মৰম! ইমান নিস্বাৰ্থ মৰম কিয় বুঢ়ীৰ বুকুত? বস্তীৰপৰা জীৱনত প্ৰথম বাৰৰ বাবে ওলাই অহা আশা-আকাংক্ষাৰ মূৰ খোৱা সহায়হীনা, সম্বলহীনা এজনী দুৰাকাংক্ষী ছোৱালীলৈ তোমাৰ অপৰিসীম মৰম কিয়? অনাত্মীয়া এজনী মানুহৰ মৰমৰ মাজত তাইৰ নিজকে ঘাট-মাউৰা ছোৱালী এজনী যেন লাগিল।

চাহ আৰু বিস্কুটটো নীৰবে খাই শেষ কৰি তাই ভাবিলে—তাই সেয়া বৰ অন্যায় কৰিলে। এতিয়া বুঢ়ীয়ে যদি চাহ আৰু বিস্কুটৰ দাম খোজে তাইৰপৰা? কি ঠিক? পাঁচটা মধুৰিয়ামৰ দাম যদি চাৰি অনা হ'ব পাৰে, এগিলাচ চাহ আৰু এটা বিস্কুটৰ দাম দিব পৰাকৈ তাইৰ হাতত পইচা নাই নিশ্চয়। সুদা গিলাচটো তাইৰপৰা বুঢ়ীয়ে একো নোকোৱাকৈ লৈ গৈ দোকানত দি আহিলগৈ। তাই কি সুধিব ভাবিয়ে নাপালে।

ৰাতি হ'ল, যাওঁগৈ ব'ল। বুঢ়ীয়ে মধুৰিয়াম আৰু আধাপকা সুমথিৰাকেইটা ফটা কাপোৰখনেৰে বান্ধি ক'ৰবাত কিবা এৰিলে নেকি চাঁই জাচমীক কলে। ইতিমধ্যে ওচৰৰ দোকানী বুঢ়ীকেইজনী গুচি গৈছিল।

কাতিমহীয়া আবেলিটো লাহে লাহে ধূসৰ সন্ধিয়ালৈ সলনি হৈ আহিল। পুৰতি নিশাৰ কালছায়াৰ আন্ধাৰৰ নিচিনা সেই পাতল অন্ধকাৰৰ মাজত বুঢ়ীৰ পিছে পিছে আগবাঢ়িল জাচমী। আশে-পাশে তাই কোনোপিনে নাচালে। ঐকান্তিকভাৱে পাতল আন্ধাৰৰ মাজতো তাই যেন চেষ্টা কৰিছে—বুঢ়ীজনীয়ে পেলাই যোৱা খোজৰ সাঁচে সাঁচে খোজ পেলাবলৈ। আগে আগে গৈ থকা বুঢ়ী নীৰবে যোৱা নাছিল। বাটত লগ পোৱা সৰহভাগ মানুহৰ লগতে সাধাৰণ-ভাৱে কথা পাতি পাতি গৈছিল। বুঢ়ীৰ নগৰত ইমান মানুহৰ লগত চিনাকি আছে! তাই আচৰিত হৈ ভাবিছিল।

ৰাতি হৈ অহা কোহিমাৰ ৰাজপথৰ জ্বলি উঠা ইলেক্‌ট্ৰিক লাইটৰ পোহৰে ডাঠ আন্ধাৰখিনি পাতল কৰি পেলাইছে। ঠায়ে ঠায়ে উজ্বল পোহৰ। অনতিদূৰৰ গছ-গছনি আৰু পাহাৰবোৰক পাতল কুঁৱলীৰ পৰ্দা এখনে যেন নগৰৰপৰা বিচ্ছিন্ন কৰি ৰাখিব খুজিছে। সন্ধিয়াৰ লগে লগে কোহিমাৰ আলিবাটত ভীৰ জমে। জাক পাতি পাতি নগৰ-মুৱা মানুহ। হাঁহি-ধেমালি, কথা-বতৰা। চিঞৰ-বাখৰ। হুলস্থূল।

গৈ থাকোতে জাচমীৰ মনটো চঞ্চল হৈ উঠে। হঠাৎ তাইৰ মনলৈ এটা আকস্মিক প্ৰশ্ন আহে—তাই কোহিমালৈ কিয় আহিল ?

হস্পিটেলৰ বিছনাত মৰাশ হৈ পৰি থকা জোচেফৰ পাণ্ডুৰ মুখখনি তাইৰ চকুত ভাহি উঠে। আকৌ চিচেমাৰ আহত গছজোপাৰ তললৈ মনত পৰে। জোচেফৰ মুখৰ ওচৰত তাই যেন থিয় দি আছে। ‘জাচমী মই তোকে চাদী কৰিব।’ জোচেফৰ সেইষাৰ কথা কোহিমাৰ আলিবাটত তাইৰ আজি বাৰে বাৰে মনত পৰিছে। তাৰ হিমশীতল স্থবিৰ দেহটো—ৰঙা কম্বল—বগা চাদৰ—তেজ লগা তুলাৰে ভৰা ডিচ্ খন—নার্চ—ডাক্তৰ……। চকু দুটা মোহাৰি ল’বলৈ হাতখন দাঙোতে পোহৰ বিচাৰি অহা পোক এটা তাইৰ হাতত খুন্দা মাৰি উৰা মাৰে।

নগৰৰ মাজৰ ঘাই আলি এৰি বুঢ়ীয়ে এটা সৰু বাট ললে। তাত পোহৰ নাই। নামনিলৈ নামি যোৱা সৰু ঠেক বাটটোত বহল বহল পাথৰ ক্ৰমান্বয়ে তললৈ পাৰি দিয়া। নামোতে তাই গম পালে।

চাই কেনে আহিবি দেই—। বুঢ়ীয়ে খটখটি নামোতে নিজে সাবধান হৈ তাইকো কলে।

অলপ দূৰ নামি গৈ খটখটিৰ শেষ হ’ল। সৰু-ডাঙৰ শিলে মূৰ তুলি থকা ওখোৰা-মোখোৰা বাটটোৰেদি সিহঁত আগবাঢ়িল। বাটটো অকোৱা-পকোৱা আৰু অসমান। তথাপি জাচমীৰ অসুবিধা নহ’ল। দুয়ো কাষৰ ঘৰবোৰৰ ভিতৰৰপৰা মানুহৰ গুণ্-গুণনি দিনটোৰ মূৰত এডাল গছত ৰাতিটোৰ বাবে আশ্ৰয় লোৱা সন্ধিয়াৰ চৰাই এজাকৰ বিশৃংখল শব্দবোৰৰ নিচিনা লাগিল। বাটটোৰ দুয়োকাষৰ এপিনে ওখ, আনপিনে বেচ নামনি। দুয়োকাষে সমান ঘৰ। ঘৰৰ মূধেদি ধোঁৱা আৰু বেৰৰ ফাকেদি ওলাই আহিছে ভিতৰৰ পোহৰকণা। সিহঁতৰ বস্তীৰ ঘৰবোৰতকৈ ডাঙৰ ঘৰ যে সেইবোৰ নহয়—তাই ধৰি ললে। কোনোবাটোৰ ঘৰৰ ভিতৰত ল’ৰা-ছোৱালীয়ে কান্দিছে। ক’ৰবাত মাকে ধমকি দিছে। কোনো-

বাটো ঘৰৰ চোতালত গৰাল সোমাব নোপোৱা হাঁহ আৰু কুকুৰাবোৰ একেলগ হৈ কৰ্কককাই খিচ্‌খিচাই আছে। কোনোবাটো ঘৰ নীৰব। কোনোবাটোৰপৰা উৰি আহিছে গানৰ সুৰ আৰু হাঁহিৰ কল্লোল। মতা-তিৰোতাৰ উল্লাসিত হাঁহি। বাটৰ কাষেদি একাংশ জুৰি থকা নৰ্দমাটোৰপৰা পচা গোন্ধ বিয়পি পৰিছে। নগৰৰ এই অঞ্চল আৰু চিচেমা বস্তীৰ মাজত ভালেখিনি সাদৃশ্য পালে জাচমীয়ে।

দ্বিতীয়াৰ জোনটোৰ পোহৰবোৰ লাহে লাহে আকাশৰপৰা কোহিমাৰ মাটিত বিয়পি পৰিল। জিলিকি উঠিল সিহঁত অহা ঠাইথন্‌ বাটটো। জোনাকৰ পোহৰত তাই দেখিলে সৰু সৰু ক'লা ছালৰ জুপুৰি ঘৰবোৰ। ইটোৰ গাতে সিটো প্ৰায় লগাকৈ থেপাথেপি কৰি সজোৱা। সমুখত অকণমান মুকলি ঠাই। বাটৰ পিনে চকোৱা-জেওৰাৰ দাঁতিত মূৰ তুলি থকা শিমলুৱা, বৰছা আৰু শিয়াল তুলসী গছবোৰ, চকোৱা আৰু ঘৰৰ ছালত বগোৱা ৰঙা-লাউ আৰু জাতি লাউৰ গছ।

বিপৰীত পিনৰপৰা কোনেও একো মতা নাই। হয়তো মনে মনে শুনি আছে। জাচমী আচৰিত হ'ল। কিহৰ কাজিয়া? বস্তীৰ মানুহেও কাজিয়া কৰে; কিন্তু মতা মানুহৰ বাবে মাইকী মানুহে কাজিয়া নকৰে। ঘটনাটো জানিবলৈ বৰ মন গ'ল তাইৰ। খোজৰ বেগ কমি আহিল—জপনা মুখত বৈ গ'ল তাই। চোতালত থিয় দি থকা তিৰোতা মানুহজনীলৈ চালে তাই। জোনাকৰ ম্লান-পোহৰতো তিৰোতাজনীৰ বীভৎস মূৰ্তি তাইৰ চকুত পৰিল। মূৰৰ চুলিখিনি সিঁচৰিত। ফেটী সাপৰ নিচিনাকৈ ফোচ্‌ ফোচ্‌ শব্দ ওলাইছে তাইৰ নাকেদি আৰু ডিঙিৰ ডাঙৰ সিৰ ছুডাল বাৰে বাৰে কঁপি কঁপি ফুলি উঠি আকৌ ছালৰ তলত লুকাইছে।

ৰচিৰে গাঠি দি বান্ধি থোৱা দুৱাৰখন ঠেলা মাৰি ভিতৰলৈ ঠেলি

দি বুঢ়ী ঘৰটোৰ ভিতৰলৈ আৰিকুজা হৈ সোমাই গ'ল। বুঢ়ীৰ নির্দেশমতে জাচমীও সোমাল। আন্ধাৰ কোঠালীটোৰ মজিয়া-খনতে তাই থিয় দি ৰ'ল। বুঢ়ীয়ে হাতত লৈ থকা মোণাটোৰপৰা খচ্‌মচকৈ দিয়াচেলাই এটা উলিয়ালে। তাইৰ আন্ধাৰবোৰৰ মাজত যেন বৰ অশ্বস্তি লাগিছে। অলপ পোহৰৰ মাজত থিয় দিবলৈ তাইৰ মনটোৱে হাহাকাৰ কৰি উঠিল। বুঢ়ীয়ে চাকি এটা জ্বলালে। অনুজ্বল পোহৰখিনিয়ে কোঠালীটো ঈষৎ আন্ধাৰ কৰিয়েই ৰাখিলে। আশ্রয় বিচৰা জাচমীৰ মনটো আশ্রয় বিচৰি পোৱাৰ পিছত শ্রান্তি আৰু ক্লান্তিৰে অৱশ হৈ আহিল। তাইৰ থিয় দি থকাৰ শক্তি-খিনিও যেন লোপ পালে। তথাপি তাই থিয় দি থাকিল। কোঠালীটোৰ এচুকত মধু বনোৱা সৰঞ্জামবোৰ। তাৰপৰা মধুৰ সেমেকা গোন্ধ ওলাইছে। দক্ষিণৰ বেৰৰ পিনে চৌকা। কেইটা-মান সাজ-বাচন।

বহ ইয়াতে। বুঢ়ীয়ে ভৰিৰে পীৰা এখন ঠেলি দিলে তাইৰ পিনে। তাই বহিল। সিটো কোঠালীলৈ বুঢ়ী সোমাই গ'ল। তাইৰ মনত সিটো কোঠালী ৰহস্যময়। দেখা পোৱা নাই। ইটো কোঠালী—নগৰৰ এটা ঘৰৰ ভিতৰত থকা বস্তু-বাহানিৰ আৰু সজোৱা ধৰণ চিচেমা বস্তীৰ সিহঁতৰ ঘৰবোৰৰ বস্তু-বাহানিৰে সৈতে দেখোন একেই। কিটোনো পাৰ্থক্য নগৰ-গাৱঁৰ।

এবতল মধু আৰু দুটা মগ আনি বুঢ়ী তাইৰ ওচৰতে পীৰা এখন পাৰি বহিল। বতলটোৰ বন্দী হৈ থকা ৰুহী মধুৰ উগ্র গোন্ধটো তাইৰ নাকত লাগিলহি।

হোঁ—অলপ খা। তোৰ ভাগৰ গুচিব। খুব কষ্ট হৈছে না?

দুয়ো মনে মনে বহিয়েই বতলটো শেষ কৰিলে। তাৰ পিছত বুঢ়ীয়ে চৌকাটো জ্বলালে। শুকান খৰিত চৌকাটোৰ জুইকুৰা দপ্‌ দপ্‌কৈ জ্বলি উঠিল। মজিয়াখনত আৰু পোহৰ পৰিল। মধুৰ বতল-

কেইটামান তাইৰ চকুত পৰিল। এজনী বুঢ়ীয়ে ইমান মধু খায় নে ! আলহী মানুহ আছে চাগে। অথনি বহুত চিনাকি মানুহবে লগত বুঢ়ীয়ে বাটত কথা পাতিছিল। প্ৰতিবেশীক ভাল পায় বুঢ়ীয়ে। কোনোবা আহিলে আলহী সোধে মধুৰে। 'প্ৰতিবেশীক ভাল পাবা।' বাইবেলতো লিখা আছে। পইচা ? পইচাৰ বাবে মধুৰিয়াম বেচিবলৈ ওবে দিনটো চাৰি আলিৰ মূৰত বহি থকা বুঢ়ীয়ে মধু খুৱাই পইচা লয় নে বাৰু ? নলয়—। তাইৰ মনটোৱে উত্তৰ দিলে। বুঢ়ীৰ তেনেকুৱা মন থাকিলে তাইক চাহ আৰু বিস্কুট নুখুৱালেহেঁতেন। ক'তা পইচাৰ কথাটো কোৱা নাই বুঢ়ীয়ে। বুঢ়ী তেনেকুৱা মানুহ নহয়। কিমান মৰম লগাকৈ কথাবোৰ কয়।

বুঢ়ীয়ে তাইৰ ওচৰতে আকৌ বহি কলে—তই অলপ সময় বহিবি দেই। মই লাইপাতা অলপ বনাম। ভাত দিনৰে আছে। সুদা বতলটোৰ ডিঙিত ধৰি বুঢ়ীয়ে মজিয়াৰ মাটিত এনেয়ে খুন্দিয়ালে। সুদা বতলটোৰ ৰিঙা শব্দ এটা ওলাই আহিল।

জুইৰ ওপৰত কেৰাহিটো পাতি দি লাইশাক কুটাৰ খচ্‌খচ্‌ শব্দ জাচমীৰ কাণত পৰিল। জাচমীয়ে বুঢ়ীৰ পিনে ঘূৰি চালে। চৌকাত পাৰি দিয়া কেৰাহিটো লৈ অলপ্ হালিছে বুঢ়ী। জুইৰ পোহৰত বুঢ়ীৰ ছাঁটো পৰিছে পশ্চিমৰ বেৰত। জুইৰ জিলিমিলিত বুঢ়ীৰ মুখমণ্ডলৰ আঁচবোৰত পোহৰ আৰু আন্ধাৰ মিলিছে। গৰম কেৰাহিটোত পানীত তিতা লাইশাকৰ চেন্‌চেননি। পোহৰ আৰু আন্ধাৰৰ জিলিমিলিত বহি থকা বুঢ়ীজনীক ৰহস্যময়ী যেন লাগিল।

ভাত খাই উঠি দুয়ো সিটো কোঠালীলৈ সোমাই গ'ল। সাধাৰণ জুপুৰি ঘৰটোৰে এটা শোৱনি কোঠা। মেডেলুৱা গছৰ বেৰ, মামৰে খোৱা টিনৰ দুৱাৰ, সেমেকা ক'লা মাটিৰ মজিয়া। মাটিৰপৰা ওখ কৰি পতা চাং এখন। বাঁহৰ খুটি পুতি তাৰে ওপৰত পেকিং বাকচৰ চলিয়া তক্তা পাতি দিয়া। বস্তীত তাই শোৱা বিছনাখন আৰু নগা

বজাৰৰ বুঢ়ীজনীৰ বিছনাখনৰ মাজত পাৰ্থক্য এয়ে যে, এইখন বিছনা মজিয়াৰ মাটিৰপৰা দুহাত ওখত পতা। নগৰৰ মানুহবোৰৰ মাটিৰ প্ৰতি মোহ নাই নেকি! এডাল আঁৰি থোৱা বাঁহৰ ডাঁৰত কেইখন-মান পুৰণি কাপোৰ। খেলিমেলিকৈ ওলমি আছে।

বিছনাখনত দীঘল দি চাকিটোৰ জুইত বিড়ি এটা জ্বলাই লৈ দীঘল হোপা মাৰি ওপৰলৈ ধোঁৱাবোৰ উলিয়াই দিয়াৰ লগে লগে বুঢ়ীয়ে কলে—আজি কোনো নাহিলে।

কোন? উৎসুক মনেৰে প্ৰশ্ন কৰিলে জাচমীয়ে। বুঢ়ীৰ বিষয়ে আগতীয়াকৈ একো নজনাকৈ ইমান সময় থকাৰ বাবে লাজ পালে তাই। প্ৰশ্নটোও যেন নিৰৰ্থক। কোন বুলি সোধাৰ আগতে তাই কিয় ভাবিব নোৱাৰিলে যে বুঢ়ীৰ সংসাৰ এজনীয়া নহয়। আৰু মানুহ আছে—পৰিয়াল। তাই গাত লৈ থকা চাদৰখন গাৰপৰা বিছনাত থৈ পিন্ধাখন অলপ ঢিলাকৈ পিন্ধিবলৈ কঁকালৰ চুফি ডালৰ গাঠিটো খুলিবলৈ চেষ্টা কৰি সুধিলে।

কেতিয়াবা মানু আহে মধু খাবলৈ। বুঢ়ীয়ে নিৰ্বিকাৰভাৱে কোৱাদি কলে। অলপ ইংগিত দিলেই যেন বুঢ়ীৰ ঘৰলৈ অহা নবাগতা আলহীয়ে সকলোবোৰ বুজি পাব। 'মধু খাবলৈ'? জাচমী বিছনাখনত বহি বুঢ়ীৰ মুখৰ পিনে চালে। তাইৰ চোৱাত জিজ্ঞাসু দৃষ্টি। ইয়াতে মধু খাবলৈ অহা মানুবোৰৰপৰা পইচা পায় বুজিছ? কোহিমাতে এইটুৱেই ৰেপাৰ। তই ইয়াতে থাকিলে গম পাবি নহয়—ৰাতিতে কিমান মানু আহিব—মধু খাবলৈ, ফুৰ্তি কৰিবলৈ। তই নিচিনা ছুৱালী থাকিলে কিমান মানু আহিব!

বুঢ়ীয়ে তাইৰ পিনে চাই কথাবোৰ কৈ যায়—তাইৰ অজ্ঞতা বুজিব পাৰি। ব'লাগি তাই বুঢ়ীৰ পিনে চাই থাকিল। অভিজ্ঞ গুৰুৰ ওচৰত যেন নবাগত কোনোবা শিষ্যই সাধনাৰ প্ৰথম স্তৰৰ উপদেশবোৰ ৰহস্য-ধূসৰ মনটোৰ মাজত সোমাই ল'বলৈ অস্থিৰ হৈ

চেষ্টা কৰিছে। বুঢ়ীৰ মুখৰ ধোঁৱাবোৰ টুকুৰা-টুকুৰি হৈ তাইৰ চকুৰ আগেদি উৰি যাবলৈ ধৰিছে চাকিটোৰ পিনে। চিচেমা বস্তীত উপজি বস্তীৰ পৰিবেশত ডাঙৰ হোৱা জাচমীয়ে নগৰৰ বুকুতে চুলি পকোৱা বুঢ়ীজনীৰ মুখত নগৰৰ বিচিত্ৰ কথা শুনি তন্ময় নহয়;—চেষ্টা কৰে কথাৰ মাজৰ ৰহস্যটো উদ্ধাৰ কৰিবলৈ। মধু বেচি পইচা পায়। পইচা দি ফুৰ্তি কৰে। নগৰৰ বাবুবোৰ পইচা থকা মানুহ। সিহঁতে মধু খাবলৈ আঁহোতে লৈ আহিব তাইৰ বক্‌চিচ্—ব্লাউজৰ কাপোৰ, জোতা, তেল—পাউডাৰ—টকা—। বক্‌চিচ্। বুঢ়ীৰ মুখৰপৰা শুনা স্নো-পাউডাৰ, বক্‌চিচে তাইক উৰুৱাই নিব নোৱাৰিলে কল্পনাৰ জেপ গধুৰ বাবুবোৰৰ সংস্পৰ্শলৈ। সেই বাবুবোৰক চাবলৈ তাইৰ মনটোও উথল-মাথল নালাগিল। টকা—বক্‌চিচ—ফুৰ্তি—মৰম—নালাগে। টকাৰ বিনিময়ত তাইৰ অচিনাকি কিছুমান বাবুৰপৰা মৰম বিচাৰিব নোৱাৰে তাই। বক্‌চিচ্ পোৱা কৃতজ্ঞতা ভৰা মনটোৰে তাই সিহঁতৰ লগত ফুৰ্তি কৰিব নোৱাৰে। টকা আৰু মৰম!

কৃত্ৰিম, আন্তৰিকতাহীন মৰম সেইবোৰ। চিচেমা বস্তীত টকাৰ সলনি মৰম নিবিচৰা পৰিবেশৰ অনভিজ্ঞা জাচমীয়ে বুঢ়ীৰ কথাত আনন্দ প্ৰকাশ কৰিব নোৱাৰিলে।

তই বুজি পোৱা নাই না? ৰঙা গাঠিটোলৈ পুৰি অলপ ছাই বান্ধ খোৱা বিড়িৰ টুকুৰাটো মজিয়ালৈ দলি মাৰি দি জাচমীৰ পিনে কাতি হৈ শুই জাচমীৰ মুখত দৃষ্টি ৰাখি বুঢ়ীয়ে কলে—টকা নাথাকিলে ইয়াতে থাকিব নোৱাৰিবি। চব মানুবোৰে ভাল ভাল কাপোৰ পিন্ধে, জোতা-মোজা পিন্ধে। তই কিয় নিপিন্ধিবি? খেতি-ধানপৰা হোৱা চাউলখিনি ভাত আৰু মধুতে যায়। কষ্টভী আছে। বস্তীতে ভালভী নহয় না একু। ইয়াতে কাম-কাজ এক ভী নাই। মধু বনাবলৈ চাউল আনিব, মধু বানাব, বাবুবোৰকে খিলাব। পইচা ঘৰতে বহি যিমান লাগে কৰি দিব। ৰহস্য—বুঢ়ীৰ কথা

সকলোবোৰ ৰহস্যৰ অন্তৰালত লুকাই থকা যেন লাগে তাইৰ। বুজিও সুবুজা নহয়—তাই বুজি নাপায় কথাবোৰ!

জাচমীয়ে একো নকৈ বুঢ়ীৰ পিনে চালে। কোটৰগত চকু দুটাৰ দৃষ্টিয়ে যেন হাঁহিছে। চিকাৰ হাতত পৰাৰ হাঁহি! তীব্ৰ দৃষ্টিৰে বুঢ়ীয়ে তাইৰ চকুৰ পিনে চাই আছে। তাইৰ অন্তৰখন কঁপি উঠিল।

তেনেকৈ কৰিবলৈ মোৰ ভাল নালাগে। বিছনাখনত শুই জাচমীৰ মনটো চট্‌ফটাই উঠিল। তাইক যেন কোনোবাই বিছনা-খনৰ কাঠ আৰু তাইৰ দেহটোক একেলগ কৰি এৰাব নোৱাৰাকৈ বান্ধি থৈ গ'ল।

'একু নহয় অ'। তোকে মই কৈছে না—দুই দিনমান থাকিলে তোৰ চবটু ঠিক হৈ যাব। পিছতে চাৰি দিবলৈ মনভী নাযাব। বস্তীতে কি? একুভী নাই। আমি অহা ৰাস্তাপৰা শুনি আহা হাল্লাবিলাকটু মনত নাই? সিবিলাক মধুয়ে বিক্ৰী কৰি থাকে। তোৰ নিচিনা জোৱান ছোৱালী আছে। ভাল নালাগিবলে কি? বুঢ়ী উবুৰি হৈ শুই হাত দুখনৰ মাজত থুতৰিটো সংস্থাপন কৰি গাহৰিৰ চকুৰ নিচিনা সৰু চকু দুটাৰে তাইলৈ চাই কলে। সাপৰ যাদুকৰে যেন মন্ত্ৰৰ বলেৰে এটা সাপ বশ মনাবলৈ চেষ্টা কৰিছে।

মধু বনাবলৈ চাউল কিনিব লাগে···তাৰে মধু বনাই পোৱা টকা··লাভ···মধুৰ বতল···বকৃচিচৰ ৰঙ্‌চঙিয়া কাপোৰ···গোন্ধ তেল, স্নো-পাউডাৰ অচিনাকি বাবু কিছুমানৰ লগত ৰাতি ৰাতি মধু-মেলা··;তাই ভাবিব নোৱাৰে। খেতিৰ মাটি নোহোৱাকৈ 'লাভ'ৰ আৰু 'বকৃচিচ'ৰ পইচাৰে জীয়াই থকা নগৰীয়া জীৱনৰ কল্পনা জাচমীয়ে কৰিব নোৱাৰে।

তই খাটিৰ নকৰিলেও, ঘৰতে ফুটনি কৰি কেনে বহি থাকিলেভী তোকে খাটিৰ কৰি বহুত মাহু আহিবলে আছে। তোৰ হাততে

সিহঁতে টকা দি যাব-। তই হাঁহাটো চাবলৈ সিহঁতে অকবা নিচিনাকৈ তোৰ মুখপিনে চাই থিয় দি থাকিব। চব ঠিক কৰি দিম। চব ঠিক হৈ যাব অ'। তই থাকচোন।

জাচমীয়ে কওঁ কওঁ বুলিও একো ক'ব নোৱাৰে। বুঢ়ীয়ে তাইৰ ওপৰেদি হাত এখন চাকিটোৰ পিনে আগবঢ়াই দি হাত-বা দি চাকিটো নুমুৱাই দিলে। পোহৰ বিচাৰি মেলি থকা চকু দুটালৈ হঠাতে পৃথিৱীৰ সীমাহীন অন্ধকাৰ কিছুমান নামি আহে। একো দেখা নাপায় জাচমীয়ে। বুঢ়ীৰ নাকৰ উশাহ লোৱা শব্দবোৰ তাইৰ কাণত বাজে। প্ৰতিটো শব্দয়েই যেন একোটা বিভীষিকা। উশাহৰ শব্দৰ বাহিৰে ভিতৰত আন শব্দ নাই। জাচমীয়ে বাগৰ সলায়। বুঢ়ীৰ গাৰ ওচৰৰপৰা আঁতৰি আহিবলৈ বিচাৰে, কিন্তু নোৱাৰে। বুঢ়ীৰ নিচেই ওচৰত তাই যেন এৰি দিছে তাইৰ সমগ্ৰ শৰীৰটো।

জাচমী শুব নোৱাৰে। জাচমীৰ টোপনি নাহে। জাৰ-কালিৰ সেৰেঙা শীতৰ নিচিনা জীয়াই থকাৰ সমস্যা আৰু জীৱনৰ পথত পোত খাই মূৰ তুলি থকা কাঁইটবোৰে তাইক অস্থিৰ কৰি আনে।

চাটিফুটি কৰে জাচমীৰ মন।

জীয়াই থকাৰ মোহ—। জীৱনৰ মোহ।—

চিচেমা বস্তীৰ জোৱান ছোৱালী জাচমীৰ নতুন অভিজ্ঞতাৰ মাজত কোহিমাৰ উপকণ্ঠস্থিত নগা বজাৰৰ জীৰ্ণ পঁজা এটাত নব-জীৱনৰ সূত্ৰপাত হ'ল। মনে নিবিচৰা জীৱিকাৰ পথটোকে তাই খামোচ মাৰি ধৰিবলৈ বাধ্য হ'ল। বন্দী হ'ল নগা বজাৰৰ ঠেক পৰিবেশত তাইৰ মুকলি মনৰ সত্বা। প্ৰাচুৰ্যৰ পূৰ্ণ সম্ভাৰৰ মাজত নাগৰিক জীৱন এটা নাপালেও তাই মৰি যাব নোৱাৰে। চিচেমালৈ যাবলৈকো নোৱাৰিলে। আশ্ৰয়দাতা বুঢ়ীৰ প্ৰতি জাচমীৰ অন্তৰভৰা কৃতজ্ঞতাবোৰ বিৰক্তিৰ মাজেদি শেষ হৈ গৈছে। অকৃতজ্ঞা তাই?

অকৃতজ্ঞতা নহয়। বুঢ়ীয়ে তাইক স্বাৰ্থহীনভাৱে আশ্ৰয় দিয়া নাছিল—যিটোৰ বাবে জাচমীয়ে অন্তৰৰ কৃতজ্ঞতা প্ৰাণ ভৰি প্ৰদৰ্শন কৰিব পাৰে! নগা বজাৰৰ নামনিৰ জুপুৰি ঘৰটোৰ দুৱাৰ মুখত উদাসীন মনে বহি ওখ টিলাৰ ওপৰৰ কোহিমা নগৰৰ মাজৰ ঘৰ-বাৰী-বোৰলৈ সৰল গছবোৰৰ সুৰুঙাইদি চাই চাই বহুতো কথাকে ভাবে তাই। তীৱবেগে চলালে কৰা মটৰৰ হুৰ্‌হুৰণি আৰু কেৰ্‌কেৰিয়া হৰ্ণৰ শব্দ তাইৰ কাণত পৰে। আলিবাটেদি অহা-যোৱা কৰা মানুহবোৰক তাই দূৰৰপৰাই দেখে। ওচৰলৈ যাবলৈ মন নাযায়। মন নাযায় নগৰৰ পকী আলিবাটত খোজ পেলাবলৈ। 'তই খাটিব নকৰিলেভী তোকে খাটিব কৰিব সিহঁতে···' বুঢ়ীৰ তাইলৈ জীয়াই থকাৰ পথ মুকলি কৰি দি কোৱা কথাষাৰ। কোহিমা-গে'টৰ ওচৰত আশ্ৰয়হীনা শোকাতুৰা জাচমীলৈ চাই উদাৰতাৰ নামত মিচিকিয়া হাঁহি মাৰি কথা কোৱা বুঢ়ীৰ মনৰ অভিসন্ধি জাচমীয়ে বুজি পালে। মদৰ ব্যৱসায় কৰি, ৰাতিৰ আন্ধাৰত মদৰ নিচাই ক্লান্ত কৰা পৰ-পুৰুষৰ বুকুত জাগি উঠা দেহৰ ক্ষুধাৰ নিবৃত্তি কৰি, মৰম এফেৰাৰ নামত বক্‌চিচৰ টকা কেইটামান লৈ তাই জীয়াই থাকিব লাগে। বুঢ়ীৰ আশ্ৰিতা তাই!

এইবিলাক কাম মোৰ ভাল নালাগে। বুঢ়ীৰ বুজনিৰ দুদিন পিছত জাচমীয়ে মৃদু প্ৰতিবাদ কৰিছিল।

ভাত কেনেকৈ খাবি? জাচমীৰ মনে কি বিচাৰি পাইছে তাকে জানিবলৈ কুমলীয়া সুৰে বুঢ়ীয়ে সুধিছিল।

অইন কাম নাই? প্ৰাণভৰা মিনতি তাইৰ কথাত। উপায় নাই তাইৰ। তথাপি এবাই যাব খোজে মধু বেচা ব্যৱসায়। কথাৰ পাৰ নজনা জাচমীয়ে মোণাখনত পৰি থকা পাচ নে ছয় অনা পইচাক সম্বল কৰি বুঢ়ীক ৰঙা-চকু দেখুৱাব নোৱাৰে।

শুন—অ'ই—। জাচমীৰ সৰল কথাত বুঢ়ীয়ে বুজি পালে—

তাই বিমোৰত পৰিছে। উপায়হীন তাই আগৰেপৰা। বুঢ়ীয়ে কলে— অইন কাম বহুত আছে। পাৰিবি? পাৰিলে কৰ— অফিচ লাগা বাবুনী হৈ কেনে ইংৰাজীতে কথা কবলে, ইংৰাজীতে বহুত চিঠি লিখিব পাৰিবি? পাৰিলে ক'বি—বৰ-চাহাব লগতে কৈ দিব মই যাই কেনে?

অফিচ লগা কাম! জাচমীয়ে ইংৰাজীত চিঠি লিখি অফিচৰ বাবুৱানী হ'বলৈ ভবা নাছিল। ওহোঁ! তাই মুৰ জোকাৰিলে। কাপোৰ বনাই কেনে বিক্ৰী কৰিব নোৱাৰি নেকি? দ্বিধাগ্ৰস্ত তাইৰ মন। ভয়ে ভয়ে সুধিলে। মেৰিয়ে তাইক তাহানিখনেই কৈছিল— আজৰি সময়ত কাপোৰ বনাই বিক্ৰী কৰিলেও পইচা পোৱা যায় কোহিমাত।

আৰে কেলেই নোৱাৰি? পাবি। কিন্তু শুন মই কৈছে—টকা হাতত থাকিলে বহুত কাম কৰিব পাৰি। কাপোৰ বনাবলে হলে সুতা কিনিব লাগিব। বস্তীতে হলে মানে কপাহপৰা কাটিবলৈ আছে। ইয়াত নহয় না। সুতা কিনি কাপোৰ বনাই বিক্ৰী কৰা সময়লকে পোন্ধৰ দিন। এই পোন্ধৰ দিন ভাত খাবলৈ আৰু সুতা কিনিবলে দহোটা টকা তোৰ লগত আছে? বুঢ়ীৰ প্ৰশ্নটোৰ উত্তৰত তাই বুঢ়াৰ পিনে চালে। একো নামাতিলে।

মই তোকে সিদিনাতে ভী কৈছে—দিনতে তোৰ কাম বেছি নহব। কাপোৰ বনাবলৈ মন থাকিলে পাৰিবি। কিন্তু কাপোৰপৰা টকা কেইটা পাবি? মধুৰে হলে মই কৈছে—বেছি টকা পাবলৈ আছে। তই খাটিব নকৰিলেভী তোকে খাটিৰ কৰিব। আচ্ছা, যদি তই ইয়াতে থাকিব নিমিত্তে বেয়া পাই আছে তেতিয়া হলে খুচী হলে আইন জাগাতে যাব পাৰ। কিন্তু মোৰ ঘৰতে ইমান দিন বহাটু আৰু খোৱা নিমিত্তে পইচা দহ টকা দি কেনে হে যাব পাৰিবি। চল চাই চাপৰি বজাব পাৰে বুঢ়ীয়ে। নগা বজাৰৰ নিশাচৰ বাবুবোৰৰ ৰেহ-

ৰূপ যেনেকৈ বুঢ়ীয়ে জানে, তেনেকৈ জানে সৰল ছোৱালীক কথা আৰু কামৰ মাজেদি এৰাব নোৱাৰা বান্ধত ৰাখিবলৈ। জাচমীয়ে কান্দি পেলালে। দহ টকা দিলেহে তাই ঘৰৰপৰা যাব পাৰে!

কান্দিবলে একু নাই অ'। দুই দিন মান থাকচোন, ঠিক হৈ যাব। টকা হাতত পৰিলেই পাৰিবি। তই দেখিবলৈ ইমান ধুনীয়া আছে। বুঢ়ীয়ে আকৌ জাচমীক নিচুকায়। মুৰত চুলিত হাত বুলাই দিয়ে।

নোৱাৰিলে। জাচমীয়ে অন্য ব্যৱস্থা কৰিবলৈ। অচিনাকি ঠাই এখনত তাই কি কৰিব পাৰে? নিজেই ভাবি নাপায়। ব্যৱস্থা নাইবা পৰামৰ্শ দিবলৈ চিনাকি সেই বুঢ়ীজনী।

বুঢ়ীয়ে নিজৰ পইচাৰে কেইদিনমান আগতে এটেমা পাউডাৰ, মুৰত সনা তেল এবতল, সৰু আয়না এখন, ফনি এখন, এটুকুৰা চাবোন আনি দিলে তাইক।

চাফ্-চিকুণ হৈ থাকিব লাগে বুজিছ? বুঢ়ীয়ে জাচমীৰ পিনে চাই কৈছিল। নগৰৰ দোকানৰপৰা কিনি অনা জাচমীৰ জীৱনৰ প্ৰথম প্ৰসাধন সম্ভাৰখিনিলৈ তাই এবাৰ চালে। লোলুপ দৃষ্টিৰে নহয়। নোপোৱাই পোৱাদি নাইবা ক্ষুধাতুৰ আত্মাই জঠৰাগ্নি উপশমৰ আগ মুহূৰ্তত পোৱা একাহী ভাত দেখি চকু দুটা ডাঙৰকৈ মেলিও নহয়। বুঢ়ীয়ে পাউডাৰৰ টেমাত থকা অৰ্ধনগ্ন সুঠাম দেহৰ গাভৰুজনীৰ ছবিটোলৈ চাই কলে—দেখিছ এইবোৰ লৈ থাকে বাবে ইহঁত কিমান সুন্দৰ আছে? চাবিচোন—কেনেকা মিঠা গোন্ধ আছে এইবিলাকতে। বুঢ়ীয়ে পাউডাৰৰ টেমাটোৰ সাঁফৰখন টান মাৰি খুলিলে। মুখলৈ ভৰি থকা পাউডাৰ অলপ মজিয়াৰ মাটিত পৰিল। জাচমীৰ নাকৰ ওচৰলৈ টেমাটো নি অলপ সময় ধৰি থাকিল।

এদিন বুঢ়ীয়ে আকৌ কিনি আনিলে গোলাপী ৰঙৰ জৰ্জেট দেড় গজ। হাতৰ মুঠিতে লুকুৱা কাপোৰ টুকুৰা তাইৰ পিনে আগ বঢ়াই দি কৈছিল—এইবিলাক কাপোৰ কাম নহলে বেৰাবলৈ যোৱা সময়তে

লবি।' নগা কাপোৰ ডাঠ। বাৰে বাৰে চাটি মাৰি লৈ থাকিব লাগে। এইখন কাপোৰৰ আন গুণ যিয়েই নাথাকক গাভৰু দেহৰ পূৰ্ণ অবয়বৰ গঠন গোলাপী ৰঙৰ মিহি সূতাৰ ফাঁকেদি জিলিকি উঠে। তৃষাতুৰ ৰাতিৰ পথিকৰ প্ৰাণৰ পিয়াহ জাগি উঠে জৰ্জেটৰ তলৰ মূৰ তুলি থকা কোমল মঙহ দেখি ; কাজল সনা চঞ্চল চকুৰ শৰীৰ উতলা কৰা দৃষ্টি দেখি।

কোহিমা নগৰত জীৱিকা অৰ্জন কৰি খাটিৰ নকৰিলেও খাতিৰ কৰিবলৈ আগবাঢ়ি অহা মানুহক সম্বৰ্ধনা জনাই প্ৰাণখোলা হাঁহি মাৰি আগবঢ়াই আনি শোৱনী কোঠাত বহুৱাই লৈ ঢিমিক-ঢামাক পোহৰৰ মাজত জীৱন-পথৰ পাথেয় বিচাৰি মৌখিক প্ৰেমৰ পোহাৰ মেলিবলৈ পাউডাৰ, গোন্ধ তেলৰ মলমলিয়া গোন্ধ আৰু গাত লিপিত খাই থকা এটুকুৰা গোলাপী ৰঙৰ জৰ্জেটেৰে ঢাকি ৰখা এটা দেহৰ প্ৰয়োজন। আৰু প্ৰয়োজন প্ৰাণহীন হাঁহিৰ অফুৰন্ত সোঁত। প্ৰয়োজনীয়-অপ্ৰয়োজনীয় কিছুমান কথা।

তাৰ পিছত তুমি মধুবেচা ছোৱালী হৈ গ'লা ? কমলে সুবিধা বুজি প্ৰশ্ন এটা কৰিলে।

মানে বেয়া ছোৱালী। তাই টপৰাই কৈ উঠিল। তাই হুঁহা নাছিল। গহীনাই কৈছিল। কমলৰ মুখৰ পিনে তাই চালেও কমলে চাব নোৱাৰিলে।

বেয়া ছোৱালী বুলি কোনে কলে নো ? কমলে সুধিলে।

কোনেনো নকয় ? নিজৰ বাবাই ভী কলে…। তাই কথাষাৰ গম্ভীৰ হৈ ক'বলৈ আৰম্ভ কৰিও 'বাবাই ভী' বোলাৰ লগে লগে যেন আঁত হেৰুৱাই পেলালে। থত্‌মত্‌ খালে তাই।

কিন্তু তোমাৰ বাবা জানো……

কমলৰ প্ৰশ্নটো শেষ নোহোৱাকৈয়ে বুজিলে তাই। সেয়ে মুখৰ

কথা কাঢ়ি নি কলে—বাবা বিলাকটু চিচেমাতে থাকে। একবাৰ আহিছিলে—। আস্তে আস্তে চবুট কব আপুনাকে—। তাই কলে।

তেনেহলে—কমলে আকৌ কিবা এটা ক'ব খোজোতেই জাচমীয়ে সৰুকৈ চিঞৰি উঠিল—চিয়াৰ বাবু!

উচপ্ খাই উঠিল কমল বৰুৱা। তৰ্কিবলৈ নৌ পাওঁতেই তাই জ্বলি থকা লেমটো হাত মেলি মুমুৱাই দিলে। খৰখেদাকৈ লেমটো মুমাই দিওঁতে পৰি যাব খুজিছিল। নপৰিল। বাহিৰত খাপলৈ থকা আন্ধাৰবোৰে দ্রুতগতিৰে ভিতৰৰ পোহৰবোৰ উলিয়াই দিলে। লগে লগে জাচমীয়ে এন্ধাৰৰ মাজেদি হাত মেলি দি কমল বহি থকা ঠাইখন চুলে। কমলৰ আঠুত তাইৰ হাতখন লাগিল। নিঃশব্দে তাই কমলৰ ওচৰলৈ উঠি গৈ গাতে গা লগাই হেঁচা মাৰি বহাদি বহি কাণত মুখখন লগাই ফুচ্‌ফুচালে—'চুপ! কথা নকব দেই, মানু আহিছে।' তাইৰ নাকৰ গৰম নিশ্বাসবোৰ কমলৰ মুখত লাগিছে বাৰে বাৰে। তাই যেন অপেক্ষা কৰিছে এটা বিৰাট দুৰ্ঘটনা।

কমল মনে মনে থাকিল। নীৰব হ'ব নোৱাৰিলে তাৰ মনটো। এন্ধাৰৰ মাজত থৰ লাগি বহি সি ভাবিবলৈ বাধ্য হ'ল জাচমীৰ আচৰণৰ কথা।

মধু বেচা ছোৱালী এজনীৰ ঘৰলৈ ৰাতি ৰাতি মানুহ অহা নিতান্ত সাধাৰণ কথা। তায়েইতো অলপ আগতে কৈছে ৰাতিৰ আন্ধাৰত ভদ্রতাৰ মুখাখনত আৰু তথাকথিত সভ্যতাৰ প্ৰলেপৰ ওপৰত দাগ নেপেলাবলৈ সাবধানে নগা বজাৰ আৰু কোহিমাৰ আশে-পাশে থকা বহুতো ঘৰলৈ ভদ্রলোকবিলাক অহা-যোৱা কৰাৰ কাহিনী। তেন্তে জাচমী মানুহ অহাৰ শব্দ শুনিয়েই নিঃপালী দি একোটা মুহূর্তক এটা যুগৰ দৰে কটাই দিয়াৰ অৰ্থ কি? যদি তাই মধু বেচা আৰু তাৰে অৰ্জনৰপৰায়ে পেটৰ ভোক পলুৱাব পাৰিছে, তেন্তে আগন্তুক আলহীৰ প্ৰতি তাইৰ ইমান ভয় কিহৰ? তাইৰ ব্যবসায়ৰ নীতি যদি

এয়েই হয় তেন্তে তাই জানে আৰু ঈশ্বৰে জানে—কিমান টকা সঞ্চয় কৰিছে তাই। হয়তো ছোৱালীজনীৰ এইটোও এটা ভুৱা : বহুতো বয়সীয়াল আৱিয়ৈ ছোৱালীয়ে পৃথিবীত থকা 'প্ৰেম আৰু ভালপোৱা' শব্দটোৰ একোকে নজনাৰ নিচিনা কৰি নিজৰ তথাকথিত সতীত্বৰ ভুৱা জাহিৰ কৰিবলৈ কৰা প্ৰয়াসৰ নিচিনা। সেই বাবেই মই ইয়াতে বহি থকা বাবেই তাই ৰাতিৰ আলহীৰ হাত এৰাই ফুৰাৰ, মানে নিজকে বৰ শান্ত-শিষ্ট-নিষ্কলংক চৰিত্ৰৱতী গাভৰু বুলি প্ৰতিপন্ন কৰিব খুজিছে। ইহঁতে অলপো কুণ্ঠাবোধ নকৰে—ঘণ্টাই প্ৰতি একোজন পুৰুষক নিজৰ নিজৰ বিছনাত শুৱাই লৈও প্ৰত্যেককে প্ৰেম-নিবেদন কৰি 'জীৱনৰ প্ৰথম পুৰুষ' বুলি ক'বলৈ। তাই কমলক কথা ক'বলৈ নিদি, লেমটো হুমুৰাই দি তাৰ গাৰ ওচৰত গা-লগাই বহি থকাৰ প্ৰতি কমলে বিশেষ গুৰুত্ব দিবলৈ ভাল নাপাই ভাবিলে তাইৰ মনৰ আভুৱাভৰা কথাবোৰ। তথাপি সি তাইক তেনেদৰে বহাৰপৰা আঁতৰাই দিবলৈ মনো নকৰিলে। তাইৰ বুকুৰ স্পন্দনবোৰকে শুনিবলৈ যেন নিৰ্বাক হৈ অন্ধকাৰৰ মাজত বহি ৰ'ল।

মই আহি হয়তো তাইক প্ৰাপ্য কেইটামান টকাৰপৰা বঞ্চিত কৰালো। আকৌ সি ভাবিবলৈ ধৰিলে।

ঘৰত কোনো নাই হ'বলা অ'। বাহিৰৰপৰা দুজন মানুহে কথা পাতিছে। কমলে সিহঁতৰ কথা শুনিলে। জাচমী আৰু অলপ কাষ চাপি যাবলৈ চেষ্টা কৰিলে কমলৰ ওচৰলৈ।

ঠিক নাই ইহঁতৰ। বাহিৰৰ দুৱাৰ বন্ধ কৰি ভিতৰত সোমাই থাকে। আনজনে গলগলিয়া মাতটোৰে কলে। তাই কমলৰ কান্ধত মুখখন গুজি দিলে। যেন সিহঁতে পতা কথাবোৰ জাচমীয়ে শুনিবলৈ চেষ্টা কৰা নাই আৰু কমলেও নুশুনক।

বাদ দে, বাদ দে—। আন ঠাইলৈ যাওঁ বল।

ফুটনি চালা কুকুৰৰ জীয়েকৰ।

আৰে বাবা ছালখন বগা ইমানেইতো ? তাতেই ইমান !

মধু বেচিচ বেচ ! আমাকো দে !

এইজনী আকৌ স্পেচিয়েলহে ! ববাবুবোৰৰ বাবেহে দুৱাৰ খোলা ! কোনোবা চাহাবৰ বঙলা পালেগৈ চাগে ! এই হাকিম-চাহাববোৰো আৰু। বগী-কুঁৱৰী দেখি ভোল যায়।

তাইক গালি-শপনি পাৰি সিহঁত অহা বাটে গুচি যায়। কথাবোৰ অস্পষ্টৰপৰা অস্পষ্টতৰ হৈ মুশুনা হৈ পৰে। স্পেচিয়েল শব্দটোৰ উচ্চাৰণতে কমলে বুজি পালে সিহঁত 'ববাবু' নহয়। তথাপি —তথাপি বহুতো কথা শুনাই গ'ল সিহঁতে।

লেমটো জ্বলোৱা। কমলে লাহেকৈ কলে। ইতিমধ্যে তাই হাত দুখন তাৰ হাতৰপৰা এৰাই নি পোনাই দীঘলকৈ উশাহ এৰিছিল। হুমুনিয়াহ নহয়। বহুতো সময় বুকুত জমা হৈ থকা উশাহখিনিকে তাই যেন এৰি দিলে লাহে লাহে।

তাই একো নকৈ উঠি গৈ বেৰৰ কাষৰ বাকচ এটাত আন্ধাৰে-মুন্ধাৰে কিবা খেপিয়াই বিচাৰিলে। সুদা বতল কিছুমানত হাত লগাৰ শব্দ তাৰ কাণত পৰিল।

কি বিচাৰিছা ? কমলে বহাৰপৰাই সুধিলে। তাই কিবা ক'বলৈ নৌপাওঁতেই বতল এটা খৰঙ্কৈ মজিয়াত পৰি গ'ল। কমলে জেপৰ-পৰা দিয়াচেলাইটো উলিয়াই জ্বলালে। মাটিত পৰা বতলটোৰপৰা গোন্ধ তেলৰ গোন্ধ এটা বিয়পি পৰি তাৰ নাকত লাগিল। পুৰণি গোন্ধ তেলৰ গোন্ধ। কাঠিটোৰ পোহৰত তাই ঘূৰি চালে।

অ' আপুনাৰ লগতে আছে। তাই ওচৰ চাপি আহিল।

হোঁৱা। বাওঁহাতেদি দিয়াচেলাইটো তাইক দি ইথন হাতৰপৰা পোৰা কাঠিটো সি মজিয়াত পেলাই দিলে।

আগৰ দৰে পোহৰ হৈ পৰিল ঘৰটো।

বতল ভাঙিল নে কি ?

মুৰত সানা তেল আছিলে। পৰি গল। পুৰণি তেল। অৱজ্ঞাৰে কলে তাই।

জাচমী আগতে বহা ঠাইতে বহিলগৈ। হৈ যোৱা ঘটনাকে তাই হয়তো ভাবিছে। তাই কমলৰ পিনেও চোৱা নাই, লেমটোৰ পিনেও চোৱা নাই। বিছনাৰ ওপৰেদি গৈ পুব পিনৰ বেৰখনত পৰা কমলৰ ছাঁয়াটোৰ পিনে এক দৃষ্টিৰে চাই আছে।

পুলিচ মানুহ আহিছিল—। তাই হঠাৎ ভাবি পোৱাদি কলে। বুজিছো।

সিহঁত আহিলেই বেয়া। বৰ বদ্‌মাছ। মধুও খাব, পইচাভী নিদিয়ে। আৰু মিছামিছি হাল্লা কৰি কেনে বদ্‌মাইছী কৰিবলৈ মাগে।

হ'বই আৰু! কমলে কথাটো পাতলাবলৈ চেষ্টা কৰিলে।

কেলেই হবই আৰু? ৰঙা পাগুৰি মূৰত লৈ ভৰিতে আৰু বুট-জোতা পিন্ধিলে মানে ইমান ফুটনি হব লাগে নে কি? শুনিছে না আপুনি ভী—কেনেকা কথা ক'ব পাৰে সিহঁতে!

সেইবোৰ বাদ দিয়া। কিনো কৰিবা আৰু?

তাইৰ খং উঠি কোৱা কথাৰ প্ৰতি সহানুভূতি জনালে সি। অলপ সময়ৰ নীৰবতা। তাই পাতলকৈ গল হেকাৰিলে।

পাউডাৰ আনি দিয়া বুঢ়ীজনীৰ কি হ'ল? আধা কোৱা কাহিনীৰ আঁত ধৰিবলৈ কমলে লাহেকৈ সুধিলে।

আগতপৰা কলে মানেহে ভাল হব। তাই কলে।

আজি একজন চাহাব ঘৰতে ফুৰিবলৈ মাতিছে। তোকে ভী লৈ যাবলে কৈছে। তই সোনকালে ওলাই ল। বুঢ়ীয়ে তাইক এদিন আবেলি কলে।

কোন জাগাতে? জাচমীয়ে সুধিলে।

টাউনতে। একজন নতুন চাহাব আহিছে। ডি. চি. ক'ট লাগা মেজিষ্টিট আছে। একদম যুৱান চাহাব আছে অ'ই।

মোৰ চৰম লাগে তাতে যাবলে। নাযাব। তাই হাতত ফণী-খন লৈ তলমূৰ কৰি কলে।

আৰে, কি চৰম কথা আছে। চাহাব মানু—কিমান টকা-পইচা আছে! মটৰ আছে। তেতিয়া ভী তোকে খাটিৰ কৰি থাকিছে। চাহাবকে আহিবলে কলেভী ইয়াতে ভী আহিব পাৰে। একদম ফুটনি নাই। কিন্তু সক ঘৰতে আনিবলে চৰম নালাগে? তই নগলে মই কমৃতী চৰম পাব নেকি? একু কথা নাই—চব ঠিক হৈ যাব। বুঢ়ীয়ে তাইৰ হাতৰপৰা ফণীখন আনি নিজে মুৰটো আঁচুৰি দিলে জাচমীৰ।

নিজে গৈ বুঢ়ীয়ে পাউডাৰৰ টেমাটো খুলি হাতত অলপ লৈ তাইৰ গালত সানি দিওঁতে কলে—বুজিছ, ইয়াতে মানু লগত জানি-বুজি চলিলে ভাল। নহলে কেতিয়াবা মস্কিল হলে মানে কি? একু নহয় তাতে গলে। চাওঁ—পাউডাৰবিলাকটু ঠিক কৰি কেনে মিলাই দিব। পাতল কাপোৰ এটুকুৰাৰে বুঢ়ীয়ে জাচমীৰ মুখখনৰ পাউডাৰখিনি লাহে লাহে মচি সমান কৰি দিলে। জৰ্জেটৰ টুকুৰাটো সোঁ বাহুৰ কাষলতিৰ তলে সোমাই বুকুৰ ওপৰেদি আনি বাওঁ কান্ধৰ ওপৰত দুয়োটা মূৰ গাঠি দি ভাঁজবোৰ ঠিক কৰি দি কলে—ইমান ধুনীয়া হৈছে অ' দেখিবলে।

ডাঙৰ মানু, চাহাব মানু ঘৰতে যাবলে হলে এইটুহে ঠিক থাকিব লাগে। বুঢ়ীয়ে বাটত কলে। তাই বুঢ়ীৰ পিছে পিছে একান্ত বাধ্যৰ দৰে গৈ আছিল। বুঢ়ীয়ে কথাষাৰ কৈ তাইৰ পিনে চাই কপালখন আঙুলিয়াই দেখুৱালে।

কপাল নাথাকিলে একুভী নহয়।

কপাল! ভাল কপাল! জাচমীয়ে একো উত্তৰ নিদি তলমূৰ

কৰি ভাবিলে। ভাল কপালৰ বাবেহে চিচেমা বস্তীৰ হেজাৰ দিনীয়া সপোনবোৰ অকালতে ভাঙি গ'ল মোৰ! ভাল কপালৰ বাবে আশ্ৰয়হীনা হৈ কোহিমা নগৰৰ আলিবাটৰ একাষত থিয় দি পকা মধুৰিয়াম কেইটামান খাই পেটৰ ভোক পলুৱাবলৈ মন কৰি সতৃষ্ণ নয়নে চাই ৰ'বলগীয়া হৈছিল। জীয়াই থাকিবলৈ ৰাতি দুপৰলৈ পৰ-পুৰুষৰ ওচৰত বহি দুটা পইচাৰ বাবে আশা পালিবলগীয়া হৈছে। সন্ধিয়াৰ আন্ধাৰত কোনোবা মেজিষ্ট্ৰেট চাহাবৰ বঙলালৈ খাটিৰ লগাবলৈ……

বিপৰীত পিনৰপৰা বিশ্বাশবদে মটৰ এখন আহিল। মন কৰা নাছিল তাই। হেড্-লাইটৰ তীব্ৰ পোহৰ সিহঁতৰ গাত পৰিল। বাটৰ সম্ভাব্য কাষলৈ আঁতৰি দিলে তাই। তথাপি জীপখন তাইৰ গাৰ কাষেদি পাৰ হৈ গ'ল। ভিতৰত বহি যোৱা মানুহ এজনে তাইৰ পিনে মুখখন উলিয়াই কিবা-কিবি চিঞৰি কৈ গুচি গ'ল। তাই একো নুবুজিলে। কোনোবা সিহঁতৰ ঘৰলৈ ভাত মধু খাবলৈ যোৱা বাবু-মানুহ হবলা! ৰাতিৰ আন্ধাৰবোৰত তাই একো নমনিলে। বুঢ়ীৰ পিছে পিছে নিঃশব্দে গৈ থাকিল।

ডাঙৰ ঘৰটোৰ বাহিৰত জ্বলি থকা লাইটটোৰ ওচৰত বুঢ়ী খন্তেকৰ বাবে থিয় দিলে। সন্মুখৰ দুৱাৰখন বন্ধ। বাহিৰৰ-পৰা ঘৰটোত কোনো নাই যেন লাগে। লাইট পোষ্টটোৰ তলত তাইক ৰখাই বুঢ়ী সোঁ পিনৰ সৰু বাট এটাইদি চোতালৰ পিনে সোমাই গ'ল। ফুলনিখনৰ মাজৰ পকী বাটটোৰ ওপৰত থিয় দি ৰ'ল জাচমী। লাইটৰ পোহৰত অচিনাকি ঘৰ এটাৰ দুৱাৰ মুখত অকলে অকলে থিয় দি থাকিবলৈ লাজ লাগিল তাইৰ। জাচমীয়ে পিছ পিনে ঘূৰি চালে। আলিবাটৰ কাষৰ লাইট-পোষ্ট-বোৰৰপৰা নামি অহা পোহৰবোৰ অস্পষ্ট। আঘোণ মহীয়া ৰাতিৰ কুঁৱলীবোৰৰ পাতল জালখন বিয়পি পৰিছে কেউপিনে।

ঘৰ-বাৰী, গছ-গছনি আটাইবোৰেই একাকাৰ হৈ পৰিছে। মৌচুমী ফুলৰ আধা মৰা গছ কেইডালমান। ফুলনিখনত আৰু কেইজোপামান ফুলত ঠন ধৰি অহা ক'লা-সেউজীয়া পাত। ফুলা নাই তেতিয়াও। ঘৰটোৰ চৌহদৰ কটা-গছৰ পাতবোৰ আৰু সোমোৱা বাটৰ ওপৰত ওলমি থকা কিবা গছ এজোপাৰ পাতবোৰে কুঁৱলীয়ে সেমেকাই দিছে। সোমোৱা বাটটো পকী আৰু তাৰে দুয়োকাষে পুতি দিয়া তিনি-চুকীয়া ৰঙা ইটাবোৰৰ শাৰী। পৰিষ্কাৰ বাট। ফু-মাৰি ভাত খাব পৰা। কোহিমা আৰু চিচেমাৰ সংযোগ পথটোও যদি এনেকুৱা ধুনীয়া হ'লহেঁতেন! কোনোবা দিনা হয়তো কোহিমা-চিচেমাৰ বৰ্তমানে তিষ্ঠি থকা ক্ষীণ সংযোগ পথটোও এনেকুৱা সুন্দৰ হৈ উঠিব! আৰু কিমান দিন?

হাকিম চাহাবৰ বাটত থিয় দি ৰ'ল চিচেমাৰ গাভৰু জাচমী। পিছ পিনে কোহিমা নগৰ। নগৰত জীয়াই থকাৰ সংস্থান হ'ল তাইৰ এই—অভিসাৰ। টাউনতে থাকিবলৈ হলে···বুঢ়ীৰ সদুপদেশ তাইৰ মনত পৰিল আকৌ। অস্বস্তিৰে তাই উচ্‌পিচাবলৈ ধৰিলে।

খট্‌কৈ ভিতৰৰপৰা দুৱাৰৰ হুক্ টনা আৰু দুৱাৰ খোলাৰ শব্দ হ'ল। মেল খোৱা দুৱাৰৰ মাজেদি ভিতৰত বন্দী হৈ থকা পোহৰবোৰৰ একাংশ বাহিৰৰ পোহৰৰ লগত মিলি গ'ল। ভিতৰৰ দুৱাৰ দলিত ভৰি দি নেপালী চাকৰ আৰু বুঢ়ীয়ে তাইলৈ চাই আছে। 'চব ঠিক কৰি' দিয়া বুঢ়ীয়ে তাইক হাত বাউলি দি ভিতৰলৈ সোমাই আহিবলৈ কলে। জাচমী আগ বাঢ়িল বৰ লাহে লাহে। পকী বাটটোৰপৰা তাই দুৱাৰ মুখৰ খট্‌খটিৰ ওপৰত থিয় দিলে। প্ৰত্যেকটো খাপতে তাই বৰ সন্তৰ্পণে খোজ পেলালে। নহলে তাই যেন উজুটি মাৰি পৰি যাব তাৰপৰা। বাৰে বাৰে তাই অনুভব কৰিলে যেন ইটা আৰু বিলাতী মাটিৰ চিলৃচিলিয়াকৈ

সজোৱা খট্‌খটিবোৰত মূৰ তুলি থকা অসংখ্য জোঙাল কাঁইটে তাইৰ দুয়োখন ভৰিৰ তলুৱা বিন্ধি ধৰিছে। ভিতৰত থিয় দি হাঁহিবলৈ চেষ্টা কৰা বুঢ়ী আৰু জাচমীৰ দেহটোলৈ ক্ষুধাতুৰ বাঘৰ দৃষ্টিৰে চাই থকা নেপালী চাকৰটোলৈ তাই মূৰ তুলি চাব নোৱাৰিলে। তাই বাহিৰত থিয় দি থকা সময়তকৈ ভিতৰলৈ খোজ পেলোৱাৰ লগে লগে অস্বস্তিবোৰ আৰু বেছিকৈ অনুভব কৰিলে।

যা—। তাই ভিতৰৰ মজিয়াত ভৰি দিয়াৰ লগে লগে বুঢ়ীয়ে তাইক চকু টিপিয়াই চাকৰটোক অনুসৰণ কৰিবলৈ দিলে। তাই ভেবা লাগি বুঢ়ীৰ মুখৰ পিনে চাই ৰ'ল।

যা মানে? বুঢ়ী নাযায় নেকি! মই অকলে কলৈ যাব লাগে? বুঢ়ীয়ে কিয় যাব খুজিছে? চাহাব বুঢ়ীৰহে চিনাকি। অথচ বুঢ়ী নিজে বাহিৰত থিয় দি থকাৰ উদ্দেশ্য কি? চিচেমা বস্তী,—কোহিমা নগৰৰ ভালেমান নিলগৰ বস্তীৰপৰা নতুনকৈ আহি আশ্ৰয় লোৱা ছোৱালী জাচমী! অনভিজ্ঞা। কি ধেমালিখন পাতিছে বুঢ়ীয়ে? লাইটৰৰ পোহৰৰ নিচিনাকৈ বহুতো প্ৰশ্নবোধক চিন আহি দেউল পাতিলেহি তাইৰ চকুৰ আগত। চাকৰটোৱে ইতিমধ্যে বাওঁ পিনে দুটা কোঠালীৰ মাজৰ বাট এটাত গৈ থিয় দি তাইক ৰখি আছিল। জাচমীয়ে বুঢ়ীৰ মুখৰ পিনে চালে। একো সুধিব নোৱাৰিলে, যেন ঘৰৰ মজিয়াত ভৰি দিয়াৰ লগে লগে বোবা হৈ গ'ল। থিয় দিয়া ঠাইতে তাই যেন স্থবিৰ হৈ অলৰ-অচৰ হৈ পৰিল।

ইটু লগতে যা—। একু নহব। বুঢ়ীয়ে তাইৰ পিনে দুখোজ আগবাঢ়ি আহি কাণত মুখ লগাই কলে আৰু চাকৰটো ৰৈ থকা পিনে ঠেলা মাৰি আগ বঢ়াই দিলে। জাচমীয়ে আঘোণ মহীয়া জাৰৰ মাজত লগা গৰমৰ বাবে কপালখন মোহাৰি ললে নে, ভাগ্য ৰেখাৰ ওপৰত হাত বুলালে তাই নিজেই ক'ব নোৱাৰিলে।

বন্ধ কোঠালীটোৰ ইপাৰ-সিপাৰ।

মাজতে টেবুল এখন। বহল টেবুলখনৰ ওপৰত পাৰি থোৱা বগা টেবুল ক্লথখনৰ দাঁতিত লতাফুল। বেৰৰ কাষত পাতি থোৱা টুল এখনত চাপিকুচি জাচমী বহিল। টেবুলৰ ওপৰত থোৱা ৰঙা মদৰ বতলটোৰ ছাঁটো তাই বহাৰ পিনে টেবুলখনৰ ক্ষুদ্ৰ একাংশত বিয়পি পৰিছে। ওচৰতে দুটা গিলাচ। ইপাৰে বেতৰ চেয়াৰ এখনত বহি আছে চাহাব। ষ্ট্ৰিপ্‌ দিয়া কাপোৰৰ শ্লিপিং চুট পিন্ধি এখন ভৰিৰ ওপৰত আনখন ভৰি তুলি বহি আছে। আধা খালি গিলাচটো সোঁহাতেৰে খামোচ মাৰি ধৰি চাহাবে চাই আছে তাইৰ পিনে। শুকান খৰিৰ ৰঙা অঙঠাৰ দৰে জ্বলি থকা চাহাবৰ চকুৰ পিনে তাই এবাৰো চাব নোৱাৰিলে। মজিয়াৰ আন্ধাৰৰ পিনে তাই চাই ৰ'ল যদিও দৃষ্টি একোৰে ধৰি ৰাখিব পৰা নাই। লাইটৰ পোহৰত মদৰ ৰাগীয়ে সেন্দুৰ গুৰি সনাৰ নিচিনা ৰঙা পৰা চাহাবৰ মুখমণ্ডলত এবাৰ তাইৰ চকু পৰিল। চাহাব অলপ লৰচৰ কৰি বহিল। ভয়, লাজ আৰু শংকাত তাই অলৰ-অচৰ হৈ বহি ৰ'ল। শূন্য গিলাচটোত কল্‌কলকৈ বতলৰ মুখেদি মদবোৰ ওলাই পৰিল চাহাবৰ হাতেদি। তীব্ৰ মদৰ গোন্ধ তাইৰ নাকত লাগিল। পোহৰত উৰি ফুৰা পোক এটাৰ পিনে জাচমীয়ে চাওঁতে চকুত পৰিল বেৰত ওলোমাই থোৱা ফটো এখনলৈ: দুজনীয়া ফটো। এজন পুৰুষ আৰু এগৰাকী মহিলা। মতা মানুহজন চাহাবেই হয়। উজ্বল দৃষ্টিৰে চাই আছে। দুজনীয়া বেতৰ চোফা এখনত বহি থকা তিৰোতাজনী ইমান ধুনীয়া! নম্ৰ দৃষ্টিৰে চাই আছে সমুখৰ পিনে, চাহাবৰ ঘৈনীয়েক হবলা?

খাৰি—। গৰ্‌গৰীয়া মাতটো জাঁজীত খুন্দা মাৰি ঢৌৰ শব্দ হোৱাদি ডিঙিত যেন চাহাবৰ মাতটো ঠেকা খাই ওলাই আহিছে। তাই নাচালে। চাহাবে এটা গিলাচ তাইৰ পিনে ঠেলি দিয়া অনুমানতে তাই ধৰি ললে। সুদা গিলাচটো টেবুলৰ ওপৰত থেকেচা মাৰি

থলে চাহাবে। তাই উচপ্ খাই উঠিল। বুকুখন কঁপি উঠিল। তাইলৈ আগ বঢ়োৱা মদ ভৰা গিলাচটোত কঁপনি লাগি ৰঙা মদবোৰে ঢৌ খেলিলে। নিচা লগা চকুহালেৰে চাহাবে চাই আছে তাইৰ পিনে। তেওঁৰ দৃষ্টিৰ সম্মোহনে যেন এজনী উদ্ধত গাভৰুক বশ মনাব পৰা নাই। চাহাবৰ সেই দৃষ্টি যেন তাইৰ উঠা-নমা বুকুৰ ভাঁজে ভাঁজে, যৌবন উপচি পৰা শৰীৰৰ প্ৰত্যেকটো অংগতে ঠেকা খাই আকৌ উভতি গৈছে চাহাবৰ বুকুলৈ। উদ্বাউল হৈ পৰিল চাহাবৰ লুব্ধ অন্তৰ। এজনী যৌবন ভৰা গাভৰুৰ কোমল, মাংসল তনুৰ বুকু ভৰা আবাহনে চাহাবক ৰঙা মদৰ গোলাপী আমেজেৰে কৰি তুলিছে অস্থিৰ। প্ৰলয় পয়োধিত যদি সমগ্ৰ পৃথিবী আজি এই মুহূৰ্তত তল পৰি যায়—কোনো কথা নাই, চাহাব জীয়াই থাকিব বিচাৰে নিঃসংগ ৰাতিৰ ইন্দ্ৰিয়ানুভূতিৰপৰা মনটোক স্বাধীনতা দি এজনী নিম্নস্তৰৰ ছোৱালীৰ বুকুত মুৰ গুজি। সুন্দৰ—সত্য—তয়েই পৃথিবীত সঁচা—। চাহাবে জাচমীৰ পিনে অপলক দৃষ্টিৰে চাই আছে।

খট্ শব্দটো কাণত পৰিবলৈ যিমান সময় লাগিল, তাতোকৈ আগতে কোঠালীটোলৈ দ্ৰুতগতিৰে সোমাই আহিল আন্ধাৰ কিছুমান। সেই আন্ধাৰৰ মাজত শংকিতচিত্তে জাচমীয়ে শুনিলে কেইটামান চেণ্ডেলৰ চোচৰণি। তাইৰ গাৰ ওচৰত আহি সেই শব্দ শেষ হ'ল। দুখন হাতৰ দৃঢ় বান্ধোনৰ মাজত সোমাই ওলমি যোৱাদি তাই গৈ সোমাল ওচৰৰে আন এটা কোঠালীত। স্প্ৰিং লগোৱা বিছনাত আচাৰ খাই পৰি কেইটামান মুহূৰ্ত তাই দুলিলে। ক্ষুধাতুৰ বাঘৰ অগ্নিবৰ্ষী দৃষ্টিৰে চিকাৰলৈ চাই থাকি হাতোৰাৰে থাপ্ মাৰি ধৰাদি চাহাবো জপিয়াই পৰিল জাচমীৰ নঙঠা গাটোৰ ওপৰত।

অসহায় জাচমীয়ে আৰ্তনাদ কৰি উঠিল।

কেইমিনিটমানৰ পিছত আন্ধাৰবোৰ আঁতৰিল। লাইটটো জ্বলালে চাহাবে। জৰ্জৰিত জাচমীৰ মন আৰু দেহ। এইমাত্ৰ যেন তাইৰ গোটেই দেহ জুৰি ঘৰটো ভাঙি পৰিছিল। তাৰে তলৰপৰা তাই কক্ বকাই উঠি আহিছে। তাই কঁপিছিল। অকল তায়েই নহয় থিয় দি থকা মজিয়াখন, পোহৰথিনি, বেৰত ওলমি থকা সেই তিৰোতাজনী আটাইবোৰেই কঁপিছে। তাই থিয় দি থকা মজিয়া-খন যেন বহুতো তললৈ তাইক লৈ নামি গৈছে।

বহাৰপৰা থিয় দি গাৰ জোৰেৰে ভিতৰৰ হুক্‌ডাল খুলি দিলে চাহাবে। চাহাবৰ শৰীৰত যেন অফুৰন্ত শক্তিৰ উৎস। দুৱাৰখন মুকলি হ'ল। নতুন ঘৰ এটাৰ দুৱাৰ মুখত থিয় দি ডিঙিত ফুলৰ মালা লৈ চাহাবে যেন শুভ-উদ্বোধন কৰিলে কোনোবা সমাজ-শিক্ষা কেন্দ্ৰৰ দুৱাৰ! নেপালী চাকৰটো সোমাই আহিল। লাজ আৰু অপমানত জাচমীয়ে বেৰত আঁউজি থিয় দিলে। চাকৰটোৱে টেবুলৰপৰা সুদা বতল আৰু গিলাচ দুটা তুলি নিওঁতে তাইৰ পিনে কেৰাহিকৈ চালে।

এখোজ দুখোজকৈ দুৱাৰমুখ পালেহি বুঢ়ী। বুঢ়ীয়ে সময় জানে,—চেগ বুজে। বুঢ়ীয়ে ভাবিছিল অন্য দিনৰ নিচিনাকৈ চাহাবে বুঢ়ীক দুষাৰ প্ৰশংসাৰ বাণী শুনাই বুঢ়ীৰ চকুৰ আগতে ছোৱালীজনীৰ কান্ধত থপৰিয়াই 'খুব ভাল', 'থেংক্ ইউ' বুলি ক'ব। হুজুৰে আজি একো নামাতিলে। তথাপি আক্ষেপ নাই। ধৰ্মাবতাৰৰ নিচা অলপ বেছি হ'বও পাৰে। ইপিনে জাচমীও বৰ কাতৰভাৱে থিয় দি আছে। কিমান চাহাবৰ পৰা মই বক্‌চিচ্ লৈছো এইদৰে; কিন্তু এইজনীৰ নিচিনা অভজা ছোৱালী পোৱা নাই মই! বুঢ়ীয়ে তাই সহজ হ'ব নোৱাৰা বাবে এবাৰ খঙেৰে চাই ভাবিলে। চব ঠিক হৈ যাব। বুঢ়ীয়ে ভাবে। বক্‌চিচৰ বাবে ক্ষণ গণে।

চাহাবে জাচমীৰ পিনে চালে। অলপ সময়। তাই চাই আছে

চাহাবৰ পিনে ;—গুলীৰ আঘাত লাগি কাতৰ দৃষ্টিৰে চিকাৰীলৈ চাই থকা হৰিণীজনীৰ নিচিনাকৈ।

অলপ পিছতে চাহাবে টেবুলৰ ড্ৰয়াৰটো খুলিলে। হাতত দুখন নোট্ লৈ আহি এখন বুঢ়ীৰ পিনে দলি মাৰি দিলে। সন্ত্ৰস্ত-ভাৱে বুঢ়ীয়ে নোটখন লৈ গদ্গদভাৱে চালাম ঠুকিলে। আনন্দত চকুৰ দৃষ্টিত তিৰ্‌বিৰণি উঠিল। জাচমীৰ পিনে আগ বাঢ়িল চাহাব।

হয়তো টকাৰ পৰিমাণটো চাবলৈয়েই বুঢ়ীয়ে চাহাব আৰু জাচমীৰ পিনে চাই ৰ'ল। নিচলা ছোৱালী জাচমী, চা তই কিমান ভাগ্যৱতী! নগৰৰ বৰ চাহাব তোৰ প্ৰতি কিমান সদয়। শিক্ষা-সংস্কৃতিৰ বাহক বৰমুৰীয়া হাকিম-চাহাবৰ দল তোমালোক বহুতো বছৰ জীয়াই থাকা! তোমালোকৰ এয়া কামনা চৰিতাৰ্থৰ বক্‌চিচ্ নহয়—আমাৰ প্ৰতি পৰম কৰুণা। প্ৰাণভৰা আন্তৰিকতা, তোমালোকৰ পৰম অনুগ্ৰহ! নিম্নস্তৰৰ জন্তুৰ দৰে জীয়াই থকাবোৰক জীয়াই থাকিবলৈ উছাহ জনাই দিয়া বৰঙনি।

হাত দুখন মোহাৰি মোহাৰি বুঢ়ীয়ে সিহঁতৰ পিনে চাই ৰ'ল। জাচমী আৰু বুঢ়ীৰ মাজেদি চাহাবৰ ছাঁটো পৰিল।

চাহাবে তাইলৈ আগ বঢ়াই দিয়া নোটখন জাচমীয়ে হাত মেলি ল'ব নোৱাৰিলে। তাইৰ সকলোবোৰ অংগ যেন বহুদিনীয়া বাত বেমাৰত নিষ্ক্ৰিয় হৈ পৰিছে। কাৰোপিনে চাব নোৱাৰিলে তাই। চকুৰ পানীৰে ভৰা চকু দুটাৰে তাই চাই ৰ'ল লোৰ গজাল এটাত ওলমি থকা কেলেণ্ডাৰখনলৈ।

লৰি—। চাহাবে এখোজ আগ বাঢ়ি গৈ হাঁহি এটা মুখলৈ টানি আনিবলৈ চেষ্টা কৰি কলে। তাই নাচালে। চাহাবে সন্তুষ্ট হৈ আগ বঢ়োৱা বক্‌চিচ্ লৈ জাচমী কোহিমা নগৰত কিয়, পৃথিবীতে জীয়াই থাকিবলৈ হাবিয়াস নকৰে। আপোন সন্মান, সতীত্ব একোৰে যদি ডাঙৰ মানুহবোৰে মৰ্যদা দিব নোৱাৰে, প্ৰতিটো

নিশাতে যদি একোজন চাহাবৰ বঙলালৈ গৈ এটা ৰাতি নাইবা কেইটামান ঘণ্টা সিহঁতৰ নিবিড় সান্নিধ্যতাৰ মাজেদি কটাই দিব লাগে, তেন্তে কি লাভ তেনেকুৱা জীবনৰ ? ক্ষমতাৰ ওখ আসনত প্ৰতিষ্ঠিত এচাম সভ্য-ভব্য নগৰীয়া ভদ্ৰলোকৰ করুণাৰ প্ৰতি সকাতৰে চাই তাই জীয়াই থকাৰ কল্পনা কৰিব নোৱাৰিলে। হাঁহি– বকৃচিচ্ —টকা— ।

নিঃস্ব আৰু সম্বলহীনা মন্দভাগ্য মোৰ জীবনৰ কাহিনী শুনিবলৈ তোমালোক কাৰো সময় নাই আৰু ৰঙা মদৰ নিচাত মাতাল হৈ আমাৰ নিচিনা নিম্নবিত্তবোৰৰ সৰ্বনাশ কৰিবলৈ তোমালোকে অলপো সংকোচ বোধ নকৰা। অন্তৰহীন তুমি, টকা আগ বঢ়াই এতিয়া হাঁহিবলৈ লাজ নালাগিল কিয় ? তোমালোকৰ সেই করুণা দাৰিদ্ৰক সাবটি জীয়াই থাকিবলৈ অপচেষ্টা কৰাবোৰৰ প্ৰতি পদাঘাত। অভিশাপ। ধ্বংসৰ পথলৈ হাঁহি হাঁহি আগবঢ়াই দিছা তোমালোকে—আমাক, দুৰ্ভগীয়াসকলক। জ্বাচমীয়ে কান্দি পেলালে।

হোঁ —ল—। চাহাব আৰু এখোজ আগ বাঢ়িল।

হেই লবি না। বুঢ়ীয়ে নিৰ্দেশ দিলে।

কঁপা হাতখন তাই চাহাবৰ পিনে আগ বঢ়াই দিলে; কিন্তু ৰাখিব নোৱাৰিলে চাহাবৰ দান। পৃথিবীখনৰ দুৰ্বহ বেদনা-বোৰতকৈ যেন কাৰেঞ্চী নোট্‌খন বৰ গধুৰ। সৰি পৰিল নোটখন। চক্ চকীয়া নোটখন মজিয়াত পৰাত এটা শব্দও নহ'ল।

সুখ-দুখ, হাঁহি-কান্দোনে দিনৰ পোহৰ আৰু ৰাতিৰ আন্ধাৰ একোকে বাদ কৰি ৰাখিব নোৱাৰে। ভ্ৰুক্ষেপ নকৰে সময়ে। আগ বাঢ়ি যোৱা সময়ে পিছ পেলাই এৰি থৈ যায় কিছুমান চিন।

কিছুমান সলনি। সেইবোৰ কিছুমানৰ প্ৰত্যাশিত, কাৰো বাবে অপ্ৰত্যাশিত। কোনোৱে পায় বসন্ত-সুবাস, কাৰবাৰ জীবনলৈ নামি আহে নঙঠা শীত। পৃথিৱী থাকে, থাকি যায় অসংখ্য মানুহ। জীবন বিচাৰি মৰণক আঁকোৱালি ধৰা মুমূৰ্ষ অবস্থা। সেই পৃথিবীতে কোনোবা শ্ৰান্ত হৈ পৰে এফেৰি শান্তি বিচাৰি। মৰুৰ বুকুত মৰুদ্যান খেদি হাবাথুৰি খায়।

জাচমীৰ অশান্ত মনলৈ দিনে নিশাই নামি আহে শ্ৰান্তি। চিচেমাৰ মুকলি বতাহৰ মাজত প্ৰাণ পোৱা যৌবনত কোহিমা নগৰৰ উপকণ্ঠৰ বতাহে আনি দিয়ে দুৰ্গন্ধৰ লেপ। জুপুৰি ঘৰটোৰ তলত থকা বাবে নহয়—পৰিবেশটোৱে তাইৰ উশাহ-নিশাহবোৰ যেন ৰুদ্ধ কৰি দিছে; কিন্তু মুকলি বতাহ ক'ত? তাইৰ শ্ৰান্ত জীবনৰ গ্লানিময় বেদনাবোৰৰ শেষ ক'ত?

মুক্তি;—নগৰৰ পচা বায়ুৰপৰা মোক মুক্তি লাগে। নগা বজাৰৰ-পৰা মোক ওলাই যাবলৈ দিয়া।

চাটিফুটি কৰে জাচমীয়ে। অশান্তিৰে ভৰা জীবনৰ হেঁচাত তাই কুজা হৈ পৰে।

নগা বজাৰৰ মদৰ মাজত নগৰীয়া ভদ্ৰলোকৰ উশৃংখল নৈশ আড্ডাখনৰ মাজৰপৰা তাই ওলাই যাবলৈ ভাবিও নোৱাৰিলে। তাই যেন কোঙা হৈ পৰিছে। আগ বাঢ়িব আৰু নোৱাৰে। স্থবিৰ।

মদ বেচি সঞ্চয় কৰা ধনৰ মাজেদি জীয়াই থাকিবলৈ চেষ্টা কৰা কেবাজনী ছোৱালীক তাই লগ ধৰিলে। কথা পাতি চালে। সিহঁতৰ জীবনৰ গতি-পথটো চালে, তাইৰ নিচিনা সিহঁতৰ অশান্তি আৰু গ্লানি ভৰা মন হয় নেকি বুজিবলৈ বহুতো কথা সুধিলে; কিন্তু নিৰাশ হ'ল। হতাশ হ'ল।

সিহঁত বোলে সুখা! নাভাবে।

সেই ছোৱালীবোৰৰ মনত একো অসন্তুষ্টি নাই। নাই আক্ষেপ।

কোহিমা নগৰৰ উপকণ্ঠস্থিত জুপুৰি ঘৰবোৰেই স্বৰ্গ। পাহাৰৰ সিপাৰে কি আছে সিহঁতে জানিবলৈ কোনোদিনে চেষ্টা কৰা নাই। আন্ধাৰত জীয়াই থকা দিনকেইটা সুখেৰে জীয়াই থাকা— !

ভৱিষ্যত ?

সিহঁতে আপোন পাহৰা হৈ হাঁহে। ভ—বি—ষ্য—ত ! ভৱিষ্যতৰ প্ৰশ্নই সুঠে অ'ই আঁকৰী ! আজিৰ কথাটোকে ভাবচোন। প্ৰাণভৰা যৌবনক উপভোগ কৰ। সেই উপভোগৰ মাজেদি যদি এটা শ্ৰেণী জীয়াই থাকিব পাৰে, আন এটা শ্ৰেণীয়ে দৈহিক তৃপ্তি পায়— তেন্তে লোকচান কি ? কালিৰ কথা বাদ দি আজিৰ কথা ভাব। আজিৰ বাবে—জীৱনৰ বাবে যৌবনৰ তৃপ্তিয়েই সত্য। মদৰ নিচাত নিজকে পাহৰি নিশাৰ আন্ধাৰত তোলৈ হাত মেলি অহা আলহীদলক স্বাগতম জনা। বকৃচিচ্ ল। তাৰে মাজত ফুৰ্তি কৰি জীয়াই থাক।—খা-পি, ৰং-ধেমালি কৰ। গুলী মাৰ তোৰ ভৱিষ্যতক। অতীত ? অতীতৰ পিনে ঘূৰি চাবৰ আৱশ্যক কিহৰ ? যি আছিল, যি হ'ল হ'ল। লাভ হলেও হওক, লোকচান হলেও বাদ দি দে—পাহৰি পেলা—অতীত-ভৱিষ্যত।

বুজিছ জাচমী, চাবলৈ গলে আমাৰ এই জীবন ধাৰণৰ ব্যৱস্থা সন্তীয়া ব্যৱস্থাৰ ওপৰত প্ৰতিষ্ঠিত নহয়। ভাবি চা—তুপৰ নিশালৈ, কিমান ওৰে ৰাতি কিমান তৰহৰ মানুহৰ মনক নিচুকনি দিছো আমি ! সিহঁতৰ নোপোৱাৰ মান-অভিমান, বেদনা-অশান্তিত আমি হাত বুলাই দিছো আৰু সেইদৰে হাত বুলাই দি হাত পাতি লোৱা চকৃচকীয়া নোটবোৰে আমাৰ বুকুভৰা যৌবন তিলে তিলে খুন্দিয়াই খুন্দিয়াই নিঃশেষ কৰি আমালৈ কিছুমান জড়তা আনি দিয়া নাই জানো ? আমাৰ জীৱনৰ পথত ক'লা কাপোৰৰ পট আঁৰি দিয়া নাই ? তই পোনতে যিটো ভাবিছ—সেইটোত সত্যতা নথকা হয়, আম্নি অভিজ্ঞতাৰে অৰ্জন কৰা কথাটো তই দুৰদৰ্শীতাৰে

দেখিছ। তথাপি আমি ভাবিবলৈ এৰি দিছো। মনৰ ভাবনাৰে যিটো কামৰ মীমাংসা কৰিব নোৱাৰি, সেই কথাটো নভবাই ভাল। আমি সেইবোৰ পাহৰি গৈছো। কিয়? এই ব্যৱস্থাৰে সঞ্চিত ধনৰ মাজেদি জীয়াই থাকিবলৈ নো আপত্তি কিহৰ? ৰাতিৰ আন্ধাৰত কোনোবা নিশাচৰ মাতালে আমাৰ দেহৰ বিনিময়ত ব্লাউজৰ ফাঁকেদি বুকুলৈ গুজি দিয়া টকাবোৰ জানো কোনোবা দোকানীয়ে ল'বলৈ কুণ্ঠাবোধ কৰে? কেতিয়াও নকৰে। আৰু সেই টকাৰেই আমি চলি আছো।

বিফল মনোৰথ হৈ জাচমী ঘূৰি আহে। শান্তিত বস-বাস কৰা সেই ছোৱালীবোৰৰ মনোভাবৰ লগত তাইৰ মনৰ ধাৰাটো মিলাই দিব নোৱাৰিলে। তাইৰ কথাবোৰলৈ কোনোৱে মনোযোগ নিদিলে। জাচমীক পাগলী বুলি হাঁহিলে, সন্ন্যাসিনী বুলি ঠাট্টা কৰিলে। জাচমীৰ পৰিকল্পনাৰ অসাৰতাৰ প্ৰতি সেই ছোৱালীবোৰে যুক্তি দেখুৱালে। জাচমীয়ে ভাবি চালে,—তথাপি সেই ছোৱালীবোৰে যেন বুকুভৰা কান্দোনৰ চকুপানী বুকুতে চেপা মাৰি লুকাই ৰাখিছে—ম্লান-হাঁহিৰে।

জাচমীয়ে অলপ কথাৰে তাইৰ মনৰ ভাবনাটো মাত্ৰ প্ৰকাশ কৰিছিল। শ্ৰমৰ মাজেদি সিহঁতে পোৱা মজুৰিৰে জীবন ধাৰণৰ সংকল্প কৰিব সিহঁতে,—জীৱনৰ পথত পিছল খাই উপপথত খোজ পেলোৱা ছোৱালীবোৰে। সিহঁতে মদৰ ব্যৱসায় নকৰিব আৰু নিশাৰ অভিযাত্ৰীবোৰক, ভদ্ৰতাৰ মুখা পিন্ধা তথাকথিত ভদ্ৰলোকসকলৰ বকৃচিচক উপেক্ষা কৰিব। সিহঁতৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰি অসম্মান প্ৰদৰ্শন কৰিব। ভ্ৰষ্টা ছোৱালীবোৰে কাপোৰ ব'ব, বিক্ৰী কৰিব; বাৰিষা পথাৰত খেতি কৰিব।

জাচমীয়ে পৰাজয় স্বীকাৰ কৰিলে। তাইৰ নিচিনা কোনো গাভৰুৱে কোহিমাৰ উপকণ্ঠত জুপুৰি ঘৰত বহি সতীয়া অৰ্জনৰ ধনেৰে জীবিকা নিৰ্বাহ কৰাৰ প্ৰতি ঘৃণা প্ৰদৰ্শন কৰা নাই।

সিদিনা সন্ধিয়া মেজিষ্ট্ৰেটৰ বঙলাত লাঞ্ছিতা হৈ অহাৰপৰা বহুতো ৰাতিলৈ জাচমীয়ে বিছনাত চট্‌ফটাই উপায় বিচাৰে—নগৰীয়া জীৱনৰ-পৰা ওলাই যোৱাৰ ; কিন্তু যিমানে দিনবোৰ পাৰ হৈ গৈছে তিমানেই তাইৰ গোটেই দেহত লৰচৰ কৰিব নোৱাৰা এটা বান্ধ লাগি আহিব ধৰিছে।

আৰম্ভণিতে বুঢ়ীয়ে জাচমীৰ লগত বন্দোবস্ত কৰিছিল—

মধু বেচি পোৱা টকাবোৰ বুঢ়ীৰ হাতলৈ যাব। কাৰণ বুঢ়ীয়ে নিজৰ টকা খৰচ কৰি চাউল কিনি মধু বনাইছে। সেই টকাৰ অংশত জাচমীৰ দাবী নাথাটে। আনহাতে বক্‌চিচৰ ব্লাউজ্‌-পিচ্‌, গোন্ধ-তেল, টকা-পইচা যিমান পায় জাচমীয়ে—তালৈকে বুঢ়ীয়ো হাত নাপাতে। সেয়া জাচমীৰ সম্পূৰ্ণ নিজস্ব আৰ্জন।

হঠাতে জাচমী বুঢ়ীৰ বান্ধৰপৰা এৰাই যাব নোৱাৰে। যাবলৈ ওলালেই বুঢ়ীয়ে হাত পাতি ক'ব—যাবলৈ মন আছে যাবি ; কিন্তু ইমান দিন মোৰ লগত থকা-খোৱা পইচাখিনি দি যাবি। তাইৰ নিৰুপায় অবস্থা সেইখিনিতেই। নিজাকৈ এটা টকাও তাই আৰ্জন কৰিব পৰা নাই ইমান দিনে। আৰু বুঢ়ীৰো মনৰ বল সেইখিনিতে। তাইৰ অক্ষমতাখিনি বুঢ়ীয়ে ভালদৰে বুজে।

অনতিদূৰৰ বিছনাখনত বুঢ়ীয়ে টোপনিত লালকাল দিয়ে আৰু ইচাট্‌-বিচাট্‌ কৰি আনখন বিছনাত বাগৰি পৰি থাকে জাচমী।

প্ৰতিটো সন্ধিয়াতে সিহঁতৰ ঘৰলৈ বহুতো মানুহ আহে। তাই ব্যস্ত হৈ পৰিবলগীয়া হয়। বুঢ়ীয়ে আলেঙে আলেঙে জুইৰ ওচৰত নাইবা বিছনাত বহি থাকে। সকলো কাম জাচমীৰ। দিনৰ পোহৰত

যিবোৰ সন্ত-মহন্ত লোক ভুলতো নগা বজাৰৰ ঘৰবোৰলৈ নাহে সেই-বোৰেই ৰাতিৰ আন্ধাৰত বাট ধৰে নগা বজাৰৰ ঘৰবোৰলৈ। এজন আগতে বহি থাকিলে পিছত আহি পোৱাজনৰ অনাকাংখিত উপস্থিতিত সাময়িক সংকোচবোধ জাগিলেও দুয়ো অলপ কথাতেই বন্ধু হৈ উঠে। অচিনাকিবোৰো বন্ধু হৈ পৰে। এজন এজনকৈ আহি কেবাজনেও মধু খাবলৈ আৰম্ভ কৰি দিয়ে। নানা ৰকমৰ কথা আৰু হাঁহি, চিগাৰেটৰ ধোঁৱা, মদৰ টেঙা গোন্ধ, ডেকাদলৰ লুব্ধ-দৃষ্টি আটাইবোৰৰে মাজত জাচমীয়ে নিৰ্বিকাৰভাৱে কাম কৰি যায়। কাৰো হাঁহিলৈ তাই চকু তুলি চাই হাঁহি দিব নোৱাৰে।

এই, মধু বাকি দিবি—। কোনোবা এজনে কয়। তাই থিয় দি থকা মাজৰ বেৰখনৰ ওচৰৰপৰা মজিয়ালৈ আহি মগবোৰ ভৰাই দিয়ে। খালি বতলবোৰ ৰেক্‌খনত নাইবা বেৰৰ কোণত জমা কৰি থয়।

আদা নাই নেকি অ'? তাই নীৰবে আদাৰ বাকলি গুচাই টুকুৰা আদাবোৰত অলপ নিমখ দি সিহঁতৰ ওচৰলৈ লৈ আহে।

এইজনীৰ ঘৰত একোকে নোপোৱা তুমি! আদাকণো খুজি খাব লাগে!

মুখৰ গঢ়টো চাই হে—

মধুৰ নিচাই ক্লান্ত কৰি অনা মুখেদি যিহকে পায় সিহঁতে কথা উলিয়ায়।

পইচা দিবলৈ ডেকা এজন থৰক্-বৰক্‌কৈ তাইৰ পিনে আগ বাঢ়ে। বহি থকা সংগীকেইজনক যেন সি তাৰ প্ৰভাব ছোৱালীজনীৰ ওপৰত

কিমান তাকে দেখুৱাব খুজিছে। তাই খুটাটোত ধৰি নিশ্চলভাৱে থিয় দি থাকে। তাৰ প্ৰাণৰ উন্মাদনাবোৰ যেন তাইৰ ওচৰত থিয় দিয়াৰ লগে লগে আৰু বেচি হৈ উঠে। উদ্ধত মনটোৱে হাহাকাৰ কৰি উঠে—সন্মুখত নিশ্চলভাৱে থিয় দি থকা গাভৰুজনীৰ মাজত নিজকে বিলীন কৰি দিবলৈ। কামিজৰ জেপৰপৰা কেইখনমান নোট্‌-লৈ তাইৰ হাতত গুজি দিয়ে। তাৰ অবস্থা দেখি তাইৰ্ হাঁহি উঠে, খঙো উঠে। পুতৌ ওপজে চেঙেলীয়া ল'ৰাবোৰলৈ !

যাব ? টকাকেইটা গণনা কৰি তাই সোধে।

যাম নেকি ? সি প্ৰাণ খুলি হাঁহিবলৈ চেষ্টা কৰে। খুব খুচী হৈ যায়—সি তাইৰ মুখৰ কথা শুনি।

তাই বেছিকৈ দিয়া টকাকেইটা তাক ঘূৰাই দিয়ে।

নাই ৰাখিবি ! বক্‌চিচ্—। ডেকাজনে আৰু কিবা-কিবি ক'বলৈ চেষ্টা কৰে। নোৱাৰে। তাৰ মাতটো কঁপে। কঁপনি উঠে গোটেই গাটোত।

নালাগে বক্‌চিচ্—লবি। তাই ধমকিৰ সুৰত কৈ দিয়ে। সেমেনা-সেমেনি কৰি ডেকাজন ওলাই যায়। অশ্ৰাব্য কথা-বতৰাৰ কিছুমান তাইৰ কাণত বাহিৰৰপৰা সোমায়হি।

কেইটামান মাহ বাগৰি গ'ল অতীতৰ পিনে। অশান্তিত কাল কটোৱা জাচমীয়ে কোনোমতেই কিবা এটা বেলেগ ব্যৱস্থা কৰি ল'ব নোৱাৰিলে। তাৰে মাজতে বুঢ়ীয়ে এদিন নতুন প্ৰস্তাব এটা কৰিলে—

অ'ই জাচমী !

কি ?

আমি ডিমাপুৰতে যাম বল অ'ই। তাতে যালে মানে বেচি পইচা পাবলে আছে। তই নতুন ঠাইভী দেখিবলে আছে।

ডিমাপুৰৰ নাম শুনিছে তাই। দেখা নাই। বুঢ়ীয়ে প্রস্তাব কৰিলে তালৈ গৈ দোকান খোলাৰ।

ডিমাপুৰ! ডিমাপুৰত বহুতো ভদ্রলোক আছে। টকাৰ ওপৰত উঠা বহা কৰা মাৰোৱাৰী সদাগৰৰ দল আছে। চাকৰিয়াল বাবু আছে। এটা নিশাত হেজাৰ টকা উৰুৱাই জুৱা খেলা ঠিকাদাৰ আছে। চিনেমা আছে। ফুর্তি আছে। আৰু বহুত আছে। গাভৰু ছোৱালীৰ কেচা মঙহৰ গোন্ধত উতলা হোৱা মাৰোৱাৰী ককায়েক-ভায়েকৰ মদৰ দোকানত কাজিয়া লাগে। কেইটামান মুহূর্তৰ বাবে এজনী গাভৰু ছোৱালীক অকলশৰীয়াকৈ পাবলৈ জীবনৰ সর্বস্ব পণ কৰিব পৰা বিবাহিত ডেকা আছে। হাকিম-চাহাব আছে। ডিমাপুৰৰ 'উপকথা' শুনি ফূর্তি কৰিবলৈ অহা বন্ধু বান্ধব আছে। ৰেল-গাড়ী চাহৰ হোটেল, কিচিম্ কিচিম্ মানুহ। মদ। মাইকী। গান। জুৱা। অহা-যোৱা। ফুর্তি। হাঁহি। তামাচা!

বুঢ়ীয়ে সৰ্ সৰকৈ ডিমাপুৰৰ সাধুকথাৰে স্বপ্নজাল তৰি দিবলৈ চেষ্টা কৰে। নতুন ঠাইত নতুন মানুহৰপৰা বহুতো নতুনকৈ পোৱাৰ সম্ভাবনাৰে লোভ দেখুৱায়। তাই যেন চক্ চকীয়া টকাৰ বাণ্ডিলৰ হাত-বাউলি নিজে দেখি জাচমীকো দেখুৱাবলৈ চেষ্টা কৰিছে।

তাতে মধু খাবলে বউত মানু আছে, কিন্তু দোকান হলে কমতি

আছে দেই। তই নিচিনা ছোৱালী একটাতী নাই তাতে। ব-উত টকা পাবি তই তাতে যালে মানে। বুজিচ—টকা নহলে মানে জিন্দা হৈ থাকিবলে মিছা! তই বল না—তাতে জাই কেনে সবটু বুজি পাবি মই কথাটু! জাচমী আনমনা হৈ কিবা চিন্তা কৰা দেখি বুঢ়ীয়ে আৰু মোলায়েম সুৰত কৈ যায়—বুজিচ! একু চিন্তা কৰিবলৈ নাই। সব ঠিক হৈ যাব।

মই নাযাব তাতে! পোনপটীয়াকৈ তাই বুঢ়ীৰ প্ৰস্তাব প্ৰত্যাখ্যান কৰিলে। বুঢ়ী জাচমীৰ মুখৰ পিনে চাই ৰ'ল কিছু সময়।

কেলেই নাযাবি?

খুচী নাই!

পাগালা হৈছা নেকি অ'ই? বুঢ়ীৰ খং উঠিছিল জাচমীৰ কথা আৰু উচাটু মৰা ব্যবহাৰ দেখি। খণ্ডত বুঢ়ীৰ পিত্ পিতীয়া চকু দুটা সাপৰ চকুৰ দৰে তিৰ্ বিৰাই উঠিল।

অঁ, পাগালা হৈছে।

কেলেই নাযাবি তই? খণ্ডত চিঞৰি ধমকি দিয়াৰ সুৰত কথাষাৰ ক'বলৈ খোজোতে তাইৰ:মাতটো চিঁ চিঁয়া হৈ ওলাল। জাচমীৰ পিনে বুঢ়ী নিষ্পলক ভাৱে চাই ৰ'ল। হাতত লৈ থকা কাপোৰখন তাই খণ্ডতে খামোচ মাৰি ধৰিলে। বুঢ়ীয়ে যেন জাচমীৰ উদ্ধত মনটোকহে চেপামাৰি ধৰি দমন কৰিবলৈ চেষ্টা কৰিছে।

খুচীহে আছে মোৰ। মন নাযালে নাযাম, তাতে খং কৰিবলৈ কি? জাচমীয়ে ফটা কাপোৰ এখন সিয়াবলৈ তলমূৰ কৰি থকাৰপৰা বেজীটো হাতত লৈ বুঢ়ীলৈ বিৰক্তিৰে চালে। ইমান

দিনে ধংসৰ পথলৈ ঠেলি নিয়া বুঢ়ীক শান্ত দৃষ্টিৰে ধৈৰ্য্য ধৰি চাই আহিছে! সেই ধৈৰ্য্যৰ আজি যেন অন্ত পৰিল। বুঢ়ীৰ ক্ৰুদ্ধ দৃষ্টিক তাই ভয় নকৰিলে, মন্ত্ৰ মুগ্ধ সাপৰ দৰে কুচি-মুচি নৰল, বৰং ফণা তুলি উঠিল।

তই নাযাবি তেনেহলে?

ওঁহো!

সচ্চা?

নাযাব বুলি কিমান কব লাগে?

না, তিতিয়া হলে মোৰ ঘৰতে ইমান দিন বহিয়া আৰু ভাত খাই থকা নিমিত্তে পাইচাটু চাফা কৰি কেনে ইত্তিয়া দিবি! মই খিলাইছে, মই লাগা কথাভী মুশুনে! এনেই চাৰিব নেকি মই? বুঢ়ী শেষ অস্ত্ৰ প্ৰহাৰ কৰি খং আৰু অভিমানেৰে কঁপি কঁপি জাচমীলৈ চাই থাকিল।

পইচা নাই মোৰ লগতে।

নাথাকিলে কেনেকা হব? দিবই লাগিব তোৰ।

থাকিলেভী নিদিব! মোকে মাৰিকেনে খাবি নেকি? তাকজ্ থাকিলে মাৰিবি—।

পইচা থাকিলে কেলেই নিদিবি?

কি কেলেই? মই বনাই থাকা মধু বিক্ৰি কৰিছে তই। মই তই লগতে থাকা নিমিত্তেহে টকা সবঃ পাইছে কৈ থাকিছিলে; ইতিয়া পইচা খুজিছে কেলেই?

বহুত সময়ৰ তৰ্ক বিতৰ্কৰ পিছতো জাচমীৰ মনৰ সলনি নহল।

নিশ্চল হৈ ৰ'ল তাই। ডিমাপুৰলৈ নাযায়। জাচমীৰ জবীয়তে বহুতো টকাৰ অধিকাৰী হ'বলৈ অস্তাচলৰ পিনে দিনে দিনে আগবাঢ়ি গৈয়ো বুঢ়ীয়ে যি স্পৃহা দেখুৱাইছে—যৌবনৰ মধ্যাহ্ন সূৰুযৰ লো-গলা তাপত থিয় দিয়ো জাচমীয়ে সেই স্পৃহা দেখুৱাব নোৱাৰিলে। সেই টকাৰ প্ৰতি লোভ নাই জাচমীৰ। সেই টকা তাইক নালাগে। বুঢ়ীক টকাৰ টোপোলা লাগে। জাচমীৰ দেহ-ভৰা যৌবনবোৰক কোনোবা মদপী মাতালৰ দলে টকাৰে খুন্দিয়াই একেৰাই খাব ; আৰু সিহঁতৰ লালসাৰ কুণ্ডলিত তাই তাইৰ সমগ্ৰ সত্তা জাপি দি তিল্ তিল্‌কৈ অকালতে মৰণৰ পথত আগবাঢ়ি আৰ্জন কৰা এসোপা টকা বুকুত সাবটি লৈ নিশ্চিন্ত হ'ব খোজে বুঢ়ী।

পিছদিনা সঁচাকৈয়ে বুঢ়ী যাবলৈ ওলাল।

মৰিলেভী নাযাব মই! জাচমীৰ শেষ কথা। বুঢ়ী গুচি গ'ল। অবশেষ এৰি গ'ল জুপুৰি ঘৰটো। আধা ভঙা আৰু টেমুনা পৰি কাণ এৰাই যোৱা ছুটা এলুমুনিয়মৰ বাচন। আৰু বাঁহৰ চাংখন। জাচমীৰ বেয়া লাগিছিল। কান্দিবৰ মন গৈছিল। নাকান্দিলে। একো ভাবিবও নোৱাৰিলে। নোৱাৰিলে একোকে ক'বলৈ। বুঢ়ী গুচি যোৱাৰ পিছত তাই নিৰ্বিকাৰ মনে চাই ৰ'ল শূন্য ঘৰটোৰ মজিয়াখনৰ পিনে।

এই খিনিভী নিব—। বুঢ়ীয়ে কাপোৰৰ টোপোলা বান্ধোতে জাচমীয়ে ওলোমাই থোৱা তক্তাখনৰপৰা সৰু আয়নাখন, কেইটামান দাঁত ভঙা ফণি এখন, আৰু গাৰুৰ তলৰপৰা ব্লাউজ ছুটা উলিয়াই আনি বুঢ়ীলৈ আগবঢ়াই কৈছিল। বুঢ়ীয়ে তাইক এবাৰ

কিনি দিছিল। হয়তো বুঢ়ীৰ মনৰ আশা বহুতো লুকাই আছিল সেই কাপোৰ আৰু প্ৰসাধন সামগ্ৰীৰ মাজতে। মূৰটো তুলি বুঢ়ীয়ে তাইলৈ এবাৰ চাই থিৰ হৈছিল। কিছুমান কথাই যেন বুঢ়ীক খেলিমেলি লগাই দিছিল।

ৰাতিপুৱাৰ ৰঙা ৰ'দবোৰৰ জিলিঙনি আধামেলা দুৱাৰেদি সোমাই মজিয়াত পৰিছিলহি। সহ্য কৰিব পৰা নাছিল জাচমী। দিনৰ পোহৰবোৰ অসহ্য লাগিছিল তাইৰ।

জাচমীয়ে ঘূৰাই দিয়া বস্তু কেইটা ব্যস্ততাৰ মাজতে হাত পাতি লৈছিল যদিও ভালদৰে চাই চক্ খাই উঠিল। বহাৰপৰা থিয় দিলে। অলপ দূৰত থিয় দি আছে জাচমী। প্ৰথমবাৰৰ বাবে বুঢ়ীয়ে হয়তো আঘাত পালে। জাচমীলৈ মৰম লগাকৈ চাই এটা উত্তেজনাত মাতিছিল, জা—চম্মী! আৰু লগে লগে তাইৰ ওচৰত গৈ থিয় দিছিল। বুঢ়ীৰ গালৰ কোঁচ খাই থকা ভাঁজবোৰ কঁপি উঠিছিল।

কি ?

বুঢ়ীয়ে হাতত লৈ থকা বস্তু কেইটা জাচমীৰ পিনে আগবঢ়াই দিওঁতে হাত দুখন থক্ থক্কৈ কঁপিছিল। একো ক'ব নোৱাৰিলে।

এই জিনিচ্খিনি মোকে নালাগে! বস্তু কেইটা হাতৰ ওপৰতে কঁপিছিল। আয়নাখনত সূৰুযৰ ৰং পৰি জিলিকনি উঠিছিল। তাই বুঢ়ীৰ হাতখন লাহেকৈ আঁতৰাই দিছিল নীৰবতাৰে। কিছু সময় দুয়োৰে মাজত মৌনতা। দুচটা ফলা-বাঁহ যেন আজি তিনি মাহে জাপ খুৱাই বান্ধি থোৱা আছিল। আজি সেই বান্ধ মুকলি হ'ব। দুয়োফাল পৃথক হৈ পৰিব। যাৰ লগত তিনিটা মাহৰ এটা দিনটো সহৃদয়তাৰ সৃষ্টি নহ'ল—সেইজনৰ লগত জাচমী অভিমান কৰে কেনেকৈ? অভিযোগৰ যে প্ৰশ্নই নুঠে।

বুঢ়ী বৰ সন্তৰ্পণে জাচমীৰ পিনে এখোজ আগুৱাই গৈ আগলৈ হলি জাচমীৰ মুখখন বৰ ওচৰৰপৰা চালে। সিদিনাহে যেন প্ৰথমবাৰৰ বাবে এজনী আশ্ৰয়হীনা ছোৱালীক বুঢ়ীয়ে দেখা পালে। চকুৰ পানীৰ ৰেশ লাগি থকা জাচমীৰ চকু দুটাত দিগবলয়ৰ ঈষৎ ওপৰত জ্বলি থকা অকলশৰীয়া তৰাটিৰ চিকিমিকি। আঘোণ মহীয়া নিয়ৰত তিতি তলমুৰা হৈ থকা পকা ধানৰ শিহ এটাৰ দৰে জাচমী নীৰবে তেতিয়াও থিয় দি আছিল।

তই—তই ৰাখ। মোকে নালাগে। থোকা থুকিকৈ কৈ বুঢ়ীয়ে তাইৰ হাতত বস্তু কেইটা তুলি দিছিল।

হোৰাটো পিঠিত তুলি লৈ হাতত কাপোৰৰ টোপোলাটো লৈ বুঢ়ী গুচি গ'ল। ভালেখিনি সময় বাহিৰত থিয় দি তাই চাই ৰ'ল বুঢ়ী যোৱাৰ পিনে। শূন্য বাটটোলৈ এনেয়ে চাই থিয় দি ৰ'ল তাই। তাৰ পিছত গধুৰ মনটোৰে ঘৰটোৰ ভিতৰলৈ সোমাই আহিল। নিৰ্জন ঘৰটোৰ মাজ-মজিয়াত থিয় দি তাই গভীৰ দৃষ্টিৰে ভিতৰ খনলৈ চালে। প্ৰথম আহিবৰ দিনাখনো বৰ বেচি বস্তু বাহানি দেখা নাছিল তাই। তথাপি সেই দিনাৰ শূন্যতা আৰু আজিৰ শূন্য খিনিৰ মাজত যেন বিৰাট পাৰ্থক্য।

চৌকাৰ ওপৰত কেইদাল মান শুকান খৰি। ভাত ৰান্ধিবৰ অযোগ্য এলুমুনিয়মৰ ভঙা বাচন তিনটা। পানী পৰি পৰি ক'লা ৰং ধৰা কাঠ এচটাৰ ওপৰত খালি বতল দুটা। এটা ৰং এৰাই যোৱা সৰু মগ। মামৰে ধৰা টিন এটা। যাবৰ সময়ত কি ভাবি জানো বুঢ়ীয়ে হোৰাটোৰপৰা মগটো আৰু বতল দুটা এৰি গৈছিল।

হয়তো জাচমীক জীয়াই থকাৰ মন্ত্ৰ-দীক্ষা দিয়া বুঢ়ীয়ে বিদায়ৰ মুহূৰ্ত্তত ভীষণ নিষ্ঠুৰতা দেখুৱাব নোৱাৰিলে। হয়তো বুঢ়ীৰ তাইৰ প্ৰতি ভবিষ্যৎ বাণীৰ প্ৰতীক সেয়া—যিমান ফুটনি নকৰিলেও তোৰ এই মগ আৰু বতলৰ বিনে জীয়াই থকাৰ পাথেয় গোটোৱাৰ গত্যন্তৰ আন একো নাই।

এইমাত্ৰ যেন ঘৰটোৰ দুয়োটা কোঠালিত ভৰি থকা অজস্ৰ সম্পত্তি ডকাইতৰ দলে লুটি-পুটি লৈ গ'লহি। শূন্য হৈ ৰ'ল ঘৰটো।

ভিতৰৰ কোঠালিত সোমাই বিছনা খনতে বহিল জাচমী। সুদা চাংখনৰ কামিবোৰ মৰ্‌মৰাই উঠিল। হাতৰ মুঠিত ইমান সময়ে লৈ থকা টকা দুটা অবজ্ঞাৰে চাং খনতে থলে। বুঢ়ীয়ে জোৰ কৰি দি গৈছিল।

—টকা নহলে মানে জিন্দা হৈ থাকিবলে মিছা!

শীত কালৰ এটা সন্ধিয়া। বাহিৰত মুনিচুনি পোহৰ। জাচমী অকলশৰে চোতালতে পৰি থকা কাঠ এচটাত বহি আছিল। অকলশৰীয়া জাচমী। দূৰৈৰ অস্পষ্ট জাপুটিংটোৰ পিনে চাই আছিল তাই। কৰিবলৈ একো নাই। যাবলৈ ঠাই নাই। আছে চিন্তা। অন্তহীন দুশ্চিন্তা। অলপ অলপ জাৰ পৰিছিল। তথাপি তাই উঠি অহা নাছিল। ভৰিৰ তলত খৰালিৰ মূমূৰ্ষ ববচা আৰু দুবৰি বনবোৰ। পূবৰ দিগন্তত জিলিকি উঠিল এটি তৰা। আকাশত আৰু একো নাই। নীলা আকাশ। উদাসী আকাশ।

অচিনাকি মানুহ এজন তাইৰ পিনে আগবাঢ়ি আহিল। চাই ৰঙৰ চুট্ পিন্ধা চাপৰ মানুহজন আহি যেতিয়া তাইৰ চোতালত নিসংকোচে থিয় দিলেহি, তাই ভিতৰলৈ সোমাই দুৱাৰ মুঁখতে থিয়

দি তালৈ চালে। হাতত জ্বলি থকা চিগাৰেটৰ টুকুৰাটো বনবোৰৰ ওপৰত পেলাই জোতাৰে মোহাৰি দিলে মানুহজনে। অলপ ধোঁৱা বন আৰু জোতাৰ ফাঁকেদি উৰি গ'ল। এই ঘৰটোতে আজিকালি তুমি বহিছে নেকি? জেপৰপৰা চিগাৰেট কে'চটো উলিয়াই মানুহজনে চিগাৰেট এটা উলিয়াই এটা মূৰ কে'চটোৰ ওপৰত পাতলকৈ থোকৰ দি ওঁঠত চেপামাৰি ধৰি হাতত লৈ থকা দিয়ছেলাইটো জোকাৰি তাইৰ পিনে চাই সুধিলে।

হয়। মইহে বহিছে। জাচমীয়ে সহজভাৱে উত্তৰ দিলে। তাইৰ মনটো পাতল লাগিল এই কাৰণেই যে তাই সন্দেহ কৰা প্ৰশ্ন বা কথা কৈ কৈ মানুহজন ভিতৰ সোমাই আহিবলৈ চেষ্টা কৰা নাই।

পোন্ধৰ দিন মান হৈছে না ইয়াত বহা বুঢ়ী মাইকীটু ঘৰ চাবি যাবলৈ? চিগাৰেটটো ইতিমধ্যে জ্বলাইছিল সি। তাৰে এমোকোৰা ধোঁৱা উৰুৱাই দি নগা মানুহজনে তাইৰ পিনে চালে।

বুঢ়ীজনীয়ে এই মানুহজনৰ কিবা অন্যায় কৰি গ'ল নেকি? হয়তো কিবা সম্বন্ধ থাকিবও পাৰে। পুৰণি চিনাকি হ'বও পাৰে। মানুহজনৰ উদ্দেশ্য কি বাৰু?

সিমান দিনহে হৈছে। কেলেই?

তোমাৰ লগতে এই নিমিত্তে কিবা কথা আছিলে। চোতালখনৰ চাৰিও পিনে এবাৰ সি চকু ফুৰালে। পাতল আন্ধাৰখিনি লাহে লাহে ডাঠ হৈ আহি" সিহঁতে পৰস্পৰক নমনাৰ নিচিনা হৈছিল। জাচমী ভিতৰলৈ গৈ চাকি এটা জ্বলাই বাহিৰৰ মজিয়াতে থৈ ক'লে— ভিতৰতে আহিব।

মানুহজন ভিতৰলৈ সোমাই গৈ তাই আগবঢ়াই দিয়া পীৰাখনত

নৰছি মজিয়াতে ইফাল সিফাল কৰিবলৈ ধৰিলে। জাচমীয়ো থিয় দি ৰ'ল। চাকিটোৱে সন্ধিয়াৰ আন্ধাৰখিনি আঁতৰাবলৈ যথাসাধ্য চেষ্টা কৰিছে। মগ আৰু বতলবোৰ তুলি থবলৈ আঁৰি লোৱা তক্তা চটা এই কেইদিনতে শুকাই গৈছে। দাৰু মিহলাই আধা সিজোৱা চাউল মধু বনাবলৈ গাপ্ দি থবলৈ আগতে ব্যবহাৰ কৰা ডাঙৰ ডলাখন এতিয়া কামত নালাগে আৰু বেৰৰ দাঁতিত এনেই পৰি আছে। টেমুনা পৰা চৰিয়াটো উবুৰি হৈ পৰি ৰৈছে।

ঘৰটোৰ ভিতৰত পানী নপৰে নহয়? বাৰিখা দিনতে? ধোঁৱা আৰু আলান্ধু ওলমি থকা চালখনলৈ চাই সি সুধিলে।

তাই মূৰ জোকাৰিলে। নপৰে।

তুমি ইয়াতে এক নকৰে নেকি? সি চৌকাটোৰ পিনে এখোজ আগুৱাই গ'ল। চৌকাটোৰ সোঁহাতৰ পিনৰ খুটা এটাৰ গুৰিতে বেৰৰ তলেদি ভিতৰৰপৰা পানী পেলাবলৈ কৰি লোৱা বাটটো। তাৰে দাঁতিত কাঠফুলাবোৰ গজি বগা হৈ আছে। কেবাদিনো যে চৌকাটোত জুই জ্বলোৱা নাই—সেমেকি থকা চাইবোৰৰ পৰাই ধৰিব পাৰি। কুফিখনত লাগি থকা ছুটা মান ভাত শুকাই কৰাল বান্ধিছে।

মানুহ নথকা যেনহে লাগে ইয়াতে—। মানুহজনে তাইলৈ নোচোৱাকৈ নিজকে নিজে কোৱাদি ক'লে।

জাচমীৰ গাটো শিয়ৰি উঠিল। মানুহজনে কি ক'লে? মা-নু-হ নথকা যেনহে লাগে!! মানুহ নথকা যেন কিয়—মানুহ নায়েই! মই মানুহ নহয়! চিচেমা বস্তীৰ ছুৰাকাংখী জাচমী নামৰ ছোৱালী-জনীৰ প্ৰেতাত্মা! নগা বজাৰৰ জুপুৰি ঘৰটোতে জীৱনৰ সকলো আকাংখাৰ মূৰ খাই সোমাই আছোহি। এইটো ঘৰ নহয়—এইখন

শ্মশান। জাচমীয়ে একো উত্তৰ নিদিলে। বেদনা আৰু উত্তেজনাত তাইৰ গাটো গৰম হৈ উঠিল। অশেষ ধৈৰ্য্যেৰে মাজ-মজিয়াত নীৰৱে থিয় দি ৰ'ল।

সেমেকি থকা চাইৰে ভৰা চৌকাটো, বেৰৰ কাষৰ কাঠফুলাবোৰ, গোটেই ঘৰটোৰ এই অৱস্থা দেখি তুমি মানুহ নথকা যেন লাগে বুলি যে কৈছা—মোৰ মুখৰ পিনে চাই তুমি মোৰ বিকল অৱস্থাটো উপলব্ধি কৰিব পাৰিছানে বাৰু? মই আজি পাচ দিন পেট ভৰাই একো খাবলৈ পোৱা নাই জানা? হাতত এটা ফুটা কড়ি নাই। ছুটা টকাৰে এজন মানুহ কিমান দিন চলিব পাৰে? মোৰ একো নাই। মোৰ কোনো নাই। আশাৰ সপোনবোৰ অকালতে মৰহি গৈছে—সকলোবোৰ হেৰুৱায়ো মানুহৰ দৰে জীয়াই থকাৰ কথা ভাবিছো। তুমিতো নাজানা মোৰ বেদনাবোৰ, মোৰ কল্পনাবোৰ! থিকেই, তুমি থিকেই কৈছা—মই মানুহ নহয়। মই মানুহ নহওঁ। মানুহ হোৱাৰ কল্পনাবোৰৰ সমধি দিছো!! যিখন কোহিমা নগৰত আজি মই সাজৰ পিছত সাজকৈ লঘোণ দিছো, যিখন কোহিমা নগৰৰ মানুহে মই থকা ঘৰটোক 'মানুহ নথকা ঘৰ যেনহে লাগে' বুলি মুখৰ আগতে কৈ দিব পাৰিলে—সেইখন কোহিমায়েই আছিল মোৰ একালৰ স্বপ্ন। মই দিনে-নিশাই চিচেমা বস্তীত সপোন দেখিছিলো—এইখন কোহিমালৈ অহাৰ। নগা বজাৰৰ জুপুৰি ঘৰ এটাত অপমানিতা হ'বলৈ নহয়, ছুটা পকা মধুৰিয়ামৰ পিনে ক্ষুধাতুৰ দৃষ্টিৰে চাই চাই পুলিচ গেটৰ ওচৰত অসহায় ভাৱে থিয় দি আকাশ-পাতাল ভাবিবলৈ নহয়। সুন্দৰী কল্পনাক বাস্তৱৰ মোহনীয় ৰঙেৰে ৰোলাই তুলিবলৈ। বাসন্তী কুলিৰ মন বলিয়া কৰা স্বৰ আৰু

অচিনাকি বনবীয়া ফুলৰ সুবাসে উতলা কৰা মনবোৰে যি ৰূপ ল'বলৈ বিচাৰে—তাকে বিচাৰি। চিচেমা বস্তী পিছ পৰি ৰ'ল। আগবাঢ়ি পালোহি কোহিমা। কিন্তু কি ৰূপত ? এই ৰূপটো জীবনৰ হ'ব পাৰে বুলি মই কাহানিও ভৰা নাছিলো। মই কি পাপ কৰিছিলো, কোন জনমত মই কাৰ কি অন্যায় কৰিছিলো, যিহৰ বাবে মোৰ সকলো কল্পনা অথলে গ'ল ! জাচমীৰ মনত পৰিল ভনীয়েক আনিলৈ। কি মোহনীয় আছিল তাইৰ হাঁহিটো ! কিমান পবিত্ৰ ! সংসাৰৰ অভাব-অভিযোগ অপমান-অভিমানবোৰৰ একোকে গম নোপোৱাকৈ আঁতৰি গ'ল তাই। জোচেফ ! কিমান গভীৰ আছিল জোচেফৰ মৰমবোৰ, অন্তৰ উজাৰি দি ভাল পোৱা মোৰ জীৱনৰ ধনক কিয় আঁতৰাই নিলা প্ৰভু ? মোৰ এই নিঃস্ব অবস্থাৰ মাজত আৰু কালৈ মনত পেলাওঁ আজি ? মোৰ যে কোনো নাই। আছে মাথোন অন্তহীন বিষাদ আৰু বেদনা। জাচমীৰ চকুপানী ওলাল। মানুহ নথকা যেনহে লাগে কথাষাৰে তাইক আনি দিলে আঘাত। বহুত কথাকে ভাবিলে ; নোৱাৰিলে ক'ব। মাথোন চাই ৰ'ল কম পোহৰ দি জ্বলি থকা চাকিটোৰ শিখাটোলৈ।

বাত্তিটো আনিবাচোন। মানুহজন সিটো কোঠালিলৈ কেতিয়া সোমাই গ'ল তাই গমকে পোৱা নাছিল। আন্ধাৰৰ মাজৰপৰা অহা মাতটোত তাই উচপ্ খাই উঠিল। কথাষাৰৰ প্ৰত্যেকটো শব্দয়েই যেন সৰ্বনাশী মূৰ্তি এটাৰ বিকৃত স্বৰ। চাকিটো হাতত লৈ জাচমী মানুহজনৰ ওচৰ পালেগৈ।

বাঁহৰ চাং এখনত ফটা কম্বল এডোখৰ কোঁচ খাই পৰি আছে। মূৰ শিতানত গাৰু নাই। এখন চাদৰ ভাজ দি থোৱা আছে। আৰু

একো নাই। তক্তা এখনৰ ওপৰত থোৱা সৰু আয়নাখনৰ ওপৰত ধূলিৰ প্ৰলেপ পৰিছে। ফণিখনৰ দাঁতবোৰত কিছুমান দীঘল চুলি। তাতো ধূলি। আয়নাখনৰ ওচৰতে তাই চাকিটো থৈ থিয় দিলে। চাঙৰ তলৰপৰা এন্দুৰ এটা সৰ্ সৰাই মজিয়া বগাই দৌৰ দিলে।

তুমি মধু নেবেচা জানো ? কি কৰি থাকিছে ইয়াতে ? আৰু এটা চিগাৰেট জ্বলাই সি বিৰক্তিৰে সুধিলে। ঘৰটোৰ ভিতৰত থাকি সি যেন বৰ অস্বস্তি বোধ কৰিছে। চাংখনৰ ওপৰত ভৰি এখন তুলি তাতে কিলাকুটি এটা পুতি তাইৰ পিনে সি চালে।

জাচমী নিৰুত্তৰ।

তুমি কি কৰি থাকিছে ইয়াতে ? বুজা নাই মুৰ কথাটু ? জাচমীৰ নীৰবতাৰ মাজতে সি একেটা প্ৰশ্নকে দোহাৰিলে। তাৰ প্ৰত্যেকটো শব্দ চিগাৰেটৰ ধোঁৱাৰ মাজেৰে ওলাই অহা বাবে আৰু বিৰক্তি প্ৰকাশ কৰি জোৰ দি কোৱা বাবে কৰ্কশ শুনা গৈছিল। সি পাতলকৈ হুবাৰমান কাঁহিলে।

এনেই থাকা নিচিনাহে ! মধু বনাবলে চাউল নাই না !

শব্দবোৰ গুটীয়াকৈ উচ্চাৰণ কৰি কোনোমতে শেষ কৰি জাচমীয়ে দীঘলকৈ উশাহ ললে। তাইৰ আমনি লাগিছিল। মানুহজনে কি ক'ব, কি সুধিব তাই বুজি পোৱা নাই। যদি মধু খোৱাই উদ্দেশ্য হয়—তেনেহলে ইমান কথা সোধাৰ কি প্ৰয়োজন ! দেখিছেই—মধু নাই। নগা বজাৰত কিনো মধুৰ অভাব। বুঢ়ীয়ে তাইৰ কথা কিবা লগাই গৈছে নেকি তাক ? হয়তো বুঢ়ীৰ অবিহনে তাইৰ কুকুৰে কাঁইট নোখোৱা অবস্থা যে হ'ব তাকে কৈ গৈছিল আৰু আজি তাৰে পৰীক্ষা চলাইছেহি নে কি ? সকলোবোৰ শুনি সি হয়তো তাইক

অৱজ্ঞাৰ হাঁহি মাৰি বিদ্ৰূপ কৰি গুচি যাব। অভাৱৰ চৰণত নত হৈ তাই তাৰ শৰণ পশি সহানুভূতি গ্ৰহণ কৰাৰ কথা সকলোকে কৈ ফুৰিবগৈ। 'টকা নহলে মানে জীন্দা হৈ থাকিবলে মিছা'। বুঢ়ীৰ কথাষাৰে জাচমীৰ বুকুত খুন্দিয়াই গ'ল।

মই টকাৰ নিমিত্তেহে আহিছে। সি চিগাৰেটটো আঙুলিৰ মাজত ঘূৰাই ঘূৰাই কলে।

ট—কা? তাই আচৰিত হৈ গ'ল। নিজকে চম্ভালিব নোৱাৰোঁতেই তাইৰ মুখেদি শব্দটো ডাঙৰকৈ ওলাই আহিল। কোনোদিনে চিনি নোপোৱা মানুহটোৱে কিহৰ টকা বিচাৰিছেহি!

তুমি ইয়াতে নতুন বহিছে না? কোন বস্তীপৰা? সি হাঁহি দিলে তাইৰ আঁকৰী প্ৰশ্নত। নিজৰ অজ্ঞতাৰ বাবে লাজ পায়ো তাই অবাক হৈ চাই ৰ'ল মানুহজনৰ পিনে।

নগা বজাৰতে থাকা ঘৰ বিলাকটু কিছুমান মোৰহে আছে। মোৰ জমি, মইহে ঘৰ বনাই কেনে মানুবিলাক বহিবলৈ দি থাকিছে। এই ঘৰটুভী মই লাগাহে আছে। লোকৰ ঘৰতে থাকিলে ভাড়া দিব লাগে—নাজানে হবলা? ধেৎ কেনেকা মাইকী অ' তুমি, কথাভী নাজানে। সি নিজে নিজে তাইলৈ চাই আপোন মনে খিল্ খিলাই হাঁহিলে। আকৌ ক'লে—এই মাহ নিমিত্তে ভাড়া দিব লাগে। এক মাহতে দচ্ টকা। আগতে বুৰী বহা টাইমতে দচ্ টকা কৰি দি থাকিছিলে, এতিয়া তুমি বহিছে, তুমিহে দিব লাগিব।

জাচমীয়ে একো উত্তৰ নিদি স্তব্ধ হৈ শুনি ৰ'ল মানুহজনৰ কথা। কি বুলি কি ক'ব তাই! পইচা নাই বাবেই পেটৰ ভোক পেটতে আছে। পইচা নাই বাবে সুন্দা চাঙত শুবলগীয়া হৈছে। পইচা নাই বাবেই এই অবস্থা—মানুহ নথকাৰ নিচিনা ঘৰ!

অৱশেষত মধু বনাবলৈকেই ঠিৰাং কৰিছিল তাই। তাৰ আগতে শেষ চেষ্টা কৰিছিল—চাকৰিৰ। সাদিনজুৰি কৰা সেই চেষ্টা, কুৰি টকা বেতনৰ সাধাৰণ চকিদাৰণীৰ চাকৰি এটাৰ বাবে কৰা চেষ্টা শেষত ব্যৰ্থ হৈছিল। চাকৰি তাই নাপালে। ছোট বস্তীৰ ছোৱালী এজনীয়েহে পালে। তাইহে স্কুলৰ চেক্ৰেটৰীৰ মতে উপযুক্তা বিবেচিত হ'ল। সেইদিনা নিয়োগ-সম্পৰ্কীয় বাতৰি ল'বলৈ গৈ বিফল মনোৰথ হৈ উভতি অহা চাৰিজনী ছোৱালীৰ এজনী আছিল জাচমী। কথাই কথাই তাৰে এজনীয়ে কৈছিল—চাকৰি পোৱা ছোৱালীজনীয়ে হেনো এদিন সন্ধিয়া ছুবতল মধু, এটা কুকুৰা আৰু কেইটামান কুকুৰা কণী লৈ চেক্ৰেটৰীক চাকৰিটোৰ বাবে অনুৰোধ কৰিবলৈ গৈ পিছদিনা আগবেলাহে তেওঁৰ ঘৰৰপৰা উভতি আহিছিল। মানুহজনক সেই মুহূৰ্ত্তত কি ক'ব পাৰি চিন্তা কৰোতে সেই ঘটনাটো জাচমীৰ মনত পৰিল।

একু নকৰা নেকি তুমি ?

মোৰ হাতত ইতিয়া টকা নাই না। কান্দোনৰ সুৰত তাই কথাষাৰ কোনোমতে কলে। পিছত দিম বুলি কৈ থ'ব খুজিও অনাগত ভৱিষ্যতত হাতত টকা পোৱাৰ কোনো ইংগিত নেদেখি ফাঁকি দিবলৈ তাই সাহ নকৰিলে, অথচ লাজ আৰু অপমানত তাই মৰি যোৱা যেন পালে।

কিন্তু তুমি সদায় এনেকা কেনেকে থাকিবা ? পাৰিবা হবলা ? অলপ সময়ৰ মৌনতা।

মানুহজনে তলমূৰ কৰি কিবা এটা মনত পেলাবলৈ চেষ্টা কৰি তলমূৰ হৈ অলপ সময় থাকি গিৰিসাই থিয় দি জাচমীৰ ওচৰতে থিয় দি কোমলকৈ সুধিলে—তুমি ভাতভী খোৱা নাই না ?

জাচমীয়ে তাৰ পিনে চাওঁ নাচাওঁকৈ চাই তলমূৰ কৰিলে। সি তাইলৈ চাই ৰ'ল।

নাই না? সি আকৌ সুধিলে।

ওঁহো। তাই মূৰ জোকাৰিলে।

অ'হস্—। সি সহানুভূতি জনাবলৈ হুমুনিয়াহ কঢ়াদি কৰি জেপৰপৰা কেইখনমান নোট উলিয়াই আনি দুখন দহটকীয়া নোট হাতত লৈ বাকীখিনি জেপত ভৰাই থৈ জাচমীলৈ আগবঢ়াই দি কলে—হোঁ লবি।

জাচমীয়ে তাৰ হাতৰ নোট দুখনলৈ এবাৰ চাই নিৰ্বোধৰ দৰে তাৰ মুখলৈ চাই ৰ'ল।

চৰম পাবলৈ কি আছে? মই চব জানিছে বুঢ়ীৰপৰা। টকা কুৰিটা তাইৰ হাতত গুজি দি সি কলে—

গাম দেই। কেতিয়াবা আক' আহিম।

মানুহজন ওলাই গ'ল। তাই একো নকলে। একো নামাতিলে। মাথোন একেদৰে থিয়দি থাকিল। হাতৰ মুঠিত ওলাই থকা নোট দুখন কাপোৰত ঘঁহনি খাই খচ্মচাই উঠিল। চাকিৰ শলিতাৰে পোহৰতকৈ ধোঁৱা ওলাইছে বেছি।

বৰ অবশ মনেৰে জাচমী বিছনাখনতে বহিল। যাবৰ সময়ত মানুহজনে কোৱা কথাবোৰ তাইৰ মনত পৰিল—বুঢ়ীয়ে মোক সকলোবোৰ কৈ গৈছে। লাজ পাবলৈ একো নাই। সহায়হীন সম্বলহীন, হীনাবস্থাৰ মানুহে নিজৰ আত্মম্ভৰীতাক উদ্ধত মনেৰে খামোচ মাৰি ধৰি থকা মূৰ্খামিৰ বাহিৰে আন একো নহয়। অযথা ফুটনি। তোমাৰ বিদ্যা নাই, বুদ্ধিহীন, কি পাৰদৰ্শীতাৰে তুমি অহংকাৰ কৰা? দুৰাকাংক্ষাক অনাহক প্ৰশ্ৰয় দিয়া অৰ্থহীন। মানুহ মৰো বুলি যিমান দৰিদ্ৰ হলেও মৰিব নোৱাৰে। কোহিমা নগৰৰ উপকণ্ঠত তুমি পাঁচদিন কেলেই পাঁচ মাহেও যদি নিজৰ সম্বলহীনতাৰ বাবে একো খাবলৈ নোপোৱা তথাপি কোনেও নিজৰ কাঁহীৰ এবেহা ভাত এটেপা তোমালৈ দলি মাৰি নিদিয়ে, যদি সিহঁতে তোমাৰপৰা একো

আশা কৰিব নোৱাৰে। পৃথিবীৰ কুটিলতা, স্বাৰ্থপৰতা বুজিবলৈ, মানুহক বুজিবলৈ চেষ্টা কৰিবা কাহানি ? বুজি ল'ব নোৱাৰিলে এটায়ে তোমাক গচকি ৰাখিব। তোমাৰ কাওঁবাওঁত কাৰো চকুপানী ওলোৱা দূৰৰ কথা, উভতিকে নাচাব ! স্বাৰ্থ, এটাইবোৰৰে একোটা স্বাৰ্থ, একোটা উদ্দেশ্য—প্ৰকাশ্যে হওক বা গোপনে হওক লুকাই থাকে জানিছা ? এই যে মই টকা কুৰিটা দি আজি তোমাক সহায় কৰিছো মোৰ জানো তাত কোনো স্বাৰ্থ নাই ? তুমি মোৰ টকাৰে চাউল কিনি ভাত ৰান্ধি খাই জীয়াই থকাৰ কথা যিমান ভাবিছো— তাতোকৈ বেছি ভাবিছো—এই টকাৰে তুমি চাউল কিনি মধু বনাই বিক্ৰী কৰি মোৰ ঘৰ ভাড়া দিয়াৰ কথাহে ! তাত মোৰ ব্যৱসায়ী বুদ্ধি আছে। তোমাক মোৰ ওচৰত ঋণী কৰি ৰাখিছো, তোমাৰপৰা বহুত আশা কৰি !

খোলাখুলিকৈ বহুতো কথাকে কৈ গ'ল মানুহজনে। যিহকে শংকা কৰিছিল, তাৰে ইংগিত দি গ'ল সি। তাই প্ৰতিবাদ কৰিব নোৱাৰিলে। মূক হৈ থিয় দি ৰ'ল। সঁচা—তাৰ কথাই সঁচা ! মোৰ কিটো আছে, যি লৈ মই গৰ্ব কৰিব পাৰো ? মোৰ কোন আছে— যাৰ ওচৰত মই অভিমান কৰিব পাৰো ? কোনো নাই—মোৰ কোনো নাই। সহায় নাই। সম্বল নাই। মই বৰ নিঠৰুৱা এই পৃথিবীত ! টকা—টকা লাগে মোক। বহুতো টকা ! জীয়াই থাকিবলৈ। মানুহৰ দৰে মূৰ তুলি খোজ কাঢ়িবলৈ। টকা ! জীৱন ! ঐশ্বৰ্য্য ! সন্তুষ্টি !!

জাচমী স্থলনি হৈ গ'ল। দহটকীয়া দুখন নোটৰ আয়তনে তাইৰ উদ্ধত মনটোৰ সকলোবোৰ যেন ওলট-পালট কৰি দিলে। এটা ৰাতিৰ উজাগৰী চিন্তাই তাইক অন্য পথত আগবাঢ়ি যাবলৈ উৎসাহ দিলে। কাবেঙ্গি নোট দুখনে সেই বাটত আলোক মালা সজাই দিলে।

শেষ নিশা উচপ্ খাই উঠি বহিছিল জাচমী। ভাবি ভাবি শেষ নিশা চিল্‌মিলিয়াকৈ অহা টোপনিত তাই দেখিছিল—অসংখ্য মানুহ তাইৰ ঘৰটোত ভৰি পৰিছে। মদ বিচাৰিছে, মধু বিচাৰিছে; মাতালবোৰে অধৈর্য হৈ তাইক কিবা-কিবি কৈছে। কোনোবাই তাইৰ মুখলৈ চিগাৰেটৰ ধোঁৱাবোৰ এৰি দিছে। খিল্‌খিলাই অশ্লীল হাঁহি মাৰিছে। তাইৰ ব্লাউজৰ ফাঁকেদি কোনোবা মাতালে এসোপা টকা গুজি দি আনখন হাতেৰে তাইৰ কঁকালত সাবটি ধৰি গালৈ টানিছে। বতলৰপৰা আৰু মুখেদি ওলাই অহা মদৰ গোন্ধৰ লগতে চেণ্টৰ উগ্ৰ গোন্ধ। চিঞৰ-বাখৰ। ঠাট্টা-বিদ্রূপ। নীৰবে আৰু অস্বাভাবিক মোহনীয়া হাঁহিৰে সিহঁতৰ মাজত ঘূৰি ফুৰিছে জাচমী। ক্লান্তি নাই। শ্ৰান্তি হীন নিশাৰ মুহূৰ্তবোৰ। বহুতৰ বুকুত মূৰ গুজি হাঁহিছে, জোকাইছে, অশ্লীল কথা কৈছে। ব্লাউজত সুমুৱাই লোৱা টকাবোৰে তাইক বিন্ধিছে। বুকুখনৰপৰা যেন তেজ ওলাই আহিব খুজিছে। বিষাইছে।

ভীষণ অস্বস্তিৰে মূৰত জ্বৰ উঠা অথচ শুশ্ৰূষাহীন নৰিয়াৰ দৰে বিছনাখনত তাই চাটিফুটি কৰি বহি পৰিছিল। ব্লাউজৰ ফাঁকত গুজি থোৱা সেই নোট দুখন সোতমোচ খাই সোমাই আছে। থৰ লাগি বহি বহি তাই শুনিছিল দূৰৈত কুকুৰাই ৰাতিপুৱাৰ ৰাও কঢ়া।

তুমি মধু বিক্ৰী কৰিবলৈ তেনেহলে বাদ দিলা কিয়? কমলে লাহেকৈ সুধিলে।

বাদ নিদিলে লাল মাটিৰ বোকা আৰু পানীৰ মাজত আপুনাৰ লগতে চিনাকি হবলৈ কেনেকৈ আছিলে?

তাই হাঁহি হাঁহি প্ৰশ্ন কৰিছিল সঁচা; কিন্তু সেই হাঁহি নাছিল মুকলি। বেদনাৰ প্ৰদোষ অন্ধকাৰে ছাঁ পেলাইছিল তাত। তথাপি

জাচমীয়ে হাঁহিছিল। জীৱন-গাথা কৈ যাওঁতে চকুৰ পানী টোকা আৰু বেদনাময় কাতৰতাত কথাৰ মাজতে থমকি বৈ বৈ কথা কোৱা ছোৱালীজনীয়ে হাঁহি দিয়াত কমলৰ ভাল লাগিছিল।

সঁচাকে কোৱাচোন।

মধু বিক্ৰী কৰিবলৈ বাইধ হলেভী মনটু হলে একে থাকিলে চিয়াৰ বাবু! অকস্মাতে একদিন এটা ঘটনা হল।

তাই কথাটো যেন লাজতে শেষ কৰিব নোৱাৰি বৈ গ'ল। তাই তাইৰ সেই অবস্থাটোত সহজ হ'বলৈ কপালৰ ওপৰত ওলমি থকা কেইডালমান চুলি আঙুলি এটাত পকাবলৈ ধৰিলে।

কি কথানো হ'ল?

এ—ই, একজন টেৰফিমাকে ভাল পালে মই। জাচমী লাজত ৰঙা পৰিছিল।

টেৰফিমা মানে?

আপুনিবিলাক—মানে, অঁা, আৰে কি, ক'তপৰা আহা বুলি কয়, ইস্ পাহৰিলে!

ভৈয়াম?

হয় হয় ভূয়াম। ভূয়ামৰ মানুহ।

তাৰ পিছত?

—তাৰ পিছত দুৰাকাংক্ষী গাভৰু জাচমীৰ জীৱনৰ এটা নতুন অধ্যায়।......

মধুৰ ব্যৱসায়। জীৱন-যুদ্ধত জীয়াই থাকিবলৈ জাচমীয়ে বিদায় দিলে মনৰ শংকোচ, সংকীৰ্ণতা, আত্ম-সম্মানবোধ। আকৌ পুৰণি গ্ৰাহকবোৰ দুই এজনকৈ তাইৰ ঘৰলৈ আহিবলৈ আৰম্ভ কৰে। তাইৰ বহুতো পৰিবৰ্তন হৈছে। গ্ৰাহকৰ চকুত ধৰা পৰে। জাচমীয়ে হাঁহিবলৈ শিকিছে। মন ভাল লগা কথা ক'বলৈ শিকিছে। চকুৰে

চাই হাঁহিব জানে, চকুৰ ইংগিত বুজিব পাৰে। সন্ধিয়াবোৰত তাই অতি ব্যস্ত হৈ পৰে। সাজ গঢ়ি ৰাতি হয়। তাই গমকে নাপায়। হাতৰ প্লাষ্টিকৰ বালাই মধুৰ বতলত খুন্দিয়াই ঠুং-ঠাং শব্দ কৰে। ব্যস্ততাত তাই বুকুৰ কাঁচলি আঠুৰ ওপৰলৈ বাগৰি পৰে, চিল্কৰ চাদৰ কান্ধৰপৰা বাগৰি পৰিবলৈ বিচাৰে; কিন্তু পিছলি যাবলৈ নিদিয়ে তাইৰ মনটো। মিচিকিয়া হাঁহিৰে চাদৰখন কাৰোবালৈ চাই তুলি লৈ মনটোক ধৈৰ্য ধৰায়। পিছল সাঁকো বগোৱাৰ সাবধানতা শিকে। প্ৰত্যেকটো সন্ধিয়াকে তাই দাম দি কিনি ৰাখিবলৈ যত্ন কৰে।

বৈচিত্ৰহীন দিনবোৰ পাৰ হৈ যায়। বহুতো মানুহ, বহুতো কথা। হাঁহি-ৰগৰ। এটায়ে হাঁহে। হাঁহি আৰু মধুময় কথাৰ বাহিৰে অন্য চিন্তা কৰিবলৈ কোনোটো সন্ধিয়াতে তাই সুৰুঙা বিচাৰি নাপায়। তথাপি বহুতো নিশা যেতিয়া গ্ৰাহকবোৰক এজন দুজনকৈ অতি সাবধানে বিদায় দি জুপুৰি ঘৰটোত অকলশৰীয়া হৈ পৰে তেতিয়া তাই উপলব্ধি কৰে যে তাই সঁচাকৈয়ে অকলশৰীয়া! অসম্পূৰ্ণ জীৱনটোত তাই বিচৰা একোকে সঁচায়ে পোৱা নাই তাই। শুই শুই তাই চিন্তা কৰে। শৰীৰৰ ক্লান্তিয়ে চকুলৈ টোপনি আনি দিব নোৱাৰে। গাৰু এটা বুকুত লৈ বহুতো ৰাতিলৈ বহুত কথা ভাবে। বহুত কথা। চিনাকি মানুহবোৰৰ ছবি মনত পৰে। ক'তা কাকোতো তাই নিজৰ বুলি ভাবিব নোৱাৰে। সেই ঘৰ ভাড়া দিয়া মানুহজন? উঁহো। হ'ব নোৱাৰে। কিমানৰ হাতৰ বান্ধোনৰপৰা তাই সাবধানে বাটবুলি ওলাই আহিছে, কিমানক কিমান ধৰণৰ শিয়াল বাগী মাৰিছে। মদপী-মাতালক ফাঁকি দিব পাৰি; কিন্তু নিজক? নিজৰ আত্মাক? বুকুভৰা কামনা-বাসনাবোৰে প্ৰাণ নোপোৱাকৈয়ে মৰহি যাব! মোৰ অন্তৰৰ অনুভূতিবোৰ জানো কাৰো বুকুৰ স্পন্দনত মিলি নাযাব? কেতিয়া, হে প্ৰভু,

সেই ক্ষণ কিমান দূৰত? জাচমীয়ে উচুপি উচুপি কান্দে। প্ৰাণে প্ৰাণৰ পৰশ নোপোৱাৰ বেদনাত তাই অধীৰ হৈ কান্দে।

নিশাৰ সেমেকা বতাহ এজাক সৰল গছৰ পাত চুই সোঁ-সোঁৱাই গুচি যায়।

জেঠ মাহৰ এটা সন্ধিয়া। গোটেই দিনটো বৰষুণ কিন্ কিন্কৈ দি আবেলি বতৰ মুকলি কৰিছিল। শুকান মাটিবোৰ বৰষুণ পাই কোমল হৈ পৰিছিল। নীলা আকাশত পাতল ছাই ৰঙৰ সাঁচ। প্ৰতিফলিত জোনাকৰ ৰশ্মি। সেই জোনাকতে সেইদিনা জাচমী বজাৰৰপৰা উভতিছিল। ঘৰ পাবলৈ আৰু কেইখোজমান বাকী। তাই আহি থকা বাটটোৰ দাঁতিতে নাচপতি গছ জোপা। গছজোপাৰ বুঢ়া হালধীয়া পাতবোৰৰ কাষে কাষে কুঁহিপাতবোৰ। কুমলীয়া পাতবোৰত জোনাক পৰি সোণালী ৰঙ ধৰিছিল। বুঢ়া পাতবোৰৰ কাণত ওলমি আছে দুই এটোপাল বৰষুণৰ কণিকা।

জাচমী থমকি থিয় দিলে। গছডালৰ তলত এজন মানুহ। গা-গছজোপাত আঁউজি থিয় দি থকা বাবে গাত পোহৰ ভালদৰে পৰা নাই। মানুহজনে হেলনীয়া ডাল এটাত খামোচ মাৰি ধৰি গা-গছত গাটো ওলোমাই থিয় দি আছে। দুয়োখন হাতৰ মাজেদি মূৰটো বুকুৰ পিনে ওলমি পৰিছে। তাই মানুহজনলৈ চালে। চিনি নাপালে। জাচমী অলপ সময় তাতে থিয় হৈ ৰ'ল। জোনাক-খিনি অলপ পিছতে উজ্বল হৈ উঠিল।

হেই—! চিনি নোপোৱা মানুহজনক উদ্দেশ্য কৰি তাই মাতিলে। সি নামাতিলে। তাই মানুহজনক এৰি যাবলৈ মন নকৰিলে। এই ঠাইখনত বহুত অবস্থাত, বহুতো বিভিন্ন সময়ত, বহুতক লগ পাইছে জাচমীয়ে। মদৰ নিচাত পৰি থকা মাতালক ডেই

গৈছে কিমান দিন; কিন্তু এই মানুহজনৰ অচেতন, ক্লান্ত মুখখনলৈ তাইৰ পুতৌ উপজিছিল।

হাতত লৈ থকা মোণাখন কান্ধত ওলোমাই চাদৰখন কান্ধত ভালকৈ লৈ মানুহজনৰ বাউসীটো ধৰি তাই জোকাৰি দিলে। কেইটোপালমান বৰষুণৰ পানী মাথোন সৰি পৰিল। তাইৰ বাওঁ কান্ধখনত তাৰ সোঁ বাহুটো লৈ বাওঁহাতখনেৰে সি ধৰি থকা হাতখন লাহেকৈ এৰুৱাই আনিলে।

ওঁহ্—! সি গোঁগোৱাই উঠিল। তাইৰ কান্ধৰ ওপৰত তাৰ মূৰটো ওলমি পৰিল। তাৰ কঁকালটোত সাবট মাৰি জাচমীয়ে তাক টানি চোঁচৰাই ঘৰলৈ লৈ গ'ল। তাইৰ মনটোত কিবা এটা আনন্দ লাগিছিল। সেই আনন্দৰ উত্তেজনাৰ মাজেদি কেনেকৈ, কোনপিনে তাই অজ্ঞান মানুহজনক ঘৰ পোৱালেহি ভাবিকে নাপালে। বহুতো ৰাতিলৈ তাই সেই ডেকাজনৰ ওচৰত বহি থাকিল। এটা আবেগত তাই তাৰ কপালত হাত বুলাই দিছিল। বুকুত হাতখন দি যেন কিবা নোকোৱা কথাবোৰ উলিয়াই আনিবলৈ চেষ্টা কৰিছিল। অচেতন মানুহজন শুই আছিল তাইৰ বিছনাত। তাৰ ওচৰত বহি থাকি তাইৰ আমনি লগা নাছিল। ক'ৰবাত কুকুৰা এটাই ৰাও কাঢ়িলে। পুৱতি নিশাৰ সংকেত। কোনোবা এঘৰত বুঢ়া মানুহ এজনে বহুত সময় কুহুৰ্ কহুৰ্ কৰি কাঁহি আকৌ টোপনি গ'ল। কেচুৱা এটাৰ কান্দোনৰ শব্দ জাচমীৰ কাণত পৰিল। মাকৰ বুকুৰপৰা কেচুৱাটো চাগে' আঁতৰি গৈছে। মাকজনীৰনো এনে মৰ টোপনিনে? আয়ে দেহি! কেচুৱাটোৰ কথা ভাবোতে তাই মানুহজনৰ মুখলৈ চাইছিল। তাইৰ লাজ লাগি গ'ল।—মোৰ কেচুৱাটো নহয়! তাই নিজে নিজে কৈ হাঁহিছিল।

ৰাতিপুৱাৰ বতাহ এচাটি ভিতৰলৈ সোমাই আহিল। জাচমী

গাটো লবাই বহিল। বেবৰ স্নুকঙাবে অকণি পোহৰ সোমাই আহিল। লাহেকৈ তাই লেমটো কমাই দিলে।

সি সাৰ পাইছিল। বহুতো সময় শোৱাৰ পিছত সাৰ পোৱাদি সি উঠি বহিছিল। জাচমী ওচৰতে বহি আছে। সাৰ পোৱা মানুহজনক ওচৰতে পাই তাইৰ লাজ লাগিল। যেন আচৰিত হৈছিল—অস্বাভাবিক পৰিবেশ এটাত নিজকে দেখি।

ভাল পাইছে জানো? তাই সুধিলে। সি তাইৰ মুখলৈ চাই থাকিল। একো বুজি পোৱা নাই যেন।

মোৰ ঘড়ীটো? সি তাৰ ঘড়ীটো হাতত বিচাৰি নাপাই সোধো নোসোধোকৈ প্ৰশ্ন কৰিলে।

বেবৰ খুটাত ওলোমাই থোৱা কোটটোৰ জেপৰপৰা ঘড়ীটো আনি তাৰ হাতত তুলি দি ক'লে—চবটু আছে। নীৰবে সি ঘড়ীটো হাত পাতি ললে।

অলপ সাবধানে চলিলেহে ভাল হবলা! তাই যেন কথাবাৰত কৰ্তৃত্ব চলাব খুজিছে। মানুহজনে কিবা ভাবি বহি থাকিল। ক'বলৈ হয়তো কথা নাছিল। একো নামাতিলে। অলপ পিছতে বহাৰপৰা উঠিল।

কি কৰে?

যাওঁগৈ।

চাহ নাখায়?

আছে নেকি?

মাখোন,মধুহে থাকে বুলি ভাবে? নে মধুহে খাব, হোঁ? সহজ-ভাৱে জাচমীয়ে মুখ টিপি হাঁহিছিল। অচিনাকি ডেকাজনলৈ ওপজা মৰমখিনিৰ আলম লৈ তাইৰ তাৰ লগত ধেমালি কৰিবৰ মন গৈছিল।

দুৱাৰমুখৰ খুটাটোত ধৰি জাচমী থিয় হৈ ৰ'ল। মানুহজন

তাইৰ কাষেদি লাহেকৈ ওলাই গ'ল। সেমেকা বনবোৰত শব্দহীন প্ৰতিটো খোজৰ চাপ একোটা পৰি ৰ'ল। তাইৰ অন্তৰবো কোনোবা এটুকুৰাত মানুহজনৰ ছবি সাঁচ বান্ধি ৰ'ল। ৰাতিপুৱাৰ ৰঙচুৱা মিঠা ৰ'দবোৰ জাচমীৰ ভৰি দুখনত পৰিছিল। কুহুমীয়া উমখিনি তাইৰ ভাল লাগিল। ইমান সহজে মানুহজন ওলাই যাব পাৰিলে। যাওঁগে বুলি বৰ সৰুকৈ নিজকে নিজে কোৱাদি কৈ কোটৰ বুতামটো এখন হাতেৰে পিটিকি পিটিকি ওলাই গ'ল।

আকৌ আহিব? সি দুৱাৰমুখ পাওঁতে তাই প্ৰশ্ন কৰিলে। উত্তৰ পাবলৈ ব্যগ্ৰ হৈ তাই তাৰ মুখলৈ চালে। সি কিবা এটা উত্তৰ দিলে। তাই বুজি নাপালে। হুমুনিয়াহ এটা কাঢ়ি জাচমী ভিতৰ সোমাই আহিল।

সেইদিনাৰেপৰা জাচমীয়ে প্ৰতিটো প্ৰভাতকে স্বাগত আদৰণী জনালে। উষাৰ হেঙুলী কিৰণৰ মাজত তাই দেখা পালে তাইৰ জীবন-বসন্তৰ সোণালী ৰহণ। প্ৰাণৰ গভীৰ কোণৰপৰা ওলাই আহিল যৌবনৰ উম সনা ভালপোৱাবোৰ। ইমানদিনে ব্যৰ্থতা আৰু দৈন্যতাই নিষ্ঠুৰভাৱে চেপা খুৱাই ৰখা নগা বজাৰৰ এমূৰৰ অকমানি ঘৰটোত তাইৰ আত্মাই প্ৰাণ পালে;—প্ৰতিভাত হৈ উঠিল নব-জীবনৰ পোহৰেৰে। প্ৰকাশ বৰুৱাৰ মৰমৰ পলসত তাইৰ ভঙা মনটোৱে ঠন ধৰি উঠিবলৈ, জীবনক নতুন ৰূপ দি পৃথিবীৰ মৰমী বুকুত জীয়াই থাকিবলৈ তাইৰ অন্তৰত জাগি উঠিল অসীম স্পৃহা।

প্ৰকাশ বৰুৱা। মদৰ নিচাত অচেতন হৈ নাচপতি গছত আঁউজি থিয় দি থকা ডেকাজন। জাচমীয়ে আদৰি আনিলে প্ৰকাশক। তাইৰ বুকুৰ কোমল অনুভূতিবোৰক ছন্দে ছন্দে ৰূপ দি কোনোদিন প্ৰকাশ নাপাব বুলি আশংকাৰে দিন কটোৱা

যৌবনৰ মধ্যাহ্নত বহি হুমুনিয়াহ কঢ়া গাভৰুজনীয়ে স্বীকৃতি দিলে তাৰ ভাল পোৱাক। জীবনত লগ পালে দ্বিতীয় পুৰুষক। এদিন জোচেফে জাচমীক কথা দিছিল। আজিও সাক্ষী আছে সেই বুঢ়া আঁহতজোপা। জোচেফে সহজভাৱে কথা দিছিল—'মই তোমাক বিয়া কৰাম জাচমী।' আনন্দ আৰু হৰিষত তাই তালৈ চাব পৰা নাছিল। কেবাদিনো কৰি অহা সেই প্ৰশ্নটোকে জাচমীয়ে তালৈ দোহাৰিছিল—মোক বিয়া কৰাই তুমি জানো সুখী হ'ব পাৰিবা ?

কিয় ?

তোমাৰ মাবা-দেউতাৰা ?

কথাষাৰ শেষ কৰিব দিয়া নাছিল জোচেফে। ৰঙা বেলিটোৰ ৰঙা পোহৰৰ ৰেশবদৰে জাচমীৰ মুখখন ৰঙা পৰিছিল। জোচেফে তাইৰ ওঁঠ দুটা তাৰ ওঁঠ দুটাৰে চেপা মাৰি ধৰি থাকি কৈছিল—এইবোৰ কথা আৰু নোসোধা যেন! দেই ?

দিনবোৰ পাৰ হৈছিল। শেষ হৈছিল জাচমীৰ সপোন বুলীয়া কল্পনাৰ। তাইৰ কল্পনাৰ সমাধি হ'ল জোচেফৰ অকাল মৰণৰ লগে লগে। তাইৰ কান্দোনে জোচেফক ঘূৰাই আনিব নোৱাৰিলে। বুকু ফটা হুমুনিয়াহে তাৰ স্থবিৰ দেহত প্ৰাণৰ সঞ্চাৰ কৰিব নোৱাৰিলে।

জোচেফৰ কথাবোৰ সেইদিনাও তাইৰ মনত পৰিছিল। সজীৱ আৰু খুব স্পষ্টকৈ জোচেফৰ মুখখন তাইৰ মনত বাৰে বাৰে ভাহি উঠিছিল। চকুপানীবোৰ ধাৰাসাৰে বৈ গৈছিল। জাচমীয়ে অদৃশ্য জোচেফৰ আত্মাক সম্বোধন কৰি কৈছিল—তুমি মোক ক্ষমা কৰা জোচেফ! জীয়াই থাকিবলৈ যি ঘৃণণীয় বৃত্তি হাতত লৈছো—তাৰ মাজেদি বহুতো পুৰুষৰ সংস্পৰ্শলৈ আহিছো; কিন্তু কাৰো প্ৰতি ঘৃণাৰ বাহিৰে অকমানো মোৰ অন্তৰত চেনেহৰ উদ্ৰেক হোৱা নাই। কালৈকো মোৰ অন্তৰখনে হাহাকাৰ কৰি উঠা নাই।

স্বীকাৰ নকৰি কেনেকৈ—ময়ো তেজ-মঙহৰে মানুহ! তুমি আঁতৰি গ'লা সঁচা; কিন্তু বৈ গলো মই। থাকি গ'ল মোৰ অন্তৰৰ কামনা, বুকুৰ মৰম, ভালপোৱাৰ দুৰ্জয় স্পৃহাবোৰ। মই তোমাক ফাঁকি দিব নোৱাৰো, মোৰ বুভুক্ষিত আত্মাৰ আৰ্তনাদ তুমি শুনা নাই বুলি ক'ব যে নোৱাৰো! তুমি মোক শুভ ইচ্ছা জনোৱা, মোৰ জীৱনৰ প্ৰথম পুৰুষ! মই কৃতকাৰ্য হৈছো—বোকাৰ মাজত থাকিও মৰা শামুকৰ খোলাকে জীৱনৰ সৰ্বস্ব বুলি সন্তুষ্ট থকা নাই, অন্বেষণত বিচাৰি পালো—পঙ্কজ। মই প্ৰকাশক পালো। মোক আশ্ৰয় দিব পৰা, নিৰ্ভয় দিব পৰা, নিৰ্ভৰশীল প্ৰকাশক পাইছো। মোৰ নিঃস্ব জীৱনটোৰ অৱলম্বন।

প্ৰকাশ বৰুৱা—। জাচমীৰ তালৈ সদায় আহিছিল। জাচমীয়ে ইতিমধ্যে মধুৰ ব্যৱসায় বন্ধ কৰি দিছিল। বহুতো সন্ধিয়াৰ গ্ৰাহকক তাই প্ৰত্যাখ্যান কৰি উভতাই পঠাইছে। জাচমীয়ে বেয়া পায়, তাই নিৰ্বিচাৰে প্ৰকাশ চুপ চাপ তাইৰ ওচৰত উদাসীন মনে কিবা ভাবি বহি থকাটো। তাৰ জানো ক'বলৈ একো নাই? সুধিবলৈ? তায়ো তাৰ বিপৰীত পিনে বহি থাকে। মনটোৱে উচ্-পিচাই। নীৰবে বহি বহি আমনি লাগে। দুই এষাৰ কথাহে কিয়, বহুতো জানো পাতিব নোৱাৰি!

তোমাৰ অন্তৰত যি বেদনাৰ বোজা, যি বিষাদ তুমি সদায় বহন কৰি আহিছা, তাৰ ভাগ মোকো দিয়া প্ৰকাশ। মোক নোকোৱা কিয়, তুমি কি ভাবি থাকা। মই জানো তোমাৰ কোনো নহওঁ? এদিন তাই প্ৰকাশৰ নিচেই ওচৰতে বহি কাণৰ কাষত মুখখন ডিঙিত সাবটি ধৰি সুধিছিল।

হেৰোৱা অতীতৰ মাজৰপৰা প্ৰকাশে দাঙি ধৰিছিল তাৰ জীৱনৰ এক পৰাজয়ৰ কাহিনী। সেইদিনা তাই তাৰ মুখলৈ ৰ' লাগি চাই চাই শুনিছিল—প্ৰকাশৰ বেদনা-বিধুৰ জীৱনৰ কথা—

ভৈয়ামৰ কোনোবা এখন সৰু নগৰৰ প্ৰকাশ বৰুৱা আৰু অনতিদূৰৰ সবিতা ভট্টাচাৰ্য। শৈশবৰ অনুভূতিবোৰৰ মাজেদি সিহঁতে আগ বাঢ়ি গঢ়ি তুলিছিল এক অদূৰ ভবিষ্যতত দুয়োৰে মিলন-স্বপ্ন। সেই সপোনক গঢ় দিবলৈ, ৰূপ দিবলৈ আগ বাঢ়োতে সিহঁতে পাহৰিছিল ধৰ্ম আৰু সামাজিক বৈষম্যৰ কথা। মাথোন সিহঁতৰ ইটো মনে বিচাৰিছিল সিটো মনৰ গভীৰত প্ৰবেশ কৰি এখানি শান্তিৰ মাজত নিৰিবিলি আশ্ৰয় ল'বলৈ। সেই বৈষম্যৰ কথা মনত পেলাই দুয়ো এদিন মন বান্ধিছিল অবস্থাৰ প্ৰতিকূলতাক দেই যাবলৈ। দুয়ো হাতত ধৰাধৰি কৰি আগ বাঢ়ি যাব জীৱনৰ নতুন পথত।

অন্তৰ আকাশ উজলাই তুলিব নোৱাৰিব প্ৰকাশ ককাইদেউ! সবিতাই প্ৰকাশৰ বুকুত মুখ লুকুৱাই কোনোবা এটা নিজন সন্ধিয়া পূবালিৰ শুকতৰাটোলৈ চাই কৈছিল।

অসমীয়া মধ্যবিত্ত পৰিয়ালৰ ছোৱালীয়ে কিতাপৰ মাজত আঁক টনা কাগজৰ পিঠি ভৰাই বহুতো কথাৰে কাৰবাক প্ৰেম নিবেদন কৰিব পাৰিলেও, কোনো নথকা সুযোগতে কোনোবা ডেকাৰ বুকুত মুখ গুজি ভগা হিয়াৰ গুপুত বাতৰি জনাবলৈ সাহস কৰিলেও মাক-বাপেক আৰু তথাকথিত ন্যায়দণ্ডধাৰী সমাজৰ বৰমূৰীয়া-সকলৰ দুৰ্জয় সামাজিক ব্যৱস্থাৰ বন্ধন ছিঙি যাবলৈ সাহ কৰি আগ বাঢ়িব নোৱাৰে ।—নোৱাৰিলে সবিতায়ো।

আমাৰ মিলন যে অসম্ভৱ প্ৰকাশ ককাইদেউ! সবিতাই ভগা সুৰে এদিন প্ৰকাশক কৈছিল। ইতিমধ্যে মাক-বাপেকে তাইৰ বিয়াৰ ব্যৱস্থা কৰিছিল।

তুমি বোধহয় শুনিছা যে এই মাহতে মোৰ বিয়া? তেনে-হলে?

আমাৰ গোপন প্ৰেম গুপুতে থক। কামনা কৰো, সিটো জনমত যেন আমাৰ মিলন হয়।

তুমি জানো প্ৰতিবাদ কৰিব নোৱাৰিবা সবিতা ?

অসম্ভব !

অন্য ব্যবস্থা ?

কোনোটোৱেই সম্ভব নহ'ব। হ'ব কেনেকৈ মা-দেউতাৰ প্ৰথম সন্তান হৈ তেনেকুৱা কিবা এটা কৰিলে দহে হাঁহিব, মা-দেউতাৰ মুখত ছাই সানি দিয়া হ'ব, মোৰ তলৰবোৰে হয়তো আৰু ব্যভিচাৰ কৰিব। সমাজে কলংক দিব—মা-দেউতাক, সাতো পুৰুষক !

এইবোৰ কথা নভবাকৈয়ে ঈশ্বৰৰ নামত তুমি প্ৰতিজ্ঞা কৰি কৈছিলা কিয়—তুমি মোৰেই হ'বা ?

যৌবনৰ চঞ্চলতা আৰু সাময়িক মোহে মোক......

আৰু নক'বা সবিতা !

চকুৰ পানীৰে সবিতাক, যৌবনৰ প্ৰথমা নাৰীক কল্পনাৰ সোণৰ সংসাৰৰ সহযোগী প্ৰেমিকাক বুকু ভঙা বেদনাৰে বিদায় দিছিল প্ৰকাশে।

কোনোবা এটা ফাগুন মহীয়া নিশা পিতৃ-মাতৃৰ চৰণ চুই, তেত্ৰিশ কোটি দেৱতাৰ নাম লৈ, অগ্নি-বায়ু সকলোকে সাক্ষী কৰি পতি দেৱতাৰ চৰণত সবিতাই জীৱনত 'প্ৰথম বাৰৰ' বাবে দেহ-মন সমৰ্পি দিলে।

কিছুদিনৰ পিছত মনৰ অশান্তিৰে অ'ত ত'ত ফুৰি প্ৰকাশ বৰুৱা নগা পাহাৰ পাইছিলহি। চাকৰি এটাৰ ব্যবস্থা কৰি দিলে এজন বন্ধুৱে। হৈ যোৱা ঘটনাটো পাহৰিব পৰা নাই সি। অতীতক পাহৰাৰ উপায় চিন্তা কৰি সি নগা পাহাৰ পাইছিলহি। মদ খাই হয়তো চিন্তা-ভাবনাৰ হাত সাৰিব পাৰি !

আৰু প্ৰথম দিনাখন মদ খায়েই চেতনা হেৰুৱাই প্ৰকাশে পালে জাচমীৰ শুশ্ৰূষা।

অৰ্থাৎ আমাৰ বেদনাৰাশি পাহৰি যোৱা প্ৰকাশ! সবিতাই জাউ থৈ যোৱা তোমাৰ বুকুখন জানো মোৰ মৰমে ন-কৈ গঢ়ি দিব নোৱাৰিব ?...

দিনবোৰ আগ বাঢ়িছিল। আশাই প্ৰাণ পোৱাৰ আনন্দত জাচমীয়ে প্ৰতিটো দিনকে উজ্জ্বল দেখিছিল। দেখিছিল ফাগুন বুলীয়া সপোন।

কিন্তু মই নোৱাৰিলো চিয়াৰবাবু! মই নোৱাৰিলো! বৰ দুখেৰে হুমুনিয়াহ কাঢ়ি কলে জাচমীয়ে।

মানুহৰ সুখ-দুখ আছেই।

সেইটো মইভী জানে। কিন্তু মোৰ এই হাত দুখনতেহে জুই আছে। কিবা ধৰিবলে চালে মানে চৰটু পুৰি ছাই হৈ যায়। বিক্ষোভৰ সুৰত, বিৰক্তিৰে কৈ হাত দুখন তাইৰ চকুৰ আগত মেলি ধৰিলে।

প্ৰকাচকো মই ধৰি ৰাখিবলৈ নোৱাৰিলে।

অলপ সময়ৰ নীৰবতা। তাই যেন কথাৰ আঁত হেৰুৱাই পেলাইছে। জাচমীৰ চকুৰেদি গিৰ্‌গিৰকৈ চকুপানীবোৰ বাগৰি আহিল। হাত দুখনৰ মাজত তাই মুখখন গুজি দিলে।

প্ৰকাশ গ'ল। মই ধৰি ৰাখিব নোৱাৰিলো। অশেষ ধৈৰ্যৰে ৰক্ষা কৰি অহা নিজৰ ইজ্জতকো শেষ মুহূৰ্তত সপি দিবলৈ বাধ্য হলো নিজৰ অজানিতে। অলপ আগতে জাচমীয়ে কোৱা কথাখিনি তাইলৈ চাই চাই কমলে ভাবিলে।

জাচমীয়ে তেতিয়াও উচুপিছিল। সোণৰ বেণু জিলিকি থকা নৈৰ বালিত কোনোবা সদাগৰে সঞ্চিত ধনৰ সৰ্বস্ব হেৰুৱাই সোণৰ খনি বিচাৰি শেষ কৰি পেলোৱাদি জীৱনত সুখ বিচাৰি অ'ত ঠেকা খাই, ত'ত খুন্দা খাই নিঠৰুৱা হৈ পৰা ছোৱালীজনীলৈ কমলৰ বেয়া লাগিল।

প্ৰকাচে মোক এৰা নাছিলে চিয়াৰবাবু। মইহে নোৱাৰিলে, কিবা ভুল হৈ গল। সিটোভী মোৰ জীবনৰ এটা ট্ৰেজেডী! জাচমী অলপ সময় নীৰবে কিবা ভাবি যেন সহজ হৈ উঠিছিল।

প্ৰকাশৰ বুকু ভৰা মৰমৰ মাজতে তাই জীয়াই থাকিবলৈ বিচাৰিছিল। মদৰ ব্যবসায়, মনে নিবিচৰা পৰিবেশৰ মাজৰপৰা ওলাই আহিবলৈ তাইৰ যি আন্তৰিক আকাংক্ষা সেই আকাংক্ষা সফল হৈছিল।

দুৰ্দশাগ্ৰস্ত দিনত টকা দি সহায় কৰা ঘৰৰ গৰাকী নগা ডেকাজনে দিনে দিনে তাইৰ ওচৰ চাপিবলৈ চেষ্টা চলাইছিল। সহজভাৱে জাচমীয়ে তাক কৃতজ্ঞতা জনাইছিল—দুৰ্যোগৰ সময়ত সি আহি সহায়ৰ হাত আগ বঢ়োৱাৰ বাবে। সি হাঁহিছিল। জাচমীয়ে হাঁহিছিল। তাৰ হাঁহিৰ আঁৰত লুকাই থকা লোলুপতাখিনি তাই বিচাৰি উলিয়াব জনা নাছিল। মদৰ ব্যবসায় কৰা দিনবোৰতো সময়ে-অসময়ে আহি সি ঘণ্টাৰ পিছত ঘণ্টাকৈ বহি মধু খাই পইচা দি গুচি গৈছিল।

জাচমীয়ে আমনি পাইছিল। টকাৰ বাবে ব্যবসায় কৰিও এই মানুহজনৰ টকা দি মধু খোৱা স্বভাবটো তাইৰ পছন্দ হোৱা নাছিল। এটকাৰ ঠাইত দুটকা দি ইমান উদাৰতা দেখুওৱাৰ কি প্ৰয়োজন? বহুতো নিশা কেতিয়াবা সি আন ঠাইত মদ খাই তাইৰ বিছনাত শুই থাকেহি। জাচমীৰ কাকুতি-মিনতি আৰু শেষৰ গালি-শপনিবোৰ সি নীৰবে সদায় শুনিছিল। তেনেকুৱা প্ৰত্যেকটো নিশাতে তাই জুহালৰ পীৰা এখনত বহি বহিয়েই কটাই দিছে।

এদিন জাচমীয়ে তাৰপৰা লোৱা টকা কুৰিটা ঘূৰাই দিওঁতে গহীনাই সি কৈছিল—খুব টকা জমা হৈছে হবলা?

বেচি নহলেভী লোকৰ টকা ঘূৰাব লাগে।

আচ্ছা হব, মোকে ঘূৰাব নালাগে। ৰাখি দিবি।

নাই নালাগে। মোৰ বিপদ দিনতে সহায় কৰা নিমিত্তে মই খুব খুচী পাইছে। হোঁ ইতিয়া লবি—

নালাগে। তোকে বক্‌চিচ্ দিছে মই। আচ্ছা, তোকে বিপদ দিনতে সহায় কৰা নিমিত্তে মোকে অলপ মৰমভী নকৰিব নেকি?

কেনেকা? আহিছে মধু খিলাইছে! কেতিয়াবা টান কথা কৈছে মই? কিবা দুখ দিছে?

এঃ তেনকাহে কৈ থাকিছে! ক'ত দুখ দিবি তই? তই দুখ দিলে ভী মই খুচী পাবলৈহে আছে। সি ঢেক্‌ঢেকাই হাঁহিলে।

জাচমী গম্ভীৰ হৈছিল।

বুজিচ, মোৰ হৰ টকা আছে! টকা নিমিত্তে এক্কু চিন্তা নাই।

ভাল হৈছে। মই কি কৰিব লাগে?

না, জাচমী! তোকে একটা কথা কবলে আছিলে।

কি কথা?

খং নকৰিবি তেনেহলে। মই না, তোকে চাদী কৰিবলে—

তাৰ কথা শেষ কৰিবলৈ নিদি বিৰক্তিৰে তাই কৈছিল—

মিচ্ছা—মি-চ্ছি—।

আৰে, মই মতা নহয় নেকি? মোৰ লাগা হৰ টকা নাই নেকি? না ঘৰ নাই ভাবিছে? সি প্ৰত্যেকটো কথাৰে নিজৰ যোগ্যতা প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছিল।

দোচোৰা মাইকী বিচাৰিবি। চৰম নালাগে তেনেকা কবলে? নালাগে তোৰ লাগা টকা! তাই গালি পাৰি কৈছিল।

হুঃ, মোৰ লাগা টকা আজি ঘিণাইছে না? ফুটনি কৰিছে! চৰম নাই বুলিছে?

তোৰ লাগা টকা মই মাগি কেনে লোৱা নাছিলো দেই। হলে ভী মই ঘুৰাই দিছে, তইহে লোৱা নাই। যি হলেভী তই ইয়াত নাছিলে

হব ; মই মই চাদী কৰিবলৈ তোৰ লগতে নহব। ষিলেগ মান্নুহ ঠিক কৰিছে মই।

বিলেগ কোন আছে অ'ই ? অস্ স, বুজিছে—কি নাম, প্ৰকাচ বৰুৱা না ? আচ্ছা, সি হবলা তোকে চাদী কৰিছে বুলিছে। চব চাৰি ছ—ৰিছ ! তোকে মিছা কথা কৈছে।

তাৰ কথা মই জানে। তই নকলে ভী হব। তাই দপ্ দপাই উঠিছিল।

ময়ো জানি আছে দেই ! মইভী জানিছে ! দুইদিন নিমিত্তে ছিল্তে চাকৰি কৰা দিনকেইটা লৈ মানে ফূর্তি কৰিবলৈ আছে। কিন্তু ইয়াতপৰা যালে মানে ? প্লেইনছতে ছোৱালী নাই নেকি ? তাৰ লাগা মা-বাবা নাই ? ৰিলেটিভ্ মানু নাই ? ক'ত তাকে নাগা ছোৱালী চাদী কৰিবলৈ দিব। চব জানে মই। কৈছে না চব চাৰিছ ৰি—ছ।

তোৰ নো কি বিশ্বাচ ? নাগা মানুভী চাদি কৰি নাচাৰে নেকি ? মইনো প্লেইন মান্নুপৰা দেখিবলৈ কি বেয়া আছে ?

মোৰ তাতে ইবিলাক কথা কবলৈ হলে নাহিলে ভী হব। ঘৰ ভাড়াৰ টকা মই যেনেকা হলে ভী দি থাকিব। চৰম নথকা মান্নুকে দেখিবলে মন ভী নাই। থুই—।

ঘৃণাৰ চৰম অভিব্যক্তি প্ৰকাশৰ চিন—তাই তাক লক্ষ্য কৰি মজিয়াত থুই পেলাই দিছিল। তাই খঙত কঁপিছিল।

আজি মোৰ টকাৰ দাম নাই না ? মই ভী মাইকী মানু নহয় দেই জাচমী ! আজি তই মোকে চৰম খিলাইছে। থুই ভী পেলাইছে ! আচ্ছা, মই ভী জীন্দা আছে আৰু একদিন না একদিন তই মোৰ হাতে জৰুৰ পৰিবি দেই। তেতিয়া মোকে বদনাম নিদিবি। মোৰ গাতে খুন আছে। যোৱান মানু, হিম্মত আছে। তোৰ মতা প্ৰকাচ বুৰুৱা ক'ত থাকিব দেখিব মই ! সি মজিয়াত থিয় হৈ তাইলৈ চাই

খঙেৰে কৈছিল। কিন্তু ইটো নাভাবিবি—মই প্ৰকাচ্‌কে কিবা কৰিব। তাকে মই একু নকৰিব। পৌৰুষৰ অপমানখিনিৰে সি দপ্‌দপাই ওলাই গৈছিল।

অস্থিৰ মনেৰে জাচমী বাহিৰলৈ ওলাই গ'ল। সন্ধিয়াৰ আকাশত ক'লা মেঘ কিছুমান সিঁচৰতি হৈ আছে ইপিনে-সিপিনে। ঠায়ে ঠায়ে তাৰে সুৰুঙাইদি মুখ উলিয়াই আছে দুই এটা তৰা। অভিমানী আকাশ।

প্ৰকাশক কেন্দ্ৰ কৰি ৰচনা কৰা যুগ্ম সংসাৰখন সঁচাকৈয়ে জানো কল্পনাতে ৰ'ব? প্ৰকাশে কিয় কথা দিলে? মিছা কথাৰ ছলাহি বুলিতো বিশ্বাস নহয়। তাৰ গভীৰ দৃষ্টিৰ অঁাৰত কু-অভিসন্ধি লুকাই থকা বুলিতো মনে নকয়! নহয়—প্ৰকাশ মিছলীয়া হ'ব নোৱাৰে। তথাপি—তথাপি মনত সন্দেহ জাগে কিয়? একো ভাবিব নোৱাৰে তাই। ভিতৰলৈ সোমাই আহি ইচ্ছা কৰিয়েই তাই লেমটো বঢ়াই দিলে—বৰ বেছিকৈ। ওপৰৰ ফুটাবোৰেদি কিছুমান ধেঁাৱা বাহিৰ ওলাই আহিল। আকৌ লেমটো কমাই দিলে। মজিয়াখনত তাই তৰুলিবলৈ ধৰিলে। বেৰৰপিনে ঘূৰি চাওঁতে আয়নাখনত তাইৰ মুখখন দেখি থমকি থিয় দিলে। চকুৰ ভ্ৰুৰুখিনি কোচাই দিয়াত কপালৰ সিৰ কেইডাল থুপ খালে।

ক'ত? ক'ত লিখা আছে? তাই নিজৰ প্ৰতিবিম্বটোৰ চকুৰে চকুৰে চাই সুধিলে। তাইক যেন কৈ দিব, দেখুৱাই দিব—তাইৰ হতভগীয়া জীৱনটোৰ আলেখ্য কপালৰ কোনখিনিত লিখা আছে। কপালখনলৈ স্থিৰ দৃষ্টিৰে চাই ৰ'ল তাই। তাৰপৰা যেন তাই সন্ধানি দৃষ্টিৰে উলিয়াব খুজিছে—তাইৰ জীৱনৰ ভৱিষ্যত পৰিণতি কি? বাক্‌হীন প্ৰতিবিম্বটোৱে নিষ্পলক দৃষ্টিৰে চাই আছে. তাইলৈ। আয়নাত কপালখন খুন্দিয়াই দি চিঞৰি দিলে তাই—ক'ত লিখা আছে, কি লিখা আছে মোৰ কপালত? উত্তৰৰ সলনি দুটোপাল

চকুপানী আয়নাখনত পৰিল। আয়নাখন তাই মজিয়ালৈ দলিয়াই দিলে।

ভাগ্য। আকাংক্ষা। কামনা—বাসনা। চেষ্টা—শ্ৰম। পৰাজয়—গ্লানি। বিড়ম্বনা—। মজিয়াখন লৈ চাই অকলে অকলে বিৰ্‌বিৰালে জাচমীয়ে। প্ৰত্যেকটো শব্দ যেন বাহিৰৰ বতাহত মিলি যাবলৈ নাপাই একো একোটা আপোন ৰূপত তাইৰ আগত জিলিকি উঠিল। কান্দি কান্দি তাই শুই পৰিল।

কেলেই শুই আছা? প্ৰকাশ সোমাই আহিল। জাচমী তেতিয়া ওপৰলৈ মুখ কৰি শুই কিবা ভাবি আছিল আপোন মনে।

প্ৰকাচ! তাই যেন আচৰিত হৈ গৈছিল। শোৱাৰপৰা উঠি বহিল। তাই তালৈ চালে। প্ৰথমবাৰৰ বাবে যেন জাচমীয়ে প্ৰকাশক বৰ ওচৰৰপৰা চাইছে। সেই দৃষ্টিত সোমাই আছে জিজ্ঞাসা। তাই যেন সুধিব খুজিছে—সঁচাকৈয়ে তুমি জানো প্ৰতাৰক?

কি হ'ল? তাই নিৰ্বাক হৈ চাই থকা দেখি সি সুধিলে।

প্ৰ-কা-চ! তাইৰ মাতটো যেন পাহাৰৰ কন্দৰৰ মাজেদি ঠেকা খাই কঁপি কঁপি ওলাই আহিছে।

কি হৈছে কোৱাচোন। সি জাচমীৰ হাত এখনত ধৰি সুধিলে। তাৰ কথাবাৰত থকা উৎকণ্ঠাখিনি তাই ধৰিব পাৰিলে। তথাপি তাই একো নকৈ নীৰবে বহি থাকিল। উত্তেজনাত প্ৰকাশৰ হাতত থকা হাতখন তাই মুঠি মাৰি দিলে।

কি হ'ল?

কিবা এটা ভাবিছিলো।

কি কিবা এটা?

নাই—এই নাই, নাই এনেয়ে।

জাচমী যেন নিজেই অপদস্থ হৈ গ'ল। যুবটো জোকাৰি কথাবোৰ

পাহৰিবলৈ চেষ্টা কৰি কলে। হাঁহিব খুজিও নোৱাৰিলে।

নোকোৱা? প্ৰকাশে তাইৰ থুতৰিটো দাঙি ধৰি মৰম কৰি সুধিলে। সি হাঁহিছিল।

সৰু ছোৱালীজনীৰ দৰে একেজাপে তাই প্ৰকাশৰ ডিঙিত সাবটি ধৰি মুখখন ৰৰ ওচৰলৈ নি কলে—বেয়া নোপোৱা যদি—। তালৈ তাই চাই থাকিব নোৱাৰিলে। বুকুত মুখখন গুজি খৰকৈ উশাহ ললে।

বেয়া? প্ৰকাশ আচৰিত হ'ল তাইৰ কথাৰ ধৰণত।

বেয়া নাপাওঁ কোৱাচোন বাৰু।

আমাৰ বিয়া সঁচাকে হ'ব নে?

তুমি অযথা সন্দেহ কৰিছা।

ওঁহো তুমি বোধহয় ভাবিছা—

কি?

হোঁ—তুমি ভয় কৰিছা নেকি বাৰু?

কাক?

তোমাৰ মাৰা-দেউতাৰাক নাইবা সমাজক?

জাচমী! প্ৰকাশ গহীন হ'ল। সি মাথোন জাচমীক মাতিয়ে ৰৈ গ'ল।

তাৰ আৰ্দ্ৰ কণ্ঠস্বৰত জাচমী চমকি উঠিল।

প্ৰকাশ! তাই মিনতি কণ্ঠে মাতিলে। প্ৰকাশে নাচালে। নামাতিলেও। প্ৰকাশ! তাই আকৌ মাতিলে। ব্যাকুল কণ্ঠ। নিচেই ওচৰতে পোৱা, বহুদিন ওচৰতে থকা তাইৰ মৰমৰ মানুহজন যেন নিমিষতে ক'ৰবালৈ গুচি যাবলৈ ওলাইছে। তাই প্ৰকাশৰ গাত ধৰি জোকাৰি দিলে। সি জাচমীলৈ চালে। কথা নকলে।

কথা কোৱা না?

সমাজক ভয় নকৰি, সামাজিক বান্ধোন ভাল ছিঙি দিবলৈ

ওলায়েই নির্মমভাৱে অপত্যস্নেহৰপৰা বঞ্চিত হৈও হতাশ হোৱা নাছিলো। সকলো কথা তোমাক এদিন খুলি কৈছিলো জাচমী। সেই সংকল্প কেনেকৈ ধ্বংস হৈ গ'ল তাকো তোমাক মুলুকুৱাকৈ কৈছো। তথাপি তুমি যদি মোক সন্দেহ কৰা, সমাজ নাইবা আই-বোপাইৰ কথাৰ অজুহাত দেখুৱাই আঁতৰি যাবলৈ খোজা,— যোৱা। গহীনাই প্ৰকাশে কোৱা কথাবোৰ স্তব্ধ হৈ শুনিছিল জাচমীয়ে।

অকলে অকলে থাকিলে বহুতো কথাই মনলৈ আহে জানা? মই একো মুবুজা হৈ পৰো। তুমি মোক ভুল মুবুজিবা প্ৰকাশ।

জাচমীয়ে সেই নগা ডেকাজনে তাইৰ মনলৈ আনি দিয়া সন্দেহৰ ঢৌবোৰৰ অলপো নকলে তাৰ আগত;—লুকাই ৰাখিলে গোটেইখিনি নাৰী হৃদয়ৰ দুৰ্বলতাৰে। অথচ সেই ডেকাজনৰ কু-চক্ৰান্ত ভৰা কথাবোৰতেই সন্দেহ ওপজিছিল তাইৰ মনত।

বেয়া অলপো পোৱা নাই জাচমী। কিন্তু তুমি মোৰ কথাবোৰ বোধহয় বুজি পোৱা নাই।

মই—বুজিছো।

দুয়োৰে মাজত অলপ সময়ৰ নীৰৱতা। তাই চেষ্টা কৰিলে আনমনা হৈ পৰা প্ৰকাশক সহজ কৰিবলৈ। সি যেন স্থিৰ দৃষ্টিৰে লেমটোৰ শিখাৰ মাজৰপৰা কিবা এটা বিচাৰি উলিয়াবলৈ চেষ্টা কৰিছে।

কি ভাবিছা? বহুতো সময়ৰ পিছত সি প্ৰশ্ন কৰিলে।

একো ভৰা নাই।

তুমি কি চাইছা?

আঁকৰী ছোৱালীজনীক।

সঁচা?

মিছা বুলি ভাবিছা নেকি?

জাচমীয়ে হাঁহিলে। ক'ৰবাত কেঁচা এটাই কুকলিয়ালে।

প্ৰকাশ সঁচাকৈয়ে আঁতৰি গ'ল এদিন। আঁতৰি যোৱা নহয়—জাচমীৰ মূৰ্খামীয়ে তাক আঁতৰাই দিলে। ধৰি ৰাখিব নোৱাৰিলে তাই। প্ৰকাশক তাই তাৰ বাবে অকণো দোষ নিদিয়ে। দোষ জাচমীৰ। জাচমীৰ কপালৰ। নগা ডেকাজনক প্ৰকাশে কেবাদিনো তাইৰ ঘৰত লগ পাইছে। সিহঁতে কথা পাতিছে। নিজকে সি প্ৰকাশক চিনাকি দিছে ঘৰৰ গৰাকী বুলি। সিও তাক কোৱা নাছিল জাচমীক সি বিয়া কৰাব বুলি। তাৰ কু-অভিপ্ৰায়ৰ কথা তাই প্ৰকাশক এদিনো নকৈ মানুহজনৰ বিষয়ে মাথোন কৈছিল—এনেই আহে বুলি। আৰু সেই অপ্ৰকাশ্য কথাবোৰেই এদিন ফণা তুলি কাল সাপৰ ৰূপ লৈ দংশন কৰিলে জাচমীক।

সিদিনা সন্ধিয়া—

নগা ডেকাজনে ক'ৰবাত মদ খাই টং হৈ আহি জাচমীৰ বিছনাখনত শুই আছিলহি। জাচমীৰ ঘৰত মদ পাবলৈ নাথাকিলেও সি আহে। কেতিয়াবা জাচমীৰে সৈতে তৰ্ক কৰে কিবা কথাত, কেতিয়াবা কাজিয়া লাগে আৰু কেতিয়াবা চিগাৰেট এটাৰ পিছত এটাকৈ জ্বলাই পৰি থাকে বিছনাত। তাক আহিবলৈ মানা কৰিছে জাচমীয়ে। বহুতো প্ৰকাৰে তাই কৰা চেষ্টা ব্যৰ্থ হৈছে। মাজ মজিয়াত বহি জাচমীয়ে অপেক্ষা কৰিছিল প্ৰকাশক। তাই সিদিনা ঠিৰাং কৰিছিল—অত দিনে প্ৰকাশক মানুহজনৰ বিষয়ে নোকোৱা কথাবোৰ ভাঙি-পাতি ক'ব। হয়তো এই অপ্ৰকাশিত কথাবোৰেই এদিন সিহঁতৰ মাজত ব্যবধানৰ খাল খান্দিব।

জাচমী! বাহিৰৰপৰা প্ৰকাশে মাতিলে। বহাৰপৰা থিয় দিলে জাচমী। শুই থকা মানুহজনলৈ এবাৰ খঙেৰে চালে।

অলপ ৰ'ব দেই—। তাই লেমটো হাতত লৈ ভিতৰৰফালৰ সন্নিধান দি দুৱাৰখন খুলি দিবলৈ আগ বাঢ়িল।

জাচমী! কোনকে মাতি আনিছে তই ঘৰলে? কিমান কৈ থাকিব লাগে একেটা কথাকে? মিছা মিছি কথা কলে মানে নুহুনে। মধু বনাবলৈ এৰি দিও পুৰাণা মানুবিলাকক মৰম কৰিবলৈ চাড়ি দিয়া নাই না? আগৰ দিনতে যি কৰিলে ভী ইতিয়া মোৰ লগতে চাদী হবলৈ কথা দিয়া পিছতে বাহিৰা মানু ৰাতি ৰাতি ইয়ালে আহাটু মই পছন্দ নকৰে দেই। কিলেই যাইছে বাহিৰতে? যাব দিবি কোন আহিছে। তোকে বিচাৰি আৰু কোনোবা আহিলে বন্দুক গুলী একটা লগতে চব মাথা উৰাই দিব মই। মোৰ মাইকী তেনেকা হবলে নিদিব মই। সি বিছানাৰেপৰা নিজৰ ঘৈণীয়েকক কোৱাদি চিঞৰি কৈছিল। ভিতৰৰপৰা বাহিৰৰ দুৱাৰ খুলিবলৈ আগ বাঢ়ি গৈ তভক্ মাৰি তাৰ কথাবোৰ শুনি জাচমীৰ সৰ্বশৰীৰ উত্তেজনাত গৰম হৈ উঠিছিল। তাৰে মাজেদি আঁজোৰ মাৰি দুৱাৰৰ দাং ডাল খুলি, টান মাৰি মেলিছিল দুৱাৰখন। শেষৰ কথাখিনি শুনি প্ৰকাশ শিলামূৰ্তিৰ দৰে মজিয়াত থিয় দি ৰৈছিল। স্পষ্ট পোহৰৰ মাজত থিয় দিও জাচমীয়ে যেন ওচৰতে থকা প্ৰকাশক চিনি পোৱা নাই।

তাইৰ মুৰটো ৰাইজাই কৰিছিল। খামোচ মাৰি প্ৰকাশৰ হাতখনত ধৰিব খুজিও নোৱাৰিলে। বিকল হৈ গৈছে যেন। তাই নিৰ্বাক। জাচমী! হেই জাচমী! ঘূৰি নাহ কেলেই?

তাই হতবাক হৈ আগৰ দৰেই থিয় দি আছিল। মনৰ শক্তি, উদ্যম, কল্পনা একোৱে মনত নপৰিল।

প্ৰা-কাচ! কোনোমতে সেহাই সেহাই প্ৰকাশক মাতোতে তাইৰ হাতৰপৰা লেমটো সৰি পৰিছিল।

প্ৰকাশে মতা নাছিল। মানুহজনে ভিতৰত ভোৰ ভোৰাইছিল।

ঠিক আছে! প্ৰকাশ ভুৱাবেদি ওলাই যাওঁতে গহীন হৈ কৈছিল। ইতিমধ্যে লেমটো নুমাই আন্ধাৰ হৈছিল ঘৰটো।

প্ৰাকাচ—চব মিছা—! প্ৰকাচ্—মিছা—শুনা—তাই দৌৰি আহি প্ৰকাশৰ হাতত খামোচ মাৰি ধৰিলে। প্ৰকাশ নৰ'ল। মাথোন কৈ গ'ল—প্ৰেমৰ প্ৰতিদ্বন্দিতাত মই নাই।

হুক্ হুক্াই কান্দিছিল তাই। বহি বহি।

আন্ধাৰৰ মাজত একো নমনি তেতিয়া।

মোৰেই কপাল পোৰা আছিল চিয়াৰবাবু! একু নহল। জাচমীয়ে দুখৰ হুমুনিয়াহ এটাৰে কলে।

সেই মানুহটোৱে কিন্তু তেনেকৈ ঠগিব নালাগিছিল। কমলে কলে।

জাচমীৰ চকু দুটা খং আৰু ঘৃণাত জ্বলি উঠিল। অলপ পোন হৈ বহি তাই খঙেৰে কলে—সি জানো মোক সিমানতে চাড়িছে? মোৰ একো নাৰাখিলে সি। ঈশ্বৰে তাক মাফ্ কেতিয়াও কৰিব নোৱাৰে। মনতে আশা কৰা কামটু সি অনিয়ায় কৰি নষ্ট কৰি দিছে। প্ৰকাচভী তাকে শাও দিব! ইস্মান ভাল মানু শাও দিলে ঈশ্বৰ শুনিবই—না?

কিন্তু সি তোমাক চাদী কৰাৰ কি হ'ল?

চৰম নথকাৰিলাক হবই তেনেকা!

সি আহিবলৈ বাদ দিলে হবলা।

সি সহজে আহিবলৈ বাদ দিয়া নাছিল। সেইদিনা জাচমীয়ে তাক পাৰেমানে গালি পাৰিলে। বিছনাৰপৰা টানি বগৰাই দিলে; কিন্তু তথাপি সুবিধা বুজি তাইৰ ঘৰলৈ সি আহিবলৈ নেৰিলে।

তই ভাত-পানী নাখাই কিমান দিন থাকিবি অ'? এদিন সি তাইক সুধিলে। তাই প্ৰায়েই ভাত-পানী নোখোৱাকৈ কটাই দিয়ে।

খুটী আছে মোৰ। তাই কেটেবাকৈ উত্তৰ দিলে।

শৰীৰটোকে কষ্ট দি একো লাভ নাই, বুজিছু জাচমী ? ভাত খা। যি হবলৈ আছিল হলে।

তই মোৰ বাবে ইমান নাভাবিলেভী হব। তোকে কোনে মাতিছে ইয়ালৈ ?

তোকে দেখি মোৰ বেয়া লাগে। একবাৰটো চাই যাবৰ মন যায়।

তাই মনে মনে শুনি থাকে। একো উত্তৰ নিদিয়ে। তলমূৰ কৰি থাকোতে কেতিয়াবা চকুৰ পানীবোৰ টপ্ টপ্কৈ সৰি পৰে।

দিনবোৰ পুৰণি হৈ আহে। বসন্ত কালৰ মন বলিয়া কৰা বনৰীয়া ফুলৰ সৌৰভ, শ্যামল পাহাৰী প্ৰকৃতি, চেগাচোৰোকাকৈ হঠাতে উজ্বল আকাশৰ বুকুৰেদি নামি অহা বৰষুণৰ জাকক বিদায় দি বাৰিষা আগ বাঢ়ি আহে। বাৰিষাৰ পিছৰ কাতি মহীয়া এটা ৰাতি। বাহিৰত তেতিয়া ধাৰাষাৰ বৰষুণ। পাতল ঠাণ্ডাবোৰ বৰষুণে বেছিকৈ নমাইছিল।

সেইদিনা ৰাতি জাচমীয়ে মদ খাইছিল। ভঙা বঠাৰে চলাই অনা জীৱনৰ নাওখনে সেইদিনা খেই হেৰুৱালে। সেইদিনা তাই ক্লান্ত হৈ পৰিছিল। মই শ্ৰান্ত, জীৱনজোৰা ক্লান্তি আৰু প্ৰাণভৰা অবসাদেৰে জীৱনৰ ভঙা বঠাৰ নাও মই কিমান চলাম আৰু ? জীয়াই থকাৰ যি উদ্দেশ্য, সেই উদ্দেশ্যৰ হেতু কি যদি তাত অকণো প্ৰাচুৰ্য নাথাকে ? অতীতক বিদায় দিছো। ভৱিষ্যতৰ কথা ইমান দিন বৰ্তমানৰ সতে একক কৰি ভাবিলো ; কিন্তু লাভ হ'ল কিটো ? কি পালো ? অবসাদ। পালো অপমান। সকলোবোৰ পাহৰি পেলাম আজি। সকলোবোৰ উটুৱাই দিম আজি।

সিহঁতৰ গিলাচবোৰ ঘণে ঘণে শেষ হৈ আহিছিল। তাইৰ মনলৈ

অসংখ্য চিন্তাই হেতা-ওপৰাকৈ ঢাপলি মেলিছিল। সেই চিন্তাত নাই ভূত-ভবিষ্যত। নাই মনুষ্যত্বক বজাই ৰখাৰ সতর্কতা। লাহে লাহে বিলাতী মদৰ নিচাই তাইৰ সকলো খেলিমেলি লগাই আনিছিল। তাই সহজে পাহৰি পেলালে ব্যৰ্থ জীৱনৰ তিতা অভিজ্ঞতাবোৰ।

ওচৰতে বহি আছিল সেই নগা ডেকাজন। সিয়েই মদ লৈ আহিছিল। তাইক মদ খাবলৈ এবাৰ মাথোন কৈছিল—আহ, দুয়ো বহি মদ অলপ খাওঁ। ভাবি-চিন্তি বহি থাকিলে কি লাভ?

মদ? তাই যেন আচৰিত হৈ গ'ল। মদ কি তাই যেন চিনিকে নাপায়। প্ৰথমবাৰ শুনিলে কথাটো।

হুইস্কি আনিছো। তোৰ মনৰ সকলো দুশ্চিন্তা এই মদে উলিয়াই নিব। তই মুকলি মনৰ হ'ব পাৰিবি। সি বুজাই হাঁহিলে। গিৰি-সাই বহাৰপৰা উঠি একো নভবাকৈ দুটা গিলাচ আনি টেবুলতে খটং কৰে থৈ মাথোন কলে—ঠিক আছে। দে।

সিহঁত দুয়োটাৰে নিচা লাগি আহিছিল। খোৱা-শোৱাৰ অনিয়মৰ বাবে জাচমী দুৰ্বল। তথাপি তাই খাইছিল—তাইৰ মুৰটো বাৰে বাৰে সম্মুখলৈ হালি গৈছিল। ঢুলঢুলীয়া চকু দুটাৰে তাই তাক চাইছিল। সি কঁপা কঁপা হাতেৰে সিহঁতৰ আগত খালি হৈ পৰা গিলাচ দুটা কল্ কল্‌কৈ ভৰাই দিওঁতে কৈছিল—

বুজিছ জাচমী, আমাৰ জীৱনৰ কোনোটো ঘটনাকে, অন্তৰৰ গভীৰ অনুভূতি আৰু উপলব্ধিৰে ৰূপ দি দকৈ ভাবি চাব নালাগে! এই পৃথিবীখনত পোৱা-নোপোৱাৰ বেদনা আৰু হা-হুতাশ কিমানৰ বুকুত বাজিব লাগিছে তাৰ হিচাব কোনোবাই ৰাখিব পাৰিছে? তুমি—নে মই? নে আন কোনোবাই?

তাই মুৰ দুপিয়াইছিল। তাই নিজে ক'ব নোৱাৰে—কি ভাবি, কি বুজি তাই তেনেকুৱা কৰিছিল। সি উৎসাহেৰে কৈ গৈছিল

মাথোন—হ'ব লগীয়াটো হ'বই। তাক বাধা দি বাখিব পাৰে কোনে? পাৰি নে বাৰু?

ওঁহো।

জীয়াই থকা দিনকেইটা মুকলি মনেৰে খাই-বৈ ফুৰ্তি কৰিব লাগে। মৰি গলে পিছৰ কথা; কিন্তু জীৱনটো দুখৰ বোজাৰে দুৰ্বহ কৰি লাভ কি হ'ব বাৰু? চব মিছা—চব মিছা জাচমী!

আ য়া স—! নিচাৰ মাজতে তাই ভাগৰ লগাৰ দৰে কৰিলে। কি হ'ল? খা—আৰু খা। পাৰিলে গান এটা গা না। মদ আৰু আনিম যদি লাগে!

তাই কিবা এটা গান গাবলৈ চেষ্টা কৰিছিল। শব্দবোৰ ডোবলখোৱা জিভাৰে উলিয়াই আনিব নোৱাৰি হাঁহিলে। সিও হাঁহিলে। আগ-গুৰি নোহোৱা বহুতো টুকুৰা কথা। বাহিৰৰ বৰষুণ-বোৰৰ নিচিনা। তাৰ পিছত তাই হাঁহিছিল। আৰু একো নাই। মাথোন হাঁহি। জীৱনত প্ৰথমবাৰৰ বাবে জাচমীৰ ওঁঠলৈ নামি আহিল হাঁহি। তাই নিজেই ক'ব নোৱাৰাকৈ ওলগণি জনাই আনিলে সেই হাঁহিক। সেই হাঁহি হাঁহিব পাৰিলে মাথোন এটা ৰাতি। তাৰ পিছত বুজিব পাৰিলে সেই হাঁহিৰ প্ৰতিক্ৰিয়া। সেই হাঁহিত মিহলি-হৈ আছিল কান্দোন। সেই ৰাতিৰ অমৃতৰ অন্তৰালত লুকাই আছিল পাপৰ হলাহল। তাই বুজা নাছিল। বুজিব পৰা অবস্থাটো হেৰুৱাই পেলাইছিল জাচমীয়ে। পৰাজয়ক স্বীকৃতি দিবলৈ বাধ্য হ'ল জাচমী।

হেই, কি ভাবিছ? ওচৰতে বহিও সি :চিঞৰি :সোধে। হোঁ? নাই—এক্‌কো ভৰা নাই! এক্‌কো ভৰা নাই অ'! এ—ক্‌কো ভ—ৰা নাই—!! তাই খিল্‌খিলাই হাঁহিলে।

সিও ঢেক্‌ঢেকাই হাঁহিলে। সেই হাঁহিৰ কোবত তাৰ ডিঙিৰ কাষৰ সিৰ দুডাল ফুলি উঠিল। তাৰ চকুৰ মণিত সঞ্চিত হৈ

থকা কামনাবোৰ যেন তিৰ্‌ বিৰাই চিটিকি চিটিকি আহি তাইৰ বুকুত জমা হৈ তাইক উতলা কৰি পেলালেহি। জাচমীৰ কোনো চিন্তা-ভাবনা যেন নাই। প্ৰতিটো নিশাকে যেন তাই পাৰ কৰি দিছে তেনেকৈ মদৰ গিলাচ হাতত লৈ অন্তহীন হাঁহিৰে। বিছনালৈ ভৰি দুখন মেলি দি বেৰত আঁউজি বহি থাকে তাই। মূৰটো কান্ধৰ ওপৰত বাগৰি পৰিছিল। তাই তথাপি হাঁহিছিল। বৰ অবশভাৱে জাচমীয়ে সি আগ বঢ়াই দিয়া হাতখনত ধৰিলে। কোনো প্ৰতিবাদ নাই তাইৰ কণ্ঠত।

কেইটামান গিলাচ, সুদা বতল আৰু সিঁচৰতি হৈ থকা চিগাৰেটৰ টুকুৰা আৰু দিয়াছেলাইৰ পোৰা কাঠীৰ বাহিৰে ৰাতিৰ মদৰ আড্ডাৰ একো চিন নাথাকে। ৰাতিৰ আন্ধাৰ শেষ হোৱাৰ লগে লগে শেষ হৈ যায় সকলোবোৰ। সিহঁত দুজনৰো এটা ৰাতিৰ আড্ডা শেষ হৈ গ'ল। সেই ৰাতিয়েই তাই সমাধি দিলে তাইৰ আদৰ্শক। দিনৰ পোহৰত মজিয়া নিকা কৰিলে জাচমীয়ে; কিন্তু বাহিৰৰ উজ্জ্বলতাই যে সকলো নহয়! খুঁত বৈ গ'ল শৰীৰত। আপোন আদৰ্শৰ সমাধিৰ ওপৰত লাহে লাহে জিলিকি উঠিল এটি প্ৰতীক চিহ্ন—যিয়ে আমৰণ সোঁৱৰাই দিব দুৰাকাংক্ষী জাচমীৰ গাভৰু জীৱনৰ কলংকৰ কথা। এটা উশৃংখল ৰাতিৰ কেইটামান মুহূৰ্তৰ উপভোগৰ অৱশেষ সেই চিহ্ন—জাচমীৰ জঠৰত স্থিতি লৈছে অপ্ৰত্যাশিত সন্তানে। জাচমী অন্তঃসত্বা।

আমাৰ চাদীৰ কি হল? জাচমীয়ে এদিন তাক সুধিলে। প্ৰশ্নটো কৰি তাই উৎসুক মনেৰে অপেক্ষা কৰিছিল উত্তৰটো।

চাদী? সি যেন আচৰিত হ'ল পোনতে সুশুনা কথাটো শুনি।

তই মোকে চাদী কৰিবলৈ মন থকা বুলি কৈছিলে নহয়?

জাচমীয়ে কথাখিনি টানি টানি কোনোমতে শেষ কৰিলে। কিয়নো তাই জানে, সি কি উত্তৰ দিব। সি একো নমতা দেখি তাই কওঁ নকওঁকৈ কলে—

আৰু একটা কথা কি জানে? প্ৰশ্নটো কৰি তাই কথাটো ক'বলৈ তাৰ ওচৰলৈ আগুৱাই গৈ শুপুতুতে কোৱাদি কলে—মোৰ পেটত বাচ্ছা হব লাগিছে।

মই কি কৰিব লাগে? সি কথাটো এৰাবলৈ চেষ্টা কৰিলে। তেনেহলে চাদী কি হব? তাই আৰ্তস্বৰে সুধিলে।

আপোন মনে কিছু সময় সি হাঁহিলে আৰু তাৰ পিছত কলে—চাদী-তাদী মই নকৰিব। তোৰ কিমান সাথী মানুহ আছে—বিচাৰিবি না। চাদী নহলেভী যোৱান ছোৱালী একো নহয়।

তেনেহলে তই—তাই অধৈৰ্য হৈ পৰিল। মুখৰ কথা টানি সি উত্তৰ দিলে—যাব দিবি! একটা ৰাতি মদ খাইকেনে ফূৰ্তি কৰিছিলে। তাতে কি আছে? কিমান মানুহকে তই ফূৰ্তি দিলি!

চুপ্ থাকিবি। গাহৰি নিচিনা বেয়া নকবি! জাচমী বিমোৰত পৰি চিঞৰি দিলে। গহীন হৈ সি মাথোন অলপ সময় বহি চিগাৰেট টানি যাবৰ সময়ত কৈ গ'ল—তই নমৰে দেই জাচমী! দেখিবলৈ ভাল আছে!

সি আকৌ তাইলৈ চাই বিদ্ৰূপৰ হাঁহি মাৰি ওলাই গ'ল।

শাওণ মহীয়া এটা সন্ধিয়া—তাইৰ জীবনৰ কক্ষপথলৈ নামি আহিল সেই উপগ্ৰহটো। বাৰিষাৰ বৰষুণ সেইদিনাও পৰিছিল। তাই অনুভব কৰিলে গৰ্ভাশ্ৰিত সন্তানটিৰ পৃথিবীলৈ নামি অহাৰ পূৰ্ব-সংকেত। দিনতে লেমটো জ্বলাই ললে জাচমীয়ে। গাটো লাহে লাহে গধুৰ লাগি আহিল। উষ্মাহীন শীতল সন্ধিয়াটোত তাই অনুভব কৰিলে—তাইৰ মূৰটো বৰকৈ ঘূৰিব ধৰিছে। শুই থকা বিছনাখনো যেন স্থিৰে থকা নাই। আৰু এদিন মূৰ ঘূৰিছিল—বজাৰত শাক-পাচলি কিনি থাকোতে। পৰি নোযোৱাকৈ সেইদিনা কোনোমতে তাই বজাৰৰ-ঘৰৰ খুটা এটাত খামোচ মাৰি ধৰি থিয় দি বৈছিল। চকুৰে ধুৱঁলী-কুৱঁলী দেখিছিল। সেইদিনাতকৈ

ইদিনা যেন আৰু বেছি। শুই থাকিও ৰক্ষা পোৱা নাই তাই। এটা শক্তিশালী কুক্ষিস্থ পিণ্ডই বাৰে বাৰে ভিতৰৰপৰা খুন্দা মাৰিছে তাইৰ সহন শক্তিক। শুই থাকিব নোৱাৰি। অথচ বহিলেও শুবৰ মন যায়। স্ফীত পেটটো বিছনাত হেঁচা মাৰি শুই দিবৰ মন যায় একোবাৰ। তেনেকুৱা কৰিলেহে যেন সকলোবোৰ দুখ-যন্ত্ৰণাৰ উপশম ঘটিব। ৰাইজাই কৰা গাটোৰে অস্থিৰ হৈ পৰি থাকে জাচমী। লাহে লাহে আৰু অসহ্য লাগি আহিল তাইৰ। উদ্‌ভ্ৰান্তৰ দৰে গাৰ কাপোৰ-কানিবোৰ খুলি ঠেলি পেলাই দিলে। তাই দাঁত দুপাৰি চেপি, চকু দুটা মুদি শৰীৰৰ সকলো যন্ত্ৰণা পাহৰি পেলাবলৈ চেষ্টা কৰিলে। সৰু ছোৱালী এজনীৰ দৰে ফেঁকুৰি কান্দি দিলে তাই। পিয়াহ লাগিছিল জাচমীৰ। গালেদি বাগৰি অহা চকুপানী কেই ধাৰমান জিভাৰে টানি লৈ তাই ওঁঠ-দুটাত বুলাই দিলে। বাহিৰৰ ৰবযুণ জাকৰ শব্দ শুনি শুনি আনমনা হ'বলৈ কৰা তাইৰ চেষ্টা ব্যৰ্থ হৈ যায়। কাণ দুখন একো নুশুনাহৈ পৰে। মাথোন কিছুমান অসহ্য গুম্‌গুমনি। অদৃশ্য আৰু অন্তস্থ শক্তি এটা বাহিৰ ওলাই আহিবলৈ চলোৱা সংঘৰ্ষত তাই বোবা, কলা আৰু অবশ হৈ পৰিল। দুয়োখন হাতৰ আঙুলিকেইটা জোৰ কৰি চুলিবোৰৰ মাজত সুমুৱাই দি হাতৰ দুয়োখন তলুৱাৰে মূৰটো চেপা মাৰি ধৰি চুলিবোৰ গাৰ বলেৰে টানি দিলে তাই। ভৰি দুখন কোঁচাই আনি বিৰক্তিৰে গধুৰ কাঠ এটুকুৰা দলি মাৰি দিয়াদি বিছনাখনতে ঠেলা মাৰি দিলে। তাই কেঁকাবলৈ ধৰিলে। লাহে লাহে তাই ক্লান্ত হৈ আহিল। একো ভাবিব নোৱাৰা হ'ল। চকু "দুটা মেলি থাকিও মণি নোপোৱা হ'ল লেমৰ পোহৰ-খিনি। বুকুত জমা হোৱা উশাহবোৰ নাকৰ সুৰুঙাইদি ওলাই আহিবলৈ বাট বিচাৰি নাপাই ওঁঠ দুটা মেলি যেন জোৰকৈ ওলাই আহিবলৈ ধৰিলে। গুলী খোৱা গাহৰিৰ দৰে তাই

গোঁগোৱাবলৈ ধৰিলে। যন্ত্ৰণাত চাটিফুটি কৰিলেও তাই কন্দা নাই, চিঞৰা নাই, কিন্তু অলপ পিছৰ চৰম মুহূৰ্ত্তটোত চিঞৰি দিবলৈ বাধ্য হ'ল। পেটৰ ভিতৰত থাকি ইমান সময়ে কষ্ট দিয়া পিণ্ডটো বাহিৰ ওলাই আহিল। কপাল আৰু দেহত বৰষুণৰ এচাৰকণিৰ নিচিনা ঘাম বিৰিঙিলে। খুব পিয়াহ লাগিল তাইৰ। ওচৰত কোনো নাই। পানীও নাই। পানীৰ আৱশ্যকতাৰ কথা তাই পাহৰিছিল। সদ্যজাত শিশুটোলৈ কোনোমতে এবাৰ চাই মুখৰ বিজলবোৰ গুচাই দি কাতি হৈ পিয়াহ এটা গুজি দি পানীৰ কথা চিন্তা কৰিলে। উঠি গৈ পানী খোৱাৰ শক্তিখিনি শেষ হৈছিল তাইৰ। মূৰটো ঘূৰিছে। শোৱাৰপৰাই জোৰকৈ হাত মেলি বাকচটোৰ ভিতৰখন খেপিয়ালে। তাতে বহুতদিনৰ আগতে খোৱা মদৰ বতল এটা আছিল। বতলটোৰ মুখত সোপা দিয়া কাগজখন সেমেকি গৈছিল। মদখিনিও পচিছে। এখন হাতেৰে তাই সোপা দিয়া কাগজবোৰ গুচালে। পোন হৈ মুখত বতলটো লগাবলৈ খোজোতেই কেচুৱাটোৱে কোঁকোৱাই দিলে। বতলটো কাপোৰৰ ওপৰতে থৈ কেচুৱাটোৰ গাত কাপোৰখিনি জাপি দিবলৈ টনাটনি কৰোতে কাতি হৈ মদখিনি পৰি গ'ল। লৰালৰিকৈ তাই বতলটো তুলিলে। পঁচা মদৰ গোন্ধটো তাইৰ নাকত কেচা-তেজবোৰেৰে মিহলি হৈ লাগিল। অৱশিষ্ট মদখিনি পিয়াহত কোট্ কোট্ কৰে পি দিলে। পচা মদৰ উগাৰে তাইৰ নাক আৰু তালু জ্বলাই দিলে। লাহে লাহে পুৰণি মদৰ আৰকে প্ৰসূতী দেহটোক অচেতন কৰি আনিলে। কাষত:সদ্যজাত শিশুটো লৈ অজ্ঞান হৈ পৰি থাকিল তাই।

সদ্যজাত শিশুটোক কোলাত লৈ বহুতো কথাকে ভাবে জাচমীয়ে। জীয়াই থাকি আগ বঢ়াৰ কথা। ইমানদিনে এটা পেট আছিল। যোগ হ'ল আৰু এটাৰ। এটি সন্তান। তাই

মাক। সেই মাতৃত্বত গর্ব নাই। সেই সন্তানে তাইক আনি দিব পৰা নাই দাৰিদ্র্যৰ মাজত জীয়াই থকাৰ প্রেৰণা। সেই সন্তানে, —এক মদপী ব্যভিচাৰীৰ কবলত আত্ম সমর্পণ কৰি পোৱা সেই সন্তানে আনি দিছে তাইৰ মনলৈ দুশ্চিন্তা; জীবনজোৰা কলংকৰ সূচনা! অথচ তাই নোৱাৰিলে অনাগত সেই সন্তানৰ ভ্রূণক নষ্ট কৰিবলৈ। কোনো দিন সেই অপকর্মৰ মাজেদি গর্ভস্থ এটি শিশুক বিদায় দি সমাজত শুচি হৈ থকাৰ চিন্তা কৰিব নোৱাৰিলে। সকলো অপবাদ—কলংক, ঘৃণা অবহেলাকে মই মূৰ পাতি ল'ম। সমাজ, ভদ্রলোকৰ মুখা পিন্ধি ঢং দেখুৱা সমাজে যদি মোক স্থান নিদিয়ে—মই অকলে অকলে থাকিম। জাচমীয়ে সিদ্ধান্ত কৰিছিল। আজি ভাবিছে—সেই সন্তানৰ ভবিষ্যত। সি হয়তো ডাঙৰ হৈ যেতিয়া তাৰ জীবন-কাহিনী শুনিব, সি জানো তেতিয়া সুখী হ'ব? গোটেই জীবনটো তাৰ যদি অপমান, অবহেলাকে সাবটি ল'ব-লগীয়া হয়? সি হয়তো ডাঙৰ হৈ সেই অপকর্মকাৰী বৰ বৰ মানুহবোৰৰ ওপৰত প্রতিশোধ ল'ব। কাৰেণ্ডি নোটেৰে বকৃচিচ্ দি নাৰীত্বক হাত মুচৰি মোহাৰি পেলোৱা ভাল মানুহবোৰে তাক ভয় কৰিব। আৰু যদি সেই সন্তানে মাতৃক ঘিণ কৰি আঁতৰি যায়? উপায় নাই। তাক ধৰি ৰখাৰ শক্তি দুর্বল মাতৃৰ শৰীৰত অকণো নাই।

শেষ বাৰিষাৰ বৰষুণবোৰ অবিৰাম খহি পৰে ক'লা মেঘৰ বুকু সুদা কৰি। বৰষুণ আৰু বৰষুণ। পাহাৰৰ টিং, সেউজীয়া গছ-গছনি সকলোবোৰতে বগা মেঘৰ একোটা প্রলেপ। ব্যস্ত হৈ পৰে নগা চহা। জাকৃজাককৈ নামি অহা বৰষুণৰ শব্দ আৰু খৰালিৰ উদং বুকুৱা নিজৰাবোৰৰ যৌবন ভৰা উচ্ছ্বাস ধ্বনি আৰু কর্মৰত নাগিনী গাভৰুৰ পানী খেতিৰ পথাৰত গোৱা সমূহীয়া গীতৰ বেশ একাকাৰ হৈ মিলি যায়। এই বৰষুণে

নগা পাহাৰলৈ আমি দিয়ে বিপৰ্যয়। স্থিতি হেৰুৱায় পেলায় পাহাৰে। থিৰে থাকিব মোৱাৰা হয় গছ-বিৰিখ। পাহাৰ খহি পৰে। বিচ্ছিন্ন হৈ পৰে নগা পাহাৰৰ যাতায়াতৰ পথ।

সৃষ্টি হ'ল লালমাটিৰ খহনীয়া।—

কোহিমা-ডিমাপুৰৰ মাজৰ সৰু ঠাই এখন—লালমাটি। ৰবযুগে টিলা কৰা মাটি আৰু শিলৰ সোঁতে আলিবাট ছিঙি পেলালে। লালমাটিত ৰঙা বালি নাই। পাহাৰৰ ৰঙা শিল আৰু ৰঙা বালি জিলিকি থকা নাই। লালমাটিৰ ৰং বদলি গৈছে। ৰং হেৰুৱাইছে।

লালমাটিলৈ মটৰে লাইন ধৰে। যায় গড়কাপ্তানীৰ ইঞ্জিনিয়াৰ, অভাৰচিয়াৰ, মহৰী আৰু বনুৱা মতা-তিৰোতাবোৰ। খহি পৰা পাহাৰ গুচাই আলিবাট পৰিষ্কাৰ কৰিবলৈ ইঞ্জিনিয়াৰ চাহাব সংকল্পিত হয়। বনুৱা চৰ্দাৰে হজুৰৰ হুকুম পালন কৰে—বনুৱাবোৰক ৰঙা চকু দেখুৱায়, সন্ত্ৰস্ত মনে ইঞ্জিনিয়াৰে নিজে তদাৰক কৰে কামৰ। আঠুৰনি বোকাত সোমাই অভাৰচিয়াৰে চাৰ্জ্জে কৰে ক্ষতিগ্ৰস্ত অঞ্চলৰ। ছবি আঁকি চিন্তা কৰে এচ, ডি, অ'ই—বিকল্প পথ এটাৰ। এটাৰ পিছত এটাকৈ চিগাৰেট জ্বলায় ইঞ্জিনিয়াৰে।

লালমাটিৰ আলিবাটতে লাগি থকা পাহাৰখন খহি আহি বাটতে পৰি বাটটোৰ এমাইল মান বন্ধ কৰি পেলাইছে। খহি পৰা পাহাৰবোৰ কাটি কাটি তাৰপৰা আঁতৰাই পেলাবলৈ মতা-তিৰোতা, ডেকা-গাভৰু, ল'ৰা-ছোৱালী এটায়ে লালমাটি ঢাকি ধৰিছে হি। দিন হাজিৰা কাম কৰিবলৈ বাতিপুৱাতে ঠিকাদাৰৰ আধা ভঙা লৰীৰ পিছত উঠি লালমাটি পায়হি।

অ' হৈ···অ' হৈ···অ'হৈ···।

লালমাটিত শুকান কলপাতত টোপোলা বান্ধি অনা নগা চাউলৰ ৰঙা ভাত, পোৰা মাছ, শুকান মঙহ আৰু পিঠা মধুৰ

সাওটোৰে ভৰা হোৰাটো আলিবাটৰ এদাঁতিত জাপি এটাৰে ঢাকি থৈ সিহঁত ব্যস্ত হৈ পৰে কামত। সময় নাই! দিনত চকা কৰি যোৱা ঠাইবোৰ বাত্তিটোতে ভৰি পৰে আবৰ্জনাৰে। সিহঁতে বোকাত কেঁচু মৰাৰ চপ্‌ চপ্‌ শব্দ উঠে। আঠুৰ ওপৰলৈ তুলি পিন্ধা লহনাখন কঁকালত গাঠি দি তায়ো নামি পৰে বোকাবোৰৰ মাজত। মতাবোৰে কেঁচুৰে বোকা মিহলি বন আৰু শিলগুটিবোৰ তুলি আনি পাচিবোৰ ভৰাই দিয়ে আৰু তিৰোতাবোৰৰ তুজনী তুজনীয়ে একো একোটা পাচি তুয়ো মূৰে ধৰি কঢ়িয়াই নি অলপ দূৰৰ নামনিত পেলাই দিয়ে। তেজৰ কণিকাবোৰে নাক-মুখ ৰঙাই তোলে। কামৰ মাজেদিয়েই মতাবোৰে কথা পাতে। ছোৱালীহঁতে গুণ্‌গুণাই গান গায়, ইটোৱে-সিটোক সিঁয়াৰে। বুঢ়ীবোৰে পানী খেতিৰ ভবিষ্যত নিৰ্ণয় কৰে। মেঘবোৰ চাপৰি আহি সিহঁতৰ গালে-মুখে মিয়ৰ পেলাই যায়হি।

তুয়োখন হাতেৰে দাঙি অনা বোকা ভৰা পাচিটোলৈ চাই চাই জাচমীয়ে মনত পেলায় নগা বজাৰৰ জুপুৰিটো। অনাদৰ, অবহেলাৰ মাজত অকলে অকলে ফটা কাপোৰ অলপৰ মাজত এখানি কেচুৱাটো পেলাই থৈ আহিছে তাই। ওচৰত কোনো নাই। বাত্তিপুৱাতে পিয়াহ খুৱাই আহিছে। সি তাৰেই থাকিব লাগিব। কান্দিব। হাঁহিব। হাত-ভৰি আচাৰিব। মুত্তিব-হাগিব। চাবলৈ কোনো নাই। তাই ঘূৰি গৈ হয়তো দেখিব কেচুৱাটো ভোকতে টোপনি গৈ আছে।......আলিবাটৰ দাঁতিত বোকাসোপা ঢালি দি কঁকালটো পোনাবলৈ তাই মূৰটো তুলি কোহিমাৰ পিনে চালে। একো দেখা নাযায়। বাৰিষাৰ বগা মেঘে সকলোবোৰ একাকাৰ কৰি ৰাখিছে। মনত নেপেলোৱাকৈয়ে মনত পৰে বস্তীৰ সমনীয়া ছোৱালীবোৰৰ মুখবোৰ। হাঁহিভৰা। যৌবন চঞ্চলা তেজগোৰা মুখ। চাগে বেছি ভাগৰেই বিয়া হ'ল। সিহঁতৰ কোনো অসুখী

নহয়। কাৰো মন, কাৰো অন্তৰ পোৱা-নোপোৱাৰ দোমোজাত উগুল-থুগুল কোনোদিনে নহ'ল। কামৰ মাজতে ওপজিল। ডাঙৰ হ'ল। জীবনত তুৰাশাক প্ৰশ্ৰয় নিদিলে। খেতি কৰিছে, বিয়া সোমাইছে, ল'ৰা-ছোৱালীৰ মাক হৈছে। সিহঁত সুখী। নিজৰাৰ স্বচ্ছ গতিৰ দৰে সিহঁতৰ জীবন বাধাহীনভাৱে থাপে থাপে আগ বাঢ়ি গৈছে। শৈশব। যৌবন। ঘৰ-সংসাৰ। স্বামী। সন্তান। কিন্তু শিলনিত বাধা পাই সুঁতি সলোৱা নিজৰাৰ পানীৰ দৰে একেখন বস্তীৰে তাইৰ মনটোৱে বেলেগ পথ বিচাৰি ল'বলৈ কি হ'ল? তুৰাকাংক্ষী জীবনে কি বিচাৰি পালে? মাথোন বিদ্রূপ-ইতিকিং, হতাশা-নিৰাশা। আভুৱা ভৰা মিঠা কথাৰ বঞ্চনা। জীয়াই থকাৰ উদ্দেশ্য একো নাই, অথচ তাই জীয়াই আছে। জীবনৰ মাজেদি তাই প্ৰতি মুহূৰ্ত্তে আগ বঢ়াই আনিছে ধ্বংসক। জীবনত তাই একো নাপালে আৰু নাপাব। বিৰাট ব্যৰ্থতাৰ মাজেদি এটা জীবন শেষ হৈ যাব নগা বজাৰৰ জুপুৰিটোত। কিন্তু উপায় নাই। জীয়াই থকা দিনকেইটাত কাম কৰিবই লাগিব।

লালমাটিৰপৰা কাম কৰি এদিন সন্ধিয়া তাই ঘৰলৈ ঘূৰি আহিছে। ডাৱৰীয়া বতৰ. আগদিনাৰেপৰা ফৰকাল। আকাশ মুকলি। তুই একো টুকুৰা মেঘ। চোতাললৈ দূৰৈৰপৰাই চাই আহিছিল তাই।:হয়. এজন মানুহ। আন্ধাৰৰ মাজতে চোতালখনত তহলি কাৰবালৈ যেন অপেক্ষা কৰিছে। চিনাকি-অচিনাকি বহুতো মানুহ এই সময়ত নগা বজাৰলৈ আহি তহল দিয়াটোত নতুনত্ব একো নাই। তাই মন কৰা নাই মানুহজনক। সম্ভবতঃ কোন হ'ব পাৰে তাকো ভাবি নাচালে। দিনটো কাম:কৰা ভাগৰত জাচমী চোতালত ভৰি দিয়েই মানুহজনলৈ নোচোৱাকৈয়ে বান্ধি থোৱা তুৱাৰখনৰ বচি-ডালত ধৰিলে। মানুহজন তাইৰ:পিনে আগবাঢ়ি আহি বাৰ্দ্ধক্যসনা কণ্ঠেৰে সুধিলে—জাচমী নেকি?

পোহৰৰ আৱশ্যক নহ'ল। তাই মানুহজন চিনি পালে। —তাইৰ বাপেক। দুৱাৰখন খুলিবলৈ গৈয়ো তাই খন্তেক বিচলিত-ভাৱে থিয় দিলে। তাই সমূলি ভাবিব পৰা নাছিল—বাপেক আহি এইদৰে ওলাবহি বুলি!

ওঁ! তাই তলমূৰকৈ শলাগিলে। কোনো উদ্যম-উৎসাহ নাই, বাপেক অহাৰ বাবে। বাহিৰে বাহিৰে ঘূৰি গলেও তাইৰ যেন ক'বলগীয়া একো নাই।

ভিতৰলৈ গৈ তাই লেমটো জ্বলালে। ভালেমান সময়ৰ পিছত পোহৰ দেখি কেচুৱাটোৱে হাত-ভৰি জোকাৰি কোঁ-কোৱালে। সি যেন গাৰ কাপোৰ পেলাই পোহৰখিনিৰ পিনে আগবাঢ়িব খুজিছে। কেচুৱাটোৰ মাত শুনি লেমটো হাতত লৈ বাপেক ওচৰ চাপি গ'ল। নিলগত জাচমী খুটা এটাত আঁউজি অস্বস্তিৰে থিয় দি ৰ'ল। বুঢ়াই লেমটো আৰু অলপ জ্বলাই ওচৰতে আঠুকাঢ়ি বহি কেচুৱাটোলৈ চালে। কেচুৱাটোৱে হাঁহিছিল। বুঢ়ায়ো হাঁহিলে। বাৰ্দ্ধক্যই জুৰুলা কৰা মুখমণ্ডল কেচুৱাৰ হাঁহিৰ বেশ লাগি জিলিকি উঠিল। তাক ল'বলৈ হাত দুখন আগ-বঢ়াই দিওঁতে আনন্দত বুঢ়াৰ দুয়োখন হাত কঁপিছিল। থৰক্-বৰককৈ কঁকালৰ খোচনাৰপৰা আধলি এটা উলিয়াই কেচুৱাটোৰ দুয়োখন হাত একেলগ কৰি ধৰি গুজি দি ভালেখিনি সময় হাত দুখন ধৰি থাকিল।

বিশেষ কথা-বতৰা নোহোৱাকৈয়ে বাপেকে অনা কুকুৰাটো তাই সিজালে আৰু ভাত বান্ধিলে। এমগ মধু আৰু ভাতৰ ওপৰত মঙহ অলপ দি ভাতৰ কুফিখন বাপেকলৈ আগ বঢ়াই তাই আঁতৰি আহিল। বস্তীৰ কথা, মাক আৰু সৰু ভায়েক দুটাৰ কথা, বাৰে বাৰে মনত পৰিলেও তাই নুসুধিলে। তাইৰ জীৱনৰ কুখ্যাত ইতিহাসৰ পাতো যে মেল খাই যায়!

ভাত খাই উঠি চাম্ভাব গুৰি মাকৈৰ শুকান পাতত মেৰিয়াই বিড়ি সাজি জ্বলাই লৈ তেওঁ নিজে চিচেমা বস্তীৰ খবৰ কৈছিল। ছুৰছুৰৰ পুৰণি খবৰ আৰু নতুন বাতৰি। দৰিদ্ৰভাই জুৰুলা কৰা বুঢ়াৰ মাতটো মাজে মাজে কঁপি উঠিছিল। বিড়িৰ ধোঁৱাই তোলা কাঁহত কামিহাড়বোৰ জিলিকি উঠিছিল। কথাৰ মাজতে বুঢ়া টোপনি গৈছিল।

লালমাটিত গোটেই দিনটো কাম কৰি যিমান ভাগৰ লাগিছিল, বাপেকৰ মুখত শুনা কথাবোৰে তাতোকৈ বেছি অৱশ কৰিছিল জাচমীক। খাওঁ-নাখাওঁকৈ কেইটামান ভাত খাই বিছনাখনত দীঘল্‌দি পৰিলেও তাইৰ টোপনি নাহিল। বাপেকে টোপনি যোৱাৰ আগতে এবাৰ সুধিছিল—সি ৰাতি নাহিব নেকি ?

বাপেকৰ প্ৰশ্নটোৰ মানে বুজি পাইছিল তাই। তথাপি নুবুজা আৰু নুশুনাৰ ভাও জুৰি শুকান খৰি এডাল মৰক কৰে ভাঙি কিবা এটা কৰাৰ অজুহাতত আঁতৰি গৈছিল তাই।

অকালতে মৰি যোৱা তাইৰ সেই ৰাংঢালী সৰু ভনীয়েকজনীৰ কথা মনত পৰি জাচমীৰ চকুপানী ওলাই আহিল। যোৱা বছৰ বোলে মাক মৰিল। জাচমী ঘৰৰপৰা পলাই অহাৰ পিছৰেপৰা মাকৰ মগজুৰ দোষ বেছি হৈ শেষত পাগলী হৈছিল। মাথোন কান্দে আৰু কান্দে। 'আনি, তোক মই একো নকওঁ ! তই গুচি আহ ! তইঁত কোনো নাথাকিলে কাক চাই জীওঁ ?' মাকে ইনাই-বিনাই বোলে কান্দিছিল—বহুত দিন। তাইৰ কথা কৈ কৈ মাকে প্ৰলাপ বকিছিল। মৰি যোৱাজনীৰ কথা কৈ হিয়ালি-জিয়ালিকৈ কান্দি এবাৰ খুটাত মূৰ মাৰি চকুৰে একেবাৰে নেদেখা হৈছিল। কোনোবাই কথা কোৱা শুনিলেই অধে-মধে গালি পাৰে আৰু কান্দে। এদিন ৰবঘুণ দিয়া সন্ধিয়া এটাত—। সিহঁতৰ ঘৰৰ কাষেদি গৰু এটা খচ্‌খচকৈ গৈছিল। মাকে তই আহিলি জাচমী বুলি দৌৰি

ওলাই যাওঁতে দুৱাৰ মুখতে খুন্দা খাই চোতালত কৰ্কাল খাই পৰি গ'ল। তুলি আনি অচেতন দেহটো বিছনাত থলে; কিন্তু চেতনা আৰু নাহিল। মাক মৰি থাকিল। পানী খেতিৰ অবস্থা ভাল নহয়। গাওঁবুঢ়াৰপৰা কেবা খাং ধান ধাৰলৈ আনিছিল। পৰি-শোধৰ উপায় নাই। ডাঙৰ ল'ৰাটোৱে তাইৰ কথা সোধে মাজে মাজে। বাপেকে কথাষাৰ কওঁতে তলমূৰ কৰি আৰু কৈছিল— তাইৰ কথা বাপেকৰো মনত পৰে। কিন্তু ক'ত থাকে, কি কৰে নাজানে।

জাচমীয়ে আৰু কথাবোৰ ভাৱিব নোৱাৰা হৈ পৰে। হুকুহুকাই কান্দি দিলে। বাপেকে সাৰ পাই বুলি উবুৰি হৈ বিছনাখনত মূৰ গুজি ফেঁকুৰি ফেঁকুৰি কান্দে। বহুতো সময় কান্দি তাই বাপেকলৈ মূৰ তুলি চালে। দাৰিদ্ৰ আৰু চিন্তাই কঁকাল ভাঙি পেলোৱা বুঢ়া বাপেকে এখন হাতত মূৰ থৈ টোপনি গৈছে। কেচুৱাটোৱে তাইক বিচাৰিলে। তাই তাক বুকুলৈ চপাই আনিলে।—কাইলৈ বাপেকে নিশ্চয় আকৌ সুধিব সেই কথাষাৰ। কেচুৱাটোৰ জন্মৰ কাহিনী কি বুলি ক'ব তাই? চিন্তাই সুঁতি সলালে জাচমীৰ। দিক্ সলালে পৃথিবীয়ে।

ৰাতিপুৱাতে বাপেকক এক টেঁহি পিঠা মধু দিলে তাই। ল'ৰা-হাল অকলে অকলে এৰি বুঢ়া থাকিব নোৱাৰে—চিন্তা নকৰাকৈ। পিৰালিতে বহি বুঢ়াই নীৰবে মধু খাইছিল। আলেঙে আলেঙে আছে জাচমী। বিশেষ একো কথা যদি বুঢ়াই নোসোধে ভালেই। যদি ৰস্তীলৈ এৰাৰ যোৱাৰ কথা উলিয়ায়?

অ'ই জাচমী! বাহিৰৰপৰা বুঢ়া ভিতৰলৈ সোমাই আহিল। জাচমীয়ে বুজিলে বাপেকে কিবা এটা সুধিব এতিয়া। তাই বাপকলৈ চালে। তাইৰ সংসাৰখন যে বাপেকে কৰা কল্পনাৰে মিলা নাই—তাই বুজিছে। চিচেমা ৰস্তীৰপৰা উদ্ধতালিৰে গুচি

অহা জাচমীৰ সংসাৰখন যে ইয়াতোকৈ উন্নত হ'ব,—বুঢ়াই ভাবিছিল নিশ্চয়। ঘৰুৱা বিপৰ্যয়ৰ মাজেদি হাত পাতিবলৈ বাপেক যে অহা নাই তাকো তাই বুজিছে। তাই মনে মনে থাকিল।

হেৰি নহয়, তোৰ ঘৰৰ মানুহটো দেখোন বাতিও নাহিল, কলৈনো গৈছে? বুঢ়াই কেচুৱাটো কোলাত লৈ বিছনাখনতে বহি সুধিলে। তাই তথাপি একো নকৈ কাঠৰ বাকচটোৰ ওচৰত থিয় দি পাৰি থোৱা খবৰ কাগজৰ এটা মুৰ দাঙি এখন পাঁচটকীয়া নোট আৰু কেই অনামান খুচৰা পইচা আনিলে। কেচুৱাটোৱে অস্ফুট স্বৰে কিবা কৈ হাত-ভৰি জোকাৰিলে। তাইৰ লালমাটিলৈ যোৱাৰ সময় হৈ আহিছে।

এই পইচাখিনি ল, সিহঁতৰ কাৰণে কিবা কিনি নিবি। মই কামলৈ যাওঁ এতিয়া।

তাই পইচাখিনি বাপেকৰ হাতত গুজি দিওঁতে বুঢ়াই পুনৰ সুধিলে—ইয়াৰ বাপেক নো—

জাচমীয়ে বাহিৰৰ দুৱাৰখন মেলি দিলে। এইবাৰ কিবা উত্তৰ দিবই লাগিব বুলি সিদ্ধান্ত কৰি তাই বাপেকৰ মুখৰ কথা কাঢ়ি আনি কলে—বিয়া হলেহে বাপেক থাকিব!

জাচমী! খঙেৰে বাপেক বহাৰপৰা থিয় দিলে। বুঢ়াৰ পাণ্ডুৰ মুখলৈ শৰীৰৰ তেজখিনি আহি জমা হ'লহি। কপালৰ সিৰ কোঁচ খালে।

থেনিকেশ্ব'! তাইৰ গাৰ পিনে বাপেকে পইচাখিনি মাৰি দি কলে। বতাহত উৰি কঁপি কঁপি নোটখন তাইৰ ভৰিৰ ওচৰত মজিয়াৰ মাটিত পৰি গ'ল। খুচৰা পইচাখিনি সিঁচৰতি হৈ মজিয়াৰ যেনিয়ে তেনিয়ে পৰিল।

বা-বা!! চিঞৰি উঠিল জাচমী। ঠিকেই সন্দেহ কৰিছিল তাই। তাইৰ আৰ্তকণ্ঠৰ সেই চিঞৰত কেচুৱাটো উচপ্ খাই উঠিল।

অভিমান আৰু বেদনাহত জাচমীৰ চকু দুটা হিংস্ৰ বন্য পশুৰ দৰে জ্বলি উঠিল।

থেনিকেশ্ব' !! বাপেকে অলপো সংকোচ নকৰাকৈ, একো নভবাকৈ তাইক বেশ্যা বুলি কলে! মই বেশ্যা! বে—শ্যা !! শিয়ৰি উঠিল তাইৰ সৰ্বশৰীৰ। পিতৃহীন সন্তানক স্বীকৃতি দি বুকুত সাবটি লোৱা মাতৃৰ নাৰীত্বত যশস্যা নাই। কলংক আছে। জীয়াই থাকিবলৈ, দুৰ্ভাগ্যক জয় কৰিবলৈ তাই জীবন-সংগ্ৰামত কি অংশ ল'বলগীয়া হৈছে, কেনেকৈ তাই জীয়াই আছে, সন্তানৰ পিতৃহীনতাত তাইক বেশ্যা বুলিব পাৰি নে নোৱাৰি শুনিবলৈ, ভাবি চাবলৈ আবশ্যক নহ'ল। নাই—আবশ্যক নাই। বাপেক নোহোৱা সন্তান—জাৰজ। মাক থেনিকেশ্ব'—বেশ্যা। মই বেশ্যা! মোৰ সন্তান জাৰজ !!

খং, উত্তেজনা আৰু ঘৃণাত বুঢ়াই জাচমীক বকি আছিল। বাপেকে জীয়েকক নহয়। এজন সমাজ-সেকৰা মানুহে এজনী ভ্ৰষ্টাক, উশৃংখল জীবন এটাক অন্যায়ভাৱে আদৰি লোৱা গাভৰু এজনীক। কোনো বস্তীতে নিয়ম নাই—অবিবাহিতা গাভৰু জাৰজ সন্তানৰ মাক হোৱাৰ। হলেও সমাজত সিহঁতৰ স্থান নাই। কুকুৰতকৈও অবহেলিত সিহঁত। শ্ৰমৰ মৰ্যদাৰে যুগৰ পিছত যুগ ধৰি পাহাৰ-কন্দৰত কাল কটাই অহা অ-খৃষ্টিয়ান আংগামী নগা সমাজে সেই বৃত্তিক প্ৰশ্ৰয় নিদিয়ে। সমাজৰ বান্ধোনত সাত পুৰুষৰ দৰে নিজেও জীবন বেলিৰ অস্তাচলত থিয় দি জাচমীক বাপেকে ক্ষমা কৰিব নোৱাৰিলে। পিতৃ আৰু দুহিতাৰ সম্বন্ধৰ ৰচিডাল ছিঙি গ'ল। অপত্য স্নেহৰ মায়াজাল অকৰ্মৰ প্ৰতিক্ৰিয়াই আঁতৰাই দিলে।

বাপেকক তাই সকলো কথা শুনাব খুজিছিল। নগা বজাৰৰ এটা জুপুৰি ঘৰত থাকি মদৰ ব্যবসায় কৰিও তাই শৰীৰৰ শুচিতাক

কিমান ধৈৰ্যৰে অপমিত্ৰ হৈ যাবলৈ নিদি অৱশেষত এটা মলপীৰ পাকচক্ৰত বঞ্চিতা হ'বলগীয়া হ'ল; কিন্তু বাপেকে শুনিলে 'ভ্ৰষ্টা' জীয়েকৰ 'শুচিতাৰ' কাহিনী। তাইৰ তেনেকুৱা পৰিবেশৰ প্ৰতি বস্তীৰ সমাজৰ ব্যৱস্থা কি হ'ব পাবে সুধিব খুজিও নোৱাৰিলে।

নিলাজ! বেশ্যা!! পাপৰ মাজেদি অৰ্জন কৰা টকা হাতত তুলি দি পুতো দেখুৱাইছ! খাবলৈ নাপাই মৰি যাম; কিন্তু হাত দি নোচোওঁ তোৰ সেই টকা!

জুপৰি ঘৰটোৰ সেমেকা মজিয়াখন বুঢ়াৰ ভৰিৰ গোবোহনিত কঁপি উঠিল। কেচুৱাটোলৈ আৰু ঘূৰি নাচালে। আক্ৰোহত হাতৰ মুঠি মাৰি কোঁপাবলৈ ধৰিলে।

ওলাই যা ইয়াৰপৰা! কি কাম আছে ইয়াত থাকিবলৈ? মই বেশ্যা! বেশ্যাৰ ঘৰৰপৰা ভাল মানুহবোৰ ওলাই যা!

জাচমী খণ্ডত গৰজি উঠিল।

সিদিনালৈকে, আপোন বাপেকে নিজ মুখে কোৱাৰ আগ মুহূৰ্তলৈকে তাই ভৰা নাছিল যে তাই চৰিত্ৰহীনা! তাই জানো উভতি যাবলৈ খুজিছিল চিচেমা বস্তীলৈ? সমাজৰ মাজলৈ? তাইতো বাপেকৰপৰা একো বিচৰা নাছিল। সাজে সাজে লম্বোণ দিও বস্তীলৈ ঘূৰি যাবলৈ চিন্তা কৰা নাছিল। তেনেহলে? তেনেহলে তাইৰ দুখ-বেদনাবোৰৰ ভাগ ল'বলৈ আগ্ৰহ নেদেখুওৱাবোৰৰ কি স্বত্ব আছে—অপমান কৰিবলৈ?

বাপেকক গালি পাৰি উলিয়াই দিলে জাচমীয়ে।

জাচমীৰ কেচুৱাটো মাত্ৰ কেইমাহ মান জীয়াই আছিল। শেষৰ মাহটো মাথোন জীয়াই আছিল অকমাণি কংকাল এটি;—হাড়ৰ ওপৰত সংকুচিত ছালবোৰেৰে। কিবা বেমাৰ হৈ ছালবোৰো কপাহীয়া কুকুৰৰ ছালৰ দৰে কোঁচ খাই গৈছিল। মূৰৰ চুলিবোৰ দুই এডালকৈ সৰি গৈছিল। শিশু সুলভ হাঁহিয়ে ইতিমধ্যে বিদায়

লৈছিল। হাত-ভৰিবোৰ খাগৰি খৰি যেন হৈ পৰিছিল। মাজে মাজে জ্বৰ উঠে। এদিন ৰাতি টানকৈ জ্বৰ উঠিল। টানকৈ জ্বৰ উঠাতো তাই কেচুৱাটোক কাপোৰ-কানিৰে ঢাকি থৈ ৰাতিপুৱা কামলৈ অনিচ্ছাস্বত্বেও গুচি গ'ল। নগৈ উপায়ো নাই। সন্ধিয়া লৰা-লৰিকৈ লেমটো জ্বলাই লৈ কেচুৱাটো চালে—শুই আছে। গেঁতা ওঁঠ দুটা ডাঠ নীলা বৰণ হৈ গৈছে। দুয়োখন হাত মুঠি মৰা। কোনোদিন কোনেও জগাই তুলিব নোৱাৰা সেই টোপনি!

কি খুৱাই তাই জীয়াই ৰাখে সেই শিশুক? লালমাটিত কাম কৰাৰ আগতে তাইৰ হাতত এটা ফুটা কড়িও নাই। সঞ্চয়হীনতাৰ মাজতে এদিন সি নামি আহিছিল তাইৰ বিক্ত সংসাৰলৈ। মাকৰ বুকু চুহি জীয়াই থাকিবলৈও আধা সাজ ভাত খাই জীয়াই থকা প্ৰসূতী মাকৰ বুকুত উৎস ক'ত?

পৰাজয়ৰ গ্লানি আৰু ভঙা হিয়াৰ বিননি জুৰি তাই কোনো দিন বহি থকা নাই। এদিন বহি থকা মানে দুদিন লঘোণ। জীৱনৰ পথত এখোজ আগবাঢ়ি দুখোজ পিছলৈ আহিও নিৰাশ হোৱা নাই জাচমী। অখ্যাতি-অপযশৰ মাজেদিয়েই তাই জীয়াই আছে। জীয়াই থকা দিনকেইটা যেনেকৈ হওক খাবই লাগিব। লালমাটিৰ ব্যস্ত বনুৱা দলৰ মাজত নিৰ্বিকাৰভাৱে সোমাই পৰি বোকা ভৰা পাচি কঢ়িয়ায়গৈ তাই। জীৱনৰ সকলো বেদনা পাহৰি থাকিবলৈ কামত মন দিয়ে।

দুদিনৰ মূৰত বতৰ আকৌ ডাৱৰীয়া কৰিছিল। ৰাতি বৰষুণ দিছিল। দিনতো হয়তো দিব। লালমাটিৰ কামত জোৰ কৰি মন দিছে জাচমীয়ে। দেহ-মন দুয়োটা অসাৰ আৰু অৱশ। ঘনে ঘনে মনটো লালমাটিৰপৰা গুচি যায়। হাত দুখন নিষ্ক্ৰিয় হৈ আছে। তললৈ মূৰ কৰি বোকাৰ পাচিটো দাঙি ল'বলৈ চেষ্টা কৰি থমকি ৰয়। সেই পাচিটোত যেন জিলিকি উঠে—তাইৰ পৰছি দিনা সংগীহীনতাৰ

মাজেদি এসোপা ফটা কাপোৰৰ মাজত চিৰকাললৈ টোপনি যোৱা ক্লিষ্ট শিশুটিৰ বিবৰ্ণ মুখখনি। যি দুখন হাতেৰে মৰম কৰি আলফুলকৈ কেচুৱাটোক কোলাত লৈ তাই ভাবিছিল তাৰ ভবিষ্যতৰ কথা—কৰিছিল তাক জীয়াই ৰখাৰ কল্পনা, সেই দুখন হাতেৰেই অকলে অকলে তাই নগা বজাৰৰ নামনিৰ মৰা নদীৰ নিচিনা এটুকুৰা বৰষুণ পৰি টিলা হোৱা মাটিত গাঁত এটা খান্দি পুতি থলে তাক। মাটি আৰু শিলগুটিৰ বিছনা পাতি চিৰকালৰ বাবে শুৱাই থৈ আহিল। চকুৰ পানীবোৰ নিগৰি ওলাই আহে তাইৰ দুচকুৰেদি। পাচিটোত ভৰি থকা ক'লা বোকাবোৰত চকুৰ পানীয়ে ৰূপ হেৰুৱায়। জোৰ কৰি জাচমীয়ে মনটো ঘূৰাই আনিবলৈ চেষ্টা কৰে।

বোকাবোৰ নিৰ্দিষ্ট ঠাইত পেলাই মনটো ডাঠ কৰি কামত মন দিবলৈ চেষ্টা কৰে তাই। আলিবাটৰ সিপাৰৰ বিৰাট পাহাৰখনৰ আধা খহি পৰি নখহাকৈ ওলাই থকা বগা শিলগুটিবোৰলৈ চাই ৰয় তাই। অনতিদূৰৰ মধুৰ দোকানৰপৰা ভাহি অহা অসংলগ্ন কথাবোৰ শুনি মনটোৰ গতি সলাবলৈ বাৰে বাৰে যত্ন কৰে। কোনোদিন শুনিবলৈ ভাল নলগা, শুনিবলৈ মন নকৰা সেই হাঁহি আৰু গুণ্‌গুণনি, হাঁহি আৰু ইয়াৰ্কিবোৰকে তাই শুনিবলৈ কাণ পাতে। ওচৰতে কাম কৰি থকা মতা-তিৰোতাবোৰৰ কৰ্মঠমাংস-পেশীবোৰলৈ চাই নিজৰ শৰীৰলৈ শক্তি সঞ্চয় কৰিবলৈ চেষ্টা কৰি নিজকে নিজে সোধে—কি? কি হৈছে মোৰ?

কিন্তু তাইৰ মনৰ সবলতা সহজে ঘূৰি নাহে। বোকা-পানীৰ মাজত পোত খাই থকা ভৰি দুখনৰ স্নায়ুমণ্ডলী যেন নিষ্ক্ৰিয় হৈ আহিছে। বোকা-পানীবোৰে যেন এটা বিৰাট দৈত্যৰ ৰূপ লৈ তাইৰ শৰীৰৰ অবশিষ্ট গোটেইখিনি শক্তি ভৰি দুখনৰ যোগেদি শুহি পেলাইছে। থিয় দি থাকিবলৈকো শক্তি নোহোৱা হৈ পৰিল জাচমীৰ। ডাৱৰীয়া বতৰৰ গোমা আকাশখন আৰু ক'লা পাহাৰ-

বোৰে যেন উদ্দাম গতিৰে নাচি নাচি তাই থিয় হৈ থকা পৃথিবীখনো নচুৱাই তুলিছে। চকুৰ দৃষ্টিয়ে জিলিমিলি কৰে। ওচৰতে কাম কৰি থকা মানুহবোৰকো তাই যেন চিনি উলিয়াব পৰা নাই। বন্ধুৱাবোৰে মনলৈ উছাহ আনিবলৈ সমস্বৰে কৰা অ'হৈ—অ'হৈ ধ্বনি বিণি বিণি তাইৰ কাণত সোমাইছেহি। যেন তাই শুনিছে—বহুতো দূৰৈত কাবোবাৰ সমাধিৰ ওচৰত কোনোবাই করুণ সুৰেৰে আত্মাৰ মংগলৰ প্ৰাৰ্থনা সংগীত গাইছে। শুৱাই থৈ অহা কেচুৱাটোৱে সাৰ পাই তাইক বিচাৰি সেয়া হাত মেলিছে নেকি বাৰু? শিলগুটি আৰু আঠলুৱা মাটিবোৰে তাক নেদেখাকৈ ঢাকি ধৰিলে দেখোন! আঃ সি দুখ পাব—সি.........।

মোৰ কি হ'ল? তেন্তে? তেন্তে লালমাটিয়ে মোক বিদায় নিদিব নেকি? জীৱন যুঁজত বৰ্তি থকাৰ চৰম পৰিণতি এই লালমাটিৰ খহনীয়া! অশেষ শ্ৰমৰ থলি এই লালমাটিয়ে মোক বুকুলৈ টানে কিয়? এয়া মোৰ কিহৰ অৱসাদ? কিহৰ শোক? কিহৰ বেদনাই মোক পংগু কৰি আনিছে? এয়ে নেকি মৰণ দেৱতাৰ আবাহন? এয়ে নেকি মৃত্যুৰ পূৰ্ব সংকেত? এয়ে যদি মৃত্যু হয়, স্বাগতম মৰণ দেৱতা! কিন্তু কোনো ক্লান্তিক মই প্ৰশ্ৰয় নিদিওঁ। মই সিহঁতৰ হাতত জয়ী হ'ম। কোন? এ—য়া......

সেইদিনাই আপোনাৰ লগত মোৰ প্ৰথম চিনাকি হৈছিল নহয় জানো? জাচমীয়ে কমললৈ চালে। তাই ইঁহা নাছিল। গহীন হৈছিল। তাইৰ সেই গহীন দৃষ্টিৰ মাজেদি কমলে দেখা পালে লালমাটিৰ খহনীয়াত লগ পোৱা সেই অসহায় ছোৱালীজনী।

লালমাটি চেক্সনত কাম কৰা অ'ভাৰচিয়াৰজনৰ অসুখৰ বাবে কমল বৰুৱাক পঠোৱা হৈছিল লালমাটিত কামৰ তদাৰক কৰিবলৈ।

মোৰ মনত আছে। কমলেও নইঁহাকৈ কলে।

হে—ই? মাইকীটু দাণ্ডি আমিবি। সেইদিনা কমলে চিএঞবি দিছিল। লালমাটিত আঠুলৈ পোত যোৱা বোকাৰ মাজত অচেতন হৈ পৰি গৈছিল জাচমী। ওচৰতে কাম কৰা মানুহবোৰে কমলৰ চিএঞৰ আৰু হাতৰ ইংগিত দেখি ঘূৰি চাইছিল। এজনী ছোৱালী মূৰ্ছা গৈ পৰি আছে। সিহঁতে সেইটোলৈ মন নকৰি নিজ নিজ কামত মন দিছিল।

দৌৰাদৌৰিকৈ কমলে বোকাৰ মাজৰপৰা মূৰ্ছিতা ছোৱালীজনীক তুলি আনি তাৰ নিজৰ পানী কোটটোৰ ওপৰত শুৱাই দি এজনক সুধিছিল—পানী আছে?

ক'ত পানী থাকিব? মধুহে আছে! আমি হলে পানী নাখাই দেই চাহাব!

সি মটৰত থৈ অহা ওৱাটাৰ কেৰিয়েজ্‌টো দৌৰি গৈ আনি আঁজলিত পানী লৈ চকুত মাৰি দিছিল। ৰুমালখন তিয়াই লৈ তাইৰ শুকান ওঁঠত ঘঁহি দিছিল।

অলপ পৰৰ পিছত তাই লাহেকৈ চকু মেলিলে। শুকান শেঁতা ওঁঠ দুটাতকৈ চকু দুটা বেছি দীপ্তিহীন। বুকুত মেঠনি মাৰি আটিলকৈ গাঠি দি লোৱা কাপোৰখন কমলে ঢিলাকৈ দিছিল। তাই হাতেৰে সেপিয়াই ঠিক কৰি লৈ নিষ্প্ৰভ দৃষ্টিৰে কমলৰ পিনে এবাৰ চালে আৰু উঠি বহিবলৈ চেষ্টা কৰিলে।

নুঠিবা, আৰু অলপ সময় শুই থাকা। সি কলে।

পানী আছে? ক্ষীণস্বৰে তাই সুধিলে।

কমলে কাপটোত পানী বাকি লৈ নিজে খুৱাই দিবলৈ খুজিলে।

মযে পাৰিম। তাই হাত এখনেৰে কমলৰপৰা কাপটো আনিবলৈ আগ বঢ়াই দি কলে। কাপটো মুখলৈ নিওঁতে থৰক্-বৰক্ কৰিছিল হাতখন। কোৱাৰিৰ কাষেদি এধাৰ পানী বাগৰি ডিঙিয়েদি বৈ গ'ল।

ঘট্ ঘট্‌কৈ পানী কাপ শেষ কৰি আৰু একাপ খাই, জিভাখন হুয়োটা ওঁঠতে বুলাই ক্লান্তিৰে দীঘলকৈ তাই উশাহ এৰিলে।

কিবা অসুখ আছিল নেকি?

তাই কুঁৱলীৰ নিচিনা পাতল বগা মেঘ আৰু ক'লা ৰঙৰ পাহাৰ-বোৰৰ পিনে উদাসীন মনে চাই আছিল। তাই যেন একো চোৱা নাই—চাব পৰা নাই।

ভবা নাই—ভাবিবও পৰা নাই—।

তাই চোৱাৰ পিনে সিও চাই সুধিলে।

তাৰ পিনে নোচোৱাকৈয়ে মূৰটো জোকাৰি তাই উত্তৰ দিলে—ওঁহো।

॥ অন্ত ॥